
# জীৱনপ্ৰভা

## সত্য নাথ দাস ঃ জীৱন আৰু কৃতি



মুখ্য সম্পাদক
ড° ৰমেন্দ্ৰ কুমাৰ দাস

সম্পাদক
ৰবীন্দ্ৰ ভট্টাচাৰ্য

# জীৱনপ্ৰভা

(সত্যনাথ দাস ঃ জীৱন আৰু কৃতি)

মুখ্য সম্পাদক

ড° ৰমেন্দ্ৰ কুমাৰ দাস

সম্পাদক

শ্ৰী ৰবীন্দ্ৰ ভট্টাচাৰ্য

বি. এইচ্. কলেজ সোণালী জয়ন্তী প্ৰকাশন উপ সমিতি

বি. এইচ্. কলেজ, হাউলী

বৰপেটা (অসম) - ৭৮১৩১৬

*JEEVANPRABHĀ :*
A Collection of articles on the life and achievements of Sri Satya Nath Das,
Founder Principal of B. H. College
Chief Editor : *Dr. Ramendra Kr. Das*
Editor : *Rabindra Bhattacharyya*
and published by
B. H. College Golden Jubilee Prakashan Sub Committee
B.H.College, Howly -781316,
19 December, 2017.

---

# জীৱনপ্ৰভা

- প্ৰকাশক -
**বি. এইচ্. কলেজ সোণালী জয়ন্তী প্ৰকাশন উপ সমিতি**
বি. এইচ্. কলেজ, হাউলী, বৰপেটা (অসম) ৭৮১৩১৬

**প্ৰথম প্ৰকাশ ঃ ১৯ ডিচেম্বৰ, ২০১৭**

গ্ৰন্থস্বত্ব ঃ বি. এইচ্. কলেজ সোণালী জয়ন্তী প্ৰকাশন উপ সমিতি

**মূল্য ঃ ১০০.০০ (একশ) টকা**

প্ৰচ্ছদ ঃ সন্‌জিৎ কুমাৰ শৰ্মা

অক্ষৰ বিন্যাস ঃ শিৱম অফছেট প্ৰিণ্টাৰ্চ, বৰপেটাৰোড, অসম

মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেজিং চিষ্টেমচ্ প্ৰাঃ লিঃ,
লাচিত লেন, ৰাজগড়, গুৱাহাটী- ৭৮১০০৭

## 'জীৱনপ্ৰভা' সম্পাদনা সমিতি

উপদেষ্টা ঃ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী
ড° অৰুণ কুমাৰ দাস
ডাঃ হৰেন চৌধুৰী
অক্ষয় কুমাৰ মিশ্ৰ
পৰমানন্দ দাস
হৃষীকেশ গোস্বামী
সৃজন চন্দ্ৰ নাথ
ৰাম অৱতাৰ সাৰদা

মুখ্য সম্পাদক ঃ ড° ৰমেন্দ্ৰ কুমাৰ দাস

সম্পাদক ঃ ৰবীন্দ্ৰ ভট্টাচাৰ্য

সম্পাদনা সহযোগী ঃ ড° ভগীৰথ নাথ
সুশান্ত দত্ত
শংকৰ দাশগুপ্ত
নয়নেন্দ্ৰ নাৰায়ণ দেৱ চৌধুৰী
ৰেণু হাজৰিকা
ড° দীপমণি দাস
ঊষা দাস
ড° চুলতান আলী আহমেদ
হিতেশ দাস
মনহৰি বায়ন

## বি. এইচ্. কলেজ সোণালী জয়ন্তী উদ্‌যাপন

### প্রকাশন উপ-সমিতি

উপদেষ্টা - অক্ষয় কুমাৰ মিশ্ৰ
ডাঃ হৰেন চৌধুৰী
ড° ভগীৰথ নাথ

সভাপতি - ৰবীন্দ্ৰ ভট্টাচাৰ্য

উপ-সভাপতি - খুৰেছদ আলম
নয়নেন্দ্ৰ নাৰায়ণ দেৱচৌধুৰী
সুভাষ চন্দ্ৰ দাস

সম্পাদক - ঊষা দাস

সদস্য/ সদস্যা- ড° ভানু নাথ
আব্দুল মান্নাফ শিকদাৰ
ড° গঙ্গাধৰ দাস
প্ৰবীন মাহেশ্বৰী
ৰঞ্জিত ভূঞা
ড° দেৱব্ৰত দত্ত
ৰেণু হাজৰিকা
ড° দীপমণি দাস
ড° নবজিৎ দাস
নিৰ্মালি মালাকাৰ
ড° চুলতান আলী আহমেদ
ড° হেমন্ত ডেকা
ড° কিশোৰ শৰ্মা
হিতেশ দাস
মনহৰি বায়ন
ধ্ৰুৱ কুমাৰ তালুকদাৰ
মনতাজ আলী

# মুখ্য সম্পাদকৰ কলম

বি.এইচ্. কলেজ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহৰ অৰ্ন্তগত প্ৰকাশন উপ সমিতিৰ ফালৰ পৰা অহা প্ৰস্তাৱ মৰ্মে আমাক প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসৰ জীৱন আৰু কৃতিৰ ওপৰত এখন গ্ৰন্থ প্ৰণয়ণৰ বাবে মুখ্য সম্পাদকৰ দায়িত্ব অৰ্পণ কৰিব বিচৰা এখন চিঠি পাই প্ৰথমতে মই স্তম্ভিত হ'লো। সন্মানীয় সদস্যসকলৰ প্ৰস্তাৱ গ্ৰহণ কৰাটো মোৰ পক্ষে সম্ভৱ নহ'ব বুলি জনোৱা স্বত্বেও তেখেতসকলৰ মৰমসনা দাবীৰ পৰিপ্ৰেক্ষিতত মই সিদ্ধান্তটো পুনৰ বিবেচনা কৰি আৰু সংশ্লিষ্ট সকলোৰে সহায়-সহযোগিতা বিচাৰি দায়িত্ব গ্ৰহণ কৰিলোঁ। শ্ৰদ্ধেয় সত্যনাথ দাসদেৱৰ লগত প্ৰায় ২৭ বছৰ কৰ্মজীৱন অতিবাহিত কৰিলোঁ আৰু সাম্প্ৰতিক কালতো তেখেতৰ সান্নিধ্য লাভ কৰি আছো। এইটো স্বীকাৰ্য যে শ্ৰীযুত দাসদেৱৰ আশাসুধীয়া প্ৰচেষ্টা আৰু সবল নেতৃত্বৰ বাবে বি. এইচ্. কলেজে সকলো দিশৰ পৰা এখন সৰ্বাংগ সুন্দৰ বৃহৎ কলেজ হিচাপে পৰিগণিত হৈছে। পূৰ্বপুৰুষৰ অৱদান স্মৰণ কৰি সোণালী জয়ন্তী প্ৰকাশন উপ সমিতিয়ে দাসদেৱৰ কৃতি সম্বলিত গ্ৰন্থ এখন প্ৰণয়ণ কৰিবলৈ আগবাঢ়ি আহিছে। এইটো অনস্বীকাৰ্য যে দাসদেৱে নিজেই এক অনুষ্ঠানৰ লেখীয়া। 'জীৱনপ্ৰভা' নামেৰে নামকৰণ কৰা এই গ্ৰন্থখনে তেখেতৰ বৰ্ণিল জীৱনক সাৱলীলভাবে বিশ্লেষণ কৰিব বুলিয়েই আমাৰ বিশ্বাস। আমাৰ মতে— *It is a glorious moment, a vindication of pride and opportunity to penetrate into his colourful life and*

*unparalleled achievement.* নৱপ্ৰজন্মই শ্ৰীযুত দাসদেৱৰ কৰ্মজীৱনৰ পৰা ভালেখিনি জানিব লগা বা শিকিব লগা আছে। এই গ্ৰন্থখনৰ পৰা সকলোৱে উপকাৰ হ'ব বুলি আশা কৰি আমি দায়িত্ব কান্ধ পাতি ললোঁ। এইখন এখন সাধাৰণ প্ৰশস্তিমূলক গ্ৰন্থ হিচাপে পৰিগণিত নহৈ এটা যুগৰ বাৰ্তাবাহক হওক বুলি আপ্ৰাণ চেষ্টা কৰা হৈছে। ইয়াৰ মূল্যায়ন বা বিশ্লেষণ সহৃদয় পাঠক সমাজৰ ওপৰত। গ্ৰন্থখন যুগুত কৰোতে যি সকল সদাশয় ব্যক্তিয়ে আমালৈ তেখেতসকলৰ মূল্যবান লেখাসমূহ প্ৰেৰণ কৰিলে অথবা সদুপদেশ দি আমাক উৎসাহিত কৰিলে তেখেতসকলক আমি পাহৰিব নোৱাৰোঁ। এই ছেগতে আটাইলৈ আমাৰ সাধুবাদ থাকিল। সম্পাদনা সমিতি আৰু প্ৰকাশন উপ সমিতিৰ সন্মানীয় সদস্যসকললৈ আন্তৰিক ধন্যবাদ থাকিল। মোৰ অতি সাদৰৰ ভাই-ভনী দুগৰাকী ক্ৰমে অধ্যাপক শ্ৰী ৰবীন্দ্ৰ ভট্টাচাৰ্য আৰু অধ্যাপিকা শ্ৰীমতী উষা দাসলৈ মোৰ মৰম আৰু শুভাশীষ থাকিল।

**ড° ৰমেন্দ্ৰ কুমাৰ দাস**
সম্পাদক, জীৱনপ্ৰভা

# সম্পাদকৰ কলম

"No greatness, save it be some far-off touch
Of greatness to know well I am not great"
Alfred Lod Tennyson
"Idylls of the King"

বি. এইচ্. কলেজ সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে সোণালী জয়ন্তী বৰ্ষ উপলক্ষে কলেজৰ তৰফৰ পৰা প্ৰকাশ হ'ব লগীয়া গ্ৰন্থ প্ৰকাশন উপ সমিতিৰ সভাপতি হিচাপে আমাৰ ওপৰত যি গুৰু দায়িত্ব ন্যস্ত কৰিছিল সেইখিনি সুচাৰুৰূপে পালন কৰিব পাৰিছোনে নাই তাৰ বিচাৰ বৰপেটাৰোড-হাউলী অঞ্চলৰ সমূহ শ্ৰদ্ধেয় ৰাইজ আৰু সহৃদয় পাঠক-পাঠিকাবৃন্দলৈ বিনম্ৰভাবে ৰাখি আমাৰ এই আযাৰ চেৰেক, যাক 'সম্পাদকীয়' বুলি ক'ব পাৰি।

ইং ২০১৬ ইং চনৰ প্ৰাক্‌ক্ষণৰ পৰাই 'প্ৰকাশন উপ সমিতিখন'ৰ শ্ৰদ্ধাস্পদ সদস্য সকলৰ লগত যথেষ্ট আলোচনা পৰ্যালোচনাৰ মাজেৰে সকলোৱে সৰ্বসন্মত ভাবেৰে এক ঐক্যমতত উপনীত হৈছিলোঁ যে 'প্ৰকাশন সমিতি'ৰ তৰফৰ পৰা অতি কম হ'লেও পাঁচখন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰিব লাগিব, যি কেইখন গ্ৰন্থই অন্ততঃ বি. এইচ্. কলেজৰ সোণসেৰীয়া ইতিহাসৰ ন্যূনতম ভাবেৰে হ'লেও কিবা এটা চিন ৰাখি যাব পাৰে। কলেজৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠক ডাঙৰীয়াই এইক্ষেত্ৰত যথেষ্ট আগ্ৰহ আৰু সহমৰ্মিতাৰে প্ৰকাশন সমিতিৰ লগত একাণপতীয়াকৈ লাগি থাকি কামফেৰা আগুৱাই নিয়াত আমাক যথেষ্ট উদ্‌গনি দিছিল। গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাবে

প্ৰাধান্য লাভ কৰা গ্ৰন্থখন আছিল বৰপেটাৰোড আৰু হাউলী তথা সমগ্ৰ বৰপেটা জিলাৰ সৰ্ব পৰিচিত, স্বনামধন্য, সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্য নাথ দাসদেৱৰ আশৈশৱ অধুনাব্যপ্ত এখন জীৱন বৃত্তান্ত। তেখেতৰ জীৱন আৰু কৃতিৰ বিষয়ে নৱ প্ৰজন্মক পৰিচয় কৰি দিয়া আৰু লগতে বি. এইচ্. কলেজৰ সোণালী ঐতিহ্যক বাঙ্ময় কৰাৰ বাবে এয়া আছিল এক বিনম্ৰ প্ৰয়াস। এই গ্ৰন্থখনৰ এটি নাম বিচাৰি বিভিন্নজনৰ লগত যোগাযোগ কৰা হৈছিল আৰু এইক্ষেত্ৰত শ্ৰদ্ধেয় শ্ৰীযুত সত্য নাথ দাসদেৱৰ প্ৰিয়বন্ধু, বি. এইচ্. কলেজৰ তদানীন্তন (অৱসৰপ্ৰাপ্ত) ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী ডাঙৰীয়াই আমাৰ চিন্তাৰ ওৰ পেলালে। তেখেতে গ্ৰন্থখনিৰ নাম 'জীৱনপ্ৰভা' হিচাপে ৰাখিলে কেনেকুৱা হ'ব, সেই দায়িত্ব আমালৈ এৰি থ'লে। অৱশেষত সৰ্বসন্মত ভাবেৰে উক্ত নামটোকেই সমিতিয়ে বাহাল ৰাখিলে। এই আপাহতে শ্ৰদ্ধেয় গোস্বামী ডাঙৰীয়ালৈ আমাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পৰম শ্ৰদ্ধেয় শ্ৰীযুত সত্য নাথ দাস মহাশয়ৰ নিষ্কলুষ আৰু কৰ্মময় জীৱনৰ এক নিৰ্লোভ খতিয়ান যুগুতোৱা সহজ কাম নহয়। তেখেতৰ আদৰ্শ, সত্যনিষ্ঠা, সৎ সাহস, কৰ্ত্তব্যপৰায়ণতা আদি গুণবোৰৰ কথা প্ৰবীন চামৰ বাবে অজানা নহ'লেও তৰুণ প্ৰজন্মৰ বাবে সেয়া সম্পূৰ্ণ অজ্ঞাত। সেয়েহে প্ৰকাশন উপ সমিতিৰ মাননীয় সদস্য সকলৰ পৰামৰ্শ অনুসাৰে তেখেতৰ বাল্যকালৰ বন্ধু, কৰ্ম জীৱনৰ সঙ্গী, সামাজিক জীৱনৰ লগৰীয়া, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আদিৰ উপৰিও তেখেতৰ সন্তান আৰু নিকটাত্মীয় আদি, বিশেষ বিশেষ ব্যক্তিৰ পৰা তেখেতৰ জীৱনৰ একোটা নিৰ্দিষ্ট বিষয়ত লিখনি বিচাৰি অনুৰোধ জনোৱা হৈছিল। ২০১৬ চনৰ শেষৰ ফাললৈ প্ৰায়বোৰ লিখনি আমাৰ হাতলৈ আহিছিল যদিও কিছুমান বিশেষ ব্যক্তিৰ লিখনি আহি পোৱাত যথেষ্ট বিলম্ব হৈছিল আৰু আন কিছুসংখ্যক অদ্যাৱধি আমাৰ হাতত পৰা নাই। সি যিয়েই হওক, বুজন সংখ্যক লিখকৰ তৎপৰতা আৰু উৎসাহৰ ফল হ'ল শ্ৰীযুত সত্য নাথ দাসদেৱৰ জীৱনৰ ওপৰত যুগুতাই উলিওৱা এই 'জীৱনপ্ৰভা'।

শ্ৰদ্ধেয় সত্য নাথ দাস মহাশয়ৰ জীৱনটো বহুৰঙী কাঁচৰ বল বা প্ৰিজম এটিৰ দৰে। সুখ, দুখ, আনন্দ, হতাশা, প্ৰাপ্তি, অপ্ৰাপ্তি, ত্যাগ, কষ্ট, উদাৰতা, নিৰ্ভীকতা, পৰোপকাৰ, বন্ধুত্ব আদি বিভিন্ন ৰঙেৰে নিৰ্মিত সেই কাঁচৰ বলটো। বাল্যকালৰ পৰা অদ্যাৱধি তেখেতৰ জীৱনৰ বিভিন্ন সময়ত এই ৰঙবোৰ বিভিন্ন পৰিস্থিতিত বিভিন্ন ধৰণে বিচ্ছুৰিত হৈছে। তেখেতৰ প্ৰতিভা সৰ্বজন বিদিত। এজন সুদক্ষ কলেজ প্ৰতিষ্ঠাপক অধ্যক্ষ হোৱাৰ উপৰিও তেখেতৰ গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্ব, বিচক্ষণতা, প্ৰত্যুৎপন্নমতিতা, সময়ৰ প্ৰত্যাহ্বানক বীৰৰ দৰে গ্ৰহণ কৰিব পৰা শক্তি, কৰ্ত্তব্যনিষ্ঠা, সদালাপ, নিষ্কলুষতা, অনাড়ম্বৰতা, দুৰ্নীতি আৰু ব্যভিচাৰৰ পৰম শত্ৰু, 'বজ্ৰাদপি কোঠৰাণি শিশিৰাদপি কোমোলানি' অন্তৰ, সমাজ হিতৈষী ইত্যাদি অসংখ্য গুণেৰে সমাহিত তেখেতৰ সম্পূৰ্ণ ব্যক্তিত্ব উক্ত লিখনিবোৰে প্ৰকাশ কৰিব পাৰিছেনে নাই তাত আমাৰ সন্দেহ আছে। অসম, অসমীয়া, নিজৰ জন্মভূমি, গাঁওখন তেখেতৰ হিয়াৰ আমঠু। নিজৰ ঘৰ বা সন্তানসকলক দিবলগীয়া আপডালক পাহৰি তেখেতৰ গোটেই জীৱনটো উৎসৰ্গিত হৈছিল তেখেতৰ প্ৰাণৰো প্ৰাণৰ বি. এইচ্. কলেজৰ হকে। নাছিল তেখেতৰ প্ৰাপ্তিৰ আশা বা গৌৰৱৰ জয়মাল্য পিন্ধাৰ হাবিয়াস। অনগ্ৰসৰ অঞ্চলৰ দুখীয়া দৰিদ্ৰ পৰিয়ালৰ প্ৰতিভাবান শিক্ষাৰ্থীসকলক প্ৰকৃত জ্ঞানৰ পূজাৰী কৰি গঢ়ি তোলাৰ লক্ষ্যেৰে তেখেত অগ্ৰসৰ হৈছিল আৰু তেখেতৰ সেই উদ্দেশ্য এশ শতাংশই কৃতকাৰ্য হৈছিল। আজিৰ বি. এইচ্. কলেজৰ সুদৃঢ় কাঠামো শ্ৰদ্ধেয় দাস ছাৰৰ বজ্ৰ কঠোৰ আদৰ্শ আৰু ত্যাগৰ ফলতেই সৃষ্টি হৈছিল। সঁচা কথা ক'বলৈ হ'লে, দাস ছাৰৰ কাৰ্যকালত কলেজখনে সমগ্ৰ অসমতেই এক বিখ্যাত অনুষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছিল। তেতিয়াৰ প্ৰি-

ইউনিভাৰ্চিটিৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল সমূহত সকলোৱে নিশ্চিত আছিল যে বি. এইচ্. কলেজৰ পৰা দুজন বা তিনিজনে দহৰ ভিতৰত থাকিবই। বি. এ., বি. কম. পৰীক্ষাতো বিভিন্ন বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান বি. এইচ্. কলেজেই আজুৰি আনিছিল। সেয়া আছিল কলেজ পৰিয়ালৰ বাবে এক সোণালী সুদিন। কিতাপৰ প্ৰতি অহেতুক দুৰ্বলতা থকা দাস ছাৰে কলেজ গ্ৰন্থাগাৰটো বহুতো আপুৰুগীয়া কিতাপেৰে পুষ্ট কৰিছিল, যিবোৰৰ কিছুমান বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰতো পাবলৈ নাই।

দৰাচলতে সেইখিনি সময়ত অৰ্থই সৰ্বস্ব নাছিল। মাহৰ দৰমহাখিনি পোৱাৰ বাবেও কেতিয়াবা দুই-তিনিমাহলৈ শিক্ষক-কৰ্মচাৰীসকলে বাট চাব লগা হৈছিল। তাৰ উপৰি মাহেকীয়া দৰমহাৰ পৰিমাণো আছিল অতি কম। অৱশ্যে অধ্যক্ষ মহোদয়ে শিক্ষক সকলক দুৰ্দশাৰ পৰা মুক্তি দিয়াবলৈ যত্নৰ অকণো ত্ৰুটি কৰা নাছিল। ক'ৰবাৰ পৰা কিবা প্ৰকাৰে হ'লেও এমাহ-দুমাহৰ মূৰত অৰ্ধেক পৰিমাণৰ অৰ্থ প্ৰদানেৰে তেখেতে অৱস্থা চম্ভালিব পাৰিছিল। সেই সময়ত কলেজ আছিল 'ডেফিচিট গ্ৰাণ্টচ- ইন এইড' পদ্ধতিৰ অন্তৰ্ভুক্ত। চৰকাৰে দিলেহে ডিপিআইৰ পৰা বিল পাছ কৰিব পৰা যায়। তথাপি কলেজৰ শ্ৰেণীবোৰ বাধাহীন ভাবেৰে চলিছিল। শিক্ষক এজনে এটা ক্লাছ নকৰা মানে এক বিৰাট দুঃসংবাদ, এক ঘৃণনীয় অপৰাধ। দাস ছাৰৰ মতে দূৰ-দূৰণিৰ পৰা আৰ্ধাহাৰে-অনাহাৰে অহা দুখীয়া শিক্ষাব্ৰতী সকলক প্ৰতাৰণা কৰা এক জঘন্য অপৰাধ।

দাস ছাৰক ফাঁকি দি কাম কৰাটো সুদূৰ পৰাহত। কোনটো কোঠাত কোনে কি শিকাই আছে তাৰ উমান তেখেতে নিজৰ চকীত বহিয়েই গম পাইছিল। মাজে সময়ে হঠাৎ তেখেতে শ্ৰেণীকোঠা সমূহৰ সন্মুখেৰে খোজ কাঢ়ি ফুৰি আনন্দ লভিছিল এইবাবেই যে ক্লাছবোৰ সুকলমে চলি আছে। কেতিয়াবা শিক্ষকৰ অভাৱত তেখেতে নিজে গৈ ছাত্ৰ-ছাত্ৰীসকলক পঢ়ুৱাইছিল। মুঠতে কোনো কাৰণতে ক্লাছ নোহোৱাকৈ থাকিব নোৱাৰিছিল। শিক্ষকে ফাঁকি দি শ্ৰেণীত অনুপস্থিত থকা কথাটো এটা ভাবিব নোৱাৰা কথা। কোনোবা শিক্ষকে কামত গাফিলতি কৰা গম পালে, সেই শিক্ষকজনক অধ্যক্ষৰ কোঠালৈ তলব কৰা হয়। আব্দুল গণি নহ'লে মহেন্দ্ৰ বাহাদুৰে শিক্ষকজনক কয়, "ছাৰে আপোনাক মাতিছে।" তেতিয়াই সেই শিক্ষকজনৰ অন্তৰ ভয়ত কঁপিব ধৰে। ছাৰৰ শাস্তিও অদ্ভুত ধৰণৰ। শিক্ষকজনক চকুৰ ঠাৰেৰে বহিব কৈ তেখেতে কিবা-কিছু লিখা কাম কৰি থাকি প্ৰায় দহ-পোন্ধৰ মিনিট মান শিক্ষকজনৰ লগত একো কথা নাপাতে। মাজে সময়ে গণি বা মহেন্দ্ৰক ইটো-সিটো কৰিব কয়। তেখেতৰ সন্মুখত বহা মানুহবোৰ আঁতৰি গ'লে, লিখা কাম শেষ কৰি এটা হুমুনিয়াহ এৰি শিক্ষকজনক কয়, "বৰ দুৰ্ভাগ্য বুজিছে, বৰ দুৰ্ভাগ্য।" তাৰ পিছত আৰু কেইমিনিটমান মৌনতা। তাৰ পিছত আকৌ ক'ব, "এনেকৈ নচলিব। যদি কাম কৰাৰ ইচ্ছা নাই, তেনেহ'লে ৰিজাইন দিয়ক। জানেনে, ল'ৰা-ছোৱালীবোৰৰ কেনেকুৱা ভীষণ ক্ষতি হ'ব ধৰিছে?" ছাৰৰ মুখত হুটা মাত বা গালি-গালাজ একো নাই মাথোন Psychologically মানুহজনক নিঃশেষ কৰি দিয়ে। কেতিয়াবা কয়, "ইমান শিক্ষিত হৈও ইমান ইৰেস্পনচিবল হ'ব পাৰে। বুজিবই নোৱাৰো।" তাৰ পিছত সেই শিক্ষকজনে দ্বিতীয়বাৰৰ বাবে তেনেকুৱা পৰিস্থিতি এটিৰ সন্মুখীন হ'বলৈ নিবিচাৰে।

মাহৰ দৰমহা ঠিক সময়ত নহ'লে দুই-এজন শিক্ষকক অলপ হ'লেও নিজৰ ফালৰ পৰা সহায় কৰাৰ কথাও আমি জানো। মূৰ খুজোৱাটোত তেখেতৰ Third Eye বা তৃতীয় চকু মেল খায়। কিবা কিছু কাৰণত উপায় নাথাকিলে ছাৰে হয়তো আঙুলিৰে নহ'লে সদায় মেজত থকা বিশেষ এখন চুৰিৰে মূৰৰ পিছফালটো লাহে লাহে খজুৱাবলৈ আৰম্ভ কৰে আৰু তাতেই থাকে সমস্যা সমাধানৰ সূত্ৰ। মানুহক চিনি পোৱা শক্তি তেখেতৰ আচৰিত। কোনজন মানুহ কেনেকুৱা তেখেতৰ নখ দৰ্পনত। এবাৰ কথাই কথাই মোক

কৈছিল, 'হেৰি ভট্ট, মোৰ সন্মুখত বহি থকা ব্যক্তিবোৰৰ কিমানজনে ক্লাছ নকৰাকৈ থাকে মই নাজানো বুলি ভাবে নেকি? মই সব জানো।'

হয়, ইমানৰ পিছতো তেখেতে প্ৰতিজন শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অতীব প্ৰিয়। কাৰণ কলেজৰ কৰ্ত্তব্যৰ পিছত প্ৰতিজনেই যেন তেখেতৰ পৰিয়ালৰ লোক। কলেজৰ কোৱাৰ্টাৰলৈ অহাৰ আগতে ছাৰে চাইকেলেৰে গাঁওৰ ঘৰৰ পৰা অহা-যোৱা কৰিছিল। নগেনৰ কেণ্টিনৰ থকৃথকীয়া গাখীৰৰ চাহৰ কাপৰ ওপৰৰ চামনিখিনি আঙুলিৰে গুচাই গোসাঁই, নাথবাবু, দাসবাবু আদিৰ লগত কৰা সৰস আলোচনাৰ অংশীদাৰ আমিও হৈছিলোঁ। আশীৰ দশকত ছাৰৰ গেষ্ট্ৰাইটিচ জাতীয় অসুখ এটাও আছিল। সেই অসুখটোৱে তেখেতক যথেষ্ট অসুবিধা দিছিল যদিও তেখেতে পিছত নিষ্কৃতি পাইছিল।

বহুতো অপৰাধী ছাত্ৰকে ছাৰে চৰিওৱা কথাও মনত আছে। যিমানেই দুৰ্দান্ত ছাত্ৰ নহওক কিয়, ছাৰে পূৰ্ণহতীয়া চৰ মাৰি ঠাণ্ডা কৰি দিব পাৰিছিল। এতিয়াও তাহানিৰ ছাত্ৰ এজনে মোক প্ৰায়েই কয়, 'ছাৰ, নগেনকাৰ কেণ্টিনত ছাৰে মোৰ গালত মৰা চৰটোৰ ফেৰ্‌ফেৰনি আজিও মাৰ যোৱা নাই।'

অধ্যক্ষ মহাশয়ৰ দুটা বস্তু বৰ প্ৰিয় আছিল। এটি হ'ল চিগাৰেট আৰু আনটো তামোল। সেই সময়ৰ দিনে দুই বা তিনিপেকেট চিগাৰেট খোৱা শিক্ষক সকলৰ ভিতৰত শ্ৰদ্ধেয় মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, সতীৰ্থ নৰেশ গোস্বামী, সুশান্ত দত্ত, নীলাংশু সেন আৰু উপাধ্যক্ষ শ্ৰদ্ধেয় গিৰীন্দ্ৰ কুমাৰ দাস (যিগৰাকী আজি আমাৰ মাজৰ পৰা আঁতৰি গৈছে)। উপাধ্যক্ষ ছাৰে অলপ কমকৈ খালেও এই চাৰিজন ব্যক্তি আছিল Chain-Smoker। অধ্যক্ষ দাস ছাৰেও এইক্ষেত্ৰত পিছ পৰি থকা নাছিল। আশ্চৰ্য্যৰ বিষয় এয়াই যে এই আটাইকেইজন ব্যক্তিয়েই সময়ত চিগাৰেট বাদ দি 'টিটোটেলাৰ' হৈ পৰিছিল। চাহ, চিগাৰেট আৰু তামোল, লগতে এফেৰি তামখু। এইখিনি আছিল ছাৰৰ ব্যস্ততাপূৰ্ণ দিনপঞ্জীৰ চালিকা শক্তি। ছাৰক আমি কেতিয়াও ভাগৰুৱা অনুভৱ কৰা দেখা নাছিলোঁ। ৰাতিপুৱা আঠ বজাত দেখা মুখখন গধূলি ছয় বজাতো একেই থাকে। অতি ব্যস্ত দৈনন্দিন কৰ্মৰাজিৰ মাজতো তেখেতে বিভিন্ন খুহুতীয়া কথাৰো অৱতাৰণা কৰে আৰু কয় 'শিক্ষকতা প্ৰাণস্পৰ্শী কৰিবলৈ আমি হাঁহিব জানিব লাগিব।'

ছাৰৰ খোৱা-মিলাও ৰাজকীয় পৰ্যায়ৰ নাছিল। নিজৰ ঘৰৰ শাক-পাচলিৰেই তেখেতে পৰিতৃপ্তি লাভ কৰিছিল আৰু নিশ্চয় আজিও তাকেই কৰি আহিছে। খোৱাৰ বাবে অনৰ্থক ব্যয় বহুলতা আছিল তেখেতৰ বাবে সম্পূৰ্ণ পৰিপন্থী। কিন্তু সুদীৰ্ঘ বাইশ বছৰে এটি কথা লক্ষ্য কৰিছিলোঁ যে দুপৰীয়া বাৰ বজাৰ লগে লগে তেখেতে কলেজৰ কোৱাৰ্টাৰলৈ ৰাওনা হৈছিল। কোনো পৰিস্থিতিতে তেখেতে ইয়াৰ ব্যতিক্ৰম হ'ব দিয়া নাছিল। কোনোবা বিশেষ ব্যক্তি বা চৰকাৰৰ আমোলা-বিষয়া আহিলেও তেখেতে জ্যেষ্ঠ অধ্যাপকৰ লগত কথা পাতিব দি দুপৰীয়া ঠিক বাৰ বজাত আহাৰ গ্ৰহণ কৰিছিল। মনত আছে, কলেজৰ ৰূপালী জয়ন্তীৰ সময়ত অসমৰ তদানীন্তন ৰাজ্যপাল লোকনাথ মিশ্ৰ মহাশয় যেতিয়া মুখ্য অতিথি হিচাপে কলেজলৈ আহিছিল, সেইদিনাখনো তেখেতে নিজৰ নিয়ম ভংগ কৰা নাছিল। ঘৰৰ বাহিৰৰ অতি সুস্বাদু ব্যঞ্জনে তেখেতক আকৰ্ষিত কৰিব পৰা নাছিল।

তেখেতৰ লগত একেলগে চাকৰি কৰাৰ সময়ছোৱাত কলেজলৈ অসমৰ কৃতবিদ্য আৰু স্বনামধন্য ব্যক্তি সকলৰ আগমন হৈছিল। বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, কমল নাৰায়ণ মজুমদাৰ, মহেশ দেৱগোস্বামী, বীৰেন্দ্ৰ নাথ দত্ত, হীৰেন ভট্টাচাৰ্য্য, তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া, হৰেন তালুকদাৰ, বিপিন পাল দাস, চিদানন্দ দাস, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, সমুজ্জল কুমাৰ ভট্টাচাৰ্য আদি অলেখ বিশিষ্ট ব্যক্তি কলেজলৈ আহিছিল। সেই সকলৰ কিছুমানৰ লগত তেখেতৰ আছিল এক নিগূঢ় সম্বন্ধ। কলেজৰ সন্মুখেৰে যোৱা বৰ আলিটোৱে পাৰ হৈ যোৱা সময়ত বহুতে

আকৌ অধ্যক্ষৰ কোৱাৰ্টাৰত দুপৰীয়াৰ ভাতৰ আলহীও হৈছিল। ১৯৭৮ চনৰ পৰা তেখেতৰ লগত ঘনিষ্ঠ সম্বন্ধলৈ আহিছিল ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শ্ৰীযুত প্ৰফুল্ল শৰ্মা। তেখেত তেতিয়া বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতৰ লগত দাস ছাৰৰ উপৰিও শ্ৰদ্ধেয় মুনীন গোস্বামী, ড° অৰুণ দাস, ড° ৰমেন্দ্ৰ কুমাৰ দাস, সৃজন চন্দ্ৰ নাথ, তথা ঁখৰ্গেশ্বৰ নাথ আদি অধ্যাপক সকলৰ অন্তৰংগ আলাপ-আলোচনা চলিছিল আৰু এই চ'ৰাৰ লিখকেও সেই আলোচনাবোৰৰ ৰসাস্বাদন কৰিবলৈ সুযোগ এৰা নাছিলো। আলোচ্য বিষয়বোৰ সাধাৰণতে শিক্ষা, ৰাজনীতি, অৰ্থনীতিৰ পৰা আৰম্ভ কৰি সাহিত্য আৰু বিশেষকৈ ভাগৱত, ৰামায়ণ, মহাভাৰত আদিৰ আখ্যানৰ আৰু তাৰ যথাৰ্থ নিৰূপণৰ ওপৰত সংশ্লিষ্ট আছিল। আত্মা, আত্মাৰ স্বৰূপ, জড়ভৰত উপাখ্যান আদিৰ অতি ৰসাল আৰু বুদ্ধিদীপ্ত আলোচনাবোৰ অতি হৃদয়গ্ৰাহী হৈ পৰিছিল। শ্ৰীযুত শৰ্মা মহাশয়ৰ উপৰিও সেই সময়ৰ শিক্ষা সচিব (পিছলৈ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ব্যক্তিগত সচিব হিচাপে কৰ্মৰত) ঁঅশোক শইকীয়াদেৱৰ লগত ছাৰৰ বন্ধুত্ব আছিল প্ৰগাঢ়। কেতিয়াবা ধুবুৰীৰ ফালে যাব লগা হ'লে তেখেতে ছাৰৰ ঘৰত ভাত খাইহে গুৱাহাটীলৈ ৰাওনা হৈছিল। মুঠৰ ওপৰত ডিপিআই অফিচৰ পৰা আৰম্ভ কৰি মন্ত্ৰী, বিষয়ববীয়া আদিৰ লগত ছাৰৰ ওতঃপ্ৰোত সম্বন্ধ আছিল। যাৰ ফলত কলেজখনে সৰ্বদিশত দোপত দোপে আগবাঢ়িব পাৰিছিল।

সৎ চিন্তা আৰু সজ কামৰ বাবে তেখেত সদায় আগৰণুৱা আছিল। 'কলেজ সপ্তাহ' পালনত তেখেতে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিছিল যদিও অযথা অপব্যয় নকৰিবলৈ উপদেশ দিছিল। তেখেতৰ কাৰ্যকালতে 'কলেজ সপ্তাহ'ৰ প্ৰতিটো ৰাতিতেই তিনি বা চাৰিখনকৈ একাংকীয়া নাট মঞ্চস্থ হৈছিল আৰু সেই নাটবোৰৰ মান ইমান উন্নত আছিল যে গাঁৱলীয়া কলেজ এখনত তেনে নাট মঞ্চস্থ কৰা চিন্তা আছিল সুদূৰ পৰাহত। আধুনিক গীত, বৰগীত, বনগীত, বিহু আদি প্ৰতিটো বিষয়তে প্ৰতিযোগীৰ সংখ্যা আছিল অকল্পনীয়। সেয়েহে কলেজ সপ্তাহৰ ৰাতিবোৰত কেতিয়াবা দুই বা আঢ়ৈ বজালৈ প্ৰতিযোগিতাবোৰ চলিছিল আৰু কলেজৰ পৰা ভৱানীপুৰ, বৰপেটা, হাউলী, বৰপেটাৰোড, সৰভোগ আদিলৈ ৰাতি ছাত্ৰ-ছাত্ৰীসকলক থ'বলৈ বাছৰ ব্যৱস্থা কৰা হৈছিল। দাস ছাৰে প্ৰতিটো ৰাতিয়েই এক, দুই ঘণ্টামান শিক্ষক, ছাত্ৰসকলৰ লগত কটাইছিল।

বৰ্তমান কমাৰ্চ ফেকাল্টিয়ে যিখিনি ঠাইত উদ্যান নিৰ্মাণ কৰিছে, তাত থকা বকুলজুপি, সোণাৰু গছজুপি আৰু আম গছজুপিৰ তলত কত সহস্ৰ কলেজীয়া দিন, সন্ধিয়া আৰু উৎসৱৰ ৰাতি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ হাঁহি-ধেমালি, খাম-খেয়ালি, তৰ্ক-বিতৰ্ক, আধ্যাত্মিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা একান্ত ব্যক্তিগত আলোচনাৰে পাৰ হৈছিল, ভাবিলে মনটো নষ্টালজিয়াৰে ভৰি পৰে। দাস ছাৰে প্ৰায় সদায় জ্যেষ্ঠ তথা কিছু কনিষ্ঠ শিক্ষকৰ লগত বহি বিভিন্ন ধাৰাবাহিকতাৰে হাঁহি-ধেমালিৰ মাজেৰে কাৰ্যালয়ত অনুভৱ কৰা বিষণ্ণ ব্যস্ততাক দূৰ কৰিছিল। সেই সময়ৰ শিক্ষকচামো অকল পৈণত শিক্ষকেই নাছিল, ড° ৰমেন্দ্ৰ কুমাৰ দাস, ঁহংসবল্লভ চৌধুৰী, ঁঅৰুণ পাঠক, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, ঁউৎপলানন্দ ডেকা আদি শিক্ষক সকলৰ Event Managementৰ দক্ষতা আৰু খেলপথাৰত প'লভল্ট, ভলীবল, ফুটবল, হাই জাম্প, লং জাম্প, ক্ৰিকেট আদিতো সমান দক্ষতা আৰু অৰ্হতা আছিল। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলৰ ওচৰত প্ৰায়েই হাৰ মানিব লগা হৈছিল। দাস ছাৰে এইচাম শিক্ষকৰ ব্ৰিগেডিয়াৰ হিচাপে কাম কৰিছিল। ছাৰে কোৱা প্ৰতিটো কথা তেখেত সকলৰ শিৰৰ ভূষণ আছিল। অৰ্থাৎ অধ্যক্ষ আৰু অধ্যাপক সকলৰ আছিল এক সুদৃঢ় ঐক্য। কলেজত Teachers' Hostel ত থকা শিক্ষকসকলৰ লগত তেখেতে ৰাতি হ'লে ব্ৰীজ খেলিছিল। নিজে কিতাপ পঢ়া আৰু আনকো কিতাপ পঢ়িবলৈ

দিয়া তেখেতৰ এক মহান বৈশিষ্ট্য আছিল। কাম নাথাকিলে আজৰি সময়ত ছাৰে অফিচত বহিয়েই কিতাপ পঢ়িছিল।

১৯৭৯ চনৰ পৰা আৰম্ভ হৈছিল অসম আন্দোলন। বিদেশী বিতাৰণৰ বাবে গাঁৱে-ভূঞে, নগৰে-চহৰে ভীষণ উত্তেজনা, মিছিল, প্ৰতিবাদ, জুই, গোলা বাৰুদ, পুলিচৰ নিৰ্যাতন, অপহৰণ, হত্যাকে আদি কৰি এশ এবুৰি ভয়াবহতা। ১৯৭৯ চনৰ পৰা ১৯৮৫ চন পৰ্যন্ত এই একে পৰিৱেশেই বিৰাজ কৰিছিল। সেইখিনি সময়ত বি. এইচ্. কলেজো বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। বি. এইচ্. কলেজ পুলিচ আৰু সামৰিক বাহিনীৰ মূল লক্ষ্য হৈ পৰিছিল। আমি তেতিয়া কলেজৰ নতুন আলহী। প্ৰায় প্ৰতিদিনেই বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক, পুলিচ আৰু অৰ্ধ সামৰিক বাহিনীৰ বিয়াগোম দলবোৰে ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু আন্দোলনত আগভাগ লোৱা ছাত্ৰসকলক কলেজ চৌহদলৈ বিচাৰি আহি এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। তদানীন্তন এক পুলিচ অধীক্ষকে দাস ছাৰক অতি বেয়া ব্যৱহাৰ কৰাৰ কথা গম পাইছিলো। কিন্তু সেই দুৰ্যোগপূৰ্ণ সময়ছোৱাত অধ্যক্ষ মহোদয়ৰ উপস্থিত বুদ্ধি আৰু প্ৰশাসনিক দৃঢ়তাৰ জৰিয়তে বহুতো বিপদ হেলাৰঙে অতিক্ৰম কৰিব পাৰিছিল।

আমি দেখা ঘটনা এটা আনিব খুজিছো। বছৰটো পাহৰিলো। বোধহয় ১৯৮২ বা ১৯৮৩ চন মান হ'ব। অসম আন্দোলনৰ জুয়ে পোৰা তিৰাশী। ছাত্ৰ একতা সভাৰ সদস্যসকলে বাহিৰৰ পৰা শিল্পী আনি কলেজ সপ্তাহ পালন কৰিবলৈ বিচাৰিলে। সঙ্গীত সন্ধিয়া ৰাতি অনুষ্ঠিত হ'ব। অধ্যক্ষ মহাশয় নাচোৰবান্দা। কোনো ৰকমে ৰাতি সঙ্গীত সন্ধিয়া পাতিব নিদিয়ে কাৰণ যথাৰ্থতে প্ৰতি মুহূৰ্ততে গুলী, বোমা ইত্যাদিৰ অশনি সংকেতে কলেজখনক ঘেৰি ধৰিছিল। ৰাতিৰ উৎসৱত কাৰ কি হয় কোনে জানে? ছাত্ৰ সমাজো জাগ্ৰত। ৰাতি তেওঁলোকে সঙ্গীত সন্ধিয়া পাতিবই, নহ'লে কলেজ বন্ধ কৰি দিব। এনেতে এদিন হঠাৎ দেখা পালোঁ, বকুল গছৰ তলত অধ্যক্ষ মহাশয় আৰু গোস্বামী ডাঙৰীয়াই এক গভীৰ হতাশজনক ভাৱত বহি আছে। অধ্যক্ষ মহাশয়ে কপালত হাতৰ আঙুলিৰে হেঁচি ধৰি আছে আৰু গোস্বামী ডাঙৰীয়াই মাটিৰ ফালে চাই আছে। এনেতে আহিল ছাত্ৰ সমাজ। তেওঁলোকে ওচৰলৈ আহি অধ্যক্ষ মহাশয়ক সুধিলে, 'ছাৰ, কি দেচিচন হ'ল?' ছাৰে শ্ৰদ্ধেয় গোস্বামীলৈ আঙুলিয়াই দি ক'লে— 'গোস্বামী, দেখুৱাওক হে।' গোস্বামী ডাঙৰীয়াই পকেটৰ পৰা এনভেলাপ এটা Postage Stampৰে সৈতে উলিয়াই ল'ৰাবোৰৰ হাতত দিলে। ছাত্ৰসকলে চিঠিখন পঢ়িলে। হাউলীত পোষ্ট কৰা চিঠি। চিঠিখনৰ সম্পূৰ্ণ বক্তব্য নাজানিলেও গম পালো যে তাত এইখিনি কথাকেই লিখা আছিল যে যদি বি. এইচ্. কলেজত ৰাতি সঙ্গীত সন্ধিয়া পতা হয় আৰু হিন্দী গান গোৱা হয় তেনেহ'লে বোমা বৰ্ষণ কৰি কলেজ ধ্বংস কৰা হ'ব। ছাত্ৰসকলে অলপ আঁতৰি গৈ কিবা কিছু আলোচনা কৰিলে। তাৰ পিছত চিঠিখন গোস্বামী মহোদয়ক ওভোটাই দিলে। তেতিয়ালৈকে দুয়োজনে মৌনভাবে হতাশ হৈ আছিল। হঠাৎ অধ্যক্ষ মহোদয়ে ছাত্ৰসকলক সুধিলে— "ক', এতিয়া কি কৰা যায়।" ছাত্ৰসকলে তেতিয়া ৰাতি সঙ্গীত সন্ধিয়া নপতাৰেই সিদ্ধান্ত ল'লে। পিছত আমি জানিব পাৰিলো যে এই Makeshiftৰ জনক আছিল শ্ৰদ্ধেয় গোস্বামী মহোদয়। এইক্ষেত্ৰত উনুকিয়াই থ'ব বিচাৰিছো যে দাস ছাৰ এজন ভাল অভিনেতাও। তেখেতে কিছুমান বিবাদমান সময়ত ছাত্ৰ-ছাত্ৰী বা মেল-মিটিঙত কান্দি পেলাই অৱস্থা চম্ভালিছিল। খং আৰু হাঁহি আছিল অভিনয়ৰ অন্য এক ৰূপান্তৰ।

বি. এইচ্. কলেজত হোৱা বিপৰ্যয়ৰ সীমা সংখ্যা নাছিল। বোধহয় অসমৰ কোনো কলেজ এনেকুৱা সমস্যাৰ দ্বাৰা ভাৰাক্ৰান্ত হোৱা নাই। বি. এইচ্. কলেজত ঘটা নাই কি? কলেজৰ লোৰ Safety Locker ৰাতি দাঙি নি পথাৰত ভাঙি কৰা ডকাইতি, অধ্যক্ষ মহাশয়ক সামৰিক বাহিনীয়ে কলেজৰ কাৰ্যালয়ৰ পৰা উঠাই লৈ যোৱা ঘটনা, ৰূপালী জয়ন্তীৰ সন্ধিয়াত

সামৰিক বাহিনীৰ আগ্নেয়াস্ত্ৰ কাঢ়ি নি হোৱা এক ভয়াবহ ৰণ দুন্দুভি, কলেজৰ সন্মুখত ট্ৰাকে দুজন ঠেলাৱালাক খুন্দিয়াই মাৰি যোৱা আৰু পিছত হোৱা যুদ্ধসদৃশ পৰিৱেশ (সেই দিনাখন অৰ্ধ সামৰিক বাহিনীয়ে কলেজ চৌহদত গুলীবৰ্ষণ কৰিছিল আৰু কলেজৰ শ্ৰেণীকোঠা আৰু প্ৰেক্ষাগৃহৰ ভিতৰত কেবাটাও গুলী সোমাইছিল), কলেজ বিল্ডিঙৰ প্ৰথম মহলাৰ দাষ্টবিনৰ ভিতৰত ১৫ কিলোগ্ৰাম ওজনৰ সক্ৰিয় বোমা স্থাপন আৰু উদ্ধাৰ, চি আৰ পিৰ লাঠীচালনা আৰু অধ্যক্ষ মহোদয়ৰ পিঠিত কৰা প্ৰহাৰ (ছিঙি যোৱা লাঠীডালৰ অংশটো বহুদিন অধ্যক্ষৰ কাৰ্যালয়ত ৰাখি থোৱা আছিল), অসম আন্দোলনৰ সময়ত কেবাজনো শিক্ষক আৰু অধ্যক্ষ মহোদয়ক অপ্ৰৰোচিতভাবে জেলত ৰখা কাৰ্য, আৰু ১৯৯৮ চনত কলেজৰ সাতগৰাকী ছাত্ৰীৰ কৰুণ মৃত্যু— এনেকুৱা সহস্ৰ ঘটনাই বি. এইচ্. কলেজক বাৰুকৈয়ে শিকাই গৈছিল। কিন্তু Honesty wins in the long run. সহস্ৰ দুৰ্যোগ আৰু প্ৰতিকূল পৰিস্থিতি অতিক্ৰমী এইখন কলেজ অসমৰ এখন আগশাৰীৰ কলেজ হৈ ৰ'ল— আৰু এই সকলোখিনিৰে মূৰ্দ্ধত আছিল অধ্যক্ষ সত্যনাথ দাসদেৱৰ যত্ন আৰু দৃঢ় সংকল্প।

এই আপাহতে দাস ছাৰৰ দুই-এটি সৰু-বৰ ক্ৰুটিৰ কথা নক'লে কিঞ্চিত হ'লেও দোষে চুব বুলিয়েই উনুকিয়াব খুজিছোঁ। Boswell-এ Samuel Johnson জীৱনী লিখা সময়তো এই সত্যক বিকৃত কৰা নাছিল। দোষ আৰু গুণেই মানুহ। পৃথিৱীত এনে এজন মানুহ ওপজা নাই যাৰ কোনো দোষেই নাই বা নাছিল। দোষ আৰু গুণৰ সমন্বয়ত এজন মানুহৰ সম্পূৰ্ণ ব্যক্তিত্ব ফুটি উঠে। সেয়েহে কোৱা হয় 'ঈশ্বৰেই অকল দোষ ৰহিত, মানৱ সৰ্বদা দোষ সহিত।' যিয়েই হওক দাস ছাৰৰো কিছুমান দোষ বা ক্ৰুটি আমাৰ চকুত নপৰাকৈ নাছিল।

তেখেতৰ প্ৰথম দোষটোৰ কথা (অকল আমাৰ মতে নহয়, বহুতৰে মতে) হ'ল, তেখেতে যিটো উচিত বুলি ভাবিছিল, সেয়া তেখেতে কৰিহে এৰিছিল। সেই ক্ষেত্ৰত তেখেতে বেলেগৰ উপদেশক অগ্ৰাধিকাৰ দিয়া নাছিল। বি. এইচ্. কলেজৰ প্ৰেক্ষাগৃহটো বনাওতে বয়োজ্যেষ্ঠ কেবাজনো শিক্ষকে 'বেলকণী'ৰ ব্যৱস্থা ৰখাৰ বাবে বুজোৱা সত্বেও ছাৰে নকৰোঁ বুলিয়েই নকৰিলে। তেখেতৰ মতে বেলকণী মানেই বিভিন্ন অসামাজিক ক্ৰিয়াকাণ্ড। এয়া মাত্ৰ এটা সৰু উদাহৰণহে। তেখেতে যিটো কথা নিজৰ মতে সঠিক বুলি ভাবিছিল সেয়া অইনৰ বাবে উচিত নহ'লেও তাকেহে কৰিছিল।

দ্বিতীয়তে, তেখেতে ক্লাছবোৰ হোৱাৰ ওপৰত ইমানেই গুৰুত্ব আৰোপ কৰিছিল যে শিক্ষক সকলৰ ব্যক্তিগত জীৱনত হ'ব পৰা দুখ বা অসমৰ্থতাৰ কথাও তেখেতে পাহৰি গৈছিল। এয়া অৱশ্যে তেখেতৰ ছাত্ৰ সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কাৰণেহে হৈছিল। আৰু সেয়েহে ইয়াক দোষ নুবুলি গুণ বুলিয়েই ক'ব লাগিব। দাস ছাৰে বেছিকৈ ছুটি ল'লে বৰ বেয়া পাইছিল আৰু নিজকো তাৰ পৰা আঁতৰত ৰাখিছিল।

এনেকুৱা সৰু দোষ বা ক্ৰুটিবোৰে কিন্তু ব্যক্তিগৰাকীৰ সামগ্ৰিক ভাবমূৰ্তি ম্লান কৰি নেপেলায়। তেখেত এজন উদাৰ মনৰ অতি মৰমিয়াল ব্যক্তি। কলেজৰ শিক্ষকচামক ব্যক্তিগত ভাবেই হওক বা সমূহীয়া ভাবেই হওক, তেখেতে সদায় সম্পূৰ্ণ আশ্বাস, ৰক্ষণাবেক্ষণ দিয়াৰ উপৰিও কোনো শিক্ষকৰ বেয়া কিবা থাকিলেও কাৰো ওচৰত ব্যক্ত নকৰিছিল। শিক্ষক এজনৰ দুৰ্বলতাক সমূহৰ আগত ব্যক্ত নকৰি ব্যক্তিগতভাবেৰে আলোচনাৰ জৰিয়তে আঁতৰাবলৈ যত্ন কৰিছিল।

তেখেতৰ অধ্যক্ষতাৰ সময়ছোৱাত কলেজত চাৰিটাকৈ বৃহৎ অনুষ্ঠান অতি শৃংখলাবদ্ধভাবেৰে উদ্‌যাপিত হৈছিল। সেইবোৰ আছিল সদৌ অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশন, কলেজৰ ৰূপালী জয়ন্তী, সৰ্বভাৰতীয় পৰ্যায়ৰ N.S.S Camp আৰু সদৌ অসম কলেজ অধ্যক্ষ পৰিষদৰ বাৰ্ষিক অধিৱেশন। তেখেতে কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

অধ্যক্ষ মহাশয়ৰ বিপদৰ বন্ধু আছিল কলেজৰ অধ্যাপক আৰু অধ্যাপিকাসকল। যিকোনো বিপৰ্যয়ৰ সময়ত তেখেতে বয়োজ্যেষ্ঠ শিক্ষক সকলৰ লগত আলোচনাত মিলিত হৈছিল। সেইসকল শিক্ষকৰ ভিতৰত কলেজৰ তদানীন্তন উপাধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ দাসদেৱ সমন্বিতে মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, ড° অৰুণ কুমাৰ দাস, ঁঅতুল চন্দ্ৰ বৰ্মন, সৃজন চন্দ্ৰ নাথ, ঁখৰ্গেশ্বৰ নাথ, ড° ৰমেন্দ্ৰ কুমাৰ দাস, ঁদিলীপ ৰঞ্জন দত্ত আদি প্ৰণিধানযোগ্য।

আমি প্ৰায়েই লক্ষ্য কৰিছিলোঁ যে শ্ৰদ্ধেয় মুনীন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে তেখেতৰ চাতুৰ্য আৰু মন্ত্ৰণাৰে বিভিন্ন বিষয়ৰ সমস্যা সমাধানত সহায় কৰিছিল। বি. এইচ্. কলেজ পৰিচালনা সমিতিখনো আছিল অতি সক্ৰিয় আৰু শক্তিশালী। আমি জনা মতে, অৰ্থাৎ সেই সময়ৰ পৰিচালনা সমিতিৰ এজন অতি সক্ৰিয় সদস্যৰ ভাষ্যমতে কলেজ পৰিচালনা সমিতিয়ে বিশেষ একো কৰিব লগা নাছিল। সমূহ সদস্যই অধ্যক্ষকেই প্ৰস্তাৱ গ্ৰহণ কৰি সেইবোৰ ৰূপায়ণ কৰিবলৈ এৰি দিছিল। তেওঁলোকে সভাত quorum গঠন কৰিবলৈহে হেনো আছিল।

বি. এইচ্. কলেজৰ টকা-পইচাৰ হিচাপ আছিল নিখুঁত। প্ৰতি বছৰে Local Audit আৰু Government Audit বোৰ যথাযথভাৱে সম্পন্ন হৈছিল। এই বিষয়ত শ্ৰী সত্য কৰ্মকাৰদেৱৰ শলাগ নলৈ উপাই নাই। আমি জনামতে আয়-ব্যয়ৰ প্ৰতিটো টকাৰে হিচাপ নিয়াৰিকৈ ৰখা হেতুকে হিচাপ পৰীক্ষাকসকলে সন্তোষ প্ৰকাশ কৰিছিল।

অধ্যক্ষদেৱৰ কাৰ্যকালত তেখেতে ছাত্ৰ একতা সভাৰ সদস্য সকলক মনোনীত কৰি দিছিল। ইয়াৰ কাৰণো নথকা নহয়। ১৯৮০ চনত যেতিয়া ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছিল, তেতিয়া বিভিন্ন কাৰণত ছাত্ৰসকলে অধ্যক্ষ সমন্বিতে কেবাজনো শিক্ষকক ঘেৰাও কৰি ৰাখিছিল। একতা সভাৰো অবিসম্বাদী ধাৰাটো যেন লাহে লাহে দুৰ্বল হৈ পৰি হাই-কাজিয়াৰ ফালে গতি কৰিব লৈছিল। সেয়েহে পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্মে অধ্যক্ষ মহোদয়ৰ অৱসৰৰ দিন পৰ্যন্ত ছাত্ৰ একতা সভাখন মনোনয়ন পদ্ধতিৰে গঠন কৰি দিয়া হৈছিল।

বি. এইচ্. কলেজৰ আলোচনীখনো মাত্ৰ অসমীয়া ভাষাতেই প্ৰকাশ হৈছিল। ইংৰাজী শিতানটো বিভিন্ন কাৰণত বন্ধ ৰখা হৈছিল। দাস ছাৰৰ তাগিদাত ছাত্ৰ সমাজৰ লগত সহমত প্ৰকাশেৰে আলোচনীখন দ্বি-ভাষিক হিচাপে প্ৰকাশ পোৱাটোৰ বাবে অধ্যক্ষ মহাশয়ৰ শলাগ নল'লে নহ'ব। বি. এইচ্. কলেজ সাহিত্য চ'ৰাও অধ্যক্ষ মহোদয়ৰ সুবাদতেই গঠিত হৈছিল।

বি. এইচ্. কলেজত N.C.C ৰ আৰম্ভণিও অধ্যক্ষ মহাশয়ে কৰিছিল। কলেজখন প্ৰতিষ্ঠা কৰাৰ আগতে তেখেত বজালী কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ত কলেজৰ N.C.C ৰ দায়িত্ব বহন কৰিবলগীয়া হৈছিল। সেয়েহে বি. এইচ্. কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত কলেজখনত N.C.C শাখাটো তেখেতৰ প্ৰচেষ্টাতেই আৰম্ভ হৈছিল আৰু এতিয়াও সগৌৰৱে কাৰ্যক্ষম হৈ আছে।

দাস ছাৰৰ বিষয়ে এনেকুৱা সহস্ৰ কথা আমি আৰু আমাৰ সময়ৰ বহুজনৰে জ্ঞাত। সকলো ধৰ্মৰ প্ৰতি সমভাৱ, নিস্বাৰ্থ আৰু মানৱীয় গুণৰ অধিকাৰী তেখেতৰ জীৱন আলেখ্য 'জীৱনপ্ৰভা' গ্ৰন্থখন ভৱিষ্যত প্ৰজন্মৰ বাবে পাথেয় তথা মাননীয় হওক। এই লিখনিৰ ওৰ পেলোৱাৰ আগতে বি. এইচ্. কলেজৰ সোণালী জয়ন্তীৰ অংশীদাৰ হ'ব নোৱাৰা আমাৰ অতি শ্ৰদ্ধাৰ আৰু আপোন যিসকল শিক্ষক, কৰ্মচাৰী আৰু কলেজ প্ৰতিষ্ঠাপকে আমাক বেদনাসিক্ত কৰি চিৰ দিনৰ বাবে আঁতৰি গ'ল আৰু যিসকলৰ লগত দাস ছাৰৰ আছিল এক অভিন্ন হৃদয়, সেই সকলৰ স্বৰ্গগত আত্মাৰ প্ৰতি শত সহস্ৰ প্ৰণিপাত জনালোঁ।

কিতাপ এখন প্ৰকাশৰ বাবে প্ৰেছ এটি অনন্য মাধ্যম, যাৰ অবিহনে প্ৰকাশনৰ কাম স্তব্ধ হৈ থাকে। শিৱম অফছেট প্ৰিণ্টাৰ্চৰ মৰম সনজিৎ আৰু বিপুলৈ তেওঁলোকৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা

জনালোঁ। এই মহৎ কামফেৰা সম্পাদনা কৰিবলৈ প্ৰকাশন উপ সমিতিৰ প্ৰতিগৰাকী সন্মানীয় সদস্য আৰু কলেজৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠক ডাঙৰীয়ালৈ আৰু তেখেতসৱৰ বহুমূলীয়া সহায়-সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মুখ্য সম্পাদক ড° ৰমেন্দ্ৰ কুমাৰ দাসদেৱৰ হাতে-কামে কৰা সহায় আৰু সদুপদেশ তথা সম্পাদিকা শ্ৰী ঊষা দাসৰ অক্লান্ত প্ৰচেষ্টা 'জীৱনপ্ৰভা' প্ৰকাশৰ মূল উপজীব্য বুলি ক'লেও ভুল কোৱা নহ'ব। যথেষ্ট সাবধানতা অৱলম্বন কৰিলেও সৃষ্টিক দোষমুক্ত কৰা সম্ভৱ নহয়। সেয়েহে 'জীৱনপ্ৰভা'ত থকা ভুল-ত্ৰুটিৰ বাবে কৰযোৰে আমি মাৰ্জনা বিচাৰিছোঁ। সদৌ শেষত দাস ছাৰৰ গুণমুগ্ধ বৰপেটাৰোড-হাউলী অঞ্চলৰ সহস্ৰজনক নমস্কাৰ জনাই আমাৰ এই আশাসুধীয়া সম্পাদকীয়ৰ ইয়াতেই সামৰণি পেলালোঁ।

জয়তু শ্ৰীযুত সত্যনাথ দাস

জয়তু বি. এইচ্. কলেজ

**ৰবীন্দ্ৰ ভট্টাচাৰ্য**

সম্পাদক, জীৱনপ্ৰভা

# প্ৰকাশন উপ সমিতিৰ এষাৰ

গুণীৰ মোল বুজা তথা গুণীজনক জীৱন কালতে স্বীকৃতি দিব পৰা গুণে এখন সভ্য সমাজৰ সংস্কাৰকামী মানসিকতাৰ চানেকি বহন কৰে। কিয়নো গুণীজনৰ আদৰ্শেৰে উত্তৰ পুৰুষে বাট বুলাৰ ই এক সুৱৰ্ণ সুযোগ। পৰলোকৰ ধাৰণাৰে ভাৰতীয় দৰ্শন পৰিপুষ্ট যদিও, বাস্তৱ ক্ষেত্ৰত মৃত্যু এক বিৰাট শূন্যতাৰ বাহিৰে একো নহয়। সেয়ে মৃত্যুৰ পিছত গুণীজনৰ গুণ স্মৰণ কৰাটো নিৰৰ্থক প্ৰচেষ্টা মাত্ৰ। সামাজিক, বৌদ্ধিক, নৈতিক দিশত নেতৃত্ব দিয়া ক্ষণজন্মা পুৰুষ-মহিলাৰ জীৱন পৰিক্ৰমাৰ বৰ্ণময় দিশবোৰ নিৰ্মোহভাৱে চালিজাৰি চাব পাৰিলে সমাজ এখনে গতিশীলতাৰ দিশে ধাৱমান হ'ব পাৰে। অন্যথা স্থবিৰতাই সমাজ জীৱনক গ্ৰাস কৰি পেলায়।

সত্যনাথ দাস— অকল বৰপেটাৰোড-হাউলী অঞ্চলৰে এক চিৰপৰিচিত নাম নহয়— তেওঁৰ বৰ্ণাঢ্য ব্যক্তিত্বই অসমৰ ইমূৰ-সিমূৰকো স্পৰ্শ কৰিছে। সত্যনাথ দাস আৰু বি. এইচ্. কলেজ— একেটা মুদ্ৰাৰে যেন ইপিঠি-সিপিঠি। কলেজখনক এক স্বকীয় দৰ্শন দিবলৈ সক্ষম হোৱা দাসদেৱৰ আপোচহীন নীতি-আদৰ্শ, কৰ্মস্পৃহা, প্ৰশাসনীয় দক্ষতা, নেতৃত্ব গুণ— এইবোৰৰ পৰা আমাৰ শিকিবলগা অনেক কথা আছে। কলেজৰ এই মহান ৰূপকাৰজনৰ জীৱন আৰু কৃতি বিষয়ক এখনি অভিনন্দন গ্ৰন্থ উলিয়াবলৈ কলেজ পৰিয়ালে বহু আগৰে পৰা গুণা-গঁথা কৰি আছিল

যদিও, বিভিন্ন অসুবিধাবশতঃ কামটো হৈ উঠা নাছিল। বি. এইচ্. কলেজ সোণালী জয়ন্তী প্ৰকাশন উপসমিতিয়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। দাসদেৱৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন দিশ সামৰি 'জীৱনপ্ৰভা' নামৰ এখনি অভিনন্দন গ্ৰন্থ উলিয়াবলৈ প্ৰস্তুতি চলায়। মুখ্য সম্পাদকৰ গুৰুদায়িত্ব অৰ্পণ কৰে কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰমেন্দ্ৰ কুমাৰ দাসদেৱক। সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে কলেজৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ৰবীন্দ্ৰ ভট্টাচাৰ্যদেৱে। দুয়োজন ব্যক্তিৰ নিষ্ঠা, আন্তৰিকতা আৰু দক্ষতাৰ বাবেই গ্ৰন্থখনিৰ প্ৰকাশ সম্ভৱ হ'ল। প্ৰকাশন উপ সমিতিৰ উপদেষ্টা ড° অৰুণ কুমাৰ দাস, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, সৃজন চন্দ্ৰ নাথ, ডাঃ হৰেন চৌধুৰী, ড° ভগীৰথ দাসকে ধৰি সমূহ সদস্যৰ বদান্যতাৰ শলাগ লৈছোঁ।

**ঊষা দাস**
সম্পাদক, প্ৰকাশন উপ সমিতি
বি. এইচ্. কলেজ সোণালী জয়ন্তী
উদ্‌যাপন সমিতি

# সূচীপত্ৰ


| | | |
|---|---|---|
| ➢ চাৰভাগুত এনিশা | হেমেন দাস | ১ |
| ➢ মহাসমৰৰ অকুতোভয় সেনাপতিৰ কথাৰে ঃ পূৰ্বালোকন এক সহযোদ্ধাৰ | ড° অৰুণ দাস | ৬ |
| ➢ অধ্যক্ষ সত্যনাথ দাসৰ শিক্ষা-দৰ্শন | অক্ষয় কুমাৰ মিশ্ৰ | ১২ |
| ➢ বি.এইচ্. কলেজৰ অস্থিৰ সময় আৰু সত্যনাথ দাস | মুনীন্দ্ৰ নাৰায়ণ গোস্বামী | ২০ |
| ➢ S. N. Das as an Administrator | Dr. Ramendra Kumar Das | ৩০ |
| ➢ অধ্যক্ষৰূপে শ্ৰীসত্যনাথ দাস | সৃজন চন্দ্ৰ নাথ | ৩৫ |
| ➢ এজন শিক্ষাবিদ সমাজ বিজ্ঞানীৰ নিবিড় সান্নিধ্যত | কুমাৰ দীপক দাস | ৪২ |
| ➢ সমাজ হিতৈষী-শিক্ষাবিদ সত্যনাথ দাসৰ কৰকমলত | নিৰুপমা মিশ্ৰ | ৪৯ |
| ➢ বি. এইচ্. কলেজ আৰু সত্যনাথ দাস | জি. এল. আগৰৱালা | ৫৪ |
| ➢ সত্যনাথ দাস ঃ মই জনা মানুহজন | অৰ্জুন চন্দ্ৰ দাস | ৫৯ |
| ➢ অধ্যক্ষ সত্যনাথ দাসৰ লগত মোৰ মিলা-মিচা | সম্পূৰ্ণানন্দ তালুকদাৰ | ৬৪ |
| ➢ সত্যনাথ দাস ঃ এক বিৰল প্ৰতিভা | গোপাল দাস | ৬৮ |
| ➢ An Administrator of High Stature | Dr. Sambhu Saran Singh | ৭০ |
| ➢ শ্ৰীসত্যনাথ দাস ঃ এটি বিৰল প্ৰতিভা আৰু ব্যক্তিত্ব | তাৰাপদ সাহা | ৭৪ |
| ➢ কৰ্মদক্ষ শিক্ষাবিদ অধ্যক্ষ সত্যনাথ দাস | শংকৰ চন্দ্ৰ দাস | ৭৯ |
| ➢ প্ৰিংসীপল সত্যনাথ দাস : এক কুশল প্ৰশাসক | ডা. জৱাহৰ লাল নাহটা | ৮৩ |
| ➢ সমাজসেৱক সত্যনাথ দাস | ড° ভগীৰথ নাথ | ৮৬ |
| ➢ আমার মানসপটে অধ্যক্ষ হিসেবে শ্ৰীসত্যনাথ দাস | সত্য কুমার কর্মকার | ৮৯ |
| ➢ সোণালী জয়ন্তী বৰ্ষ, সত্যনাথ দাস, হোষ্টেল, পিকনিক আৰু আমি.... | ডাঃ হৰেন চৌধুৰী | ৯২ |

| | | |
|---|---|---|
| ➢ আমাৰ ছাৰ | ডাঃ প্ৰিয়ম্বদা দাস | ১০৩ |
| ➢ সত্যনাথ দাস ছাৰক মই যেনেকৈ জানো | দিলীপ কুমাৰ শৰ্মা | ১০৭ |
| ➢ শ্ৰদ্ধাৰ সত্যনাথ দাস ছাৰ | অৰবিন্দ চন্দ্ৰ কলিতা | ১১০ |
| ➢ বাস্তৱ জীৱনৰ অভিনয় আৰু অধ্যক্ষ শ্ৰীসত্যনাথ দাস | ৰমেশ দাস | ১১৮ |
| ➢ কিছু স্মৃতি আৰু শ্ৰীযুত সত্যনাথ | | |
| ➢ দাসদেৱৰ প্ৰতি আন্তৰিক শুভেচ্ছা | তমিজ উদ্দিন আহমেদ | ১২৪ |
| ➢ শ্ৰীযুত সত্যনাথ দাস ছাৰৰ শৈক্ষিক দৰ্শন | সুশান্ত দত্ত | ১২৭ |
| ➢ মৃদুভাষী সত্যনাথ দাস ছাৰ | হৃষীকেশ গোস্বামী | ১৩১ |
| ➢ দাস ছাৰক বিচাৰি | ড° ভূষণ চন্দ্ৰ পাঠক | ১৩৪ |
| ➢ সত্যনাথ দাস ছাৰক মই যেনেকৈ পাইছিলো | আব্দুল ওৱাৰেছ | ১৩৯ |
| ➢ মোৰ দৃষ্টিত অধ্যক্ষ হিচাপে শ্ৰীযুত সত্যনাথ দাস ছাৰ | ড° গণেশ চন্দ্ৰ গোস্বামী | ১৪৩ |
| ➢ সত্যনাথ দাস আৰু বি. এইচ্. কলেজৰ পৰীক্ষা পদ্ধতি | শশীপ্ৰভা গোস্বামী | ১৪৬ |
| ➢ To The Principal...... | নয়নেন্দ্ৰ নাৰায়ণ দেৱ চৌধুৰী | ১৫৩ |
| ➢ সত্যনাথ দাস ছাৰ ঃ এক অনুভৱ অনুপম | চন্দ্ৰা দেৱী | ১৫৬ |
| ➢ সত্যনাথ দাস ছাৰক যি দৰে জানো | ড° অনিল বড়ো | ১৬০ |
| ➢ My Principal - My Mentor, My Guide | Onkar Kedia | ১৬৩ |
| ➢ Satyanath Das in My Eyes | Dipa Ledger | ১৬৬ |
| ➢ মহীৰুহৰ সান্নিধ্যত | খুৰছেদ আলম | ১৬৮ |
| ➢ S.N. Das and His Prathamic Artha Vigyan | Ranjit Bhuyan | ১৭২ |
| ➢ মহীৰুহৰ ছত্ৰছায়াত | ৰেণু হাজৰিকা | ১৭৭ |
| ➢ সত্য নাথ দাস ছাৰৰ সান্নিধ্যৰ কিছু অনুভৱ | সুভাষ চন্দ্ৰ দাস | ১৮০ |
| ➢ মোৰ দৃষ্টিত শ্ৰদ্ধাৰ শ্ৰীযুত সত্যনাথ দাস ছাৰ | ড° ভানু নাথ | ১৯২ |
| ➢ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুক্ত সত্যনাথ দাসঃ শ্ৰুতি ও স্মৃতিৰ আলোকে | ড° দেবব্ৰত দত্ত | ১৯৬ |
| ➢ S. N. Das : My Impression | Dr. Dipmani Das | ২০১ |
| ➢ সত্যনাথ দাস ঃ কিছু অনুভৱ | ওমৰ আলী | ২০৬ |
| ➢ ছাত্ৰ একতা সভা আৰু সত্যনাথ দাস | হিতেশ দাস | ২০৮ |
| ➢ সত্যনাথ দাস ছাৰৰ সান্নিধ্যত | মানস প্ৰতীম শৰ্মা | ২১৯ |
| ➢ 'হাউলী বঁটা' প্ৰাপক সত্যনাথ দাস | মেছেৰ আলী আহমেদ | ২২১ |
| ➢ আপোনাৰ ভাল হওক ....প্ৰসংগ ঃ এচ.এন.দাস ছাৰ | বোধেন কুমাৰ শইকীয়া | ২২৬ |
| ➢ যাৰ কথা লিখিবলৈ ভয় লাগে | ড° চুলতান আলী আহমেদ | ২৩১ |
| ➢ সত্যনাথ দাস ছাৰৰ প্ৰবন্ধসমূহৰ ওপৰত এক চমু আলোকপাত | মনহৰি বায়ন | ২৩৯ |
| ➢ মোৰ চিৰপূজ্য অন্তৰৰ মৰমৰ মানুহজন | বীণাপাণি দাস | ২৪৬ |
| ➢ সত্যনাথ দাস- নামেই যাৰ পৰিচয় | ৰেণু দাস | ২৫১ |
| ➢ মোৰ দৃষ্টিত ঃ সত্যনাথ দাস ছাৰ | ৰাঘৱ দাস | ২৫৪ |
| ➢ সত্যনাথ দাস ঃ মানুহজনৰ বিষয়ে যৎকিঞ্চিত | কৰুণা চহৰীয়া | ২৫৯ |
| ➢ সত্যনাথ দাস ঃ এজন মহীৰুহৰ সৈতে কিছু আলাপ | অভিজ্ঞান অনুৰাগ<br>মানসী ডেকা | ২৬২ |
| ➢ মোৰ জীৱনৰ আদৰ্শৱান ব্যক্তিজন | অনামিকা দাস | ২৭৩ |
| ➢ মোৰ পূজনীয় বাবা (দেউতা) মানুহজন | সংগীতা দাস | ২৭৪ |
| ➢ A Letter To My Grandpa.. "আজা" | Madhurima Das | ২৭৫ |
| ➢ The Most Ideal Person of My Life | Riya Saikia | ২৭৯ |
| ➢ বিষয় ঃ সত্যনাথ দাস | দীনেশ চন্দ্ৰ বৰুৱা | ২৮১ |
| ➢ সত্যনাথ দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ | | ২৮৭ |
| ➢ সত্যনাথ দাসদেৱৰ জীৱন পঞ্জী | | ৩০৪ |


*********

# চাৰভাঙত এনিশা

হেমেন দাস

১৯৫৫ চন। হাউলী হাইস্কুলৰ মেধাবী ছাত্ৰ সত্যনাথ দাসে মাধৱ চৌধুৰী কলেজৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰে। সেই বছৰৰ কলেজৰ ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত তেওঁ তৰ্ক বিভাগৰ সম্পাদক পদৰ প্ৰাৰ্থী হয়। শান্ত প্ৰকৃতিৰ, স্বল্পভাষী, অমায়িক ছাত্ৰ নেতা সত্যনাথ দাসক কলেজৰ ছাত্ৰসকলে তৰ্ক বিভাগৰ সম্পাদক পদলৈ নিৰ্বাচিত কৰে। (এই নিৰ্বাচনত মই ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী হৈ নিৰ্বাচিত হৈছিলো।) ছাত্ৰ ইউনিয়নত একেলগে কাম কৰাৰ সময়তে তেওঁৰ লগত মোৰ পৰিচয় হয়। তেতিয়াই লক্ষ্য কৰিছিলোঁ যে তেওঁ অগ্ৰজজনক যথোচিত সন্মান প্ৰদৰ্শন কৰিবলৈ অকণো সংকোচ কৰা নাছিল। এই গুণৰ বাবেই তেওঁক মই সমনীয়াৰ দৰে আচৰণ কৰিছিলো আৰু তেওঁৰ বিভাগৰ কাম ভালদৰে পৰিচালনা কৰাত পূৰ্ণ সহযোগ আগবঢ়াইছিলোঁ।

এইখন কলেজৰ পৰাই তেওঁ সুখ্যাতিৰে আই. এ. পাছ কৰে ১৯৫৭ চনত। (মই বি.এ. পাছ কৰি কলেজৰ পৰা ওলাই আহো।) ১৯৫৭ চনৰ ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত তেওঁ ইউনিয়নৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। ছাত্ৰ ইউনিয়নৰ কামৰ লগত জড়িত হৈ থাকিও তেওঁ অধ্যয়নৰ প্ৰতি অৱহেলা কৰা নাছিল। অধ্যয়ন আছিল তেওঁৰ জীৱনৰ ব্ৰত।

১৯৬০-৬১ চন। এই সময়ত মই চাকৰি সূত্ৰে গুৱাহাটীৰ কুমাৰপাৰাত আছিলোঁ। সেই সময়ত সত্য দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ

অৰ্থনীতি বিভাগৰ ছাত্ৰ। তেওঁ কুমাৰপাৰাত আছিল। আমি লগালগি হোৱাৰ সুযোগ পাইছিলোঁ। তেতিয়া তেওঁ টিউচন কৰি পঢ়া খৰচ উলিয়াইছিল। অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ বাবে তেওঁ কষ্টকৰ জীৱন-যাপন কৰিছিল। নিজ উদ্দেশ্য সফল কৰাৰ বাবে তেওঁ বৰকৈ কষ্ট কৰিবলগীয়া হৈছিল। কিন্তু মই ভালদৰে লক্ষ্য কৰিছিলোঁ যে অৰ্থনৈতিক অভাৱ-অনাটনে তেওঁক লক্ষ্যচ্যুত কৰিব নোৱাৰিছিল। প্ৰবল ইচ্ছা শক্তি আৰু অধ্যয়নশীলতাৰ বলত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি কৰ্মময় জীৱন আৰম্ভ কৰে। তেওঁ অধ্যয়নশীল আছিল, কিন্তু কিতাপৰ পোক নাছিল। জীৱনটো ভালদৰে উপভোগ কৰিবলৈ হ'লে আমোদ-প্ৰমোদ অপৰিহাৰ্য। সত্য দাসে আমোদ-প্ৰমোদৰ পৰা নিজক আঁতৰাই ৰখা নাছিল। গুৱাহাটীত সেই সময়ত মোগল-ই-আজম নামৰ চিনেমা এখনে আলোড়ন সৃষ্টি কৰিছিল। আমাৰ সমনীয়া কেইজনমানে তিনিবাৰ পৰ্যন্ত সেইখন চিনেমা চাইছিল। ময়ো এবাৰ চাইছিলো গুৱাহাটীৰ কেলভিন চিনেমা হ'লত। এদিন সত্য দাসে ক'লে যে তেওঁ চিনেমাখন চাবলৈ বৰ আগ্ৰহী। কিন্তু আন কোনো সংগী নাপাই মোক লগ ধৰিলে। মই তেওঁৰ মনৰ বাসনা পূৰ্ণ কৰিবলৈ তেওঁ সংগী হৈছিলো। সন্ধিয়া দুয়ো কেলভিন চিনেমা হলত মোগল-ই-আজম চাইছিলো। মোৰ আজি হঠাৎ মনত পৰিল মই সত্য দাসৰ ওচৰত তিনি আনাৰ ঋণী হৈ আছো। চিনেমা চোৱাৰ পাছত দুয়ো চাহ খাও। মোৰ হাতত খুচুৰা পইচা নথকাত মোৰ চাহৰ পইচা তেওঁকে দিব ক'লো, পইচা তিনি অনা পিছত তেওঁক দিম বুলি কৈছিলো। মেচ পাই পাহৰি গ'লো। কিছুদিন পিছত মই গুৱাহাটী এৰিলো। পইচা তিনি অনা তেওঁক দিয়া নহ'ল। বহু বছৰ পিছত আজি সেই কথা মনত পৰিল। অৱশ্যে তেওঁ মোক পইচা তিনি অনাৰ কথা উলিওৱা নাছিল। হয়তো দুয়োজনেই পাহৰি গৈছিলোঁ।



১৯৬৬ চনত বৰপেটাৰোড-হাউলী কলেজ স্থাপিত হয়। তেওঁক নিযুক্তি দিয়ে অধ্যক্ষ পদত। এক কথাত তেওঁ কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। অৱসৰ লোৱাৰ দিনলৈকে তেওঁ এই পদতে থাকি কলেজখনক অসমৰ এখন আগশাৰীৰ কলেজৰ ৰূপ দিয়াৰ কৃতিত্ব তেওঁৰ প্ৰাপ্য। তেওঁ আছিল এজন সফল অধ্যক্ষ। তেওঁৰ দূৰদৃষ্টিৰ বাবেই বি. এইচ. কলেজত তিনিটা বিভাগৰ শিক্ষা দান হৈ আছে। কলা, বাণিজ্য আৰু বিজ্ঞান— এই তিনিওটা বিভাগ সুন্দৰভাৱে গঢ়ি তোলাৰ বাবে কেৱল এই অঞ্চলতে নহয়, ৰাজ্যবাসীৰ বাবেও তেওঁৰ অৱদান স্মৰণীয় হৈ ৰ'ব। তেওঁৰ দূৰদৃষ্টি আৰু শিক্ষানুৰাগৰ ই এক কালজয়ী নিদৰ্শন।

বয়স বাঢ়ি অহাৰ লগে লগে এৰি অহা দিনবোৰৰ বহু ঘটনাৰ স্মৃতি কালৰ গৰ্ভত সোমাই গ'ল। কিন্তু কিছুমান ঘটনা কালেও গিলিব নোৱাৰে। বৰপেটাৰোড-হাউলী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সত্যনাথ দাসৰ বিষয়ে দু-আষাৰ লিখাৰ সময়ত মানসপটত ভাহি উঠিল এক ভয়াৱহ পথ দুৰ্ঘটনাৰ কথা। উক্ত কলেজখন স্থাপন হোৱাৰ বছৰত কলেজৰ শিক্ষক আৰু ছাত্ৰসকলে অধ্যক্ষ সত্যনাথ দাসৰ নেতৃত্বত পিক্‌নিক্ খাবলৈ ওলাল। স্থান নিৰ্বাচন কৰিলে অসম-ভূটান সীমান্তত অৱস্থিত 'চাৰভাং' নামৰ ঠাইত। ঠাইখন ভূটানৰ ভিতৰত। তেওঁলোকক সংগ দিবলৈ নিমন্ত্ৰণ কৰিছিল মোক আৰু মনোৰঞ্জন ভূঞাক (তেতিয়া মই আছিলো কমাৰগাঁও হাইস্কুলৰ প্ৰধান শিক্ষক আৰু মনোৰঞ্জন ভূঞা আছিল ৰূপসী হাইস্কুলৰ সহকাৰী শিক্ষক।) অধ্যক্ষ সত্যনাথ দাসৰ নিমন্ত্ৰণ উপেক্ষা কৰিব নোৱাৰিলো। আমি দুয়ো কলেজৰ শিক্ষক-ছাত্ৰৰ সংগ দিলো। ধলপুৱাতে 'চাৰভাং' অভিমুখে যাত্ৰা কৰিলো। কলেজৰ ছাত্ৰসকলে অতি উছাহেৰে হাঁহি-মাতি গান গাই গৈছিল।

কোকৰাঝাৰ জিলাৰ 'বিছমুৰী'ৰ পৰা 'চাৰভাঙ'লৈ দূৰত্ব প্ৰায় ৩৫ কিলোমিটাৰ। বিছমুৰী পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে আহো। ভাল পকী পথ।

'বিহুমুৰী'ৰ পৰা 'চাৰভাঙ'লৈ যোৱা পথটোত কেৱল ঠায়ে ঠায়ে শিলগুটি পাৰি দিছে। ওখোৰা-মোখোৰা পথেদিয়ে মন্থৰ গতিত বাছ গৈ থাকে। বাটৰ দুয়োফালে শাৰী শাৰী শাল গছ। এক মনপৰশা প্ৰাকৃতিক সৌন্দৰ্য। পুৱা প্ৰায় ১০ বজাত 'চাৰভাং' পাওঁ। মুকলি ঠাই। গছ-গছনি নাই। দেখিছিলো বালিময় চাপৰি। আমাৰ বাছ মন্থৰ গতিতেই গৈ আছিল। 'চাৰভাঙ'ৰ ভিতৰলৈ গৈ থাকোতে হঠাৎ বাছখন দুৰ্ঘটনাত পতিত হয়। এখন কাঠৰ দলঙৰ ওপৰত পথালিকৈ পাৰি দিয়া তক্তাবোৰ মেৰ মেৰ শব্দ কৰি ভাঙি যায়। বাছৰ চকা তিনিটা দীঘলকৈ পাৰি দিয়া জৈচৰ ওপৰত ওলমি থাকে। বাছখনৰ বাওঁকাষৰ সমুখৰ এটা অংশ এঢলীয়া হয়। আমাৰ যাত্ৰীৰ অৰ্থাৎ কলেজৰ শিক্ষক-ছাত্ৰীৰ মাজত চিঞৰ-বাখৰ আৰম্ভ হয়। আমি সমুখৰ আসনত বহি আছিলো। খৰধৰকৈ আটাইবোৰে বাছৰ পৰা নামো। বাছখনলৈ চাই দেখো যে বাছখন দলঙৰ ওপৰত ওপঙি আছে। বাছখনৰ আগৰ চকা এটাৰ এটা অংশ দলঙত আৰু বাকী অংশ বাহিৰত। বাছৰ ড্ৰাইভাৰজন পাকৈত আছিল বাবে বাছখন মাটিত বাগৰি নপৰিল। পৰা হ'লে আটাইবোৰৰ অৱস্থা কাহিল হ'লহেঁতেন অৰ্থাৎ কেইজনমান মৃত্যুমুখত পৰিলহেঁতেন আৰু কেইজনমান আহত হ'লহেঁতেন। ওপঙি থকা বাছখনলৈ চাই আমি ভালেখিনি সময় নীৰৱে আছিলো। আতংকত বুকু কঁপি উঠিছিল। কিন্তু প্ৰকাশ কৰা নাছিলো। অধ্যক্ষ সত্যনাথ দাস বহু সময় নীৰৱ হৈ আছিল। আমাৰ ওচৰত থিয় হৈ থাকি বাছখনলৈ এবাৰ আৰু শিক্ষক-ছাত্ৰসকললৈ এবাৰ চাই আছিল। মনৰ মাজত চলি থকা দুখ-যন্ত্ৰণা প্ৰকাশ কৰা নাছিল। তেওঁ অলপো বিচলিত নোহোৱাকৈ ধৈৰ্য ধৰি আছিল। বিপদৰ সময়ত মানুহৰ সহায় ধৈৰ্য। সত্যনাথ দাস যে এজন ধৈৰ্যশীল ব্যক্তি সেই কথা সিদিনাৰ ঘটনাৰ পৰাই মই বুজিব পাৰিলো।



কিছু সময় আমি বাছখনৰ ওচৰতে আছিলো। ড্ৰাইভাৰ আৰু হেন্দিমেনজনে বাছখন উঠোৱাৰ চেষ্টা কৰিব ধৰে। আমি লাহে লাহে বাছখনৰ ওচৰৰ পৰা আঁতৰি গৈ বালিচৰ পাওঁ। কেইজনমান ছাত্ৰৰ সহযোগত ৰান্ধনিয়ে ভাত ৰন্ধাৰ আয়োজন কৰে। কেতিয়া ভাত খাইছিলো মনত নপৰে। হয়তো সন্ধিয়াৰ আগে আগে। আকৌ বাছখনৰ ওচৰলৈ আহো। ভূটান চৰকাৰৰ কৰ্মচাৰী জুনিয়ৰ ইঞ্জিনীয়াৰ এজনে সহায় কৰিবলৈ আগবাঢ়ি আহে। কিন্তু বেলি ডুবালৈকে বহুত চেষ্টা কৰিও বাছখন উঠাব নোৱাৰিলে। সন্ধিয়াৰ পিছত ৰাতিৰ আন্ধাৰ নামি আহিল। তেতিয়া শীতৰ আগমন হোৱা নাছিল। গাত পিন্ধি থকা কাপোৰেৰে ৰাতি কটাব লগাত পৰিছিলো। তাত মুৰ গুজিবলৈ ঘৰ এটাও নাছিল। কেইটিমান জুপুৰীসদৃশ ঘৰ দেখা পাইছিলো। গছৰ ডাল-পাতেৰে সজা। তাতেই বহি বহি আন্ধাৰ নিশাৰ আলহী হৈছিলো।

ওৰে নিশা চেষ্টা কৰিও ড্ৰাইভাৰ-হেন্দিমেনে বাছখন উঠোৱাৰ কোনো উপায় নাপালে। জুনিয়ৰ ইঞ্জিনীয়াৰজনৰ পৰা জানিব পাৰিলো যে তাত ভূটান চৰকাৰৰ মহকুমাধিপতি এজন আছে। আমি পিছদিনা পুৱা তেওঁক লগ ধৰিবলৈ যাও। মই সত্য নাথৰ পৰিচয় দিও। তেওঁ অৰ্থাৎ মহকুমাধিপতিজনে আমাক চাহ খুৱায় আৰু বাছখন উঠোৱাৰ বাবে কৰ্মচাৰী কেইজনমানক নিৰ্দেশ দিয়ে। অৱশেষত ভূটান চৰকাৰৰ সহায় বা ভূটান চৰকাৰৰ কৰ্মচাৰীৰ সহায়ত বাছখন উঠোৱা হয়। পুৱা ১০ মান বজাত আমাৰ বাছখনৰ গৃহাভিমুখী যাত্ৰা আৰম্ভ হয়।

সত্যনাথ দাসৰ অভিনন্দন গ্ৰন্থৰ বাবে লিখিব কোৱাত এৰি অহা দিনবোৰৰ এই কথা মনত পৰিল। এজন সুদক্ষ অধ্যক্ষ আজি অৱসৰপ্ৰাপ্ত। কলেজখনে আজিও তেওঁক অভিনন্দন জনাবলৈ ওলোৱা শুনি মই আনন্দিত। উদ্যোক্তাসকলক ধন্যবাদ দি সত্যনাথ দাসৰ দীৰ্ঘায়ু কামনা কৰিলো।

*(লেখক সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক)*

# মহাসমৰৰ অকুতোভয় সেনাপতিৰ কথাৰে ঃ পূৰ্বালোকন এক সহযোদ্ধাৰ

ড° অৰুণ দাস

## পূৰ্বালোকন

সম্পাদনা সমিতিয়ে বান্ধি দিয়া সীমাৰ পৰিধিৰ পৰা ওলাই আহি প্ৰতিপাদ্য বিষয়ৰ বিশেষ ব্যক্তিৰ লগত আত্মিক সম্পৰ্ক মোৰ অগোচৰে কেনেকৈ সংঘটিত হৈছিল, সেই এৰি অহা দিনৰ এটি পূৰ্বালোকন এইখিনিতে পুনৰুদ্ৰেক কৰিব বিচাৰিছোঁ। জীৱনৰ কিছুমান পৰিঘটনা সংঘটিত হয় আমি নভবাকৈয়ে। ১৯৫৯ বৰ্ষত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ৫ টকাৰে ৰেলৰ টিকট কাটি সৰভোগৰ পৰা আমিনগাঁও হৈ ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ কটন কলেজত যেতিয়া পঢ়িবলৈ গৈছিলোঁ, তেতিয়া ভবা নাছিলোঁ স্নাতকোত্তৰ ডিগ্ৰী লৈ কেতিয়াবা কলেজত অধ্যাপনা কৰিম বুলি। দামোদৰ বিপ্ৰৰ লগত সখা কৃষ্ণৰ মিলন হোৱাৰ দৰে মোৰো বাল্য কালৰ সখাৰ লগত মিলন হ'ব এয়া আছিল কল্পনাতীত। কথাটো অলপ মুকলিকৈ কৈছোঁ — ১৯৪৭ বৰ্ষৰ আগষ্ট মাহৰ কেইদিনমান পিছৰ কথা। ৰহা এল. পি. স্কুলত চাহমেল পাতি আমাক খাবলৈ মাতিছিল। তাতেই মোক দেখি কেইজনমানে একে গাঁৱৰে পবিত্ৰ দাসৰ লগত মোক সখি পাতি দিয়াৰ প্ৰস্তাৱ দিলে। তদানীন্তন অসমীয়া সমাজৰ এটা উৎকৃষ্ট সামাজিক পৰম্পৰা; সখা পাতি লোৱা। শ্ৰীকৃষ্ণ অৰ্জুনৰ দৰে। এচোতাল জ্যেষ্ঠজনৰ চৰণত মুৰ দোঁৱাই যথা সময়ত আমি সখি হ'লোঁ।



মোবাইল/ফেচবুক তথাকথিত আধুনিকতাৰ ধামখুমীয়াত এই সূক্ষ্ম অনুভূতি, পৰম্পৰা আমাৰ মাজৰ পৰা হেৰাই গ'ল। সময় যে কি নিষ্ঠুৰ! — পৰৱৰ্তী কালত সখাৰ ঘৰলৈ অহা-যোৱা কৰি থাকোঁতে গম পালো ইতিমধ্যে হাউলীৰ সিপিনৰ থিয়-নামৰ পাঠক এজনৰ লগতো তেওঁ সখা পাতিছিল ৰহালৈ নাম গাবলৈ অহা সময়ত। বাতৰিবোৰ ইমানেই। চাক্ষুষ নাছিল। চৰজমিন অনুসন্ধান কৰা নহ'ল। যথাসময়ত প্ৰৱেশিকা পাছ কৰি গুৱাহাটীলৈ বুলি যি বেডিং বান্ধিলো ১৯৬৫ চনত তাক সামৰি ঘৰ পালোহি। — আহোঁতে বিজুলীঘাটত বেডিং নমাই বাহিৰে বাহিৰে নতুনকৈ স্থাপন হ'বলগীয়া 'বৰভাগ কলেজ'ৰ অফিচত সোমাই আহিলোঁ। পৰীক্ষাৰ ফলাফলৰ আগতে মই চাকৰিত জইন কৰিলোঁ। এবছৰ তাতে থাকিলোঁ। ১৯৬৬ বৰ্ষত বি. এইচ্. কলেজৰ শুভাৰম্ভণিৰ বাবে বিজ্ঞাপন পাই তাতো এখন আবেদন দি থ'লো। এটা সময়ত খবৰ এটা লওঁ বুলি মৌটুপুৰী পালোঁ। তাৰৈকহে লগ পালোঁ। কথাৰ মাজতে বাল্য কালৰ সেই সখি পতা পৰ্বটো উল্লেখ কৰিলো। তাৰৈয়ে নিৰ্ভৰযোগ্যতাৰে কৈ দিলে ৰহাৰ পবিত্ৰ দাসৰ লগত সখিপতা সেইজন আমাৰেই 'সত্য'। মই হেৰাই পোৱা মাণিক পোৱাদি পালো। ইমান দিনে হেৰাই থকা পুৰণা সম্পৰ্ক এটি পুনৰাই ঘূৰাই পালো নাটকীয়ভাৱে। এক Windfall gain মোৰ বাবে। নীৰন, বন, ৰঞ্জিৎ, প্ৰাণজিৎ, ৰেণু, প্ৰজ্ঞা আদিৰ লগত আত্মিক মিলন হ'ল। মোৰ অনুভৱ সহোদৰ ভাতৃ/ভগ্নীতকৈ আমাৰ পাৰস্পৰিক শ্ৰদ্ধা-মৰম কোনো গুণে কম নহয়।

অফুৰন্ত প্ৰতিভাৰ আকৰ লৈ বোকাৰ মাজত পদুম ফুলাদি বৰপেটা মহকুমাৰ মৌটুপুৰী গাঁৱত বিগত শতিকাৰ তৃতীয় দশকৰ শেষৰফালে এটি মধ্যবিত্ত পৰিয়ালত তেওঁৰ জন্ম হৈছিল। ভগৱান প্ৰদত্ত উন্নত বংশগতি আৰু স্বকীয় প্ৰতিভাৰে এদিন হাউলী হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকাত উত্তীৰ্ণ হৈ এম. চি. কলেজৰ পৰা অৰ্থনীতিত সন্মান সহ স্নাতক মহলাত

উত্তীর্ণ হৈ যথাসময়ত সেই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ বজালী কলেজত অধ্যাপনা কৰিবলৈ লয়। তেওঁ এজন 'Self made man' ওখ গছত বগাই শূন্যতে ওলমি থকা 'ৰঘুমলা' নহয়। সকলো ধৰণৰ Push and Pull ৰাজনীতিৰ বাহিৰত, — উচ্চ শিক্ষাৰে শিক্ষিত স্বত্বেও অনুশাসন-নিয়মানুৱৰ্তিতাৰে সম্পূৰ্ণ চহা জীৱনৰ অনুগামী— ঘৰত-সমাজত-শিক্ষানুষ্ঠানত— সকলোতে।

ৰাইজৰ দাবীত বজালী কলেজৰ স্থায়ী চাকৰি এৰি তেওঁ বি. এইচ্. কলেজৰ অধ্যক্ষৰ গুৰুভাৰ মূৰ পাতি লয়। তেওঁৰ লগত মাৰ বান্ধি আমি— The founding fathers শিক্ষক-কৰ্মচাৰীসকল। পুৰেতিয়ে দহ মাহ দহ দিন সন্তান গৰ্ভত ধাৰণ কৰি পোৱা সেই প্ৰসৱ যন্ত্ৰণা বেলেগে অনুভৱ কৰিব নোৱাৰে। শিশুটি হাঁহিব পৰা হ'লেহে সকলোৱে একোলা ল'বলৈ হাবিয়াস কৰে। দেউতাকে পিতৃত্বৰ দাবী কৰে। পুৰেতিৰ জন্ম যন্ত্ৰণাৰ একাত্মতাৰে সত্যদাসৰ কলেজ গঢ়াৰ যি নিৰৱচ্ছিন্ন ত্যাগ আৰু যন্ত্ৰণা তাৰ লগত আমিও সমভাগী। প্ৰশ্ন হ'ল গুৰি ধৰোঁতাজনে সময়ৰ কোবাল সোঁতত সঠিক দিশেৰে নাওখনৰ দিক নিৰ্ণয় কৰিব পাৰিছে নে নাই। বি. এইচ্. কলেজ আৰু ইয়াৰ দ্ৰুতবিকাশ ৰাইজে স্বচক্ষে দেখিছে। প্ৰবল ধুমুহা এচাটি ঘৰৰ ওপৰেৰে পাৰ হৈ গলেও পুৰেতিয়ে গম নেপাব পাৰে কিন্তু বুকুৰ মাজত আলফুলকৈ শুই থকা কেঁচুৱাটিৰ এটি মৃদু কান্দোনে শুই থকা মাতৃক চাৎকৰে জগাই দিব পাৰে। নিজৰ বুকুৰ উম দি আলফুলকৈ গঢ় দিয়া এই কলেজৰ সুখ-দুখৰ প্ৰতি অতি সংবেদনশীল আৰু স্পৰ্শকাতৰ এওঁৰ ক্ষেত্ৰতো তেনেকুৱাই। ইতিমধ্যে প্ৰতিষ্ঠাপক সেনাপতিসকলৰ বীৰগতি প্ৰাপ্তি হৈছে। বাকী আছো মই আৰু পিতামহ ভীষ্মৰ প্ৰতিভূ— শৰশয্যাত শায়িত (?) সত্যনাথ দাস।

এটি মাংগলিক অনুষ্ঠানেৰে গোপীনাথ বৰদলৈ স্মাৰক হাইস্কুলত বহুতো সম্ভাৱনা বুকুত লৈ এটি নৱজাতক ভূমিষ্ঠ হ'ল। ৰাইজৰ মনত অদম্য



উত্মা। মুখ্য সেনাপতি একনিষ্ঠ কৰ্মী সত্যনাথ দাস সমন্বিতে এদল নিষ্ঠাবান সহযোদ্ধাৰে পৰিবেষ্টিত এটি মহান শিক্ষা মন্দিৰ, লগতে অগণন শিক্ষাপ্ৰেমীৰ সহযোগিতা। আৰম্ভণি বৰ্ষত সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰুসকলৰ স্মৃতি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ — যথাক্ৰমে সত্যনাথ দাস (অধ্যক্ষ), গিৰীণ দাস (উপাধ্যক্ষ), ড° অৰুণ দাস (শিক্ষা), আব্দুল কাদেৰ (ৰাজনীতি বিজ্ঞান), মাধৱ নাথ (বুৰঞ্জী), মজিবৰ ৰহমান (ভূগোল), অজিত সাহা (বঙালী), জে. পি. শৰ্মা (ইংৰাজী), অধ্যাপক নাগ, আতাউৰ ৰহমান (কাৰ্য্যালয় সহায়ক), পঙ্কজ নাথ (৪ৰ্থ বৰ্গ)। উভতি চালে দেখা পাওঁ সময়ৰ বালিত তেওঁলোকৰ পদচিহ্ন। সুখে-দুখে আমি মাউখে উটি আহিছোঁ মহাৰথী কৰ্ণৰ নেতৃত্বৰে। এজন প্ৰকৃত মহাবীৰৰ পদাংক অনুসৰণেৰে— য'ত অকণো কৃত্ৰিমতা নাই— চলন ফুৰণ, বেশভূষা সকলোতে, নিয়মানুৱৰ্তিতা তেওঁৰ শিৰৰ ভূষণ— মজ্জাগত। তেওঁ সকলোৰে আগত, — পিছে পিছে আমি অনুগামীবোৰ, উদ্দেশ্য একেটাই; পথ যিমানেই কণ্টকাকীৰ্ণ নহওক এদিন লক্ষ্য স্থানত উপনীত হোৱাৰ। ইংৰাজীৰ আপ্ত বাক্যশাৰী সদায় মনলৈ আহে— "Well begun is half done." বি. এইচ্. কলেজৰ আৰম্ভণিও তেনেকুৱাই আছিল। উপযুক্ত সময়ত সম্পূৰ্ণ প্ৰস্তুতিৰে উপযুক্ত সেনাপতিৰ নেতৃত্বত ৰাইজৰ আশীস মূৰত লৈ মহাসমৰৰ ৰণভেৰী বজোৱা হৈছিল। যদিওবা প্ৰস্তুতি বৰ্ষত ইয়াৰ অংকুৰণ হৈছিল গোপীনাথ বৰদলৈ স্মাৰক হাইস্কুলৰ কোনোবা এটি কোঠাত অনুমতি সাপেক্ষে। দিবা-নৈশ ক্লাচ— দিনত ৰজতৰাম প্ৰাইমাৰী স্কুলত, ৰাতি হাইস্কুলৰ এটি কোঠাত হেচাগ্ লাইটৰ পোহৰত। দিনত চাইকেলেৰে মই সৰভোগৰ পৰা আহো— সত্যদাস, গিৰীন দাস, আব্দুল কাদেৰ আহে হাউলীৰ ফালৰ পৰা। ৰাতিৰ পাঠদান শেষ কৰি চাৰিওজনৰ ওভতনি যাত্ৰা। বেঁকী দলঙত মোতায়েন কৰা সুৰক্ষা কৰ্মীৰ প্ৰায়েই ধমকি। নিৰাপত্তাজনিত। আজিৰ সময়ৰ কিবা এটা খুঁত উলিয়াই পইচা আদায়ৰ নহয়। হ'লেও কি

পালেহেঁতেন দৰমহাই পাইছিলো মাহত মাত্র দুশ টকা। কথাত কথা মনত পৰে (অনুবন্ধিত প্ৰতিক্ৰিয়া, মনোবিজ্ঞানৰ এটি শব্দ) ১৯৬৭ চনৰ কথা। বৰ্তমান কলেজৰ নিৰ্মীয়মান প্ৰথম মহলাত সন্ধিয়া আমি কেইজনমানে কথা পাতি থকাৰ লাচতে এজনে মোক প্ৰশ্ন কৰিলে— আপুনি কেতিয়াবা হাজাৰ টকা একেলগে দেখা পাইছেনে? সাহা উপাধিৰ উত্তৰ বৰপেটাৰোডৰ সৰ্বভাৰতীয় মানদণ্ডৰ জোতাৰ দোকানৰ মালিক উক্ত ব্যক্তিজন ইহসংসাৰত নাই। বংশধৰসকলে বি. এইচ্. কলেজত পঢ়াৰ সুবিধা পালেনে নাই বা? কেৱল কলেজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সেই তিৰ্যক মন্তব্য সহ্য কৰি মনে মনে থাকিলোঁ। মাগুৰ খাবলৈ দল টানিলে শিঙিয়ে বিন্ধিবই।

শয়নে সপোনে কেৱল কলেজখন গঢ় দিয়া নিৰৱচ্ছিন্ন চিন্তাৰ বাবে আমিও সহযোদ্ধা হ'ব লগা হৈছিলোঁ। উদাহৰণ এটা দিছো— কলেজ স্থাপনৰ কেইদিনমান পিছত, কলেজৰ কামত গুৱাহাটীলৈ যাব লগা হ'লোঁ। মই সৰভোগৰ পৰা বৰপেটাৰোডলৈ চাইকেলেৰে আহিলোঁ। অধ্যক্ষ মৌটুপুৰীৰ পৰা। দুয়োৰে চাইকেল দুখন বিশ্বনাথ আগৰৱালা (মহেশ কেডিয়াৰ দেউতাক)ৰ গুদামত ৰাখি, ট্ৰেইনত উঠিলোঁ। কাম শেষ কৰি যিখন ট্ৰেইনত বৰপেটাৰোডলৈ ঘূৰি আহিলোঁ, সেইখনে বৰপেটাৰোড পাওঁতে ৰাতি ১.০০ বাজিল। দুয়ো চাইকেল দুখন গুদামৰ পৰা উলিয়াই আনিলোঁ। তেওঁ গ'ল মৌটুপুৰীলৈ, মই সৰভোগলৈ। এতিয়া হয়তো এই দুঃসাহসিক কাৰ্য্য পৰিৱেশ-পৰিস্থিতি সলনিৰ পৰিপ্ৰেক্ষিতত কৰিব নোৱাৰিম। আমি দুয়ো তেতিয়া অবিবাহিত যুৱক— শিল খাই হজম কৰাৰ বয়স।

তুমিতো নুবুজিবা সখী !  
কিনো বেদনাত  
ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি  
বিজয়াৰ বিফল সন্ধ্যাত।।



অতীত ৰোমন্থনে মোক ভালেখিনি নষ্টালজিক কৰি তুলিছে— সোণোৱালী দিনৰ মধুৰ সোঁৱৰণে মনলৈ এক নৈৰ্ব্যক্তিক শিহৰণ আনিছে। — আঙুলিৰ ফাঁকেৰে পাৰ হৈ যোৱা দিনবোৰৰ প্ৰতি হৈছে আত্মিক আবেশ। মই যে সময়ৰ পাখি লগা গতিত বহু দূৰ আগবাঢ়ি আহিলোঁ— উভতি চাই দেখিলো আপোনাক— আৰু বহুতোকে — ধাবমান আমি, সময়ৰ সৰ্পিল গতিৰে। Sigmend Freud ৰ ভাষাত আমাৰ সম্পৰ্ক এক নৈৰ্ব্যক্তিক আবেশ (Invisible fluid) ইজনে-সিজনক বান্ধি ৰখাৰ। নিজকে লিৰিকি-বিদাৰি চাইছোঁ— বয়সে মোক কিমান শিকালে— কিমান পালো— কিমান দিলোঁ। প্ৰয়োজনতকৈ মই বহুবক্তী হলো নেকি? ক'ৰবাত আত্মজাহিৰ হ'ল নেকি? ই যে বয়সৰ দোষ— চকুমুদি অতীত ৰোমন্থনৰ বয়স, দিয়াৰ, লোৱাৰ।

সৰ্বশেষত মোৰ প্ৰশস্তিৰ কেন্দ্ৰবিন্দু সেই বিশেষ ব্যক্তিগৰাকীলৈ জনালোঁ মোৰ হিয়াভৰা ওলগ আৰু শুভেচ্ছা লগতে তেওঁলৈ দীৰ্ঘায়ুৰ কামনা। সম্পাদনা সমিতিৰ প্ৰতিও থাকিল ধন্যবাদ— শুভকামনা। শুভমস্তু।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক)*

# অধ্যক্ষ সত্যনাথ দাসৰ শিক্ষা-দৰ্শন

অক্ষয় কুমাৰ মিশ্ৰ

ইংলণ্ডৰ চিন্তাশীল স্কটিছ লেখক টমাচ কাৰ্লাইলে (Thomas Carlyle : 1795-1881) এষাৰ কথা কৈছিল ঃ "An institution is the lengthened shadow of a personality" — "এটা অনুষ্ঠান হৈছে এক ব্যক্তিত্বৰ দীৰ্ঘায়িত ছাঁ।" কথাষাৰ কিঞ্চিৎ সলনি কৰি মই ক'ব খুজিছোঁ ঃ "An institution is the lengthened shadow of some personalities." — "একোটা অনুষ্ঠান হৈছে কিছু সংখ্যক ব্যক্তিত্বৰ দীৰ্ঘায়িত ছাঁ।" বৰপেটাৰোড-হাউলী মহাবিদ্যালয় এটি মাথোঁ ব্যক্তিত্বৰ দীৰ্ঘায়িত ছাঁ বুলি ক'লে নিশ্চয় ভুল হ'ব; সন্দেহ নাই যে বহুকেইজন শিক্ষাসেৱী, শিক্ষাপ্ৰেমী, সমাজসেৱী, সমাজপ্ৰেমী লোকৰ সহায়-সহযোগত শিক্ষাৰ আলোক স্তম্ভস্বৰূপ এই শিক্ষানুষ্ঠানটি গঢ় লৈ উঠিছিল। ভালেসংখ্যক গুণী আৰু কৰ্মী ব্যক্তিৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক— বহু প্ৰকাৰৰ সহায়-সহযোগিতা আৰু ৰাইজৰ আৰ্থিক দান-বৰঙণিৰ ফলশ্ৰুতিতহে এনে এক মহৎ শৈক্ষিক অনুষ্ঠানৰ গঢ়-গঠন-বিকাশ সম্ভৱপৰ হৈছিল। বৰপেটাৰোড-হাউলীক কেন্দ্ৰ কৰি বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ শৈক্ষিক আশা আৰু সপোনৰ জীৱন্ত প্ৰতিমূৰ্ত্তিস্বৰূপ এই মহাবিদ্যালয়। প্ৰাৰম্ভিক অৱস্থাৰ পৰা আৰম্ভ কৰি বহুকেইজন মেধাসম্পন্ন শিক্ষকে নিষ্ঠা আৰু দক্ষতাপূৰ্ণ শিক্ষাদানেৰে



এই অনুষ্ঠানৰ শৈক্ষিক ভাবমূৰ্ত্তি উজ্জ্বল-প্ৰোজ্জ্বল কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰি সফল হৈছিল। কিন্তু এটা কথা মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব যে এই সকলোৰে মধ্যমণি স্বৰূপে প্ৰতিষ্ঠাপক অধ্যক্ষৰ গুৰু দায়িত্বভাৰ দক্ষতাৰে বহন কৰি অনুষ্ঠানটো অসমৰ অন্যতম লেখত ল'বলগীয়া উচ্চ শিক্ষানুষ্ঠানৰূপে গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল শ্ৰীযুত সত্যনাথ দাসে। ইতিমধ্যে প্ৰতিষ্ঠিত এখন মহাবিদ্যালয়ৰ 'অধ্যক্ষ চাকৰি' তেওঁ কৰা নাছিল; মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ ভাৱনা-যন্ত্ৰণা বহন কৰাৰ আৰু ত্যাগ-কষ্ট স্বীকাৰ কৰাৰ মানসিকতাৰে অধ্যক্ষৰ গুৰু দায়িত্ব তেওঁ কান্ধ পাতি লৈছিল এক মহৎ সেৱা-ব্ৰত হিচাপেহে। আৰু সেই গতিকেই এই মহাবিদ্যালয়লৈ 'চাকৰি' কৰিবলৈ অহা আন আন শিক্ষক-প্ৰবক্তাসকলৰ অন্তৰতো সেৱাৰ মনোভাৱৰ বীজ সঞ্চাৰিত কৰিব পাৰিছিল। অধ্যক্ষ দাসৰ নেতৃত্বত সুচিন্তিত, সু-পৰিকল্পিত আঁচনিৰ বাস্তৱায়িতকৰণেৰে এই অনুষ্ঠানটো সংশ্লিষ্ট সকলৰ সহযোগত গঢ় লৈ উঠিছিল। এই মহাবিদ্যালয়খনৰ যোগেদি তেওঁ নিজৰ লগতে আন বহুতৰে, শৈক্ষিক সপোন বাস্তৱায়িত কৰিছে; সেই সপোন সম্প্ৰসাৰিত কৰিছে।

মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি তৈয়াৰ কৰাৰ নিমিত্তে তেওঁ বিভিন্নমুখী আঁচনি লৈ কামত অগ্ৰসৰ হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ ওচৰতো আঁচনি দাখিল কৰি যথেষ্ট শ্ৰম সাপেক্ষ খাটনি কৰি অনুদান আদি অনাৰ ক্ষেত্ৰত সফলকাম হৈছিল। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ শৈক্ষিক দিশৰ সুশৃংখলা আনয়নৰ ক্ষেত্ৰতো তেওঁৰ প্ৰশাসনীয় দৃঢ়তা আৰু দক্ষতা সুফলদায়ক হৈছিল।

এখন মহাবিদ্যালয়ৰ এজন সফল আৰু আদৰ্শ অধ্যক্ষ হ'বলৈ হ'লে কি কি গুণবিশিষ্ট হ'ব লাগিব? প্ৰথমতে তেওঁ হ'ব লাগিব এজন সুদক্ষ শিক্ষক-প্ৰশাসক বা শিক্ষা-প্ৰশাসক। সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৰ্গ আৰু ছাত্ৰ-ছাত্ৰীয়ে তেওঁক সমীহ কৰা আৰু মনা হ'ব লাগিব।

দ্বিতীয়তে, নিজ ব্যক্তিত্ব আৰু কৃতিত্বৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক অনুশাসনত ৰাখিব পৰা হ'ব লাগিব; ছাত্ৰ-ছাত্ৰী সকলৰ মনত উজ্বল ভাৱমূৰ্তি থকা হ'ব লাগিব। সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ শ্ৰদ্ধা আৰু আনুগত্য লাভ কৰিব পৰা হ'ব লাগিব। তৃতীয়তে, মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক তথা পৰিচালনাৰ সকলো দিশতে তীক্ষ্ণ নজৰ ৰাখিব পৰা আৰু দৰকাৰ বিশেষে ক'ৰবাত কিবা ত্ৰুটি-বিচ্যুতি চকুত পৰিলে আঙুলিয়াই দি সংশোধনৰ ব্যৱস্থা কৰিব পৰা বুদ্ধি-বৃত্তি সম্পন্ন আৰু সাহস থকা হ'ব লাগিব। চতুৰ্থতে, মহাবিদ্যালয়খনৰ বিভিন্ন স্তৰৰ শৈক্ষিক পাঠ্যক্ৰমৰ লগত পৰিচয় থকা হ'ব লাগিব আৰু সেই পাঠ্যক্ৰম অনুসৰি ঠিকমতে পাঠদান কাৰ্য বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীসকলে সম্পাদন কৰিব পাৰিছেনে নাই তাৰ গম-গতি লৈ সামগ্ৰিকভাৱে নজৰ দি প্ৰয়োজন সাপেক্ষে দিহা-পৰামৰ্শ, নিৰ্দেশনা দিব পৰা হ'ব লাগিব। পঞ্চমতে, সহযোগী কাৰ্যালয়-সহায়ক সকলৰ কাম-কাজৰ ভু-ভা পোৱা আৰু প্ৰয়োজনবোধে হস্তক্ষেপ কৰিব পৰা আৰু নিৰ্দেশনা দিব পৰা হ'ব লাগিব। ষষ্ঠতে, শৈক্ষিক ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা নতুবা প্ৰশাসনিক ক্ষেত্ৰত দেখা দিয়া জটিলতাৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে সিদ্ধান্ত ল'ব পৰা আৰু সেই সিদ্ধান্তক কাৰ্যকৰী কৰাৰ দক্ষতা থাকিব লাগিব। সপ্তমতে, মহাবিদ্যালয়খনৰ মুৰব্বী হিচাপে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ সুবিধা-অসুবিধাৰ প্ৰতি নজৰ দিয়া, তেওঁলোকৰ অভাৱ-অভিযোগৰ প্ৰতি পৰিচালনা সমিতিৰ সুদৃষ্টি আকৰ্ষণ কৰি সেইবোৰ পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা হ'ব লাগিব। অষ্টমতে, অনুষ্ঠানটোক পৰিচালনা কৰাৰ ক্ষেত্ৰত অধ্যক্ষজনৰ নিজস্ব শৈক্ষিক কল্পদৃষ্টি বা স্বপ্নদৃষ্টি (Vision) থাকিলে ভাল। নৱমতে, অধ্যক্ষজন নিষ্ঠা, সততা, আন্তৰিকতা থকা হ'ব লাগিব। দশমতে, তেওঁ সময়ানুবৰ্তী, শৃংখলাপৰায়ণ, দায়িত্ববোধ সম্পন্ন, কৰ্তব্যনিষ্ঠ হ'ব লাগিব। একাদশতে, তেওঁ হ'ব লাগিব নিৰপেক্ষ, পক্ষপাত দোষশূন্য। দ্বাদশতে, মহাবিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত যৎ



যাৱতীয় নীতি-নিয়ম সম্বন্ধে সম্যক জ্ঞান থকা হ'ব লাগিব আৰু সেইবোৰৰ প্ৰায়োগিক দিশত পটুতা থকা হ'ব লাগিব। ত্ৰয়োদশতে, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মৰম-স্নেহ থকা অথচ সময় বিশেষে, প্ৰয়োজনবোধে কঠোৰভাৱে শাসন কৰি শৃংখলা বজাই ৰাখিব পৰা হ'ব লাগিব। চতুৰ্দশতে, আৱশ্যক হ'লে শ্ৰেণীত পাঠদানো কৰিব পৰাটো অধ্যক্ষ এজনৰ অতিৰিক্ত গুণ-গৰিমা।

উল্লেখিত গুণৰাশিৰ ভালেকেইটি অধ্যক্ষ দাসৰ ব্যক্তিত্বত পৰিস্ফুট হৈছিল।

অধ্যক্ষ দাসে বিশ্বাস কৰিছিল যে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু ৰাইজ— শিক্ষাৰ এই চাৰি স্তম্ভৰ সমিল-মিল আৰু সন্মিলিত প্ৰয়াস-প্ৰযত্নৰ ফলতহে একোটি আদৰ্শ শিক্ষানুষ্ঠান গঢ়ি তুলিব পাৰি। এই বিশ্বাসক সাৰোগত কৰিয়েই দাসে অধ্যক্ষৰ কাৰ্যভাৰ পৰিচালনা কৰিছিল।

গান্ধীজীয়ে কৈছিল যে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰি সৎ চৰিত্ৰৱান কৰ্মকুশল মানুহৰূপে গঢ়ি তোলাই শিক্ষাৰ উদ্দেশ্য। স্বামী বিবেকানন্দৰ মতেও ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত শ্ৰেষ্ঠাংশখিনি বাহিৰলৈ উলিয়াই অনাটোৱে শিক্ষাৰ লক্ষ্য। সত্যনাথ দাসেও যেন এজন শিক্ষাবিদ হিচাপে শিক্ষাৰ এই দৰ্শনতেই বিশ্বাস কৰে, এনে মত আমি পোষণ কৰিব পাৰো নিশ্চয়। খ্যাতনামা শিক্ষাবিদ জোন ডিউয়িয়ে কৈছিল যে শিক্ষা হৈছে জীৱনব্যাপী চলা প্ৰক্ৰিয়া। এই সন্দৰ্ভত দাসৰো যে দ্বিমত নাই তেওঁৰ ভাষণ-বক্তব্য আৰু দুই-এটি লেখাৰ পৰা এই কথা স্পষ্ট হয়।

অধ্যক্ষ দাসে বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত যি শিক্ষা গ্ৰহণ কৰিছিল সেই শিক্ষা আছিল মূল্যবোধভিত্তিক শিক্ষা। গতিকে স্বাভাৱিকতেই তেওঁ মূল্যবোধভিত্তিক শিক্ষাদানতেই ব্ৰতী আছিল। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে 'Purpose of Education' নামৰ এটা প্ৰবন্ধত কৈছে, "Education is

the means for the reconstitution of Society." "সমাজৰ পুনৰ গঠনৰ মাধ্যম হৈছে শিক্ষা।" এই শিক্ষাদানৰ প্ৰথম আৰু প্ৰধান মাধ্যম হৈছে শিক্ষানুষ্ঠানসমূহ। শিক্ষানুষ্ঠানসমূহক বিদ্যা শিক্ষাদানৰ কেন্দ্ৰৰূপে গণ্য কৰাৰ লগতে কেতবোৰ প্ৰমূল্যৰ প্ৰশিক্ষণ কেন্দ্ৰও বুলিব পাৰি। সীমিত সুযোগ-সুবিধাৰে কিছু পৰিমাণে হ'লেও এনে এটি শিক্ষাকেন্দ্ৰ ৰূপে মহাবিদ্যালয় খনক গঢ়ি তুলিবৰ নিমিত্তে অধ্যক্ষ দাসকে প্ৰমুখ্য কৰি অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিৰ বিষয়ববীয়া সদস্যসকলে অহোপুৰুষাৰ্থ নকৰাকৈ থকা নাছিল।

'বি. এইচ্. মহাবিদ্যালয় আলোচনী' (১৯৯২-৯৩, ১৯৯৩-৯৪) ত প্ৰকাশিত 'অসমৰ শৈক্ষিক বাতাবৰণ আৰু ছাত্ৰ-শিক্ষকৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধ এটাত তেওঁ লিখিছিল— "আজি অসমত এটা সৰ্বাত্মক সাংস্কৃতিক বিপ্লৱৰ অতীব প্ৰয়োজন।" আৰু তেওঁ এইমত প্ৰকাশ কৰিছিল যে অসমৰ একত্ৰিত ছাত্ৰশক্তিয়ে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব লাগে। সাংস্কৃতিক বিপ্লৱ বুলি উল্লেখ কৰিলেও ই আচলতে আছিল শৈক্ষিক বিপ্লৱহে। এই 'বিপ্লৱ' তথা আন্দোলনত কাৰ্যসূচীত এঘাৰ দফীয়া আঁচনি অন্তৰ্ভুক্ত কৰি অগ্ৰাধিকাৰ ভিত্তিত সেইবোৰ ৰূপায়ণ কৰাৰ প্ৰস্তাৱ দাঙি ধৰিছিল তেওঁ। সংক্ষিপ্ততে সেই এঘাৰ দফীয়া আঁচনিৰ কথাখিনি আছিল এনেধৰণৰ ঃ

১) উপযুক্ততাৰ ভিত্তিত শিক্ষক নিযুক্তি।
২) প্ৰচলিত পাঠ্যক্ৰমৰ সংশোধন আৰু পৰিৱৰ্তন কৰি আধুনিক, বিজ্ঞানসন্মত আৰু গতিশীল পাঠ্যক্ৰম প্ৰস্তুত কৰি উপযুক্ত মানৰ পাঠ্যপুথি প্ৰস্তুত।
৩) 'বন্ধ সংস্কৃতি' বন্ধ কৰি কৰ্ম দিনৰ পৰিমাণ বৃদ্ধি।
৪) শ্ৰেণীসমূহত পাঠদান নিয়মীয়াকৰণ আৰু শৈক্ষিক আলোচনা-বিলোচনাৰ প্ৰচলন।



৫) প্ৰতি দুমাহৰ মূৰে মূৰে অন্ততঃ ৫০ নম্বৰৰ Class Test, Unit Test অনুষ্ঠিতকৰণ।
৬) পৰীক্ষাত অসৎ উপায় অৱলম্বনকাৰীক কঠোৰ শাস্তি প্ৰদান।
৭) ৰেগিঙত লিপ্ত সকলক কঠোৰ শাস্তি প্ৰদান কৰি 'ৰেগিং' নামৰ অসুৰটো বধকৰণ।
৮) শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰি নিশ্চিত কাৰ্যকৰীকৰণ।
৯) প্ৰতিটো শিক্ষানুষ্ঠানৰ ন্যূনতম আন্তঃগাঁথনিৰ যোগান ধৰাটো কল্যাণকামী ৰাষ্ট্ৰৰ অৱশ্য কৰণীয় কৰ্ত্তব্য।
১০) শিক্ষানুষ্ঠানৰ নিয়মীয়া পৰিদৰ্শন।
১১) উচ্চ শিক্ষা তুলনামূলকভাৱে গুণগত হোৱা বাঞ্ছনীয়। উচ্চতৰ মাধ্যমিক স্তৰত বৃত্তিগত শিক্ষাৰ ব্যৱস্থা প্ৰৱৰ্তন।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে এষাৰ তাৎপৰ্য্যপূৰ্ণ কথা কৈছিল, "The profession of a teacher should not be reduced to a trade; it is a calling, a vocation a mission." "শিক্ষকতাক ব্যৱসায়লৈ অৱনমিত কৰাটো অনুচিত; ই হৈছে এক আহ্বান, এক বিশেষ বৃত্তি, এটা ব্ৰত।" বজালী মহাবিদ্যালয়ৰ নিচিনা প্ৰতিষ্ঠিত, স্বীকৃতিপ্ৰাপ্ত এখন মহাবিদ্যালয়ৰ প্ৰবক্তাৰ পদ এৰি দি আহি হাউলী-বৰপেটাৰোডৰ মাজস্থানত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সপোনটোৱেই আছিল তেওঁৰ নিমিত্তে এক 'আহ্বান', নহয় যেন এটা প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান তেওঁ গ্ৰহণ কৰিছিল সাহসেৰে, আত্ম প্ৰতীতিৰে। বৃহত্তৰ অঞ্চলটোত শিক্ষা বিস্তাৰৰ ব্ৰত লৈ তেওঁ মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লৈছিল। বিভিন্নজনৰ সহায়-সহযোগত তেওঁ অনুষ্ঠানটো মনে বিচৰা ধৰণে গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল। অৱসৰ গ্ৰহণৰ পিছত মহাবিদ্যালয়ৰ এখন নৱাগত আদৰণী সভাত তেওঁ মুকলিকৈয়ে কৈছিল, "এই কলেজখন মনে-প্ৰাণে, দেহে-কেহে খাটি গঢ়ি তুলিছো। কোনোবাই যদি এই অনুষ্ঠানৰ ক্ষতি সাধন কৰিব খোজে তাক সহ্য কৰা

নহ'ব।" কথাখিনিৰ মাজেদি মহাবিদ্যালয়খনৰ প্ৰতি থকা তেওঁৰ গভীৰ ভালপোৱা আৰু আন্তৰিক টাননিৰ ভাৱ ফুটি উঠিছে।

গান্ধীজীয়ে এষাৰ কথা কৈছিল, "Have one idea and live it." "এটাই মাথোঁ ধ্যান-ধাৰণা লোৱা আৰু তাকেই যাপন কৰা।" সত্যনাথ দাসেও যেন মহাবিদ্যালয়খনক লৈয়েই বৰ্তি আছিল; এইখনেই যেন আছিল তেওঁৰ 'ধ্যান-জ্ঞান'। 'বৃহত্তৰ হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি'ৰ তৰফৰপৰা প্ৰদান কৰা 'হাউলী বঁটা' (২০১৩) গ্ৰহণ কৰি দিয়া লিখিত ভাষণত (৩০-১১-২০১৩) দাসে তেনেধৰণৰ কথাই ব্যক্ত কৰিছিল। তেওঁ কৈছিল, "....দীৰ্ঘম্যাদী আঁচনিৰে ইং ১৯৬৪ বৰ্ষতেই শুভাৰম্ভ হ'ল বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ, চমুকৈ বি. এইচ্. কলেজ। জীৱনজুৰি সেই স্বৰ্ণভূমিয়েই অন্তৰৰ যোল্লকলা আৱৰি থাকিল। কলেজখনৰ বাহিৰেও ক'বলৈতো আজি আন একোৱেই নাই।"

উক্ত ভাষণত তেওঁ ব্যক্ত কৰা আন এষাৰ প্ৰণিধানযোগ্য কথা আছিল— "শিক্ষানুষ্ঠানটিৰ পৰিচালনাত সদায়েই No Love, No Hate নীতিৰে চলিবলৈ চেষ্টা কৰিছিলোঁ।" কাৰো প্ৰতি অনুৰাগো নাই, কাৰো প্ৰতি বিৰাগ ভাৱো নাই— এই সমত্ব দৰ্শন অধ্যক্ষজনৰ শৈক্ষিক দৰ্শনৰো মূল কথা। এই ভাষণৰ মাজেদি দাসৰ ঈশ্বৰ বিশ্বাস, নাম-মাহাত্ম্যত বিশ্বাস আৰু শংকৰ-মাধৱ দুজনা গুৰুৰ প্ৰতি শ্ৰদ্ধা-ভক্তি প্ৰকাশ পাইছে। শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ আধ্যাত্মিক ভাৱাদৰ্শৰ দ্বাৰা দীক্ষিত সত্যনাথ দাসৰ জীৱন-দৰ্শনৰো মূল সুৰ এনেবোৰ অভিব্যক্তিৰ পৰাই অনুধাৱন কৰিব পাৰি। নক'লেও হ'ব যে এজন শিক্ষাবিদৰ জীৱন-দৰ্শনৰ আধাৰতেই তেওঁৰ শিক্ষা-দৰ্শনো গঢ় লৈ উঠে।

ষষ্ঠদশ সংখ্যা 'বি. এইচ্. কলেজ আলোচনী' (১৯৮৯-৯০) ত লিখা 'জীৱনত কি শিকিলো' শীৰ্ষক প্ৰৱন্ধটোৰ মাজেদিও অধ্যক্ষ দাসৰ জীৱন-দৰ্শন তথা শিক্ষা-দৰ্শন প্ৰতিফলিত হৈছে। জ্ঞান-সাগৰৰ পাৰত তেওঁৰ



জ্ঞান আহৰণ যে অকিঞ্চিৎকৰ সেই উপলব্ধি ব্যক্ত কৰি তেওঁ লিখিছে, ".... তথাপি এটা কথা কিঞ্চিৎ শিকি তাৰ মৰ্মাৰ্থ উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিছো। সেয়া হ'ল— "Sincerity is the key to success and happiness in life." নিষ্ঠা আৰু আন্তৰিকতাই হ'ল জীৱনৰ কৃতকাৰ্যতা আৰু আনন্দৰ মূল চাবিকাঠি। আত্মবিশ্বাস আৰু সৎ সাহসেই জীৱনৰ উদ্‌গতিৰ মূল কাৰণ। নিষ্ঠাৱান ব্যক্তি কৃতকাৰ্য ব্যক্তি, নিষ্ঠাবান ব্যক্তি জীৱনত সুখী ব্যক্তি। জীৱনৰ অভিজ্ঞতাৰ পৰাই তেওঁ ক'ব পাৰিছে, "কৰ্তব্য কৰ্ম নিয়াৰিকৈ সম্পাদন কৰাত যি আনন্দ পোৱা যায় তাৰ তুলনা নাই; সেয়া নিৰ্মল আনন্দ, সেয়া পৰম তৃপ্তি।" এই উক্তি-অভিব্যক্তিৰ মাজেদিও তেওঁৰ জীৱন-দৰ্শন ভিত্তিক শিক্ষা-দৰ্শনৰ প্ৰায়োগিক দিশৰ ফলশ্ৰুতি প্ৰতিফলিত হৈছে।

*(লেখক এগৰাকী বিশিষ্ট সাহিত্যিক আৰু 'শিক্ষাৰত্ন' বঁটাৰে বিভূষিত)*

# বি.এইচ্. কলেজৰ অস্থিৰ সময় আৰু সত্যনাথ দাস

মুনীন্দ্ৰ নাৰায়ণ গোস্বামী

(এক)

প্ৰতিপাদ্য বিষয়টোৰ প্ৰতি শ্ৰদ্ধাশীল হৈয়ো, লেখা কাৰ্যত কিছুপৰিমাণে আনুভূতিক স্বাৰ্থত, স্বইচ্ছাতে সীমা অতিক্ৰম কৰাৰ আৱশ্যকতা উপলব্ধি কৰিছোঁ। বন্যাধল আহিলে যিদৰে সীমাবদ্ধ হৈ নাথাকে তেনেদৰে দীৰ্ঘকালীন সান্নিধ্যৰ অমুক্ত আৰু অনুচ্চাৰিত ভাবৰাশি প্ৰকাশৰ সুযোগ লভা ক্ষণত পয়স্বিনীৰ দৰে বন্যা প্ৰবাহিত হ'ব খোজে, যিকোনো সীমাবদ্ধতাৰ হেঙাৰ ভেদি। কাৰোবাৰ মনে কিবা তাগিদাত এনে ধৰণৰ প্ৰতি সমৰ্থন নজনালেও এয়া কিন্তু এক স্বাভাৱিক পৰিণতি, কোনো ব্যতিক্ৰম নহয়।

(দুই)

বি. এইচ্. কলেজ স্থাপনৰ প্ৰায় ৮/৯ বছৰ আগৰ পৰাই সত্যনাথ দাসৰ স'তে মোৰ চিনাকি। তেতিয়া দাসদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। শৰাইঘাট দলং নিৰ্মাণ কৰা হোৱা নাই। বিশাল ব্ৰহ্মপুত্ৰ পাৰ হওঁ ফেৰীৰে আৰু এই ফেৰী যাত্ৰী হৈ আহোঁতে ব্ৰহ্মপুত্ৰৰ বিশালতা আৰু গভীৰতাক সাক্ষী কৰি মোৰ স্থানীয় এজন সহপাঠীয়ে সত্যদাসৰ স'তে পৰিচয় কৰাই দিয়ে আৰু সেই প্ৰথম পৰিচিতিৰ



সুৱাস অদ্যাৱধি দুয়োৰে মাজত ব্ৰহ্মপুত্ৰৰ অলয় গতিধাৰাৰ দৰে চিৰগতিশীল আৰু উপলব্ধ হৈ আছে, দুয়োৰে জীৱনৰ বাৰিষা-খৰালিৰ মাজতো। এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে প্ৰথম দৰ্শন আৰু তাৰ আনুষঙ্গিক প্ৰতিক্ৰিয়াকো মূলধন হিচাপে লোৱাটো বাঞ্ছনীয় বুলিয়ে মোৰ আত্মদৰ্শন। আৰু এনে অনুভৱক বাস্তৱ ৰূপ দিয়াটো বিষয়বস্তুৰ গৰ্ভলৈ যোৱাৰ আগেয়ে সমীচীন যেন লাগে।

(তিনি)

বি. এইচ্. কলেজৰ অস্থিৰ সময়ৰ ৰেখাপাত কৰিবলৈ যোৱাৰ পূৰ্বে মই এইখন অনুষ্ঠানৰ লগত কিয় আৰু কিভাৱে জড়িত হৈছিলোঁ অলপ উনুকিয়াই নথলে অধ্যক্ষ দাসৰ লগত মোৰ সম্পৰ্কৰ গভীৰতা অজানিত হৈ ৰ'ব। মই বি. এইচ্. কলেজৰ বিজ্ঞাপনৰ ভিত্তিত এখন আৱেদন পত্ৰ দিছিলোঁ। কিছুদিন বিৰতিৰ পিছতে নিযুক্তি পত্ৰ পাই এদিন কলেজখনৰ ৰেহৰূপ চোৱাৰ মানসেৰে গৈ ওলালোঁ। কোঠালীত প্ৰৱেশ কৰিব ধৰোঁতে অধ্যক্ষৰ চকীত বহি থকা সত্যনাথ দাসদেৱে দেখা পাই উঠি আহিল আৰু দুহাতেৰে সাৱটি ধৰি ক'লে, "গোস্বামী মোক নেৰিব, কথা দিয়ক।" অকণো দ্বিধাগ্ৰস্ত নোহোৱাকৈয়ে যেনিবা উত্তৰ দিছিলোঁ— "আপোনাক নেৰোঁ।" তাৰ তিনিদিনমান পিছতে যোগদান কৰিছিলোঁ। ঘাটি মঞ্জুৰীপ্ৰাপ্ত আন দুখন কলেজত (এইখনত যোগদান কৰাৰ পিছত) মোক যোগদানৰ সুবিধা দিছিল। পিছে এফালে সত্যনাথ দাস আৰু অন্য দিশত মোৰ বচনবদ্ধতাৰ কথা সুঁৱৰি কলৈকো নগৈ আৰু অৰ্থৰ অপূৰণীয় ক্ষতিকো আওকাণ কৰি বি. এইচ্. কলেজত একেৰাহে ত্ৰিশ বছৰ কাল সেৱা আগবঢ়াই অৱসৰ লৈ ওলাই আহিলোঁ— লগত আনিলো কিছু অভিজ্ঞতাৰ সম্পদ আৰু অমলিন স্মৃতি যাক সাৰথি কৰি বিষয়বস্তুৰ কাষ চাপিব খুজিছোঁ।

(চাৰি)

এটি আদৰ্শৰ ভেঁটিত গঢ়ি উঠা বি. এইচ্. কলেজ ইয়াৰ ক্ৰম

বিকাশত, বিশেষকৈ মোৰ তাত চাকৰি কালত, ঈৰ্ষা আৰু প্ৰতিকূলতাৰ সন্মুখীন নোহোৱাকৈ থকা নাছিল। কিন্তু কলেজ অধ্যক্ষ সমন্বিতে সকলো স্তৰৰ কৰ্মচাৰী আৰু প্ৰশাসনিক সমিতিৰ সহযোগ আৰু সক্ৰিয়তাৰ শক্তিৰ ওচৰত যেন সকলো অন্তৰায়ে হাৰ মানিছিল। শিক্ষানুষ্ঠানখনৰ প্ৰতি থকা আনুগত্যতাই আছিল বহিঃ শক্তিক পৰাভূত কৰা কৃষ্ণ-শক্তি।

(পাঁচ)

কলেজৰ অস্থিৰ অৱস্থা বুলি কওঁতে কোনটো অৱস্থা বা সমস্যা কোনে কি ধৰণে গ্ৰহণ কৰে সেয়া বিচাৰ্য বিষয় হ'লেও তেনে বিশ্লেষণৰ পৰা দূৰত্বত অৱস্থান কৰি ব্যক্তিগত ধ্যান-ধাৰণাৰে স্মৃতি ছবি কেতবোৰ অঁকাৰ এক প্ৰচেষ্টা ল'ব খুজিছোঁ। এইখিনিতে উল্লেখ কৰোঁ যে প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱ এগৰাকী মেধাবী, স্থিৰতা সমৃদ্ধ আৰু অনুষ্ঠান আনুগত্যশীল ব্যক্তি হোৱা বাবে বিশেষকৈ প্ৰশাসনিক সমিতিয়ে সুদীৰ্ঘ কালছোৱাত তেওঁৰ ওপৰত গভীৰ প্ৰত্যয় আৰু আস্থা পোষণ কৰিছিল আৰু এয়া আছিল দাসদেৱৰ দায়িত্ব পালন আৰু স্বআদৰ্শ, নিজ কল্পনাৰে কলেজখনক গঢ়িব খোজাৰ বলিষ্ঠ সমল অৱসৰ প্ৰাপ্তিলৈকে।

(ছয়)

এবাৰৰ এটি ঘটনাই কলেজলৈ আনিছিল কিছু দুঃসময়। চনটো পাহৰিলোঁ। সেইবাৰৰ নৱাগত আদৰণী সভালৈ আহিছিল তদানীন্তন শিক্ষা সচিব মান্যবৰ মদন চন্দ্ৰ বেজবৰুৱাদেৱ। নাম থকা বিষয়া। কলেজৰ প্ৰশাসনিক সমিতিৰ সভাপতি আছিল সন্মানীয় সুৰেন দাসদেৱ। দুয়োগৰাকী উপস্থিত থকা সেই সভাখনত ছাত্ৰৰ ফালৰ বক্তৃতাৰ কাৰ্যসূচীত যোগদান কৰা ধনজিৎ কাকতিয়ে প্ৰসঙ্গক্ৰমে অস্বাস্থ্যকৰ অঞ্চলৰ (Slum area) কথা উত্থাপন কৰে। তেওঁৰ উক্তিয়ে প্ৰশাসনিক সমিতিৰ সভাপতিক অসন্তোষিত কৰে আৰু তেখেতে কাকতিৰ কথাৰ তীব্ৰ বিৰোধিতা নকৰাকৈ নাথাকিল।



তাতেই ঘটনাৰ যেন সমাপ্তি নহ'ল। তেনেকুৱা ছাত্ৰৰ দ্বাৰা বৰ্তমানত কলেজৰ বৃহত্তৰ স্বাৰ্থ বিঘ্নিত হোৱাৰ আশংকাত প্ৰশাসনিক সমিতিৰ মজিয়ালৈ বিবেচনাৰ বাবে নি আলোচনাৰ অন্তত ছাত্ৰগৰাকীক কলেজৰ পৰা বহিষ্কাৰ কৰাৰে সিদ্ধান্ত গ্ৰহণ কৰে। এয়া ঘটনাটোৰ সংক্ৰান্তত এটা দিশহে মাথোন। কলেজৰ ভৱিষ্যতৰ পৰিবেশ নিয়ন্ত্ৰণ কৰাৰ যি কৌশল হাতত ল'লে সেয়াই আনহাতে ভীষণ প্ৰতিক্ৰিয়াৰো সৃষ্টি নকৰাকৈ নাথাকিল। বৃহত্তৰ ছাত্ৰ সমাজ জাঙুৰ খাই উঠিল। এই প্ৰতিক্ৰিয়াৰ চৌৰ ফলশ্ৰুতিত অধ্যক্ষ তিতিব লগাত পৰিল। নানা দল, সংগঠনৰ সঁজাতী দল আহি অধ্যক্ষ সত্যনাথ দাসদেৱক ব্যতিব্যস্ত কৰিব ধৰিলে। অতি ধীৰ চিত্তে আৱেগক কিঞ্চিতো প্ৰশ্ৰয় নিদি তেওঁ আলোচনাত অংশ ল'লে। প্ৰতিপক্ষৰ যুক্তিত কৰ্ণপাত কৰি সময় সাপেক্ষে আমিবোৰৰ স'তে অৰ্থাৎ শিক্ষক গোটৰ লগতো আলোচনাত বহে। এফালে প্ৰশাসনিক সমিতিৰ সিদ্ধান্ত আনহাতে সঁজাতী দল সমূহৰ বিশেষকৈ ছাত্ৰ সমাজৰ বহিষ্কৰণ সিদ্ধান্তৰ সজোৰ বিৰোধিতা— কোনখন নাৱত ভৰি থব অধ্যক্ষই। এটা কথা ইয়াতে উল্লেখ কৰাটো নিতান্তই প্ৰয়োজন যে ছাত্ৰ-সঁজাতী দলবোৰে কিন্তু তেওঁলোকৰ সামূহিক দাবী উত্থাপন কৰোঁতে শিষ্টাচাৰ বৰ্জিত নাছিল; এয়া মোৰ প্ৰত্যক্ষদৰ্শীৰ কথা। অধ্যক্ষই সঁজাতী দলবোৰক অধ্যক্ষৰ স্থিতিৰেই উত্তৰ দান কৰিছিল আৰু উভতনি যাত্ৰাত আশা সাৰথি কৰা পৰিলক্ষিত হৈছিল। অৱশেষত সকলো অস্থিৰতাৰ অৱসান পেলাই ধনজিতৰ পথ সুগম হৈছিল। অধ্যক্ষৰ পক্ষপাতিত্বহীন কাৰ্যব্যৱস্থা আৰু শিক্ষকগোটৰ উদাৰ আৰু অনুষ্ঠান-আনুগত্যৰ প্ৰভাৱত সম্ভাব্য ধৰ্ণা-ধৰ্মঘট আদিৰ পৰা হ'ব পৰা প্ৰদূষিত পৰিৱেশক বাধা দিব পৰা গৈছিল।

(সাত)

এবাৰৰ কলেজ-সপ্তাহৰ অন্তৰ্বৰ্তী ঘটনা। এদিনৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী চলি আছে। হঠাৎ প্ৰচণ্ড হৈ-চৈ লাগিল। ছাত্ৰ-ছাত্ৰীৰ দৌৰা-দৌৰি,

চিএৱৰ-বাখৰ। এজন ছাত্ৰ দৌৰি আহি অধ্যক্ষৰ কোঠাত আশ্ৰয়-প্ৰাৰ্থী হ'লহি। আন এচামে তাত প্ৰৱেশৰ সুবিধা-বঞ্চিত হৈ উত্তেজনাৰ মাদকতাত অধ্যক্ষৰ কোঠাৰ খিৰিকীৰ আয়নাপাতি ভঙাতো লিপ্ত হ'ল। আচম্বিতে ঘটা ঘটনাই অধ্যক্ষৰ লগতে সকলোকে বিব্ৰত কৰিলে। ঘটনাৰ পম খেদি বুজা গ'ল দুজন ছাত্ৰৰ মাজৰ তৰ্ক-যুদ্ধই শেষত ভীষণ আকাৰ ল'লে আৰু সেয়া দুজনৰ সীমা অতিক্ৰমি সাম্প্ৰদায়িকতালৈ গতি কৰাৰ উপক্ৰম হ'ল। ফিৰিঙতিৰ দ্বাৰা খাণ্ডৱদাহৰ লক্ষণ পৰিদৃষ্ট হ'ল। ইতিমধ্যে কলেজ-সপ্তাহৰ সিদিনাৰ কাৰ্যসূচী ঘটনাৰ পৰিপ্ৰেক্ষিতত আপোনা-আপুনি বন্ধ হ'ল। কৌশলী ব্যৱস্থাৰে পৰিস্থিতি আয়ত্বলৈ আনি এখন সভাত সকলোবোৰ মিলিত হোৱা গ'ল। অধ্যক্ষ দাসদেৱে অতি আৱেগ বিহ্বলতাৰে কলেজ প্ৰতিষ্ঠাৰ আদৰ্শৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি সকলোকে একাত্মভাৱেৰে মিলন মোহত আকৃষ্ট হ'বলৈ আৱেদন জনালে যদিও নিয়ন্ত্ৰিত পৰিৱেশৰ পৰিপন্থী বক্তব্য জনৈক ছাত্ৰই দাঙি ধৰাত অমৃতত বিষক্ৰিয়া যেন হ'ল আৰু অধ্যক্ষদেৱে এনেধৰণৰ আকস্মিক প্ৰতিকূলতাত উচুপি উঠিল, সভাত এক নৈৰাশ্য বিৰাজ কৰিলে আৰু শিক্ষকসকলৰ মাজত গভীৰ প্ৰতিক্ৰিয়া দেখা গ'ল। অধ্যক্ষজনৰ প্ৰতি ছাত্ৰজনে অশোভনীয় আচৰণ কৰা বুলিয়ে ঐক্যমতত স্থিত হৈ এই লিখকলৈ মাইক্ৰ'ফোনটো আগবঢ়াই বক্তব্য আগবঢ়াবলৈ প্ৰকৃতপক্ষে জোৰ কৰিলে। এই সন্দৰ্ভতে এটি কথা উনুকিয়াবলৈ প্ৰয়াস কৰিছোঁ। কলেজৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী ঘটনাৰ বিষয়ে জ্ঞাত নাছিল আৰু কোনো প্ৰকাৰৰ অহিতকৰ পৰিস্থিতিৰ সমৰ্থকো নাছিল। এই অভিজ্ঞতাক সমলৰূপে ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে প্ৰত্যয় আৰু আত্ম বিশ্বাসেৰে কলেজৰ বৃহত্তৰ স্বাৰ্থক আগস্থান দিয়া বক্তব্যৰ ফলশ্ৰুতিত পিছ মুহূৰ্তৰ পৰাই কলেজ-সপ্তাহৰ সকলো কাৰ্যসূচী নিয়াৰিকৈ সম্পাদিত হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ এয়া বোধোদয় আৰু কলেজৰ প্ৰতি থকা নিৰ্ভেজাল আনুগত্যতা।



(আঠ)

নিৰাকাংক্ষা সেৱাৰে সত্যনাথ দাস বি. এইচ্. কলেজ গঢ়া আৰু পৰিচালনাত আছিল নভোমণি সদৃশ। হ'লেও নানা অপ্ৰত্যাশিত পৰিৱেশজনিত কাৰণত কেতিয়াবা অবাঞ্ছিতভাৱেও নিগৃহীত হ'ব লগা হৈছিল। কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সময়ে সময়ে অস্থিৰতাৰ বাহক হোৱা পৰিলক্ষিত হোৱা বুলি নক'লে বাস্তৱতাক অস্বীকাৰ কৰা যেন হ'ব। নিৰ্বাচন-জাত তিক্ততা বিশেষত অধ্যক্ষদেৱে ভোগ কৰিবলগীয়া হৈছিল আৰু এটা সময়ত ইয়াৰ প্ৰতিৰোধকল্পে নিৰ্বাচনৰ পৰিৱৰ্তে কেবা বছৰৰ বাবে বাছনি পদ্ধতিৰে ছাত্ৰ একতা সভা গঠন কৰা দৃষ্টান্ত কলেজৰ ইতিহাসৰ অধ্যায়ভুক্ত হৈ আছে। বাছনি প্ৰক্ৰিয়াৰ বিৰুদ্ধ ঢৌ নাছিল তেনে নহয়। কিন্তু এনে অসামাজিক ঢৌ সোঁতবোৰে কলেজৰ আভ্যন্তৰীণ সুস্থিৰতা আৰু স্বাভাৱিক গতিৰ দৰ্শনত গুৰুত্ব আৰোপ নকৰি মাত্ৰ নিজ স্বাৰ্থৰ অনুকূলেহে ফলোপদায়ক নিৰ্বাচনৰ ওকালতি কৰাত ব্যস্ত হৈছিল। এনে কলেজ পৰিপন্থী বন্যা ৰোধ কৰাত অধ্যক্ষ দাসদেৱে তেওঁৰ দক্ষতাৰে সফল হৈছিল।

কুৰি শতিকাৰ আশী দশকৰ শেষ ভাগৰ কথা। অসমত বানপানীৰ বিভীষিকা। কলেজৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিয়ে নৱাগত আদৰণী সভাৰ লগত অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰি এটি আৰ্থিক অনুদান মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱাৰ এক সিদ্ধান্ত গ্ৰহণ কৰে আৰু তেনে পৰিপ্ৰেক্ষিততে সেই বাৰৰ নৱাগত আদৰণী সভাখন অলপ অনুষ্টুপীয়াকৈ সম্পাদিত কৰা হয়। কিছু সংখ্যক ছাত্ৰই এনে কাৰ্যত সন্তুষ্ট নোহোৱাই নহয়, অধ্যক্ষই নিজাববীয়াকৈ লোৱা সিদ্ধান্ত বুলি এক তথ্যহীন মানসিকতাৰ প্ৰৰোচনাত সন্ধিয়াপৰত, আন সকলোৱে কলেজ চৌহদৰ পৰা প্ৰস্থান কৰাত, অধ্যক্ষ, উপাধ্যক্ষ আৰু ছাত্ৰাবাস অধীক্ষকক বহু সময়ব্যাপি সৌজন্যতাহীন আচৰণ প্ৰদৰ্শনৰে 'ঘেৰাও' কৰি ৰাখে। পিছদিনাখন ৰবিবাৰ। সোমবাৰে কলেজত কথাটো ওলাই পৰে আৰু নিজ

ছাত্ৰৰ উদ্ধতালিত বিশেষকৈ শিক্ষক-গোট পৰম বিস্মিত আৰু ক্ষুব্ধ হয়। শিক্ষকগোটৰ জৰুৰী সভাত পাঠদান ব্যতিৰেকে ছাত্ৰ সংক্ৰান্তীয় আন কোনো কাৰ্যসূচীতে অংশ গ্ৰহণ, দায়িত্ব পালন নকৰাৰ চৰম সিদ্ধান্ত লৈ অধ্যক্ষক লিখিতভাৱে জনায়। এনে সিদ্ধান্তই অধ্যক্ষক প্ৰথমতে চিন্তাক্লিষ্ট কৰি তোলে। তেওঁ ছাত্ৰ সমাজকো বাদ দিব নোৱাৰে নতুবা শিক্ষকগোটকো। সময়ৰ ব্যৱধানে সমস্যাৰ ওৰ পেলাব এনে এক মতাদৰ্শেৰে কিছুদিন ধৈৰ্য ধৰি সমস্যাৰ সমাধানকল্পে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকগোটৰ এখন সভা আহ্বান কৰে যদিও শিক্ষকগোটে তাত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে। সভাত অধ্যক্ষদেৱে শিক্ষকসকলৰ অসহযোগিতাত কেনে অন্তৰায়ৰ সৃষ্টি হ'ব পাৰে আৰু লগতে কিনো কাৰণত তেনে গুৰুতৰ সিদ্ধান্ত ল'ব লগাত পৰিছিল সকলো কথা আবেগসিদ্ধভাৱে বিৰৰি কোৱাত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু তেনে গৰ্হিত কাৰ্যক নিন্দা কৰাৰ লগতে দোষী ছাত্ৰবোৰক অধ্যক্ষৰ লগতে সমূহ শিক্ষকৰ ওচৰত ক্ষমা মাগিবলৈ বাধ্য কৰায়। নিজ ছাত্ৰৰ দ্বাৰা অপদস্থ হৈয়ো অনুষ্ঠানৰ সামূহিক স্বাৰ্থৰ খাতিৰত যি সমতাৰক্ষা-দৰ্শন প্ৰয়োগৰ ভূমিকা লৈ অধ্যক্ষই যি সমাধানৰ বাট মোকোলাই তুলিলে সেয়া প্ৰণিধানযোগ্য।

(ন)

মাত্ৰাৰ কম-বেছি পৰিমাণৰ অস্থিৰতাৰ ঘটনা অধ্যক্ষ দাসদেৱৰ কাৰ্যকালত অনেক ঘটিছিল আৰু সকলোবোৰ স্মৃতিৰ বোঁৱতী সুঁতিৰে ইয়াত সন্নিবিষ্ট কৰিলে প্ৰবন্ধৰ আকাৰ বিৰক্তিৰ আধাৰৰ এখন পুস্তিকা যেনেই হ'ব বুলি পূৰ্বানুমান কৰিয়ে মোৰ নিজ বিবেচনাৰে আৰু দুই-চাৰি ঘটনাৰ মাজত দাসদেৱৰ প্ৰতিচ্ছৱি চোৱাৰ চেষ্টা কৰিম।

ফল্গু প্ৰবাহৰ লেখীয়া এটি ঘটনা। সেই সময়ত ছাত্ৰসন্থাৰ নেতৃত্বত অসম আন্দোলনৰ উতলা পৰিৱেশ। অধ্যক্ষ দাসদেৱলৈ নাম থকা তথা বেনামী বাৰ্তা অহৰহ আহে। কলেজত এজন বিদেশীয়ে ভুল তথ্য প্ৰদৰ্শনেৰে



অধ্যাপক হৈ আছে তেওঁক আঁতৰাব লাগে। ছাত্ৰ সমাজেও গম পোৱাত ঘটনাটো বৃত্ত বাহিৰ হ'ল। ভিতৰি ভিতৰি কথাটোৱে এক উত্তেজক ৰূপত প্ৰৱেশ কৰাত ইয়াৰ হেঁচা নানা প্ৰকাৰে অধ্যক্ষৰ ওপৰত পৰে আৰু অনুচ্চাৰিত এক বিব্ৰত অৱস্থাত পৰে। উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা ভুল তথ্য প্ৰদানৰ সত্যতাৰ প্ৰমাণ-পত্ৰ লাভ কৰাৰ অন্তত বিহিত ব্যৱস্থা লয় যদিও সংকীৰ্ণ স্বাৰ্থৰ প্ৰৰোচনাত কিছু অপচিন্তাই অপকৰ্মকাৰীৰ প্ৰতি সঁহাৰি জনোৱাত বাহিৰত ইয়াৰ তীব্ৰতা পৰিলক্ষিত নহ'লেও আভ্যন্তৰীণ ক্ষেত্ৰত কলেজৰ বিশেষতঃ শৈক্ষিক আৰু মানসিক পৰিস্থিতি প্ৰদূষিত হয় আৰু এনে ধৰণৰ অনাকাংক্ষিত বাতাবৰণত স্বাভাৱিকভাৱেই অধ্যক্ষগৰাকী ন যযৌ ন তস্থৌ অৱস্থাৰে আক্ৰামিত হয়। তথাপি ধৈৰ্যৰ বান্ধ নেভাঙি উপযুক্ত কাৰ্য ব্যৱস্থাৰ আধাৰত তুঁহ জুইকুৰা নিৰ্বাপিত কৰিবলৈ অধ্যক্ষগৰাকী সক্ষম হয়। মজিয়াত কোনোবাই কলৰ বাকলি পেলায় আৰু আনে তাত পিচলি পৰাৰ লেখীয়া এনে কৰ্মদশাৰ ভুক্তভোগী নানা ক্ষেত্ৰতে অধ্যক্ষই হ'ব লগা হোৱা দৃষ্টান্ত অনেক আছে। অনুষ্ঠানখনেই সংশ্লিষ্ট সৰ্বজনৰ মুখ্য আৰু আনুগত্যশীল স্বাৰ্থ হ'লে, বাস্তৱতাৰ গভীৰতম সমানুপাতত উপলব্ধ হ'লে, সততাৰ মুষ্টিবন্ধনত বহুতো অনভিপ্ৰেত সমস্যা ৰোধ কৰিব পৰা যায়। কিন্তু যেতিয়া ব্যক্তিস্বাৰ্থই সামূহিক স্বাৰ্থক ৰাহু-কেতুৰ দৰে গ্ৰাস কৰাৰ বাবে অবাঞ্ছনীয়ভাৱে উদ্যত হয় তেতিয়া শিক্ষাৰ জ্যোতি মেঘাবৃত হৈ পৰে আৰু এয়াই এক সামাজিক অস্থিৰতালৈ গতি কৰে, ক্ষতি সাধিত হয়। বি. এইচ্. কলেজো সত্য-ইতিহাসত ব্যতিক্ৰম নহয়।

(দহ)

বিস্তৃত বিৱৰণীৰ পৰা, দৈৰ্ঘ-দোষত পৰাৰ সন্দেহত, আঁতৰি আহি স্মৃতিৰোমন্থনৰ সহায়ত কেইটামান অস্বস্তিকৰ ঘটনাৰ উল্লেখ কৰিব খুজিছোঁ নহ'লৈ সময়ে হুমুনিয়াহ কাঢ়িব হয়তো। অধ্যক্ষ দাসদেৱৰ সেৱা-কালত তেওঁ, মন বিচলিত কৰাই নহয়, অপমান তথা শাৰীৰিক নিৰ্যাতনো ভোগ

কৰিবলগীয়া হৈছিল। কলেজত হোৱা ডকাইতি, হোষ্টেল-ৰেইড, বোমাস্থাপন টি-আৰ-পি-এফৰ দ্বাৰা কলেজত অপ্ৰৰোচিত নিৰ্বিচাৰ গুলীচালনা আৰু অধ্যক্ষৰ ওপৰত বৰ্বৰ আক্ৰমণ, পিক্‌নিকলৈ যোৱা ৭ জনী ছাত্ৰীৰ মৃত্যুবৰণ, একগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ ছাত্ৰাবাস, কলেজ ত্যাগৰ ভাবুকি, বিভাজিত শিক্ষকগোট সৃষ্ট মানসিক অশান্তি আদি নানা অস্বাস্থ্যকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল অধ্যক্ষ শ্ৰীসত্যনাথ দাসদেৱ। "কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়; খাই কৰ্শলা গছত উঠিল কাঠি চেলেকাৰ মৰণ মিলিল" এনে দুৰ্ভগীয়া পৰিস্থিতিৰ চাকনৈয়াত পৰি অধ্যক্ষ দাসদেৱ একাধিকবাৰ হাবু-ডুবু খাব লগা হৈছিল। যিহেতু তেওঁ কোনো অৱস্থাৰ পৰিপ্ৰেক্ষিতত নিজ পদ ত্যাগ কৰিব বা কলেজ এৰি যাব লগা ৰোষত পৰা নাছিল, শেষ মুহূৰ্তলৈ কলেজৰ প্ৰশাসনিক সমিতিৰ আছিল বিশেষ আস্থাভাজন আৰু ভাৰসাৰ ব্যক্তি, অধ্যক্ষ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয় আৰু চৰকাৰী দৃষ্টিতো এজন দক্ষ অধ্যক্ষ, প্ৰশাসকৰূপে বিবেচিত হৈছিল— এনেবোৰ ধ্যান-ধাৰণাই নিশ্চয়কৈ প্ৰত্যায়িত কৰে যে কেতবোৰ ৰিষ্টদোষত ভুগিলেও সেই সকলো নিষ্ঠা আৰু একাগ্ৰতাৰে অতিক্ৰম কৰি নিজস্ব পাৰদৰ্শিতাৰে সত্যনাথ দাস সময় সোঁতত সত্যৰ দাস — এই গুণালঙ্কাৰেৰে প্ৰতিভাত হৈছে, সমাজত প্ৰতিষ্ঠিত হৈছে আৰু তাৰেই অপ্ৰতিৰোধ্য সাক্ষী হৈছে তেওঁ লাভ কৰিবলৈ সক্ষম হোৱা 'হাউলী বঁটা'।

(এঘাৰ)

মানুহ হিচাপে জনম লভিলে জীৱদ্দশাত কেতিয়াবা অজানিতে বা আপোন-চিন্তাৰ ব্যতিক্ৰমত ত্ৰুটি-বিচ্যুতিৰ দোষত পৰিব পাৰে। ৰামৰ স্বৰ্ণ-মৃগ ভ্ৰম মানুহ-ৰামৰ ভ্ৰম। দেৱতাৰ নহয়। আৰু দোষ বা বঢ়া-টুটা কোনো সময়ত হয় বুলিয়ে ইয়ে মানুহৰ কেতিয়াও আক্ৰোশ কাৰক হোৱা উচিত নহয়। একেই অনুভৱ অধ্যক্ষ সত্যনাথ দাসৰ ক্ষেত্ৰতো হোৱা বাঞ্ছনীয়।



(বাৰ)

অধ্যক্ষ সত্যনাথ দাসদেৱৰ কাৰ্য কালৰ বা জীৱন পৰিক্ৰমাৰ সম্ভাৱ অনুস্মৃতিৰে 'জীৱন-প্ৰভা' নামৰ গ্ৰন্থ প্ৰকাশৰ জৰিয়তে তেওঁলৈ যথাযোগ্য স্বীকৃতি দিয়াৰ বাস্তৱ প্ৰয়াসৰ প্ৰতি আন্তৰিক আদৰণি জনাই মোৰ ব্যক্তিগত শ্ৰদ্ধা আৰু শুভেচ্ছা যাচিলোঁ। বি. এইচ্. কলেজ প্ৰতিষ্ঠা কালৰে পৰা অৱসৰী মুহূৰ্তলৈ অনিৰ্বেদ আৰু নিৰ্ব্যাজে যি সেৱা আৰু অনুপ্ৰাণনৰে বৃহত্তৰ সমাজক অনুগৃহীত কৰিলে সেয়া অলয় ৰূপত কাল আশ্ৰিত হৈ ৰ'ব — এয়া মোৰ ধাৰণা।

"সত্যান্ন প্ৰমাদিতব্যম্"

*(লেখক বি. এইচ্. কলেজৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)*

# S. N. Das as an Administrator

**Dr. Ramendra Kumar Das**

The vision of any educational institution right from lower to higher level is to spread education and thereby extend the horizon of knowledge and make the people perfect in all spheres of life. This is undoubtedly true. We are talking about very often value based education. Until and unless, we can't provide qualitative education, society in the long run has to face problems. The people continue to remain aloof of the fruits of modern development as well as inner uplift that makes us perfect in every walk of life.

Post independent India as a matter of legacy had a handful institutions of higher education. In other words, the colonial rules did not evince much interest to provide education to a great extent. Their purpose was to run administrative works to fulfil their ulterior motive. Hence, only a few people got the benefit of higher education. Educational institutions at higher level were set up in some districts or state headquarters. Most of the districts in the British dominated Assam remained



backward. It must be stated that pre-independent Assam under colonial rule had only a few colleges.

During the last 100 years i.e. 1841-1941 only a few colleges were set up in Assam. Of these, Murari Chand College in Sylhet (then part of Assam), Cotton College, Guwahati, J. B. College, Jorhat and M.C. College, Barpeta were established. It is to be noted that Barpeta Sub Division of Kamrup District was set up in 1841.

Shri S.N. Das one of the illustrious products of the M.C. College, Barpeta and few others of Barpeta Road and Howly areas urgently felt the necessity of setting up of a college to cater the needs of higher education and at the same time relieve the poor people from financial burden. Hence, with the collective efforts of the leading residents of the area, Shri S.N. Das took a key role in setting up of the present B.H. College. The College gradually attained its perfection under the leadership of Sri Das. It may be stated that Shri Das joined the team of founders resigning his sanctioned post of lecturership in Bajali College, Pathsala and assumed the office of Principal in 1966.

Key to success of any institution or organisation is truly its efficient handling of its administration. An administrator should have strong managerial capability. He should have possessed the art of inspiring the subordinates working with him. He himself should be very punctual and sincere. He must not display his weakness before his subordinates. Further, he should have

dream and vision in his mind. These attributes have been noticed on Shri Das.

The present writer had the opportunity to work with him for a long time. We zealously observed his style of functioning :

First, he was very punctual. He always arrived at the office ahead of beginning of the classes and left after finishing official works. During winter, he used to sit in the varandah of the college to see himself the starting of the days classes. His presence there made us aware of our responsibilities. The real motive was that there should be a good beginning. Hence, the teachers always reported to their duties on time.

Second, we noticed that he had never availed of leave of any kind say casual leave or any other leave admissible except in his last years of service. He has set an example for us not to avail leave on flimsy grounds. He always wanted that students should not miss any classes. In this connection, I remember whenever a teacher approached him to grant permission to attend Orientation/ Refresher Programme he allowed him/her when other teachers of the department assured that the classes would be engaged in his absence. This was done for the sake of students.

Third, he had always chosen right person in right job for strengthening the corporate life of the college. He was aware of difficulty in conducting examination- internal as well as external. The job is really hard and strenuous. Shri Das engaged



such teachers who could perform duties honestly and sincerely without hampering normal and scheduled classes. I find under his able leadership each of the teachers contributed much for the corporate life of the college. For all round development of the student community, he encouraged the teachers to guide them and because of his persuasion, the college N.C.C., N.S.S., sporting events etc. excelled to a greater height.

Fourth, he encouraged the teachers to go for research activities and asked them to avail of various facilities offered to the teachers such as FIP, Major and Minor Research Programme funded by the U.G.C. The present writer is also one of such teachers encouraged for Ph. D. work. He remained for me a constant source of inspiration for my entire research work.

Fifth, in regard to official matter, he is very serious. On receipt of any letter from U.G.C., G.U., Govt. of Assam or AHSEC, he first summoned the office assistants to acknowledge receipt of the letters. I found, he very often drafted letters to be sent to the aforesaid authorities in a simple and lucid manner.

Sixth, in principle the Governing Body of the college takes decision on policy matters. As a staff representative to the G.B., I had also privilege to participate in the proceedings. After hearing from us, the President wanted to know his (Principal's) mind on the subject. I noticed his views were generally adhered to.

Seventh, as a Principal and Secretary to the college G.B., he was very strict in financial management. To him, public money should be honestly utilised. He never tolerated misuse of fund. In other words he maintained economy in spending.

Apart from his administrative efficiency, he could prove himself as a successful teacher in Economics. The former students who had the opportunity to attend his classes, gratefully and humbly recorded their sense of satisfaction and I felt proud hearing from those students about the method of teaching. I very often deeply listened his views on indifference curve, which is not so easy to consume.

One of the qualities, I have observed in him, he never discouraged visitors. He heard patiently the problems of stake holders and public in general relating to college affairs and solved to the best satisfaction of all. During his working days, he did not have the habit of siesta.

Finally, this much I can say that Sri Das possessed all the qualities necessary for a successful administrator. His sweet personality has left on us indelible impression. I wish him good health.

*(The writter is Former Principal of B. H. College, Howly)*



# অধ্যক্ষৰূপে শ্ৰীসত্যনাথ দাস

সৃজন চন্দ্ৰ নাথ

১৯৬৬ চনত স্থাপিত হোৱা বৰপেটাৰোড-হাউলী কলেজ সংক্ষেপে বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হ'ল শ্ৰীযুত সত্যনাথ দাস। ইয়াৰ আগতে তেখেত আছিল বজালী কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক। নিজৰ ঠাইত এখন কলেজ হ'ব লাগে আৰু কলেজৰ উন্নতিয়ে ঠাইখনত শিক্ষাৰ প্ৰভাৱ পেলাই ঠাইখনক এখন উন্নত ঠাই হিচাপে গঢ়ি তুলিব— এয়ে আছিল তেখেতৰ জীৱনৰ সপোন আৰু সেই সপোনকে বাস্তবায়িত কৰাৰ উদ্দেশ্যে বজালী কলেজৰ স্থায়ী চাকৰি ইস্তফা দি নতুনকৈ স্থাপিত হোৱা কলেজ এখনৰ অধ্যক্ষৰ দৰে গুৰু দায়িত্ব কান্ধ পাতি লৈছিল। ৰাইজৰ উদ্যোগত স্থাপিত হোৱা কলেজ এখনৰ সমস্যা বহুত। প্ৰথমতে ধনৰ সমস্যা। ৰাইজৰ পৰা দান-বৰঙণি তুলি কলেজৰ গৃহ নিৰ্মাণকে ধৰি শিক্ষক-কৰ্মচাৰীৰ দৰমহা দিয়া আৰু যাবতীয় কাম-কাজৰ বাবে বহুতো ধনৰ প্ৰয়োজন হয় আৰু সেইবোৰৰ দায়িত্ব প্ৰধানকৈ অধ্যক্ষজনৰ ওপৰতে ন্যস্ত থাকে। কলেজ পৰিচালনা সমিতিয়ে তেখেতৰ নেতৃত্বতে ৰাইজৰ সহায়-সহযোগ লাভ কৰিবলৈ সমৰ্থ হৈছিল। লাগ বুলিলেই টকা আহি গৈছিল; কেৱল সময় মতে খবৰ কৰিলেই হ'ল। এইটো আছিল সম্পূৰ্ণৰূপে অধ্যক্ষ সত্যনাথ দাসৰ কৃতিত্ব।

অধ্যক্ষ সত্যনাথ দাস বি. এইচ্. কলেজৰ আৰম্ভণিৰ পৰাই ভৱিষ্যত

সম্পৰ্কে বৰ আশাবাদী আছিল। মই নিযুক্তি পত্ৰ লাভ কৰাৰ পিছতে কলেজৰ বিষয়ে সবিশেষ জনাৰ উদ্দেশ্যে কলেজলৈ আহি অধ্যক্ষক লগ কৰিছিলোঁ। তেতিয়ালৈকে চৰকাৰৰ ঘৰত বি. এইচ্. কলেজৰ নামেই নাছিল যদিও, তেখেতে দৃঢ়তাৰে কৈছিল যে অদূৰ ভৱিষ্যতে বি. এইচ্. কলেজে চৰকাৰী অনুদান লাভ কৰিব আৰু ই অসমৰ ভিতৰতে এখন জাকত-জিলিকা কলেজ হৈ উঠিব। হয়, মই বি. এইচ্. কলেজত যোগদান কৰাৰ দিনৰপৰাই দেখিছোঁ, তেখেতৰ সেই সপোন বাস্তবায়িত কৰাৰ কাৰণে কৰা অক্লান্ত শ্ৰম আৰু ত্যাগ। ১৯৬৪ চনৰ ২৪ জুনত কলেজ স্থাপনাৰ্থে আহ্বান কৰা ৰাজহুৱা সভাৰ দিনৰ পৰাই যি কাম আৰম্ভ কৰিলে— সেই কামেই একাণপতীয়াকৈ কৰি গ'ল তেখেতৰ অৱসৰৰ দিনলৈকে। তেখেতে বি. এইচ্. কলেজৰ সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰকাশন উপ-সমিতিয়ে প্ৰকাশ কৰা 'সোণালী অনুভৱ'ত লিখিছে, "মই সেই সময়ত বজালী কলেজত কৰ্মৰত অৱস্থাত আছোঁ। কলেজৰ ক্লাছ, N.C.C. ৰ ক্লাছ শেষ কৰি পাঁচ বজাৰ বাছত ঘৰলৈ আহোঁ। ৰাতি দহ/এঘাৰ বজালৈ কলেজৰ কামত ঘূৰোঁ।" তেখেতৰ বিদায় উপলক্ষে ১৯৯৯ চনৰ ৫ মাৰ্চত বি. এইচ্. কলেজৰ শিক্ষক গোট আৰু কৰ্মচাৰী গোটে যুটীয়াভাৱে আয়োজন কৰা সভাত তেখেতে দিয়া লিখিত ভাষণত কৈছিল, "১৯৬৪ চনত কলেজ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে প্ৰথম সভা আহ্বান কৰাৰে পৰা মোৰ অৱসৰৰ শেষ মুহূৰ্ত পৰ্যন্ত নানা ঘাত-প্ৰতিঘাত, বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হোৱা সত্ত্বেও, হতাশাগ্ৰস্ত নহৈ ভগৱানৰ ওপৰত সম্পূৰ্ণ আস্থা আৰু বিশ্বাস ৰাখি অনুষ্ঠানটিৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে মোৰ সামান্য বিদ্যা-বুদ্ধিৰে অহোপুৰুষাৰ্থ কৰি আহিছোঁ। মই এই পিছ পৰা অঞ্চলৰ বাসিন্দা হেতুকে মোৰ সামাজিক দায়বদ্ধতা উপলব্ধি কৰি নানা ধৰণৰ লোভনীয় সুবিধা পাইও হেলাৰঙে প্ৰত্যাখ্যান কৰি কেৱল এই অনুষ্ঠানটিৰ হকেই অহোৰাত্ৰি, শয়নে-সপোনেও চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। এটা Missionary Spirit



লৈ ৰাইজৰ সেৱাৰ উদ্দেশ্যে এটা Deficit কলেজৰ পৰা Confirmed চাকৰি পদত্যাগ কৰি এই অনুষ্ঠান স্থাপনত ব্ৰতী হওঁ। ৰাইজৰ উৎসাহ, তদানীন্তন পৰিচালনা সমিতিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত কলেজ স্থাপনৰ সপোন দিঠকত পৰিণত হয়।"

এজন সফল অধ্যক্ষ হ'ব লাগিলে তেওঁ নিজেও এজন সফল শিক্ষক হ'ব লাগিব। বজালী কলেজৰ তেখেতৰ প্ৰাক্তন ছাত্ৰৰপৰা জানিব পৰা মতে তেখেত এজন কৃতী অধ্যাপক আছিল। বি. এইচ্. কলেজৰ অধ্যাপক প্ৰয়াত হংসবল্লভ চৌধুৰী আৰু ড° গোলকেশ্বৰ গোস্বামী তেখেতৰ বজালী কলেজৰ ছাত্ৰ আছিল। তেওঁলোকৰ পৰাই তেখেতৰ শিক্ষকতাৰ পাৰদৰ্শিতাৰ বিষয়ে জানিব পাৰিছিলোঁ। বি. এইচ্. কলেজতো প্ৰথম অৱস্থাত তেখেতেই অৰ্থনীতিৰ ক্লাছ লৈছিল। অৰ্থশাস্ত্ৰৰ বিষয়বস্তুৰ ওপৰতো আছিল তেখেতৰ সম্যক জ্ঞান। সেয়েহে পাঠদানত তেখেতে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। বি. এইচ্. কলেজতো তেখেত আছিল N.C.C.ৰ প্ৰশিক্ষক। অধ্যক্ষৰ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰাৰ উপৰিও N.C.C. ৰ দায়িত্ব পালন কৰাটো সহজ কথা নহয়। ১৯৭২ চনত তেখেতে N.C.C.ৰ দায়িত্ব অধ্যাপক হংস বল্লভ চৌধুৰীক অৰ্পণ কৰে।

কলেজ এখন নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰে অধ্যক্ষজনৰ কৰ্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতা আৰু একাগ্ৰতাই। Thomas Carlyle ৰ "Heroes and Hero worship and the Heroic in History" ত উল্লেখ কৰা মতে মহৎ ব্যক্তিৰ (Greatmean) প্ৰথম প্ৰধান গুণ হৈছে Sincerity (একাগ্ৰতা)। তাৰ পিছত নিয়মানুৱৰ্তিতা। অধ্যক্ষ দাসদেৱে কলেজৰ সকলো কাম-কাজ অতি একাগ্ৰতাৰে আৰু নিয়মনিষ্ঠাৰে সম্পাদন কৰিছিল। সেয়েহে তেখেতে কৃতকাৰ্য্য হ'ব পাৰিছিল। তেখেতৰ বিদায় ভাষণত তেখেতে লিখিছে, "প্ৰশাসনীয় দায়িত্ব পালন কৰোঁতে কোনোবাই ভাল পাব, কোনোবাই বেয়া পাব— এই ভালপোৱা, বেয়াপোৱা কথাষাৰ

যাতে কোনোদিন মনত নানো। প্ৰশাসন নিয়মাধীন, সদায় নীতি-নিয়ম মানি নিজৰ কৰ্তব্য কৰ্ম নিষ্ঠাৰে কৰি যাবা।" প্ৰশাসনৰ নামত কেতিয়াবা অধ্যক্ষই কঠোৰ হ'ব লগা হয়। মই বি. এইচ্. কলেজত যোগদান কৰাৰ দিনৰে পৰা দেখি আহিছোঁ, তেখেতৰ এই নীতি। কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে প্ৰশাসনৰ নামত তেখেত কেতিয়াও একনায়কত্ববাদী মনোভাৱৰ নাছিল। শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তেখেতৰ ব্যৱহাৰ আছিল ভদ্ৰোচিত। মনোকষ্ট দিয়াকৈ কাকো কোনো কথা কোৱা নাছিল। কাৰোবাৰ কিবা দোষ-ত্ৰুটি দেখিলে ভদ্ৰভাৱে কৈ শুধৰোৱাৰহে ব্যৱস্থা কৰিছিল। সেইবাবে তেখেতে সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বাইজৰ পৰা পাইছিল পূৰ্ণ সহায়-সহযোগ। 'সোণালী অনুভৱ'ত তেখেতে লিখিছে, "পাঁচ মিনিট সময়ো অপব্যয় নকৰি ক্লাছ ৰুমত সোমোৱা শিক্ষকসকলৰ স্মৃতিয়ে বৰকৈ আমনি কৰিছে। বিত্তীয় খেলিমেলি নোহোৱাকৈ বিয়াৰ দিনটোৰ বাহিৰে এদিনো ছুটি নোলোৱাকৈ ৰাইজ আৰু শিক্ষকসকলৰ সহযোগত মই মোৰ কাৰ্যকাল সম্পন্ন কৰিলোঁ।" হয়, কলেজৰ আৰম্ভণিত অধ্যক্ষ, অধ্যাপক আৰু কৰ্মচাৰী সকলো আছিল তজবজীয়া ডেকা। সকলোৰে কি উদ্যম, কি কৰ্মস্পৃহা, কিবা এটা কৰাৰ অদম্য হেঁপাহ। অধ্যক্ষ যিহেতু কলেজৰ মুৰব্বী— গতিকে তেখেত এই ক্ষেত্ৰত বেছি আগবঢ়া আছিল। অধ্যক্ষ সত্যনাথ দাসদেৱে পুৱা ন টা বজাতে কলেজত উপস্থিত হ'বই। দুপৰীয়া ভাত খোৱাৰ কাৰণে ঘৰলৈ গৈ এঘন্টা মান সময় কটায়। তাৰ পিছত আবেলি ৫ টা মান বজালৈকে আকৌ কলেজত। কলেজখন যেন তেখেতৰ প্ৰাণৰো প্ৰাণ। দিনটো অতিবাহিত কৰে কলেজৰ ইটো-সিটো কাম কৰি বা কাম চাই। এনেকি বন্ধৰ দিনতো কলেজলৈ এবাৰ আহি কামবোৰ চাই যায়।

অধ্যক্ষ সত্যনাথ দাসে কলেজৰ অধ্যাপকসকলক লৈছিল গভীৰ বিশ্বাসত। তেখেতে কাৰো প্ৰতি কেতিয়াও Bossism ভাৱ দেখুওৱা নাছিল।



কলেজে ঘাটি মঞ্জুৰী পোৱাৰ আগতে কলেজৰ হিচাব-নিকাচ আৰু কাৰ্য-বিৱৰণী বহীও কেতিয়াবা অধ্যাপক সকলক বিশেষকৈ অধ্যাপক মেছত থকা অধ্যাপক সকলক চাবলৈ দিছিল। কলেজ পৰিচালনা সমিতিৰ সভাপতি, বিধানসভাৰ সদস্য আৰু মন্ত্ৰী ডাঃ সুৰেন্দ্ৰ নাথ দাসে হঠাতে শ্বিলং (১৯৭২ চনৰ আগৰ অসমৰ ৰাজধানী) বা দিছপুৰৰ পৰা খবৰ পঠিয়ায়— কলেজৰ কিছুমান তথ্য-পাতি লৈ পিছদিনাই শ্বিলং বা দিছপুৰলৈ যাব লাগে। গতিকে অধ্যক্ষই সন্ধিয়া কলেজলৈ আহি আমাক অধ্যাপক মেছৰ পৰা মাতি আনি সেইবোৰ ঠিকঠাক কৰি লৈ পিছদিনা ৰাতিপুৱাই তেখেত গুচি যায়। তেখেতৰ সুদীৰ্ঘ ৩৩ বছৰীয়া চাকৰি কালত কলেজৰ কোনো বিত্তীয় খেলিমেলি নোহোৱাকৈ অৱসৰ গ্ৰহণ কৰাটো এটা বিশেষ কৃতিত্বৰ কথা।

অধ্যক্ষৰূপে কলেজৰ কাৰ্য সম্পাদন কৰাত সত্যনাথ দাসে কেইটামান বিশেষ নীতি অনুসৰণ কৰিছিল। বৌদ্ধ জাতকৰ কাহিনীৰ এজন ভিক্ষুৱে এজন আঢ্যৱন্ত মানুহৰ ঘৰত ভিক্ষা খুজিবলৈ যাওঁতে যি ব্যৱহাৰ পাইছিল আৰু তাৰ প্ৰত্যুত্তৰত ভিক্ষুজনে যি কৈছিল— সেইকথা তেখেতে প্ৰতিটো কামতে মনত ৰাখিছিল। Basil King ৰ, "Pay no heed to what the critics say. No statue has ever been erected in the memory of a critic." আছিল তেখেতৰ কৰ্মৰ প্ৰেৰণা। তেখেতৰ বিদায় ভাষণত লিখিছিল, "এই পৰামৰ্শকেইটা মনঃপুত হোৱা বাবে মোৰ কৰ্মজীৱনত সদায় পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত ৰাইজে বিচাৰ কৰিব। কৰ্তব্য কৰ্ম কৰোঁতে কেতিয়াও নীতিৰ ক্ষেত্ৰত কোনোদিনে কোনো Compromise কৰা নাছিলোঁ।"

নতুন কলেজ এখনক এটা বিশেষ গঢ় দিয়াটো সহজ কথা নহয়। আন্তগাঁথনিৰ কাৰণে লাগে সুচিন্তিত পৰিচালনা। লাগে প্ৰচুৰ অৰ্থ। আন্তগাঁথনিত কিছুমান ত্ৰুটি থাকিলেও, বহুত কলেজতকৈ বি. এইচ্.

কলেজৰ আন্তঃগাঁথনি ভাল। সত্যনাথ দাসৰ চেষ্টাতে বি. এইচ্. কলেজে ঘাটি মঞ্জুৰী পোৱাৰ আগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা হোষ্টেল, পুথিভঁৰালকে আদি কৰি কেবাটাও ক্ষেত্ৰত একোটাকৈ মোটা অঙ্কৰ অনুদান লাভ কৰিবলৈ সমৰ্থ হৈছিল। ছাত্ৰী নিবাস, প্ৰেক্ষাগৃহ, কেন্টিন আদিও তেখেতৰ দিনতে নিৰ্মাণ হৈছিল আৰু কলেজখনে মোটামুটি পূৰ্ণাঙ্গৰূপ পায়। তেখেতৰ আৰু এটা কৃতিত্ব হৈছে— ১৯৯১ চনত কলেজৰ ৰূপালী জয়ন্তী পালন। এই ৰূপালী জয়ন্তীৰ সম্পাদক আছিল তেখেতেই। বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছিল ৰূপালী জয়ন্তী। তেতিয়াৰ অসমৰ ৰাজ্যপাল লোকনাথ মিশ্ৰৰ অংশ গ্ৰহণে বি. এইচ্. কলেজৰ ৰূপালী জয়ন্তীক অধিক আকৰ্ষণীয় কৰি তুলিছিল।

কলেজৰ শৈক্ষিক পৰিৱেশ ভাল কৰাতো তেখেত কৃতকাৰ্য হৈছিল। বহুতে এই কথা খোলাখুলিভাৱে কৈছিল যে বি. এইচ্. কলেজৰ শিক্ষাৰ পৰিৱেশ ভাল আৰু সেইবাবেই আৰম্ভণিৰে পৰা দূৰ দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ আগমন হৈছিল। শ্ৰেণীবোৰ নিয়মীয়াকৈ হোৱা আৰু পৰীক্ষাত দুৰ্নীতি নিয়ন্ত্ৰণত বি. এইচ্. কলেজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে সুনাম অৰ্জন কৰিছিল। অধ্যক্ষ দাসৰ কাম-কাজত সন্তুষ্ট হৈ বিশ্ববিদ্যালয়ে ১৯৮৩/৮৪ চনৰ পৰা বি. এইচ্. কলেজত প্ৰাক্-বিশ্ববিদ্যালয় আৰু স্নাতক পৰীক্ষাৰ বহী মূল্যাঙ্কনৰ মণ্ডল (Zone) স্থাপন কৰিছিল — যিটো বৰপেটা জিলাৰ ভালেকেইখন পুৰণি কলেজৰ কাৰণে ঈৰ্ষণীয় বিষয় আছিল।

১৯৬৬ চনৰ পৰা ১৯৯৯ চনৰ ফেব্ৰুৱাৰীলৈকে মুঠ ৩৩ বছৰ কালত তেখেতৰ অধ্যক্ষতাত বি. এইচ্. কলেজৰ অগ্ৰগতি হৈছিল শান্তিপূৰ্ণভাৱেই। কেৱল তেখেতৰ চাকৰি কালৰ শেষ বছৰ কেইটাত ঘটা কেইটামান অপ্ৰীতিকৰ ঘটনাই তেখেতক মনোকষ্ট দিছিল। কলেজৰ সন্মুখত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত ঠেলাৱালা এজনৰ দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু হোৱাত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল— তাৰ বাবে পুলিচে অধ্যক্ষক দুৰ্ব্যৱহাৰ কৰাটো



নিন্দনীয় আছিল। এবাৰ কোনোবা উগ্ৰপন্থীয়ে কলেজত বোমা স্থাপন কৰি কলেজখন উৰুৱাই দিব খুজিছিল। ১৯৯৭ চনত ছাত্ৰভৰ্তি চলি থকা সময়তে কলেজত এক ডকাইতি কাৰ্য সংঘটিত হৈছিল। অতি দুভাৰ্গ্যৰ বিষয় যে এই ডকাইতি কাৰ্যত কলেজৰ কৰ্মচাৰী এজনো জড়িত আছিল। ১৯৯৮ চনৰ নৱেম্বৰৰ শেষ ভাগত কলেজৰ ছাত্ৰীনিৱাসৰ পৰা বনভোজলৈ যোৱা বাছখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত সাত গৰাকী ছাত্ৰীৰ মৃত্যু হৈছিল। তাৰ বাবে তেখেতে ছাত্ৰীসকলৰ অভিভাৱকৰ পৰা কটু কথা শুনিব লগা হৈছিল। এইবোৰ ঘটনাৰ বাবে সাময়িকভাৱে মনোকষ্টত ভুগিবলগীয়া হ'লেও তেখেতৰ অধ্যক্ষতাৰ কালছোৱা শান্তিপূৰ্ণভাৱেই অতিবাহিত হৈছিল। বিদায় ভাষণত তেখেতে আত্মতৃপ্ত, আত্মসন্তুষ্ট বুলি কৈছিল। সোণালী জয়ন্তী বৰ্ষত তেখেতে নিজেই কৈছে, "এক আত্মিক তৃপ্তি লৈ আজিও মই জীয়াই আছোঁ। বিভিন্ন জাতি, ধৰ্ম, সম্প্ৰদায়ৰ মিলনৰ প্ৰতীক হৈ বি. এইচ্. কলেজে আজি যথেষ্ট সুনাম অৰ্জন কৰিছে। এই আনন্দই মোক জীয়াই থকাৰ প্ৰেৰণা যোগাইছে।" বি. এইচ্. কলেজ তেখেতৰ মানসপুত্ৰ, তেখেতৰ আজীৱন সাধনাৰ ফল। কলেজৰ লগত তেখেতৰ সম্বন্ধ অতি নিবিড়। মৃত্যু ব্যতিৰেকে এই সম্পৰ্ক পৃথিৱীৰ কোনো শক্তিয়ে বিচ্ছিন্ন কৰিব নোৱাৰে। এতিয়াও তেখেতে কামনা কৰে বি. এইচ্. কলেজৰ উত্তৰোত্তৰ উন্নতি।

সত্যনাথ দাস — দীৰ্ঘজীৱী হওক।

*(লেখক বি. এইচ্. কলেজৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)*

# এজন শিক্ষাবিদ সমাজ বিজ্ঞানীৰ নিবিড় সান্নিধ্যত

**কুমাৰ দীপক দাস**

বৰ্তমান প্ৰায়েই আপুবাকলৈ পৰিণত হোৱা এষাৰ কথা শুনা যায় "End of all"- cracies and" -isms" ইত্যাদি। গণতন্ত্ৰ, স্বাধীনতা, সমাজতন্ত্ৰ, ৰামৰাজ্য, সাম্যবাদ আৰু একনায়কত্ববাদ বা ফেচিষ্ট জাতীয় কোনো ব্যাখ্যা বা কৰ্মসূচীয়ে কিন্তু বৰ্তমান সৃষ্টি হোৱা মানসিক অন্তৰ্দ্বন্দ্বৰ ইতি পেলাবলৈ সক্ষম হোৱা নাই, বৰঞ্চ এনেবোৰ মতবাদৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস হেৰুৱাই পোলোৱাহে পৰিলক্ষিত হৈছে। আজিৰ দিনত হোৱা অন্তৰ্দ্বন্দ্বৰ ফলত বহুতেই সৰ্বব্যাপ্ত পৰমাত্মা বা ঈশ্বৰৰ অস্তিত্বৰ ওপৰত থকা বিশ্বাসো কিছু পৰিমাণে হেৰুৱাই তেওঁৰ অস্তিত্বক লৈ সন্দিহান হৈছে। মানসিক স্থিতি বা মূল্যবোধৰ স্খলনে এনেদৰে শিপাইছে যে ভোগবাদী চিন্তাধাৰাৰে আসক্ত মানুহ একান্ত নিজৰ বাবে চিন্তাত এইদৰে মগ্ন হৈছে যে ভৱিষ্যত প্ৰজন্মৰ প্ৰতিও দায়িত্ববোধ কমাই আনিছে। ভোগবাদী জীৱনৰ অনিৰ্বাণ ক্ষুধা নিবাৰণেই প্ৰাথমিক দায়িত্ব বুলি ধৰি লৈ মানুহে পৃথিৱীৰ সকলো প্ৰাণীৰে ভৱিষ্যত ধ্বংস কৰি নিজৰো সৰ্বনাশ মাতি আনিবলৈ কুণ্ঠাবোধ কৰা নাই।



প্ৰকৃতি জগত এতিয়া ধ্বংসৰ গৰাহত। সকলো শক্তিৰ উৎস সূৰ্যৰ পৰা লাভ কৰা শক্তিক পোনপটীয়াকৈ আমি গ্ৰহণ কৰিব নোৱাৰো, পাৰো গছ-গছনিৰ সহায়তহে। সূৰ্যৰ ৰশ্মিয়ে শস্যৰ মাধ্যমেৰে আমাক জীৱনী শক্তি প্ৰদান কৰিছে আৰু আমি একান্ত স্বাৰ্থপৰ মানুহে সেই উৎস স্বৰূপ গছ-গছনি, তৰু-তৃণক ধ্বংস কৰি নিজৰ মৃত্যুকেই মাতি আনিছো। এক কথাত ক'বলৈ গ'লে এই ধ্বংস যজ্ঞত যোগদান কৰি আমাৰ কেউফালৰ renewable source ক নষ্ট কৰি এক শুকান মৰুভূমি নিৰ্মাণত অগ্ৰসৰ হৈছো। যিমান দিনলৈ সূৰ্যটো আছে আৰু সূৰ্যৰ শক্তি আহৰণ কৰিবলৈ গছ-গছনি থাকিব তেতিয়ালৈ আমাৰ শক্তিৰ সংকট নহয় যদিও সম্ভৱস্থলত যিবোৰ non-renewable energy যেনে কয়লা, খাৰুৱা তেল আদি ভূগৰ্ভত লুকাই আছে তাৰ ব্যৱহাৰ যিমান পাৰি কমাই আনিব লাগিব।

এইখিনিতে প্ৰশ্ন উঠিব পাৰে সংযম শক্তিৰ। যেতিয়ালৈকে মানুহে ভোগবাদী ধাৰণা ত্যাগ কৰি সংযমী হোৱাৰ বাসনা গ্ৰহণ কৰিব নোৱাৰিব ভৱিষ্যত প্ৰজন্ম, মানুহ বা জীৱ-জন্তু, গছ-গছনি কাৰো স্বাৰ্থ ৰক্ষা কৰাটো সম্ভৱপৰ নহ'ব। এতিয়া মূল উপপাদ্য হিচাপে পৰিগণিত হৈছে— সংযমৰ দ্বাৰা শক্তি সংৰক্ষণ হয়। আনহাতে এই ভোগবাদৰ মুখ্য পৃষ্ঠপোষক হিচাপে থিয় দিছে বিজ্ঞানে। অৱশ্যে তাৰ বাবে বিজ্ঞানীসকল দায়ী নহয়। বিজ্ঞানৰ নৱতম আৱিষ্কাৰসমূহক ভোগবাদী সমাজৰ ধাৰক আৰু বাহকসকলে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিহে অন্য এক প্ৰত্যাহ্বান সৃষ্টি কৰা দেখা গৈছে। পাৰমাণৱিক শক্তিৰে বলীয়ান হৈ বিজ্ঞানে মানুহৰ শক্তিৰ সীমা যে নাই তাক প্ৰমাণ কৰিবলৈ গৈ আকৌ অন্য এক প্ৰত্যাহ্বান আনিছে। পাৰমাণৱিক বোমা কেৱল যে দুষ্প্ৰাপ্য ইউৰেনিয়ামেৰেই তৈয়াৰী হ'ব পাৰে সেই ধাৰণাক নস্যাৎ কৰি অন্যান্য কম মানৰ ধাতুৰেও ইয়াক নিৰ্মাণ কৰাৰো কূট-কৌশল আৱিষ্কাৰ হৈ গৈছে। অৱশ্যে এটা কথা সঁচা যে, অস্ত্ৰ-শস্ত্ৰ বা পাৰমাণৱিক

বোমা আদি তৈয়াৰ কৰা বন্ধ হ'লেই যুদ্ধ-বিগ্ৰহ আদি বন্ধ হৈ নাযায় কাৰণ হিংসাৰ জন্ম হয় মানুহৰ অতৃপ্ত বাসনাৰ মাজত আৰু ভোগবাদ ইয়াৰ বাহন।

পুৰণি কালৰ দৰে প্ৰচলিত শিক্ষা ব্যৱস্থাত শিক্ষাৰ লগত দীক্ষাৰ ব্যৱস্থা থকাটো অতি প্ৰয়োজনীয়, অন্যথাই দিনে দিনে জটিল ৰূপ লোৱা সমস্যাবোৰ সমাধান কৰা কঠিন। লগতে লাগিব শিক্ষাৰ লগত সাঙোৰ খাই থকা এটা প্ৰয়োজনীয় দিশ discipline আৰু সংযমৰ পাঠ। এনে দীঘল পাতনি এটিৰে আৰম্ভ কৰিব বিচৰা হৈছে সেইজন বিশেষ ব্যক্তিৰ জীৱন চৰ্চা যিজন আছিল সংযম আৰু একাগ্ৰতাৰ প্ৰতীক। তেখেত হৈছে বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীসত্যনাথ দাসদেৱ। এনে আলোচনাৰ লগত এই বিশিষ্ট শিক্ষাবিদ তথা সমাজ বিজ্ঞানীজনৰ সৈতে সান্নিধ্যৰ বিষয়টো জড়িত হৈ আছে। এনেধৰণৰ আলোচনা বা সত্যৰ দ্বাৰা প্ৰতিষ্ঠা হৈছে এই সমাজ বিজ্ঞানীজনৰ জীৱন বীক্ষা।

আজিৰ শিক্ষানুষ্ঠানসমূহত যিমানেই শিক্ষাৰ ব্যৱহাৰিক দিশটোত গুৰুত্ব দিয়াৰ প্ৰতি মনোযোগ দিয়া হৈছে, সিমানেই দীক্ষা বা মানৱীয় মূল্যবোধৰ প্ৰয়োজনীয়তা কমি অহা পৰিলক্ষিত হৈছে। ফলত ছাত্ৰ কেৱল শিক্ষিতহে হৈছে, সংস্কৃতিবান হ'বলৈ বহু বাকী। মুঠতে সামাজিক দায়বদ্ধতা, দায়িত্ববোধ, সাংস্কৃতিক পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ আৰ্জিব পৰা অৱকাশ কমি গৈছে। শিক্ষাৰ লগত দীক্ষাৰ পাঠ আয়ত্ত কৰি ল'ব নোৱাৰিলে নতুন প্ৰজন্মই বাট হেৰুওৱাৰ সম্ভাৱনা প্ৰবল। কাৰণ অতীত, বৰ্তমান আৰু ভৱিষ্যতক একোটা সূত্ৰৰ মাজত বান্ধি ল'ব নোৱৰাহেঁতেন-- মানুহ কেতিয়াবাই ডাইন'চৰৰ দৰে পৃথিৱীৰ বিলুপ্ত হৈ গ'লহেঁতেন। পানী গৰম কৰিলে তাৰ পৰা ভাপ হয়– সেই কথা আমি সকলোৱে জানো কিন্তু যিজন বৈজ্ঞানিকে এই ভাপশক্তিক ইঞ্জিনৰ শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰিলে তেওঁহে ৰেলগাড়ী আৱিষ্কাৰ কৰি গৌৰৱৰ অংশীদাৰ হ'ল।



বি. এইচ্. কলেজ অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়, যিখনে নিৰ্মাণ কৰিছে অগণন মানৱ সম্পদ। ইয়াৰ আঁৰত যিসকল ব্যক্তিৰ নাম উচ্চাৰিত হৈ আহিছে তাৰ অন্যতমজন হৈছে শিক্ষাবিদ শ্ৰীসত্যনাথ দাস। জন্মৰ পিছত এটি সন্তানক লালন পালন কৰিবলৈ পিতৃ-মাতৃৰ যি দায়িত্ব বা কৰ্তব্য থাকে এই মহাবিদ্যালয়ৰ ক্ষেত্ৰতো ছাৰৰ ভূমিকা তেনেদৰে বিবেচিত হৈ আহিছে। তেওঁ জানিছিল কিদৰে ষ্টীম শক্তিক চালিকা (ইঞ্জিন) শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি আৰু ইয়াৰ বাবে গুৰুত্ব দিছিল মানসিক সংযমক। শিক্ষাৰ স'তে দীক্ষাৰ প্ৰয়োজনীয়তা তেওঁ ভালদৰে উপলব্ধি কৰিব পাৰিছিল আৰু নিজ প্ৰয়োজনীয়তা জানি, তাৰ মান বুজি শিক্ষাৰ্থীসকলক কিদৰে আগবাঢ়ি যাব লাগিব তাক উপলব্ধি কৰি প্ৰয়োগ কৰিছিল শিক্ষা ক্ষেত্ৰত। প্ৰবল আত্মবিশ্বাস থকা এই শিক্ষাবিদজনে শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰাখি নিজৰ ব্যক্তিত্ব তথা কৰ্মৰাজিৰে সৃষ্টি কৰিছিল অনেক মহান সম্পদ।

১৯৩৬ চনত জন্মগ্ৰহণ কৰা অসমৰ বৌদ্ধিক জগতৰ উজ্বল তাৰকা দাস ছাৰে ১৯৬১ চনত অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বজালী মহাবিদ্যালয়ত শিক্ষকতা কৰিবলৈ লয় আৰু ১৯৬৬ চনত নিজ জন্মঠাই মৌটুপুৰীৰ ওচৰতে নকৈ স্থাপন কৰিবলৈ লোৱা বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাৰ স'তে জড়িত হৈ পৰে। এই শিক্ষানুষ্ঠানত কৰ্মৰত থাকি প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰে। কেৱল কৃতী শিক্ষক হিচাপেই নহয় তেওঁ প্ৰণয়ন কৰা কেইবাখনো অৰ্থনীতি বিষয়ক পাঠ্যপুথিয়ে শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম পৰিষদ, অসম কলেজ অধ্যক্ষ পৰিষদ তথা স্থানীয় কেইবাটাও শৈক্ষিক-সামাজিক অনুষ্ঠানৰ লগত জড়িত এইগৰাকী বিশিষ্ট শিক্ষাবিদ এগৰাকী বিশিষ্ট ফুটবল খেলুৱৈ তথা থিয়নামৰ পাঠক হিচাপেও সুপৰিচিত।

বি. এইচ্. কলেজৰ মই ছাত্ৰ নাছিলো যদিও ১৯৭৩ চনৰ পৰা আৰম্ভ কৰি এক সুদীৰ্ঘ সময় এই মহাবিদ্যালয়ৰ লগত নানা ধৰণেৰে জড়িত হৈ থকাৰ সুবাদতে সত্যনাথ দাস ছাৰৰ সান্নিধ্য লাভৰ সুযোগ পাইছিলো। ছাত্ৰ জীৱনৰ পৰা ৰাজনৈতিক ক্ষেত্ৰলৈ হোৱা মোৰ উত্তৰণৰ বিভিন্ন দিশত ছাৰৰ আশীৰ্বাদ আৰু সু-পৰামৰ্শ সদায় লাভ কৰি আহিছিলো। অসম আন্দোলনৰ সময়ছোৱাত কিন্তু এইগৰাকী শিক্ষাবিদৰ আদৰ্শ, কৰ্মনিষ্ঠা আৰু সামাজিক দায়বদ্ধতাৰ বিষয়ে নতুনকৈ জানিবলৈ সক্ষম হৈছিলো। কেৱল শিক্ষানুষ্ঠানখনৰ চাৰিসীমাতেই নহয় বাহিৰতো তেওঁ ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অভিভাৱকৰ লগত এক সুসম্পৰ্ক ৰক্ষা কৰি সামাজিক নানা কামত কৰ্তব্যনিষ্ঠা তথা দায়বদ্ধতাৰ পৰিচয় দিছিল। শিক্ষানুষ্ঠান এখনৰ আটাইতকৈ গুৰুত্ব দিবলগীয়া বিষয়টোৱেই হৈছে ইয়াৰ শৈক্ষিক পৰিবেশ। বি. এইচ্. কলেজত ইয়াক অতি নিষ্ঠাৰে ছাৰে ৰক্ষা কৰা আমি লক্ষ্য কৰিছিলো। অন্যহাতে, অসম আন্দোলনৰ বিশিষ্ট সমৰ্থক হিচাপে সততে অন্য এটা ৰূপত শিক্ষানুষ্ঠানৰ আওতাৰ বাহিৰত সক্ৰিয়তাৰে আন্দোলনটোক উজ্জীৱিত কৰাত তেওঁৰ ভূমিকা আছিল অগ্ৰণী। ছাৰৰ ব্যক্তিত্বৰ আটাইতকৈ মোহনীয় দিশটোৱেই আছিল সংযম তথা নিয়মানুৱৰ্তিতা। এই গুণৰাজিৰে এক আধুনিক চিন্তাধাৰাৰে সকলো কাম সুচাৰুৰূপে সম্পাদনা কৰি ছাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। আটাইতকৈ উল্লেখযোগ্য বিষয়টো হ'ল, তেওঁৰ চিন্তা আৰু কৰ্মসূচীক বাস্তৱত ৰূপায়িত কৰাৰ বাবে তেওঁ মহাবিদ্যালয় প্ৰতিজন শিক্ষককে নিজৰ এনে গুণৰ দ্বাৰা প্ৰভাৱিত কৰিব পাৰিছিল, যাৰ বাবে সৃষ্টি হৈছিল এটা সংঘবদ্ধ দল। বি. এইচ্. কলেজৰ সফলতাৰ এয়াই এক অনন্য দিশ।

কেৱল চিন্তাশীল হ'লেই নহয়, অনুভূতি, ইচ্ছাশক্তি, আত্মনিয়ন্ত্ৰণ আৰু বিকল্প নিৰ্বাচন, কল্পনা আৰু সৃষ্টি--- এই সকলোবোৰ একেলগে



সম্পাদনা কৰাটোৱে ব্যক্তি বিশেষৰ সামগ্ৰিক অস্তিত্বৰ প্ৰত্যক্ষ প্ৰমাণ। সত্যনাথ দাস নিশ্চয় ইয়াৰ ব্যতিক্ৰম নহয়। মই আগেয়ে উল্লেখ কৰি আহিছো যে বি. এইচ্. কলেজ মোৰ বহু অভিজ্ঞতাৰ সাক্ষী;---ঠিক তেনেদৰে এই মহাবিদ্যালয়ৰ আঁৰৰ বিজ্ঞানীজনৰ সান্নিধ্যও মোৰ জীৱনৰ বহু মিঠা-তিতা অভিজ্ঞতাৰ সাক্ষী স্বৰূপ। হাউলীৰ কেবাজনো ব্যক্তি (যি মোৰ জ্যেষ্ঠজন)ৰ বিমল সান্নিধ্য লাভ কৰি মোৰ ৰাজনৈতিক আৰু সামাজিক কাম-কাজৰ নতুনকৈ কৃচ্ছ্ৰ সাধন কৰিবলৈ অৱকাশ পাইছিলো। তাৰ ভিতৰত তিনিজন হ'ল শ্ৰীযুত পৰমানন্দ দাস, প্ৰয়াত যোগেশ নাথ আৰু শ্ৰীযুত সত্যনাথ দাস। তিনিও বিশিষ্ট বন্ধু। এই তিনিজন ব্যক্তিৰে আছিল বিভিন্ন সামাজিক দায়বদ্ধতাক বাস্তৱ ৰূপ দিয়াৰ দৃঢ় প্ৰয়াস আৰু তাৰ বেছিভাগ দায়িত্ব যেন মোক প্ৰদান কৰিছিল, মোৰ তেনে অনুভৱ হয়। অৱশ্যে হাউলীৰ উন্নয়নৰ বাবে ৮০-৯০ দশকত আমি লোৱা বেছিভাগ সিদ্ধান্ত এই সকলৰ পৰামৰ্শ মতেই কাৰ্যকৰী কৰা হৈছিল--- কাৰণ হাউলীৰ যুৱচামৰ বিশিষ্ট পৰামৰ্শদাতাৰ এওঁলোক হ'ল অন্যতম। এইখিনিতে অন্য এটা প্ৰসঙ্গ উত্থাপন কৰিব বিচাৰিলো। ২০০১ চনত মই এক জিঘাংসাৰ বলি হৈছিলো। সত্যনাথ দাস ছাৰ, পৰমা খুড়া আৰু ভাতৃপ্ৰতীম উপেন দাস যেতিয়া মোৰ স'তে সেই প্ৰচণ্ড দুঃখদায়ক দুৰ্ঘটনাটোত স্থানীয় গুৱাগাছা গাঁৱত পতিত হৈছিল সেই কথা মনত পৰিলে মোৰ অন্তৰ গভীৰ দুখেৰে ভৰি পৰে আৰু এনে ভাব হয় যে কেৱল মোৰ বাবেহে এনে প্ৰথিতযশা ব্যক্তিকেইজন এই দুৰ্ঘটনাৰ সন্মুখীন হ'ব লগাত পৰিল যাৰ বাবে আজিও মই ক্ষমাপ্ৰাৰ্থী। এইজন শিক্ষাব্ৰতী ব্যক্তিয়ে এগৰাকী সমাজ বিজ্ঞানীৰূপে এটা জাতীয়তাবাদী চিন্তাধাৰাৰে উজ্জীৱিত হৈ আজিও সমাজ, ভৱিষ্যত প্ৰজন্ম আৰু জাতিটোক সমৃদ্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। তেওঁৰ বহুতো সপোন আজিও দিঠকত পৰিণত হ'বলৈ বাকী। ইতিমধ্যে হাউলীবাসীয়ে

তেখেতৰ কৰ্ম আৰু আদৰ্শক স্বীকৃতি প্ৰদান কৰিছে 'হাউলী বঁটা'ৰে সন্মানিত কৰি। এজন বিশিষ্ট অৰ্থনীতিবিদ হিচাপে, শিক্ষাবিদ আৰু সমাজ সংগঠক হিচাপে দাস ছাৰে যি স্বীকৃতি বৃহত্তৰ বৰপেটা অঞ্চলৰ বাইজৰ পৰা পাইছে সেয়া নিতান্তই তেওঁৰ প্ৰাপ্য। শেষত ছাৰৰ সান্নিধ্যৰ এই চমু লিখনিৰ ইতি কৰিব বিচাৰি হিবটগেনষ্টাইনৰ note bookৰ নিম্নোক্ত উক্তি উল্লেখ কৰিব বিচাৰিছো,

The meaning of life is the meaning of the world, we can call God, ....to believe in a God means to see that the facts of the world are not end of the matter. To believe in God means to see that life has a meaning. অৰ্থাৎ জীৱন তথা জগতৰ অৰ্থপূৰ্ণতাকেই ঈশ্বৰ বুলি আখ্যা কৰিব পাৰি। ....ঈশ্বৰত বিশ্বাস ৰখা মানেই এয়াই দেখা যায় যে জগতৰ ঘটনাৱলীয়েই সকলোবোৰৰশেষ নহয়। তেওঁক বিশ্বাস কৰাৰ অৰ্থই হ'ল জীৱনৰ অৰ্থপূৰ্ণতাক দেখা পোৱা।

শেষত ছাৰৰ শতায়ু কামনা কৰিলোঁ। তেখেতৰ চিন্তাৰাজিক অধিক অৰ্থপূৰ্ণ কৰি, আহক আমি সকলোৱে বি. এইচ্. কলেজৰ প্ৰতি শ্ৰদ্ধাশীল হৈ এই শিক্ষানুষ্ঠানখনক অধিক মহীয়ান কৰাৰ ব্ৰত লওঁ।

*(লেখক ৰাজ্যসভাৰ প্ৰাক্তন সদস্য আৰু অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী)*



# সমাজ হিতৈষী-শিক্ষাবিদ সত্যনাথ দাসৰ কৰকমলত

**নিৰুপমা মিশ্ৰ**

বৰপেটাৰোড হাউলী মহাবিদ্যালয় বৃহত্তৰ অসমৰ শিক্ষা জগতখনৰ এটি চিনাকি নাম— উচ্চ আসনত প্ৰতিষ্ঠিত এখনি শিক্ষানুষ্ঠান। শিক্ষাপ্ৰেমী-শিক্ষাসেৱী লোকসকলৰ বাবে পৰিচিত এইখনি শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত মনে-প্ৰাণে প্ৰভূত বৰঙণি আগবঢ়োৱা লোকজনেই হ'ল অধ্যক্ষ সত্যনাথ দাস। বজালী মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা সত্যনাথ দাসে বৰপেটাৰোড-হাউলী অঞ্চলৰ শিক্ষাপ্ৰেমী, সমাজহিতৈষী লোকসকলৰ আন্তৰিক আহ্বানক সঁহাৰি জনাই এখনি নতুন শিক্ষানুষ্ঠান গঢ়ি তোলাৰ গধুৰ দায়িত্ব কান্ধ পাতি ল'লে একাগ্ৰতাৰে আৰু আনন্দিত মনেৰে। শিক্ষা গ্ৰহণ আৰু শিক্ষাদানকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা এইগৰাকী বিদ্যাবেত্তা লোক জিলিকি আছে অসমৰ সমাজ জীৱনত শৈক্ষিক ক্ষেত্ৰখনত। ১৯৬৬ ইং চনত প্ৰতিষ্ঠাপিত হোৱা এই শিক্ষানুষ্ঠানখনি আছিল শিক্ষাসেৱী লোক গৰাকীৰ ধ্যান-জ্ঞান আৰু স্বপ্ন। মানুহৰ সকলোবোৰ সুকৰ্ম আৰু সুচিন্তাৰ আঁৰত থাকে আন্তৰিক আগ্ৰহ আৰু একাগ্ৰতা। এই সকলোবোৰ সজগুণ আৰু জনহিতৈষী উচ্চ আদৰ্শ আহৰণ কৰিছিল সত্যনাথ দাস নামৰ শিক্ষাসেৱী-শিক্ষাপ্ৰেমী-কৰ্মদক্ষ লোক গৰাকীয়ে। দক্ষতা-একাগ্ৰতা-কৰ্মতৎপৰতাই লোক গৰাকীক সাফল্যৰ শিখৰলৈ আগবঢ়াই নিছিল এই

কথা অৱশ্যেই স্বীকাৰ্য্য। মহাবিদ্যালয়খনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত লোকগৰাকীৰ সোঁৱে-বাৱে আছিল আৰু কিছু সংখ্যক শিক্ষাপ্ৰেমী-সমাজহিতৈষী লোক। মহাবিদ্যালয়খনৰ অধ্যাপক আৰু অধ্যাপিকা সকলৰ আন্তৰিক সহযোগত, একাত্মীয় ভাৱতহে সফলতাৰ এই যাদুকৰী চাবি-কাঠী অধ্যক্ষ গৰাকীয়ে বিচাৰি ল'ব জানিছিল।

অধ্যক্ষ সত্যানাথ দাসৰ স'তে মোৰ প্ৰথম চিনাকি হৈছিল ১৯৮১ চনৰ জাৰকালিৰ কোনো এটা দিনৰ মধ্যাহ্ন সময়ত। ১৯৮১ চনৰ ফেব্ৰুৱাৰী মাহৰ কোনো এটি দিনত এই শিক্ষানুষ্ঠানখনত এখনি প্ৰদৰ্শনী প্ৰদৰ্শিত হৈছিল। হস্তশিল্প-হস্তকলা-পুষ্পসজ্জা আৰু চিত্ৰকলা আদিৰ আটকধুনীয়া সম্ভাৰেৰে প্ৰদৰ্শনীখন সজাই তোলা হৈছিল। এইখনি মহাবিদ্যালয়ৰে শিক্ষা-সাহিত্য-সংস্কৃতি সম্পন্না মহিলা, এগৰাকী কৃতী অধ্যাপিকা শ্ৰীমতী ফুলকুমাৰী কলিতাই অতি সাদৰেৰে মোক আমন্ত্ৰণ জনাই প্ৰদৰ্শনীখনৰ দ্বাৰ উন্মোচন কৰিবলৈ লৈ গৈছিল। এইখিনিতে লেখিকা গৰাকীৰ নিজৰ কথা এটা উনুকিয়াবলগীয়া হ'ল। তাৰ বাবে যেন সহৃদয় পঢ়ুৱৈ সকলে মোক ক্ষমা কৰে। ১৯৭৯ ইং চনত আন্তৰ্জাতিক শিশুবৰ্ষত শিশু সাহিত্যৰ বঁটা এটি এই গৰাকী লেখিকাক প্ৰদান কৰিছিল 'অসম প্ৰকাশন পৰিষদ'ৰ পৰা। বোধকৰো সেই আপাহতে আৰু উৎসাহতে মোৰ দৰে তেনেই নিঃকিন লেখিকা এগৰাকীক বি. এইচ্. কলেজৰ দৰে আগশাৰীৰ শিক্ষানুষ্ঠানখনিলৈ আমন্ত্ৰণ জনাই উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছিল— সেই খনি মহাবিদ্যালয়ৰ শিক্ষাসেৱীসকলে। তাৰ পিছত সাম্প্ৰতিক সময়লৈ এইখনি মহাবিদ্যালয়ৰ পৰা ইটো-সিটো আহ্বান পাই আছো— সেয়া লেখিকা গৰাকীৰ বাবে পৰম সৌভাগ্য বুলিয়ে গ্ৰহণ কৰিছোঁ। এইখনি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্যা হিচাপেও মোৰ সীমিত জ্ঞান-বুদ্ধিৰে এটা কাৰ্যকালত সহায়-সহযোগ আগবঢ়াইছিলোঁ, আৰু এনেদৰেই অধ্যক্ষ সত্যনাথ দাসৰ সতে এটি আত্মীয়তাৰ ভাৱ গঢ়ি উঠিছিল।



সত্যনাথ দাস নামটোৰ সতে মোৰ চিনাকি ১৯৫৮ চন মানৰ অথচ মানুহ জনৰ স'তে পৰিচয় হয় প্ৰায় ২২ বছৰ পিছত। মোৰ ভিনদেউ ঁকৰুণা কান্ত শৰ্মা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক আছিল তদানীন্তন সময়ত। সেই গৰাকী অধ্যাপক কৰুণা কান্ত শৰ্মাৰ অতিশয় প্ৰিয় ছাত্ৰ আছিল এই লিখনিৰ মূল নায়ক অধ্যক্ষ সত্যনাথ দাস, আন এগৰাকী অধ্যক্ষ ঁমদন মোহন মিশ্ৰ। ভিনদেৱে এই দুয়ো গৰাকী কৃতী ছাত্ৰক অত্যন্ত স্নেহ কৰিছিল আৰু দুয়ো গৰাকী ছাত্ৰক লৈ গৌৰৱবোধ কৰিছিল। বুদ্ধিমান, গুণী ছাত্ৰৰ শিক্ষাৰ প্ৰতি থকা ধাউতি আৰু কৃতিত্বতে শিক্ষাদাতা সকলৰ অমল আনন্দ আৰু শিক্ষক জীৱনৰ সাৰ্থকতা। সেই তাহানিৰ পৰাই সত্যনাথ দাস নামৰ লোকজনৰ প্ৰতি মোৰ এটি বিশেষ আকৰ্ষণ আছিল আৰু শ্ৰদ্ধাসূচক ভাৱ এটিয়ে অন্তৰ জগতখনত ৰেখাপাত কৰিছিল। সময় বাগৰি গ'ল। অধ্যক্ষ সত্যনাথ দাসদেৱক সঘনাই লগ পোৱা হ'লো বৰপেটাৰ বিভিন্ন সভা-সমিতি সমূহত। মাধৱ চৌধুৰী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাবোৰতো তেওঁক সঘনাই লগ পোৱা হ'লো। সত্যনাথ দাস উপস্থিত থাকিলে সভাখন খৰতকীয়াভাৱে পৰিচালিত হয়। বিশ্ববিদ্যালয় আয়োগৰ দ্বাৰা অনুমোদিত নীতি-নিয়ম সমূহ যেন এই গৰাকী অতিশয় সচেতন শিক্ষাবিদৰ কণ্ঠস্থ হৈ আছিল। আলোচিত বিষয় সমূহৰ সিদ্ধান্ত গ্ৰহণত সেয়েহে কিছু সহায়ক হৈছিল তেওঁৰ মন্তব্য সমূহৰ পৰা। সত্যনাথ দাস মানুহ গৰাকীৰ কলেজ পৰিচালনাৰ ক্ষেত্ৰত অথবা প্ৰশাসনীয় দিশত যিমান দক্ষতা আছিল অথবা নীতি-নিয়ম ৰক্ষাৰ ক্ষেত্ৰত যিমান কঠোৰ, সেই অনুপাতে তেওঁৰ অন্তৰখন কিন্তু তেনেই সহজ-সৰল। মিচিকিয়া হাঁহিটো মাৰি সকলোৰে প্ৰতি এটি আপোনভাৱ প্ৰদৰ্শন কৰিব জানে এই গৰাকী সৰবৰহী ভদ্ৰলোকে। তেওঁৰ সহজ-সৰল আচৰণ আৰু নীতি কঠোৰ কথাবোৰে মোক সঁচাকৈয়ে মুগ্ধ কৰিছিল।

শিক্ষানুষ্ঠান এখনৰ শিক্ষাসেৱী-শিক্ষাব্ৰতী সকলৰ মাজত উচ্চ আদৰ্শ আৰু সমাজহিতৈষী মনোভাৱ থাকিলেহে শিক্ষানুষ্ঠানখনৰ আনুষঙ্গিক সকলো ক্ষেত্ৰতে এক উজ্বল-প্ৰোজ্বল ৰেঙণিয়ে ৰেখাপাত কৰে— আলোকপাত কৰে আৰু লোক সমাজত প্ৰীতি আৰু শ্ৰদ্ধাৰ আসন এখনিত প্ৰতিষ্ঠিত হয়— এয়া বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ স্বৰ্ণমণ্ডিত ইতিহাসত যুগান্তকাৰী বৈশিষ্ট্য হিচাপে যেন প্ৰমাণিত হৈছে আৰু এক গৌৰৱজনক বাৰ্ত্তা প্ৰদান কৰিছে শিক্ষানুৰাগী সকলৰ অন্তৰলৈ। এই কৃতিত্বৰ আঁৰত থাকে শিক্ষানুষ্ঠানখনৰ মুৰব্বী গৰাকী আৰু সহযোগী শিক্ষাদাতা সকলৰ ঐকান্তিক প্ৰচেষ্টা। এই ক্ষেত্ৰতো অধ্যক্ষ সত্যনাথ দাসৰ কৃতিত্ব আৰু দক্ষতাৰ শলাগ অৱশ্যেই লব লাগিব। 'এজন শিক্ষক এগছি বন্তিৰ দৰে'— মূল বন্তি গছ প্ৰদীপ্ত হৈ থাকিলে, অলেখ বন্তি প্ৰজ্বলিত হৈ উঠে— এই কথা অৱশ্যেই স্বীকাৰ্য্য।

এই জনা শিক্ষাগুৰুৱে সমাজ জীৱনৰ খনিকৰ ৰূপে আত্মোনিয়োগ কৰিছিল মহাবিদ্যালয়খনৰ গুৰিয়াল হিচাপে থাকি। সমাজ জীৱনৰ জ্ঞান বিকাশৰ সৰ্বোচ্চ পথেই হ'ল শিক্ষাদান। শিক্ষাদান আৰু শিক্ষাগ্ৰহণ এক অবিৰত সাধনা। এই অবিৰত সাধনাত ব্ৰতী আছিল এইগৰাকী শিক্ষাসেৱী লোক। নিজে এই উচ্চ আদৰ্শত ব্ৰতী হৈ থাকি সহযোগী-সহকৰ্মী সকলৰ অন্তৰলৈও বোৱাই আনিব পাৰিছিল শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ অভিলাষী আনন্দ। এই গৰাকী বিদ্বান ব্যক্তিৰ অনন্য সাধাৰণ ব্যক্তিত্ব আৰু ধ্যান-ধাৰণাই আজিৰ দিনতো অসংখ্যজনক আলোক-উজ্বল পথৰ সন্ধান দিব পাৰে বুলি অনুভৱ হয়। শিক্ষা-প্ৰচেষ্টা আৰু বুদ্ধিমত্তাৰ জৰিয়তে মানুহৰ যি ফল প্ৰাপ্তি হয় সেয়াই জীৱনৰ অনন্য সম্পদ-পৰম প্ৰাপ্তি। এই পৰম প্ৰাপ্তিয়ে এইগৰাকী শিক্ষাসেৱী লোকৰ জীৱন ধন্য কৰিছে, গৌৰৱমণ্ডিত কৰিছে বুদ্ধি মেধাৰে গঢ়ি তোলা শিক্ষানুষ্ঠানখনক।



শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ আধ্যাত্মিক ভাৱ-আদৰ্শ আৰু চিন্তা-চৰ্চাৰে অনুপ্ৰাণিত হোৱা, দীক্ষিত হোৱা এই গৰাকী শিক্ষাব্ৰতী লোকে কৰ্মকে ধৰ্ম ৰূপে গ্ৰহণ কৰি নিজ জীৱন ধন্য কৰিছে। সমাজ জীৱনৰ পৰা পাইছে তেওঁ প্ৰীতি-শ্ৰদ্ধা আৰু অফুৰন্ত কৃতজ্ঞতা। শিক্ষাপ্ৰেমী লোক গৰাকীক বৃহত্তৰ হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতিয়ে 'হাউলী বঁটা'ৰে সন্মানিত কৰিছে ২০১৩ চনৰ ৩০ নবেম্বৰত। বৃহত্তৰ বৰপেটা জিলাত এই গৰাকী লোকৰ আছে এক সুকীয়া পৰিচয়। আছে এখনি মৰ্যাদাৰ আসন। প্ৰভুৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ— সুস্থ, সবল দেহ, মন লৈ তেওঁ শতায়ু লাভ কৰক।

*(লেখিকা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী তথা বিশিষ্ট লেখিকা)*

# বি. এইচ্. কলেজ আৰু সত্যনাথ দাস

জি. এল. আগৰৱালা

এই মুহূৰ্তটো কেৱল বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ বাবেই নহয়, সমগ্ৰ অসমবাসীৰ বাবে এটা ঐতিহাসিক ঘটনা। বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ ৰাইজৰ যুটীয়া প্ৰচেষ্টাত ১৯৬৬ চনত স্থাপিত হৈছিল উচ্চ শিক্ষাৰ অনুষ্ঠান বি. এইচ্. কলেজ। আজি বি. এইচ্. কলেজ নামনি অসমৰ এখনি আগশাৰীৰ শিক্ষানুষ্ঠান। বিভিন্ন সময়ত নানান ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি এইখন মহাবিদ্যালয়ে কলা, বিজ্ঞান আৰু বাণিজ্য— তিনিওটা শাখাতে সফল হৈ সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে— এয়া আমাৰ বাবে গৌৰৱৰ বিষয়।

সঁচা অৰ্থত অনুষ্ঠানটোক এই পৰ্যায়লৈ আগবঢ়াই অনা মূল ব্যক্তিজনেই হ'ল কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱ। শ্ৰী সত্যনাথ দাসদেৱৰ বিষয়ে লিখিবলৈ লওঁতে আজি পঞ্চাশ বছৰ আগৰ বহু স্মৃতি মনলৈ আহিছে। মনত পৰিছে গোপীনাথ বৰদলৈ স্মাৰক উচ্চ মাধ্যমিক বিদ্যালয়ৰ কথা। যিখন বিদ্যালয়ত আমাৰ সুখ-দুখৰ বহু স্মৃতি জড়িত হৈ আছে। য'ত আমাৰ সোণালী শৈশৱ-কৈশোৰ আমি অতিবাহিত কৰিছিলো আৰু সেইখন বিদ্যালয় প্ৰাংগণতে ২৪/৫/১৯৬৪ ইং তাৰিখে মোহন লাল চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত



হোৱা প্ৰতিনিধিত্বমূলক সভাত বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ ৰাইজৰ যুটীয়া প্ৰচেষ্টাত কলেজ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। মোৰো সৌভাগ্য যে বি. এইচ্. কলেজৰ জন্ম যন্ত্ৰণাৰ স'তে জড়িত থকা মহান ব্যক্তিসকলক ওচৰৰ পৰা লগ পাইছিলোঁ। হাউলীৰ যাদৱ চন্দ্ৰ দাস, ডাঃ সুৰেন দাস, সত্যনাথ দাস, সৰ্বানন্দ দাস, আব্দুল কাদেৰ চৌধুৰী, জমিদাৰ বড়ো, উমেশ চন্দ্ৰ দাস, ধীৰেন্দ্ৰ নাথ পূজাৰী, থিৰেশ্বৰ শৰ্মা, শংকৰ দাস আৰু বৰপেটাৰোডৰ গণপৎ ৰায় মোৰ, হৰিৰাম বাগাৰিয়া, হনুমান প্ৰসাদ আগৰৱালা, ৰামকুমাৰ আগৰৱালা, অমূল্য কুমাৰ বিশ্বাস, মদন মোহন সাহা, সুধাংশু প্ৰামাণিক, মথুৰা মোহন হিতৈষী, হাচান আলী প্ৰমুখ্যে বিভিন্ন ভালেকেইগৰাকী গণ্যমান্য ব্যক্তিক।

মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ মাজত যোগসূত্ৰ স্থাপন কৰা মূল ব্যক্তিগৰাকী আছিল— শ্ৰী সত্যনাথ দাসদেৱ। যাৰবাবে দুয়োখন ঠাইৰ মানুহে কলেজখন স্থাপন কৰাত তেখেতৰ প্ৰচেষ্টা দেখি অভিভূত হৈ পৰিছিল। দুয়ো ঠাইৰ মানুহৰ দাসদেৱৰ প্ৰতি আছিল অটল বিশ্বাস আৰু আস্থা। আজিও মনত আছে ১৯৬৬ ইং চনৰ ২৪ জুন তাৰিখটোৰ কথা। সকলোৰে মনত আনন্দ, আজি বোলে আমাৰ বি. এইচ্. কলেজখনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পালে। সত্যনাথ দাসে কথাটো ফোনত জানিব দিছে, তেখেত অনুমতি পত্ৰখন লৈ আহি আছে। পিছদিনা জানিব পাৰিলো যে, তেখেতে যাত্ৰীবাহী গাড়ী নাপাই ট্ৰাকত আহি ৰাতি ১২ মান বজাত হাউলী আহি পাইছে। এই খবৰটো চাৰিওফালে বিয়পি পৰিল। ৰাইজে জুম বান্ধি আনন্দ, উল্লাস পালন কৰিলে। ৰাইজে কলেজ পৰিচালনা সমিতিৰ লগতে সত্যনাথ দাসদেৱৰ কাম-কাজত সন্তোষ প্ৰকাশ কৰিলে। দুগুণ উৎসাহেৰে কলেজখনৰ কাম-কাজ আৰম্ভ

হ'ল। শিক্ষক নিযুক্তি, ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণ আদিকে ধৰি প্ৰয়োজনীয় কামবোৰ সম্পূৰ্ণ কৰাৰ প্ৰস্তুতি আৰম্ভ হ'ল।

বি. এইচ্. কলেজখনৰ বাবে সত্যনাথ দাসৰ এটা ডাঙৰ ত্যাগ হ'ল— তেখেতে আৰ্থিক দুৰৱস্থাত ভুগি থকাৰ পিছতো বজালী কলেজৰ স্থায়ী চাকৰি বাদ দি ১২/৭/১৯৬৬ ইং তাৰিখে মাত্ৰ ২৬০.০০ টকা মাহেকীয়া দৰমহাত বি. এইচ্. কলেজত অৰ্থনীতি বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰে। আমাৰ ভাল লাগিছিল, আমি পঢ়া বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুলত কলেজৰ প্ৰথমে শ্ৰেণীসমূহ আৰম্ভ হোৱা দেখি। মানুহৰ মুখত সত্যনাথ দাসদেৱৰ কথা শুনি শুনি আমাৰ খুব ইচ্ছা হৈছিল— তেখেতক ওচৰৰ পৰা লগ পোৱাৰ। কিন্তু মানুহজনৰ ব্যস্ততা দেখি আমি তেখেতক লগ কৰাৰ বাবে তেখেতৰ ওচৰলৈ যোৱাৰ সাহস গোটোৱাত কেবা মাহ অতিক্ৰম কৰাৰ পিছত তেখেতক লগ কৰিবলৈ সক্ষম হওঁ।

সঁচাকৈয়ে অভিভূত হৈছিলো সত্যনাথ দাসদেৱক ওচৰৰ পৰা লগ পাই। এনে এগৰাকী ব্যক্তিৰ সান্নিধ্য লাভ কৰি নিজকে ধন্য মানিছিলো। আৰম্ভণিৰে পৰা এই মহাবিদ্যালয়খনে বৰপেটাৰোড আৰু হাউলীৰ বৃহৎ অঞ্চলটোত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াই আহিছে। এয়া সম্ভৱ হৈছিল মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰী সত্যনাথ দাসদেৱৰ নিস্বাৰ্থ সেৱাৰ বাবেহে। শ্ৰী সত্যনাথ দাসদেৱে বিশ্বাস কৰিছিল যে, সুশিক্ষা প্ৰসাৰৰ মাধ্যমেৰে জনশক্তিক শিক্ষিত কৰি উপযুক্ত দায়িত্ববোধ সম্পন্ন নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিলেই দেশৰ জনসম্পদ গঠন হোৱা বুলি কোৱা হয়। শিক্ষাৰ গুণগত মান, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱেশ আৰু প্ৰয়োজনীয় কাৰ্যকৰী প্ৰশিক্ষণ ব্যৱস্থাৰ সহজলভ্যতা আদি বিভিন্ন কাৰণত দক্ষ, কাৰ্য্যক্ষম আৰু নিপুণ জনসম্পদ গঠন হয়।



সঁচা অৰ্থত শ্ৰী সত্যনাথ দাসদেৱ এগৰাকী সু-প্ৰশাসক আছিল। তেখেতৰ অক্লান্ত চেষ্টাত বি. এইচ্. কলেজখনে দোপত-দোপে উন্নতি কৰি অসমৰ ভিতৰত এখন আগশাৰীৰ কলেজ হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱাটো সঁচাকৈ গৌৰৱৰ বিষয়। এই ছেগতে মই অনুষ্ঠানটোৰ জন্ম-লগ্নৰে পৰা জড়িত থকা আটাইকেইগৰাকী ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

সময় আগবাঢ়ি যোৱাৰ লগে লগে সত্যনাথ দাসদেৱৰ লগত মোৰ এটা ঘৰুৱা সম্পৰ্ক গঢ়ি উঠিল। তেখেতে মোক 'ঘিছা' বুলি সম্বোধন কৰিছিল। আজিও তেখেতৰ লগত মোৰ তাহানিৰ সেই সম্পৰ্ক অটুট আছে। তেখেতক লগ পালে বহু কথাই আলোচনা হয়। ঘৰৰ পৰা আৰম্ভ কৰি বিভিন্ন বিষয়ৰ ওপৰত। কিন্তু তেখেতৰ লগত কথা-বতৰা পাতি মই এটাই কথাই লক্ষ্য কৰিছিলো যে কলেজখন তেখেতে কেনেকৈ আগবঢ়াই নিব পাৰে, সেয়াই তেখেতৰ প্ৰধান উদ্দেশ্য আছিল। অসম চৰকাৰ বা ভাৰত চৰকাৰৰ কোন কোন বিভাগৰ বিষয়াক লগ কৰিলে কলেজখনৰ উন্নয়নৰ কাম কৰিব পৰা যাব, তাকেহে তেওঁ চিন্তা কৰিছিল। তেখেতৰ এনে চিন্তাৰ সুফল আজি ৰাইজে পাইছে। ৰাইজৰ মাজত সুস্থ শৈক্ষিক পৰিৱেশ এটা গঢ়ি তুলিবলৈ সক্ষম হোৱাটো এই অনুষ্ঠানৰ সৰ্বোৎকৃষ্ট আৰু স্মৰণীয় অৱদান বুলি মই ভাবো।

বৰপেটাৰোড আৰু হাউলী অঞ্চল প্ৰধানতঃ বিভিন্ন জনগোষ্ঠীৰ বাসস্থান। এই বৃহৎ অঞ্চল দুটাৰ বিভিন্ন ভাষা-ভাষী, ধৰ্মীয় গোষ্ঠী আৰু সম্প্ৰদায়ৰ ৰাইজৰ মানুহখিনিৰ লগত আৰম্ভণিৰ পৰাই শ্ৰী সত্যনাথ দাসদেৱে সু-সম্পৰ্ক ৰক্ষা কৰি অনুষ্ঠানটোৰ সুস্থ শৈক্ষিক পৰিৱেশ এটা গঢ়ি তোলাত সফল হোৱাটো শ্ৰী দাসদেৱৰ বাবে এটা স্মৰণীয় অৱদান বুলি মই বিবেচনা কৰোঁ।

বি. এইচ্. কলেজ বৰ্তমান কেৱল এটা উচ্চ শিক্ষাৰ অনুষ্ঠানেই নহয়, দুয়োখন বৃহৎ অঞ্চলৰ বিভিন্ন ভাষা-ভাষী, ধৰ্মীয় গোষ্ঠী আৰু সম্প্ৰদায়ৰ ৰাইজৰ সমন্বয় আৰু সম্প্ৰীতিৰ প্ৰতীক।

আশা ৰাখিছোঁ অনাগত দিনতো শ্ৰী সত্যনাথ দাসদেৱে দেখুৱাই যোৱা বাটেৰে বাট বুলি ঐক্য আৰু সম্প্ৰীতি এনাজৰীৰে দুয়ো অঞ্চলৰ ৰাইজক সু-সংবদ্ধ কৰি মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কৰাৰ ধাৰাবাহিক প্ৰচেষ্টা অটুট ৰাখিব।

*(লেখক গুৱাহাটীৰ জি. এল. পাব্লিকেশ্যন লিমিটেডৰ পৰিচালন সঞ্চালক)*



# সত্যনাথ দাস ঃ মই জনা মানুহজন

অৰ্জুন চন্দ্ৰ দাস

সুকৰ্মৰ জৰিয়তে মানুহে অনন্ত কাললৈ জীয়াই থাকি উত্তৰ পুৰুষক নিৰ্দিষ্ট পথৰ সন্ধান দি থাকে। নিজৰ সাধনা, দায়িত্ববোধ সম্পন্নতা আৰু একাগ্ৰতা এই গুণ কেইৰাজিৰে বিধৌত তেনে এক ব্যক্তিত্ব হ'ল শ্ৰীসত্যনাথ দাস। কাৰোবাৰ ছাৰ, কাৰোবাৰ প্ৰিন্সিপাল ছাৰ আৰু কাৰোবাৰ বন্ধুবৰ হ'ল দাসদেৱ। দাসদেৱৰ গতিশীল তথা কৰ্মবহুল জীৱন নিশ্চয় ভৱিষ্যত পুৰুষৰ বাবে পাথেয় স্বৰূপ। সদা হাস্যময়, সদালাপী বুদ্ধিদীপ্ত এযুৰি চকুৰে সৈতে সত্যনাথ দাস আজিও কৰ্মব্যস্ত। মহাবিদ্যালয়ৰ প্ৰতিটো সমস্যাই সু-শৃংখলভাৱে সমাধান কৰা দাসে সেয়েহে আজি তেওঁৰ ছাত্ৰ সমাজৰ শ্ৰদ্ধাৰ প্ৰিন্সিপাল ছাৰ। এক আকৰ্ষণীয় দেহৰ অধিকাৰী, দেখিবলৈ সভা শুৱনি, সু-পুৰুষ শ্ৰীসত্যনাথ দাসৰ বাগ্মিতা গুণে তেখেতৰ ব্যক্তিত্বক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। শিক্ষকতাক জীৱনৰ ব্ৰত হিচাপে লোৱা আৰু বিদ্যাৰ্থী সমাজত লাভ কৰা জনপ্ৰিয়তা তেওঁৰ কৰ্মক্ষেত্ৰৰ সাফল্যৰ নিদৰ্শন স্বৰূপ।

শ্ৰীসত্যনাথ দাসৰ জন্ম চণ্ডীবৰুৱা ৰাজ হাউলী খ্যাত হাউলী নগৰৰ কাষত মৌটুপুৰী গাঁওত ১৯৩৬ চনত। পিতৃ উপেন্দ্ৰ নাথ দাস আৰু মাতৃ পুণ্যদা বালা দাস। এটা অৰ্থনৈতিকভাৱে অতিকৈ দুৰ্বল পৰিয়ালত জন্ম গ্ৰহণ কৰা দাসে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক শিক্ষা হাউলীতে সমাপ্ত কৰে। মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শ্ৰীদাসে

১৯৫৫ চনত বৰপেটাত এম. চি. কলেজত শিক্ষা জীৱনৰ পাতনি মেলে। ১৯৫৭ চনত তেওঁ প্ৰথম বিভাগত আই. এ. পৰীক্ষা পাছ কৰে। এম. চি. কলেজত তেওঁ কলেজৰ সাধাৰণ সম্পাদকৰ দায়িত্বও সুকলমে পালন কৰিছিল। ১৯৫৯ চনত তেওঁ অৰ্থনীতিত সন্মান সহ দ্বিতীয় শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰে।

ছাত্ৰাৱস্থাতে খেতি পথাৰত হাল বাই, বৰপেটাৰোড ষ্টেচনত বাঁহ বিক্ৰী কৰি, হাট-বজাৰত খেতিৰ বস্তু, বাৰীৰ তামোল-পাণ বিক্ৰী কৰি আৰু লগতে সময় উলিয়াই টিউচন কৰি, বন্ধৰ সময়ত হাউলী হাইস্কুলত আৰু ওচৰ-পাজৰৰ স্কুলত অস্থায়ীভাৱে শিক্ষকতা কৰি পৰিয়ালৰ পোহ-পালৰ ব্যৱস্থা কৰাৰ লগতে ১৯৫৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অৰ্থনীতি বিভাগত নামভৰ্তি কৰে। ১৯৬১ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত দ্বিতীয় শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

এনেদৰে তেওঁ বহুত বাধা-বিঘিনি, বিপদ-দুৰ্যোগৰ মাজতো অবিচল আৰু স্থিতপ্ৰজ্ঞ হৈ থাকি ছাত্ৰ জীৱন পাৰ কৰে। পঢ়ি থকা অৱস্থাতে যদিও চাকৰিৰে জীৱনৰ পাতনি মেলিছিল তাৰ ধাৰাবাহিকতা তেওঁ উচ্চ শিক্ষা গ্ৰহণৰ বাবে ৰক্ষা কৰিব পৰা নাছিল। শিক্ষা সমাপ্ত হোৱাৰ পিছত ১৯৬২ চনৰ এপ্ৰিল মাহত ডিমৰীয়া হাইস্কুলত শিক্ষকতাৰ স্থায়ী চাকৰিৰে কৰ্ম জীৱনৰ পাতনি মেলে। তাত কিছুদিন থকাৰ পিছত ঐতিহ্যমণ্ডিত বজালী মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ প্ৰবক্তা হিচাপে তেওঁ যোগদান কৰে।

শ্ৰীসত্যনাথ দাস মোতকৈ দুই বছৰৰ কনিষ্ঠ। মই ১৯৫৩ চনত মেট্ৰিক পাছ কৰাৰ পিছত কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰো। সেয়েহে পঢ়া অৱস্থাত তেওঁক লগ পোৱাৰ সুবিধা নহ'ল। ১৯৬২ চনত আমি এম. চি. কলেজত উদ্ভিদ বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰোঁ। সত্যনাথ দাসে তেতিয়া বজালী মহাবিদ্যালয়ত। আমাৰ ওচৰা-ওচৰিকৈ লগ পোৱাৰ সুবিধা এটা ওলাল। চীনে ভাৰত আক্ৰমণ কৰাৰ



পিছত ভাৰতৰ কলেজ সমূহত এন.চি.চি. বাধ্যতামূলক কৰিলে। ভাৰতৰ সেই সময়ৰ বিভিন্ন কলেজৰ কলেজ শিক্ষক সকলক প্ৰশিক্ষণ লোৱাৰ বাবে নাম পঠাবলৈ শিক্ষা বিভাগে অধ্যক্ষ সকললৈ নিৰ্দেশ দিলে। সেই মৰ্মে বজালী মহাবিদ্যালয়ৰ পৰা শ্ৰীসত্যনাথ দাস আৰু এম. চি. কলেজৰ পৰা মোক আৰু প্ৰয়াত উপাধ্যক্ষ গিৰিজানন্দ দাসক নিৰ্বাচিত কৰে। ভাৰতৰ বিভিন্ন কলেজৰ ৬০০ প্ৰবক্তাৰ মাজত আমি অসমৰ বিভিন্ন কলেজৰ প্ৰায় ৪৫ জন প্ৰবক্তাই এন.চি.চি. প্ৰশিক্ষণৰ বাবে পাটিয়ালালৈ যাবলগীয়া হ'ল। আমি সত্যনাথ দাস, মই আৰু গিৰিজানন্দ দাস ৰেলেৰে চাৰি দিন যাত্ৰাৰ মূৰত পাটিয়ালাত NIS (National Institution of Sports) ৰ প্ৰশিক্ষণৰ থলী পালো। ইতিমধ্যে অসমৰ কলেজ সমূহৰ প্ৰশিক্ষাৰ্থী সকল তাত গৈ উপস্থিত হৈছিল। আমাৰ প্ৰশিক্ষণটো আছিল Pre-Commission Officer Training, তিনি মাহৰ বাবে।

চাৰি দিনৰ ৰেল যাত্ৰা আৰু তিনিমাহ একেলগে থাকি সত্যনাথ দাস মোৰ অন্তৰঙ্গ বন্ধুত পৰিণত হ'ল। প্ৰশিক্ষণৰ সময়ত আমাক প্ৰত্যেককে একোটা Chest No. দিয়া হৈছিল আৰু আমি সেই হিচাপেহে জনাজাত হৈছিলো। মোৰ Chest No. আছিল 184। প্ৰশিক্ষণ বৰ কষ্টকৰ আছিল। ৰাতিপুৱা ৬ বজাৰ পৰা গধূলি ৫ বজালৈ। প্ৰশিক্ষণ প্ৰদান কৰিছিল সাধাৰণ জোৱানৰ পৰা কেপ্টেইন মেজৰলৈকে। সকলো প্ৰশিক্ষাৰ্থীৰ ভিতৰত আমি তিনিজনেই আছিলো যুৱক অৰ্থাৎ কম বয়সীয়া। এদিন এটা বৰ আমোদজনক ঘটনা ঘটিল। এজন বয়সীয়াল পাঞ্জাৱী প্ৰবক্তাই পেৰেদৰ পিছত গছৰ তলত হোৱা এটা শৈক্ষিক শ্ৰেণীত টোপনিয়াই আছিল। প্ৰশিক্ষক আছিল J.C.O. সুবেদাৰ মেজৰ দিলৱাৰ সিং। তেৰোঁ পাঞ্জাৱী। তেওঁৰ চকুত পৰিল ঘটনাটো। লগে লগে তেওঁ প্ৰবক্তাজনৰ Chest No. উল্লেখ কৰি থিয় হ'বলৈ ক'লে। থিয় হোৱাৰ পিছত তেওঁক কাণত ধৰিবলৈ আদেশ কৰিলে আৰু পাঞ্জাৱী প্ৰবক্তাজনেও তাকেই কৰিলে। আমি অসমৰ

পৰা যোৱা এই ৪৫ জন প্ৰবক্তাই বৰ অপমান বোধ কৰিলো আৰু কেতিয়াবা আমাৰ ক্ষেত্ৰটো এইতো হ'ব পাৰে বুলি ভয় খালো। গধূলি আমি আটাইকেইজনে লগ হৈ Camp Commandent Col. Anand ক লগ ধৰিলো আৰু এই ধৰণৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতন আজিৰ প্ৰাথমিক স্তৰত দিয়া কথা উল্লেখ কৰিলো। তেখেতে সকলো জানি লৈ সুবেদাৰ মেজৰ দিলৱাৰ সিঙৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'লে আৰু আমাক নিৰ্ভয় দিলে।

পাতিয়ালাত আমি আমাৰ সাংস্কৃতিক কাৰ্যসূচীত বিহুগীত, লোকগীত, বৰগীত, জ্যোতিপ্ৰসাদৰ গীত পৰিৱেশন কৰাৰ লগতে ড° ভূপেন হাজৰিকাৰ 'গুম গুম মেঘে গৰজিলে' গীতটোৰে সকলোৰে অন্তৰ জয় কৰিবলৈ সমৰ্থ হৈছিলোঁ। আমাৰ সাংস্কৃতিক দলটোত আছিলো আমি নিজে, সত্যনাথ দাস, গিৰিজানন্দ দাস, অধ্যক্ষ বীৰেন বৰদলৈ, অধ্যক্ষ শৈলেন মেধি প্ৰমুখ্যে ব্যক্তি সকল।

সত্যনাথ দাসৰ বিষয়ে লিখা লিখনিত N.C.C. ৰ কথাখিনি উল্লেখ কৰাৰ কাৰণটো হ'ল N.C.C. প্ৰশিক্ষণটোৱে তেওঁৰ সহনশীলতাত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে। এগৰাকী সুদক্ষ প্ৰশাসক হ'বলৈ যিখিনি কৌশলৰ দৰকাৰ শ্ৰীদাসে যেন ইয়াতেই তাক আয়ত্ব কৰিছিল।

১৯৬৬ চনত শ্ৰীদাসে বি. এইচ্. কলেজৰ প্ৰবক্তা হিচাপে যোগদান কৰাৰ লগতে নতুন কলেজখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বও গ্ৰহণ কৰে। বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাৰ এজন মূল ব্যক্তি হিচাপে শ্ৰীদাসে বহুখিনি ত্যাগ স্বীকাৰ কৰিছে। তেওঁৰ চেষ্টাতে প্ৰথম পৰ্যায়ত অসমৰ যিকেইখন মহাবিদ্যালয় U.G.C. ৰ 2 (F) ৰ আৰু 12 (B) অধীনত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল তাৰ ভিতৰত বি. এইচ্. কলেজ আৰু বজালী মহাবিদ্যালয় অন্তৰ্ভুক্ত হৈছিল। বি. এইচ্. মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা আৰু ইয়াৰ ক্ৰমবৰ্দ্ধমান উন্নতিৰ মূল ব্যক্তিজন হৈছে শ্ৰীসত্যনাথ দাস। কলেজখনক



উন্নতিৰ জখলাত ক্ৰমাগতভাৱে আগুৱাই নিয়াত সত্যনাথ দাসৰ অৱদান আমি স্বীকাৰ কৰিবই লাগিব। সমাজপ্ৰিয় ব্যক্তি হিচাপে শ্ৰীদাসে বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত বিভিন্ন পদৱীত জড়িত থাকি ইয়াৰ উন্নয়নত আত্মনিয়োগ কৰাটোও তেওঁৰ জীৱনৰ উল্লেখনীয় দিশ। হাউলী ৰাস উদ্‌যাপন সমিতিয়ে তেওঁক প্ৰদান কৰা 'হাউলী বঁটা' তেওঁৰ সামাজিক কৰ্মৰাজিৰ প্ৰকৃত নিদৰ্শন।

শেষত তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱন কামনাৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

*(লেখক বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু এগৰাকী বিশিষ্ট শিক্ষাবিদ)*

# অধ্যক্ষ সত্যনাথ দাসৰ লগত মোৰ মিলা-মিচা

সম্পূৰ্ণানন্দ তালুকদাৰ

শ্ৰী সত্যনাথ দাসদেৱে হাউলী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিছিল। হাইস্কুলত থকাৰ পৰাই সামাজিক কাম-কাজত দাসৰ আগ্ৰহ আছিল। হাউলী হাইস্কুলৰ ছাত্ৰ একতা সভাৰ সম্পাদক থকা সূত্ৰে তেওঁ সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত হয় আৰু সেই সেই সময়ৰ ছাত্ৰ সন্থাৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এজন দুখীয়া পৰিয়ালৰ সন্তান হোৱা বাবে লাহ-বিলাহৰ বিপৰীতে তেওঁ সংগ্ৰামৰ মাজেদিহে ছাত্ৰ জীৱন অতিবাহিত কৰে। সেই সময়ৰ বৰপেটা মহকুমাৰ আন আন ছাত্ৰৰ দৰে দাসেও লংপেণ্ট-চাৰ্টৰ সলনি ধুতি-চোলা পৰিহিত এজন ছাত্ৰ আছিল। আনকি বজালী কলেজত যোগদান কৰিবলৈ যোৱা সময়তো তেওঁ ধুতি-চোলা পিন্ধি গৈহে প্ৰফেছাৰৰ জাতত উঠিছিল।

সত্যনাথ দাসদেৱ কামৰ মানুহ আছিল। বজালী কলেজত যোগদান কৰাৰ পৰাই তেওঁ কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেই সময়ত বজালী কলেজ ঘাটি মঞ্জুৰীপ্ৰাপ্ত নাছিল আৰু অসমীয়া প্ৰৱক্তাৰ সংখ্যা কম আছিল। বেছিভাগেই বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ, উৰিষ্যা আৰু দক্ষিণ ভাৰতৰ লোক আছিল। যি দুই-এজন অসমীয়া লোক আহি কলেজখনত যোগদান কৰিছিল তেওঁলোকে প্ৰায় দুই-চাৰি মাহৰ পাছতে



আন চাকৰিৰ সন্ধান কৰি আছিল নাইবা আন কলেজৰ সন্ধানত ব্যস্ত আছিল। একমাত্ৰ সৰ্থেবাৰীৰ অনন্ত তালুকদাৰে যোগদান কৰাৰ পিছৰে পৰা অৱসৰ পোৱাৰ দিনলৈ নিগাজীকৈ কলেজখনত লাগি থাকি কলা শাখাৰ সকলো বিষয়তে ছাত্ৰক পঢ়ুৱাইছিল।

সত্যনাথ দাসদেৱে যাতে কলেজ এৰি নাযায় তাৰ বাবে কলেজ কৰ্তৃপক্ষ তৎপৰ হৈছিল। সেই সময়ত কলেজত এন.চি.চি. প্ৰৱৰ্তন হোৱাত এন.চি.চি. অফিচাৰৰ প্ৰশিক্ষণৰ বাবে জ্যেষ্ঠ, উদ্যমী আৰু একে বিভাগৰে ইচ্ছুক প্ৰাৰ্থী প্ৰয়াত হৰেন ডেকা থকা সত্বেও কামটোৰ বাবে কলেজ পৰিচালনা সমিতিয়ে সত্যনাথ দাসক নিৰ্বাচিত কৰি প্ৰশিক্ষণৰ বাবে পঠিয়াইছিল। বি. এইচ্. কলেজ পতাৰ যো-জা কৰাৰ সময়তে ভৱানীপুৰতো একাংশ লোকে কলেজ পতাৰ পোষকতা কৰি সত্য নাথ দাসক তাত অধ্যক্ষ হোৱাৰ বাবে প্ৰস্তাৱ দিছিল। অৱশ্যে তেখেতে তাত গুৰুত্ব নিদিলে। সুদক্ষ এন.চি.চি অফিচাৰ বুলি তেওঁৰ খ্যাতি আছিল।

সেই সময়ত বিয়াৰ বজাৰত কলেজ শিক্ষকৰ দাম নাছিল। সত্যনাথ দাসৰ বাবে তেওঁৰ বৰ্তমানৰ সহধৰ্মিনীৰ লগত তৃতীয় পক্ষই বিবাহৰ কথা আলোচনা কৰিছিল আৰু দাসকো সেই কথাৰ কাণ চোৱাইছিল। তেতিয়া দাসে কথাটো সহজভাবে লৈ তেওঁৰ ফালৰ পৰাই প্ৰস্তাৱটো দিয়াইছিল। কিন্তু বৰপেটীয়া আভিজাত্য সচেতন ছোৱালীৰ দেউতাকে কথাটোত মুঠেই গুৰুত্ব নিদিয়াত আমাৰ বন্ধু মহলত অলপ প্ৰতিক্ৰিয়া হৈছিল। ছোৱালীৰ পছন্দ থকা বুলি শুনিছিল বাবে বোধকৰো দেউতাকৰ মন কোমল হোৱাত বিয়াখন সুকলমে হৈ যায়। আপাত দৃষ্টিত সুখ-শান্তিৰে পাৰ কৰা যুগ্ম জীৱনৰ সোণালী জয়ন্তী উদ্‌যাপনৰো সময় পালেই। যোৱা চল্লিশ বছৰে উভয় পক্ষ সুখী। এগৰাকী ইংৰাজ মহিলাক হোনো তেওঁলোকৰ বিবাহৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সময়ত সাংবাদিকে প্ৰশ্ন কৰিছিল— 'আপুনি এই পঞ্চাশ

বছৰে বিবাহ বিচ্ছেদৰ কথা ভবা নাছিলনে?' উত্তৰত মহিলাগৰাকীয়ে কৈছিল— 'নাই ভবা, অৱশ্যে তেওঁক হত্যা কৰাৰ কথা ভাবিছিলো।'

বজালী কলেজত মাত্ৰ তিনি বছৰৰ চাকৰি কালতে সত্যনাথ দাসে বজালীৰ শিক্ষিত সমাজৰ আপোন যেন হৈ পৰিছিল। আজিলৈকে বজালীত সত্যনাথ দাসৰ এটা পৰিচয় আছে।

সত্য দাসে ৰগৰ কৰিব জানে। কথাটো বন্ধু মহলতহে গম পোৱা যায়। শিক্ষক হিচাপে দাস এজন ভাল শিক্ষক। কম বুদ্ধিৰ ল'ৰাৰ বাবে সত্য দাসৰ শ্ৰেণীকোঠাৰ বক্তৃতা বৰ মনোগ্ৰাহী আছিল। বজালী কলেজত থাকোতে তেওঁ অৰ্থনীতি বিভাগৰ ভাল 'প্ৰফেছাৰ' বুলি খ্যাতি আছিল। খেল-ধেমালিতো ছাত্ৰৰ লগত মিলা-মিচা কৰি চলিছিল বাবে ছাত্ৰ সমাজত তেওঁ প্ৰিয় আছিল। আমি একেলগে ব্ৰীজ খেলোতে ভাল জমনি হৈছিল। দুই-এজন প্ৰফেছাৰে কলেজৰ শিক্ষক আবাসত ব্ৰীজ খেলি থাকি বহুত পলমকৈ ঘৰলৈ আহি ঘৈণীয়েকক নানা ফাঁকি দিয়াৰ পাছতো গালি খাইছিল। পিছত বি. এইচ্. কলেজত লগালগি হোৱাত অতীতৰ স্মৃতি ৰোমন্থন কৰি আনন্দ লাগিছিল। বহুতে ভাবিছিল এম. এল. এ. ডাঃ সুৰেন্দ্ৰ নাথ দাস আৰু বৰপেটাৰোডৰ মাৰোৱাৰী লোকসকলক কলেজখনৰ পৃষ্ঠপোষক হিচাপে পোৱা বাবে সত্য দাসে কলেজখন অতি সোনকালে উচ্চ পৰ্যায়ৰ কলেজ হিচাপে গঢ়ি তুলিব পাৰিছিল। কিন্তু সেইবিলাক কাৰণে মানসিকভাবে সাহস দিলেও কাৰ্যত সত্যনাথ দাসৰ তৎপৰতাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা বিত্তীয় সাহায্য তৰান্বিত হোৱাত কলেজখনে দোপতদোপে উন্নতি কৰিছিল। এইক্ষেত্ৰত ফখৰুদ্দিন আলী আহমেদে যদি কিবা সহায়ৰ হাত আগবঢ়াইছিল নাজানো। তেনে ধৰণৰ কথা এটা শুনা যেন লাগে।

সুদীৰ্ঘ কাল অসমৰ আগশাৰীৰ কলেজ এখনৰ অধ্যক্ষ হৈ থাকিও সত্যনাথ দাসৰ শৈক্ষিক, বিত্তীয় আৰু চাৰিত্ৰিক কেলেংকাৰী



নথকাকৈ সসন্মানে অৱসৰ গ্ৰহণ কৰিব পৰাটো তেওঁৰ জীৱনৰ মহৎ কৃতকাৰ্যতা।

বহুতো অধ্যক্ষই চাকৰিৰ পৰা অৱসৰৰ পিছতে নগৰত মাটি-বাৰী কৰি বিলাসী জীৱন-যাপন কৰে। সত্যনাথ দাসে কিন্তু সেই কথা চিন্তা নকৰিলেই। তেওঁ কবি নলিনীবালা দেৱীৰ আদৰ্শকে সাৰোগত কৰিলে নেকি—

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জীৱনৰ আদিম পুৱাত।
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।।

আকৌ প্ৰাৰ্থনা কৰিছে নেকি—

মৰাৰ পিছতো যেন পাওহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত
ভাগৰুৱা আত্মাই শেষত জিৰণি লই
জিৰাবহি তোমাৰ ছায়াত।

এইবুলি অহা জনমৰ ঠাই টুকুৰাও ইহ জনমতে বুক কৰি থৈ যাব খুজিছে নেকি?

*(লেখক পাঠশালাৰ বজালী কলেজৰ প্ৰাক্তন অধ্যক্ষ)*

# সত্যনাথ দাস ঃ এক বিৰল প্ৰতিভা

গোপাল দাস

মহাবিদ্যালয় এখন স্থাপন কৰা কষ্টসাধ্য কাম তাতে আকৌ ওচৰা-ওচৰিকৈ থকা দুখন চহৰৰ ভিন্ন মতৰ ৰাইজৰ মতামত একত্ৰ কৰি মহাবিদ্যালয় স্থাপন কৰা কিমান জটিল তাক আমি অনুভৱ কৰিব পাৰোঁ আজিৰ 'বৰপেটাৰোড-হাউলী' মহাবিদ্যালয়ৰ জন্মদাতা, প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসৰ কৰ্মসংস্কৃতিৰে ভৰা পৰিপূৰ্ণ মন আৰু ত্যাগৰ মাজত। হাউলীবাসী আৰু বৰপেটাৰোডবাসী ৰাইজৰ সহমতত বি. এইচ্. মহাবিদ্যালয় স্থাপনৰ উদ্যোগ লওঁতে বৰপেটাৰোডৰ এক সম্প্ৰদায়ৰ একাংশ ৰাইজে প্ৰবল প্ৰতিবাদ কৰি বৰপেটাৰোডৰ সেই সময়ৰ মাছ বজাৰত ৰাজহুৱা সভা পাতি প্ৰয়োজন হ'লে মৰাপাট খৰিৰ কাঠিৰে বৰপেটাৰোডত নিজাকৈ মহাবিদ্যালয় স্থাপন কৰিম বুলি হুঙ্কাৰ দি প্ৰতিবাদ কৰাৰ সময়ত শ্ৰীযুত সত্যনাথ দাসে নানা কৌশলেৰে দুই-চাৰিজন সেই সম্প্ৰদায়ৰ ভদ্ৰলোকৰ সহযোগত আৰু মাৰোৱাৰী সমাজৰ পূৰ্ণ সমৰ্থনেৰে বি. এইচ্. মহাবিদ্যালয় স্থাপন কৰাৰ খোপনি এৰি নিদি অতি কষ্টেৰে বৰপেটাৰোডৰ ৰজতৰাম প্ৰাথমিক বিদ্যালয়ত বি. এইচ্. কলেজৰ পাঠদান আৰম্ভ কৰে।

আমি জনাত বৰপেটাৰ সুযোগ্য সন্তান প্ৰয়াত মাননীয় অক্ষয় কুমাৰ দাস আৰু আমাৰ সকলোৰে শ্ৰদ্ধাৰ হাউলী নগৰৰ প্ৰয়াত মাননীয় যাদৱ চন্দ্ৰ দাসদেৱৰ উপদেশ আৰু অনুপ্ৰেৰণাৰে শ্ৰীযুত সত্যনাথ দাস ডাঙৰীয়াই নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে বি. এইচ্. কলেজত প্ৰথমে কলা শাখা আৰু তাৰ কেইবছৰমান পিছতে বাণিজ্য শাখাৰ প্ৰৱৰ্তন কৰি সমগ্ৰ



নামনি অসমতে প্ৰথম বাণিজ্য মহাবিদ্যালয় স্থাপন কৰাৰ গৌৰৱেৰে গৌৰৱান্বিত হয়।

বি. এইচ্. মহাবিদ্যালয় স্থাপনৰ সময়ত শ্ৰীযুত সত্যনাথ দাস ডাঙৰীয়াই হাউলীৰ ৰাইজৰ সহযোগৰ উপৰি অতি কৌশলেৰে বৰপেটাৰোডৰ কেইজনমান সুপুৰুষৰ সহযোগ আদায় কৰিছিল। আমি জনাত সেই লোক কেইজন আছিল ৺মোহন লাল চৌধুৰী, ৺হনুমান প্ৰসাদ আগৰৱালা (মানিয়াবাবু), ৺ভগৱান আগৰৱালা (ভগৱান বাবু), ৺গণপত ৰায় মোৰ, ৺অমূল্য বিশ্বাস, ৺নিৰঞ্জন দাস (জনবাবু), ৺সুধাংশু প্ৰামাণিক আদি।

শ্ৰীযুত সত্যনাথ দাস অকল শিক্ষাবিদ ৰূপেই যে প্ৰতিষ্ঠিত ব্যক্তি এনে নহয়। তেখেতৰ সামাজিকতা আৰু জাতীয় চেতনাও অতি প্ৰবল। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত তেওঁ কাৰাবৰণ আৰু পুলিচৰ নিৰ্যাতন ভুগিছিল।

বহুতো ৰাজহুৱা কামত জড়িত থকাৰ উপৰিও তেওঁ বৰপেটাৰোডত জি. এল. চি. মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত প্ৰথমছোৱাত আগভাগ লৈ মহাবিদ্যালয়খনৰ দাতা ৺মোহন লাল চৌধুৰীদেৱৰ লগত দিহা-পৰামৰ্শ কৰি কলেজখনৰ স্থাপনৰ কাম-কাজ বহুত আগুৱাই নিছিল।

কৰ্মময় জীৱনত সদায় কৰ্মৰ মাজত সময় অতিবাহিত কৰা শ্ৰীযুত সত্যনাথ দাসে শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে যাতে মহাবিদ্যালয়ত শিক্ষাৰ সামৰণি মৰাৰ পিছত নিজে নিজৰ কৰ্ম-সংস্থাপন কৰি ল'ব পাৰে, সেই কথা চিন্তা কৰি হয়তো তেওঁ বি. এইচ্. মহাবিদালয়ৰ কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওটা শাখা সমগ্ৰ নামনি অসমৰ ভিতৰত এটা উল্লেখযোগ্য অনুষ্ঠান হিচাপে গঢ়ি তুলি বৰ্তমানে অৱসৰ জীৱন অতিবাহিত কৰি আছে। ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষতে তেওঁৰ ওপজা মৌটুপুৰী গাঁওত আশ্ৰম সদৃশ নিজ গৃহত তেওঁ পত্নী-পুত্ৰ সমন্বিতে বাস কৰি আছে। ভগৱানে তেওঁক সুস্বাস্থ্য দিয়ক আৰু দীৰ্ঘায়ু কৰক।

*(লেখক এগৰাকী সমাজকৰ্মী আৰু বিশিষ্ট ব্যৱসায়ী)*

# An Administrator of High Stature

**Dr. Sambhu Saran Singh**

Our founder Principal is a man of strict discipline. He wanted all his staff to follow specified rules and regulations. He was a role model and led the college by examples. Any person who violated the rules of the college was identified and given exemplary punishment. He did not tolerate indiscipline at any cost. He spared none irrespective of his or her stature. He followed the hot stove concept of discipline in this context.

The success of an institution very much depends upon its prevailing work culture. Our founder Principal realized the popular saying 'work is worship'. He was always sincere and committed in discharging his duties and responsibilities. He daily engaged himself in various administrative activities for a longer period of time. He was mostly available in his office chamber. As such, he also wanted all the teachers and non-teaching staff to be regular and sincere with regard to their allotted duties. In fact, he never compromise with insincerity.

He always realized the importance of values of time. He emphasized on taking right decision in right time. He used



to arrive at his chamber in time, complete his official duties, interact with teachers and non-teaching staff and students make official correspondence in time. Even he used to take his meals in time. The quality of doing everything in time had a great impact on the performance of the teaching and non-teaching staff of our college.

He also realized the fact - 'As you sow, so you reap'. As an administrator, he gave top priority on unique selection, orientation, congenial work environment, enforcement of discipline, trust and confidence, team effort of the employees. As a result of which the college is reaping the benefits of his judicious recruitment in case of teaching and non-teaching staff.

He established cordial relationship with teachers, non-teaching staff, students, parents, public and all other stakeholders related to the college. Though, as an administrator, he was a strict person yet he had a soft heart too. In addition to official issues, he used to take care of the personal problems of the staff and showed helping attitude towards them. He tried his level best to redress their problems timely and judiciously.

He established himself as a good office manager. He possessed accurate knowledge of systematic recording and preservation of official documents. He gave proper orientations to the office staff in this field. He was well versed in official correspondence with different authorities relating to the college. Though his specialization was in Economics yet his knowledge

in English was praiseworthy. His drafting in English was specific, precise, simple but not cumbersome.

The credit of fair and smooth conduct of examination in the college also goes to our founder Principal. He always used to hold staff meeting before every final examination. In this meeting, discussions were made with regard to the role to be played by each and every member of the college in relation to discharging their examination duties. They were instructed not to make any compromise with adoption of unfair means in the examination. The university authorities were also aware of the fairness maintained and as such they did not appoint externals to monitor the examination in B. H. College centre for a long time. It is due to this fairness in the examination that a large number of alumni of this college have achieved greater heights in their career and made our institution proud with their brilliant feats of achievements.

He developed a value system in the college. He led the institution from the front. He had the capacity to influence or convince in order to get the expected working behaviour from his subordinates. They followed him due to his dynamic personality as well as effective leadership qualities. The subordinates had trust and confidence on him. He inspired and encouraged them to give their best performances and rewarded them accordingly. Subordinates derived full job satisfaction and felt happy. They got the opportunity to work as a team and as such their morale was very high.



Departments are regarded as the important pillars of an institution. Our founder Principal had very cordial relations with various departments belonging to three faculties namely Arts, Science and Commerce. He used to hold meetings from time to time with the heads of different departments. He reviewed the performances and chalked out programmes to make further improvements of the respective departments.

A person may possess a lot of qualities but he or she cannot escape from criticism. Our founder Principal is also not an exception to it. As he was the founder Principal, he was bold and courageous in discharging his duties. He gave befitting replies to his critics, if necessary. He encouraged functional conflict which was rational but he never compromised with dysfunctional conflict which was harmful to the interest of the institution.

He was a man of action who spoke little and performed well. He loved the college from the core of his heart and gave solid foundation to it. His tenure can be regarded as the golden era in the history of B. H. College. He is a living legend who will be remembered as all time great for his achievements and meticulous contributions. I am fortunate enough for getting the opportunity to serve under his dynamic leadership. I extend my deepest gratitude to him for taking me to the position where I stand today in my career. I wish him good health and happy and peaceful life.

*(The writer is former Vice Principal of B. H. College, Howly)*

# শ্ৰীসত্যনাথ দাস ঃ
# এটি বিৰল প্ৰতিভা আৰু ব্যক্তিত্ব

**তাৰাপদ সাহা**

মাজে-সময়ে এই পৃথিৱীত কিছুমান ক্ষণজন্মা লোকৰ জন্ম হয় যিসকলে তেওঁলোকৰ নিজৰ কৰ্মদক্ষতা আৰু অক্লান্ত শ্ৰমৰ বিনিময়ত একোটা মচিব নোৱাৰা সাঁচ বহুৱায়। তেনেকুৱা এক বিৰল প্ৰতিভাৰ প্ৰতীকস্বৰূপে হাউলী অঞ্চলত শ্ৰীসত্যনাথ দাসদেৱে জন্ম গ্ৰহণ কৰিছিল। কেবাজনো ভাই-ভনীৰ ভিতৰত তেখেতে আছিল জ্যেষ্ঠ।

ইং ১৯৫৪ চনত মই যেতিয়া হাউলী হাইস্কুলত চতুৰ্থ শ্ৰেণীত নাম লগাও তেতিয়া মোৰ জ্যেষ্ঠ ভাতৃপ্ৰতীম শ্ৰীসত্যনাথ দাস ডাঙৰীয়া আছিল নৱম শ্ৰেণীৰ ছাত্ৰ আৰু আমাৰ বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক। স্কুলীয়া জীৱনৰ পৰাই তেখেতৰ বহুমুখী প্ৰতিভাৰ বিকাশ হোৱা পৰিলক্ষিত হৈছিল। খেতি-বাতিৰ বতৰত পুৱা-গধূলি দেউতাকৰ লগত খেতিৰ কাম কৰিও সময়মতে স্কুললৈ গৈ লিখা-পঢ়াৰ উপৰিও স্কুলৰ বিভিন্ন কামত ব্যস্ত হৈ সকলোবোৰ নিয়াৰিকৈ সমাধা কৰিবলৈ সমৰ্থ হৈছিল। অসমীয়া, বঙালী, হিন্দু, মুছলমান বহু ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হাউলী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সু-সম্পৰ্ক বজাই ৰাখি সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব নিয়াৰিকৈ সম্পন্ন কৰি নিজৰ কাৰ্য্যদক্ষতাৰ পৰিচয় দিছিল। তেখেতৰ মাজু ভাই ৺নিৰঞ্জন দাস মোৰ সহপাঠী হোৱা হেতুকে



কেবাদিনো তেখেতসকলৰ ঘৰলৈ গধূলি ফুৰিবলৈ গৈছিলোঁ। প্ৰয়াত নিৰঞ্জন দাস অংকত সিমান ভাল নোহোৱা হেতুকে মই তেওঁক অংক শিকাওতে সন্ধিয়া পাৰ হৈ যায় আৰু সেই সময়ত ৰাস্তা-ঘাট কেঁচা আৰু বিজুলীবাতি নথকাৰ বাবে মোক ঘৰলৈ আহিব দিয়া নাছিল। ফলত ৰাতি তেওঁলোকৰ ঘৰত কটাই ৰাতিপুৱাহে ঘৰলৈ আহোঁ। কেইবাজনো ভাই-ভনীৰ ডাঙৰ পৰিয়াল আৰু যথেষ্ট আৰ্থিক অনাটনৰ মাজেৰে তেখেতে পঢ়া-শুনা কৰি ১৯৫৫ চনত অতি সুখ্যাতিৰে মেট্ৰিক পাছ কৰি বৰপেটাত মাধৱ চৌধুৰী কলেজত নাম লগায়। I.A. পৰীক্ষা দি ফলাফলৰ বাবে তিনি মাহ বাট চোৱাৰ সময়ত তেখেত আৰু মৌটুপুৰী আন এজন কৃতী ছাত্ৰ প্ৰয়াত শঙ্কৰ চন্দ্ৰ দাসে (I.Sc.) পৰীক্ষা দি আমাৰ বিদ্যালয়ত শিক্ষকতা কৰিছিল। আকৌ B.A. পৰীক্ষা দিয়াৰ পিছতো তিনি মাহৰ বাবে আমাৰ স্কুলত শিক্ষকতা কৰিছিল। তেতিয়া আমি দশম শ্ৰেণীৰ ছাত্ৰ। তেতিয়াই তেখেতৰ নিয়মানুবৰ্তিতা আৰু নিষ্ঠাৰ নিদৰ্শন আমাৰ দৃষ্টিত ভালদৰে পৰিলক্ষিত হৈছিল। নিজৰ মেধা, তীক্ষ্ণ বুদ্ধিমত্তা, পাৰদৰ্শিতা আৰু জনপ্ৰিয়তাৰে তেখেতে মাধৱ চৌধুৰী কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰাৰ সুযোগ পাইছিল আৰু সেই দায়িত্ব সুচাৰুৰূপে, সুস্থভাৱে চলাবলৈ সক্ষম হৈছিল যদিও কাৰ্যভাৰ লওঁতে প্ৰথম অৱস্থাত কিছু অসুবিধাৰ সন্মুখীন হৈছিল। তদানীন্তন অধ্যক্ষ, প্ৰবক্তা আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সমৰ্থনত বৰপেটাৰ বাহিৰৰ ছাত্ৰ হোৱা সত্বেও এনেকুৱা এক দায়িত্বপূৰ্ণ কাম সুকলমে চলাই নিবলৈ তেখেত সমৰ্থ হৈছিল। B.A. পৰীক্ষাত যথেষ্ট ভাল ফল দেখুওৱাত আমি হাউলী হাইস্কুলৰ শিক্ষক-ছাত্ৰ সমন্বিতে সকলোৱে আনন্দ প্ৰকাশ কৰি হৰ্ষোল্লাস কৰিছিলোঁ। মই তেতিয়া দশম শ্ৰেণীৰ ছাত্ৰ। আৰ্থিক দৈন্যৰ মাজতো নিজৰ ধৈৰ্য্য আৰু অধ্যৱসায়ৰ বলত অৰ্থনীতি বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে

M.A. পাছ্ কৰি তেখেতে হাউলী অঞ্চললৈ যথেষ্ট গৌৰৱ কঢ়িয়াই আনে।

কলেজত পঢ়োতে তেখেতে বৰপেটাৰ মোমায়েকৰ ঘৰত থাকি পঢ়িছিল আৰু পঢ়া অৱস্থাত প্ৰাইভেট টিউচন কৰি পঢ়াৰ যাৱতীয় খৰচ উলিয়াইছিল। আনকি বিশ্ববিদ্যালয়ত পঢ়া সময়তো টিউচন কৰিয়েই যাৱতীয় খৰচ উলিয়াইছিল। প্ৰথম অৱস্থাত তেখেতে ক্ষেত্ৰীৰ এখন স্কুলত শিক্ষকতাৰে কৰ্ম-জীৱন আৰম্ভ কৰি পিছত বজালী মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে আৰু লগতে N.C.C. ৰ প্ৰশিক্ষক হিচাপেও কাৰ্যনিৰ্বাহ কৰে। ইপিনে বৰপেটাৰোড আৰু হাউলী অঞ্চলত উচ্চ শিক্ষাৰ কোনো শিক্ষানুষ্ঠান নথকাত, এই দুই অঞ্চলৰ শিক্ষানুৰাগী বিদ্যোৎসাহী সদাশয় ৰাইজে এখন মহাবিদ্যালয় স্থাপন কৰাৰ যো-জা চলায় আৰু লগতে বৰপেটাৰ কেইজনমান শিক্ষানুৰাগী, সমাজসেৱী ব্যক্তিৰ সহযোগত ১৯৬৬ চনত বৰপেটাৰোড আৰু হাউলীৰ মধ্যস্থলত বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰে। স্থানীয় ৰাইজ আৰু পৰিচালনা সমিতিয়ে তেখেতক অতি সামান্য আৰ্থিক মাননিৰে অধ্যক্ষৰূপে নিযুক্তি দিয়ে। তেখেতেও ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি সঁহাৰি জনাই অধ্যক্ষৰ পদ গ্ৰহণ কৰে। শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ অঞ্চলত নিজৰ প্ৰতিভা, বুদ্ধিমত্তা, অত্যধিক পৰিশ্ৰম আৰু লগতে ৰাইজ আৰু প্ৰবক্তাসকলৰ অকুণ্ঠ সমৰ্থন আৰু সহযোগত মহাবিদ্যালয়খন দোপতদোপে উন্নতিৰ ফালে আগবাঢ়িবলৈ ধৰিলে। হাউলী আৰু বৰপেটাৰোড অঞ্চলৰ বাহিৰেও বহু দুৰ-দুৰণিৰ ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয় ভৰি পৰিল। প্ৰথম পৰ্য্যায়ত কলা বিভাগেৰে আৰম্ভ কৰি পৰৱৰ্তীকালত বাণিজ্য আৰু বিজ্ঞান শাখাও খোলা হয়। অধ্যক্ষৰ সুপৰিচালনা আৰু প্ৰবক্তাসকলৰ অকুণ্ঠ পৰিশ্ৰমৰ ফলত পৰীক্ষাৰ ফলো ভাল হ'বলৈ ধৰাত বি. এইচ্. কলেজৰ যশ অসমৰ



চাৰিওফালে বিয়পি পৰিল। ২০১৬ বৰ্ষত মহাবিদ্যালয়খনৰ পঞ্চাশ বছৰ পূৰ্তিত 'সোণালী জয়ন্তী' অতি আড়ম্বৰেৰে পাতিবলৈ যো-জা কৰা হৈছে আৰু বৰ্তমানে অসমৰ শিক্ষা জগতৰ মানচিত্ৰত কলেজখনে এটি সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। অসমৰ চুকে-কোণে তথা ভাৰতৰ বিভিন্ন প্ৰান্তত বি. এইচ্. কলেজৰ পৰা উত্তীৰ্ণ হৈ বহু ছাত্ৰ-ছাত্ৰী বিভিন্ন কামত কৰ্মৰত হৈ আছে। এই সকলোবোৰ কৃতিত্বৰ পুৰোধা ব্যক্তি গৰাকী হ'ল মাননীয় শ্ৰীসত্যনাথ দাস। সুদীৰ্ঘ তিনিটা দশকৰো বেছি সময় অধ্যক্ষৰ দৰে এটি অতি গুৰুত্বপূৰ্ণ দায়িত্ব সুখ্যাতিৰে সমাপন কৰি ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰি তেখেতে মৌটুপুৰীৰ নিজ বাসভৱনত অৱসৰ জীৱন-যাপন কৰি আছে।

এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলো যে হাউলী হাইস্কুলখন উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰোঁতে ৰাইজৰ প্ৰতিনিধিত্বমূলক প্ৰথম সভাখন তেখেতৰ সভাপতিত্বতে পতা হৈছিল আৰু তেখেতৰ সু-পৰামৰ্শ আৰু প্ৰচেষ্টাত ১৯৯৬ ইং চনত ইয়াৰ শুভাৰম্ভ কৰা হয়। উচ্চতৰ মাধ্যমিকৰ পৰিচালনা সভাৰ প্ৰথম সভাপতিও আছিল তেখেত। তেখেতৰ যথেষ্ট শ্ৰমৰ বিনিময়ত বি. এইচ্. কলেজৰ পৰা অভিজ্ঞ প্ৰবক্তাসকলৰ দ্বাৰা উৎকৃষ্ট মানৰ শিক্ষকসকলক বাছনি কৰি নিয়োগপত্ৰ দিয়া হৈছিল। এইটো তেখেতৰ আন এটি বিচক্ষণতাৰ পৰিচয়।

আগৰ সময়ছোৱাত আঞ্চলিক স্কুলবোৰৰ শেষান্ত পৰীক্ষাৰ কেন্দ্ৰ নথকাত পৰীক্ষাৰ্থীবোৰ বৰপেটা আৰু পৰৱৰ্তীকালত বৰপেটাৰোডৰ পৰীক্ষা কেন্দ্ৰত গৈ পৰীক্ষা দিব লগীয়া হোৱাত পৰীক্ষাৰ্থীৰ অভিভাৱক সকলেও যথেষ্ট জীয়াতু ভুগিব লগীয়া হৈছিল। তেখেতৰ আশাশুধীয়া চেষ্টা আৰু হাউলী অঞ্চলত কেইজনমান সদাশয় ব্যক্তিৰ প্ৰচেষ্টাত ১৯৭৬ চনত হাউলী হাইস্কুলত পৰীক্ষা কেন্দ্ৰৰ শুভাৰম্ভ হয় আৰু তেখেতেই প্ৰথম

কেন্দ্র পৰিচালনা সমিতিৰো সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি নিয়াৰিকৈ পৰীক্ষাসমূহ চলায়।

অকল এয়াই নহয় হাউলী হাইস্কুলৰ সোণালী জয়ন্তীৰ অন্তত ৰাহি হোৱা ধনেৰে 'সোণালী জয়ন্তী স্মাৰক নিধি' নামেৰে এটি পুঁজি গঠন কৰি সেই ধন বেঙ্কত ৰখা হয় আৰু তাৰ লভ্যাংশৰে প্ৰতিবছৰে হাউলী কেন্দ্ৰৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ পৰীক্ষাৰ্থী সকলক সভা পাতি পুৰস্কৃত কৰা হয়। এই ন্যাসৰো প্ৰথম সভাপতি হিচাপে দায়িত্বভাৰ লৈ বহু বছৰ ইয়াক নিয়াৰিকৈ চলায়। নিজৰ মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ কামবোৰৰ উপৰিও এইবোৰ কাম নিয়াৰিকৈ চলোৱা তেখেতৰ বুদ্ধিমত্তা আৰু উৎকৃষ্ট দায়িত্ববোধৰ পৰিচায়ক।

নিজ কৰ্ম দক্ষতাৰে আৰু ঐকান্তিক প্ৰচেষ্টাৰে কলেজখনক পূৰ্ণাঙ্গপ্ৰাপ্ত কৰি জীৱনত তেখেতে এক মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গ'ল। তাৰ বাবে ভৱিষ্যত প্ৰজন্মই তেখেতৰ ওচৰত চিৰঋণী আৰু কৃতজ্ঞ হৈ থাকিব। বৰ্তমানে বাৰ্দ্ধক্যজনিত কাৰণত তেখেত কিছু অসুস্থ। তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি লগতে আশু আৰোগ্য কামনা কৰি পৰম কৰুণাময় ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ।

*(লেখক হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ)*



# কৰ্মদক্ষ শিক্ষাবিদ অধ্যক্ষ সত্যনাথ দাস

**শংকৰ চন্দ্ৰ দাস**

বৰপেটাৰোড-হাউলী (বি. এইচ.) কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস ছাৰক ১৯৬৫ চনত বজালী কলেজৰ অধ্যাপক ৰূপে কাম কৰি থকা অৱস্থাত লগ পাইছিলোঁ। তেওঁ তেতিয়া বজালী কলেজৰ এন.চি.চি. বিষয়া আছিল। আমি তেতিয়া বৰনগৰ মহাবিদ্যালয়ৰ ছাত্ৰ। মাণিকপুৰ হাইস্কুলৰ খেলপথাৰত নামনি অসমৰ এটা এন.চি.চি. শিবিৰ অনুষ্ঠিত হৈছিল। সেই শিবিৰত আমি এগৰাকী 'কেদেট' আছিলোঁ। শিবিৰত আমি তিনিগৰাকী সুদৰ্শন, গুৰুগম্ভীৰ সেনাৰ বিষয়াৰ লেখীয়া ব্যক্তিক প্ৰত্যক্ষ কৰিছিলোঁ। তেওঁলোক আছিল শ্ৰীযুত সত্যনাথ দাস ছাৰ, প্ৰয়াত অধ্যক্ষ গোলক দাস ছাৰ আৰু প্ৰয়াত সুধীৰ অধিকাৰী ছাৰ। এই শিবিৰতে শ্ৰীযুত সত্যনাথ দাস ছাৰৰ কৰ্মদক্ষতা আৰু সু-পৰিচালনাৰ বৈশিষ্ট্যবোৰ দেখিছিলোঁ আৰু মনত এটা চাপ বহুৱাইছিল।

১৯৬৬ চনত বি.এইচ. কলেজ প্ৰতিষ্ঠা হয়। সত্যনাথ দাস ছাৰে প্ৰতিষ্ঠাপক অধ্যক্ষৰ আসন অলংকৃত কৰে। সেই সময়ত বৰপেটা মহকুমাৰ (বৰ্তমান জিলা) ভিতৰত বি.এইচ. কলেজখন আছিল চতুৰ্থখন উচ্চ শিক্ষাৰ অনুষ্ঠান। ১৯৩৯ চনত এম.চি. কলেজ বৰপেটা, ১৯৫৭ চনত বজালী কলেজ, ১৯৬২ চনত বৰনগৰ কলেজ আৰু ১৯৬৬ চনত বি. এইচ. কলেজ

প্ৰতিষ্ঠিত হৈছিল আৰু সমগ্ৰ অঞ্চলটোত উচ্চ শিক্ষাৰ বাট মোকলাই দিছিল। অধ্যক্ষ সত্যনাথ দাস ছাৰ এগৰাকী লব্ধ প্ৰতিষ্ঠিত শিক্ষাবিদ। তেখেতৰ নেতৃত্বত সুপৰিকল্পনাৰে, কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰে পৰিপুষ্ট হৈ বি.এইচ. কলেজে আজি অসমৰ ভিতৰতে এখন সুপ্ৰতিষ্ঠিত কলেজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। সমগ্ৰ নামনি অসমৰ অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে ইয়াতেই উচ্চ শিক্ষা লাভ কৰি নিজকে প্ৰতিষ্ঠিত কৰিছে তথা দেশৰ সেৱাত আত্মনিয়োগ কৰি আছে।

অধ্যক্ষ সত্যনাথ দাস ছাৰৰ অৰ্থনীতিৰ ওপৰত লিখা পুথিখন ছাত্ৰ-ছাত্ৰীৰ মাজত বহুলভাৱে সমাদৃত এখন পুথি।

গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম উচ্চতৰ মাধ্যমিক পৰিষদৰ পৰীক্ষা কেন্দ্ৰ সমূহৰ মণ্ডল (Examination Zone) হৈ থকা সময়ত আমি নিজে তাত প্ৰায়বোৰ পৰীক্ষাতে পৰীক্ষক, মুখ্য-পৰীক্ষাৰ ভূমিকা পালন কৰিছিলোঁ। সেই সময়চোৱাত প্ৰায়েই অধ্যক্ষ সত্যনাথ দাস ছাৰৰ সৈতে দেখা-দেখি হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। বিশেষ দৰকাৰী কথাত তেখেতৰ কোঠাত সোমাই আলাপ-আলোচনা কৰিছিলোঁ। সেই সময়তে দেখিছিলোঁ কলেজ পৰিচালনাৰ পৰিকল্পনাসমূহ। তেখেত প্ৰতিদিনে দিনটোত কৰিবলগীয়া কামবোৰৰ একোটি বিন্দু কৰি ৰাখিছিল আৰু কামটো সম্পন্ন হোৱাৰ লগে লগে সেইটো কলমেৰে চিন দিছিল। পৰীক্ষণ কাৰ্য চলি থকা সময়চোৱাত প্ৰতিদিনে বাৰান্দাৰে এপাক ঘূৰি কিবা সমস্যা থাকিলে তাৰ সমাধান কৰিছিল আৰু গুৰুগম্ভীৰ খোজ কাটলেৰে পৰ্যবেক্ষণত তেওঁৰ স্বকীয় ব্যক্তিত্ব পৰিলক্ষিত হৈছিল।

আমাৰ পুত্ৰ ভাস্কৰে বাণিজ্য পঢ়িবলৈ মনস্থিৰ কৰাত বি. এইচ. কলেজত নামভৰ্ত্তি কৰাই দিও। সেই পাঁচটা বছৰৰ বিভিন্ন সময়ত, বিভিন্ন কাৰণত বি. এইচ. কলেজলৈ গৈ অধ্যক্ষ দাস ছাৰৰ সৈতে আলাপ কৰাৰ



আন এটি সুযোগ পাইছিলোঁ। তাৰোপৰি আমি নিজে 'The Sentinel' আৰু 'আজিৰ অসম' কাকতৰ সংবাদদাতা ৰূপে কাৰ্যনিৰ্বাহ কৰি থকাত কলেজৰ বিভিন্ন উন্নয়নমূলক বা-বাতৰি প্ৰকাশ কৰাৰ সময়তো দাস ছাৰৰ সৈতে নানান কথা পাতিছিলোঁ।

১৯৮০ চনৰ পৰা আমি মাণিকপুৰস্থিত গোবিন্দভৱন গীতা সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীমৎ স্বামী কৃষ্ণানন্দ দেৱৰ সান্নিধ্যলৈ অহাৰ সুযোগ লাভ কৰিছিলোঁ এটি সেৱামূলক কামৰ মাজেৰে। অসম আন্দোলনৰ সময়ত অনাকাংক্ষিতভাৱে ঘটা সাম্প্ৰদায়িক ঘটনাত ৰহা, ধৰ্মপুৰ, আবাদি আদি গাঁওত অগ্নি সংযোগৰ পিছত পীড়িত লোকসকলক সেৱা ভাৰতীৰ, মাধ্যমত নানান ধৰণৰ সাহায্য বিতৰণ কৰা হৈছিল। এই সাহায্যসমূহ শ্ৰীমৎ স্বামী কৃষ্ণানন্দদেৱ আৰু মাজে-সময়ে সত্ৰত উপস্থিত হোৱা হাউলীৰ প্ৰয়াত শিক্ষাবিদ যাদৱ চন্দ্ৰ দাস আৰু অধ্যক্ষ শ্ৰীসত্যনাথ দাসৰ দ্বাৰা বিতৰণ কৰা হৈছিল। তেতিয়াৰে পৰা গোবিন্দভৱন গীতা সত্ৰৰ বছৰেকীয়া গীতা জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি আছিল অধ্যক্ষ সত্যনাথ দাস ছাৰ আৰু সম্পাদক আছিল প্ৰয়াত ডাঃ দৈত্যাৰি দাস ডাঙৰীয়া। আমিও প্ৰায় প্ৰতি বছৰে উক্ত উৎসৱত উপস্থিত থাকো আৰু সত্ৰ পৰিচালনাৰ ওপৰত তেওঁলোকৰ সৈতে নানান কথা পাতোঁ। বিগত চাৰি বছৰ মান ধৰি অধ্যক্ষ দাস ছাৰৰ শাৰীৰিক অসুস্থতাৰ বাবে সত্ৰ পৰিচালনা সমিতিয়ে আমাৰ ওপৰতে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব অৰ্পণ কৰে। আমিও যথাসাধ্য উৎসৱ পৰিচালনাৰ দায়িত্ব পালন কৰিছোঁ যদিও প্ৰতিমুহূৰ্ততে আমাৰ মনত অধ্যক্ষ দাস ছাৰ, ডাঃ দৈত্যাৰি দাস আৰু যাদৱ দাসৰ স্মৃতি ৰোমন্থন হয়। গুৰুদেৱ স্বামী কৃষ্ণানন্দদেৱৰ অসীম কৃপাত সেৱা আমি পালন কৰি আছোঁ। এই ধৰণে দাস ছাৰৰ সৈতে আমাৰ এটা নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল।

২০১৩ চনৰ শেষৰ পিনে দাস ছাৰৰ অসমৰ খবৰ শুনি এদিন তেওঁৰ ঘৰত গৈ খবৰ কৰোঁ। তেতিয়া তেওঁ কেবাটাও অসুখত ভুগি থকা বুলি জনালে। কথাই-কথাই তেওঁ দিল্লীত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত গৈ পাৰিলে চিকিৎসা কৰোৱাৰ কথা কওঁ। সেই সময়ত অসমৰ সাংসদ কুমাৰ দীপক দাস দিল্লীত আছিল। তেওঁৰ সৈতে যোগাযোগ কৰি এটা সময়ত দাস ছাৰে দিল্লীত গৈ চিকিৎসা ল'লে। পিছত খবৰ কৰি গম পালো যে তেৰোঁ ভালেখিনি সুস্থ হৈছে। ২০১৬ চনৰ বিজয়া দশমীৰ পিছদিনা দাস ছাৰৰ পুনৰ লগ পাওঁ ডাঃ তৰুণ ৰায় চৌধুৰীৰ ঘৰত। তাতো তেওঁৰ শৰীৰৰ খবৰ লওঁ।

শেহতীয়াভাৱে বি.এইচ. কলেজখনে NAAC ৰ Assessment ত 'A' grade লাভ কৰিছে। আমি ভাবো অধ্যক্ষ সত্যনাথ দাস ছাৰে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানখনে এটা পূৰ্ণাঙ্গ ৰূপৰ স্বীকৃতি লাভ কৰাত আন সকলোৰে সৈতে তেৰোঁ নিশ্চয় এক অনাবিল আনন্দ লাভ কৰিছে। ভগৱানে তেওঁক সুস্থ কৰি দীৰ্ঘজীৱী কৰক এই আশাৰে প্ৰাৰ্থনা জনালোঁ।

*(লেখক বৰনগৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু বিশিষ্ট সমাজকৰ্মী-ৰাজনীতিবিদ)*



# प्रिंसीपल सत्यनाथ दास : एक कुशल प्रशासक

## डा. जवाहर लाल नाहटा

एक सफल कॉलेज प्राचार्य में शैक्षिक और प्रशासकीय दोनों गुणों का होना आवश्यक हैं। कॉलेज का प्राचार्य अपने छात्र-छात्राओं के साथ शिक्षक और कॉलेज प्रबन्धन के लिए एक प्रशासक की हैसियत से काम करता है। इसके लिए उसे दयालुता और कठोरता जैसी दो विरोधी भावनाओं के साथ सामंजस्य बैठाना पड़ता है। कॉलेज छात्र-छात्राओं की बुद्धि परिपक्व नहीं होती इसलिए वे प्राय: कुछ शैतानियें, कुछ अपराध मूलक गलतियें करते रहते हैं अत: उनके विरुद्ध अनुशासनात्मक कार्यवाही आवश्यक हो जाती है। इस समय उन्हें दण्डित करते हुए एक विवेकशील प्राचार्य को यह ध्यान रखना होता है कि उनका भावी जीवन बर्बाद नहीं हो। प्रिंसीपल सत्य नाथ दास के कार्यकाल में छात्रों के आपसी झगड़ें और मार-पीट की अनेक घटनाएँ हुई। उन्होंने अधिकतर घटनाओं का समाधान समझा बुझा कर एवं आपसी समझौते के आधार पर ही किया। वे दण्ड का निम्नतम प्रयोग करते थे।

हम सब जानते हैं कि अस्सी और नब्बे का दशक आधुनिक असम के इतिहास का बहुत कठिन दौर था, उस समय असम में विदेशी नागरिकों की समस्या को लेकर चला दीर्घकालीन छात्र आन्दोलन और

इसके बाद अलगाववादी आतंकवादी आन्दोलन कॉलेज प्रशासन के लिए एक दुधारी तलवाल पर चलने जैसा था। एक तरफ शासकीय आदेश और दूसरी तरफ संगठित छात्रों का बल — एक तरफ कुंवा और दूसरी तरफ खाई। उस कठिन दौर में प्रिंसीपल सत्यनाथ दास ने हवा का रुख देखते हुए बहुत विवेक, कूटनीति और समझदारी के साथ कॉलेज का संचालन किया। कॉलेज का हित उनके लिए सदैव सर्वोपरि रहता था। मुझे उस समय उनका कहा हुआ एक नीति वाक्य आज भी याद है — जब प्रसण्ड तूफान सामने हो तो किनारे खड़े होकर उसके गुजरने का इन्तजार ही बुद्धिमानी है। इस दौर में बहुत बार कॉलेज परिसर में सी.आर.पी.एफ द्वारा अत्याचार हुए, छात्र और अध्यापकों के साथ बिना अपराध किये गिरफ्तार हुए, हवालात में बन्द भी किया गया। किसी तरह यह भीषण दौर गुजरा। कठिन, नियंत्रणहीन समस्याओं का समाधान समय के अन्तराल में अपने आप ही जाता है।

मुझे प्रिंसीपल सर के साथ पच्चीस वर्षों तक कार्य करने का अवसर मिला। इस दीर्घकाल में मैं उनके प्रशासकीय गुणों से अवगत हुआ। व्यक्ति का क्रोधी स्वभाव उसकी प्रशासकीय क्षमता क्षीण कर देता है। मैंने इस लम्बे कार्यकाल में उन्हें कभी क्रोध में दपदपाते नहीं देखा यहाँ तक कि, जोर-जोर से चिल्लाते हुए भी नहीं। कठिन समस्या के समय वे प्राय: धीर-गंभीर मुद्रा में चले जाते। मुँह में ताम्बूल दबा कर आँख बन्द करके कुछ समय के लिए मौन हो जाते। इस समय उन्हें कुछ सोच समझ कर उत्तर देने का मौका मिल जाता। हल्की सी मुस्काराहट और हल्की सी मजाकिया शैली में बात-चीत को आगे बढ़ाते रहते।

एक कुशल प्रशासक स्वयं काम नहीं करता, दूसरों से करवाता है। प्रिंसीपल सत्यनाथ दास में अपने दायित्व को वहन करते हुए अपने



अधिनस्त अधिकारियों से काम करवाने की कला थी। कौन क्या काम कर सकता है, पहले इसकी जानकारी लेते फिर यथा योग्य उसे दायित्व दे कर निश्चिंत हो जाते। असन्तुष्टों को पटा कर अपने काम के लिए राजी करने की अद्‌भुत कला उनमें थी। कोई कितना ही सक्षम-समर्थ हो, सार्वजनिक क्षेत्र में एकेला व्यक्ति कोई बड़ा नहीं कर सकता। इसके लिए कुशल नेहत्व के साथ सबको साथ लेकर आगे बढ़ना होता है। प्रिंसीपल सत्यनाथ दास ने अपने इसी गुण के साथ छात्र-छात्रा, अध्यापक वृंद, अभिभावक, समाजसेवी और बुद्धिजीवी वर्ग तथा सरकारी अधिकारियों की सद्‌भावना और सहयोग के साथ बी.एच. कॉलेज को सफलता की ऊँचाइयों पर पहुँचाया। इतनी सफलता इससे बहुत पहले स्थापित कॉलेज भी नहीं पा सके।

वयोवृद्ध सत्यनाथ दास शारीरिक स्वास्थ रुग्ण होते हुए भी एक संस्थापक प्रिंसीपल के रुप में बी.एच. कॉलेज के हर समारोह में सन्मिलित होते है और मार्ग दर्शन करते है। उनके आशीर्वाद से बी.एच. कॉलेज नित नये कीर्तिमान स्थापित कर रहा है। मैं परमपिता परमात्मा से उनके सुस्वास्थ और दीर्घायु की कामना करता हूँ।

*(सेवा निवृत ऐसोसियेट प्रोफेसर)*

# সমাজসেৱক সত্যনাথ দাস

ড° ভগীৰথ নাথ

যিসকল মহান ব্যক্তিয়ে ভৱিষ্যত প্ৰজন্মৰ কথা চিন্তা কৰি বৰপেটাৰোড-হাউলী অঞ্চলত উচ্চ শিক্ষানুষ্ঠান এখনৰ কথা ভাবিছিল তেওঁলোকৰ মাজৰ এজন সত্যনাথ দাসদেৱ। যিজনৰ নাম আজিও হাউলী, বৰপেটাৰোডৰ মানুহৰ মাজত সজীৱ হৈ আছে তেওঁৱে হৈছে বি. এইচ. মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় সত্যনাথ দাস। যিসকল স্বনামধন্য অগ্ৰজ ব্যক্তিৰ প্ৰচেষ্টাত বৰপেটাৰোড-হাউলী মহাবিদ্যালয় এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হ'ল তেওঁলোকক আজিও সমাজৰ সকলো স্তৰৰ লোকে শ্ৰদ্ধাৰে সোঁৱৰে। যাৰ হাতৰ পৰশত বৰপেটাৰোড-হাউলী মহাবিদ্যালয়খন লহপহকৈ বাঢ়ি আহি অনিৰ্ব্বাণ জ্যোতি বিয়পাই নৱ-প্ৰজন্মক আকৰ্ষিত কৰিলে তেওঁৱে হৈছে প্ৰাক্তন অধ্যক্ষ সত্যনাথ দাস।

হাউলী অঞ্চলৰ মৌটুপুৰী গাঁওত জন্ম গ্ৰহণ কৰা দাসদেৱে গাঁওৰ বোকা-পানীৰে ভৰপূৰ পথাৰ, প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য্যৰ মাজত থাকি জীৱনত সন্মুখীন হোৱা অভাৱ-অনাটনৰ মাজতো অনাবিল আনন্দত শৈশৱ কাল অতিবাহিত কৰি সমাজৰ এজন লেখত ল'বলগীয়া ব্যক্তি হিচাপে পৰিচয় দিব পাৰিছে। গাঁওৰ সৰ্বসাধাৰণ মানুহখিনি বৰ কষ্টত জীৱন অতিবাহিত কৰাৰ সময়ত যদি গাঁওৰে এজন উচ্চ শিক্ষিত ব্যক্তিৰ আৱিৰ্ভাৱ হয়, গাঁওৰ মানুহখিনিয়ে প্ৰশান্তি লাভ কৰে। আনৰ পৰা পোৱা অপমান



অথবা অসহায় ভাবৰ পৰা মানুহখিনিয়ে সকাহ পায়। যিজন ব্যক্তিয়ে সমাজৰ মানুহৰ মাজত থাকি মানুহৰ উত্তৰণৰ বাবে কাম কৰে তেনে ব্যক্তিক মানুহে আঁকোৱালি লয়। এনেকুৱা কামে মনত বিমল আনন্দ দিয়ে আৰু এই আনন্দ টকা-পইচাৰ বিনিময়ত উপলব্ধ নহয়। সত্যনাথ দাসদেৱেও নিৰৱচ্ছিন্নভাৱে সমাজৰ লগত থাকি, সমাজৰ ভাল-বেয়াবোৰ আঙুলিয়াই দি নিৰ্দিষ্ট পথেৰে আগুৱাবলৈ গাঁওৰ মানুহখিনিক অনুপ্ৰাণিত কৰি আহিছে।

সত্যনাথ দাসদেৱে ভাবিছিল গাঁওৰ সকলো মানুহেই জ্ঞানপুষ্ট হওক। গাঁওত এটা লাইব্ৰেৰী হওক। দাসদেৱে জানে যে শিক্ষা হ'ল সমাজৰ মেৰুদণ্ড স্বৰূপ। শিক্ষা-নীতিৰে উঠি অহা চামৰ মনত এখন নতুন সমাজ গঢ়াৰ স্বপ্নই বাহ লওক। লাইব্ৰেৰীৰ কিতাপে সমাজৰ মানুহক মনোৰঞ্জন আৰু জ্ঞান দিয়ক। এয়ে আছিল তেওঁৰ মহান উদ্দেশ্য। এনে উদ্দেশ্য আগত ৰাখি তেখেত হাউলী সাহিত্য সভাৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত হয় আৰু হাউলী সাহিত্য সভাক এক নতুন মাত্ৰা দিবলৈ চেষ্টা কৰে।

জাতি, ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতিৰ মিলন ভূমি আধুনিক হাউলী অঞ্চলৰ পৰিৱেশ যাতে কোনো কাৰণতে বিনষ্ট হ'ব নোৱাৰে তাৰ বাবে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অতন্দ্ৰ প্ৰহৰী হিচাপে থিয় হৈ হাউলী উন্নয়ন পৰিষদ গঠন কৰি সভাপতিৰ দায়িত্ব দাসদেৱৰ ওপৰত ন্যস্ত কৰিছিল। হাউলী ৰাস মহোৎসৱৰ লগতো ওতঃপ্ৰোতভাৱে থাকি তেখেতে দিহা-পৰামৰ্শ আগবঢ়াই আহিছে। কৰ্মপটুতা, নিয়মানুৱৰ্তিতা আৰু সামাজিক দায়বদ্ধতাৰ বাবে হাউলী ৰাস মহোৎসৱে দাসদেৱক 'হাউলী বঁটা'ৰে স্বীকৃতি প্ৰদান কৰিছে।

অধ্যক্ষৰ নিচিনা গধুৰ দায়িত্বত থাকিও হাউলী-বৰপেটাৰোডৰ কেইবাখনো বিদ্যালয়, মহাবিদ্যালয়ৰ লগত তেখেত জড়িত আছিল। হাউলী হাইস্কুলৰ প্ৰাদেশিকীকৰণৰ আগমুহূৰ্তত পৰিচালনা কমিটিৰ সভাপতি হিচাপে থাকি প্ৰশাসনীয় বহু কামত সহায়-সহযোগিতা আগবঢ়াইছিল। চৰকাৰীকৰণৰ পিছতো পৰিচালনা সমিতিৰ গধুৰ দায়িত্ব কান্ধ পাতি লৈ

তেখেতে হাউলী অঞ্চলৰ শৈক্ষিক পৰিৱেশ উন্নয়নত বিশেষ গুৰুত্ব দিছিল। হাউলী হাইস্কুলৰ 'সোণালী জয়ন্তী স্মাৰক নিধি' গঠন কৰাৰ ক্ষেত্ৰতো তেখেতে বিশেষ ভূমিকা লৈছিল। সোণালী জয়ন্তীৰ ৰাহি ধন বেংকত জমা ৰাখি প্ৰতি বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক কিতাপ আদি বঁটাৰে উদ্‌গণি যোগাই আহিছে। হাউলী অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ লগত আলোচনা মৰ্মে তেখেতে হাউলী হাইস্কুলখন উচ্চতৰ পৰ্য্যায়লৈ উন্নীত কৰাৰ প্ৰচেষ্টা হাতত লয়। প্ৰথম বছৰতে চৰকাৰৰ লগত যোগাযোগৰ সুবিধাৰ বাবে সত্যনাথ দাসদেৱক সভাপতি হিচাপে লৈ এখন শক্তিশালী পৰিচালনা কমিটী গঠন কৰি দিয়ে। সেই কমিটীৰ ময়ো এজন সদস্য আছিলোঁ যদিও কমিটীখন এবাৰ নে দুবাৰ বহাৰ অন্তত আভ্যন্তৰীণ খেলি-মেলিৰ বাবে থমকি ৰ'ব লগা হয়। হাউলী জুনিয়ৰ কলেজ স্থাপনৰ সময়ছোৱাত আৰু মদনমোহন কীৰ্ত্তন ঘৰ সাজি উলিওৱাৰ ক্ষেত্ৰত দাসদেৱে বিশেষ সহযোগ আগবঢ়াইছিল। সেইদৰে বৰপেটাৰোড ক্লাৱ আৰু গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ লগত জড়িত হৈ এখন মানবিশিষ্ট শিক্ষানুষ্ঠান হিচাপে গঢ় দিয়াত অৰিহণা যোগাইছিল।

সমাজৰ উপযুক্ত নাগৰিক হিচাপে নিজক আৰু আনকো গঢ়ি তুলিবলৈ তেখেতে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। দেশৰ সচেতন প্ৰতি গৰাকী ব্যক্তিৰে সামাজিক, ৰাজনৈতিক, দেশপ্ৰেম আৰু প্ৰকৃত শিক্ষাৰ প্ৰয়োজন আছে। এনে মনোভাৱ দাসদেৱৰ অন্তৰতো উদয় হৈছিল। সেয়েহে দাসদেৱেও এসময়ত ৰাজনীতিৰ ৰ'দ কাঁচলিত গা-মন জুৰ পেলাই শিক্ষানুষ্ঠানখনৰ উন্নতিৰ জেউতিৰে সমাজখনৰ প্ৰতি থকা দায়িত্ব পালনৰ নিচিনা কামো কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ আদৰ্শই সকলোকে অনুপ্ৰাণিত কৰক। এয়ে আমাৰ কামনা।

*(লেখক কলগাছিয়াৰ নৱজ্যোতি কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক)*



# আমার মানসপটে অধ্যক্ষ হিসেবে শ্রী সত্যনাথ দাস

সত্য কুমার কর্মকার

১৯৭৬ খ্রিষ্টাব্দের ১৮ ই মার্চ থেকে ১৯৯৯ এর ফেব্রুয়ারী অবধি বি.এইচ্.কলেজের প্রতিষ্ঠাপক অধ্যক্ষ শ্রীযুক্ত সত্যনাথ দাস মহাশয়ের সঙ্গে আমার কার্যকাল যাপনের যে সুবর্ণ সুযোগ মিলেছিল তার জন্যে আমি নিজেকে সৌভাগ্যবান বলে মনে করি। এই সুদীর্ঘ ২৪ টি বছরের কালপ্রবাহের মূল্যবান মুহূর্তগুলো আমি সযত্নে ও সানন্দে অতিবাহিত করেছিলাম ওঁর স্নেহধন্য হয়ে। দাস মহাশয়ের অবসরকাল অবধি ওঁর সাহচর্যে কার্যালয়ের গুরুদায়িত্ব পালনের সুযোগ ঘটেছিল। সেই সুবাদে তাঁকে দীর্ঘকাল ধরে নিবিড় সান্নিধ্যঘন পরিসরে জানার ও বোঝার অবকাশ পেয়েছিলাম। সেই বিগত দিনগুলোব অভিজ্ঞতার নিরিখে দাস স্যারের মহত্ব মূল্যয়ণের চেষ্টা করছি।

আমার দৃষ্টিতে অধ্যক্ষ সত্যনাথ দাস বহুবিধ চারিত্রিক গুণাবলী বিভূষিত এক অনন্য ব্যক্তিত্ব। কলেজের শৈক্ষিক ও প্রশাসনিক কর্ম নির্বাহে তিনি যেমন দক্ষ ছিলেন, ঠিক তেমনি কার্যালয় পরিচালনার ক্ষেত্রেও চিলেন সিদ্ধহস্ত। কলেজ পরিচালনার ক্ষেত্রে ওঁর যে কুশলতা এবং সহৃদয়তা লক্ষ করেছি তা অনুপুংখরূপে বর্ণনা করা খুবই কষ্টকর ব্যাপার।

অন্যান্য স্নেহবাজনদের মতো দাস মহাশয় আমাকে ও অপার ভ্রাতৃস্নেহে জড়িয়ে রেখেছিলেন। আমার প্রতি ওঁর স্নেহ ও ভালবাসা ছিল অতুলনীয় যা আমার কর্মস্পৃহা বর্ধনের ক্ষেত্রে অপূর্ব ইন্ধন যোগাত। অধঃস্তন কর্মচারী হিসেবে তিনি কখনো আমাদের তাচ্ছিল্য করেননি। যে কোনো কাজ সুচারুপে সম্পাদনের ক্ষেত্রে পূর্ণ স্বাধীনতা দিতেন। তবে প্রতিনিয়ত শ্যানদৃষ্টি রাখতেন আমাদের কাজের ওপর। পক্ষান্তরে আমারাও ওঁর বিশ্বাসের মর্যাদা অটুট রাখবার আপ্রান চেষ্টা করতাম। কলেজের আয়-ব্যয়ের হিসাব নিরীক্ষণের ক্ষেত্রে তিনি ছিলেন খুব সতর্ক। একটি পয়সাও যাতে অপচয় না হয় সেদিকে তাঁর তীক্ষ্ম দৃষ্টি থাকতো।

দাস স্যারের নির্দেশনায় আমার ওপর কলেজের হিসাব এবং বিত্তীয় তহবিল রক্ষণাবেক্ষণের দায়িত্ব অর্পিত হয়। তাই এক্ষেত্রে তাঁর ভূমিকা যথেষ্ট গুরুত্বপূর্ণ। আমার যাবতীয় কাজের ওপর তাঁর পূর্ণ আস্থা ছিল। তিনি সর্বদাই বলতেন ঃ “দুটো টাকা যদি বাঁচানো যায় তাহলে সে টাকা আমাদের হ'বেনা, সেটা হবে কলেজের তহবিল।” এ হেন বৃহদায়তন কলেজ চালাতে হলে অর্থের তো প্রয়োজন হবেই। যাতে কলেজের ভবিষ্যৎ তহবিল উত্তরোত্তর মজবুত করা যায়- সেটা ছিল স্যারের মূল লক্ষ্য। তিনি কখনো একটি পয়সারও অপচয় হতে দেননি। তহবিল সংরক্ষণ বিষয়ে ঠিক এভাবেই তিনি আমাকে সব সময় পরামর্শ দিতেন এবং আমার সঙ্গে উক্ত বিষয় নিয়ে একান্তে আলোচনাও করতেন। ওঁর এই মানস ভাবনার যোগ্য মর্যাদা আমি আদৌ কতটুকু রক্ষা করতে পেরেছি তা একমাত্র স্যারই জানেন, আর জানেন সর্বকল্যাণময় ঈশ্বর।

প্রতিকূল বিধির বিরূপতায় মাঝে মধ্যে কলেজকে অর্থনৈতিক সংকটের মুখোমুখি হতে হয়েছে। সেই দুর্যোগের দিনগুলোতে কীভাবে পরিস্থিতির মোকাবেলা করে সংকটের নিরসন ঘটানো যায়-সে ব্যাপারে



স্যার আমার সঙ্গে নিভৃতে আলোচনা করতেন। ওঁর অক্লান্ত চেষ্টা, উদ্যম আর নির্দেশিকা পাথেয় করে সেই দুর্দিন কাটিয়ে স্বচলতার মুখ দেখতে আমাদের বেশী সময় লাগেনি। অপরিসীম ধৈর্য, অক্লান্ত কর্মস্পৃহা আর নিষ্ঠা র দৌলতে প্রথাগত কর্মজীবন থেকে অবসর গ্রহণের সময় স্যার এক বৃহৎ পরিমাণ অংকের অর্থ পুঁজি হিসেবে কলেজে রেখে যেতে সক্ষম হন। কোনো হিসাব পরীক্ষক (Auditor, Local Accounts) কোনো কালেই তাঁদের রিপোর্টে স্যারের বিষয়ে কোনো ধরণের কটু মন্তব্য করার সাহস পাননি।

কলেজে থাকাকালীন সময়সীমায় স্যার আমায় সকলপ্রকার বিপদ থেকে রক্ষা করতেন এবং প্রতিপলে সাহস যোগাতেন। এর জ্বলন্ত উদাহরণ হলো, বহিরাগত আন্দোলনের সময় কোনোরূপ বিপদের আশাংকা পেলে তিনি বলতেনঃ “তোমায় অফিস ছেড়ে যেতে হবেনা। যেভাবেই হোক, আমি তোমার কোনো ক্ষতি হতে দেব না।” এই মহান ব্যক্তি আমার মানসপটে চিরদিন অক্ষয় এবং অমর হয়ে থাকবেন। আমি স্যারের দীর্ঘায়ু কামনা করি। পরিশেষে বলা যায়, শ্রীযুত সত্যনাথ দাস সত্যিই একজন আদর্শ পুরুষ যিনি সুদক্ষ অধ্যক্ষ হিসেবে স-সম্মানে কর্মজীবনের যবনিকা টেনেছেন।

*(লেখক বি. এইচ. কলেজের অবসরপ্রাপ্ত গাণনিক)*

# সোণালী জয়ন্তী বৰ্ষ, সত্যনাথ দাস, হোষ্টেল, পিকনিক আৰু আমি....

ডাঃ হৰেন চৌধুৰী

১৯৬৬ চনত স্থাপিত হোৱা বৰপেটাৰোড হাউলী মহাবিদ্যালয়ে এইবেলি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ লৈছে। অনুষ্ঠান এটিৰ সোণালী জয়ন্তী বৰ্ষই অনুষ্ঠানটিৰ ইতিহাসক বস্তুনিষ্ঠভাৱে পৰ্যবেক্ষণ কৰাৰ সুযোগ প্ৰদান কৰে। ইতিহাসৰ এই পৃষ্ঠাবোৰ লুটিয়ালেই চকুত পৰে বহু বৰেণ্য ব্যক্তিৰ জীৱন-সাধনা, অক্লান্ত পৰিশ্ৰম আৰু নিস্বাৰ্থ ত্যাগৰ বহু বিচিত্ৰ কাহিনী— যিবোৰ গল্প-উপন্যাসৰ কাহিনীৰ দৰেই ৰোমাঞ্চকৰ আৰু হৃদয় চুই যাব পৰা বিধৰ। সফলতা-বিফলতা, প্ৰাপ্তি-অপ্ৰাপ্তিৰ এই কাহিনীৰ মাজেৰে বাস্তৱৰ নায়কসকল বৰ সুন্দৰকৈ উজলি উঠে। তেনে প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ ভিতৰত এজন হ'ল সত্যনাথ দাস। ১৯৬৪ চনৰ মে' মাহত বৰপেটাৰোড হাউলী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ব্যাবে বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ স্মাৰক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰিছিল বৰপেটা মহকুমাৰ মহকুমাধিপতি কমল চন্দ্ৰ মজুমদাৰদেৱে। এই সভাত বৰপেটাৰোড হাউলীৰ মাজত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি 'বৰপেটাৰোড হাউলী মহাবিদ্যালয়' নামেৰে নামকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইখন মহাবিদ্যালয় গঢ়াৰ জন্মলগ্নৰে পৰা হাউলীৰ



প্ৰয়াত ডাঃ সুৰেন্দ্ৰ নাথ দাস, প্ৰয়াত সৰ্বানন্দ দাস, প্ৰয়াত উমেশ চন্দ্ৰ দাস, প্ৰয়াত যাদৱ চন্দ্ৰ দাস, প্ৰয়াত আব্দুল কাদেৰ চৌধুৰী, প্ৰয়াত ধীৰেন্দ্ৰ নাথ দাস, প্ৰয়াত জমিদাৰ বড়ো, প্ৰয়াত ধীৰেন্দ্ৰ নাথ পুজাৰী, প্ৰয়াত থিৰেশ্বৰ শৰ্মা, শ্ৰী পৰমানন্দ দাস আদি আৰু বৰপেটাৰোডৰ প্ৰয়াত মোহন লাল চৌধুৰী, প্ৰয়াত গণপৎ ৰায় মোৰ, প্ৰয়াত হনুমান প্ৰসাদ আগৰৱালা, প্ৰয়াত অমূল্য কুমাৰ বিশ্বাস, প্ৰয়াত হৰিৰাম বাগাৰিয়া, প্ৰয়াত মথুৰা মোহন হিতৈষী, প্ৰয়াত শুধাংশু প্ৰামাণিক আদি বহু কেইজন সমাজকৰ্মী ব্যক্তি জড়িত আছিল। প্ৰয়াত অক্ষয় কুমাৰ দাস (প্ৰথম সভাপতি, কলেজ পৰিচালনা সমিতি), প্ৰয়াত চিদানন্দ দাস (ৰেজিষ্টাৰ, গুৱাহাটী বিশ্ববিদ্যালয়), প্ৰয়াত ৰাধাকান্ত দাস (অধ্যক্ষ, এম. চি. কলেজ, বৰপেটা)ৰ অক্লান্ত চেষ্টাত ১৯৬৬ চনত সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাদেৱে কলেজ স্থাপনৰ অনুমতি প্ৰদান কৰে। অগণন শুভাকাংক্ষী ৰাইজৰ অনুৰোধত বজালী মহাবিদ্যালয়ৰ স্থায়ী পদ ইস্তফা দি শ্ৰীসত্যনাথ দাসদেৱে বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰে। ১৯৬৬ চনৰ ১৩ ডিচেম্বৰ মহাবিদ্যালয়খনৰ মূল ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। সেই দিনাখনৰপৰা বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ সহযোগত আৰু অধ্যক্ষৰ সুপৰিচালনাৰে মহাবিদ্যালয়খনে দোপতদোপে উন্নতিৰ উচ্চ শিখৰলৈ আৰোহণ কৰিবলৈ ধৰে। প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱৰ অক্লান্ত প্ৰচেষ্টাৰ বাবে বৰ্তমান এই মহাবিদ্যালয়খন অসমৰ ভিতৰতে জাকত জিলিকা হৈ উঠিছে। বৰ্তমান মহাবিদ্যালয়ত তিনিওটা (কলা, বিজ্ঞান, বাণিজ্য) শাখা আছে আৰু শিক্ষাৰ মানো সৰ্বভাৰতীয় পৰ্য্যায়ৰ বুলি আমি গম পাওঁ। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মিলাপ্ৰীতি আৰু বিভিন্ন জাতি-ধৰ্মৰ সম্প্ৰদায়ৰ ভিতৰৰ ঐক্য এইখন মহাবিদ্যালয়ৰ এটা বিশেষ তাৎপৰ্য্যপূৰ্ণ দিশ।

আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে মহাবিদ্যালয়খনৰ আৰম্ভণিৰ পৰা এক বিশেষ মধ্যবিন্দুৰ ভূমিকা গ্ৰহণ কৰা ব্যক্তিজন অন্য কোনো নহয়, তেওঁ হ'ল প্ৰতিষ্ঠাপক অধ্যক্ষ সকলোৱে সন্মানীয় শ্ৰী সত্যনাথ দাস। বৰপেটাৰোড আৰু হাউলী দুয়োখন ঠাইৰে ৰাইজৰ স'তে বিশেষ সম্বন্ধ স্থাপন কৰাত অধ্যক্ষই সফল হৈছিল যাৰ বাবে হয়তো প্ৰতিষ্ঠা কালত দান-বৰঙণি পাবলৈ সহজ-সুবিধা হৈছিল আৰু অলপ দিনৰ ভিতৰতে উন্নতিৰ জখলা বগাবলৈ সক্ষম হৈছিল। এক মিশ্ৰিত ভাষা-গোষ্ঠী-ধৰ্মৰে ভৰা বৰপেটাৰোড হাউলী অঞ্চল। সেই বাবে অধ্যক্ষই সদায় মহাবিদ্যালয়খনক ধৰ্মনিৰপেক্ষ আৰু ৰাজনীতিৰ উৰ্দ্ধত ৰাখিবলৈ প্ৰায়ে যত্ন কৰা দেখা গৈছিল। তেওঁ বুজিছিল জ্ঞান মন্দিৰত পূজা কৰাৰ অধিকাৰ সকলো মানুহৰে জন্মস্বত্ব অধিকাৰ। ইয়াৰ উপৰিও তেওঁৰ সততা, নিষ্ঠা আৰু নৈতিকতাৰ ওপৰত এই অঞ্চলৰ মানুহৰ অগাধ বিশ্বাস আছিল। অধ্যক্ষ সত্যনাথ দাসৰ শিক্ষা বিভাগৰ কাৰ্যালয়ৰ স'তেও মধুৰ সম্বন্ধ থকা বাবে মহাবিদ্যালয়ৰ কাম-কাজ আৰু টকা-পইচা অনাত তেওঁ বিশেষ অসুবিধাৰ সন্মুখীন হোৱা নাছিল বুলি আমি গম পাইছিলোঁ। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলোৱে তেওঁক মুক্ত মনে সাধ্য অনুসৰি সহায়ৰ হাত আগবঢ়াইছিল। শিক্ষক-শিক্ষয়িত্ৰীসকলে নিয়মিতভাৱে শ্ৰেণীকোঠাত উপস্থিত থাকে নে নাথাকে সেই ফালেও বিশেষ নজৰ দিছিল। মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াবা দুষ্টামি কৰিলে শ্ৰেণী কোঠাত একো নকৈ তেওঁ নিজৰ কোঠালৈ মাতি নি দুষ্টামি নকৰিবলৈ সাৱধান বাণী শুনাইছিল। কাৰণ শ্ৰেণী কোঠাত সাৱধান বাণী শুনালে ছাত্ৰ বা ছাত্ৰীজনৰ মনত মানসিকভাৱে বিৰূপ প্ৰতিক্ৰিয়া হোৱাৰ সম্ভাৱনা থাকে বুলি তেওঁ জানিছিল।

একাগ্ৰতা আৰু সাধনাৰ দ্বাৰাহে মানুহে জ্ঞান আহৰণ কৰিব পাৰে। সেই বাবে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভৰিত থিয় দিবলৈ হ'লে



পাঠ্যপুথিৰ বাহিৰেও ব্যৱহাৰিক জীৱনৰ বাবে বিভিন্ন পুথি পঢ়িবলৈ কৈছিল আৰু মহাবিদ্যালয়ৰ ভিতৰত বা বাহিৰতো নিজৰ জীৱনৰ প্ৰতি সজাগ হ'বলৈ উপদেশ দিছিল, যাতে নিজৰ ভিতৰত থকা সুপ্ত গুণৰাশি বিকশিত হ'বলৈ সুবিধা পায়। সেই বাবে হয়তো বিবেকানন্দই কৈছিল— 'মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্তভাৱে আছে তাৰ বিকাশেই শিক্ষাৰ লক্ষ্য।' ছাত্ৰ-ছাত্ৰী এজনে যেতিয়া নিজৰ ভুল আঁতৰ কৰি শিক্ষাত ব্ৰতী হয় তেওঁৰ কৃতকাৰ্য্যতা অনিবাৰ্য। চক্ৰেটিছেও কৈছিল— 'ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱে শিক্ষাৰ মূল লক্ষ্য।' অধ্যক্ষ সত্যনাথ দাসদেৱে বুজিছিল শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ আন্তৰিকতা আৰু কৰ্তব্যনিষ্ঠা মহাবিদ্যালয়খনৰ বাবে অতি দৰকাৰ আৰু এয়া সৰ্বত্ৰতে দীপ্তিমান হোৱা উচিত। ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ মাজত শিক্ষক-শিক্ষয়িত্ৰীৰ নিষ্ঠা, একাগ্ৰতা আৰু চৰিত্ৰৰ প্ৰতিফলন হয়। ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা জগায়। শুদ্ধভাৱে জ্ঞান বিলালেহে বিকশিত হয় তাৰ মহত্ব আৰু পবিত্ৰতা। শ্ৰীমদ্ভাগৱতত উল্লেখ আছে— 'নহি জ্ঞানেন সাদৃশং পবিত্ৰমিহ বিদ্যতে।' ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰায়ে অনুকৰণ কৰা দেখা যায়। এই ক্ষেত্ৰত অধ্যক্ষ সত্যনাথ দাসদেৱ এজন সতৰ্ক ব্যক্তি আছিল। বৰ্তমান বাতৰিকাকত বা টিভি চেনেল আদিত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নৈতিকতাৰ স্খলন আৰু মানৱতাৰ পতন হোৱা বহুতো বাতৰি প্ৰকাশ হৈ থাকে। এনেবোৰ কাৰ্যই ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু সমাজতো শিক্ষকৰ এক বিৰূপ ছবি প্ৰতিবিম্বিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সেইজন শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি আস্থা আৰু বিশ্বাস নোহোৱা হয় আৰু শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো বাধা হয়। গতিকে আজিৰ সমাজত নৈতিকতাৰ আধাৰত মূল্যবোধৰ শিক্ষা অতীৱ প্ৰয়োজন আৰু এনেবোৰ কথা অধ্যক্ষ সত্যনাথ দাসদেৱে হৃদয়েৰে উপলব্ধি কৰিছিল আৰু সেয়া তেওঁৰ ব্যক্তিত্বত প্ৰতিফলিত হৈছিল। সেই বাবে হয়তো মহাত্মা

গান্ধীয়ে শিক্ষকৰ ভূমিকাৰ কথা এনেদৰে কৈছিল— 'ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষকসকল নিজেই এখন পাঠ্যপুথি। শিক্ষকসকলে পুথিৰ পৰা শিকোৱা কথাবোৰ মই সামান্য ভাৱেহে মনত ৰাখিব পাৰিলোঁ। মোক শিক্ষাগুৰুসকলে পাঠ্যপুথিৰ উপৰিও মোক যিবোৰ কথা শিকালে সেইবোৰ সুন্দৰকৈ মনত ৰাখিলোঁ।' অৰ্থাৎ এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ অজ্ঞাতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চৰিত্ৰৰ বৰ্ণমালা পঢ়ে আৰু অনুসৰণ কৰে। তেওঁলোকৰ কুমলীয়া মনত শিক্ষক-শিক্ষয়িত্ৰীৰ ভাল বা বেয়া গুণবোৰ চিৰদিনলৈ ৰৈ যায়। এই ক্ষেত্ৰত অধ্যক্ষ সত্যনাথ দাস ওপৰোক্ত প্ৰায়বোৰ গুণেৰে প্ৰোজ্জ্বল অধিকাৰী হৈ আছিল যাৰ বাবে আগত বা পিছত তেওঁক কোনেও তুচ্ছ-তাচ্ছিল্য কৰাৰ সাহস গোটাব পৰা নাছিল। অভাৱ-অনাটনৰ সময়ত বা দুৰ্যোগৰ সময়তো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ স'তে অধ্যক্ষ সত্যনাথ দাসদেৱে মহাবিদ্যালয়খন আগুৱাই নিবলৈ সমৰ্থ হৈছিল— এইটো একমাত্ৰ তেওঁৰ নিস্বাৰ্থ নিখুঁত নিৰহংকাৰী চৰিত্ৰৰ বাবে সম্ভৱ হৈছিল। এটা সময়ত প্ৰয়াত খৰ্গেশ্বৰ নাথ, হংসবল্লভ চৌধুৰী, অৰুণ পাঠক, গুণীন্দ্ৰ চৌধুৰী আৰু বৰ্তমান সময়ৰ ড° ৰমেন দাস, ড° অৰুণ দাস ৰাম অৱতাৰ সাৰদা আদি শিক্ষকসকল আমাৰ সমবয়সীয়া হোৱা বাবে কলেজখনৰ ভিতৰৰ আৰু বাহিৰৰ বহু কথা জনাৰ সুযোগ পাইছিলোঁ আৰু কোনো পৰিস্থিতিতে অধ্যক্ষ সত্যনাথ দাসৰ বিৰুদ্ধে বিৰূপ মন্তব্য শুনা নাছিলো। সত্যনাথ দাসে প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যি শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰিলে আন কলেজত তেনে ছবি আমাৰ বাবে কমহে দৃষ্টিগোচৰ হৈছে। তেওঁ মিলাপ্ৰীতি আৰু সমন্বয়ৰ মাজেৰে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীক সদায়ে উদ্‌গনি দিছিল যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত ভাল ফল পাবলৈ সক্ষম হৈছিল। এজন চৰিত্ৰৱান, নিষ্ঠাৱান শিক্ষকৰ সন্মান অকল মহাবিদ্যালয়তে সীমিত নাথাকে, সমাজ জীৱনতো তাৰ প্ৰভাৱ



পৰে। ইতিহাস চালে এনে উদাহৰণ আমি বহুতো পঢ়িবলৈ পাওঁ। Henry Adams এ লিখিছে— "A teacher affects eternity, he can never tell where his influence stops." যি কোনো অনুষ্ঠানৰ মুৰব্বীজন সৎ, নিকা, নিঃস্বাৰ্থ চৰিত্ৰৰ হ'লে তেওঁৰ ওপৰত সকলোৱে বিশ্বাস আৰু আস্থা ৰাখে আৰু তেওঁৰ ওচৰত সদায় নিজকে নিৰাপদ অনুভৱ কৰে। সেই বাবে প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসৰ শিক্ষক হিচাপে প্ৰাসংগিকতা আজিও ছাত্ৰ সমাজত, শিক্ষক সমাজত, জন সমাজত বিদ্যমান; এক্কাৰ ফালি ওলোৱা সূৰ্য্যৰ দৰে উজ্জ্বল।

এটা সময়ত বৰপেটাৰোডৰ সম্ভ্ৰান্ত ক্লাব 'দি বৰপেটাৰোড ক্লাব'ৰ তেওঁ সভাপতি আছিল। সেই সময়ত আমিও সেই ক্লাবৰ সদস্য আছিলো। ক্লাবৰ যিকোনো সভাত তেওঁ সময়তকৈ আগতে উপস্থিত হৈছিল। সময়ক তেওঁ আন্তৰিকতাৰে মান্যতা প্ৰদান কৰিছিল। তেওঁ প্ৰায়ে কৈছিল কিছু কাম সময় মতে নকৰিলে পিছত কৰাটো অতি জটিল হৈ উঠে। সময়ৰ শৰ সময়ত মাৰিব লাগে। তেওঁ ক্লাবৰ সকলো সদস্যৰ স'তে সম্ভাৱ আৰু সংযোগ ৰক্ষা কৰিছিল। তেওঁৰ বুদ্ধিদীপ্ত কথাই ক্লাবৰ সদস্যসকলক উৎসাহিত কৰিছিল। পিছত তেওঁৰ বেমাৰ আৰু কলেজৰ অত্যধিক কামৰ হেঁচাত ক্ৰমাৎ ক্লাবলৈ অহা কমাই দিছিল যদিও আজিও ক্লাবৰ সদস্যসকলে তেওঁৰ বা-বাতৰি লৈ থাকে। মহাবিদ্যালয় বা ক্লাবৰ বাহিৰতো বিভিন্ন ঠাইত বিভিন্ন সময়ত বিভিন্ন সভা-সমিতিত আমাৰ সতে তেওঁৰ কথা-বতৰা হৈছিল আৰু তেওঁৰ সাৰুৱা জ্ঞানদীপ্ত ভাষণ শুনাৰ আমাৰ সৌভাগ্য হৈছিল। সকলো সময়তে তেওঁৰ বহুমুখী ব্যক্তিত্বই সকলোকে আকৰ্ষণ কৰিছিল আৰু সকলোৱে তেওঁক আপোন মানুহৰ দৰে আদৰি লৈছিল।

অধ্যক্ষ সত্যনাথ দাসদেৱৰ অনুৰোধত আমিও ৯/১০ বছৰ মান এই মহাবিদ্যালয়খনৰ ল'ৰা আৰু ছোৱালী হোষ্টেলৰ চিকিৎসক ৰূপে সেৱা

আগবঢ়োৱাৰ সুবিধা পাইছিলোঁ। এই সূত্রে ছাত্র-ছাত্রী, কর্মচাৰী আৰু শিক্ষক-শিক্ষয়িত্রীৰ স'তে আমাৰ এক মধুৰ সম্বন্ধ গঢ় লৈ উঠিছিল যি সম্বন্ধ আজিও অটুট আছে। সপ্তাহত এদিন/দুদিনকৈ আৰু জৰুৰী অৱস্থাত কেতিয়াবা মাজৰাতিও হোষ্টেললৈ আহিবলৈ বাধ্য হৈছিলোঁ। আজিও সেই সময়ত হোষ্টেলত থকা ল'ৰা-ছোৱালীয়ে ক'ৰবাত আমাৰ স'তে দেখা দেখি হ'লে সোধে— 'ছাৰ, আপুনি কলেজ হোষ্টেলত ডাক্তৰ নাছিল জানো? মোক চিনি পাইছেনে...?' আমি ল'ৰা বা ছোৱালীজনীক চিনিব (শৰীৰৰ অবয়ব পৰিৱৰ্তন হোৱা বাবে) নোৱাৰিলেও কওঁ— 'হয় পাইছোঁ....।' এনেবোৰ বয়স্ক ল'ৰা-ছোৱালীয়ে আমালৈ দেখুওৱা নম্রতা ভৰা আগ্রহ আৰু তেওঁলোকৰ সুস্থ শৰীৰ দেখি আমি আনন্দিত হৈছিলোঁ আৰু গৌৰৱ অনুভৱ কৰিছিলোঁ।

এই সোণালী বৰ্ষৰ সোণালী অনুভৱে আকুল কৰা পৰত হঠাৎ এটি বিষাদৰ অনুভৱেও আমাক বিষাদ ব্যাকুল কৰিছে। ১৯৯৮ চনত ২৯ নৱেম্বৰ ৰাতিপুৱা ৫-৩০ মান বজাত প্রয়াত ডাঃ দৈতাৰি দাসৰ পৰা ফোন পালো। তেওঁ ক'লে— 'আজি হোষ্টেলৰ ছোৱালীবোৰে বনভোজ খাবলৈ যোৱা বাছখন টিহু নদীৰ দলঙত দুৰ্ঘটনাগ্রস্ত হৈছে তালৈ যাব লাগে।'

কথাটো শুনি সৰগ পৰা মানুহৰ দৰে হ'লো। আমি তাৰাতাৰিকৈ ওলালো। ডাঃ দৈতাৰি দাসৰ মাৰুতি ভানখনেৰে অধ্যক্ষ সত্যনাথ দাস আৰু আমি তিনিওজন দুৰ্ঘটনাগ্রস্ত ঠাইখনলৈ ৰাওনা হ'লো। তিনিওজনৰে বিৱৰ্ণ মুখ। শোকাকুল মন। তথাপি তিনিওজনৰ মাজত কিছু কথা বিনিময় হ'ল। — শেষ ৰাতি গাড়ী চলালে ড্ৰাইভাৰৰ টোপনি ধৰে.... ড্ৰাইভাৰে কিজানি মদ খাইছিল.... ইমান দুৰলৈ বনভোজ খাবলৈ অনা অনুচিত.... গাড়ীৰ ষ্টিয়াৰিং বা ব্ৰেক ফেইল হ'ব পাৰে ইত্যাদি। প্রায় এঘণ্টাৰ পিছত টিহু নদীৰ দলং পালোঁ। তিনিওজনে গাড়ীৰ পৰা নামি দলঙৰ দক্ষিণ পিনে



থকা সেউজীয়া ঘাঁহনিত প্রত্যক্ষ কৰিলো বোকাপানী ডিজেলেৰ লুতুৰি পুতুৰি হৈ থকা সাতজনী গাভৰু ছোৱালী। নিমাত নিথৰ বৰফ শীতল দেহ। আমিও কিছু সময় নিমাত হৈ পৰিলো— আমছৈলে হাঁহি স্ফূর্তিৰে বনভোজ খাবলৈ অহা ছোৱালীবোৰৰ এনে অৱস্থা দেখি। সিহঁতৰ বনভোজ খোৱা নহ'ল। মহাবিদ্যালয়খনত চিৰকালৰ বাবে এটি শোকৰ স্মৃতি পৰি ৰ'ল। সিহঁতৰ মাক-বাপেকৰ কাংক্ষিত সপোন চিৰদিনৰ বাবে কুটিল কালৰ বুকুত হেৰাই গ'ল। আবেলি সাতোজনী ছোৱালীৰ মৃতদেহ মহাবিদ্যালয়লৈ অনা হ'ল। এনে শোকাকুল পৰিৱেশতো অধ্যক্ষ সত্যনাথ দাসদেৱৰ পৰিস্থিতিৰ মুখামুখি হোৱাৰ ক্ষমতা আৰু মনৰ দৃঢ়তা দেখি আমি মনে মনে আচৰিত হৈছিলোঁ। মহাবিদ্যালয়ত এই শোকাকুল পৰিস্থিতিৰ সময়খিনি তেওঁ যিদৰে মোকাবিলা কৰি পুনৰ আগৰ দৰে স্বাভাৱিক কৰিলে তাক নেদেখিলে বুজাব নোৱাৰি। সঁচাকৈয়ে তেওঁ এজন স্থিতপ্রজ্ঞ দৃঢ়মনা মানুহ। সাতজনী যৌৱনাদীপ্ত গাভৰুৰ অকাল মৃত্যুৰ সোঁৱৰণিয়ে সকলোকে বিষাদ যন্ত্রণা দিয়াটো স্বাভাৱিক। সিদিনা সাতজনী মৃতদেহৰ শাৰীত যেতিয়া আমি সেই বিশেষ এজনী ছোৱালীৰ মুখখন আৱিষ্কাৰ কৰিছিলো তেতিয়া আমি এটি বিশেষ কথাৰ বাবে অলপ বেলেগ ধৰণৰ যন্ত্রণা অনুভৱ কৰিছিলোঁ। ছোৱালীজনীৰ মুখৰ হাঁহিটোৱে আমাক বৰকৈ আমনি কৰিছিল। বনভোজৰ আগদিনা আগৰ দৰে আবেলি পৰত আমি ছোৱালী হোষ্টেললৈ চিকিৎসা সেৱা দিবলৈ গৈছিলোঁ। মোক বাৰাণ্ডাৰ চিয়াৰত বহিবলৈ দি কেইজনীমান ছোৱালীয়ে আহি কৈছিল— ছাৰ, আজি আমাৰ বেমাৰ আজাৰ নাই, কাৰোবাৰ থাকিলেও নাই। অহাকালি আমছৈলে পিক্‌নিক্ খাবলৈ যাম....। হঠাৎ সিহঁতৰ মাজৰ পৰা এজনী ধুনীয়া মিঠা বৰণীয়া ছোৱালী আমাৰ কাষলৈ আহি হাঁহি ক'লে— ছাৰ, আপুনিও আমাৰ লগত পিক্‌নিক্‌লৈ যাব লাগিব। একো অসুবিধা নহয়। লগত দুজন ছাৰো যাব। আমাৰ বেমাৰ

হ'লেও আপুনি ঔষধ দিব পাৰিব...। আমি ছোৱালীজনীক ক'লো— আমি মাছ-মাংস নোখোৱা মানুহ, বনভোজলৈ গ'লে কি খাম। তৎক্ষণাৎ ছোৱালীজনীয়ে কৈছিল— ছাৰ, চিন্তা নকৰিব, আপোনাৰ বাবে পনীৰ নিম। আপুনি যাব লাগিব...। আমিও ছোৱালীজনীৰ আগ্ৰহক সন্মান জনাই ক'লো— ঠিক আছে চেষ্টা কৰিম যাবলৈ...। এনেদৰে সিদিনা গধূলি ছোৱালী হোষ্টেল এৰি ঘৰমুৱা হৈছিলোঁ। বিশেষ কাৰণত আমাৰ পিক্‌নিক্‌লৈ যোৱা নহ'ল। কিন্তু সেই দিনা দলঙৰ কাষৰ সেউজীয়া দলিচাত যেতিয়া আমাক পিক্‌নিক্‌লৈ নিমন্ত্ৰণ জনোৱা ছোৱালীজনী প্ৰত্যক্ষ কৰিলো আমাৰ দুচকুৰে দুধাৰি চকুলো ধাৰাসাৰে বৈ আহিছিল। এনে ভাৱ হ'ল আমি থকা হ'লে কিজানি ছোৱালী কেইজনী নমৰিলেহেঁতেন। হয়তো প্ৰাথমিক চিকিৎসা প্ৰদানৰ সুবিধা পালেহেঁতেন। এনে বহুতো অজানা ভাৱনাই আমাৰ মন ব্যথিত কৰি তুলিছিল। জানো, বিধিৰ বিধান কোনেও মচিব নোৱাৰে। আজি সোণালী বৰ্ষত মৃত সাতজনী ছোৱালীৰ স্মৃতিয়ে আমাক বিষাদ যন্ত্ৰণা দিছে— বিশেষকৈ পিক্‌নিক্‌লৈ নিমন্ত্ৰণ কৰা সেই বিশেষ ছোৱালীজনীয়ে। আজি এই মহাবিদ্যালয় সোণালী বৰ্ষত প্ৰাৰ্থনা কৰিছো— সেই সাতজনী ছোৱালী য'তেই নাথাকক কিয় শান্তিত থাকক। সোণালী বৰ্ষত এই ঘটনাটো মনত পৰাৰ বাবে উল্লেখ নকৰি নোৱাৰিলোঁ।

আমি বৰপেটাৰোড হাউলী মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষত নিজকে জড়িত কৰিবলৈ পাই আনন্দিত আৰু গৌৰাৱান্বিত হৈছোঁ। মহাবিদ্যালয়খনৰ মৰম-চেনেহে আমাক হাত বাউলি মতাৰ বাবে আমিও মহাবিদ্যালয়খনৰ স'তে এটি আত্মিক সম্বন্ধ গঢ়ি তুলিছো। প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱে যি একতা, বিশ্বাস আৰু প্ৰেমৰ পূৰঠ বীজ মহাবিদ্যালয়খনত ৰোপণ কৰিলে, আজি ডাল-পাত-ফুলেৰে জাতিষ্কাৰ হৈ পৰিছে। মহাবিদ্যালয়খনৰ সোণালী বৰ্ষত বহুতো কথাই মাজে মাজে



আমাক নষ্টালজিক কৰি তুলিছে। আজি সোণালী বৰ্ষত প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱৰ প্ৰশাসনিক আৰু শৈক্ষিক দিশটোক আমি সন্মান সহকাৰে স্বাগত জনাইছোঁ। পূৰ্বসূৰী ব্যক্তিসকলে মহাবিদ্যালয়খন বাবে কাটি থৈ যোৱা বাটেৰে বৰ্তমান মহাবিদ্যালয়ৰ পৰিয়ালে আগবাঢ়ি গৈ মহাবিদ্যালয়ৰ অসম্পূৰ্ণ কামবোৰ পূৰ্ণ কৰাৰ বাবে এই সোণালী বৰ্ষতে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। এয়ে হ'ব সোণালী বৰ্ষৰ যজ্ঞৰ বাবে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ আৰু ৰাইজৰ প্ৰধান অৰ্ঘ্য আৰু পবিত্ৰ কৰ্তব্য। অনাগত দিনত প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱৰ নৈতিকতা, মানৱতা, চিন্তা আৰু দৰ্শন বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব আৰু মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত নিশ্চয় সহায়ক হ'ব বুলি আমাৰ বিশ্বাস। এটি কবিতাৰে সামৰিছোঁ।

আপুনি  
নীল সমুদ্ৰৰ দৰে  
শিপাৰ পৰা উঠি অহা  
গছৰ দৰে আপোন  
বিষাদ যন্ত্ৰণাৰ ধুমুহাত  
নজহা নপমা সপোন

হিমালয় সদৃশ  
আপোনাৰ ঋজু বাসনা পণ  
নতুনৰো নতুন দৰ্শন  
বাৰুদময় আকাশ  
চিকুণ কৰাৰ মন

নিৰাশাৰ কুঁৱলী ঠেলি
আপুনি ল'ৰা-ছোৱালীৰ দুচকুত আঁৰি দিয়ে
একোটি ৰৌদ্ৰোজ্বল ৰাতিপুৱা
সুপ্ত চেতনাত উদ্ভাসিত কৰে
আত্মজয়ী যাত্ৰাৰ অমল চিন্তা
মহাবিদ্যালয়ৰ সোণালী বৰ্ষত
আজি আপোনাৰ সোঁৱৰণিবোৰ আহি
হৃদয় দুবাৰত টোকৰ মাৰিছে
সমন্বয়ৰ চোতালত জ্বলিছে
প্ৰত্যয় দীপ্ত সপোনৰ চাকি
জিলিকিছে আকাংক্ষিত বাসনাৰ প্ৰস্তুতি

দেখি শুনি পতিয়ন গৈছো
হয়, এইখন আপোনাৰ চিৰ সেউজী ছবি।

শ্ৰদ্ধেয়, সত্যনাথ দাসদেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি তেওঁৰ পৰিয়াললৈও আমাৰ আন্তৰিকতাসহ শুভেচ্ছা যাচিলোঁ।

*(লেখক বিশিষ্ট চিকিৎসক আৰু সাহিত্যিক পেঞ্চনাৰ)*



# আমাৰ ছাৰ

**ডাঃ প্ৰিয়ম্বদা দাস**

আমাৰ শ্ৰদ্ধেয় ব্যক্তি শ্ৰীযুত সত্যনাথ দাসদেৱক প্ৰথম পৰিচয়ৰ দিনৰ পৰাই 'ছাৰ' বুলি সম্বোধন কৰোঁ মই। আনৰ লগত হোৱা বাৰ্তালাপত তেখেতৰ প্ৰসঙ্গ ওলালেও 'ছাৰ' বুলিয়ে কওঁ তেখেতৰ কথা। নামটো সতকাই মুখলৈ নাহে। তেখেত আমাৰ সন্তানৰো 'প্ৰিন্সিপাল বৰদেউতা'। বহুতেই সোধে, মই তেখেতৰ ছাত্ৰী আছিলো নেকি। নাই, শ্ৰেণীকোঠাত শিক্ষাগুৰু হিচাপে ছাৰক পোৱাৰ সৌভাগ্য মোৰ হোৱা নাছিল। কিন্তু সকলো মানুহেইতো আজীৱন শিক্ষাৰ্থী। কোনো কোনো ব্যক্তিৰ সান্নিধ্যই, জীৱনৰ যিকোনো স্তৰতে শিক্ষাগুৰু লাভৰ অভিজ্ঞতা দিব পাৰে। মোৰ প্ৰাপ্তবয়স্ক জীৱনৰ কৰ্মব্যস্ততাৰ মাজতে কেতিয়াবা ছাৰৰ ঘৰত আৰু কেতিয়াবা আমাৰ ঘৰত সঘনে মিলিত হৈছিলো আমি। এয়া দূৰ অতীতৰ কথা নহয়। তেনেদৰে লগ হোৱা সময়বোৰত ছাৰে কোৱা সকলোবোৰ কথা যদিও এতিয়া মনত নাই, জীৱনৰ পাথেয় হ'ব পৰা বহু কথা যে কৈছিল সেয়া মনত আছে। ছাৰৰ বাবে চাহ-জলপানৰ যোগাৰ কৰিবলৈ উঠি যাব লগা সময়খিনিত শুনিব নোপোৱা কথাখিনিৰ বাবে অলপ আক্ষেপ এই মুহূৰ্ততো অনুভৱ কৰিছোঁ মই। সেই সময়খিনি যথাসম্ভৱ সংক্ষিপ্ত কৰিবৰ বাবেই যে ছাৰৰ আপ্যায়নৰ ব্যৱস্থা অনুষ্টুপীয়াকৈ কৰিছিলো সেই কথা মনত পৰাত নিজৰ ওচৰতে লাজো পাইছোঁ। ছাৰে আমাৰ ঘৰত কটোৱা সময়খিনিত আমাৰ শিশু সন্তানকো সেইটো কোঠাতে বহি থাকিব দিছিলো মই। ভাল-বেয়াৰ পাৰ্থক্য নুবুজি ডাঙৰৰ কথা-কাম অনুসৰণ কৰা

সেইটো বয়সত 'প্ৰিন্সিপাল বৰদেউতা'ই কোৱা কথা শুনিছিল সিহঁতে। সিহঁতে বা ছাৰেও গম নোপোৱাকৈ, সেই সান্নিধ্যৰ সুফল অলপ হ'লেও নিশ্চয় আহিছে সিহঁতৰ জীৱনলৈ। পুৰণি দিনৰ সেইবোৰৰ স্মৃতি ৰোমন্থনৰ মাজতে অন্য এক তাৎপৰ্যপূৰ্ণ কথাও মনলৈ আহিছে। ডাঙৰসকলে কথা পাতি থাকিলে সৰুবোৰক সাধাৰণতে ওচৰত থাকিব দিয়া নহয়। কাৰণ তেনে বাৰ্তালাপৰ মাজলৈ, শিশুৱে শুনিব নলগা কথাও আহে। কিন্তু ছাৰৰ উপস্থিতিত মোৰ মাতৃ মন তেনে সম্ভাৱনাৰ আশংকাৰ পৰা মুক্ত আছিল। এয়া মাত্ৰ কেইটামান দশকৰহে আগৰ কথা। সাধাৰণ মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তনে সামাজিক বা পাৰিবাৰিক নীতি-নিয়মলৈও পৰিৱৰ্তন আনিছে। শিশুৰ কোমল মনত বেয়া প্ৰভাৱ পেলাব পৰা কিছুমান কথাও, সিহঁতৰ উপস্থিতিতে নিঃসংকোচ আলোচনা কৰা একাংশ অভিভাৱকক দেখি চিন্তিত হওঁ এতিয়া। ছাৰৰ সান্নিধ্যৰ প্ৰত্যক্ষ আৰু পৰোক্ষ বহুতো সুফলে আমাৰ জীৱনক আজিও উপকৃত কৰি আছে। বাৰ্তালাপৰ মাজত ছাৰে নিজৰ অধ্যয়নপুষ্ট মনত সঞ্চিত কিছুমান কথাও কৈছিল। নিজৰ জীৱনত প্ৰয়োগ কৰাৰ লগতে তেনে কথাবোৰেৰে আপোন সন্তান আৰু সন্তানসম সকলৰ জীৱনকো প্ৰভাৱিত কৰোৱাৰ চেষ্টা কৰি আহিছোঁ। সেই সময়ৰ বাৰ্তালাপবোৰত তাৎক্ষণিকভাৱে মানি ল'বলৈ টান পোৱা একোটা বিষয়ত, কাচিৎ বিৰোধিতাও কৰিছিলোঁ। প্ৰশ্ৰয়ৰ হাঁহিৰে, আমাৰ যুক্তিক প্ৰতিপন্ন কৰাৰ সুযোগ দিছিল ছাৰে। মধুৰ স্মৃতি হিচাপে সঞ্চিত তেনেবোৰ অভিজ্ঞতাই আমাকো অনুজসকলৰ মতামত প্ৰকাশৰ ক্ষেত্ৰত নমনীয় হ'বলৈ সকীয়াই আহিছে। সমূহীয়া জীৱন-যাপনৰ সন্তুলন ৰক্ষাত এনে মানসিকতাই বহুত সহায় কৰে। বিশেষ ব্যক্তিৰ সান্নিধ্যই মানুহৰ জীৱনক সমৃদ্ধ কৰে, এয়া অনস্বীকাৰ্য। কোনো আগজাননী অবিহনেই সময়ে সময়ে মোৰ জীৱনক সমৃদ্ধ কৰা বহুগৰাকী তেনে ব্যক্তিৰ ভিতৰৰে কেইগৰাকীমানৰ সান্নিধ্যও ছাৰৰ মাধ্যমতে লাভ কৰিছিলোঁ। ব্যক্তিগত কামৰ দিন-বাৰ মিলাই ছাৰৰ লগত সময়ে সময়ে গুৱাহাটীলৈ যোৱা দিনবোৰত ওৰেটো বাট তেখেতৰ



কথা শুনাৰ সৌভাগ্য হোৱাৰ উপৰি সেই আপাহতে দুই এগৰাকী বিজ্ঞ-প্ৰাজ্ঞ ব্যক্তিক লগ পোৱাৰ সুযোগো ঘটিছিল। স্বনামধন্য সেই ব্যক্তিসকলৰ মুখামুখি হৈ কথা শুনাৰ অভিজ্ঞতাও জীৱনৰ সম্পদ হৈ ৰৈছে।

অনিবাৰ্য ঘটনাৰাজিয়ে মানুহৰ জীৱন প্ৰবাহতো প্ৰভাৱ পেলায়। ইচ্ছা থাকিলেও জীৱনক 'আগৰ দৰে' কৰি ৰখা নাযায়। আমিও ছাৰৰ পৰিয়ালৰ লগত আগৰ দৰে সঘন যোগাযোগ ৰাখিব পৰা নাই। তথাপি যোগাযোগ সম্ভৱ হোৱা সংক্ষিপ্ত সময়খিনি এতিয়াও মানবিশিষ্ট হয় আমাৰ কাৰণে। তেনে সময়ত ছাৰে কৰা অতীত ৰোমন্থনৰ পৰা আমি জানিব পাওঁ, শিশু কালৰে পৰা জীৱনৰ পথ নিজে নিৰ্মাণ কৰি কৰি আক্ষৰিক অৰ্থতে কৃচ্ছ্ৰসাধ্যভাৱে নিজৰ জীৱনক গঢ় দিছিল তেখেতে। ছাৰৰ শৈশৱ-কৈশোৰ আৰু আমাৰ শৈশৱ-কৈশোৰৰ সময়ৰ ব্যৱধান বহুত বেছি নহয়। কিন্তু তেখেতৰ জীৱন সম্পৃক্ত বহু কথা আমাৰ বাবে প্ৰায় অচিনাকি। ছাৰৰ সেই বয়সৰ সেই মনোবল আৰু নিজৰ লক্ষ্যৰ প্ৰতি তেখেতৰ একাগ্ৰ ধ্যানে বাৰে বাৰে আমাৰ শিৰ নত কৰে। বিয়োগৰ ঘৰৰ আৰ্থিক সম্বলে হয়তো ছাৰৰ শিশু মন, কিশোৰ মনৰ ভিতৰত থকা বন্তিগছিক বেছি প্ৰজ্বলিতহে কৰিছিল। পথৰ বাধা অতিক্ৰম কৰি আগুৱাই যাবৰ বাবে সেই কিশোৰটোক মানসিক প্ৰেৰণা যোগাব পৰা বিশেষ ব্যক্তি চৌপাশে কোনো নাছিল সেই সময়ত অচিনাকি বা অনাত্মীয় কাৰোবাৰ পৰা হঠাতে কোনোবাদিনা অপ্ৰত্যাশিতভাৱে লাভ কৰা প্ৰেৰণাদায়ক উক্তি একোবাৰ ছাৰে আজিও সোঁৱৰে। এয়াও তেখেতৰ অনন্যতা। নিজে নিৰ্মাণ কৰা পথেৰে, নীৰৱ কৃচ্ছ্ৰ সাধনাৰে আগবাঢ়ি গুণী-জ্ঞানী ব্যক্তিৰ তালিকাৰ অন্যতম ৰূপে প্ৰতিষ্ঠিত আমাৰ ছাৰৰ জীৱনৰ সঁচা কাহিনী লিপিবদ্ধ হ'লে সমাজখন নিশ্চিতভাৱে উপকৃত হ'ব।

যাত্ৰাপথত বাধা-বিঘিনি থাকেই। জীৱনৰ পথত আগবাঢ়ি যাওঁতেও সৰু-ডাঙৰ বাধা-বিঘিনি অতিক্ৰম কৰিব দেখা হয়। তেনেদৰেই মানুহৰ অভিজ্ঞতাও বাঢ়ি গৈ থাকে। অভিজ্ঞতাৰ জুয়ে পুৰি পোৱা সোণ

কৰা জীৱনৰ স্নিগ্ধ উজ্জ্বলতাই অনুজ অন্যান্যৰ জীৱনৰ পথ পোহৰায়। সাম্প্ৰতিক সময়ত বিভিন্ন কাৰকে উৎপন্ন কৰা অপৰিহাৰ্য অসংখ্য চাপে ল'ৰা-ছোৱালীৰ মনক অশান্ত কৰি ৰখাৰ ফলত সমাজত নানা সমস্যাৰ উদ্ভৱ হৈ আছে। এই ক্ষেত্ৰত সচেতন নাগৰিকৰ কৰণীয় বহুত আছে। ভাল মানুহৰ জীৱন-কথা সৰু ল'ৰা-ছোৱালীক জানিব দিয়াটোও তাৰে অন্যতম। 'A prophet is not without honour, save in his own country, and in his own house.' কথাষাৰৰ ভাৱাৰ্থ এনেকুৱা, পথিকৃৎ এগৰাকী ব্যক্তি আপোন দেশ আৰু আপোন পৰিয়ালৰ লোকসকলৰ বাহিৰে আন কাৰো দ্বাৰা অনাদৃত নহয়। এইষাৰ কথা পৃথিৱীৰ প্ৰায় সকলো ঠাইৰ মানুহৰ সমাজত আজিও প্ৰযোজ্য। আমাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতো এনে মানসিকতাই কিমান ক্ষতি কৰিলে বা কৰিব সেই কথা অনুধাৱন কৰাৰ সময়ো আচলতে উকলি গৈছে। আমাৰ নিজৰ সমাজখনত, আমি নিচেই ওচৰতে পোৱা শ্ৰদ্ধেয় সত্যনাথ দাস ছাৰ তেনে এগৰাকী পথিকৃৎ ব্যক্তি। বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে ছাৰক জনা আমাৰ ল'ৰা-ছোৱালীবোৰে ছাৰৰ জীৱন কাহিনী নাজানে। ডাঙৰসকলৰো বহুতে নাজানে। শৈশৱৰে পৰা ন্যূনতম প্ৰাপ্যখিনিৰ পৰাও বঞ্চিত হৈও নিজেই নিজৰ জীৱনৰ বাটকটীয়া হৈ নিজকে গঢ়ি আন সকলকো পোহৰ বিলোৱাৰ সামৰ্থ্য অৰ্জন কৰা, আমি সততে লগ পাই থকা আপোনজনৰ মাজৰে এই গৰাকী ব্যক্তিৰ সঁচা জীৱন কাহিনীয়ে উঠি অহা চামৰ লগতে অভিভাৱকসকলকো জানিব দিব যে মানুহে জন্মলগ্নতে লগত হৈ অহা স্ফুলিঙ্গটোক অনিৰ্বাপিত কৰি ৰখাটো আমাৰ প্ৰথম কৰণীয়। সেই স্ফুলিঙ্গক জ্যোতিষ্মান কৰাৰ বাবে অনায়াস সুযোগ সকলোৱে লাভ নকৰে। বাধা-বিঘিনিক সুযোগলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কিন্তু সকলোৱে কৰিব পাৰে।

*(লেখিকা চিকিৎসক আৰু বিশিষ্ট সাহিত্যিক)*



# সত্যনাথ দাস ছাৰক মই যেনেকৈ জানো

**দিলীপ কুমাৰ শৰ্মা**

"Your are welcome to the Examination Board." — এই কথাষাৰ বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস ছাৰে মোক কৈছিল— "মই ১৯৯৩ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যয়নৰ বাবে পোৱা ছুটি শেষ কৰি কলেজত যোগদান কৰি অধ্যক্ষ মহোদয়ক সাক্ষাৎ কৰা সময়ত মোক পৰীক্ষাৰ কামত পুনৰ যোগদান কৰিবলৈ আদেশ দিয়ে। মই মৃদুভাৱে আপত্তি দৰ্শাইছিলোঁ; কিন্তু ছাৰে মোৰ আপত্তিত গুৰুত্ব নিদি সিদিনাখনেই মোক পৰীক্ষা বোৰ্ডত যোগদান কৰিবলৈ কয়। এয়া ছাৰৰ মোৰ প্ৰতি থকা বিশ্বাস আৰু আস্থাৰ প্ৰতিফলন বুলি ধৰি লৈছিলোঁ। ময়ো ছাৰৰ আদেশ মৰ্মে প্ৰয়াত হংসবল্লভ চৌধুৰীৰ তত্ত্বাৱধানত পৰীক্ষা বোৰ্ডৰ কামত যোগদান কৰোঁ। সেই সময়ত আমাৰ দলটোত থকা সকলৰ ভিতৰত বৰ্তমানৰ বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গুণীন দাস, বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ অধ্যাপক শ্ৰী বিনয় বসুমতাৰী অন্যতম।

পৰীক্ষা কেন্দ্ৰৰ মুৰব্বী হিচাপে ছাৰ আছিল কঠোৰ নিয়মৰ বশৱৰ্তী। তেখেতে পৰীক্ষা পদ্ধতিত সততা, স্বচ্ছতা, শুদ্ধতা আৰু পৱিত্ৰতাৰ ওপৰত বিশ্বাস আৰু আস্থা ৰাখিছিল। যি বিশেষত্বৰ বাবে তেখেতৰ কাৰ্য্যকালত বিশ্ববিদ্যালয়ৰ ফালৰ পৰা কোনো নিৰীক্ষক বিষয়া আমাৰ কলেজত নিয়োগ কৰা নাছিল। ইয়াৰ দ্বাৰাই তেখেতৰ সুনাম আৰু দক্ষতাৰ প্ৰমাণ পোৱা যায়। সকলো ক্ষেত্ৰতে পৰীক্ষাৰ গুণগত মান ৰক্ষা হেতু সকলো অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰী সকলোকে আহ্বান জনাইছিল।

ফাইনেল পৰীক্ষা আৰম্ভ হোৱাৰ পিছত ছাৰে পৰীক্ষা কেনেদৰে চলিছে তাক চাবলৈ পৰীক্ষা গৃহবোৰ অন্ততঃ এবাৰ হ'লেও পৰিদৰ্শন কৰিছিল। পৰীক্ষাৰ পবিত্ৰতা, শৃংখলা আৰু শুদ্ধতা অটুট ৰাখিবলৈ যাওঁতে অধ্যক্ষৰ লগতে আমি বোৰ্ডৰ আটাই কেইজনে কেতিয়াবা কঠোৰ আৰু প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈছিলোঁ। অন্যথা কলেজ চৌহদত শান্তি আৰু শৃংখলা ৰক্ষা অসম্ভৱ হ'লহেঁতেন।

অধ্যক্ষ ছাৰৰ আটাইকেইটা ল'ৰা-ছোৱালী আমাৰ কলেজৰে বিদ্যাৰ্থী আছিল। তেওঁলোকে আমাৰ কলেজৰ কেন্দ্ৰতে সকলোবোৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পৰীক্ষা আৰম্ভ হোৱাৰ পিছত ছাৰে তেখেতৰ ল'ৰা নাইবা ছোৱালী কেইজনীৰ পৰীক্ষাৰ খবৰ মোৰ পৰা লৈছিল। কাৰণ ছাৰে তেখেতৰ পুত্ৰ-কন্যাই পৰীক্ষা লিখি থকা ৰুমলৈ কেতিয়াও যোৱা দেখা নাছিলো। এয়া প্ৰাক্তন অধ্যক্ষদেৱৰ সততাৰ পৰিচায়ক নহয় জানো?

প্ৰাক্তন অধ্যক্ষ মহোদয়ৰ কাৰ্যকালৰ প্ৰায় দহ বছৰ কাল আমি পৰীক্ষা বোৰ্ডৰ এজন সদস্য হিচাপে সেৱা আগ বঢ়াইছিলোঁ। সেই সূত্ৰে অধ্যক্ষ ছাৰৰ সান্নিধ্য বহু ওচৰৰ পৰাই লাভ কৰিছিলোঁ।

তেখেতৰ অৱসৰৰ প্ৰায় দুটা দশক পাৰ হ'বৰ হ'ল— এতিয়ালৈ কোনো চৰকাৰী নাইবা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে ছাৰৰ জীৱন ভিত্তিক সাক্ষাৎকাৰ ল'ব পৰা নাই। আমাৰ পুত্ৰ শ্ৰীমান মানস আকাশবাণী গুৱাহাটী কেন্দ্ৰত কৰ্মৰত। সেই সুবাদতে আমি চেষ্টা চলালো কিজানিবা আমাৰ পুত্ৰৰ দ্বাৰাই ছাৰৰ এক সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব পৰা যায়। সমস্যা হ'ল— জ্যেষ্ঠ নাগৰিকৰ সাক্ষাৎকাৰ লোৱাৰ এক্তিয়াৰ আমাৰ ল'ৰাৰ নাই। উপায় নাপাই আকাশবাণী গুৱাহাটীৰ সেই সময়ৰ অনুষ্ঠান কাৰ্যবাহী শ্ৰীযুত গোস্বামী ডাঙৰীয়াৰ অনুমতি সাপেক্ষে কেই মাহমান পূৰ্বে এদিন ৰাতিপুৱা দুয়ো পিতা-পুত্ৰ ছাৰৰ মৌটুপুৰীৰ ঘৰত উপস্থিত হ'লো — বাইদেৱে আমাক আথে-বেথে বহিবলৈ দি আপ্যায়ন কৰিলে। পৰৱৰ্তী সময়ত ৰেকৰ্ডাৰৰ সহায়ত ছাৰৰ সাক্ষাৎকাৰ পৰ্ব আৰম্ভ হ'ল— আমাৰ ল'ৰাই ছাৰক পঢ়া



দিনৰ পৰা প্ৰশ্ন সোধা আৰম্ভ কৰি তেখেতে কেনেকৈ বহুত কষ্ট কৰি পঢ়িলে; সকলো প্ৰশ্ন এফালৰ পৰা সুধি গ'ল। ছাৰেও যথাযথ উত্তৰ দি গ'ল— ইয়াকো ক'লে যে তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এ. পঢ়ি থাকোতে টিউচন কৰি পঢ়িবলৈ বাধ্য হৈছিল। এনেকৈ তেখেতৰ সংগ্ৰামী জীৱনৰ আদ্যোপান্ত সাক্ষাৎকাৰৰ প্ৰশ্নৰ উত্তৰ হিচাপে দি গৈছিল। শেষত তেখেতৰ সংগ্ৰামী জীৱনৰ অন্ত পৰিছিল— যেতিয়া তেখেতে এম. এ. পাছ কৰি বজালী কলেজৰ অৰ্থনীতিৰ অধ্যাপকৰ পদত যোগদান কৰে। ইয়াৰ পিছতে তেখেতৰ জীৱনলৈ নাটকীয় পৰিবৰ্তন আহিল— বৰপেটাৰোড আৰু হাউলীৰ ৰাইজে মিলি এখন কলেজ পতাৰ সিদ্ধান্ত লৈ ছাৰক প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰিবলৈ অনুৰোধ জনালে। ৰাইজৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেখেতে বজালী কলেজৰ স্থায়ী চাকৰি ইস্তফা দি এক দুঃসাহসৰ পৰিচয় দিছিল।

প্ৰাক্তন অধ্যক্ষদেৱৰ সংগ্ৰামী জীৱনৰ সকলোবোৰ কাহিনী সাক্ষাৎকাৰত সন্নিবিষ্ট হৈছিল। অনুষ্ঠান কাৰ্যবাহী ডাঙৰীয়াই সাক্ষাৎকাৰটো সম্পাদনা কৰি লয়। প্ৰায় এমাহ মান পিছত কোনোবা এটা বুধবাৰে জ্যেষ্ঠ নাগৰিকৰ 'আবেলিৰ বেলি' নামৰ অনুষ্ঠানৰ যোগেদি আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাক্ষাৎকাৰটো সম্প্ৰচাৰ কৰে।

ওভতনি যাত্ৰাত আমাৰ ল'ৰাৰ কুশলৰ অৰ্থে ছাৰৰ পৰা আশিস বিচাৰো— মোৰ মন আনন্দেৰে উপচি পৰিছিল ইয়াকে ভাবি যে আশী বছৰ উৰ্দ্ধৰ ছাৰৰ ত্যাগ, সততা আৰু সংগ্ৰামী জীৱনক অলপ হ'লেও আকাশবাণী গুৱাহাটী কেন্দ্ৰ যোগে স্বীকৃতি দিয়া হ'ল।

সদৌ শেষত প্ৰতিষ্ঠাপক অধ্যক্ষ দেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু বি. এইচ্. কলেজ
জয়তু শ্ৰীযুত সত্যনাথ দাস ছাৰ

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন উপাধ্যক্ষ)*

# শ্ৰদ্ধাৰ সত্যনাথ দাস ছাৰ

**অৰবিন্দ চন্দ্ৰ কলিতা**

১৯৬৪-১৯৬৫ ইংৰাজী চন, মই তেতিয়া বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ। বজালী কলেজত হাউলীৰ সত্যনাথ দাস নামৰ এজন অৰ্থনীতি বিজ্ঞানৰ ভাল অধ্যাপক আছে বুলি ল'ৰা-ছোৱালীবিলাকৰ মাজত কথা-বাৰ্তা চলি থকা আমাৰ কাণত পৰিছিল। মনতে ভাব হৈছিল কলেজ পালে হয়তো তেখেতক ময়ো শিক্ষক হিচাপে পাম; যিহেতু মই অৰ্থনীতি পঢ়াৰ মন পুহি ৰাখিছিলোঁ। মই যেতিয়া ১৯৬৭ চনত কলেজত নামভৰ্তি কৰি গম পালো যে সত্যনাথ দাস নামৰ অধ্যাপকজন বজালী কলেজত নাই, তেখেতে হাউলীলৈ গৈ তাত এখন নিজে কলেজ স্থাপন কৰিছে। মোৰ তেখেতক শিক্ষক হিচাপে পোৱাৰ সৌভাগ্য ন'হ'ল। ১৯৭৩ চনত মই এম. এ. পাছ কৰি সত্যনাথ দাসৰ কলেজ, যিখন কলেজৰ নাম দিয়া হৈছে বি. এইচ্. কলেজ, তাত চাকৰিৰ বাবে এখন দৰ্খাস্ত দিবলৈ গৈ মই প্ৰথমবাৰৰ বাবে সত্যনাথ দাসক দেখা পাইছিলোঁ। সেইসময়ত মই তাত চাকৰিটো নাপালোঁ। মোৰে লগৰ বন্ধু প্ৰয়াত যতীন বৰগোহাঞিদেৱে চাকৰিটো পাইছিল। ময়ো হোজাই কলেজ আৰু গুৱাহাটী কলেজত চাকৰি কৰি আছিলোঁ।

১৯৭৭ চন। এদিন গুৱাহাটী কলেজৰ মোৰ চাকৰি সংক্ৰান্ততে খেলি-মেলি লগাত মোৰ লগৰ কেইজনমান বন্ধুৰ সৈতে ডি.পি.আই অফিচত (ডি.পি.আই.জন গোস্বামী উপাধিৰ আছিল) আলোচনা কৰি আছিলোঁ। আলোচনাৰ মাজতে বিতৰ্কৰ সুত্ৰপাত হৈছিল। আমাৰ মাজত কথাৰ কটা-কটি হৈ থাকোতে ক্ৰমলৈ এজন ব্যক্তি সোমাই আহিল। আহিয়েই মোক উদ্দেশ্যি ব্যক্তিজনে ক'লে— 'কি হে অৰবিন্দ, ইয়াত কি কৰি আছা?' মোৰ চাকৰিৰ খেলি-মেলি সংক্ৰান্তত ডি.পি.আইয়ে মানুহজনক ক'লে- 'দাস, আপোনাৰ কলেজত এটা অৰ্থনীতিৰ পদ নাই নেকি?' ডি.পি.আইয়ে গোটেই কথাখিনি ব্যক্তিজনক ভাঙি-পাতি কোৱাৰ পিছত তেখেতে মোক ক'লে— 'অৰবিন্দ, কালি তুমি মোৰ কলেজলৈ আহা? তুমি আগতে দৰ্খাস্ত কৰা চাকৰিটো এতিয়াও খালি হৈ আছে। কালি আহিয়েই জইন কৰিব পাৰিবা।' মই গুৱাহাটীত থকা আশা ত্যাগ কৰি পিছদিনাই চাকৰিৰ ধাৰাবাহিকতা লৈ ১৯৭৭ চনৰ ১১ মে' তাৰিখে আহি সত্যনাথ দাসৰ বি. এইচ্. কলেজত যোগদান কৰোঁ। সেইদিনাৰ পৰাই মই ২০১০ চনৰ জানুৱাৰী মাহলৈকে বি. এইচ্. কলেজত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰোঁ। এই সুদীৰ্ঘ চাকৰি কালত সত্যনাথ দাস ছাৰক মই অধ্যক্ষ হিচাপে পাইছোঁ। এই সময়ছোৱাত তেখেতক মই কেনেধৰণে পাইছোঁ, তেখেতে মোক কেনেধৰণে লৈছিল এই সকলোবিলাক কথা আজি এটি এটিকৈ মোৰ মনত ভুমুকি মাৰিছে।

ব্যক্তি এজনৰ ব্যক্তিত্ব প্ৰকাশ পায় ব্যক্তিজনৰ সৰলতা, বিচক্ষণতা, দুৰদৰ্শিতা আৰু বৌদ্ধিক চিন্তাধাৰাৰ ওপৰত। পৰিৱেশ আৰু পৰিস্থিতিৰ লগত খাপ খুৱাই কৰ্মক্ষেত্ৰত আগুৱাই যোৱাটোৱে ব্যক্তিজনৰ পৰিচয়। সত্যনাথ দাস ছাৰ তেনে এজন ব্যক্তি, যি সদায় পৰিস্থিতিৰ লগত সহাৱস্থান কৰিব পাৰিছিল। সত্যনাথ দাস ছাৰৰ বিষয়ে লিখাটো আমাৰ বাবে সমীচিন নহয়। দাস ছাৰ আছিল এজন বহুমুখী প্ৰতিভাৰ ব্যক্তি। তেখেতৰ ব্যক্তিত্ব প্ৰকাশ কৰাটো আমাৰ বাবে দুৰূহ। তথাপি মই তেখেতক যেতিয়াৰ পৰা

অতি ওচৰৰ পৰা পাইছোঁ তাৰে দুই-এটা কলেজৰ লগত থকা সম্পৰ্ক থকা কথা লিখাৰ সাহস কৰিছোঁ। দাস ছাৰ এগৰাকী সমাজ সচেতন ব্যক্তি। বৰপেটাৰোড, হাউলী, মৈৰামাৰা আদি অঞ্চলৰ সকলো সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত তেখেত জড়িত। বি. এইচ্. কলেজ আছিল দাস ছাৰৰ উপাসনাৰ মন্দিৰ। দিনটোৰ গোটেই সময়খিনি এই মন্দিৰতে কটাইছিল। এটাই চিন্তা, কেনেকৈ কলেজখনক সকলো দিশৰ পৰা অসমৰ এখন আগশাৰীৰ কলেজ হিচাপে গঢ়ি তুলিব পাৰি। কলেজখনৰ ছাত্ৰ-ছাত্ৰীখিনিয়ে সম্পদ আৰু শিক্ষক-শিক্ষয়িত্ৰীখিনি এই সম্পদৰ সফল প্ৰয়োগৰ কাৰিকৰ— এই কথা তেখেতে নিশ্চিতভাৱে উপলব্ধি কৰিছিল। কি শিক্ষক, কি ছাত্ৰ, কি অভিভাৱক সকলোৰে লগত অমায়িক ভাষাৰে আলোচনা-বিলোচনা কৰি সমস্যাৰ সমাধানৰ বাট মুকলি কৰি কলেজখনৰ উত্তৰোত্তৰ উন্নতিৰ বাবে একগোট হৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল।

মোৰ লগত দাস ছাৰৰ ঘনিষ্ঠতা আছিল অতি ওচৰৰ। কাৰণ, মই বজালীৰ পৰা গৈছিলোঁ আৰু তেখেতে বজালীতে চাকৰি আৰম্ভ কৰিছিল। সদায় মোক পাঠশালাৰ বিভিন্ন ব্যক্তিৰ কথা সুধিছিল, বজালী কলেজৰ কথা সুধিছিল। প্ৰয়াত অধ্যাপক হংসবল্লভ চৌধুৰী আৰু মোক সত্যনাথ দাস ছাৰে সকলো কথাতে মাতিছিল আৰু বিভিন্ন কথা আলোচনা কৰিছিল। আমাৰ মাজত এটা ঘৰুৱা পৰিৱেশৰ সৃষ্টি হৈছিল।

সকলো ব্যক্তিয়ে অনুষ্ঠান-প্ৰতিষ্ঠান জন্ম দিয়াৰ হাবিয়াস কৰে। কিন্তু মুষ্টিমেয় কেইজনমান ব্যক্তিয়েহে অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম দি তাৰ স্থায়িত্ব ৰক্ষা কৰিব পাৰে। কোনো এটা অনুষ্ঠান পতাৰ আগতে যি কেইটা বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগে সেই সকলোখিনি কথা সত্যনাথ দাসে জানিছিল। তেখেতে কল্পনা কৰিছিল যে বি. এইচ্. কলেজ এদিন জাকত-জিলিকা কলেজ হৈ উঠিব, যদিহে এই কলেজখন দুখন বাণিজ্যিক চহৰ



বৰপেটাৰোড আৰু হাউলীৰ মধ্যস্থ স্থানত কৰা হয়। লগতে তেখেতে গুৰুত্ব আৰোপ কৰিছিল যাতে ধৰ্মীয় সংখ্যালঘু, ভাষিক সংখ্যালঘু, বিভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো দ্বিধা নোহোৱাকৈ কলেজখনত পঢ়িব পাৰে। এই সকলোবিলাক দিশ পুংখানুপুংখভাৱে বিবেচনা কৰি বৰবাৰীঝাৰত বি. এইচ্. কলেজৰ লাইখুঁটা পুতিছিল। কোনো ফালৰ পৰা বিতৰ্কৰ সূত্ৰপাত হোৱা নাছিল। আজি এইখন কলেজ কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওটা শাখাতে পূৰ্ণতা লভি পঞ্চাশ বছৰত ভৰি দিছে।

সত্যনাথ দাস ছাৰ আৰু বি. এইচ্. কলেজ দুটাৰ এটাক বাদ দি ভাষাগত বাক্য এটা লিখিব পৰা নাযায়। বি. এইচ্. কলেজ বুলি কোৱাৰ লগে লগে মনলৈ আহে অধ্যক্ষ সত্যনাথ দাস ছাৰৰ কথা। সেইদৰে অধ্যক্ষ সত্যনাথ দাস ছাৰৰ কথা মনলৈ আহিলেই বি. এইচ্. কলেজৰ কথা মনলৈ আহে, যেন এটা আনটোৰ পৰিপূৰক। বি. এইচ্. কলেজ যেন সত্যনাথ দাসৰ মানস পুত্ৰ। কলেজ সংক্ৰান্তত সত্যনাথ দাসে যি মন্তব্য বা যুক্তি দাঙি ধৰে আমি জনাত কোনো এজন ব্যক্তিয়ে তাৰ বিৰোধিতা কৰাৰ নজিৰ নাই।

সত্যনাথ দাস ছাৰৰ সমসাময়িক কলেজ সমূহৰ অধ্যক্ষ বিলাকৰ ভিতৰত ছাৰৰ সুকীয়া স্থান আছিল। আমি পৰীক্ষা সংক্ৰান্তত যিখন কলেজলৈকে গৈছিলো, তাত ছাৰৰ নাম কোৱাৰ লগে লগে কলেজখনে এটা বিশেষ ধাৰণা লৈ লৈছিল। উচ্চ শিক্ষাৰ সঞ্চালকালয়, সচিবালয়, বিশ্ববিদ্যালয় অনুদান আয়োগ আদি দপ্তৰ সমূহতো সত্যনাথ দাস ছাৰক নজনা মানুহ খুব কমেই পোৱা গৈছিল। কলেজৰ চৰকাৰী কাম-কাজ কৰাত ছাৰৰ বাবেই সহজ হৈ পৰিছিল। সত্যনাথ দাস ছাৰ জাতীয়তাবাদী ধাৰাৰ ব্যক্তি আছিল যদিও উগ্ৰজাতীয়তাবাদী নাছিল। তেখেতে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ লগত সহাৱস্থান কৰা গুণৰ অধিকাৰী

আছিল। বি. এইচ্. কলেজ অসমৰ এনে এখন কলেজ, য'ত বিভিন্ন ধৰ্ম, বিভিন্ন জাতি, ভাষা-ভাষীৰ ছাত্ৰ-ছাত্ৰীয়ে আজি পঞ্চাশ বছৰে ভাতৃ-ভগ্নীৰ পৰম্পৰা ৰক্ষা কৰি শিক্ষাগ্ৰহণ কৰি আহিছে। আমাৰ চাকৰি কালত কোনো এটা দিনতে ধৰ্ম ভিত্তিত বা ভাষা ভিত্তিত কোনো সংঘাতৰ সৃষ্টি হোৱা দেখা পোৱা নাছিলো। হয়তো সত্যনাথ দাস ছাৰৰ কৌশলী প্ৰশাসনীয় গুণৰ বাবেই তেনে কোনো পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল। আইন-কানুন প্ৰৱৰ্তন কৰি অনুশাসন ব্যৱস্থা চলোৱাৰ বিপৰীতে আলাপ-আলোচনাৰ মাধ্যমেৰে ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰাৰ পক্ষপাতী আছিল সত্যনাথ দাস ছাৰ। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকলে যেতিয়াই তেখেতৰ ওচৰলৈ কিবা সমস্যা লৈ গৈছিল তেখেতে ব্যক্তিজনৰ মুখলৈ চাইয়েই সমস্যাটোৰ বিষয়ে বুজি উঠিছিল আৰু তেতিয়াই তেখেতে এটা পৰিৱেশ সৃষ্টি কৰি সমস্যাটো সৰলীকৰণ কৰি সমাধানৰ ফালে লৈ গৈছিল।

পৰিস্থিতি আৰু পৰিৱেশে মানুহক কেতিয়াবা বশ কৰি পেলায়। মনে নিবিচৰা কামো কেতিয়াবা পৰিস্থিতিয়ে কৰিবলৈ বাধ্য কৰায়। মই জনাত সত্যনাথ দাস ছাৰৰ প্ৰায়বিলাক সিদ্ধান্তই নিখুঁত আছিল। এবাৰ তেখেতে লোৱা এটা সিদ্ধান্ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পৰিস্থিতিয়ে বাধা দিছিল। কিন্তু তেখেতে পৰিস্থিতিৰ বিপৰীতে গৈ তেখেতৰ সিদ্ধান্ত কাৰ্যকৰী কৰিছিল। তেখেতৰ এই কাৰ্যই কলেজৰ বাবে এটি ইতিবাচক ফল কঢ়িয়াই আনিছিল। গঢ় লৈ উঠিছিল কলেজ প্ৰেক্ষাগৃহ। আন এটা সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত মনে বিচৰা নাছিল যদিও পৰিস্থিতিয়ে তেওঁক ল'বলৈ বাধ্য কৰাইছিল। ইয়াৰ ফল আছিল নেতিবাচক।

কলেজৰ স্বাৰ্থৰ খাতিৰত ব্যক্তিস্বাৰ্থক তেখেতে প্ৰাধান্য দিয়া দেখা নাযায়। ব্যক্তিস্বাৰ্থ যে সামুহিক স্বাৰ্থৰ ওপৰত নহয়, তাক তেওঁ প্ৰতিপন্ন কৰি দেখুৱাইছিল। কলেজৰ ইংৰাজী বিভাগৰ এটি অমঞ্জুৰীপ্ৰাপ্ত প্ৰবক্তা



পদৰ বাবে আবেদন বিচৰা হৈছিল। দাস ছাৰৰ ছোৱালীও এই পদৰ বাবে আবেদন জনাইছিল। সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল, সাক্ষাৎকাৰ লোৱা কমিটীৰ মইও এজন সদস্য আছিলোঁ। যেতিয়াই দাস ছাৰৰ ছোৱালীজনীয়ে সাক্ষাৎকাৰ দিবলৈ কোঠালৈ সোমাইছিল, অধ্যক্ষ হৈও ছাৰে ছোৱালীৰ সাক্ষাৎকাৰত উপস্থিত থকা নাছিল। ছোৱালীজনীয়ে চাকৰিটো পোৱা নাছিল। কিন্তু এই কথাই সকলোৰে মনত এটি মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গৈছিল। বহুত ঠাইত আমি এনেধৰণৰ কথা শুনিছোঁ, কিন্তু সত্যনাথ দাসৰ নিচিনা মানসিকভাৱে দৃঢ়মনা ব্যক্তি খুব কমেই দেখা পাইছো। অইন ঠাইত হ'লে অধ্যক্ষৰ ছোৱালীজনীয়েই হয়তো চাকৰিটো পালেহেঁতেন। অনুৰূপ, কলেজৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ (অমঞ্জুৰীপ্ৰাপ্ত) বাবে নিয়োগৰ ক্ষেত্ৰত তেখেতে এটা কথা সদায় যুক্তিসহকাৰে বিচাৰ-বিবেচনা কৰিছিল। সকলো জনগোষ্ঠী, ধৰ্মীয় সংখ্যালঘু, ভাষিক সংখ্যালঘু আদিৰ সমানুপাতিক প্ৰতিনিধিত্বৰ কথা তেখেতে ভাবিছিল। আমাৰ লগতো এই সম্পৰ্কীয় কথা আলোচনা কৰিছিল। অনুষ্ঠানটোত সকলো ধৰ্মীয়, ভাষা, জনগোষ্ঠীৰ লোকৰ মাজত যাতে কোনো দ্বিধা, সংশয় আদি উদ্ভৱ নহয় আৰু শান্তি-সম্প্ৰীতি বিঘ্নিত নহয় তাৰ প্ৰতি সত্যনাথ দাস ছাৰ সদায় সজাগ আছিল। তেখেতে নিৰপেক্ষতা বজাই ৰাখি একতাৰ এনাজৰীডাল নিছিগাকৈ ৰাখিব পাৰিছিল।

ব্যক্তি এজন যেতিয়া প্ৰশাসনীয় মৰ্যাদাৰ অধিকাৰী হয়, বিভিন্ন দিশত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত বহুত দিশ চিন্তা কৰিবলগীয়া হয়। ইয়াত হয়তো কোনোবা সন্তুষ্ট হ'ব, কোনা অসন্তুষ্ট হ'ব। ই স্বাভাৱিক। যোগাত্মক দিশটোৰেই হ'ল মূল কথা। কলেজলৈ দুই-তিনিবাৰ বিপৰ্যয় নামি আহিছিল। কলেজত বোমা সংস্থাপন, আলফা সম্পৰ্কীয় কথাত প্ৰশাসনৰ ফালৰপৰা বিভিন্ন হেঁচা, টকা চুৰি কাণ্ড ইত্যাদি। কলেজৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী

এই সকলো বিপদৰ সময়ত সত্যনাথ দাস ছাৰৰ লগত সহাৰস্থান কৰিছিল। কলেজখনৰ বাবে ই এটি ইতিবাচক দিশ। কলেজখনৰ উন্নতিৰ চাবি-কাঠি আছিল সত্যনাথ দাস ছাৰৰ দূৰদৰ্শিতা আৰু শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ বিনাদ্বিধাই সহযোগিতা।

ৰাজহুৱা ক্ষেত্ৰখনতো সত্যনাথ দাস ছাৰৰ এখন সুকীয়া আসন আছিল। হাউলী, বৰপেটাৰোড আনকি গোটেই বৰপেটা জিলাতে দাস ছাৰ এজন সু-পৰিচিত, সামাজিক আৰু ধৰ্মপ্ৰাণ ব্যক্তি আছিল। সমাজৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ধৰ্মানুষ্ঠানৰ লগতো দাস ছাৰ ওতঃপ্ৰোতভাৱে জড়িত আছিল। বজালী তথা পাঠশালা অঞ্চলত তেখেতৰ সমসাময়িক ব্যক্তিসকলৰ মাজত দাস ছাৰৰ কথা আজিও আলোচনা হয়। পাঠশালাৰ সেই সময়ৰ ব্যক্তিসকলে দাস ছাৰৰ খবৰ লৈ থাকে তেনেদৰে দাস ছাৰেও আমাক পাঠশালাৰ সেই সময়ৰ বিভিন্ন ব্যক্তি সকলৰ খবৰ-পাতি লৈ থাকে। বজালী অঞ্চলৰ বাবে দাস ছাৰৰ অন্তৰত এখন সুকীয়া আসন এতিয়াও আছে। বজালী অঞ্চলৰ অলেখ ছাত্ৰ-ছাত্ৰীয়ে বি. এইচ্. কলেজত শিক্ষা গ্ৰহণ কৰি নিজৰ নিজৰ কৰ্তব্যত ব্যস্ত থাকিও দাস ছাৰৰ বিষয়ে মনত এটা সুকীয়া ভাৱধাৰা লোৱা পৰিলক্ষিত হয়। কোনোদিনে কোনো এজন ছাত্ৰৰ মুখৰ পৰা দাস ছাৰৰ বিপৰীতে কোৱা কথা আমি শুনা নাই। মই আজি দাস ছাৰৰ কথা এটা মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ যে ছাৰে সদায় আমাক শ্ৰেণীকোঠালৈ যোৱাৰ আগতে, পৰীক্ষাৰ বহী পৰীক্ষা কৰা, পৰীক্ষা নিৰীক্ষকৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা ল'ব লাগে তাক শিকাই দিছিল। তেখেতৰ উপদেশে প্ৰায়খিনি শিক্ষক-শিক্ষয়িত্ৰীকে কৰ্তব্য পালনত এটি সুনিৰ্দিষ্ট বাট দেখুৱাইছিল।

সুদীৰ্ঘকাল একনিষ্ঠভাৱে কৰ্তব্য সমাপন কৰাৰ পিছত ১৯৯৭ চনৰ ২৮ ফেব্ৰুৱাৰীৰ সেই দিনটো আহিল। যি দিনত আমাৰ সকলোৰে



অভিভাৱকস্বৰূপ বি. এইচ্. কলেজৰ জন্মদাতা শ্ৰদ্ধাৰ ব্যক্তিজনে চাকৰি জীৱনৰ সাফল্যমণ্ডিত সময়খিনি সমাপ্ত কৰি অৱসৰ গ্ৰহণ কৰি আমাক সকলোকে বি. এইচ্. কলেজৰ দায়িত্ব সঁপি দি যাবলৈ ওলাল। আমি সিদিনাখন সঁচাকৈয়ে নিঠৰুৱা যেন অনুভৱ কৰিছিলো। আজিও বি. এইচ্. কলেজৰ সমূহ পৰিয়ালবৰ্গই প্ৰতিটো ক্ষণতে অনুভৱ কৰে দাস ছাৰৰ কলেজখনলৈ থকা আন্তৰিক অনুভূতি, মহানুভৱতা আৰু কৰ্তব্য পৰায়ণতাৰ কথা। তেখেতৰ আদৰ্শেৰে আজিও কলেজখনে উন্নতিৰ পথত অগ্ৰগতি লাভ কৰিছে। কোনো এজন ব্যক্তিয়ে আজিৰ দিনতো তেখেতৰ ব্যক্তিত্ব আৰু কৰ্তব্যৰ শলাগ নোলোৱাকৈ থাকিব নোৱাৰে। এনে এজন বিশাল ব্যক্তিত্বৰ বিষয়ে মোৰ মনত উদয় হোৱা দুই-এটি কথাহে ইয়াত উনুকিওৱা হৈছে। বহুতো কথা হয়তো মোৰ স্মৃতিয়ে ঢুকি নাপায় বা মই নাজানো। তেনে কথা উল্লেখ নকৰাৰ বাবে ক্ষমা বিচাৰিব লাগিব।

সৰ্বশেষত, এইজন কৰ্মযোগী ব্যক্তিৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই অজানিতে তেখেতৰ ওচৰত কৰা ভুল-ভ্ৰান্তি আৰু দোষৰ বাবে ক্ষমা বিচাৰি লিখনিৰ সামৰণি মাৰিছোঁ।

*(লেখক বি. এইচ্. কলেজৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)*

# বাস্তৱ জীৱনৰ অভিনয় আৰু অধ্যক্ষ শ্ৰী সত্যনাথ দাস

ৰমেশ দাস

১৯৭৬ চনৰ অক্টোবৰ মাহ। তাৰিখটো মনত নাই, শাৰদীয় দুৰ্গা পূজাৰ সময় গুৱাহাটীৰ পৰা ধুবুৰী-গুৱাহাটী এ.এচ.টি.চি. চুপাৰ বাছেৰে দুপুৰীয়া ১১.৩০ মান বজাত হাউলী পালোহি। হাউলী চাৰিঅলিত মানুহক সুধি-পুচি সাধাৰণ বাছেৰে বি. এইচ্. কলেজ পালো। অচিনাকি ঠাই, অচিনাকি মানুহ, হাতত কিতাপ-পত্ৰ লৈ দাড়ি থকা (প্ৰয়াত গুণীন চৌধুৰী ছাৰ) মানুহ এজনক সোধাত অধ্যক্ষৰ কোঠাটো দেখুৱাই দিলে। 'মে আই গেট্ ইন্ ছাৰ?' কোঠাটোত বহি থকা আৰ্মি অফিচাৰ যেন লগা ভদ্ৰলোকজনে 'ইয়েছ্' বুলি কৈ সুধিলে, 'কি হ'ল?' ময়ো ভিতৰত প্ৰৱেশ কৰি গুৱাহাটীৰ পৰা লৈ যোৱা পত্ৰখন নিঃসংকোচেৰে তেখেতৰ হাতত দিলো। ক্ষন্তেক পিছতে মোক বহিবলৈ কৈ মোৰ সম্পূৰ্ণ পৰিচয় ল'লে আৰু মোৰ উদ্দেশ্যৰ প্ৰতি কিমান একাগ্ৰতা ইত্যাদি কথা আলোচনা কৰিলে। আলোচনাৰ অন্ত হোৱাত মানুহজনৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা-ভক্তি উপজিল। মনত পৰিল পত্ৰ প্ৰেৰক প্ৰয়াত ড° অনিল কুমাৰ শৰ্মা (অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়, বাণিজ্য বিভাগ, তেতিয়াৰ কলেজ পৰিদৰ্শক) ছাৰলৈ। প্ৰয়াত শৰ্মা ছাৰে কোৱাৰ দৰে মানুহজনক সঁচাকৈ বৰ ভাল লাগিল। সেইজনা জ্ঞানী-গুণী পুৰুষ হ'ল শ্ৰীযুত সত্যনাথ



দাস ছাৰ— বি.এইচ্.কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। এইটোৱে হ'ল বাস্তৱ জীৱনৰ অভিনয়ৰ প্ৰথম দৃশ্যপট।

মোৰ এম.কম. পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ প্ৰায় দুমাহ মান পিছত আমাৰ গুৱাহাটীৰ উজান বজাৰ ঘৰৰ ঠিকনাত হঠাতে এখন টেলিগ্ৰাম পালো। তাত লিখা আছিল "Congratulations, come sharp, wishing your good speed." -Principal B. H., দিনটো আছিল ১৯৭৭ চনৰ জুন মাহৰ ১৯ তাৰিখ। আজিও টেলিগ্ৰামখন মোৰ চাৰ্টিফিকেট ফাইলত আৱদ্ধ। ইতিমধ্যে মই ৰিজাৰ্ভ বেংকৰ চাকৰিত যোগদান কৰি তেতিয়াৰ বোম্বাইলৈ ট্ৰেন্সফাৰ হৈছিলোঁ। বেংকৰ চাকৰি ইস্তাফা দি মই ১৯৭৭ চনৰ জুলাই মাহৰ ৫ তাৰিখে বি. এইচ্. কলেজৰ বাণিজ্য বিভাগত প্ৰবক্তা ৰূপে যোগদান কৰিলোঁ। এয়াই হ'ল বাস্তৱ জীৱনৰ অভিনয়ৰ দ্বিতীয় দৃশ্যপটৰ আৰম্ভণি।

মোৰ সাতত্ৰিশ বছৰ চাকৰি কালৰ বিগত বাইশ বছৰে এইজনা মহান অধ্যক্ষ সত্যনাথ দাস ছাৰৰ লগত কাম কৰাৰ সৌভাগ্য হৈছিল। তেতিয়াৰ বি. এইচ্. কলেজৰ আজিৰ পৰিৱেশৰ দৰে নাছিল বাবে অধ্যক্ষ ছাৰৰ নিকট সান্নিধ্য লাভ কৰিছিলোঁ আৰু বহু জ্ঞান লাভ কৰিছিলোঁ। আৰম্ভণিতে অধ্যক্ষৰ সৈতে কলেজ কেম্পাচতে আছিলোঁ বাবে দিন-ৰাতি সকলো সময়তে তেখেতৰ সংগ লভিছিলোঁ। তেখেতৰ কথা-বতৰা, অংগী-ভংগী সকলোবোৰ অনুকৰণ কৰিবলৈ মই চেষ্টা কৰিছিলোঁ। সন্ধিয়া পৰত কেতিয়াবা অধ্যক্ষ ছাৰৰ সৈতে তাচপাতো খেলিছিলোঁ। লগত আছিল ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীমুনীন্দ্ৰ নাৰায়ণ গোস্বামী ছাৰ, অৰ্থনীতি বিভাগৰ অৰবিন্দ কলিতা ছাৰ, অসমীয়া বিভাগৰ প্ৰয়াত অতুল বৰ্মন ছাৰ আদি। তাচ পাত খেলৰ সময়ত মই সদায় অধ্যক্ষ দাস ছাৰৰ পাৰ্টনাৰ আছিলোঁ আৰু ছাৰে নানা ইংগিতেৰে মোক তাচপাতৰ সম্ভেদ জনাইছিল। কেতিয়াবা

গোস্বামী ছাৰৰ হাতত ধৰাও পৰিছিলোঁ। ইমানবোৰ কাম কৰাৰ পিছতো অধ্যক্ষ দাস ছাৰৰ প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধা, ভয়, ভক্তি, অটুট আছিল। অধ্যক্ষ দাস ছাৰৰ কথা-বতৰাৰ এটি বিশেষ ষ্টাইল আছিল। কথা পাতোতে তেখেতৰ প্ৰথম দুই-চাৰিটা বাক্য কৰ্ণ গোচৰ হয় কিন্তু শেষৰখিনি ইংগিতেৰে শেষ কৰে। সকলোৰে বোধগম্য নহলেও আমি কিন্তু সঠিকভাৱে বুজি পাওঁ। যেনে— 'বুজিছে বৰ্মন সিদিনা গুৱাহাটীৰ ডি.পি.আই. অফিচলৈ গৈ ডি.পি.আইক লগ কৰিলোঁ, তেওঁ মোক ক'লে, ছাৰ বহক, তাৰ পিচত পিয়নটোক মাতি... ইংগিতেৰে...। (তাৰ মানে ছাৰক চাহ-তামোল আদিৰে আপ্যায়ন কৰিলে), কেতিয়াবা অধ্যক্ষ ছাৰক আমি কিবা কথা সুধিলেও তেখেত নিমাত হৈ থাকিলেও, তেখেতৰ ভাব-ভঙ্গীৰ পৰা আমি অতি সহজে উত্তৰটো পাবলৈ সক্ষম হওঁ।

এদিন সন্ধিয়া আমি কলেজ চৌহদত গল্প কৰি থাকোঁতে অধ্যক্ষ দাস ছাৰে মুনীন গোস্বামী ছাৰক ক'লে, 'বুজিছে গোসাঁই, আজি আমাৰ এওঁ (পত্নী) অমিতাৰ খাৰ বনাইছে এনেকুৱা হৈছে বি-উ-টি-ফুল।' পিছলৈ মই এই উক্তিটো অবিকল অনুকৰণ কৰি আমাৰ কমন ৰূমত ছাৰৰ অভিনয় কৰি সকলোকে আনন্দ দিছিলো। এনে ধৰণৰ বহু কথাই অধ্যক্ষ দাস ছাৰৰ পৰা অনুকৰণ কৰি ৰং ধেমালি কৰিছিলোঁ (আজি DY 365ৰ চুপতিৰ দৰে)। আনকি অধ্যক্ষ দাস ছাৰৰ 'নমুনা স্বাক্ষৰ' ছাৰৰ সন্মুখতে অবিকল ছাৰৰ দৰে কৰি দেখুওৱাত অধ্যক্ষ ছাৰে কৈছিল, 'দেখ্ছে গোসাঁই মানুহ মাৰি ফেল্‌বো হে....।' সেই বুলি ছাৰে মোক কোনো দিনে বেয়া পোৱা নাছিল বৰং মৰমহে কৰিছিল। পিছলৈ ছাৰে মোৰ ওচৰত কথা কওঁতে বৰ সাৱধান হৈছিল বুলি গম পাইছিলোঁ আৰু মোৰো বেয়া লাগিছিল।

এবাৰ অধ্যাপক ৰবীন ভট্টই গুৱাহাটীলৈ এখন টেলিগ্ৰাম কৰিলে। তেতিয়াৰ দিনত টেলিফোনৰ ব্যৱস্থা বৰকৈ নাছিল। আমি বহুতে যেতিয়া



টেলিগ্ৰাম কৰিব নেলাগিছিল বুলি ক'লো, ৰবীন ভট্টই লগে লগে 'ডাঁক তাঁৰ' অফিচলৈ টেলিগ্ৰামখন ঘূৰাই আনিবলৈ গ'ল। পিছত এদিন অধ্যক্ষ দাস ছাৰে তেখেতৰ কোঠাত ৰবীন ভট্টক সুধিলে, 'ভট্ট আপোনাৰ টেলিগ্ৰামখন তাঁৰৰ পৰা ঘূৰাই আনিব পাৰিলেনে?' এনে ধৰণৰ সমলবোৰে তেতিয়াৰ দিনত আমাক বৰ আনন্দ দিছিল।

অধ্যক্ষ সত্যনাথ দাস ছাৰ শৈক্ষিক দিশত বৰ কঠোৰ আছিল। শ্ৰেণী কোঠাসমূহ বৰ সুন্দৰভাৱে পৰিদৰ্শন কৰিছিল। কোনোবা শিক্ষকে শ্ৰেণী কোঠালৈ দেৰিকৈ সোমালে বা উপস্থিত নেথাকিলে ছাৰে নিজৰ কোঠালৈ মাতি নি বহিবলৈ কৈ বহুত সময় ধৰি মৌন ব্ৰত অৱলম্বন কৰে আৰু সেই সময়খিনি আছিল যথেষ্ট অসহ্যকৰ। এদিন ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক এজনে অধ্যক্ষৰ কোঠালৈ গৈ সুধিলে যে বাণিজ্য বিভাগৰ অধ্যাপকসকলতকৈ তেওঁক কিয় কম দৰমহা দিয়া হয়, (তেতিয়া পোষ্টবোৰ চৰকাৰীকৰণ হোৱা নাই)। অধ্যক্ষ ছাৰে তেতিয়া কৈছিল, "It is a question of demand and supply." পিছদিনাখন অধ্যাপকজনে চাকৰি ইস্তাফা দি ঘৰলৈ গুচি গ'ল।

অসম আন্দোলনৰ মাজতে ১৯৮৩ চনৰ অবৈধ নিৰ্বাচনৰ সময়। আবেলি কলেজৰ সন্মুখত পুলিচ আৰু আন্দোলনকাৰীৰ দুৰ্বাৰ কাজিয়া হ'ল আৰু সন্ধিয়া পৰত কলেজ হোষ্টেলটো ভাঙি-চিঙি চুৰমাৰ কৰি ছয়জন ছাত্ৰক পুলিচে ধৰি লৈ গ'ল। পিছদিনাখন মই ৰাতিপুৱাই কেইটামান মাগুৰ মাছ কিনি ৰঙিয়াৰ ঘৰলৈ যাম বুলি সাজু হৈছো মাথোন, অধ্যক্ষ দাস ছাৰে ক'লে, 'ৰমেশ দাস বৰপেটা টাউনলৈ যাব লাগে, কাৰণ আপুনিও পুলিচে ধৰি লৈ যোৱা ল'ৰা এজনৰ লোকেল গাৰ্জেন।' ময়ো মাগুৰ মাছকেইটা হাউলীৰ পাণ দোকান এখনত থৈ যাবলৈ সাজু হ'লোঁ। অধ্যক্ষ দাস ছাৰৰ লগত এস্বাচাদৰ মটৰ গাড়ীত উঠি বৰপেটা টাউন পালোঁগৈ, সময় তেতিয়া

ডেৰ মান বাজিছে। ডি.চি. চাহাবক লগ ধৰিবলৈ অফিচৰ সন্মুখত বৈ আছো অধ্যক্ষ সমন্বিতে আমি ছয়জনমান। হঠাতে এচ.ডি.পি.ও. আৰু পুলিচ চাৰ্কোল অফিচাৰহঁতে আমাক এৰেষ্ট কৰি বৰপেটা থানাৰ লোহাৰ ল'কআপত ভৰাই থ'লে, লাগিল মহা লেঠা। থানাৰ অসমীয়া ও.চি.জনে ক'লে, 'ছাৰ আমাৰ উপায় নাই, আপোনালোকক ল'কআপত থ'বলৈ আমাৰ সৎ যোৱা নাই, কিন্তু কি কৰিম চাকৰিৰ তাড়নাত...।' আমি বোলো হ'ব দিয়ক। আমি সোমাই থাকো আপোনালোকৰো চাকৰি ঠিকে থাকক। ইফালে বৰপেটা টাউন, হাউলী, বৰপেটাৰোডত হাহাকাৰ লাগিল 'জয় আই অসম' ধ্বনিবে। সন্ধিয়া সাঁজ লাগিল। থানাৰ সন্মুখত হাজাৰ হাজাৰ লোক। ল'কআপৰ ভিতৰতে অধ্যক্ষ দাস ছাৰে ক'লে, 'ৰমেশ দাস! আপোনাৰ মাগুৰ মাছকেইটাৰ বা কি হ'ল।' মই খঙত ৰঙা-চিঙা পৰিলো। ইফালে ল'কআপৰ যন্ত্ৰণা ছাৰে আকৌ মোক জোকায়। নিশা যেনিবা আমাক মুকলি কৰি দিলে।

অধ্যক্ষ দাস ছাৰৰ লগত ঘটা এনেকুৱা কিছুমান ঘটনাৰ স্মৃতিয়ে বৰকৈ আমনি কৰে। অধ্যক্ষ দাস ছাৰৰ জ্ঞান, গৰিমা, ব্যক্তিত্ব আৰু কাৰ্যপ্ৰণালীক লৈ আমি গৌৰববোধ কৰিছিলো। বি. এইচ্. কলেজৰ বাণিজ্য শাখা উন্নয়নৰ ক্ষেত্ৰত অধ্যক্ষ ছাৰৰ ভূমিকা অতুলনীয়। অতি কম সময়ৰ ভিতৰতে বাণিজ্য শাখা চৰকাৰীকৰণ কৰি উচ্চৰ পৰা উচ্চতৰলৈ লৈ গৈছিল আৰু নামনি অসমত এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিছিল। ১৯৯৯ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে অধ্যক্ষ সত্যনাথ দাস ছাৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেই দিনটো আছিল অতি মৰ্মান্তিক। বি. এইচ্. কলেজৰ এটা সোণালী যুগৰ অন্ত পৰিল আৰু বাস্তৱ জীৱনৰ অভিনয়ৰ দৃশ্যপট সমূহতো আঁৰ কাপোৰ পৰিল। বিভিন্ন বিষয়ত অভিনয় কৰা চৰিত্ৰ সমূহো এটা সময়ত চেদেলি-ভেদেলি হৈ গ'ল।



অধ্যক্ষ দাস ছাৰৰ অৱসৰৰ পিছত এই অভাজনে আৰু পোন্ধৰ বছৰ কাল বি. এইচ্. কলেজত সেৱা আগবঢ়াই ২০১৪ চনৰ ৩১ মাৰ্চ তাৰিখে অৱসৰ গ্ৰহণ কৰোঁ। ইয়াৰ মাজতে মই বহু কেইজন অধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ পালো যদিও মোৰ কাৰ্যকালৰ শেষৰ দুবছৰ এনে এজন অধ্যক্ষ পালো যিজন বৰ পৰিবৰ্তনশীল, কঠোৰ পৰিশ্ৰমী, দায়িত্বশীল আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত অতি জনপ্ৰিয়। তেওঁৰ লগত কাম কৰি বিশেষকৈ পৰিচালনাৰ ক্ষেত্ৰত বৰ আনন্দ লাভ কৰিছিলোঁ।

সৌ সিদিনা বি. এইচ্. কলেজৰ সোণালী জয়ন্তী উদ্বোধনী সমাৰোহত ভাগ ল'বলৈ যাওঁতে শুনিলো অধ্যক্ষ দাস ছাৰ হেনো অসুস্থ। আমি চাৰিজনমান অৱসৰপ্ৰাপ্ত শিক্ষক লগ লাগি ছাৰৰ খবৰ ল'বলৈ গৈছিলোঁ। আমি যেতিয়া ছাৰৰ বাসভৱনত উপস্থিত হওঁ ছাৰ তেতিয়া বিচনাত শুই আছিল আৰু আমাৰ প্ৰত্যেকৰে খবৰ খাতি লৈছিল।

আমি সকলোৱে অধ্যক্ষ দাস ছাৰৰ আশু আৰোগ্য কামনা কৰি ছাৰৰ পৰা বিদায় ল'লোঁ। আমি অনুভৱ কৰোঁ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীসত্যনাথ দাস ছাৰ বি. এইচ্. কলেজৰ এটা অবিচ্ছেদ্য অংগ যাক এৰি কলেজৰ কোনো কথাই ভাৰিব নোৱাৰি। শেষত বৰ্তমানৰ অধ্যক্ষলৈ অনুৰোধ বি. এইচ্. কলেজৰ ঐতিহ্য গৌৰৱ যেন সদায় অটুট থাকে তাৰ বাবে যত্নপৰ হওক।

"জয়তু বি.এইচ্.কলেজ"

*(লেখক বি. এইচ্. কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰু বিত্ত বিভাগৰ মুৰব্বী অধ্যাপক)*

# কিছু স্মৃতি আৰু শ্ৰীযুত সত্যনাথ দাসদেৱৰ প্ৰতি আন্তৰিক শুভেচ্ছা

তমিজ উদ্দিন আহমেদ

কোচ ৰজা ৰঘুৰায়ৰ ৰাজত্ব কালত অৱস্থিত নগৰঝাৰ গাঁওৰ সংলগ্নত মৌটুপুৰী এখন অতি পুৰণি গাঁও। গাঁওখন বৰপেটা জিলাৰ হাউলী নগৰৰ নিচেই ওচৰত। ১৯৩৬ চনত এই মৌটুপুৰী গাঁৱতে শ্ৰীযুত সত্যনাথ দাসদেৱে জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতাকৰ নাম প্ৰয়াত উপেন্দ্ৰ নাথ দাস আৰু মাকৰ নাম পুণ্যদাবালা দাস। তেখেতৰ দেউতাক আদৰ্শ খেতিয়ক আছিল। শ্ৰীসত্যনাথ দাসদেৱে স্কুল আৰু কলেজীয়া জীৱনত খেতিৰ যিকোনো কামত দেউতাকক সদায় সহায় কৰিছিল। তেখেতৰ ভাই-ভনী দহ গৰাকী ক্ৰমে জ্যেষ্ঠ শ্ৰী সত্যনাথ দাস, প্ৰয়াত নিৰঞ্জন দাস, বনজিৎ দাস, ৰণজিৎ কুমাৰ দাস, প্ৰয়াত প্ৰাণজিৎ দাস আৰু ভনী ক্ৰমে বিৰজা বালা দাস, বাসন্তী বালা দাস, কমলা বালা দাস, ৰেণু বালা দাস আৰু প্ৰজ্ঞা বালা দাস। বৰ্তমান শ্ৰীসত্যনাথ দাসদেৱৰ ৬ গৰাকী ছোৱালী, এজন ল'ৰা আৰু কেবাজনো নাতি-নাতিনী।

শ্ৰীসত্যনাথ দাসদেৱে মৌটুপুৰী গাঁওৰ প্ৰাইমাৰী স্কুলতে তৃতীয় শ্ৰেণী প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ১৯৪৯ চনত হাউলী হাইস্কুল পঞ্চম শ্ৰেণীত ভৰ্ত্তি হয়। ১৯৫৫ চনত হাউলী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা



পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৯ চনত তেখেতে বৰপেটা মাধৱ চৌধুৰী কলেজৰ পৰা অৰ্থনীতি বিভাগত অনাৰ্চ সহ বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত এম. এ. ডিগ্ৰী অৰ্জন কৰে। সত্যনাথ দাসদেৱে কিছুদিন হাউলী হাইস্কুলত শিক্ষকতা কৰিছিল। সেই সময়ত মই হাউলী হাইস্কুলত ছাৰৰ অধীনত পঞ্চম শ্ৰেণীৰ ছাত্ৰ। সৰুপেটা হাইস্কুলতো ছাৰে কিছুদিন শিক্ষকতাৰ কাম কৰিছিল।

পাঠশালাৰ বজালী কলেজত ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈকে সত্যনাথ দাসদেৱে প্ৰবক্তা হিচাপে কাম কৰিছিল। দাস ছাৰে প্ৰবক্তাৰ উপৰিও বজালী কলেজত এন.চি.চি.ৰ ক্লাচ কৰিছিল। তেখেতে এন.চি.চি.ৰ জৰিয়তে পাঠশালা অঞ্চললৈ সুনাম কঢ়িয়াই আনিছিল।

বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ শিক্ষাবিদ, বুদ্ধিজীৱী, বিশিষ্ট ব্যক্তি আৰু সাধাৰণ ৰাইজৰ আশাশুধীয়া চেষ্টাৰ ফলত ১৯৬৬ চনত বি. এইচ্. কলেজ স্থাপন হয়। শ্ৰীযুত সত্যনাথ দাসদেৱে বজালী কলেজৰ প্ৰবক্তাৰ চাকৰি এৰি ১৯৬৬ চনতেই বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে চাকৰিত যোগদান কৰে। তেখেতে অধ্যক্ষ পদ প্ৰাপ্তিৰ দিনৰ পৰাই গধুৰ দায়িত্ব বহনেৰে আজিলৈকে কলেজখনৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি আৰু শুভকামনা কৰি আছে। তেখেতে উচ্চতৰ মাধ্যমিক কলা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ইংৰাজী মাধ্যমত অৰ্থনীতি বিজ্ঞানৰ পাঠ্যপুথি ৰচনা কৰিছিল। সেই সময়ত লিখা-পঢ়াৰ মাধ্যম ইংৰাজী আছিল। মই প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ প্ৰথম বাৰ্ষিক কলা শাখা পৰা স্নাতক শ্ৰেণীলৈকে তেখেতৰ ছাত্ৰ আছিলোঁ। ১৯৭৬ চনৰ পৰা ২০১০ চনলৈকে কলেজৰ কাৰ্যালয় সহায়ক পদত চাকৰি কৰিছিলোঁ। তেখেতে অতি কৌশল আৰু মৰমৰ মাজেৰে কলেজ কাৰ্যালয়ৰ কৰিবলগীয়া কামসমূহ আদায় কৰি লৈছিল। তেখেত কলেজ পৰিচালনাৰ ক্ষেত্ৰত সাগৰৰ দৰে গভীৰ আৰু পাহাৰৰ দৰে ওখ

আৰু শিলৰ দৰে টান আছিল। সততা আৰু নিষ্ঠাই আছিল তেখেতৰ মূল লক্ষ্য। মোৰ চাকৰি জীৱনৰ বহুক্ষেত্ৰত উপলব্ধি আৰু অনুধাৱন কৰিছিলো যে অধ্যক্ষ মহোদয় এক নিৰপেক্ষতাৰ প্ৰতীক।

তেখেতে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে কিছু আদৰ্শ সমাজত দেখুৱাই থৈ গৈছে। ১৯৭৬ চনত বৰপেটা বিধান সভাৰ পৰা নিৰ্বাচিত অসমৰ স্বাস্থ্যমন্ত্ৰী তথা কলেজ পৰিচালনা সভাৰ সভাপতি প্ৰয়াত ডাঃ সুৰেন্দ্ৰ নাথ দাস, প্ৰয়াত যাদৱ চন্দ্ৰ দাস আৰু শ্ৰীযুত সত্যনাথ দাসদেৱৰ বিবেচনা অনুসৰি ১৯৭৬ চনতেই ৪ জন কৰ্মচাৰীক নিযুক্তি প্ৰদান কৰে। যথাক্ৰমে— শ্ৰী নিখিল চন্দ্ৰ দাস, তমিজ উদ্দিন আহমেদ, সত্য কৰ্মকাৰ আৰু নন্দেশ্বৰ বড়ো।

বি. এইচ্. কলেজখনৰ বাহিৰেও বৃহত্তৰ বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ সমাজসেৱা মূলক কামত দাস দেৱ জড়িত আছে। সদৌ হাউলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, হাউলী উন্নয়ন কমিটিৰ সভাপতি, হাউলীৰ বিহু সন্মিলন, ৰাস মন্দিৰ আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে ছাৰে সদায় জড়িত আছে। শ্ৰীযুত সত্যনাথ দাসদেৱ বিভিন্ন গুণৰ অধিকাৰী। তেখেতৰ গুণ-গৰিমাৰ অন্ত নাই। অৱশেষত শ্ৰীযুত সত্যনাথ দাসদেৱৰ দীৰ্ঘায়ু জীৱন আৰু সুখ-শান্তি কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ সহায়ক)*



# শ্ৰীযুত সত্যনাথ দাস ছাৰৰ শৈক্ষিক দৰ্শন

**সুশান্ত দত্ত**

এক উচ্চশিক্ষিত, স্বাস্থ্যবান, আত্মপ্ৰত্যয়ী ত্ৰিশ অনুৰ্ধ যুৱকে নিশ্চিত জীৱনৰ সকলো সম্ভাৱনাক আওকাণ কৰি ষাঠিৰ দশকত উচ্চ শিক্ষা প্ৰতিষ্ঠান গঢ়াৰ সংকল্প গ্ৰহণ কৰাটো এজন ভাবাদৰ্শ থকা স্বপ্নদ্ৰষ্টাৰ বাবেহে সম্ভৱ। সমাজ গঢ়াৰ প্ৰতিষ্ঠাপকসকল সেয়েহে নমস্য, চিৰ আদৰণীয়। ১৯৬৬ চনত প্ৰতিষ্ঠিত বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস সেয়ে এক বিৰল ব্যক্তিত্ব। দাৰ্শনিক চিন্তা আৰু সংকল্প অবিহনে তথা ত্যাগ আৰু পৰিশ্ৰমৰ কঠোৰতা নাথাকিলে এক অচিন অৰণ্যৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰা একপ্ৰকাৰ অসম্ভৱ। বি. এইচ্. মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক পিতৃপুৰুষ সকলৰ উমৈহতীয়া সহযোগত এক আদৰ্শ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ যোগেদি স্থানীয় ৰাইজক উচ্চ শিক্ষাৰ বাট মুকলি কৰি দিয়াটোৱেই আছিল তেখেতৰ শৈক্ষিক দৰ্শন।

বি. এইচ্. মহাবিদ্যালয়ৰ স্বৰ্ণজয়ন্তী বৰ্ষত প্ৰতিষ্ঠাপক অধ্যক্ষৰ কৰ্মৰাজি সোঁৱৰণ কৰিবলৈ যাওঁতে তেখেতৰ বৌদ্ধিক চিন্তা আৰু মননশীল ভাৱধাৰা বাৰাম্বাৰ উদ্ভাসিত হৈছে। আদৰ্শ শিক্ষা প্ৰতিষ্ঠান গঢ়িবলৈ হ'লে আদৰ্শ ছাত্ৰ, আদৰ্শ শিক্ষক, আদৰ্শ প্ৰশাসন, আদৰ্শ পৰিৱেশ আৰু সমাজৰ আশীৰ্বাদ লাগিব। শিক্ষা এক আজীৱন সাধনা। শিক্ষাক জীৱনৰ পৰা আঁতৰ

কৰিব নোৱাৰি। আদৰ্শ শিক্ষকৰ আনুগত্য আৰু কৰ্মনিষ্ঠাই ব্যক্তি জীৱন আৰু প্ৰতিষ্ঠানিক জীৱনৰ সীমা-পৰিসীমা একাকাৰ কৰে। শ্ৰদ্ধেয় সত্যনাথ দাস ছাৰৰ কৰ্মজীৱনৰ উমান পোৱা সকলে জানে যে বি. এইচ্. কলেজ আৰু তেওঁ যেন একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি।

আদৰ্শ শিক্ষা প্ৰতিষ্ঠান গঢ়িবলৈ লওঁতে তেখেতে নিজেই এক আদৰ্শত পৰিণত হ'ল। ছাত্ৰ-ছাত্ৰীৰ বাবে হৈ পৰিল অনুকৰণীয় আদৰ্শৰ প্ৰতীক। শিক্ষক সকলৰ বাবেও ব্যতিক্ৰম নহয়। শিক্ষকৰ সৈতে সম্পৰ্কৰ এনাজৰী এক মায়াবী বিস্তাৰ। সামান্য মৰম আৰু শ্ৰদ্ধাজনিত মন্তব্যেৰে শিক্ষকৰ জীৱনো শৃংখলিত কৰি তুলিছিল। সমনীয়া শিক্ষক সকলৰ লগতে আমি ডেকা শিক্ষক সকলেও তেওঁৰ বান্ধোন মুক্ত হ'ব পৰা নাছিলো। অনুশাসনৰ অভাৱ নথকা হেতুকে সকলো শিক্ষকে কৰ্তব্যত অৱহেলা দেখুৱাবৰ সাহস গোটাব নোৱাৰিছিল। পাঠদান প্ৰক্ৰিয়াত অগ্ৰজ বুলি কোনো শিথিলতাৰ অৱকাশ নাছিল। নৱীন শিক্ষকক উৎসাহিত কৰিবলৈ সাহচৰ্য প্ৰদান কৰিছিল। ৰাতিপুৱাৰ কঠোৰতাক আবেলিৰ পৰশলৈ ৰূপান্তৰিত কৰাৰ কৌশল, কলা আৰু মন তেখেতৰ সহজাত প্ৰতিভা। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেখেতক যথেষ্ট ভয়-ভক্তি কৰিছিল। ব্যক্তিত্বৰ বলিষ্ঠতাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ ওচৰলৈ যাবলৈ ওলাই থমকি ৰৈছিল। বাহিৰত বজ্ৰকঠোৰ হ'লেও ভিতৰে ভিতৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সদায় উদাৰ আছিল। দক্ষ প্ৰশাসক হিচাপে সকলো কথা ব্যক্ত কৰিব নোৱাৰাটো নিতান্তই স্বাভাৱিক। তেওঁৰ ভাষাত— I am harsh to become kind ultimately। আৰু আমাক কৈছিল— ছাত্ৰ-ছাত্ৰীৰ লগত ওতঃপ্ৰোতভাৱে মিলি থাকক কিন্তু মিলি নাযাব। আকৌ এবাৰ তেওঁৰ ভাষাতেই কথাষাৰ লিপিবদ্ধ কৰিব বিচাৰিছো— Mix up but don't be mixed up। কথাবোৰৰ গভীৰতা আৰু ব্যাপকতা সময় বাগৰাৰ লগে লগে বাৰুকৈ



উপলব্ধি কৰিছোঁ। মেধাৱী আৰু দৰিদ্ৰ— এই দুই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তেওঁ চোকা দৃষ্টি দিছিল। মেধাৱী ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সা-সুবিধা প্ৰদানৰ যোগদি আন সকলো ছাত্ৰ-ছাত্ৰীকো মনোযোগী হ'বলৈ উদ্বুদ্ধ কৰিছিল। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী প্ৰসঙ্গত এবাৰ কৈছিল— 'মোৰ ল'ৰা-ছোৱালী কঠাল খাই কলেজলৈ আহে, গতিকে মাচুল বৃদ্ধিৰ কথা নক'ব।'

সমাজক তেওঁ সদায় উচ্চ স্থান দিছিল। ৰাইজৰ প্ৰতি দায়বদ্ধতাক তেওঁ প্ৰাথমিকতা দিছিল। ৰাইজৰ আস্থাভাজন আৰু বিশ্বাস অৰ্জন কৰিবলৈ তেওঁ সদায় সচেষ্ট আৰু তৎপৰ আছিল। সমাজৰ বয়োজ্যেষ্ঠ নাগৰিকসকল মহাবিদ্যালয় স্ব-নিয়োজিত পৰ্যবেক্ষক। তেওঁলোকে পাঠদান আৰু পৰীক্ষা গ্ৰহণৰ দৰে মৌলিক দায়বদ্ধতাৰ প্ৰতি সদায় দৃষ্টি দিছিল আৰু অধ্যক্ষদেৱে তেওঁলোকৰ মতামত যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। পৰিচালনা সমিতিৰ লগত তেওঁৰ সম্বন্ধ তুলনাবিহীন। আস্থা আৰু বিশ্বাসৰ সীমাৰেখা অসীম বুলি ক'লে অত্যুক্তি নহ'ব। আৰু এই প্ৰসঙ্গত তেওঁৰ এটা বাক্য আজি মনত পৰিছে। পৰিচালনা সমিতি বুলি ক'লে তেওঁকেই আঙুলিয়াই দিয়াত তেখেতে কৈছিল— 'মই এই বিশ্বাসৰ বাবে দ্বিগুণ সতৰ্ক (I am doubly conscious)। সমাজক লগত লৈ প্ৰতিষ্ঠান পৰিচালনা কৰাৰ সম্পূৰ্ণ তৃপ্তি তেখেতে লাভ কৰিছে। অৱশ্যে শৈক্ষিক আদৰ্শ প্ৰতিষ্ঠা সন্দৰ্ভত দায়িত্বশীল সমাজ গঢ়াৰ বৃহত্তৰ লক্ষ্যই ইয়াৰ অন্তৰালত ক্ৰিয়া কৰিছে।

শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু সমাজক লৈ এক আদৰ্শ প্ৰতিষ্ঠান গঢ়াৰ মানসেৰে প্ৰমূল্যবোধ প্ৰতিষ্ঠাৰ হ'কে তেখেতে সদায় তৎপৰ আছিল। নিয়মিত পাঠদান, উচ্চ মানসম্পন্ন পৰীক্ষা গ্ৰহণ এই দুই প্ৰাথমিক দায়িত্ব পালনৰ লগতে Open Book প্ৰশাসনৰ বাবে নিয়মিত হিচাপ প্ৰদান কৰা, পৰিচালনা সমিতিৰ অনুমোদন লোৱা, জুলাই-আগষ্ট মাহৰ ভিতৰত

আভ্যন্তৰীণ হিচাপ পৰীক্ষণ সম্পূৰ্ণ কৰা আদি শাশ্বত মূল্যবোধেৰে আবহমান কালৰ সকলো প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ মহাবিদ্যালয়ৰ বৌদ্ধিক আৰু প্ৰশাসনীয় ভেঁটি সুদৃঢ় কৰি গৈছে।

অৱসৰী জীৱনতো তেখেতে মানৱীয় মূল্যবোধৰ সুদৃঢ় কাঠামোৰ বেষ্টনীত এক আদৰ্শবান ব্যক্তিৰ জীৱন যাপন কৰিছে। পৰমেশ্বৰে শ্ৰদ্ধেয় ছাৰক বহুদিন জীৱিত ৰাখি সুখ আৰু আনন্দ প্ৰদান কৰক। মানুহৰ মৃত্যু এক চিৰন্তন সত্য। এজন মানুহৰ মৃত্যুত বিশেষ ক্ষতি নহয় কিন্তু আদৰ্শ আৰু বুদ্ধিদীপ্ততাৰ মৃত্যুত এখন সমাজৰো মৃত্যু হয়। শ্ৰদ্ধেয় ছাৰৰ সু-স্বাস্থ্য আৰু শান্তি কামনা কৰিলোঁ।

(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন উপাধ্যক্ষ
আৰু বাণিজ্য ব্যৱস্থাপনা বিভাগৰ মুৰব্বী অধ্যাপক)



# মৃদুভাষী সত্যনাথ দাস ছাৰ

## হৃষীকেশ গোস্বামী

আমি যেতিয়া হাউলী হাইস্কুলত ছাত্ৰ। মোৰ পিতা সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী আৰু দাদা নাৰায়ণ গোস্বামীৰ মুখত সত্যনাথ দাসৰ বিষয়ে গম পাওঁ। বিভিন্ন কাহিনী শুনো।

এবাৰ এজন ছাত্ৰই নকল কৰি থাকোঁতে শিক্ষকে ধৰিবলৈ যাওঁতে হেনো বহীখন লৈ পথাৰৰ ফালে দৌৰি পলাল। পিছে পিছে সত্যনাথ দাস। পথাৰত হালবাই থকা হালোৱা এজনৰ পৰা এচাৰিপাত কাঢ়ি লৈ ল'ৰাজনক দুকোব সোধাই বহীখন কাঢ়ি আনিলে। ঘটনাটো শুনি শিশুমনটো পুলকিত হৈ পৰিল।

তাৰ পিছত বিভিন্ন সভা-সমিতিবোৰত সত্যনাথ দাস ছাৰৰ মৃদুভাষী কথাবোৰ শুনিলোঁ। শেষত গৈ গৈ B. H. College ৰ ছাত্ৰ হোৱাৰ সৌভাগ্য ঘটিল আৰু সত্যনাথ দাস ছাৰক অধ্যক্ষ ৰূপে পালোঁ।

ছাৰৰ সতে কথা পাতিছোঁ, কাজিয়াও কৰিছোঁ, উপদেশো লৈছোঁ বিভিন্ন সময়ত।

এবাৰ কলেজত ছাত্ৰ একতাৰ সভাৰ নিৰ্বাচনক লৈ ছাৰৰ স'তে মতানৈক্য হ'ল। আমি উচ্চ ন্যায়ালয়ৰ ওচৰ পালোগৈ স্বৰ্গীয় নিশিথ দাৰ যোগেদি। ছাৰক কোঠাৰ ভিতৰতে আৱদ্ধ কৰি ৰাখি কোঠাৰ বাহিৰত

অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচীও ললোঁ। কথা কটা-কাটিও হ'ল। তাৰ কিছুদিন পিছতে কলেজত চলি থকা পৰীক্ষাৰ সময়ত মই পৰীক্ষা দি আছিলোঁ। মাজতে এবাৰ বাহিৰলৈ গ'লো। Toilet ৰ ওচৰতে এখন চকীত বহি আছিল সত্যনাথ দাস ছাৰ। কোনোবা ল'ৰাই দেখি কৰিলে তেওঁ তীক্ষ্ণ নজৰ দিয়ে। মই ঘূৰি অহাৰ লগে লগে ক'লে— ঐ, এই ফালে আহ। এই বুন্দিয়া-ভূজিয়া অলপ খাই চা। মই ক'লো—দেৰি হ'ব, লিখিব লাগে, সময় ক'ম। ছাৰে ক'লে— সময় বঢ়াই দিম দে! এয়া হ'ল অনুশাসন আৰু মৰমৰ সংমিশ্ৰণ।

এবাৰ কেণ্টিনত বহি চাহ খাই আছিলোঁ। মোৰ কাষতে থকা ছাৰৰ সৰু ভাতৃ প্ৰাণজিৎ দাসে চিগাৰেটত হুপা এটা মাৰিছে মাত্ৰ। প্ৰিন্সিপাল ছাৰ আহি হেন সময়তে উপস্থিত। প্ৰাণজিতে ধোঁৱাখিনি এৰিব নোৱাৰি এক অসহনীয় পৰিস্থিতিত পৰিল। ছাৰে ভায়েকক উদ্দেশ্যি ক'লে— এৰি দে, নহ'লে মৰিবি? আচলতে ছাৰ বহা চকীখনৰ দুয়োফালে থকা আলমাৰী দুটাৰ দুখন গ্লাচ লগোৱা আছিল। সেই দুখনেৰে বাহিৰত কোনে কি কৰে তেখেতে চাই আছিল।

এবাৰ ছাত্ৰসন্থাৰ সভা এখন নিশাৰ ভাগত কলেজত অনুষ্ঠিত কৰিবলৈ তেওঁৰ পৰা অনুমতি ল'লোঁ। ছাৰে অনুমতিও দিলে। ৰাতি এজনে কেণ্টিনৰ সন্মুখত থকা নাৰিকল গছ এজোপাৰ পৰা নাৰিকল এটা খালে। পুৱাই পুৱাই ছাৰ আহি উপস্থিত। আমি মিটিং কৰা কোঠাটোৰ ফালে আঙুলিয়াই ক'লে— ফেনবোৰ চলাই থৈছ যে, Bill টো কলেজেই ভৰিব লাগিব, তহঁতেটো নিদিয়। যা! তৎক্ষণাৎ বন্ধ কৰি আহ। আৰু এই নাৰিকলৰ গছৰ এটা নাৰিকল কোনে খালে? আমি মনে মনে থাকিলোঁ।

মহাবিদ্যালয়খনক নিজৰ সন্তানৰ স'তে প্ৰতিপালন কৰিছিল সত্যনাথ দাস ছাৰে। B.H.College ক এক নতুন মাত্ৰাও এখেতে প্ৰদান



কৰিছিল। ছাৰৰ স'তে বহু কাহিনী আছে যিবোৰ ক'বলৈ গলে এখন মহাভাৰত হ'ব। সৰু সৰু দুটামান কাহিনীৰেই সত্যনাথ দাস কেনেকুৱা ব্যক্তিত্বৰ ব্যক্তি তাক নিশ্চয় আপোনালোকে অনুধাৱন কৰিব পাৰিব। বি.এইচ্. কলেজৰ একালৰ ছাত্ৰ আৰু বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি হৈ মই ধন্য। সোণালী জয়ন্তীৰ স'তে সংগতি ৰাখি ছাৰৰ অভিনন্দন গ্ৰন্থ এখন প্ৰস্তুত কৰাৰ কথাও উত্থাপন কৰিছিলোঁ। সেই কাম সম্পূৰ্ণ হোৱাত মই আনন্দিত। ছাৰৰ সু-স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

*(লেখক অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা তথা বি. এইচ্. কলেজ পৰিচালনা সমিতিৰ বৰ্তমান সভাপতি)*

# দাস ছাৰক বিচাৰি

ড° ভূষণ চন্দ্ৰ পাঠক

অসমৰ শৈক্ষিক জগতখনৰ এটি চিনাকি নাম সত্য নাথ দাস। সৌ তাহানি পাঁচটি দশক আগতেই বি. এইচ্. কলেজে প্ৰতিষ্ঠাপক অধ্যক্ষ ৰূপে এজন সুদক্ষ প্ৰশাসক, বিচক্ষণ বুদ্ধিমত্তাৰ ব্যক্তি দাস ছাৰক পোৱাটো অনুষ্ঠানটিৰ বাবে আছিল সৌভাগ্যৰ কথা। দাস ছাৰৰ প্ৰচেষ্টাতেই লাহে লাহে ঠন ধৰি উঠা অনুষ্ঠানটি খুব কম সময়ৰ ভিতৰতেই নামনি অসমৰ এখনি অগ্ৰণী অনুষ্ঠানৰ ৰূপ লয়। সুদীৰ্ঘ ৩৩ বছৰে সেৱা আগবঢ়াই কলেজখনিক বিশেষ মাত্ৰা প্ৰদান কৰা এইগৰাকী দাস ছাৰক কৰ্মময় জীৱনত আমি কম সময়ৰ বাবেহে লগ পাইছিলো। সেয়ে, তেখেতৰ বিৰল ব্যক্তিত্বৰ বিষয়ে বিশদ বিৱৰণ দিয়াটো আমাৰ বাবে কষ্টসাধ্যই নহয়, অসম্ভৱো। তথাপিও দু-আষাৰ লিখো বুলি ভাবিছোঁ।

সেয়া ১৯৯৩ চনৰ মে মাহৰ কথা। পেপাৰত এড্ভাৰটাইজ পালো। বি. এইচ্. কলেজত পোষ্ট এটা ওলাইছে। লিয়েন ভেকেন্সি। পোষ্টটো হিন্দী ডিপাৰ্টমেণ্টৰ। এম. এ.ৰ ৰিজাল্ট ওলাইছে মাথোঁ। গুৱাহাটীত থাকো— গীতানগৰত। খুৰাৰ লগত। খুৰাই এপ্লাই কৰিবলৈ ক'লে। এপ্লিকেশ্যনখন লৈ কলেজ পালো। ভয়ে ভয়ে প্ৰিন্সিপাল ছাৰক লগ ধৰিলো। ছাৰৰ নাম শুনিছিলো। দেখা-সাক্ষাতহে হোৱা নাছিল। নাম



যিমান শুনিছিলো, দেখাত ঠিক তেনে যেনেই লাগিল। কথা কম কয়। ধুনীয়া মানুহ। মোৰ দেউতাক জানে। তেখেতে দেউতাক নাম কাঢ়ি মাতে। কলেজৰ নিয়ম-নীতিৰ কথা অলপ ক'লে। কথাবোৰ মন দি শুনিলো। ছাৰৰ স'তে সেয়াই প্ৰথম দেখা-দেখি।

বি. এইচ্. কলেজৰ নাম সৰুৰে পৰাই শুনিছোঁ। প্ৰিন্সিপালজন মস্ত কাঢ়া বুলিও শুনিছোঁ। ভৱানীপুৰ হায়াৰ চেকেণ্ডাৰীৰ প্ৰিন্সিপাল প্ৰয়াত ফটিক চন্দ্ৰ বৈশ্য ছাৰক পাইছিলো। তেখেতো তেনেকুৱাই আছিল। মেট্ৰিকৰ দেওনা পাৰ হৈ গুৱাহাটীলৈ গ'লো। কটনলৈ। তাত যিজন খুৰাৰ লগত আছিলো, তেওঁ আছিল গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰোফেছৰ। সেয়ে কমাৰ্চৰ কথা ওলালেই বি. এইচ্‌ৰ কথা ওলায়। বিশেষকৈ ৰিজাল্টৰ সময়ত। ক'ৰ পৰা, মানে কলেজ দুখনৰ মাজৰ কোনে ক'ত কিমানে ষ্টেণ্ড কৰিলে তাকে লৈ সৰৱ আলোচনা চলে। আলোচনাবোৰ শুনো। অধ্যক্ষ সমন্বিতে বাঘা বাঘা শিক্ষকৰ কথাবোৰো। ঘৰৰ ওচৰৰ কলেজ। সুনামবোৰে তেতিয়াই মনত শান্তি দিছিল।

১৯৯৩ চনৰ আগষ্ট মাহ। পহিলা আগষ্ট। অধ্যাপনা জীৱনৰ প্ৰথম দিন। সাজি-কাচি ৰাতিপুৱাতেই ওলাইছোঁ। তেতিয়া বি. এইচ্. কলেজৰ হিউমেনিটিজৰ ফেকাল্টিৰ বাবে কমনৰুম এটাই আছিল। কৰ্মাচৰ ফেকাল্টিয়ে চেকেণ্ড ফ্ল'ৰত বহে। ফাৰ্ষ্ট ফ্লোৰত চায়েন্সৰ ফেকাল্টি। ন মান বজাতেই কলেজ পালো। ফেকাল্টি কম সংখ্যকহে আহিছে। এবাৰ বাহিৰ, এবাৰ ভিতৰ— তেনেকৈয়েই কিছু সময় পাৰ কৰিলো। চাৰে ন মানত ফেকাল্টিৰে ৰুমটো ভৰিল। মোক কমনৰুমৰ ভিতৰত দেখি হৃষ্ট-পুষ্ট ধুতি-পাঞ্জাবী পৰিহিত ফেকাল্টি এজনে ৰুমটোৰ পৰা বাহিৰ কৰি দিলে। উপায় নাই, বাহিৰত থিয় দি থাকিলো। আধা ঘণ্টামান। অসমীয়াৰ প্ৰফেছাৰ প্ৰয়াত খৰ্গেশ্বৰ নাথ আমাৰ গাঁওৰেই। ভৱানীপুৰৰ গলিয়াৰ।

তেওঁক দাদা বুলি মাতো। ক্লাছ কৰি আহি মোক বাহিৰত থিয় দি থকা দেখি ভিতৰলৈ মাতি নিলে; টিচাৰসকলৰ লগত পৰিচয় কৰাই দিলে। সেই ধূতি-পাঞ্জাৱী পৰিহিত হৃষ্ট-পুষ্ট শিক্ষকজনকো। তেখেতে মোৰ পিনে চালে। চুলিত হাতখন দি আশীৰ্বাদ দিলে। মানুহজন আছিল বুৰঞ্জী বিভাগৰ গুণী-জ্ঞানী সৃজন চন্দ্ৰ নাথ ছাৰ।

প্ৰথম দিনটোতেই অধ্যক্ষ ছাৰে তেখেতৰ ৰুমলৈ মাতি নিলে। মনত সাহ দিলে। চাহ একাপো খুৱালে। পৰিৱেশটো ভাল লাগিল। কটনত পঢ়িছিলোঁ। বি. এইচ্. কলেজখনো কটন যেনেই লাগিল-- গাঁওৰ কটন। মজা লাগি গ'ল। আজিকালি হিন্দী পঢ়া ষ্টুডেণ্ট কম। তেতিয়া আছিল দেধাৰ। ক্লাছবোৰ যে কি মজাৰ আছিল! ভাবিলে আজিও কিবা-কিবি লাগে।

জীৱনত বেয়া দিন বহুত দেখিছোঁ। পঢ়া দিনতেই চাকৰিও কৰিবলগীয়াত পৰিছোঁ। ভৱানীপুৰ হাইস্কুলত মাষ্টৰ হৈ থকা দিনৰ কথা। ডেকা ল'ৰা। এদিন স্কুললৈ জিনচ্ পেণ্ট পিন্ধি গ'লো। প্ৰিন্সিপাল ছাৰৰ চমন আহিল। 'ন' এইবোৰ নচলিব। বস্, সিদিনাৰ পৰা ঠাণ্ডা। সত্য দাস ছাৰক দেখিয়েই উপলব্ধি কৰিছিলো কাৰণে থকা দিনকেইটা 'ঠাণ্ডা' হৈয়েই থাকিলোঁ। চাকৰি হিচাপে বি. এইচ্. কলেজত তিনি মাহ আছিলোঁ। সেই তিনি মাহতেই দাস ছাৰক চিনি পাইছিলো, বুজি উঠিছিলোঁ।

১৯৯৩ ত বি. এইচ্. এৰাৰ পিছতে কলেজখনৰ লগত সম্বন্ধ নোহোৱাৰ দৰেই হ'ল। অৱশ্যে মাজতে ড° কুঞ্জ কুসুম কাকতি বাইদেউৰ অধ্যক্ষতাৰ দিনত চাৰি-পাঁচবাৰমান মেলে-মিটিঙে ভাষণ ৰাখিবলৈ নহা নহয়, আহিছিলো। পুৰণি চিনাকি চিনাকি গোন্ধ এটি প্ৰত্যেকবাৰেই নাকত লাগিছিল।

বি. এইচ্. এৰি সৌ তাহানিতে কটন কলেজলৈ গ'লো। কটন এৰি আকৌ কেবাঠাইলৈ। মাজতে ঘৰ-সংসাৰো হ'ল। সন্তানটোৰে সৈতে



ঘৈণী বৰপেটাৰোডত। আমিহে দূৰে দূৰে। বি. এইচ্.ৰ প্ৰিন্সিপালৰ পোষ্টটো খালী হ'ল। পেপাৰে খবৰ দিলে। আমি তেতিয়া তেজপুৰত। ছাৰ এজনে ঘৰৰ ল'ৰাক ঘৰলৈ উভতিবলৈ ক'লে। এপ্লাই কৰিলোঁ-- '৯৩তে এৰি যোৱা দাস ছাৰৰ কলেজখনত। এদিন আকৌ ঘূৰি আহিলোঁ। কলেজখনৰ বেছিভাগেই চিনাকি। চিনাকি পৰিৱেশে কাম কৰাত সুবিধা দিলে। অধ্যক্ষ হিচাপে জইন কৰিয়েই আমি সত্য নাথ দাস ছাৰক লগ ধৰিছিলো। তেখেতৰ আশিস্‌বচন আজিও আমাৰ অমূল্য সম্পদ।

২০১২ চনৰ পূজাৰ বতৰ। গৌৰীপুৰলৈ ওলালোঁ, প্ৰতিমা পাণ্ডেক চাবলৈ। প্ৰতিমা পাণ্ডেকনো ক'ত পাম, দালানটোকেই চালো। গদাধৰ নৈৰ পাৰত বহিলোও। নৈখনে বহুত কথা ক'লে। উভতি আহোতে বাটে-ঘাটে বি. এইচ্.ৰ বতৰাও ল'লোঁ। একপ্ৰকাৰৰ চাভেই। কলেজখনক লৈ সকলোৱে খুশ। গৰ্বিতও। নামনিৰ কলেজ বুলিলে তেওঁলোকে আমাৰ খনৰেই কথা ক'লে। লগতে দাস ছাৰৰ নামো ল'লে। ভালকৈয়ে বুজিলো-- সন্মানৰ আন এটি নাম দাস ছাৰ।

সোণালী জয়ন্তী গৰকা বি. এইচ্. কলেজৰ বহু কথাই শুনিছোঁ। কলেজখনৰ এই বৰ্ণিল যাত্ৰাত প্ৰতিষ্ঠাপক অধ্যক্ষ দাস ছাৰে প্ৰতিষ্ঠাৰ সৈতে জড়িত স্বৰ্গীয় ডাঃ সুৰেন্দ্ৰ নাথ দাস, যাদৱ চন্দ্ৰ দাস, অমূল্য বিশ্বাস, মোহন লাল চৌধুৰী, জমিদাৰ বড়ো, গণপৎ ৰায় মোৰ, হৰিৰাম বাগাৰিয়া, হনুমান প্ৰসাদ আগৰৱালা, মথুৰা মোহন হিতৈষী, মদন মোহন সাহা, থিৰেশ্বৰ শৰ্মা, ৰাজমোহন চৌধুৰী, শংকৰ চন্দ্ৰ দাস, কানহাইলাল বোথ্ৰা, যোগেশ চন্দ্ৰ নাথ, বিশ্বনাথ আগৰৱালা আদিৰ দৰে বহুতো মহান ব্যক্তিক লগ পোৱাটোও কম সৌভাগ্যৰ কথা নাছিল! আনহাতে ড° অৰুণ কুমাৰ দাস, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, ড° ৰমেন্দ্ৰ কুমাৰ দাস, সৃজন চন্দ্ৰ নাথ, ৰাম অৱতাৰ সাৰদা, ফুল কুমাৰী কলিতা আদিৰ দৰে কৃতী-নিষ্ঠাবান আন

বহুজনক অধ্যাপক-অধ্যাপিকা ৰূপে পোৱাটোও কম থকা নাছিল! ৰিয়েলি, সেয়া সোণালী যুগেই (Golden Era) আছিল।

বি. এইচ্.ত এতিয়া তিনিটা ষ্ট্ৰীম। লগতে ৰূপালী ৰং লগা এম. কম. কোৰ্চো। দুবাৰকৈ NAAC-ৰ এচেছ্‌মেণ্ট হ'ল। ২০০৪ত 'B++', ২০১৬ ত 'A' গ্ৰেড্। অনুষ্ঠানটিৰ পৰীক্ষাৰ চিষ্টেম সুন্দৰ, ক্লাছৰ ক্ষেত্ৰতো ষ্টুডেণ্টচ্-টিচাৰছ্ চিৰিয়াচ। চাৰিওপিনৰ এক সুন্দৰ পৰিৱেশ। এই পৰিৱেশ, এই বিশাল উপলব্ধি এদিনৰ ফচল নহয়। সত্য নাথ দাস ছাৰে গঢ়ি যোৱা এক সুষ্ঠ-সৰল পৰম্পৰাই আজিও কলেজখনক নতুন দিশৰ সন্ধান দি থাকিব পাৰিছে।

এসময়ত যেনেদৰে পৰাগধৰ চলিহা মানেই শিৱসাগৰ কলেজ, গিৰিধৰ শৰ্মা মানে আৰ্য কলেজ, তীৰ্থনাথ শৰ্মা মানে প্ৰাগজ্যোতিষ কলেজ, ভগৱান লহকৰ মানে গুৱাহাটী কৰ্মাচ কলেজক সূচাইছিল, ঠিক তেনেদৰে নামনি অসমত সত্য নাথ দাস মানেই বি. এইচ্. কলেজখনক বুজাইছিল। কি যে এক বিৰাট উপলব্ধি! সোণালী ৰং লগা এই কলেজখনে দাস ছাৰক কোনোকালে পাহৰিব নোৱাৰিব।

দাস ছাৰৰ দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ বৰ্তমান অধ্যক্ষ)*



# সত্যনাথ দাস ছাৰক মই যেনেকৈ পাইছিলো

**আব্দুল ওৱাৰেছ**

১৯৬৮ চনত বি. এইচ্. কলেজৰ প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্তি কৰিলোঁ। তেতিয়া কলেজখন নতুনকৈ স্থাপন হৈছেহে মাত্ৰ। আমাৰ ঘৰৰ পৰা দুই কিলোমিটাৰ দূৰত। ঘৰৰ পৰা খোজ কাঢ়ি অহা-যোৱা কৰিবলৈ সুবিধা। ঘৰৰ পৰা ১৫-১৮ মিনিটত কলেজ গৈ পাইছিলো। সেই সময়ত আমাৰ ঘৰৰ অৱস্থা খুবেই বেয়া। মেট্ৰিক পাছ কৰাৰ পিছত কলেজত পঢ়িব নোৱাৰিম বুলিয়েই ভাবিছিলো। দূৰৰ কলেজলৈ যাবলগীয়া হ'লে হয়তো কলেজত পঢ়া নহ'লহেঁতেন। ঘৰৰ কাষতে নতুন কলেজখন স্থাপন হোৱাত কলেজত পঢ়াৰ সুযোগ পালো। ১৯৬৪ চনত চৰকাৰীভাবে আবণ্টন দিয়া বৰবাৰীঝাৰ গাঁওত আমি ঘৰ সাজো। হালাপাকুৰি গাঁও নিবাসী নৰহৰি দাস মাষ্টৰ, জিতেন দাস আদি লোকসকলৰ ভলুকা বাঁহৰ চুপাৰ পৰা ২/৩ টকা দামত একোটাকৈ বাঁহ কিনি একোটা বাঁহৰ পৰা ৫/৬ টা খুঁটা বনাই ঘৰ সজা হৈছিল। ঘৰ সোমাওতে চাপৰি লৈ প্ৰবেশ কৰিবলগীয়া হৈছিল। সেই জুপুৰী ঘৰত লেমৰ পোহৰত লিখা-পঢ়া কৰি আমাৰ ছাত্ৰ জীৱন আৰম্ভ হৈছিল। মাথোঁ ৩/৪ ঘৰ মানুহৰ বাহিৰে আমাৰ গাঁওৰ আন মানুহবোৰৰ আৰ্থিক অৱস্থা শোচনীয় আছিল। তথাপি নতুন কলেজখনৰ উন্নতিৰ বাবে দূৰৰ পৰা অহা ছাত্ৰক আমাৰ ঘৰতেই ৰাখিবলগীয়া হৈছিল। কলগাছিয়া, গুণিয়ালগুৰী, ময়নবৰী, অভয়াপুৰী আদি

ঠাইৰ পৰা ছাত্ৰ আহিছিল এই নতুনকৈ গঢ় লোৱা আৰ.চি.চি অট্টালিকাৰ কলেজখনত অধ্যয়ন কৰিবলৈ। সেয়ে কলেজখন ঠন ধৰি উঠাৰ ক্ষেত্ৰত বৰবাৰীঝাৰ, হালাপাকুৰী, শিমলাঝাৰ, ৰায়পুৰ, জশিহাটী, জয়পুৰ আদি গাঁওবোৰৰ যথেষ্ট অৱদান আছে। মোৰ শিক্ষাৰ ক্ষেত্ৰত কলেজ খনৰ লগতে শ্ৰী সত্যনাথ দাস ছাৰৰ ভূমিকাও অতিকৈ গুৰুত্বপূৰ্ণ। ছাত্ৰবৃত্তিৰ ধনেৰে লিখা-পঢ়াৰ খৰছ উলিয়াইছিলোঁ।

সি যি কি নহওক কলেজত নামভৰ্ত্তি কৰিলোঁ। সত্যনাথ দাস ছাৰ তেতিয়া ডেকা অধ্যক্ষ। অন্যান্য ছাৰ-বাইদেউ সকলৰো বয়স বেছি নহয়। প্ৰথম পৰ্যায়ত বাইদেউ নাছিলেই। পিছলৈ ফুলকুমাৰী বাইদেৱে যোগদান কৰিছিল। কলেজত কেইমাহমান ক্লাছ কৰিলোঁ। দিনবোৰ খুব খৰকৈ পাৰ হৈ যোৱা যেন লাগিছিল। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত মোৰ বিষয় কেইটা আছিল— অসমীয়া, ইংৰাজী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, শিক্ষা আৰু তৰ্কবিজ্ঞান। শেষৰ চাৰিটা বিষয় আমাৰ বাবে নতুন আছিল। প্ৰথমতে বিষয়বোৰৰ স্বৰূপ সম্পৰ্কে আলোচনা হৈছিল। ৰাজনীতি বিজ্ঞানত গণতান্ত্ৰিক চৰকাৰ বুজাবলৈ a government of the people, by the people and for the people শিকিলোঁ। অৰ্থনীতিৰ ক্ষেত্ৰত দেশৰ দুৰ্বল আৰ্থিক অৱস্থা সবল কৰিবলৈ Keynes-এ আগবঢ়োৱা সূত্ৰৰ বিষয়ে শিকিলোঁ। তৰ্কবিদ্যাত পদ, অনুমান, যুক্তিৰ বিষয়ে জানিলো আৰু যুক্তিৰে সত্যতা নিৰূপনৰ বিষয়ে শিকিলোঁ। প্ৰথম অৱস্থাত মোৰ ভাব হৈছিল যে মই যেন বহুত জানিলোঁ, বহুত শিকিলোঁ। ইয়াকে বোধহয় কয় যে A little learning is a dangerous thing। কাৰণ সময়ত যেতিয়া মই স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰিবলৈ ধৰিলোঁ তেতিয়াহে উপলব্ধি হ'ল যে জ্ঞানৰ এখন মহাসাগৰ আছে আৰু সেই মহাসাগৰৰ কেইটোপালমান পানীহে আচলতে আমি পান কৰিবলৈ সক্ষম হৈছোঁ।



মোৰ এই লেখাৰ আচল লক্ষ্য হ'ল অধ্যক্ষ সত্যনাথ দাস ছাৰৰ জীৱন আৰু কৰ্মৰ বিষয়ে সামান্য আলোকপাত কৰা। কিন্তু ছাৰে কলেজৰ অধ্যক্ষ আছিল সুদীৰ্ঘ ৩৩ বছৰ আৰু মই এইখন কলেজত অধ্যয়ন কৰিছিলো মাত্ৰ চাৰি বছৰ— ১৯৬৮ চনৰ পৰা ১৯৭২ চনলৈ। সেই সময়ত ছাৰ যদিও অধ্যক্ষ পদত আছিল তথাপি নিয়মীয়াকৈ আমাক পাঠদান কৰিছিল। ছাৰে পাঠদান কৰিবলৈ আহিছিল আবেলি ডেৰ/দুই মান বজাত। ছাৰৰ একোটা ক্লাছ বহু সময় ধৰি চলিছিল। কেতিয়াবা দুই ঘণ্টা পাৰ হৈ গৈছিল। তেখেতে কথাবোৰ খুব লাহে লাহে আৰু সুস্পষ্টকৈ কৈছিল। আমি সকলোৱে খুব ভালদৰে বুজি পাইছিলোঁ। আনকি ইচ্ছা কৰিলে গোটেই কথাখিনি লিখি ল'ব পাৰিছিলো। ছাৰৰ তামোল খোৱাৰ অভ্যাস আছিল। পাঠদান কৰি থাকোতেও জেপৰ পৰা তামোল উলিয়াই মুখত ভৰাই লৈছিল। তামোল চোবাই চোবাই ছাৰে আমাক অৰ্থনীতিৰ জটিল কথাবোৰ ৰস লগাকৈ বুজাই কৈছিল। কেতিয়াবা দীঘলীয়া ক্লাছত ছাত্ৰ-ছাত্ৰীৰ একঘেয়ামি ভাঙিবলৈ দুই-এটা গল্প বা বাহিৰা কথাও কৈছিল। সেয়েহে তেখেতৰ দীঘলীয়া ক্লাছবোৰো আমাৰ বাবে উপভোগ্য হৈ পৰিছিল। ছাৰে কেতিয়াবা কিছুমান অদ্ভুত প্ৰশ্ন সুধিছিল। এবাৰ সুধিছিল— 'Where is the largest latrine of the world and where is the largest urinal of the world? কিন্তু এই প্ৰশ্নৰ উত্তৰ আমি দিব পৰা নাছিলো। ছাৰে তেতিয়া কৈছিল যে ভাৰতবৰ্ষৰ মানুহে মুকলি ঠাইতে যিহেতু মলমূত্ৰ ত্যাগ কৰে গতিকে গোটেই ভাৰতবৰ্ষখনক পৃথিৱীৰ বৃহত্তম শৌচাগাৰ আৰু মূত্ৰাগাৰ বুলিয়েই ক'ব পাৰি। ছাৰৰ প্ৰশ্নৰ মূল উদ্দেশ্য আছিল য'তে ত'তে মলমূত্ৰ ত্যাগ নকৰিবলৈ মানুহৰ মাজত সজাগতা সৃষ্টি কৰা। আজি কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে 'স্বচ্ছ ভাৰত অভিযান' আৰম্ভ কৰিছে বা পূৰ্বৰ চৰকাৰেও 'নিৰ্মল ভাৰত অভিযান' আৰম্ভ কৰিছিল আৰু এইবোৰৰ মূল লক্ষ্য হৈছে মুকলি ঠাইত

মলমূত্ৰ ত্যাগৰ পৰম্পৰা বন্ধ কৰা। সত্যনাথ দাস ছাৰে কিন্তু প্ৰায় পঞ্চাশ বছৰ আগতেই এই বিষয়ে সজাগতা আৰম্ভ কৰিছিল। দাস ছাৰ এগৰাকী Visionary ব্যক্তি আছিল বুলি মোৰ ধাৰণা হয়।

সত্যনাথ দাস ছাৰৰ ঘৰ মৌটুপুৰী গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পশ্চিমফালে অলপ ভিতৰত আছিল। চাইকেলেৰে কলেজলৈ আহিছিল। ছাৰৰ সাজপাৰ সাধাৰণ কিন্তু পৰিপাটি আছিল। তেখেতে হাউলী, বৰপেটা বা বৰপেটাৰোডলৈ গ'লে বাছত অহা-যোৱা কৰিছিল। মই মাজে-সময়ে উক্ত পথেৰে বাছত হাউলী বা বৰপেটালৈ যাওঁতে গাড়ীত ছাৰক দেখা পালে মই বহা আসনৰ পৰা উঠি ছাৰক বহিবলৈ দিছিলো যদিও ছাৰে তৎক্ষণাত তাত বহা নাছিল। 'নালাগে, নালাগে তুমি বহা' বুলিহে কৈছিল। কলেজলৈ ছাৰ নিয়মীয়াকৈ আহিছিল। তেওঁৰ সকলো গুণ Simple living and high thinking — এই বাক্যশাৰীৰে উদ্ভাসিত হৈছিল।

ছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও এটা মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলিছিল। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়ি থাকোতেও ছাৰে আমাক বহুতকে ক্লাছত নাম ধৰি মাতিছিল। কলেজ চৌহদৰ বাহিৰৰ দেখা হ'লেও ভাল-বেয়াৰ এটা খবৰ সুধিছিল। সকলোৰে প্ৰতি সমব্যৱহাৰ প্ৰদৰ্শন কৰিছিল— সকলোৰে সৈতে হাঁহি হাঁহি কথা পাতিছিল। মোৰ জীৱন গঢ়াৰ ক্ষেত্ৰত অধ্যক্ষ সত্যনাথ দাস ছাৰৰ অৱদানক মই সদায় শ্ৰদ্ধাৰে সোঁৱৰণ কৰোঁ। সদৌ শেষত ছাৰৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ তথা মধ্য কামৰূপ কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)*



# মোৰ দৃষ্টিত অধ্যক্ষ হিচাপে শ্ৰীযুত সত্যনাথ দাস ছাৰ

ড° গণেশ চন্দ্ৰ গোস্বামী

১৯৬৬ চনত পাঠশালাৰ বজালী মহাবিদ্যালয়ৰ পৰা স্থায়ী চাকৰি বাদ দি নিজৰ জন্মস্থান মৌটুপুৰী গাঁওত এখন মহাবিদ্যালয় স্থাপনৰ মানসিকতাৰে আগবাঢ়ি অহা, হাউলী-বৰপেটাৰোড অঞ্চলৰ জ্ঞানান্বেষী তথা কৰ্মোদ্যমী ব্যক্তি শ্ৰীযুত সত্যনাথ দাস ছাৰ এই বৃহত্তৰ অঞ্চলৰ এজন নমস্য ব্যক্তি। সংস্কৃতত এষাৰি সুভাষিত আছে, যাৰ সৈতে শ্ৰদ্ধেয় দাস ছাৰৰ ৰিজনি হ'ব পাৰে—

'পৰোপকাৰায় দুহ্যন্তি গাবঃ
পৰোপকাৰায় ফলন্তি বৃক্ষাঃ
পৰোপকাৰায় বহন্তি নদ্যঃ
পৰোপকাৰায় সতাং হি জীৱনম্'।।

আজি বৰপেটাৰোড-হাউলী অঞ্চলৰেই নহয়, অসমৰ বিভিন্ন স্থানৰ শতসহস্ৰ ছাত্ৰ-ছাত্ৰীৰে বি. এইচ্. কলেজৰ তিনিওটা শাখা (কলা-বাণিজ্য-বিজ্ঞান)ৰ লগতে বাণিজ্য শাখাৰ স্নাতকোত্তৰ শ্ৰেণীয়ে শিক্ষাৰ ক্ষেত্ৰত অসমভূমিত এক সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এয়া হয়তো অনুষ্ঠান গঢ়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা, শ্ৰদ্ধাৰ দাস ছাৰৰ দৰে ব্যক্তিৰ অক্লান্ত শ্ৰমৰ বাবেহে সম্ভৱ হৈছে। সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া বি.

এইচ্. কলেজৰ পৰা স্নাতক অথবা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বহুতো ব্যক্তি ভাৰতবৰ্ষৰ বাহিৰতো নিজক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এয়া এই বৃহত্তৰ অঞ্চলৰেই গৌৰৱৰ বিষয়। এটা অনুষ্ঠান গঢ়িবলৈ যাওঁতে তাক সকলো দিশৰ পৰা সৰ্বাঙ্গ সুন্দৰ কৰাটো পৰিচালকজনৰ বাবে অতিশয় দুষ্কৰ কাম। তাৰোপৰি আজিৰ পৰা পঞ্চাশ বছৰ আগতে অনুষ্ঠান পাতিবলৈ যাওঁতে অন্যতম বাধা আছিল, জনসাধাৰণৰ অৰ্থাভাৱ, যিয়ে কামত সততে স্থবিৰতা আনিছিল। আজি প্ৰায়বোৰ কামত আগবাঢ়িলে ব্যক্তি বিশেষৰ পৰা নাইবা চৰকাৰৰ ফালৰ পৰা অনুদান সহজে উপলব্ধ হয়, যাৰ সহায়ত অনুষ্ঠানে সহজে মূৰ দাঙি উঠে। সেই সময়ত এনেকুৱা সহায় কল্পনাৰ অগোচৰ আছিল।

মই এই মহাবিদ্যালয়ত ১৯৮৭ চনৰ অক্টোবৰ মাহত অমঞ্জুৰীকৃত পদত সংস্কৃত বিভাগৰ প্ৰবক্তা হিচাবে যোগদান কৰি ১৯৮৮ চনৰ আগষ্ট মাহত ছাত্ৰীনিবাসৰ অধীক্ষকৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ। মোৰ নিজৰ কথা উল্লেখ কৰাৰ কাৰণ হ'ল অধ্যক্ষ দাস ছাৰক ইয়াৰ দ্বাৰাই মই বেছি ওচৰত পাবলৈ ধৰিলোঁ। ছাত্ৰীনিবাসৰ বিভিন্ন কথাৰ বাবে মই তেখেতৰ ওচৰত যাবলগীয়াত পৰোঁ। তেখেতৰ কৰ্তব্যৰ প্ৰতি থকা দূৰদৰ্শিতাৰ কথা ক'বলৈকে মই এই কথাৰ পাতনি মেলিছো। মই ছাত্ৰীনিবাসৰ অধীক্ষক হৈ থকা সময়ত এদিনাখন এগৰাকী ছাত্ৰী অনুমতি নোলোৱাকৈ আৱাসৰ পৰা নিজৰ ঘৰত গুচি যায়। আৱাসৰ নিয়ম অনুসৰি বিনানুমতিত কোনো আৱাসী বাহিৰত যাব নোৱাৰে। লগে লগে মই ছাত্ৰীগৰাকীৰ স্থানীয় অভিভাৱকক কথাটো অৱগত কৰোঁ। তিনিদিন পিছত উক্ত ছাত্ৰীগৰাকী আৱাসলৈ ঘূৰি অহাত ছাত্ৰীগৰাকীৰ আৱাসৰ আসন কৰ্তন কৰি অভিভাৱকক লৈ যাবলৈ দিয়াত মোৰ সহকৰ্মী জ্যেষ্ঠ অধ্যাপক এগৰাকী 'এয়া ঘোৰ অন্যায়' বুলি অধ্যক্ষ মহোদয়ৰ ওচৰত লিখিতভাৱে প্ৰতিবাদ কৰে যদিও অধ্যক্ষ মহোদয়ে সেই



আবেদন নাকচ কৰি অধীক্ষকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি জাননী জাৰি কৰে। এই কথাটো উল্লেখ কৰাৰ কাৰণ হ'ল এজন অধ্যক্ষৰ দূৰদৰ্শিতা আৰু অনুষ্ঠানৰ প্ৰতি থকা নিৰপেক্ষ সুস্থ চিন্তাৰ প্ৰতিফলন মাত্ৰ। তেখেতে সততে অনুষ্ঠানৰ স্বাৰ্থ আগত ৰাখিছিল, ব্যক্তি বিশেষৰ নহয়।

এইখিনিতে দাস ছাৰৰ সময়ৰ অন্য এটা কথাহে মনত পৰিছে। এদিনাখন এজন ব্যক্তি (সম্ভ্ৰান্ত লোক) নিজৰ জীয়েকক কলেজৰ ছাত্ৰী নিৱাসত ৰখাৰ মানসেৰে অধ্যক্ষৰ কোঠালৈ আহে। তেখেতে মোক কলেজৰ পিয়নৰ দ্বাৰাই নিজৰ কোঠালৈ মাতি নি মানুহজনৰ লগত পৰিচয় কৰাই দি মোক মানুহজনৰ সৈতে কথা পাতিবলৈ দি নিজে কোঠাৰ পৰা গুচি যায়। মানুহজনে নিজৰ জীয়েকৰ বাবে ছাত্ৰী নিৱাসৰ আসন মোৰ ওচৰত বিচাৰে যদিও মই তেখেতক সম্প্ৰতি এখনো আসন খালী নাই বুলি জনাওঁ। মানুহজন গুচি যোৱাৰ পিছত মই অধ্যক্ষ মহোদয়ক কথাখিনি কোৱাত তেখেতে স্বভাৱসুলভ মিচিকিয়া হাঁহিৰে মোক ক'লে— 'মই মানুহজনৰ সৈতে আপোনাক পৰিচয় কৰাই দিছো, হোষ্টেলৰ চিট দিবলৈ কোৱা নাই।' অধ্যক্ষ দাস ছাৰৰ সৈতে প্ৰায় ১২ বছৰ কাল কলেজত শিক্ষকতা কৰাৰ লগতে ৯ বছৰৰ বাবে ছাত্ৰী নিৱাসৰ অধীক্ষক হৈ বহু কথা শিকাৰ সুযোগ পাইছিলো। বি. এইচ্.কলেজৰ দৰে তিনিটা শাখাৰ মহাবিদ্যালয় আৰু বাণিজ্য শাখাৰ স্নাতকোত্তৰ শ্ৰেণীসহ সেই সময়ত প্ৰায় ৩০০০ ছাত্ৰ-ছাত্ৰীৰে ভৰি থকা মহাবিদ্যালয়খনৰ কাণ্ডাৰী পুৰুষজনৰ সেই সময়ৰ প্ৰচেষ্টাই আজি ইয়াক 'A' গ্ৰেডৰ কলেজলৈ আগবঢ়াই লৈ যাবলৈ সমৰ্থ হৈছে। অনুষ্ঠানটোৰ আজিৰ উন্নতিত প্ৰতিষ্ঠাপক অধ্যক্ষ মহোদয়ৰ ভূমিকা অপৰিসীম। শ্ৰদ্ধেয় দাস ছাৰৰ সুস্বাস্থ্য কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)*

# সত্যনাথ দাস আৰু বি. এইচ্. কলেজৰ পৰীক্ষা পদ্ধতি

শশীপ্ৰভা গোস্বামী

বি. এইচ্. কলেজ আৰু সত্যনাথ দাস। দুটা নাম। এটা আনটোৰ পৰিপূৰক। যেন এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। এয়া আমাৰ কথা নহয়। বি. এইচ্. কলেজক জনা প্ৰতিজন ব্যক্তিৰে অভিব্যক্তি এয়া। মানুহৰ প্ৰশ্ন— আপুনি চাকৰি কৰে নেকি? হয়, মই বি. এইচ্. কলেজত অধ্যাপনা কৰোঁ। সেইফালৰ স্বগতোক্তি— ও, সত্যনাথ দাসৰ কলেজ। উচ্চ শিক্ষা সঞ্চালকালয় বা গুৱাহাটী বিশ্ববিদ্যালয়লৈ কিবা কামত গ'লেও একেটা কথা সত্যনাথ দাসৰ কলেজৰ অধ্যাপিকা, কলেজৰ নামটো পিছতহে আহে। এজন ব্যক্তি, আনটো অনুষ্ঠান। কিন্তু ব্যক্তি আৰু অনুষ্ঠানটোৰ নামটো এনেভাৱে সাঙোৰ খাই আছে যে ব্যক্তিজন অনুষ্ঠানলৈ আৰু অনুষ্ঠানটি ব্যক্তিলৈ ৰূপান্তৰিত হৈছে। এয়াই বি. এইচ্. কলেজ, এয়াই সত্যনাথ দাস; বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আমাৰ সকলোৰে চিৰনমস্য শ্ৰীযুত সত্যনাথ দাস ছাৰ।

বৰ্তমান বি. এইচ্. কলেজ অসমৰ অন্যান্য কলেজ সমূহৰ ভিতৰৰে এখন বৈশিষ্ট্যপূৰ্ণ লেখত ল'বলগীয়া কলেজ। নামনি অসমৰ উচ্চ শিক্ষাৰ এক কেন্দ্ৰৰূপ এই কলেজ, য'ত আজি হাজাৰ গছি জ্ঞানৰ বন্তিৰ প্ৰজ্বলিত প্ৰতিভাই হাউলী-বৰপেটাৰোডৰ বৃহত্তৰ অঞ্চল জিলিকাই আছে।



ৰাইজৰ দান-বৰঙণি আৰু শ্ৰমেৰে প্ৰতিষ্ঠিত বি. এইচ্. কলেজৰ ইতিহাসলৈ চালে মানসপটত জিলিকি উঠে বিশেষ কেইগৰাকী ব্যক্তিৰ নাম— যিসকল বৰেণ্য ব্যক্তিৰ ভিতৰতে সত্যনাথ দাসৰ প্ৰতিচ্ছবিও ভাহি উঠে। এই নিবন্ধটিত বি. এইচ্. কলেজ স্থাপনৰ লগতে কলেজখনক শৈক্ষিক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত শ্ৰীযুত সত্যনাথ দাস ছাৰৰ অৱদানৰ বিষয়ে আলোকপাত কৰিব বিচৰা হৈছে।

১৯৬৪ চনৰ কোনো এক শুভ দিনত হাউলীৰ ঁযাদৱ চন্দ্ৰ দাস, মৌটুপুৰী গাঁওৰ ঁশঙ্কৰ দাস আৰু শ্ৰীসত্যনাথ দাস ছাৰে 'পঞ্চৰতন ফাৰ্ম'ৰ বাৰাণ্ডাত বহি বিভিন্ন কথা-বতৰাৰ মাজত এখন কলেজ স্থাপনৰ বিষয়ে আলোচনা কৰে। কলেজ স্থাপনৰ কথাত উৎফুল্লিত হৈ সত্যনাথ দাসদেৱে সমাজৰ আগশাৰীৰ কিছুসংখ্যক ব্যক্তিৰ লগত আলোচনা কৰি হাউলীৰ চণ্ডীবৰুৱা ভৱনত এখন ৰাজহুৱা সভা আহ্বান কৰে আৰু সভাত কলেজ স্থাপনৰ চিন্তাধাৰাক সকলোৱে আদৰণি জনাই ইয়াক সাকাৰ ৰূপ দিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱ বৰপেটাৰোডৰো বিশিষ্ট নাগৰিকৰ সন্মুখত উত্থাপন কৰাত সকলোৱে প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায় আৰু হাউলী-বৰপেটাৰোডৰ যুটীয়া প্ৰচেষ্টাত কলেজ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

কলেজ স্থাপনৰ অনুমতি বিচাৰি যদিও ১৯৬৪ চনতে গুৱাহাটী বিশ্ববিদ্যালয়ত আবেদন জনোৱা হৈছিল, ১৯৬৬ চনৰ ২৪ জুন তাৰিখেহে প্ৰাক্ বিশ্ববিদ্যালয়ৰ কলা শাখাৰ প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ অনুমতি পায়। কলেজৰ স্থায়ী ভৱন নোহোৱা পৰ্যন্ত বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুলত শ্ৰেণীসমূহৰ পাঠদান চলে আৰু ১৯৬৬ চনৰ ১০ ডিচেম্বৰ তাৰিখে বৰ্তমানৰ ঠাইডোখৰত মূল ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। ১৯৬৭ চনৰ জুন মাহত কলেজৰ কাৰ্যালয় আৰু শ্ৰেণীসমূহ মূল ভৱনলৈ স্থানান্তৰ কৰা হয়। এই গোটেই প্ৰক্ৰিয়াটোতে

আৰম্ভণিৰ পৰাই অন্যান্য বিশিষ্ট সমাজকৰ্মীৰ লগত দেহে-কেহে খাটি আছিল সত্যনাথ দাসদেৱে।

অৰ্থনীতি বিভাগত এম. এ. ডিগ্ৰী লাভ কৰি তেওঁ বজালী কলেজত অধ্যাপনা কৰি আছিল। কিন্তু নিজৰ অঞ্চলৰ ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ কথা চিন্তা কৰি তেওঁ সেই চাকৰি বাদ দিয়ে আৰু ১২-৭-১৯৬৬ ইং তাৰিখে অৰ্থনীতি বিষয়ৰ অধ্যাপক হিচাপে বি. এইচ্. কলেজত যোগদান কৰে। অৱশ্যে স্থায়ী অধ্যক্ষ নিযুক্তি নোহোৱা পৰ্যন্ত দাস ছাৰক ভাৰপ্ৰাপ্ত অধ্যক্ষ পদত কাৰ্য নিৰ্বাহ কৰিবলৈ সেই সময়ৰ তদৰ্থ পৰিচালনা সমিতিয়ে ২২-৭-১৯৬৬ ইং তাৰিখে নিৰ্দেশ দিয়ে।

সত্যনাথ ছাৰে বি. এইচ্. কলেজৰ অধ্যক্ষৰ কাৰ্যভাৰ গ্ৰহণ কৰি আন্তৰিকতা আত্মবিশ্বাস আৰু সাহসেৰে কলেজৰ কামত আগবাঢ়ি গ'ল। বিভিন্ন উৎসৰ পৰা অহা পুঁজিৰে কলেজৰ গৃহ নিৰ্মাণৰ কাম পূৰ্ণোদ্যমে কৰিলে। গৃহ নিৰ্মাণৰ লগত শৈক্ষিক দিশতো সমানে মনোযোগ দিলে। উপযুক্ত শিক্ষাদানৰ বাবে বিজ্ঞাপন দি শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ল আৰু বাছনি কমিটীয়ে বাছনি কৰি দিয়া শিক্ষক সকলক নিযুক্তি দিয়া হয়।

১৯৬৮ চনৰ জুলাই মাহৰ ৭ তাৰিখে দাস ছাৰক পৰিচালনা সমিতিয়ে পূৰ্ণকালীন অধ্যক্ষ হিচাপে নিয়োগ কৰে। অধ্যক্ষ এজনৰ থাকিব লগীয়া সকলো গুণৰ অধিকাৰী আছিল দাস ছাৰ। অধ্যক্ষস্বৰূপে বি. এইচ্. কলেজৰ মান উন্নত কৰাত আৰু ইয়াক আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গঢ় দিয়াৰ বাবে তেওঁ আৰম্ভণিৰ পৰাই ব্ৰতী আছিল। সীমাহীন মানসিক শক্তি, কৰ্মোদ্যম, ইতিবাচক দৃষ্টিভংগীৰে সমৃদ্ধ ব্যক্তি গৰাকীৰ মুখাৱয়ত ফুটি উঠিছিল এক বিৰল ব্যক্তিত্ব। এই ব্যক্তিত্বৰ বাবে সময়তকৈ বহুত আগতে UGC Act ৰ 2(F) ধাৰাৰ অধীনত কলেজৰ নাম অন্তৰ্ভুক্ত কৰি পাঁচ বছৰীয়া পৰিকল্পনা শিতানৰ পৰা বিভিন্ন আৰ্থিক অনুদান লাভ কৰি কলেজ



গৃহ সম্প্ৰসাৰণৰ লগতে অন্যান্য বিভিন্ন কামত কলেজৰ উন্নয়ন সাধন কৰিছিল।

শৈক্ষিক দিশত ১৯৬৯ চনৰ পৰা কলেজৰ সোণালী যুগ আৰম্ভ হোৱা বুলি ক'ব পাৰি। দীপা লেজাৰে P.U. পৰীক্ষাত স্থান দখল কৰাৰ উপৰিও তৰ্কশাস্ত্ৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। শৈক্ষিক দিশৰ উত্তৰণৰ এয়াই আৰম্ভণি। ইয়াৰ পিছত বি. এইচ্. কলেজে চূড়ান্ত বৰ্ষৰ ফলাফলৰ ক্ষেত্ৰত পিছলৈ উভতি চাব লগা হোৱা নাই। উন্নত মানৰ ফলাফলৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মেধা, উচ্চ মান বিশিষ্ট শিক্ষা দানৰ উপৰিও গুৰুত্ব দিব লগা বিষয়টো হৈছে কলেজৰ পৰীক্ষা পদ্ধতি। আভ্যন্তৰীণ আৰু চূড়ান্ত পৰীক্ষা উভয়তে পৰীক্ষাৰ ক্ষেত্ৰত এক বিশেষ মানদণ্ড বজাই ৰখা হয়।

আভ্যন্তৰীণ পৰীক্ষাৰ ক্ষেত্ৰত তিনিধৰণৰ পৰীক্ষা পতা হৈছিল Terminal, Half Yearly আৰু Annual পৰীক্ষা। শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ দুই-আঢ়ৈ মাহ পিছতে বিভাগীয় মুৰব্বী সকলক মাতি Course ৰ অগ্ৰগতি সম্পৰ্কে আলোচন কৰি Terminal পৰীক্ষা পতাৰ নিৰ্দেশ দিয়ে। তাৰ পিছত ক্ৰমান্বয়ে ছয় মাহিলী, বছৰেকীয়া বা বাছনি পৰীক্ষা অনুষ্ঠিত কৰিব লাগে। পৰীক্ষাসমূহ নিয়মিত আৰু সুশৃঙ্খলভাৱে অনুষ্ঠিত কৰিবলৈ অধ্যক্ষই এজন চেক্ৰেটাৰী আৰু দুই-তিনিজন সদস্যক লৈ এখন পৰীক্ষাবোৰ্ড গঠন কৰি দিয়ে। পৰীক্ষা সংক্ৰান্তীয় সকলো কাম-কাজ এই বোৰ্ডখনৰ ওপৰত ন্যস্ত থাকে। এয়াই অধ্যক্ষ দাস ছাৰৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ নমুনা। পৰীক্ষাৰ তাৰিখ নিৰ্দ্ধাৰণ, প্ৰশ্নকাকত প্ৰস্তুতকৰণ, প্ৰশ্নকাকত জমা লোৱা, ফলাফল ঘোষণা, পৰীক্ষাৰ্থীয়ে পোৱা নম্বৰৰ তালিকা নোটিচবোৰ্ডত আঁৰি দিয়া বা ব্যক্তিগতভাৱে ছাত্ৰ-ছাত্ৰীক প্ৰাপ্ত নম্বৰসমূহ যোগান ধৰা ইত্যাদি যাবতীয় সকলো কামেই বোৰ্ডে সম্পাদন কৰে। পৰীক্ষাৰ কামবোৰ কোনো

খেলিমেলি নোহোৱাকৈ সুচাৰুৰূপে পালন কৰিবলৈ দক্ষতাসম্পন্ন ব্যক্তিৰ দ্বাৰা পৰীক্ষাবোৰ্ড গঠন কৰাটো আছিল তেওঁৰ প্ৰশাসনীয় কৌশল। পৰীক্ষা সংক্ৰান্তীয় কামত অধ্যক্ষ দাস ছাৰ প্ৰত্যক্ষভাৱে জড়িত নাথাকিলেও সময়মতে সকলো কাম হৈছে নে নাই অহৰহ তাৰ খবৰ ৰাখে। বিকেন্দ্ৰীভুত ক্ষমতাত বিশ্বাসী দাস ছাৰে এনেকৈয়ে পৰীক্ষাবোৰ্ডখনক তেওঁৰ ওচৰত দায়বদ্ধ কৰি ৰাখে।

বৰ্তমানৰ তুলনাত সেই সময়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিছু কম আছিল। সেয়েহে প্ৰশ্নকাকত সমূহৰ Print কৰাৰ ক্ষেত্ৰত সাধাৰণ বিষয়ক প্ৰশ্নকাকত Print কৰা হৈছিল আৰু 'গুৰু' বিষয়ৰ প্ৰশ্নকাকতসমূহ 'লিঠু' কৰা হৈছিল। এই কামসমূহ নিৰ্ভুলভাৱে পৰীক্ষাবোৰ্ডৰ সদস্যসকলে সম্পাদন কৰিছিল। সময়মতে প্ৰশ্নকাকত আৰু মূল্যাংকিত বহী জমা দিয়াটো আছিল বাধ্যতামূলক। এদিন দেৰি হ'লেই অধ্যক্ষই শিক্ষকজনক মাতি নি জমা নিদিয়াৰ কৈফিয়ৎ তলব কৰিছিল। আনকি কেতিয়াবা সঁচা অৰ্থত বহী মূল্যাংকন হৈছে নে এনেয়ে ওপৰতে নম্বৰ দি থৈছে তাৰ প্ৰতিও তেওঁ নজৰ ৰাখিছিল। অধ্যক্ষৰ এনে তৎপৰতাৰ বাবে সকলো শিক্ষকে পৰীক্ষাৰ কাম-কাজ সমূহ নিয়ম মতে পালন কৰিবলৈ বাধ্য হৈছিল। Terminal বা Half Yearly পৰীক্ষাৰ বহীসমূহ ছাত্ৰ-ছাত্ৰীয়ে পাইছে নে নাই সেই সম্পৰ্কেও তেওঁ দৃষ্টি ৰাখিছিল। বছৰেকীয়া বা বাছনি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব বিচৰা দিনটোত আবেলি ৩-৪ বজাত হ'লেও ঘোষণা কৰাটো বোৰ্ডৰ বাবে বাধ্যতামূলক আছিল। সেই সময়ত নম্বৰসমূহ Print কৰি দিয়াৰ ব্যৱস্থা নাছিল। পৰীক্ষাবোৰ্ডখন আছিল বৰ্তমানৰ Visitors ৰুমটোত। ৰুমটোৰ উত্তৰফালে থকা খিৰিকীখনত বোৰ্ডৰ এজন সদস্যই বিষয় অনুযায়ী নম্বৰসমূহ কৈ থাকে আৰু ছাত্ৰ-ছাত্ৰীয়ে বাহিৰৰ ফালেদি লিখি থাকে। কেতিয়াবা বিষয়কেইটা লিখি দি কাগজ এখন দিলে তাত নম্বৰসমূহ লিখি দিয়ে।



বি. এইচ্. কলেজৰ পৰীক্ষাগৃহত পৰীক্ষা কঠোৰভাৱে (Strict) অনুষ্ঠিত হয় বুলি এতিয়াও এটা সুনাম আছে। এই সুনাম দাস ছাৰৰেই অৱদান। নকল কৰাটো দূৰৰ কথা, ছাত্ৰ-ছাত্ৰীয়ে মূৰটোও লৰচৰ কৰিব নোৱাৰে। যদিহে কোনোবাই নকল কৰাৰ চেষ্টা কৰিছে সি Expelled হোৱাটো খাটাং। এইখিনিতে এটা মজা কাহিনী আছে। প্ৰায় ১৯৭২-৭৩ চনৰ কথা। এবাৰ এজনে জনৈক পাঠক উপাধিৰ ছাত্ৰই নকল কৰি ধৰা পৰিছিল। তেওঁ Expelled হ'ব বুলি ভাবি বহীটো লৈ পৰীক্ষাগৃহৰ পৰা দৌৰ মাৰিলে। তেওঁক ধৰিবলৈ পিছে পিছে অধ্যক্ষ। অৱশেষত বৰ্তমানৰ ছাত্ৰাবাসৰ ওচৰত ছাত্ৰজনক ধৰিব পাৰে আৰু পিছত তেওঁক Expelled কৰা হয়। নকল কৰি Expelled হৈ আত্মহত্যা কৰাৰ নিচিনা ঘটনাও সংঘটিত হৈছে। অৱশ্যে কোনো ছাত্ৰই নকল কৰিলে Expelled কৰাৰ পৰম্পৰা এতিয়াও আছে।

পৰীক্ষাগৃহৰ ভিতৰত পৰীক্ষা নিৰীক্ষকসকলেও (Invigilators) তেওঁলোকৰ কৰ্তব্য নিয়াৰিকৈ পালন কৰিছিল। প্ৰতি মুহূৰ্ততে অধ্যক্ষ ছাৰলৈ এটা ভয় ভাৱ আছিল। পৰীক্ষা অনুষ্ঠিত হোৱাৰ ১৫-২০ মিনিটমান পিছত অধ্যক্ষ ছাৰে প্ৰতিটো পৰীক্ষাগৃহ নিৰীক্ষণ কৰে। ইয়াৰ উপৰিও মাজতে এবাৰ হঠাত Visit দিয়ে। সেয়েহে সকলো নিৰীক্ষকে নিজৰ দায়িত্বত সাৱধানতা অৱলম্বন কৰে। নিতান্তই জৰুৰী নহ'লে কোনো নিৰীক্ষকে পৰীক্ষাগৃহৰ বাহিৰত আহি কথা পাতি থকাটো নজিৰবিহীন আছিল। এই পৰম্পৰা সদায় বৰ্তী থাকিলে কলেজখনৰ কাৰণে মঙ্গলজনক হ'ব।

অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱৰ নেতৃত্বত চলি অহা পৰীক্ষা পদ্ধতি আজিও বি. এইচ্. কলেজত বৰ্তী আছে যদিও কিছু তাৰতম্য পৰিলক্ষিত হয়। অৱশ্যে সময়ৰ অগ্ৰগতি, বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ বিকাশৰ লগত খোজ মিলাবলৈ হ'লে পুৰণিৰ লগত নতুনৰ কিছু পাৰ্থক্য নিশ্চয়

থাকিব। তথাপিও নিৰ্দ্ধাৰিত সময়সূচী, শৃঙ্খলাবদ্ধতা, পৰীক্ষা নিৰীক্ষকৰ নিয়মানুবৰ্তিতা আদি সকলো ঠিকে ঠাকে থাকিলে বি. এইচ্. কলেজৰ পৰীক্ষা পদ্ধতি অসমৰ ভিতৰতে নিশ্চয়কৈ উল্লেখনীয় হ'ব।

নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা নিজৰ চেষ্টা আৰু একাগ্ৰতাৰে জীৱন যুদ্ধত জয়ী হৈ বজালী কলেজৰ অনুমোদিত পদৰ চাকৰি বাদ দি স্থানীয় ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ কথা চিন্তা কৰি বি. এইচ্. কলেজ স্থাপন কৰাত এই ব্যক্তিগৰাকীয়ে এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ন্যায়সংগতভাৱে এইজনা ব্যক্তিৰ বি. এইচ্. কলেজৰ বাবে অৱদান উল্লেখযোগ্য। সেয়েহে এইজনা শ্ৰদ্ধাস্পদ পুৰুষক বি. এইচ্. কলেজ ইতিহাসত এক বিশেষ মৰ্যাদাৰ আসন দিয়াটো অৱশ্যেই আমাৰে কৰণীয়। তেখেতে বিভিন্ন জাতি, জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক লৈ এই জাতিসমূহৰ মাজত ঐক্য, সংহতি আৰু ভাতৃত্বৰ ভাৱেৰে কলেজখনক গতিশীল কৰাৰ যি আদৰ্শ আমাক দি গ'ল সেয়া আমাৰ বাবে গৌৰৱৰ বিষয়।

দাস ছাৰৰ নিচিনা এজন বিৰল ব্যক্তিত্ব সম্পন্ন লোকৰ সান্নিধ্যত ছাত্ৰী আৰু সহকৰ্মী হিচাপে কেবা বছৰো থাকি আৰু তেওঁৰ বিশেষ আস্থাভাজন হৈ কলেজৰ কাম কাজ কৰি সুখানুভূতি লাভৰ উপৰিও সেই বিশেষ ব্যক্তিগৰাকীৰ মহানুভৱতাই মোক চিৰদিনেই আকৃষ্ট কৰি ৰাখিব।

*(লেখিকা বি. এইচ্. কলেজৰ উপাধ্যক্ষ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা)*



# To The Principal.........

**নয়নেন্দ্ৰ নাৰায়ণ দেৱ চৌধুৰী**

মৰমৰ পূজনীয়,

পোনতে মোৰ সেৱা আৰু শ্ৰদ্ধা গ্ৰহণ কৰিব। আশাকৰোঁ ভগবানৰ কৃপাত আপোনালোকৰ আটাইৰে কুশল। এটা বিশেষ কাৰণত চিঠিখন লিখিব লোৱা নাই। সময়ৰ তাগিদাত চিঠি লিখাৰ অভ্যাস প্ৰায় নাইকিয়াই হ'ল। তথাপিও সন্মুখত কিম্বা ফোনযোগে ক'ব নোৱাৰা কথা কিছুমান চিঠিযোগে আমাৰ অনুভৱ আৰু স্মৃতি আপোনাক জনাব খুজিছো। ভুল হ'লে ক্ষমা কৰি দিব। জানো! আপুনি ক্ষমা কৰি দিব, কাৰণ ক্ষমা কৰি দিয়াটো আপোনাৰ ধৰ্ম।

মনত পৰে পুৱা ৯.৩০ বজাৰ ক্লাছৰ কথা। ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিৰ আগতেই বাৰান্দাৰ শালপ্ৰাংশু হৈ থিয় হৈ থকাৰ কথা। কোনোজনৰ প্ৰতি বিশেষ দৃষ্টি নিদিয়াকৈ সকলোকে আপুনি দেখা পায়। কোনোবাজনৰ সময়তকৈ দেৰি হ'লে আপুনি মুখেৰে একো নোকোৱাকৈয়ে নিজৰ হাতঘড়ীটোলৈ চাইছিল তাতেই বুজোতাজনে বুজিছিল সময়ৰ গুৰুত্ব আৰু নিয়মানুৱৰ্তিতা। কলেজৰ যিকোনো সমস্যা সমাধানৰ ক্ষেত্ৰত আপোনাৰ অফিচ কোঠাত যেতিয়া আপুনি বিভিন্নজনৰ

লগত আলোচনাত মিলিত হয় তেতিয়া আপোনাৰ মৌনতাই যেন বহু ভাষা কৈ দিয়ে। তামোল কটা সৰু চুৰি-কটাৰীখনেৰে আপুনি যেতিয়া মূৰৰ পিছফালে অকণমান খজুৱাই দিয়ে তেতিয়া আপোনাৰ বুদ্ধি ওলাই আহে আৰু আমি কটাৰীখনৰ নামকৰণ কৰিছিলো বুদ্ধিৰ চুৰি-কটাৰী।

খং উঠিলে আপোনাৰ ব্যৱহাৰ সাধাৰণ মানুহৰ ব্যৱহাৰৰ বিপৰীত ধৰ্মী। কোনো ধৰণৰ উচ্চ বাচ্য নকৰি দীঘল হুমুনিয়াহ এৰি আপুনি বুজাইছিল আপোনাৰ খঙৰ প্ৰাবল্য। শব্দ সৃষ্টিৰ বিপৰীতে সন্মুখত থকাজনে আপোনাৰ ওঁঠ অধ্যয়ন কৰি অনুমান কৰিব লাগিছিল আপোনাৰ ভাষা। কলেজৰ জটিল পৰিস্থিতিত বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ মাজত সংঘাত আৰু সমস্যা সৃষ্টি হ'লে মুহূৰ্ততে সভা আয়োজন কৰি প্ৰয়োজনত বাহিৰতে মেজৰ ওপৰত উঠি ছাত্ৰ সমাজক বুজাইছিল। কিন্তু মুখৰ ভাষাৰ পৰিবৰ্তে আপুনি কান্দি-কাটি অস্থিৰ হৈ ছাত্ৰ-ছাত্ৰীক নিয়ন্ত্ৰণ কৰিছিল। কাৰণ আপুনি যে ভাল অভিনেতা।

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ত আপোনাৰ গুৰুত্ব অসীম। বেশ-ভূষা আপুনি বিচৰাধৰণে নহয় তেতিয়া বিশেষ ধৰণে হাঁহিটি মাৰি প্ৰশ্ন কৰে— 'দৰমহা-পাটি' পোৱা নাই নেকি? পৰীক্ষা গৃহত জোতা-চেণ্ডেলৰ শব্দ, অনাহকত চিঞৰ-বাখৰ কৰিলে আপুনি বেয়া পাইছিল। আপুনি কৈছিল পৰীক্ষাৰ্থীৰ মগজুত আঘাত দিব নালাগে। কৰ্মচাৰীৰ যিকোনো বিপদত তেওঁৰ পক্ষত থকাটো আপোনাৰ আন এক উল্লেখনীয় দিশ। আপোনাৰ শাসনৰ বাঘজৰীডাল বৰ দীঘল। শাসন যেনেকৈ কৰে, মৰমো কিন্তু সমানে আছিল, প্ৰতিজনৰ প্ৰতি। খাদ্যৰসিক আপুনি। জানো, কেঁচা চালাদ আপোনাৰ অতি প্ৰিয়। কোনো এবিধ ব্যঞ্জন জুতি লগাকৈ খালে আপোনাৰ বদন হয় দৃষ্টি নন্দন। ব্যঞ্জন বিধ সুস্বাদু হ'লে আপোনাৰ দ্বাৰা উচ্চাৰিত Excellant শব্দটিয়ে বুজায় সোৱাদৰ গভীৰতা।



কলেজৰ পিছফালে আপোনাৰ বাসভৱন। সেই ফালে দৃষ্টি গ'লে আমাৰ ভাব হয় এমা-ডিমা কেইটাৰ স'তে কেনেকৈ কটাইছিল সময় এই নিৰ্জন পৰিৱেশত? অনুষ্ঠানটি গঢ়াৰ মানসিকতাই হয়তো সকলো সম্ভৱ হৈছিল আপোনাৰ বাবে। আপুনি যে 'খনিকৰ'। আপোনাৰ অৱসৰৰ পিছত অনুষ্ঠিত বিদায় সভাত আমাৰ চিন্তা, আপুনি কথা ক'ব নোৱাৰিব। শোকে খুন্দা মাৰিব আপোনাৰ মন-মগজুত। কিন্তু সকলো আচৰিত। এটোপাল চকুপানী নেপেলোৱাকৈ হাঁহি হাঁহি ওলাই গৈছিল চৌহদৰ পৰা। আপুনি যে স্থিতপ্ৰজ্ঞ।

চিঠি লিখিব গৈ বহুত কিবা-কিবি লিখি পেলালো। হয়তো আমাৰ অনুভৱ, আপোনাৰ স্বাভাৱিকতা ইত্যাদি। শেষত বহুতো শ্ৰদ্ধা আৰু ভক্তিপূৰ্ণ সেৱাৰে—

আপোনাৰ মৰমৰ

ভায়া

*(লেখক বি. এইচ. কলেজৰ বিত্ত বিভাগৰ সহযোগী অধ্যাপক)*

# সত্যনাথ দাস ছাৰ ঃ এক অনুভৱ অনুপম

**চন্দ্ৰা দেৱী**

মই একেধাৰে বি. এইচ্. কলেজৰ এগৰাকী ছাত্ৰী আৰু অধ্যাপিকা আছিলো। জীৱনৰ মধুৰতম সময় কলেজীয়া জীৱনৰ অমল দিনবোৰৰ মধুৰস্মৃতিৰ স'তে বি. এইচ্. কলেজখন মনৰ মণিকোঠাত চিৰদিন এক অম্লান প্ৰতিচ্ছবি হৈ ৰ'ব। এই কলেজখনৰ লগতে ইয়াৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱ মোৰ বাবে নমস্য আৰু শ্ৰদ্ধাস্পদ ব্যক্তি। তেখেতৰ আশাশুধীয়া চেষ্টা, নেৰানেপেৰা কষ্ট আৰু কৰ্তব্যনিষ্ঠাৰ ফলত বি. এইচ্. কলেজখনে অসমৰ ভিতৰত আজি এক উল্লেখযোগ্য উচ্চ শিক্ষানুষ্ঠান হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। আমি পঢ়া দিনত তেখেতক আমি এজন অতি গধুৰ দায়িত্ববোধ সম্পন্ন, কৰ্তব্যনিষ্ঠ, কলেজগত প্ৰাণ আৰু মধুৰ ব্যৱহাৰৰ দক্ষ প্ৰশাসক হিচাপে পাইছিলো যাৰ কোনো বিকল্প নাছিল। তেখেতৰ একনিষ্ঠতা আৰু দক্ষতাৰ বাবে কলেজৰ ৰিজাল্ট খুউব ভাল হৈছিল। মই যি বছৰত মেট্ৰিক পাছ কৰিছিলোঁ বি. এইচ্. কলেজৰ পৰা পি. ইউ (এতিয়াৰ হায়াৰ চেকেণ্ডাৰী)ত ওঙ্কাৰমল কেডিয়া নামৰ ছাত্ৰজনে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত প্ৰায় প্ৰতিবছৰে কলেজখনৰ আৰ্টৰ্চ, কৰ্মাচ দুয়োটা বিভাগত আশাতীত ভাল ৰিজাল্ট হৈছিল। সেই কাৰণে সকলোৰে পৰা কটন কলেজত পঢ়িবলৈ থকা



প্ৰবল ইচ্ছাক ঘৰখন আৰু শুভাকাংক্ষীসকলৰ বুজনি আৰু উপদেশত সলনি কৰি বি. এইচ্. কলেজত নাম ভৰ্ত্তি কৰিছিলো। প্ৰথম দিনাই কলেজত ফৰ্মফিলাপ কৰিবলৈ গৈ প্ৰিন্সিপাল ছাৰৰ আকৰ্ষণীয় ব্যক্তিত্ব দেখি কলেজখনৰ প্ৰতি মনত এক ইতিবাচক মনোভাৱ পোষিত হৈছিল। ইয়াৰ পিছত কলেজৰ ক্লাছসমূহ আৰম্ভ হওঁতে তেখেতৰ নিয়মানুবৰ্ত্তিতা, সু-শাসন আৰু কঠোৰ শৃঙ্খলাবোধ দেখি তেখেতৰ প্ৰতি এজন আদৰ্শবান শিক্ষাবিদ আৰু সুশাসক হিচাপে গভীৰ শ্ৰদ্ধা-ভক্তি আহিছিল। কলেজখনৰ শৈক্ষিক পৰিৱেশ যথেষ্ট ভাল আছিল। কলেজখনক সকলো ফালৰ পৰা অপ্ৰমাদী হিচাপে গঢ়ি তোলাৰ বাবে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। আমাৰ ঘৰ বৰপেটাৰোড চহৰত হোৱা বাবে আমি কলেজলৈ সদায় বাছেৰে অহা-যোৱা কৰিব লাগিছিল। প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে বাছেৰে অহা-যোৱা কৰিছিল। বাছৰ ভিৰ, নাটনি ইত্যাদিৰ বাবে কেতিয়াবা আমাৰ ক্লাছ পাওঁতে দেৰি হৈছিল। তেতিয়া বাৰান্দাত ঘূৰি ফুৰা আৰু ক্লাছসমূহ নিৰীক্ষণ কৰি থকা প্ৰিন্সিপাল ছাৰক দেখি ভয় আৰু লাজ লাগিছিল। তেখেতে দেৰি হোৱা বাবে গালি-গালাজ নকৰি কেৱল পিছলৈ দেৰি নকৰিবলৈ সকিয়াই দিছিল যাৰ ফলত পিছত আমি সাৱধান হোৱাত কাচিৎহে দেৰি হৈছিল। কোনোবা শিক্ষক ক্লাছলৈ অহাত দেৰি হ'লে তেখেতে নিজেই ক্লাছ লোৱাতো আমি প্ৰায়ে দেখিবলৈ পাইছিলোঁ। এনেকুৱা একনিষ্ঠতা, সততা আৰু কৰ্মনিষ্ঠতা সঁচাকে সেই সময়ত আমাৰ আলোচ্য বিষয় আছিল। তেখেতে কলেজৰ উন্নতিৰ বাবে নিজে দিল্লীৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্যালয়লৈ যোৱা; কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওটা শাখা কলেজলৈ অনাৰ দক্ষতা সৰ্বজনবিদিত। কলেজৰ নিয়মিত ক্লাছ, সুন্দৰ বাতাবৰণ, পৰিচালনাৰ দক্ষতাৰ বলত কলেজখনে দোপতদোপে উন্নতি কৰি গৈছিল যাৰ ফলত কটন কলেজত পঢ়িব নোৱাৰাৰ বেদনা প্ৰশমিত হৈছিল। বিশ্ববিদ্যালয়ৰ পৰা

ইংৰাজী বিষয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দি ঘৰলৈ অহাৰ দিনাই কলেজৰ পৰা অধ্যক্ষ ছাৰে মতা বুলি খবৰ পাই কলেজত উপস্থিত হৈছিলোঁ। তেখেতৰ Chamber ৰলৈ যোৱাৰ পিছত তেখেতে প্ৰথম প্ৰশ্ন কৰিছিল— 'পৰীক্ষা কেনে হৈছে?' 'ভাল' বুলি কওঁতে তেখেতে কৈছিল— 'কালিৰ পৰা ক্লাছ কৰিব লাগিব।' পানী লাগি মাত বহি থকা বাবে ছাৰক কেইদিনমান সময় বিচৰাত ছাৰে কৈছিল—'তোক পানী লগাৰ দাৰাই মই দিম। তই কালিৰ পৰা কলেজলৈ আহ। Student বোৰৰ অসুবিধা হৈ আছে।' ছাৰৰ নিদেৰ্শ মতে পিছদিনাৰ পৰা কলেজত ক্লাছ কৰি বলৈ আৰম্ভ কৰোঁ। পানী লগা নিজে নিজেই ঠিক হৈ গ'ল। তাৰ পিছত কলেজত কাম কৰা প্ৰায় চাৰিবছৰমান কালত তেখেতৰ সু-শাসন আৰু যোগ্যতা দেখি তেখেতক সদায় এজন আদৰ্শবান অধ্যক্ষ হিচাপে মানি আহিছোঁ। নিয়মানুবৰ্ত্তিতা, সততা আৰু দক্ষতাৰে তেখেতে বি. এইচ্. কলেজক যি পৰ্যায়লৈ লৈ গৈছিল তাৰ বাবে তেখেতে এই অঞ্চল তথা অসমৰ শিক্ষাজগতত এক উজ্বল ভোটাতৰা হৈ ৰ'ব। কলেজৰ বিল্ডিং, আন্তঃগাঁথনি আৰু মডেলিটি তেখেতে এনে সুন্দৰ কৰি থৈ গৈছে যাৰ ফলত হয়তো বি. এইচ্. কলেজ আজি 'NAAC' ৰ পৰা 'A' গ্ৰেড্ পোৱাৰ যোগ্যতা অৰ্জন কৰিছে। এটা সুন্দৰ আৰম্ভণি নহ'লে ই আজি ইমান সহজ নহ'লহেঁতেন। এজন শিক্ষাবিদ আৰু অধ্যক্ষ হিচাপে ই এক চৰম সফলতা বুলি ক'ব লাগিব।

কলেজত চাকৰি কৰি থাকোতে ১৯৯২ চনত অসম অসামৰিক সেৱাত নিৰ্বাচিত হৈ যেতিয়া ছাৰৰ ওচৰলৈ গৈছিলো (কলেজখন এৰি যাবলৈ বেয়া লাগিছিল। তিনি মাহৰ বাবে lien leave লৈ গৈ চাকৰিত join কৰিছিলো), ছাৰে কৈছিল— ACS পাইছ যিহেতু ক'ত আৰু ঘূৰি আহিবি! যা শুভেচ্ছা থাকিল।' ছাৰৰ মৰম, আন্তৰিকতা আৰু সহায় সদায় মনত থাকিব।



এনেকুৱা নমস্য আৰু দক্ষ প্ৰশাসক ব্যক্তি এজনৰ সান্নিধ্যত কলেজীয়া দিন আৰু কলেজত চাকৰি কৰাৰ স্মৃতি চিৰসেউজীয়া হৈ থাকিব।

জীৱনত লগ পোৱা সুদক্ষ, সুশাসক, শিক্ষাবিদ, প্ৰবল নিয়মানুৱৰ্ত্তী আৰু যোগাত্মক চিন্তাৰ কৰ্মবীৰ ব্যক্তিসকলৰ ভিতৰত শ্ৰীযুত সত্যনাথ দাস ছাৰ অন্যতম যাৰ প্ৰতি অন্তৰত আছে গভীৰ শ্ৰদ্ধা, সহমৰ্মিতা আৰু অশেষ ভক্তি। এজন শিক্ষক হিচাপে, এজন প্ৰশাসক হিচাপে আৰু এজন মানুহ হিচাপে তেখেত সঁচাকৈয়ে তুলনাবিহীন আৰু কিংবদন্তিস্বৰূপ। ভগৱানৰ ওচৰত প্ৰাৰ্থনা তেখেত সুখী হওক, দীৰ্ঘায়ু হওক— তেখেতৰ সকলো প্ৰকাৰে মংগল হওক।

*(লেখিকা বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰী, শিক্ষয়িত্ৰী তথা বঙাইগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত)*

# সত্যনাথ দাস ছাৰক যি দৰে জানো

ড° অনিল বড়ো

সত্যনাথ দাস ছাৰক আমি জানো এগৰাকী নিষ্ঠাবান আৰু কৰ্মদক্ষ অধ্যক্ষ হিচাপে। এগৰাকী সৎ, সাহসী আৰু স্পষ্টবাদী শিক্ষক হিচাপে। আমি যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বি. এইচ্. কলেজত প্ৰাক্ বিশ্ববিদ্যালয় (Pre-University) শ্ৰেণীত নাম ভৰ্তি কৰিছিলোঁ আৰু এগৰাকী বিদ্যানুৰাগী ছাত্ৰ হিচাপে মহাবিদ্যালয় জীৱন আৰম্ভ কৰিছিলো, তেতিয়া দাস ছাৰৰ কঠোৰ অনুশাসন, মহানুভৱতা আৰু কৰ্তব্যনিষ্ঠাৰ উমান পাইছিলোঁ। ১৯৭৮ চনত মই প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত নাম ভৰ্তি কৰিছিলোঁ আৰু ১৯৮৩ চনত স্নাতক পৰীক্ষাত অৱতীৰ্ণ হোৱা বছৰলৈ এই মহাবিদ্যালয়ৰ ছাত্ৰ আছিলোঁ। আমাৰ দিনত কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰী আছিল। বিজ্ঞান শাখা তেতিয়া খোলা হোৱা নাছিল। আমাৰ সময়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৰহসংখ্যকে আহিছিল বৰপেটাৰোড, হাউলী, বৰপেটা আৰু ভৱানীপুৰ অঞ্চলৰ পৰা। ভিতৰুৱা জনজাতীয় অঞ্চল আৰু চৰ অঞ্চলৰ পৰাও ছাত্ৰ-ছাত্ৰী আহিছিল।

সেই সময়ত কলেজখন নতুনকৈ ঠন ধৰি উঠিছিল নামনি অসমৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ৰূপে। এসময়ত বজালী কলেজৰ যি সুনাম আছিল, সেয়া আমাৰ সময়ত কিছু স্তিমিত হৈছিল আৰু সেই স্থান দখল



কৰিছিল বি.এইচ্. কলেজে। প্ৰাক-বিশ্ববিদ্যালয়ৰ কলা আৰু বাণিজ্য শাখাৰ ফলাফলত প্ৰতি বছৰেই সুনাম আৰু সুখ্যাতি অৰ্জন কৰিছিল এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে। ক'ব পাৰি এই সুনাম আৰু সুখ্যাতি আনিবলৈ সক্ষম হৈছিল সত্যনাথ দাস ছাৰৰ নেতৃত্বত এই মহাবিদ্যালয়ৰ শিক্ষক সকলৰ কঠোৰ শ্ৰম আৰু কৰ্তব্যনিষ্ঠাই।

আমাৰ অধ্যয়ন কালত মহাবিদ্যালয় বিল্ডিং আৰু শ্ৰেণীকোঠা আৰু লাগতিয়াল পৰিকাঠামো (Infrastructure) পৰ্য্যাপ্ত আছিল বুলিব পাৰি। হোষ্টেল, পুথিভঁড়াল, কেণ্টিন, জিৰণি চ'ৰা আদি পৰ্যাপ্ত আছিল। শিক্ষাদানৰ বাবে প্ৰয়োজনীয় শিক্ষকৰ সংখ্যাও তাকৰীয়া নাছিল। আমাৰ অধ্যায়ন কালত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, দিলীপ ৰঞ্জন দত্ত, ৰমেন দাস, ৰাধাচৰণ ৰাভা, গোলকেশ্বৰ গোস্বামী আৰু কেবাগৰাকী অভিজ্ঞ আৰু মৰমিয়াল শিক্ষকৰ সান্নিধ্য পাইছিলোঁ। ফুলকুমাৰী বাইদেউ, কৃষ্ণ কিঙ্কৰ মহন্ত ছাৰ আৰু ৰাম অৱতাৰ মাহেশ্বৰী ছাৰক মহাবিদ্যালয়ৰ পৰা ওলাই যোৱাৰ পিছতো কেবাবাৰো লগ পাইছোঁ। আজিকোপতি যোগাযোগ আছে কেবাগৰাকী ছাৰৰ সৈতে। মহাবিদ্যালয়খনে গঢ় দিয়া সুস্থ শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ শিক্ষকৰ সুমধুৰ সম্পৰ্কই এয়া সম্ভৱ কৰি তুলিছিল।

এগৰাকী অধ্যক্ষ ৰূপে সত্যনাথ দাস ছাৰে প্ৰতিগৰাকী প্ৰতিভাবান ছাত্ৰৰ প্ৰতি মৰম আৰু সহানুভূতি দেখুৱাবলৈ কৃপণালি কৰা নাছিল। মই যেতিয়া প্ৰথম বৰ্ষ (Pre University) ত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিলোঁ; তেতিয়া ছাৰে মোক মাতি পঠিয়াইছিল আৰু মৰম আকলুৱা মাতেৰে কৈছিল, তুমি অহাবাৰ ইয়াতকৈ ভাল ফলাফল দেখুৱাব লাগিব। তাৰ বাবে যি সহায়ৰ প্ৰয়োজন হয় মোক ক'বা। ছাৰৰ আদেশ আৰু আশীৰ্বাদ শিৰত লৈ মই একাগ্ৰচিত্তে পঢ়াশুনাত মনোনিবেশ কৰিবলৈ ল'লো আৰু ছাৰে বিচৰাধৰণে ফলাফল লাভ কৰিবলৈ সক্ষম হ'লো। ছাৰৰ Motivation

আৰু Strong determination অৰ শিক্ষা লৈ মই কৃতকাৰ্য হ'ব পাৰিছিলো বুলিয়ে মোৰ ধাৰণা। প্ৰতিগৰাকী প্ৰতিভাবান ছাত্ৰই এনে অনুপ্ৰেৰণা পালে নিশ্চয় সুফল অৰ্জন কৰিব পাৰে। দাস ছাৰ অধ্যক্ষ হৈ থকা সময়লৈ মহাবিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ আছিল। আজিকালি পৰিৱেশ সলনি হৈছে। নতুনকৈ স্থাপন হোৱা জুনিয়ৰ কলেজবোৰে সুফল দেখুৱাবলৈ সক্ষম হৈছে। তাৰ মাজতে মহাবিদ্যালয়খনে শৈক্ষিক পৰিৱেশ বৰ্তাই ৰাখি সমাজ আৰু সাংস্কৃতিক জীৱনলৈ অৰিহণা যোগাই আহিছে।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিষয়ৰ অধ্যাপক)*



# My Principal - My Mentor, My Guide

**Onkar Kedia**

I don't remember my first meeting with Shri Satyanath Das. He had founded B. H. College with help from some local people and my father was one of them. I must have seen him for the first time during one of his meetings with my father, dared not have spoken to him. He was a known figure in the locality and all kids of my age were in awe of him. At the same time, we all had great respect for him for the dignified way in which he carried himself and also for his monumental initiative in giving the locality its first ever college. The institution later grew up to be one of the best in Assam.

When my elder sister joined the college, I learnt a little more about him. He used to be discussed at home. Sometimes, I would see him from a distance doing some shopping in the local market. But I was still far from him.

Then came the time for me to go to college. People were suggesting science in Cotton College, but my father was firm. He thought, I was cut out for arts and my place was in

B. H. College. Above all, he thought, I needed the guidance of Shri Satyanath Das.

During my initial period itself, he summoned me one day to his office and demanded to be informed of my progress and problems and to report to him every week. This first meeting itself was enough to transform me. His faith in me and his attention filled me with confidence to the brim. All my teachers took the cue and started paying great attention to my studies. Economics was one of my subjects. This was the subject he used to teach. I remember, students used to wait for his classes. He was a great teacher and had a very entertaining way of imparting learning. But more than a great teacher, he was a great administrator also. It required tremendous administrative skills to receive equal co-operation from the people of Barpeta Road as well as of Howly. I saw him building the college brick by brick.

When it came to education, he was a hard task master. All the time, he was available in his office. When not in office, he was at his residence which was almost like his second office. From there,he kept a hawk's eye on the goings on in the college. During his time, classes used to be held with great regularity. Discipline was the order of the day. He had strategically positioned himself next to the girls' common room to keep a close watch of the mischievous students, though I was not one of them.

I saw him deftly handling the affairs of the college during the anti-foreigners agitation in Assam, what was a very difficult



time for any administrator. It was not easy to maintain peace during a period when the society was witnessing polarisation. As a Principal, I found him fair and impartial which helped him to get the co-operation of all sections of students.

During his time, B.H.College was an institution where there was an atmosphere of not just academic excellence, but of all round development. There used to be a lot of cultural and other extra-curricular activities. It was in B.H. college that I practised speaking before packed houses, although I have a feeling that my friend Hemen Das made better use of the opportunity.

His charm and his passion for the well being of the college got him full co-operation of the district and State administration. I remember his trips to UGC in Delhi in search of funds and he seldom retuned empty-handed. Such was his charm and influence.

I am fortunate that I received his guidance in matters relating to life and not just studies. Even after completing my college education, I fondly remember taking a bus from Barpeta Road and landing up at his quarters within the college premises. He would gossip with me for hours together over cups of tea and delicious 'pithas'.

Shri Satyanath Das has played a key role in shaping me. If I am good, much of the credit goes to him. If I am bad, you know the person you must blame.

# Satyanath Das in My Eyes

**Dipa Ledger**

I had the good fortune of meeting Satya Nath Das Sir, when I got admitted in B. H. College in the middle of the session in 1969. This was when I had to return from Shillong due to arthritic problems. The first thing that struck me about the gentleman, who welcomed me with an affectionate smile, was his cool, calm and down to earth demeanor.

During the year that I studied in B. H. College, inspite of my young age, I became aware that Sir was the driving force behind the very dedicated batch of lecturers. The very first attributes that I would like to adorn him with is 'Workaholic'. He was a relentless worker, who did not keep track of line when work was there. The college was then at its initial stage and was fraught with myriad problems, like lack of proper infra-structure, paucity of funds etc. Sir seemed undaunted. There was the need of a lot of sincere involvement; he was fully involved. Planning and hard work needed; he did then. With



tremendous public support, he steered his ship like an able captain with his able and dedicated crew. As far as my memory serves me, Satya Nath Sir was a democrat and did not like flash around his power or authority.

In the classroom, Sir was precise, to-the-point and ready to elucidate, whenever a query was raised. He was prudent enough to teach in a way that would suit the average the below average as well as the above average students. He had a no-nonsense attitude and possessed his own unique sense of humour. He always tried to infuse a deep-seated sense of responsibility in students' minds and stressed upon the need to rise high in life. He was simple, always neatly dressed and a perfect teacher of Economics. I can still clearly visualise his classes.

Inspite of our classroom being full of large number of mischievous students, he commanded respect from one and all. I personally found him as someone capable of infusing confidence and inspiration in the young and impressionable minds of the students.

*(Writer is former student of B. H. College)*

# মহীৰুহৰ সান্নিধ্যত

**খুৰছেদ আলম**

১৯৭৯ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হৈ বি. এইচ্. কলেজত নাম ভৰ্তিৰ প্ৰ-পত্ৰ জমা দিবলৈ আহিছিলোঁ। জমা দিব আহোঁতে মনে মনে উৎসুক হৈ আছিলোঁ প্ৰাক্তন প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস ছাৰক ওচৰৰ পৰা চাবলৈ। আমি পঢ়া জনীয়া হাইস্কুলৰ শিক্ষকৰ পৰা শুনিবলৈ পাইছিলোঁ এজন সৎ, নিষ্ঠাবান, দক্ষ অধ্যক্ষৰ কথা— যিজন ব্যক্তি আছিল সত্যনাথ দাস। আনহাতে আমি পঢ়া হাইস্কুলত মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ আছিল হাউলী হাইস্কুল, য'ত মই দূৰৰ পৰা হ'লেও চাৰক দেখিবলৈ পাইছিলোঁ। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত নাম ভৰ্তিৰ প্ৰ-পত্ৰ জমা দিছিলো সেই সময়ত কাৰ্যালয় সহায়ক সত্য কৰ্মকাৰৰ হাতত। এইখিনি সময়ত ছাৰক বাৰান্দাইদি যোৱা দেখা পাইছিলোঁ আৰু তেতিয়াৰ পৰাই মোৰ মনত স্থায়ীভাৱে গঢ় ল'লে এজন শ্ৰদ্ধেয় আদৰ্শবান শিক্ষক তথা অধ্যক্ষৰ নিকা ভাবমূৰ্তি। কিন্তু যি কাৰণেই নহওক, প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী দুটা মোৰ বি. এইচ্. কলেজত পঢ়া নহ'ল। কিন্তু পিছলৈ ১৯৮১ চনত স্নাতক কলা শাখাত ৰাজনীতি বিজ্ঞানত অনাৰ্চ লৈ নাম ভৰ্তি কৰি ১৯৮৪ চনত উত্তীর্ণ হৈ কলেজ এৰাৰ পিছৰ পৰা ধাৰাবাহিকভাবে বৰ্তমানলৈ প্ৰত্যক্ষ বা পৰোক্ষ ভাবেই হওক ছাৰৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছোঁ।



স্নাতক মহলাত নামভৰ্তি প্ৰক্ৰিয়া শেষ হৈ Terminal পৰীক্ষাৰ দুসপ্তাহ আগত মই এই কলেজত নামভৰ্তি কৰিবলৈ আহিছিলোঁ যাৰ বাবে প্ৰথমতে তেওঁ মোক Admission দিব খোজা নাছিল আৰু কৈছিল— 'তই বেলেগ কলেজৰ পৰা বদমাছি কৰি আহিছ নেকি?' পিছলৈ Marksheet চাই গম্ভীৰ সুৰত কৈছিল— 'যদি ভাল ফলাফলৰ নিশ্চয়তা দিব পাৰা তেতিয়া হ'লে Admission দিম।' এই প্ৰতিশ্ৰুতি মই দি নামভৰ্তি কৰিলোঁ আৰু আজিৰ এই লেখনিৰ মাজেৰে তাৰবাবে ছাৰক কৃতজ্ঞতা জনালোঁ। কলেজত ছাত্ৰ হৈ থকা অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক তেখেতে সদায় প্ৰেৰণা যোগাইছিল যাতে পৰীক্ষাৰ ফলাফল যথেষ্ট উন্নত হয় আৰু এই ক্ষেত্ৰত তেখেতৰ গঠনমূলক উপদেশৰ দ্বাৰা আনসকলৰ লগতে ময়ো ব্যক্তিগতভাবে যথেষ্ট অনুপ্ৰাণিত হৈছিলোঁ।

অধ্যক্ষৰ গুৰু দায়িত্ব পালন কৰাৰ মাজতে অৰ্থনীতিৰ শ্ৰেণী কোঠাত মই তেখেতক দুদিন পাইছিলোঁ। তাৰপৰাই কেৱল শৈক্ষিক পাঠদানত তেখেতৰ উচ্চ মানদণ্ডৰ আভাস পাইছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাত নীৰৱ-নিস্তব্ধ অথচ অতি মনোযোগী হোৱা দেখিবলৈ পাইছিলোঁ। কলেজৰ নিয়মিত পাঠদান প্ৰদানত ছাৰ আছিল অতি কঠোৰ। নিয়মিত পাঠদান সুনিশ্চিত কৰাৰ বাবে ছাৰক সদা সচেষ্ট দেখা গৈছিল। কৰ্মদিনৰ অধিক সময় কলেজত সদায় উপস্থিত থকাটো ছাৰৰ চাকৰি জীৱনৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ছাৰৰ সবল নেতৃত্বত নিয়মানুবৰ্তিতাৰে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত হৈ নিয়মিত পাঠদান আৰু পাঠগ্ৰহণ কৰা কাৰ্য আমাৰ কলেজৰ এক অতি সুষ্ঠ পৰম্পৰাত পৰিণত হৈছিল। এই পৰম্পৰা আজিও প্ৰবাহিত। ছাৰে সদায় মেল-মিটিঙত শিক্ষানুষ্ঠানত অনুকূল পৰিৱেশ কিদৰে ৰক্ষা কৰিব পাৰি সেইটো ব্যক্ত কৰিছিল আৰু আজিও এই বৃদ্ধাৱস্থাতো ছাৰৰ ঘৰলৈ লগ কৰিবৰ বাবে গ'লে, কলেজৰ নিয়মিত

পাঠদানৰ লগতে অনুকুল পৰিৱেশ আছে নে নাই জানিব বিচাৰে। ছাৰৰ কাৰ্যকালত প্ৰতিযোগিতামূলক অধ্যয়নৰ পৰিৱেশ গঢ় লৈ উঠিছিল যিটো তেখেতৰ সম্পূৰ্ণ নিকা আৰু দায়বদ্ধ প্ৰশাসনৰ উজ্বল দিশ, যি পৰম্পৰা আজিও আছে। বি. এইচ্. কলেজৰ সুষ্ঠ শৈক্ষিক পৰম্পৰা অটুট ৰাখিবলৈ আজিৰ এই বয়সতো সকলোকে তেখেতে আহ্বান জনায়। তেওঁৰ নিজৰ কথাত—'My heart is with B. H. College, I can't seperate myself from it.' ছাৰৰ কলেজৰ এজন ছাত্ৰ হ'বলৈ পাই আৰু পৰবৰ্তী সময়ত তেওঁৰ আহ্বানত আন এখন কলেজৰ চাকৰিৰ পৰা বদলি হৈ বি. এইচ্. কলেজৰ শিক্ষক হিচাপে ছাৰৰ সহকৰ্মী হৈ কিছুবছৰ সেৱা আগবঢ়াবলৈ পাই মই নিজকে ধন্য মানিছোঁ লগতে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

চাকৰি জীৱনত শেষাৰ্ধত অধ্যক্ষৰ কোঠাত সময়ত সোমালে (আন সমূহ নথকা সময়ত) তেখেতে কলেজ আৰম্ভণিৰ আভাস দাঙি ধৰিছিল আৰু কথাৰ মাজতে কেতিয়াবা কৈছিল— 'মোৰতো যাবৰে হ'ল, কলেজখন চাবি।' এই কথা ছাৰে এতিয়াও কৈ থাকে। কলেজ আৰম্ভণিৰ সময়ৰ পৰিৱেশ-পৰিস্থিতিৰ কথা কওঁতে ছাৰে উল্লেখ কৰিছিল কিদৰে সেই সময়ত সৰ্বস্তৰৰ মানুহে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়াইছিল। বজালী কলেজৰ স্থায়ী চাকৰি বাদ দি আমাৰ এনেকুৱা এখন গ্ৰাম্য অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ বাবে তেওঁৰ ত্যাগ সদায় স্মৰণীয় হৈ ৰ'ব। ভাবিলেই ভাল লাগে যে বিভিন্ন ঠাইত আমাৰ কলেজৰ নাম উচ্চাৰণ কৰাৰ লগে লগে ছাৰৰ বিষয়ে মানুহে উল্লেখ কৰে।

কলেজৰ উপৰিও সমাজসেৱাত ছাৰৰ নিঃস্বাৰ্থ অৱদান চিৰস্মৰণীয়। বিভিন্ন মেল-মিটিঙত ধৰ্ম নিৰপেক্ষতাৰ আদৰ্শ সমাজৰ সকলো স্তৰৰ মানুহৰ মাজত বিয়পাই দিয়াৰ বাবে ছাৰে যি চেষ্টা চলাইছিল, তাৰ তুলনা নাই।



উদাহৰণ স্বৰূপে বাবৰি মছজিদ ধ্বংসৰ পিছত অন্যান্য ঠাইত হোৱা হিংসাৰ দাবানলে যাতে আমাৰ অঞ্চলত বৰ্তি থকা ঐক্য, শান্তি যাতে বিঘ্নিত কৰিব নোৱাৰে, তাৰ বাবে সকলোকে সচেষ্ট হৈ থকাৰ ক্ষেত্ৰত তেওঁ অগ্ৰগামী ভূমিকা পালন কৰিছিল।

আমাৰ এই চমু লেখনিত এইগৰাকী মহীৰূহৰ জীৱনৰ সকলো দিশ সামৰি লোৱাটো সম্ভৱপৰ নহয়। তেখেতৰ অনবদ্য অৱদানক এই লেখাৰ যোগেদি পুনৰ সুঁৱৰিছো আৰু তেখেতৰ সুদীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক)*

# S.N. Das and His Prathamic Artha Vigyan

**Ranjit Bhuyan**

Srijut Satya Nath Das, a living legend of B. H. College, was the founder Principal of this college who, after resigning his sanctioned post of lecturer in Economics at Bajali College, established the B. H. College in 1966 to shoulder the responsibility of moulding this institution as a premier institution of higher education in Lower Assam. He, along with a few dedicated personalities of Howly and Barpeta Road, took the prime role in establishing and shaping the institution in the desired line so that the coming generation of this cosmopolitan area could have easy access to higher education. As time passes, the institution has become an important centre for higher education, espicially in Lower Assam.

During his tenure of service in this institution, he shouldered not only the responsibility of the principal of this college but also rendered his service as a good teacher in Economics, particularly at the initial stage of the college. Many students of his time often viewed that what he taught in classes



were ever lasting learning for them. Such comments from students truly reflect his deep knowledge on Economics. He was fond of this subject, used it as his way of thinking and of working. He allocated his valuable time in a rational manner to derive maximum out of limited resources. Cost benefit approach was being persued in every line of his activities.

Such maxim doctrine was also used in writing his book, namely "Primary Artha Vigyan" where he wrote a few chapters on different concepts and tried to explain many. His book was an attempt to explain basic concepts and theories of Economics in Assamese language in a conceivable manner for supplementing the scarcity of Assamese Medium books on Economics for pre-university course after the recognition of Assamese language as medium of instruction in pre-university course by Gauhati University in 1972.

In defining Economics as a branch of social science, he highlighted the definitions of A. Smith and A. Marshall and the basic distinction between the two along with their prime drawbacks and finally the scarcity based definition of L. Robbins with the explanation of its basic features. He gave a bird's eye view on the subject matter and scope of Economics along with the explanation of economic/non-economic activities, economic laws and their nature, concepts of Micro and Macro Economics - the two approaches to analyse economic theories. He explained in his book the common terms of Economics without

which understanding of economic theories is infact, impossible. He provided an intensive explanation of goods, their types wealth and its characteristics, types of wealth and its relation with welfare, utility - its meaning and types, income and capital etc.

He described lucidly the major forms of Economic Systems, namely - Capitalism, Socialism and Mixed Economic System their advantages / disadvantages and in concise manner, the concept of demand and supply, their laws and a few exceptions to such laws. In fact, for pre-university level, such explanation can be viewed as optimal. The concepts of elasticity of demand and supply, their determinants, and measurement of price elasticity etc. are described in a precise manner-appropriate for pre-degree students Laws of Economics, like laws of returns (increasing, decreasing and constant) and important consumption laws are explained adequately for pre-university level. He in the book, elucidated the meaning of the term production, the four factors of production and their characteristics along with related concepts in this sphere so that the students could grasp them easily. Besides, analysing the concepts of division of labour, concentration of industries, their advantages and disadvantages, causes etc. he also discussed the various cost concepts and their inter-relationship necessary for pre-university course. The concept of market for price determination, particularly under monopoly and perfect



competition along with their characteristics were explained in a very simplified manner. He provided an elaborate analysis on factor pricing in distribution chapter in his book where he discussed the concept of distribution - both personal and functional in a conceivable manner. The concepts of rent, wages, interest and profits, their types along with concise display of relevant theories of rent, wages interest and profit, their types are also covered. A very simplified interpretation of Marginal Productivity Theory of Distribution concept of real wages and its determinants and factors affecting efficiency of labour etc. are also given in this particular unit of his book. He certainly had clear ideas on economic theories as can be visualised from the simplified explanation of different aspects of economic theories in his book. The concepts and characteristics of money, types and evolution of money, concept of index numbers - their uses and limitations along with an easy interpretation of Quantity theory of Money are discussed in a simple manner. Similarly, he explained the concept of bank, its types and the functions of central and commercial banks along with the attempt to define various credit instruments of banks like promissory notes, bills of exchange etc. He also made an elaborate discussion on public finance in his book. He viewed on the concepts of public finance and private finance their distinction, components of public finance like— taxation, public debt, public expenditure etc. He also discussed tax / non tax revenues of Government, types of taxes,

canons of taxation, impact / incidence and shifting of taxation. Similarly, the concepts of public debt and expenditures - causes for their increase, their classification, methods of redemption of public debt etc. are also elaborately explained. In the last unit of his book, he threw light on the concept of external trade - its distinction with home trade, the basis of external trade along with the basic theory of international trade requisite for pre-degree students.

In short, the different units of his book truly display the basic concepts of Economics— both on macro and micro front. Different economic theories are lucidly analysed in the book so that a beginner in the subject could easily capture the basic ideas. In the appendix of the book, he translated the basic terms of Economics from English to Assamese so that the primary students of Economics could easily understand the subject. I feel his pioneering effort to write the book in Assamese Medium was a noble effort to benefit the reader of Economics in its understanding. At present the course structure has been drastically changed, but still the present need of basic things of Economics can be fulfilled from his book. The basic concepts of Economics as explained in his book still can be borrowed although it was his primary attempt to simplify the subject to understand using Assamese language. Thanks to his pioneering effort.

*(Writer is Associate Professor of Economics, B. H. College)*



# মহীৰুহৰ ছত্ৰছায়াত

ৰেণু হাজৰিকা

শ্ৰদ্ধাৰ সত্যনাথ দাস ছাৰৰ বিষয়ে লিখিব লৈ ভাবিছোঁ, ক'ৰপৰা কেনেকৈ আৰম্ভ কৰোঁ! এনে লাগিছে মই যিয়েই নিলিখো আৰু যেনেকৈয়ে নিলিখো, সেইখিনি যেন ছাৰৰ ক্ষেত্ৰত তেনেই চুটি হ'ব। তথাপি মই মোৰ মনৰ মাজত থকা ছাৰৰ ছবিখনৰ স্কেছ এটা এই লেখাৰ দ্বাৰা আঁকিবলৈ চেষ্টা কৰিম। তাৰ বাবে মই উভতি যাব লাগিব আজিৰ পৰা বিশ বছৰ আগলৈ।

১৯৯৬ চন। এপ্ৰিল মাহৰ ১২ তাৰিখে মই বি. এইচ্. কলেজত প্ৰথম পদাৰ্পণ কৰোঁ অসমীয়া বিভাগৰ প্ৰবক্তা পদ এটিৰ বাবে সাক্ষাৎকাৰ দিবলৈ। ২৮ জন প্ৰাৰ্থী অৱতীৰ্ণ হোৱা সাক্ষাৎকাৰৰ অন্তত পদটোৰ বাবে মোক বাছনি কৰা হ'ল আৰু সেইমতে ১৯৯৬ চনৰ আগষ্ট মাহৰ ২৯ তাৰিখে মই অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে বি. এইচ্. কলেজত যোগদান কৰিবলৈ আহিলোঁ। দাদাৰ সৈতে অধ্যক্ষৰ কোঠাত সোমায়েই দেখা পালোঁ গুৰু-গম্ভীৰভাৱে অধ্যক্ষৰ আসনত স্থিতপ্ৰজ্ঞৰ দৰে বহি থকা বিশাল ব্যক্তিত্বৰ মানুহগৰাকীক; যিগৰাকীয়েই আছিল কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাস ছাৰ। ছাৰৰ লগত দুই-চাৰি আষাৰ বাৰ্তালাপ হোৱাৰ পিছত সেই সময়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান স্বৰ্গীয় অতুল চন্দ্ৰ বৰ্মন

ছাৰক মাতি নি মোৰ লগত চিনাকি কৰাই দিলে আৰু ক্লাচ সম্পৰ্কীয় কথাবোৰ মোক বুজাই দিবলৈ ক'লে। কামত যোগদান কৰাৰ পিছত অধ্যক্ষ ছাৰে মোৰ থকা-মেলা, পৰিয়াল-পৰিজন, ঘৰুৱা অৱস্থা আদিকে ধৰি সকলো খা-খবৰ ল'লে আৰু মোক যি আষাৰ কথাৰে উপদেশ দিলে সেইষাৰ কথা আজি বিশ বছৰে মোৰ কৰ্ণকুহৰত প্ৰতিধ্বনিত হৈ আছে আৰু মৃত্যু পৰ্যন্ত থাকিব। দাস ছাৰে মোক কৈছিল— 'নিজৰ কামখিনি নিয়াৰিকৈ কৰিবা। মই কাম কৰা মানুহক ভাল পাওঁ; কামক মই শ্ৰদ্ধা কৰোঁ।' প্ৰথম দিনাৰ সেই উপদেশ বাণীয়ে আজি পৰ্যন্ত মোক উদ্বুদ্ধ কৰি ৰাখিছে। তেখেতৰ অধীনত থাকি কাম কৰা তিনি বছৰৰ সান্নিধ্য মোৰ জীৱনৰ অন্যতম প্ৰেৰণাৰ উৎস।

দাস ছাৰে আমাক কোনোদিনে টানকৈ একো কোৱা নাছিল। তথাপি তেখেতক আমি ভয় কৰিছিলোঁ। এয়া ছাৰৰ ব্যক্তিত্বৰ মহত্ব আছিল। নিৰপেক্ষতা তেখেতৰ ব্যক্তিত্বৰ আন এক বিভূতি আছিল। অগ্ৰজ-অনুজ সকলোকে সমানভাৱে ব্যৱহাৰ কৰিছিল। শ্ৰেণীসমূহ নিয়মীয়াকৈ হৈ থাকিবৰ বাবে কোনো ক্ষেত্ৰতে কাৰো লগত তেওঁ আপোচ নকৰিছিল। শ্ৰেণীসমূহ হ'ব লাগে, ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আহৰণ কৰিব লাগে; এয়াই আছিল ছাৰৰ মূল কথা।

কলেজখন আছিল ছাৰৰ প্ৰাণ স্বৰূপ। ঠাণ্ডাৰ দিনত ৯.৩০ বজাৰ ক্লাছ ল'বলৈ দৌৰা-দৌৰিকৈ যাওঁ। গৈয়ে দেখা পাওঁ কলেজৰ সন্মুখৰফালে ৰ'দত চকী এখনত ছাৰ বহি আছে। এদিন ছাৰে ক'লে— 'তোমালোকৰতো ক্লাছ আৰম্ভ হয় ৯.৩০ বজাত, মোৰ আৰম্ভ হয় ৮.৩০ বজাৰ পৰাই।' কলেজলৈ অহা প্ৰথমজন মানুহ যিদৰে দাস ছাৰ, সেইদৰে কলেজৰ পৰা যোৱা শেষৰজন মানুহো দাস ছাৰেই।

ছাৰে নেদেখাকৈ কলেজত সোমোৱাটো যথেষ্ট টান কাম আছিল। এদিন সোমাইছো মাত্ৰ, ছাৰে হাঁহি এটা মাৰি ক'লে— 'আজিৰ পেপাৰত



তোমালোকৰ খটৰা সত্ৰৰ 'পঁচতি' উৎসৱৰ বিষয়ে লিখিছে। তুমি মোক কোৱাচোন এই উৎসৱটোৰ বিষয়ে অলপ।' প্ৰথমে মই কিছু ঠট্‌মট্ খালো যদিও আমি দেখি অহা খটৰাৰ পঁচতিৰ বিষয়ে অলপ কলোঁ। ছাৰ সন্তুষ্ট হোৱা যেনেই লাগিল। পিছত ভাবিলোঁ পেপাৰত পঢ়াৰ পিছতো স্থানীয় লোকৰ পৰা সেই সম্বন্ধে জানিব বিচৰাজন কিমান অনুসন্ধিৎসু মনৰ গৰাকী হ'ব পাৰে!

এদিন-দুদিনকৈ ছাৰৰ সান্নিধ্যত সময়ৰ জখলাৰে তিনি বছৰ অতিক্ৰম কৰিলোঁ। এই সময়ছোৱাত ছাৰৰ প্ৰশাসনিক দক্ষতা, আত্মীয়তা, সহৃদয়তা আদি গুণবোৰৰ লগত ভালকৈ পৰিচিত হলোঁ। উপলব্ধি কৰিলোঁ ছাৰ যেন এজন ব্যক্তি নহয়, এটি অনুষ্ঠান। বিশাল বটবৃক্ষৰ দৰে ছাৰে সদায় বি. এইচ্. কলেজক আৱৰি ৰাখিলে আৰু অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এই অনুষ্ঠানৰ খ্যাতি প্ৰবাহিত কৰালে। বি. এইচ্. কলেজৰ অধ্যাপক হিচাপে সকলোতে আমি সমীহৰ পাত্ৰ হোৱাৰ কাৰণো হ'ল ইয়াৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাস ছাৰ। এনে এজন মহানুভৱ ব্যক্তিক অধ্যক্ষ হিচাপে পাই সঁচাকৈয়ে মই নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰোঁ। সোণালী জয়ন্তীৰ এই গৌৰবোজ্বল মুহূৰ্তত মোৰ মনৰ মাজত জীপাল হৈ থকা ছাৰৰ সেই সান্নিধ্য শ্ৰদ্ধাৰে সোঁৱৰণ কৰিলোঁ।

*(লেখিকা বি. এইচ্. কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা)*

# সত্য নাথ দাস ছাৰৰ সান্নিধ্যৰ কিছু অনুভৱ

সুভাষ চন্দ্ৰ দাস

চীনা দাৰ্শনিক Lao Tsu-এ কৈছিল, "To lead people, walk besides them. As for the best leader, the people do not notice their existence..... When the best leader's work is done, the people say - 'We do it ourselves!'"

শিক্ষানুষ্ঠান এখনৰ সুনাম ঘাইকৈ নিৰ্ভৰ কৰে শিক্ষানুষ্ঠানখনৰ নিয়মানুৱৰ্তিতা, শৃংখলাবদ্ধতা, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্যপৰায়ণতা, নিষ্ঠা, একাগ্ৰতা, দায়বদ্ধতা আৰু আনুগত্য আদি গুণৰ ওপৰত। ইয়াৰ লগতে অভিভাৱক সকলৰ সজাগতা আৰু শিক্ষাৰ্থীৰ ফলাফলেও এইক্ষেত্ৰত এটি কাৰক হিচাপে ক্ৰিয়া কৰে। এই আটাইবোৰ মিলি এনে এটা বাতাবৰণৰ সৃষ্টি কৰে যিটোৱে শিক্ষানুষ্ঠাটিৰ লগত জড়িত সকলোটিৰে কৰ্মোদ্যম বৃদ্ধি কৰাৰ লগতে সকলোকে অনাবিল আনন্দ আৰু সন্তুষ্টি প্ৰদান কৰি শিক্ষানুষ্ঠানটিৰ উত্তৰণত মুখ্য ভূমিকা গ্ৰহণ কৰে। অৱশ্যে এই আটাইবোৰ কথাই নিৰ্ভৰ কৰে অনুষ্ঠানটিৰ মুৰব্বীজনৰ ওপৰত— তেওঁৰ ব্যক্তিত্ব, দৰ্শন, জ্ঞান, অভিজ্ঞতা, আচাৰ-ব্যৱহাৰ, প্ৰশাসনিক দক্ষতা, সদিচ্ছা আৰু দূৰদৃষ্টি (vision)ৰ ওপৰত। তেওঁ অনুষ্ঠানটিৰ নেতৃত্ব বহন কৰি ইয়াৰ লগত জড়িত সকলোকে



কেনেদৰে পৰিচালনা কৰে তাৰ ওপৰতে নিৰ্ভৰ কৰে শিক্ষানুষ্ঠানটিৰ যশ আৰু খ্যাতি।

অসমৰ কলেজীয়া শিক্ষাৰ ইতিহাসত এনে কেইগৰাকীমান ব্যক্তিৰ আবিৰ্ভাৱ হৈছিল যিসকলে স্বগৰিমাৰে উজ্বলি উঠাৰ লগতে তেওঁলোকে নেতৃত্ব প্ৰদান কৰা শিক্ষানুষ্ঠান সমূহকো একোখন উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছিল। এই মহান অধ্যক্ষসকলৰ নামেই হৈ পৰিছিল শিক্ষানুষ্ঠানখনৰ পৰিচয়। উদাহৰণ স্বৰূপে, পৰাগধৰ চলিহা মানেই শিৱসাগৰ কলেজ; গিৰিধৰ শৰ্মা মানেই আৰ্য বিদ্যাপীঠ কলেজ; ৰাজেন শৰ্মা মানেই বজালী কলেজ আৰু.... আৰু সত্য নাথ দাস মানেই বি. এইচ্. কলেজ। বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্য নাথ দাসদেৱে অৱসৰ লোৱা আজি প্ৰায় ওঠৰটা বছৰ পাৰ হৈ গ'ল। কিন্তু মানুহৰ মুখত আজিও বি. এইচ্. কলেজৰ পৰিচয় 'সত্য দাসৰ কলেজ' হিচাপেহে। বি. এইচ্. কলেজ আৰু সত্য নাথ দাস যেন দুটি অভিন্ন সত্বা, একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি।

বি. এইচ্. কলেজৰ পিতৃস্বৰূপ এই মহান খনিকৰজনে কলেজখন প্ৰতিষ্ঠাৰ নামত আক্ষৰিক অৰ্থত যি ত্যাগ স্বীকাৰ কৰিছিল সেয়া এক বিৰল দৃষ্টান্ত। 'আক্ষৰিক অৰ্থ'ৰ ব্যৱহাৰ ইয়াত এইবাবেই কৰা হৈছে কাৰণ এতিয়া সততে ইয়াৰ অপব্যৱহাৰহে হয়। তেখেতৰ পৰিয়ালৰ আৰ্থিক অৱস্থা স্বচ্ছল নাছিল, গতিকে শিক্ষা সাং কৰাৰ পিছত এটি চাকৰি তেখেতৰ বাবে নিতান্তই প্ৰয়োজন আছিল। পাঠশালাৰ বজালী কলেজত অৰ্থনীতিৰ প্ৰবক্তাৰ অনুমোদিত পদত যোগদানো কৰিছিল। কিন্তু সেই লোভনীয় পদ ত্যাগ কৰি হাউলী বৰপেটাৰোড অঞ্চলৰ অনগ্ৰসৰ গ্ৰাম্যাঞ্চলত জ্ঞানৰ প্ৰদীপ জ্বলাবলৈ "with a missionary zeal" (তেখেতে প্ৰায়ে কোৱা বাক্যাংশ) তেখেত আগবাঢ়ি আহিল। আৰু তাৰ পিছৰখিনি ইতিহাস। The mission

is complete। আজি তেখেতৰ মানসপুত্ৰই অতি দক্ষতা আৰু ঈৰ্ষণীয় সফলতাৰে সোণালী জয়ন্তীৰ গৌৰৱোজ্জল ধ্বজা উৰুৱাইছে।

এজন কলেজীয়া ছাত্ৰ হিচাপে আৰু পৰৱৰ্তী কালছোৱাত এজন কলেজ শিক্ষক হিচাপে মই নিজকে সৌভাগ্যশালী বুলি অনুভৱ কৰোঁ। ছাত্ৰাৱস্থাত যি কেইগৰাকী অধ্যক্ষৰ অধীনত মহাবিদ্যালয়ত পঢ়াৰ সুযোগ পালো সেয়া সকলোৰে ভাগ্যত নঘটে। ১৯৮৫ চনত মেট্ৰিক পাছ কৰি যেতিয়া ঐতিহ্যমণ্ডিত কটন কলেজত নামভৰ্ত্তি কৰোঁ তেতিয়া কলেজৰ অধ্যক্ষ আছিল আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী আৰু উত্তৰ-পূৰ্বাঞ্চলত আণৱিক পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ বাটকটীয়া ড° গোবিন্দ চন্দ্ৰ ডেকা ছাৰ। অতি সহজ-সৰল জীৱনশৈলীৰ অধিকাৰী ডেকা ছাৰে অসম আন্দোলনৰ সেই দুৰ্যোগপূৰ্ণ সময়তো একমাত্ৰ পাণ্ডিত্য আৰু সৰলতাৰ গুণেৰে কলেজখন নিয়াৰিকৈ পৰিচালনা কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ অৱসৰৰ পিছত এটা নাতিদীৰ্ঘ কাৰ্যকালৰ বাবে কটন কলেজৰ অধ্যক্ষৰ আসন শুৱনি কৰিছিল ড° ৰাম কুমাৰ দাস ছাৰে। পাণ্ডিত্য আৰু সৰলতাৰ দিশত তেখেত আছিল ডেকা ছাৰৰ যোগ্য উত্তৰসুৰী। দাস ছাৰৰ পিছত আন এগৰাকী খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী ড° কমলেন্দু দেৱ ক্ৰোৰী ছাৰক আমি কলেজ এৰি অহালৈকে (১৯৯০) অধ্যক্ষৰ আসনত পাইছিলোঁ। পাণ্ডিত্যৰ লগতে ক্ৰোৰী ছাৰৰ আছিল নিপুণ প্ৰশাসনিক দক্ষতা। কটন কলেজৰ লগতে তেখেতৰ প্ৰশাসনিক দক্ষতাৰ প্ৰমাণ পোৱা যায় অৱসৰৰ পিছত তেখেতে প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰা ব্যক্তিগত খণ্ডৰ শংকৰদেৱ একাডেমী নামৰ কনিষ্ঠ মহাবিদ্যালয়খনত, যিখনে মহাবিদ্যালয় পৰ্যায়ত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ ক্ষেত্ৰত এক জোৱাৰ সৃষ্টি কৰি থৈ গৈছে। ছাত্ৰজীৱন শেষ কৰি দেউতাৰ ইচ্ছা পূৰণ কৰি ইংৰাজীৰ শিক্ষক হিচাপে যোগদান কৰোঁ বি. এইচ্. কলেজত। মোৰে সৌভাগ্য যে ইয়ালৈ



আহিও চাকৰি জীৱন আৰম্ভ কৰাৰ সুযোগ পালো এনে এগৰাকী অধ্যক্ষৰ অধীনত, যিগৰাকীক অসমৰ দক্ষ আৰু সফল অধ্যক্ষসকলৰ মাজৰ এগৰাকী বুলি সততে বিবেচনা কৰা হয়। এনেকুৱা এগৰাকী মহীৰূহৰ ব্যক্তি আৰু ব্যক্তিত্বত আলোকপাত কৰিব বিচৰাটো আমাৰ দৰে লোকৰ বাবে দুঃসাহসৰ নামান্তৰ মাথোন। সেয়েহে এনে দুঃসাহস কাতি কৰি থৈ তেখেতৰ সান্নিধ্যৰ মধুৰ কালছোৱাত ঘটা দুটামান সৰু-সৰু ঘটনাৰ অৱতাৰণা কৰিব বিচাৰিছোঁ। আপাতদৃষ্টিত ঘটনাবোৰ ক্ষুদ্ৰ হ'লেও সেইবোৰ মোৰ কাৰণে বিশেষ তাৎপৰ্য বহনকাৰীৰূপে অনুভৱ কৰোঁ। কাৰণ এই ঘটনাবোৰৰ অৱলম্বনতে এগৰাকী শিক্ষক তথা মহাবিদ্যালয় অধ্যক্ষ হিচাপে তেখেতৰ বিশাল ব্যক্তিত্ব পৰিস্ফুট হয়। উমান পোৱা যায় তেখেতৰ প্ৰশাসনিক দক্ষতা আৰু পাণ্ডিত্যৰ।

এগৰাকী বৰেণ্য ব্যক্তিক নিচেই ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য হৈছিল ১৯৯২ চনৰ চেপ্তেম্বৰ মাহৰ কোনোবা এটা দিনত (সঠিক তাৰিখটো এতিয়া মনত নাই)। সেইদিনাই মই বৰ্তমানেও কাম কৰি থকা পদটোৰ বাবে প্ৰাৰ্থী বাছনিৰ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। সাক্ষাৎকাৰৰ বাবে মোৰ পাল পৰাত ভয় আৰু সংকোচেৰে অধ্যক্ষৰ কোঠাত প্ৰৱেশ কৰিলোঁ। এইটো আছিল মোৰ জীৱনৰ দ্বিতীয় সাক্ষাৎকাৰ (প্ৰথমটো আছিল গোৱালপাৰা কলেজত)। যথাৰীতি সাক্ষাৎকাৰ চলি থাকিল। অধ্যক্ষৰ আসনত বহি থকা ওখ-পাখ, সুগঠিত, সপ্ৰতিভ আৰু চুটি চুলিৰ মানুহগৰাকীৰ এটি মন্তব্যত মই অতি ক্ষুণ্ণ হ'লো। ডেকা বয়সৰ খং, নিজক চম্ভালিব নোৱাৰি লগে লগে মন্তব্যটোৰ বিপৰীতে মই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলোঁ। মোৰ প্ৰতিক্ৰিয়া শুনি তেখেতৰ কোনো ভাবান্তৰ নঘটিল। বৰং তেখেতে ইয়াক উপভোগ কৰা যেনহে মোৰ অনুভৱ হ'ল। যথাসময়ত সাক্ষাৎকাৰ শেষ হ'ল আৰু ওভতনি যাত্ৰাত ভাবি আহিলো, প্ৰথমতেই যেতিয়া মই এনে ব্যৱহাৰ প্ৰকাশ কৰিলো, ইয়াত মোৰ চাকৰি কেতিয়াও নহয়। এই কথাও

সত্য যে কথাবোৰ ভাবি মই অনুতাপ কৰাও নাছিলো, কাৰণ উচিত কথাত প্ৰতিবাদ-প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পাঠ মোক দেউতাই শৈশৱতে শিকাইছিল।

সাক্ষাৎকাৰৰ প্ৰায় বাৰ দিনমান পিছত প্ৰত্যহৰ দৰে এদিন সন্ধিয়া ঘৰৰ পৰা বজাৰলৈ ওলাই যাওঁতে বাটতে পিয়নজনে লগ পাই মোৰ নামত অহা চিঠি এখন দিলে। সন্ধিয়াৰ কাণি-মুনি পোহৰত একো নেদেখি মই ওচৰৰ দোকান এখনলৈ গৈ পোহৰত লেফাফাটো খুলি চাই মই আচৰিত-- লেফাফাটোৰ ভিতৰত যেন মোৰ বাবে পৃথিৱীৰ অষ্টম আশ্চৰ্যটোহে লুকাই আছিল। চিঠিখন আহিছিল বি. এইচ্. কলেজৰ অধ্যক্ষৰ পৰা আৰু ইয়াৰ সাৰমৰ্ম আছিল মই সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱা পদটোৰ বাবে মোক বাছনি কৰা হৈছে আৰু ইয়াৰ বাবে যাৱতীয় কামখিনি শেষ হ'লেই মই প্ৰবক্তা পদটিত যোগদান কৰিব পৰোঁ। মই আনন্দতে হতবাক হৈ পৰিলো। এই আনন্দ কিন্তু মোৰ চাকৰি হোৱা খবৰটো পোৱাৰ ফলত হোৱা স্বতঃস্ফূৰ্ত আনন্দ নাছিল। কাৰণ মই ইতিমধ্যে গোৱালপাৰা কলেজতো প্ৰবক্তাৰ বাছনিত উঠিছিলোঁ। মোৰ ইমানেই ফূৰ্তি লাগিছিল যে মই বি. এইচ্. কলেজৰ সাক্ষাৎকাৰৰ সমগ্ৰ ঘটনা আৰু বাছনি কৰা কথাটো সেই দোকানীজনকে কৈ পেলাইছিলো। লৰালৰিকৈ ঘৰলৈ ওভোতাৰ পথত যাকে য'তে লগ পাইছিলোঁ, বৰ্ণনা কৰিছিলো সমগ্ৰ ঘটনা। ঘৰলৈ আহিও একেই কথা সকলোকে কৈছিলোঁ। সকলো স্মৃতি আজিও মোৰ মনত সজীৱ হৈ আছে আৰু এতিয়াও সুযোগ পালেই সেই কথা বৰ্ণনা কৰোঁ।

মোৰ মনলৈ এই ভাৱ আহিছিল যে সাক্ষাৎকাৰৰ সময়তে কোনো চাকৰি প্ৰাৰ্থীয়ে অনুষ্ঠানখনৰ মুৰব্বীজনৰ কথাত এনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পিছতো যেতিয়া সেই প্ৰাৰ্থীজন বাচনিত উঠিব পাৰে তেন্তে সেই মুৰব্বীজন কেনে ধৰণৰ লোক হ'ব! সাধাৰণতে নিৰান্নবৈ শতাংশ মুৰব্বীয়ে



তেনে এজন প্ৰাৰ্থীক নিয়োগ কৰিব নুখুজিব। আনকি মই নিজেও যদি অধ্যক্ষৰ আসনত থাকিলোহেঁতেন তেন্তে তেনে এজন প্ৰাৰ্থীক কেতিয়াও পছন্দ নকৰিলোহেঁতেন। মই এই অনুসিদ্ধান্তলৈ আহিছিলো যে, এইজন অধ্যক্ষ সাধাৰণ নহয়, তেখেত সেই নিৰানব্বৈ শতাংশৰ মাজৰ এজন নহয়। মোৰ মনলৈ আহিছিল যিখন কলেজৰ এনে এজন ব্যক্তি প্ৰতিষ্ঠাপক অধ্যক্ষ সেইখনো কোনোপধ্যেই এখন সাধাৰণ কলেজ হ'ব নোৱাৰে। গোৱালপাৰা কলেজ নে বি. এইচ্. কলেজ সিদ্ধান্ত লোৱাও মোৰ বাবে সহজ হৈ পৰিল। পৰৱৰ্তী সময়ত কলেজখনত যোগদান কৰি মোৰ অনুমান যে এশ শতাংশই শুদ্ধ আছিল, মই যে এজন সাধাৰণ অধ্যক্ষৰ এখন সাধাৰণ কলেজত চাকৰি কৰা নাই সেয়া মৰ্মে মৰ্মে উপলব্ধি কৰিছিলোঁ।

বি. এইচ্. কলেজত যোগদানৰ মুহূৰ্তটো আজিও মোৰ মানস পটত সজীৱ হৈ আছে। ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহৰ এক তাৰিখে মই কলেজত যোগদান কৰোঁ। সময় তেতিয়া দিনৰ এঘাৰ বাজিছে। অধ্যক্ষৰ নিৰ্দেশমৰ্মে মোৰ যোগদান পত্ৰ (Joining Letter) ছাৰৰ মেজতে লিখি তেখেতৰ হাতত তুলি দিলো। সেইখন ছাৰে হাতত লৈ মোৰপিনে চাই ক'লে, 'তুমি এইখন দিলা মানে আজিৰ পৰা তুমি এই কলেজৰ প্ৰফেছাৰ হ'লা (ছাৰে কলেজৰ শিক্ষকসকলৰ ক্ষেত্ৰত 'প্ৰফেছাৰ' শব্দটো ব্যৱহাৰ কৰিছিল)। আজিৰ পৰা ভালদৰে পঢ়া-শুনা কৰিবা, ৰিজাল্ট ভাল হ'ব লাগিব কিন্তু।' এজন নবাগত শিক্ষকৰ বাবে এজন অধ্যক্ষৰ ইয়াতকৈ কিবা বেলেগ মূল্যবান উপদেশ থাকিব পাৰে জানো? শুনাত তেনেই সাধাৰণ যেন লগা শব্দকেইটাৰে এগৰাকী নতুন শিক্ষকক তেওঁ কৰ্তব্যনিষ্ঠা, দায়বদ্ধতা আৰু আনুগত্যৰ আদিপাঠ প্ৰদান কৰিলে। আজি মই বুকুত হাত থৈ সগৌৰৱে ক'ব পাৰে যে I am loyal only to the students and to the institution.

ছাৰক আৰু অলপ ওচৰ চপাৰ সুযোগ পালোঁ ১৯৯৪ চনত মোক যেতিয়া ছাত্ৰ একতা সভাৰ গুৰুখেল বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্ব অৰ্পণ কৰা হ'ল। কোনো ধৰণৰ হস্তক্ষেপবিহীনভাবে কাম কৰাৰ লগতে সকলো ক্ষেত্ৰতে অবাধ স্বাধীনতা। এই সময়ছোৱাত মই কলেজৰ ফুটবল দলটোক গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাবলৈ বেলেগ বেলেগ কলেজলৈও লৈ গৈছিলোঁ। যিহেতু ফুটবল দলৰ আটাইবোৰ সদস্য ল'ৰা আৰু মোৰ লগত ফুটবল দলৰ প্ৰশিক্ষক মনোজ পাঠক আছিল, সেইবাবে এইক্ষেত্ৰত মোৰ কোনো অসুবিধা পোৱাৰ প্ৰশ্নই নাছিল। তাৰ মাজতে ১৯৯৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিব লগা আমাৰ কলেজৰ দলটোক লৈ যোৱাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হ'ল। এইবাৰ মই অলপ অপ্ৰস্তুত হৈ পৰিলো। কাৰণ এই দলটো ফুটবল দলতকৈ বহু ডাঙৰ। তাতকৈ ডাঙৰ কথা দলটোত বহুকেইগৰাকী ছোৱালী সদস্যও আছিল (সেই সময়ত যুৱ মহোৎসৱৰ প্ৰতিযোগিতাসমূহ মাণ্ডলিক ভিত্তিত হোৱা নাছিল)। যিহেতু এফালে দলটোত কেবাগৰাকী ছোৱালী সদস্য থাকিব আৰু আনফালে প্ৰতিযোগিতাসমূহ শেষ হওতে ৰাতি যথেষ্ট হ'ব, সেয়ে মোৰ কেইগৰাকীমান সহকৰ্মীয়ে মোৰ লগত আন এগৰাকী শিক্ষকক লৈ যাবলৈ পৰামৰ্শ আগবঢ়ালে। তেওঁলোকৰ কথামতে মই ছাৰৰ ওচৰত মোৰ লগত আন এগৰাকী শিক্ষকক প্ৰেৰণ কৰিবলৈ আৰ্জি পেচ কৰিলো। ছাৰে সহজভাবে কৈছিল, 'যদি দুজন মানুহেই পঠিয়াব লাগে, তেন্তে মই তোক যাবলৈ নক'লোহেঁতেন, আন দুজনক দায়িত্ব দিলোহেঁতেন। তই অকলে পাৰিবি বুলিহে তোক কৈছিলো। তই পাৰিবি অকলে, মই জানো।' (ছাৰে ইতিমধ্যে মোক 'তই' বুলি সম্বোধন কৰা আৰম্ভ কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে কলেজৰ যিখিনি প্ৰাক্তন ছাত্ৰ আৰু ওচৰ-পাজৰৰ যিসকল শিক্ষক হৈছে



ছাৰে তেওঁলোককহে 'তই' বুলি সম্বোধন কৰিছিল। মাথোঁ মই আছিলো ইয়াৰ ব্যতিক্ৰম, যিটো কথাক লৈ মই আজিও গৌৰৱ অনুভৱ কৰোঁ।) ছাৰৰ কথাখিনি শুনাৰ পিছত মোৰ মনত আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ সঞ্চাৰ কৰিবলৈ ইয়াতকৈ বেছি কিবা কথাৰ দৰকাৰ আছে বুলি মই নাভাবো। মাৰ্কিন ঔপন্যাসিক Beth Revis-এ তেখেতৰ এখন উপন্যাস Across the Universe ত কৈছিল, "Power is not control at all - power is strength, and giving that strength to others. A leader isn't someone who forces others to make him stronger; a leader is someone willing to give his strength to others that they may have the strength to stand on their own."

১৯৯৭ চনত যেতিয়া মই ছাত্ৰাবাসৰ অধীক্ষক হিচাপে নিযুক্ত হৈছিলো, তেতিয়া ছাৰত একেবাৰে ঘৰুৱা পৰিৱেশত লগ পোৱাৰ সুযোগ লাভ কৰিছিলো। অধীক্ষকৰ বাসভৱনত থকাৰ পিছৰে পৰা সন্ধিয়া ছাৰৰ অধ্যক্ষৰ বাসভৱনলৈ যোৱাটো মোৰ নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছিল। মই যেতিয়া গৈ ছাৰৰ বাসভৱনত উপস্থিত হও, তেখেতে প্ৰায় সদায় সন্মুখৰ কোঠাটোত বহি বাতৰি কাকত বা আন কিতাপ পঢ়াত ব্যস্ত হৈ থাকে। মই গৈ পোৱাৰ পিছত তেখেতে মোক ওচৰত বহুৱাই লৈ বিভিন্ন বিষয়ৰ আলাপ-আলোচনা কৰে। বিভিন্ন বিষয় মানে এনে এটা বিষয় নাছিল যিটো আমাৰ আলোচনাত স্থান পোৱা নাছিল। অৱশ্যে আলোচনা বুলি ক'লে ভুল হ'ব কাৰণ আলোচনাত দুটা বা ততোধিক পক্ষ থাকে। আমাৰ আলোচনাত ছাৰ হ'ল বক্তা আৰু মই হ'লো নীৰৱ শ্ৰোতা। ছাৰৰ লগত কথোপকথন কৰিবলৈ মই জ্ঞান, বুদ্ধি বা অভিজ্ঞতা আদি কোনোফালৰ পৰাই সক্ষম নাছিলো আৰু আজিও তেখেতৰ শাৰীলৈ যাব পৰাকৈ কোনো ফালৰ পৰাই একো আহৰণ কৰিব পৰা নাই।

এনেদৰে কথা পাতি থাকোতে প্ৰতিদিনে ন/চাৰে ন বাজেই। আহিব ওলালে ছাৰে ভিতৰৰ পিনে চাই বাইদেউক উদ্দেশ্যি কয়, 'হেৰা শুনিছানে, সুভাষ যায় হেনো। সি নো এতিয়া গৈ কি অকলে ভাত ৰান্ধি খাবহে!' বাইদেৱে ওলাই আহি লাহেকৈ উত্তৰ দিয়ে, 'আপুনি নকওতেই মই সুভাষৰ কাৰণে ভাত ৰান্ধিছো।' মোৰ পিনে চাই বাইদেৱে কয়, 'সুভাষ বহা, ভাত খাই যাবা।' বাইদেউৰ নিচিনা ব্যক্তিত্বসম্পন্না, মৰমিয়াল আৰু সাদৰী মহিলা এগৰাকীয়ে কিবা এটা কোৱাৰ পিছত সেয়া অমান্য কৰাৰ সাধ্য কাৰ থাকিব পাৰে? তেখেতে ব্যক্তিত্বৰ আবেশেৰে আটোমটোকাৰীকৈ সজোৱা ঘৰখনত সদাসৰ্বদা এক বিৰল প্ৰশান্তিয়ে বিৰাজ কৰিছিল। এইগৰাকী মাতৃতুল্য নাৰীৰ মৰম আৰু আতিথ্য লাভ কৰি নিজকে ধন্য মানিছিলোঁ।

এদিন সন্ধিয়া আমাৰ আলাপৰ মাজত ইংৰাজী সাহিত্যই ঠাই পালে। ছাৰে হেনো ইংৰাজী সাহিত্য খুউব ভাল পাইছিল আৰু এই বিষয়টোতে Honours লৈ পঢ়িব খুজিছিল। কিন্তু ইংৰাজী সাহিত্যৰ কিতাপবোৰৰ মূল্য বেছি হোৱা বাবে তেওঁৰ মনৰ আশা মনতে মাৰ গ'ল। তথাপি তেখেতে কথাৰ মাজতে ইংৰাজী সাহিত্যৰ যি সাৰগৰ্ভ কথা ক'লে, যিবিলাক কিতাপ অধ্যয়ন কৰি তাৰ ভাললগা দিশবোৰ বৰ্ণনা কৰিলে, সেইবোৰ শুনি মই ইংৰাজী সাহিত্যৰ ছাত্ৰ হৈয়ো 'ফাট মেলা বসুমতী, পাতালে লুকাও'ৰ দৰে অৱস্থা হৈছিল। কাৰণ সেইবোৰ এজন ইংৰাজী সাহিত্যৰ অগাধ পণ্ডিতৰ বৰ্ণনাতকৈ কোনোগুণে কম নাছিল। এদিনাখনৰ কথা। ছাৰে হঠাতে মোক সুধিলে, 'তই (Vladimir) Nabokov ৰ *Lolita* খন পঢ়িছনে?' মই লাহেকৈ পঢ়া বুলি উত্তৰ দিয়াত ছাৰে উপন্যাসখনৰ সৰস বৰ্ণনা কৰি প্ৰথম পেৰেগ্ৰাফটো প্ৰায় সম্পূৰ্ণকৈ মুখস্থ মাতি দিলে। মই তবধ মানিলো! যদিও ছাৰে কোৱা কিছুসংখ্যক ইংৰাজী সাহিত্যৰ কিতাপ মই ইতিমধ্যে অধ্যয়ন কৰিছিলো তথাপি ছাৰৰ জ্ঞান সাগৰৰ সেয়া এটোপাল পানী যেনহে অনুভৱ হৈছিল। ইংৰাজী



সাহিত্যৰ বিষয়ে ছাৰৰ জ্ঞান আৰু তাৰ তুলনাত মোৰ দৈন্যৰ ফলত উদ্ভৱ হ'ব পৰা মোৰ বাবে এটা অস্বস্তিকৰ পৰিস্থিতিৰ পৰা মোক দুটা কথাই ৰক্ষা কৰিছিল। এটা হ'ল ছাৰে কোৱা আটাইবোৰ নহ'লেও কিছুসংখ্যক কিতাপ মইও পঢ়িছিলোঁ। আনটো হ'ল আনে বিব্ৰতবোধ কৰিব পৰা কোনো ধৰণৰ পৰিস্থিতি সাধাৰণতে সৃষ্টি নকৰা ছাৰৰ যিটো গুণ আছিল সেইটো। আৰু সেইদিনাৰ পৰা সদায় সন্ধিয়া ছাৰৰ ঘৰলৈ বুলি ওলোৱাৰ আগতে ভগৱানৰ ওচৰত এবাৰ প্ৰাৰ্থনা কৰোঁ যাতে সন্ধিয়াটোৰ আলোচনাৰ বিষয়বস্তু ইংৰাজী সাহিত্য নহয়।

এইখিনিতে মই ছাত্ৰাবাসৰ অধীক্ষক হৈ থকা কালছোৱাৰ এটি সৰু ঘটনা উল্লেখ কৰিব বিচাৰিছো। স্নাতক তৃতীয় বৰ্ষৰ দুজন আবাসী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত নবহিল। এই আবাসী দুজনৰ এজন আছিল নামৰূপৰ শ্ৰীমান ত্ৰিদিপ দাস। এওঁ সম্পৰ্কত ছাৰৰ ভতিজা ল'ৰা। আনজন ৰঙিয়াৰ শ্ৰীমান কণমণি ডেকা। এওঁ আকৌ মোৰ নিজৰ মামাৰ ল'ৰা। পিছৰটো শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ লগে লগে দুয়ো একেলগে মোক লগ ধৰিলে আৰু আবাসৰ আসনৰ বাবে আবেদন জনালে। এইক্ষেত্ৰত ছাত্ৰাবাসত প্ৰযোজ্য অলিখিত নিয়মটো হ'ল যদিওবা চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ নোহোৱা আবাসীয়ে আসন হেৰুৱায় তথাপি পৰীক্ষাৰ সময়ত তেওঁলোকক আসন আবণ্টন দিয়া হয়। সেয়েহে মই সিহঁতৰ আবেদন পোনচাটেই নাকচ কৰি পৰীক্ষাৰ সময়ত খবৰ লোৱাৰ পৰামৰ্শ দিলো। সিহঁত কিন্তু নাচোৰবান্দা, কেইদিনমানৰ অন্তৰে অন্তৰে সিহঁতে মোক লগ কৰিয়েই থাকিল।

এনেকৈয়ে নতুন শিক্ষাবৰ্ষটোৰ প্ৰথম দুটা মাহ পাৰ হ'ল। অক্টোবৰ মাহৰ এদিন ৰাতিপুৱা ত্ৰিদিপ আহি মোক এটা সৰু কাগজৰ টুকুৰা দিলে আৰু খুৰাকে (ছাৰে) দিয়া বুলি ক'লে। কাগজৰ টুকুৰাটো খুলি চাই দেখো সেয়া ছাৰে মোলৈ লিখা এখন অতি চমু চিঠি। ইংৰাজীত লিখা চিঠিখনৰ

মূলকথাটো হ'ল যদি ছাত্ৰাবাসত আসন খালী আছে আৰু যদি নিয়ম সাপেক্ষ হয় তেন্তে পত্ৰবাহকক এখন আসন অনুমোদন কৰিব পাৰি নেকি বিবেচনা কৰিব লাগে। এগৰাকী অধ্যক্ষই নিজৰ ভতিজাকৰ বাবে ছাত্ৰাবাসৰ এখন আসন বিচাৰি অধীক্ষককলৈ পত্ৰ প্ৰেৰণ কৰাত আচৰিত হ'ব লগা একো নাই। কিন্তু চিঠিখনৰ কথাখিনিৰ কেইটামান দিশে মোক বাৰুকৈয়ে আচৰিত কৰি তুলিছিল। ইয়াৰ একেবাৰে ওপৰত 'Personal' বুলি লিখি underline কৰি দিয়া আছিল। মোক সম্বোধন কৰা হৈছিল 'Subhash' বুলি। চিঠিখন আৰম্ভ হৈছিল 'Please' শব্দটোৰে আৰু মন কৰিবলগীয়া কথা যে চিঠিখনৰ শেষত ছাৰৰ চিৰপৰিচিত নান্দনিক চহীটো নাছিল, তাৰ পৰিৱৰ্তে তেওঁ Satya Das বুলি লিখি দিছিল। মোৰ ভাব হয় তেওঁ চিঠিখন ইচ্ছাকৃতভাবে সেই সৰু টুকুৰাটোত লিখিছিল যাতে কাগজটুকুৰাৰ আকাৰেও ইয়াক এখন আনুষ্ঠানিক পত্ৰ (official letter) ৰ ৰূপ নিদিয়ে। চিঠিখনে যে একেবাৰে ব্যক্তিগত চিঠি সেইটো প্ৰতিপন্ন কৰিবলৈ যেন ছাৰে যৎপৰোনাস্তি চেষ্টা কৰিছিল। এইয়ে স্বাৰ্থহীনতা আৰু তাৰ লগতে বিকেন্দ্ৰীকৃত ক্ষমতাৰ চূড়ান্ত নিদৰ্শন। এগৰাকী নিপুণ প্ৰশাসক হিচাপে ছাৰে যেন মাৰ্কিন বায়ুসেনাৰ দক্ষ বিষয়া তথা গুণগত ব্যৱস্থাপনা (quality management) বিষয়ৰ পণ্ডিত General Bill Creech ৰ সেই বিখ্যাত উক্তিটোকে কাৰ্যত পৰিণত কৰিছিল। তেখেতে কৈছিল— "Many people believe that decentralization means loss of control. That's simply not true. You can improve control if you look at control as the control of events and not people. Then, the more people you have controlling the events... the more control you have within the organization, by definition." ছাত্ৰাবাসৰ অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰা সেই ডেৰ বছৰীয়া চমু কাৰ্যকালৰ সন্ধিয়াকেইটাই হ'ল মোৰ জীৱনৰ



আটাইতকৈ মূল্যবান মুহূৰ্ত। এই সন্ধিয়াকেইটা মই ছাৰৰ একেবাৰে ওচৰত আৰু সম্পূৰ্ণ ঘৰুৱা পৰিৱেশত কটাইছিলোঁ আৰু তেখেতৰ জ্ঞানৰ সেই বিশাল সাগৰখনত অকণমান সাঁতোৰাৰ সুযোগ পাইছিলোঁ। কি বিষয়ৰ ওপৰত তেখেতৰ জ্ঞানগৰ্ভ কথা শুনাৰ সুযোগ পোৱা নাছিলোঁ মই? সমাজনীতিৰ পৰা ইংৰাজী সাহিত্যলৈ, প্ৰশাসনৰ পৰা মানুহৰ প্ৰকৃতিলৈ, খাদ্যৰ জুতিৰ পৰা ঘৰুৱা চিকিৎসালৈ সকলো বিষয়ৰ ওপৰতে তেখেতৰ পৰা যথেষ্টখিনি জনাৰ সুযোগ পাইছিলোঁ। মোৰ বাবে তাতোকৈ ডাঙৰ কথাটো হ'ল এই সন্ধিয়াকেইটাই মোক গৰ্ব কৰাৰ সুযোগকণ দিলে যে মই অধ্যক্ষ সত্যনাথ দাসদেৱৰ সৈতে বহুতো অন্তৰঙ্গ মুহূৰ্ত কটাইছো।

অৱসৰৰ দিন চমু চাপি অহাৰ লগে লগে ছাৰে প্ৰায়ে এটা কথা দোহাৰিছিল, 'I want to detach myself from the college'। কিন্তু যিগৰাকী ব্যক্তিয়ে এই কলেজখনক নিজৰ সন্তানৰ দৰে জন্ম দি তুলি-তালি ডাঙৰ-দীঘল কৰিছে, যাৰ পৰিপক্ক হাতৰ পৰশ ইয়াৰ প্ৰতিটো অংগতে বিদ্যমান, যাৰ উপস্থিতি কলেজ চৌহদৰ বাহিৰৰ পৰাই অনুভৱ কৰিব পাৰি, তেখেতে মুখেৰে ক'লেই নিজকে কলেজখনৰ পৰা detach কৰিব পাৰিব জানো? আমি, যিসকলে ছাৰৰ সান্নিধ্য লাভ কৰিছোঁ সেইসকলেও আজিও প্ৰতিটো কথাত, প্ৰতিটো মুহূৰ্তত ছাৰৰ অনুপস্থিতি অনুভৱ কৰোঁ। অভিভাৱকত্বৰ আচ্ছাদনখন, নিৰাপত্তাৰ আচ্ছাদনখন মূৰৰ ওপৰৰ পৰা আঁতৰি যোৱা যেন অনুভৱ কৰোঁ। প্ৰেৰণাৰ মূল উৎসটোৰে হেৰাই যোৱা যেন লাগে। তথাপি সদায় এটা কথাই আমাৰ মনত আনন্দ দিয়ে, আমি সত্য দাসৰ কলেজত কাম কৰোঁ। যেতিয়ালৈকে বি. এইচ্. কলেজৰ অস্তিত্ব থাকিব, তেতিয়ালৈকে এইখন 'সত্য দাসৰ কলেজ' হৈয়েই থাকিব।

*(লেখক বি. এইচ. কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক)*

# মোৰ দৃষ্টিত শ্ৰদ্ধাৰ শ্ৰীযুত সত্যনাথ দাস ছাৰ

ড° ভানু নাথ

এটা অঞ্চলৰ উন্নতিত উচ্চ শিক্ষাৰ অৰিহণা যথেষ্ট। সমাজৰ উন্নতিত উচ্চ শিক্ষাৰ ভুমিকা উপলব্ধি কৰি আজিৰ পৰা পঞ্চাশ বছৰ আগতে এজন উচ্চ শিক্ষিত ব্যক্তিয়ে কলেজৰ চাকৰি বাদ দি পিছপৰা হাউলী-বৰপেটাৰোড অঞ্চলৰ নতুন প্ৰজন্মক উচ্চ শিক্ষাৰ পোহৰ বিলোৱাৰ সপোন দেখিছিল। সেয়ে লক্ষ্যত উপনীত হ'বলৈ হাউলী-বৰপেটাৰোড অঞ্চলৰ ৰাইজক একত্ৰিত কৰি এটি উচ্চ শিক্ষাৰ অনুষ্ঠান পাতিবলৈ আগবাঢ়িছিল। কিছুদিন পিছত ৰাইজৰ বহুত ত্যাগ, নেৰানেপেৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিত আজিৰ বি. এইচ্. কলেজৰ জন্ম হৈছিল। ৰাইজে পিছত সেই নেতাজনকে অনুষ্ঠানটোৰ দায়িত্ব অৰ্পণ কৰিছিল। পাঠক সকল, ওপৰত উল্লেখ কৰা নেতাজন হ'ল বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত সত্যনাথ দাস ছাৰ। তেখেতৰ নেতৃত্বতে বি. এইচ্. কলেজে অসমৰ ভিতৰতে এটি উল্লেখযোগ্য উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে স্বীকৃতি পাইছিল। বি. এইচ্. কলেজৰ সোণালী জয়ন্তী বৰ্ষত দাস ছাৰৰ জীৱনৰ বিভিন্ন দিশ সামৰি এখনি কিতাপ প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা কথাটোৱে মোক আনন্দিত কৰিছিল। সাগৰ সদৃশ ব্যক্তিত্বৰ অধিকাৰী দাস ছাৰৰ ব্যক্তিত্বৰ বিভিন্ন দিশ বিশ্লেষণ কৰিবলৈ নিজকে উপযুক্ত বুলি নাভাবো। সেয়েহে মোৰ জীৱনত তেখেতৰ ব্যক্তিত্বৰ প্ৰভাৱৰ বিষয়ে সুযোগ পাই স্মৰণ কৰাৰ লগতে তেখেতক কৃতজ্ঞতা জ্ঞাপন



কৰিলোঁ। ১৯৭৭ ইং চনত হাউলী ছোৱালী হাইস্কুলৰ পৰা প্ৰথম বিভাগত উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ আন দহজনী ছোৱালীৰ দৰেই বি. এইচ্. কলেজত নামভৰ্ত্তি কৰিছিলোঁ। সেই সময়ত দাস ছাৰ হাউলী বৰপেটাৰোড অঞ্চলৰ এটা পৰিচিত নাম হোৱাৰ লগতে সমগ্ৰ অসমত এজন সুদক্ষ অধ্যক্ষ হিচাপে প্ৰতিষ্ঠিত হৈছিল। ছাত্ৰী হিচাপে মহাবিদ্যালয়ত বিভিন্ন সময়ত হোৱা অনুষ্ঠানবোৰত ছাৰক দেখিছিলোঁ। গহীন খোজ-কাটল, মাৰ্জ্জিত কথা-বতৰা, সাজ-পোছাক, সামাজিক প্ৰতিষ্ঠা আদিৰ বাবে ছাৰৰ প্ৰতি ভয় আৰু শ্ৰদ্ধা দুয়োটাই আছিল। কিছুদিন যোৱাৰ পিছত মহাবিদ্যালয়ৰ পৰিৱেশ মোৰ বাবে কিছু চিনাকি হৈ পৰিছিল। তাৰ কাৰণ আছিল বিভিন্ন সহপাঠ্যক্ৰমিক কাৰ্যসূচী, নাচ-গান, নাটক, সমাজসেৱা, খেলা-ধূলা আদি কাৰ্যসূচীত অংশগ্ৰহণ কৰা কাৰণতে শিক্ষাগুৰু সকলৰ লগত গঢ়ি উঠিছিল আন্তৰিকতা আৰু অধ্যক্ষ ছাৰৰ ওচৰলৈ বিভিন্ন কামত যাবলগীয়া হৈছিল। গতিকে ছাত্ৰী অৱস্থাতে তেখেত যে সুদক্ষ প্ৰশাসক সেই বিষয়ে জনাৰ উপৰিও তেখেতৰ যে এটা শিল্পীসুলভ মন আছে তাৰ উমান পাইছিলোঁ-- মই তেতিয়া প্ৰাক্ বিশ্ববিদ্যালয় (Pre University) শ্ৰেণীৰ ছাত্ৰী। অধ্যক্ষ ছাৰৰ কোঠাৰ পশ্চিমফালে থকা ডাঙৰ কোঠাটো তেতিয়া শিক্ষক সকলৰ জিৰণি কোঠা আছিল। তাতেই কেতিয়াবা গীতৰ ৰিহাৰ্ছেল হৈছিল। সেইদিনা মই ৰিহাৰ্ছেল কৰা দেহবিচাৰৰ গীতটো আছিল,

দেহাৰ ভৰসা নাই ৰে
কোন দিনা পাগল হৰি
কোন দিনা যায় চলি...।

মোৰ লগত দোতাৰা সংগত কৰিছিল ছাৰৰ ভাইটি আৰু ছাত্ৰ প্ৰাণজিৎ দাসে। গীতটো এবাৰ গাই শুধৰণিৰ বাবে ৰোৱা সময়ত মানুহ এজনে আহি ক'লে-- 'গীতটো অধ্যক্ষ ছাৰে আকৌ এবাৰ গাব কৈছে।' সেয়ে, গীতটো আকৌ গাইছিলোঁ আৰু এনেদৰে সভাত গাবলৈ নিজক

প্ৰস্তুত কৰিছিলোঁ।

আগতে উল্লেখ কৰা হৈছে যে অধ্যক্ষ ছাৰ আছিল এজন সুদক্ষ প্ৰশাসক। প্ৰশাসক হিচাপে মহাবিদ্যালয়ৰ প্ৰতিটো দিশৰ প্ৰতি সচেতন আছিল। বিশেষকৈ শ্ৰেণীসমূহ নিয়মিতভাৱে চলি থাকিবৰ বাবে ততাতৈয়াকৈ কিছুমান পদক্ষেপ গ্ৰহণ কৰিছিল। মহাবিদ্যালয়ত যোগদান কৰিবলৈ আহি তাৰ যেন প্ৰমাণ পাইছিলোঁ। সেই সময়ত (১৯৮৮ ইং চন) বি. এইচ্. কলেজৰ শিক্ষা বিভাগত এটা শিক্ষকৰ পদ খালী হৈছিল। মই সেই সময়ত জালাহত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ চাকৰি বাদ দি জালাহৰে বি. বি. কিষাণ কলেজত শিক্ষক হিচাপে নিযুক্তিৰ অনুমোদন পোৱা ২৩ দিন পাৰ হৈছিল। প্ৰায় একে সময়তে বি. এইচ্. কলেজতো নিযুক্তিৰ প্ৰক্ৰিয়াসমূহ চলিছিল আৰু তাত মই নিৰ্বাচিত হৈছিলোঁ। বি. বি. কিষাণ কলেজৰ অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰী গঙ্গাপদ দেৱচৌধুৰী ছাৰৰ অনুমতি আৰু পৰামৰ্শ অনুসৰি চলি থকা পৰীক্ষাৰ শেষত বি. এইচ্. কলেজত যোগদান কৰা বিষয়তো আলোচনা কৰিবলৈ জালাহৰ পৰা দাস ছাৰৰ ওচৰলৈ আহিছিলোঁ। অধ্যক্ষ ছাৰৰ কোঠাত বিষয়টো ভয় ভয়কৈ উত্থাপন কৰিছিলোঁ। মোৰ কথাখিনি শেষ হ'বলৈ নাপাওঁতেই ছাৰে মোক সোধা প্ৰশ্নটো আছিল— 'আমাৰ কলেজত চাকৰি কৰিবলৈ তোমাৰ ইচ্ছা আছেনে নাই? ঠট্‌মট্ খাই অলপো সময় নষ্ট নকৰাকৈ উত্তৰটো দিছিলোঁ— 'আছে ছাৰ।' উত্তৰত তেখেতে কৈছিল— 'যদি আছে, যোগদান পত্ৰ লিখি দিয়া।' গতিকে, বিষয়টো পুনৰ উত্থাপন নকৰি মোৰ লগত যোৱা ককাইদেউ শ্ৰী শৈলেন নাথ আৰু অধ্যাপক প্ৰয়াত অৰুণ পাঠক ছাৰৰ লগত আলোচনা কৰি যোগদান পত্ৰ ছাৰৰ হাতত তুলি দিলোঁ। সেই দিনটো আছিল ১৯৮৮ চনৰ নৱেম্বৰ মাহৰ ২২ তাৰিখ। সেই দিনটোৰ পৰাই বি. এইচ্. কলেজৰ পৰিয়ালৰ সদস্য হৈ পৰিলো। যোগদান পত্ৰ লোৱা সময়তে ছাৰে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰতি দায়বদ্ধ হ'বলৈ পৰামৰ্শ দিছিল। এনেকৈ



পিছদিনাখনৰ পৰাই জালাহৰ পৰা কিছুদিন অহা-যোৱা কৰি কৰ্ত্তব্য পালন কৰিছিলোঁ। সেয়ে দাস ছাৰক কৃতজ্ঞতা জনাও আজিও এটি চাকৰিৰ লগতে এনে এটা পৰিৱেশ দিয়া বাবে য'ত সহকৰ্মী হিচাপেও সকলো শিক্ষকৰ পৰা আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ পাইছিলোঁ আৰু সকলো দিশৰ পৰাই নিৰাপদ অনুভৱ কৰিছিলোঁ। চাকৰি কালতো তেখেতৰ সময়ানুৱৰ্ত্তিতা, নিয়মানুৱৰ্ত্তিতাই আমাক অনুপ্ৰেৰণা দিছিল। ৰাতিপুৱা ৯ বজাতেই ছাৰক নিজৰ কোঠাত ব্যস্ত দেখি কৰ্ত্তব্যত হেমাহি কৰা কথা ভাবিবই পৰা নাছিলো। সহকৰ্মী হিচাপেও শ্ৰদ্ধেয় ছাৰৰ পৰা পাইছিলো অভিভাৱক সুলভ আচৰণ। ১৯৯৬-৯৭ চনৰ কথা। মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক হিচাপে কোনোবা ছাৰে মোৰ নামটো উত্থাপন কৰাত মই তৎক্ষণাত গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাছিলো। কাৰণ মহাবিদ্যালয়ৰ সাংস্কৃতিক কাৰ্যসূচীবোৰ বিশেষকৈ কলেজ সপ্তাহৰ কাৰ্যসূচীবোৰ ৰাতি ১-২ বজালৈ অনুষ্ঠিত হোৱাৰ লগতে প্ৰতিযোগিতাৰ কাৰ্যসূচী আৰু প্ৰতিযোগীৰ সংখ্যাই কিছু অসুবিধাৰ সৃষ্টি কৰিছিল। তথাপিও দায়িত্ব ল'বলৈ আগবাঢ়িছিলো। অধ্যক্ষ ছাৰে সাংস্কৃতিক বিভাগৰ সম্পাদক সঞ্জীৱ দাসৰ লগতে আন ছাত্ৰ-ছাত্ৰীৰ লগত চলিবলৈ কিছু পৰামৰ্শ দিয়াৰ লগতে শিক্ষকৰ সহায় ল'বলৈও পৰামৰ্শ দিছিল। সকলোৰে সহযোগত বিশেষকৈ প্ৰয়াত কৃষ্ণ কিংকৰ মহন্ত ছাৰ, শ্ৰী ৰাধাচৰণ ৰাভা ছাৰৰ লগতে আন শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত সাংস্কৃতিক কাৰ্যসূচী ৰাতি ২ বজালৈ উপভোগ কৰিছিলোঁ।

বি. এইচ্. কলেজৰ সোণালী জয়ন্তী উদ্‌যাপনৰ মুহূৰ্তত দাস ছাৰক আকৌ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলো।

*(লেখিকা বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰী তথা শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা)*

# প্রতিষ্ঠাপক অধ্যক্ষ শ্রীযুক্ত সত্যনাথ দাস ঃ শ্রুতি ও স্মৃতির আলোকে

**ড° দেবব্রত দত্ত**

জনমানসে বিশেষভাবে স্থায়িত্বলাভ করা ঘটনারাজি গল্পচ্ছলে লোকের মুখে মুখে উচ্চারিত হয়ে থাকে বিভিন্ন সময়ে। সে সকল ঘটনা বিজ্ঞজনের শ্রোত্রেন্দ্রিয়ে প্রবিষ্ট হয়ে অন্তরের অন্তঃস্থলে স্থায়ী আসন লাভ করে। অন্তরে রেখাপাত করা এই ঘটনাসমূহের মধ্যে বিশিষ্ট ঘটনাগুলো চিরস্থায়িত্ব লাভের উপযুক্ত হলে তাকে শ্রুতি পদবাচ্য বলা যায়। পক্ষান্তরে ব্যক্তির জীবনে সংঘটিত অজস্র ঘটনাধারার মধ্যবর্তী বিশিষ্ট ঘটনা যা চিত্ত-সাম্রাজ্যে চিরস্থায়ী আসন লাভে সমর্থ, সেগুলো হচ্ছে স্মৃতি। এক কথায় অন্যের মুখে শোনা গল্পের বিশ্বাসযোগ্য তথা সার্বজনীন আবেদন সর্বস্ব অংশসমূহ শ্রুতি আর নিজের প্রত্যক্ষ অভিজ্ঞতালব্ধ অতীত ঘটনার সারাৎসার হলো স্মৃতি। এ স্থলে 'জীবনস্মৃতি' গ্রন্থে স্থানপ্রাপ্ত রবীন্দ্রনাথের বক্তব্য প্রণিধানযোগ্য ঃ

'স্মৃতির পটে জীবনের ছবি কে আঁকিয়া যায় জানিনা,
কিন্তু যে আঁকুক সে ছবিই আঁকে।'

কাজেই জাগতিক নিয়ম মেনে কোনো এক লীলাময় অদৃশ্য শক্তি প্রতিজন সহৃদয় ব্যক্তির মানসপটে মুদ্রিত করে স্মৃতির অ্যালবাম।

প্রকাশের অক্ষমতা ও সীমাবদ্ধতার লক্ষ্মণরেখা অতিক্রম করে



নিতান্ত অখ্যাত, অজ্ঞাত অভাজন আজ পণ করেছে দুঃসাহসিক অভিযানে পাড়ি জমাবার। এই অভিযান হচ্ছে প্রবাদ প্রতীম ব্যক্তিত্ব বি. এইচ্. কলেজের প্রতিষ্ঠাপক অধ্যক্ষ শ্রীযুক্ত সত্যনাথ দাস মহাশয়ের সম্পর্কে কিছু লেখার প্রয়াস করা। এ অভিযানতো দুঃসাহসিক বটেই! তবু আনুগত্য ও শ্রদ্ধা পাথেয় করে এই অভাজন লেখনী হাতে তুলে নিয়েছে লক্ষ্যে পৌঁছবার অদম্য প্রত্যাশায়।

শ্রীযুক্ত সত্যনাথ দাস স্যারের কথা পত্র-পত্রিকা কিংবা বিভিন্নজনের মুখে শোনা থাকলেও তাঁর সঙ্গে সরাসরি প্রথম সাক্ষাৎ ঘটে ১৯৯৩ খ্রিষ্টাব্দের মে মাসে, ড° তরিৎ চৌধুরী মহাশয়ের অব্যাহতি দেওয়া বাংলা বিভাগের রিক্ত পদের প্রার্থী হিসেবে ইন্টারভিউ দিতে এসে। উক্ত দিবসের প্রাক্পর্বে বরপেটারোড বা হাউলী অঞ্চলের সঙ্গে ভৌগলিক পরিচয় ছিল বটে, তবে সেদিনই প্রথমবারের মতো হাউলী ও বরপেটারোডের মাঝামাঝি ভূ-খণ্ডের ওপর দণ্ডায়মান অতি সুরম্য বিদ্যানিকেতন বরপেটারোড-হাউলী মহাবিদ্যালয় দর্শনের সৌভাগ্য ঘটেছিল। তৎসঙ্গে এই মহাবিদ্যালয়ের ইট-কাঠ-পাথরের সঙ্গে যাঁর আঁতের সম্পর্ক; যাঁর অক্লান্ত শ্রম, ত্যাগ, তিতীক্ষা আর তপস্যার ফসল স্বরূপ এই বিদ্যানিকেতনটি সাফল্যের চরম শিখরে উন্নীত— সেই মহানুভব ব্যক্তিত্ব প্রতিষ্ঠাপক অধ্যক্ষকে দেখার ও মুখোমুখি বসে তাঁর সঙ্গে কথা বলার প্রথম সুযোগ ঘটে। সেদিন সর্বসাকুল্যে তিনজন প্রার্থী ইন্টারভিউ দিতে এসেছিলাম। বাকী দুজন ছিলেন যথাক্রমে গৌহাটীর শ্রাবণী ভদ্র এবং তিনসুকীয়ার শিবানী দে। অধ্যক্ষের কক্ষে প্রথমেই আমার ডাক পড়ে। সার্টিফিকেটের ফাইল হাতে দুরুদরু বক্ষে অধ্যক্ষের কোঠায় প্রবেশ করে সসম্ভ্রমে দাঁড়ানো মাত্র স্যারের হাতের ইশারাকে সম্মান জানিয়ে বসে পড়ি সামনের চেয়ারে। সেদিন প্রথম দর্শনে এই প্রৌঢ় ব্যক্তিটির বলিষ্ঠ দেহ, রাশভারী ব্যক্তিত্ব আর চশমার

পুরুকাঁচের অন্তরালে উজ্জ্বল চক্ষু যুগলের তীক্ষ্ণ দীপ্তি আমায় মুগ্ধ করে।

সত্যনাথ দাস স্যারের সঙ্গে আমার দ্বিতীয় সাক্ষাৎ ১৯৯৩ সালের আগষ্ট মাসের তিন তারিখ। সেদিন স্যারের প্রেরিত নিয়োগপত্র নিয়ে কলেজে এসেছিলাম। তাঁর সঙ্গে দেখা করে জানতে পারলাম সেটা আসলে কলেজ পরিচালনা সমিতি অনুমোদিত এবং উচ্চ শিক্ষা সঞ্চালকের কাছে প্রেরিত নিয়োগ সম্পর্কিত ইঙ্গিতবাহী পত্র। উচ্চ শিক্ষা সঞ্চালকের অনুমোদন নিয়ে প্রবক্তা হিসেবে কলেজে নিযুক্তি সম্পর্কে তিনি সবকিছু আমায় বুঝিয়ে দিয়েছিলেন। অসমের আপিস-আদালতের কাজ চলে শম্বুক গতিতে। কাজেই নির্ধারিত অনুমোদন হাতে পেতে ছমাস গড়িয়ে গেল। অবশেষে ১৯৯৪ খ্রিষ্টাব্দের ফেব্রুয়ারী মাসের ১২ তারিখ বাংলা বিভাগের প্রবক্তা হিসেবে আমি কার্যভার গ্রহণ করি। উক্ত দিবসে স্যার কলেজের কাজে বাইরে থাকায় অধ্যক্ষের দায়িত্বে থাকা শ্রীযুক্ত অরুণ কুমার দাস মহাশয়ের উপস্থিতিতে আমি আমার জয়েনিং রিপোর্ট দাখিল করি। বাংলা বিভাগের তখনকার বিভাগীয় প্রধান ড° অমল চন্দ্র ভৌমিকের পরামর্শ মতো পরের দিন ক্লাসের পাঠদান শেষ করে অধ্যক্ষের কোঠায় গিয়ে স্যারের সঙ্গে সাক্ষাৎ করলে তিনি আমার থাকার ব্যবস্থা, বাড়ীর খবরাখবর ইত্যাদি জিজ্ঞেস করার পর সেদিন থেকে ভালোভাবে পড়াশুনা করার কথা বলেন। তাঁর এই উপদেশ শিরোধার্য করে আমি আমার কর্মজীবনের ২৩ টি বছর অতিক্রম করতে সমর্থ হয়েছি। আমি কৈশোরে পিতৃহারা। মা ছিলেন একমাত্র অভিভাবিকা। কিন্তু চাকুরী জীবনের সূচনালগ্নে আমি দ্বিতীয় অভিভাবক হিসেবে পেয়েছি সত্যনাথ দাস স্যারকে।

সত্যনাথ দাস স্যার আসলে একজন দৃঢ়চেতা ব্যক্তিত্বের অধিকারী কর্মদক্ষ প্রশাসক। প্রশাসন পরিচালনার ক্ষেত্রে তাঁর দোসর সমকালে অন্যান্য কলেজে এবং পরবর্তীকালে বি. এইচ্. কলেজে ও পার্শ্ববর্তী শিক্ষানুষ্ঠানে



আমার চোখে পড়েনি। অনমনীয় দৃঢ়তা, ক্রান্তদর্শী গুণাবলী ও নির্ভীক আচরণ তাঁর ব্যক্তিত্বকে কঠোর করে তুলেছিল। তাই তিনি সকলের ভীতি মিশ্রিত সমীহের পাত্র হয়ে উঠেছিলেন। দাস স্যার অধ্যক্ষ থাকাকালীন সময়সীমায় আমি একদিন স্নাতক প্রথম বর্ষের শ্রেণীকোঠায় পাঠদান কালে পিয়ন এসে জানায় যে স্যার আমায় ডেকে পাঠিয়েছেন। পাঠদান শেষ করে উদ্বিগ্নভাবে স্যারের কক্ষে প্রবেশ করা মাত্র তিনি খুব শান্ত স্বরে আমায় বসিয়ে আমাকে স্বাভাবিক করার জন্য দু-চারটি কথা বলার পর বলেন যে আমার কাকার মৃত্যুসংবাদ এসেছে কলেজের টেলিফোনে। তিনি তৎক্ষণাৎ আমার ছুটির ব্যবস্থা করে দেন এবং গৌহাটী যাবার অনুমতি প্রদান করেন। আপাত কঠোর ব্যক্তিত্বের অন্তরালে প্রচ্ছন্ন সত্যনাথ দাস স্যারের সহমর্মী চেহারা সেই ঘটনাসূত্রে আমি প্রত্যক্ষ করি।

বৈচিত্র্যের মধ্যে ঐক্যের সাধনা ভারতবর্ষের চিরন্তন সাধনা। অসমের বরপেটা জেলার প্রান্তিক অঞ্চলের বি. এইচ্. কলেজ সেই সাধনার পীঠস্থান আর সেই পীঠস্থানের যোগ্য সাধক-কাণ্ডারী হলেন সত্যনাথ দাস স্যার। বিভিন্ন ধর্ম ও সম্প্রদায়ের মিলনভূমি এই মহাবিদ্যালয়টির শান্তি-সম্প্রীতি অটুট রাখার দিকে স্যারের নজর ছিল তীক্ষ্ণ। তাই কালের বাঁকে বাঁকে টুকি টুকি ঘটনাসূত্রে যখনই অপশক্তি মাথা চাড়া দিতে চেয়েছে, স্যারের বলিষ্ঠ প্রত্যাহ্বান ও ষষ্ঠেন্দ্রিয়ের প্রখরতা গুণে সেই অপশক্তি পদানত হতে বাধ্য হয়েছে।

অপরিসীম দক্ষতার সঙ্গে অধ্যক্ষ হিসেবে সুদীর্ঘ ৩৩ বছর অতিবাহিত করার বিরল দৃষ্টান্ত স্থাপন করেছেন সত্যনাথ দাস স্যার। তাঁর যোগ্য নেতৃত্বে বি. এইচ্. কলেজের শিরস্ত্রাণে যুক্ত হয়েছে সাফল্যের অজস্র মণিমুক্তা। অবসর গ্রহণের বছরখানিক আগে তিনি প্রায়ই 'detouchment' শব্দটি উচ্চারণ করতেন। কলেজের অস্থি-মজ্জার সঙ্গে এতই ওতঃপ্রোত ভাবে জড়িয়ে গিয়েছিলেন যে অবসর গ্রহণের পর যাতে কষ্ট পেতে না হয়

তার অনুশীলন মানসে তিনি বিবিক্ত হতে চেয়েছিলেন কলেজ সংক্রান্ত বিভিন্ন বিষয় থেকে। কিন্তু প্রশ্ন জাগে, স্যার কি সত্যিই পেরেছিলেন আত্মার বন্ধন ছিন্ন করতে? স্যারের সঙ্গ লাভ করা আমার মতো বি. এইচ্. কলেজ পরিবারের প্রতিজন সভ্যই আজও স্যারের অদৃশ্য উপস্থিতি অনুভব করতে বাধ্য প্রতিদিন, প্রতিমুহূর্তে। এখনো নগেনদার কেন্টিনে চা-এর আসর মাঝে মাঝে সরগরম হয়ে ওঠে তাঁর অধ্যক্ষ জীবনের স্মৃতি রোমন্থনে। ফলশ্রুতি স্বরূপ জাগতিক নিয়ম মেনে অবসর গ্রহণ করলেও, কলেজের অদূরবর্তী বাসস্থানে আস্থান করলেও সময়ে সময়ে তাঁর উপদেশ চেয়ে আমরা কি বঞ্চিত হই? না, কখনো না। আমাদের আহ্বানে তিনি বারে বারেই ছুটে আসেন তাঁর নিজের হাতে গড়া প্রাণের অনুষ্ঠান বি. এইচ্. চত্বরে। এ যেন বন্ধন-মুক্তিকামী ব্যক্তির নব নাগপাশ।

দেখতে দেখতে স্যারের সাধনার দেউলটি অর্ধশতক অতিক্রম করে পৌঢ়দশা প্রাপ্ত হয়েছে। সময়ের অমোঘ চলিষ্ণুতায় তাঁর জীবনসূর্যও পঁয়তাল্লিশ ডিগ্রী কোণে ঢলে পড়েছে পশ্চিম দিগন্তে। তবুও তাঁকে দেখলে মনে হয় রবীন্দ্রনাথের 'রাজা' নাটকের ঠাকুরদা চরিত্রের মতো তিনি যেন সর্বজনে অকাতরে প্রেমফল বিতরণের প্রতীক্ষায় প্রহর গুনছেন। এইতো সেদিন অর্থাৎ ১০ নভেম্বর অপরাহ্নে কলেজের অভ্যাগত প্রতীক্ষাশালায় (Visitors' Lounge) তাঁর ওষ্ঠাধরে মৃদু হাসির ঝলক প্রত্যক্ষ করেছি। শ্রবণশক্তি কিছুটা খর্ব হলেও সৌম্যকান্তি এই মানুষটির স্মৃতিশক্তি এখনো প্রখর। কলেজের সুবর্ণ জয়ন্তীর শুভ লগ্নে তাঁর উদ্দেশে অর্পণ করছি আমার হিয়ার মাঝারে গোপনে সঞ্চিত শ্রদ্ধা মেশানো একমুঠো নির্মাল্য যা প্রকৃতার্থে শ্রুতি ও স্মৃতির সরণির দুধারের অজস্র অনুসঙ্গ থেকে অতি সন্তর্পনে চয়ন করা ফুল, দুর্বা, তুলসী, বেলপাতারূপ কথামালিকার সমাহার।

*(লেখক বি. এইচ্. কলেজৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপক)*



# S. N. Das : My Impression

**Dr. Dipmani Das**

S. N. Das Sir and B. H. College are two sides of the same coin. His activities can't be assessed in isolation - I mean-without associating him with B. H. College. Because, this person alongwith the like minded young brigades has put up an all out effort to mobilise the support from the greater Barpeta Road and Howly locality for the establishment of B. H. College way back in 1966 and he accepted rather the challenging assignment as the founder Principal in B. H. College after resigning his lecturership against a sanctioned post at Bajali College, Pathsala. Since then he served the institution in that capacity and superannuated on February 28, 1999. I got an opportunity to serve under him for a short period. I feel myself lucky enough to serve in my Alma Mater and that too under S. N. Das Sir.

It is really a difficult job for me to write about this towering personality. To me, S. N. Das Sir is not simply a name but an institution himself. It's my humble realisation.

S. N. Das Sir is a down-to-earth teacher. He has commendable knowledge on his subject - Economics. He wrote one book of Economics titled 'প্ৰাথমিক অৰ্থ বিজ্ঞান'. I found his technique of teaching very simple. He used to engage some proxy classes and I got this opportunity of attending his classes while pursuing +2 stage in B. H. College. I offered Economics as one of the core subjects. He has the capacity to put even a complex theory or a concept into students' brain at one go through his simple but resourceful deliberation of lessons.

S. N. Das is a man with tremendous vision. He envisaged B. H. College as one of the premier institutions expanding quality education in the North-East in particular and in India in general. Committed to his goal, he ventured to start P.G. Courses in Commerce in 1990 and as we know B. H. College is the first college to conduct P. G. Courses under Gauhati University. B. H. College is a confluence of students representing different caste and communities. This cosmopolitan aspect of Principal Sir was reflected in the recruitment system undertaken by him. He recruited faculty members from every nook and cranny of Assam. Appointments, by and large, were made on merit basis. He maintained a student-friendly academic atmosphere in our college. At the same time he inspired the students to carry on co-curricular activities. He took special interest in the activities like N.C.C. and N.S.S. in the college.



Under his able and dynamic leadership Silver Jubilee was celebrated with pomp and gaiety and I deem it an occasion of pride to have been a part of this celebration as I was a student of H. S. 2nd year (Arts) in that Silver Jubilee year.

He is an avid reader of books. We often saw some books were lying on his office table. He read these books to utilise his leisure time in a fruitful manner. I read this habit of keeping association with famous books relating to higher education, literature, culture, religion etc. as a signal to those who visit him - be the faculty members or the visitors - that one should keep oneself academically engaged wherever one can steal time from otherwise busy schedules. What a message silently transacted! Hat's off to S. N. Das Sir. In this connection I would like to refer to one of my experiences with him as a faculty member. I joined B. H. College in 1997. One day I still remember, I wanted to get some certificates attested by him and asked for his permission to enter his office. He was engrossed in reading a book and my voice faltered. For a moment I thought it better not to distract his attention. So, I left thinking that I would get it done somewhere else. I was a bit afraid of him too. This sense of fear sprang from respect.

I would like to refer to another experience while talking about my association with him. He used to visit Govinda Bhavan Gita Satra situated in Manikpur and on one or two occasions

while returning from Manikpur, he visited our home (at Patiladaha). Whether he took tea at our home or not, I don't remember but I still remember he brought a few pieces of 'Supari'. I saw him taking one or two pieces of 'Supari' along with beetlenut. What a hybrid combination - we wondered.

S. N. Das is an administrator par excellence. It is not an over simplification that B. H. College is known as 'সত্যনাথ দাসৰ কলেজ'. Perhaps the greater academic fraternity has accorded this rare feat of honour in recognition to his dedicated service. Discipline is the backbone of our college. This is reflected in academic life and examination system of our college. Credit is attributable to the brave captain S. N. Das Sir. He earns an unparalleled reputation among the academic circles. He was very punctual in attending his office and demanded punctuality also from the teachers and the non-teaching staff.

"Simple is beautiful" - I believe. S. N. Das Sir writes simple but impressive English. Use of appropriate words at appropriate places is his forte. Style is the man. His writing style reflects his strong personality. His writing style betrays that he is focused to his target and articulates direct and to the point. The following few lines extracted from his article "How to be A Good Teacher" published in ACTA Journal, 1993-94, bears testimony to this.



"Teaching is a noble profession. An ideal teacher is respected everywhere and elsewhere. He has a place of honour in the society. In this materialistic society of today also, a good ideal teacher commends love and respect from the society and his pupils as well. However, rough and tough a pupil might be, he doesn't have that mental and moral guts to ill-behave a sincere and dedicated teacher. He is mentally very strong and morally indefatigable. Man with low morale, man sans service motive should not come to this profession."

A student can't repay for what he or she gets from a teacher. At this point of time I pray to Almighty for his healthy and long life. He is always an inspiring figure for me. Before winding up, once again I salute this person for 'service motive' to the institution as well as to the society.

*(The writer was an Ex-Student and at present an Associate Professor in English, B. H. College)*

# সত্যনাথ দাস ঃ কিছু অনুভৱ

**ওমৰ আলী**

শ্ৰীযুত সত্যনাথ দাসদেৱে জনসেৱাৰ মানসিকতাত স্থিতি পোৱা এক উচ্চাকাঙ্খিত সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে এখন মহাবিদ্যালয় স্থাপন কৰাৰ বাবে সুদূৰপ্ৰসাৰী এক প্ৰচেষ্টা চলাই হাউলী আৰু বৰপেটাৰোড অঞ্চলত এক শৈক্ষিক বিপ্লৱ গঢ়ি তোলে ১৯৬৪ ইং চনত এই অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ সহমত, আগ্ৰহ আৰু পূৰ্ণ সহযোগিতাত আৰু বিনিদ্ৰ প্ৰহৰীৰ দৰে শক্তিশালী প্ৰচেষ্টাৰ ফলত প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি জাকত জিলিকাকৈ স্থাপন কৰিলে এইখন 'বৰপেটাৰোড-হাউলী মহাবিদ্যালয়'। ১৯৬৬ ইং চনতে কলেজ ভৱন নিৰ্মাণৰ অপেক্ষা নকৰি বৰপেটাৰোডত অৱস্থিত গোপীনাথ বৰদলৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ এটা কোঠালী আৰু আঠীয়াবাৰী (বৰপেটাৰোডৰ পুৰণি নাম) ৰজতৰাম প্ৰাথমিক বিদ্যালয়ৰ তিনিটা কোঠালীত অস্থায়ীভাৱে প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ শিক্ষাদান আৰম্ভ হয়। ১৯৬৭ ইং চনৰ পৰা নিৰ্দিষ্ট স্থানত নিৰ্মিত ভৱনত স্থায়ীভাৱে পাঠদান কাৰ্য পৰিচালিত হয়।

বি. এইচ্. কলেজখনে উত্তৰণৰ সোপান বগাই কলা, বাণিজ্য আৰু বিজ্ঞান শাখা সমন্বিতে পঞ্চাছ বছৰৰ শিৰোমণি মুকুট পিন্ধি ২০১৬ ইং বৰ্ষত ভৰি দি বিজয় উল্লাসেৰে 'সোণালী জয়ন্তী' উৎসৱৰ আনন্দ



উপভোগ কৰিবলৈ লৈছেহি। দেশ মাতৃৰ সেৱা কৰি জ্ঞানোজ্বল পোহৰ বিলাই দেশৰ উন্নতি সাধন কৰাৰ লগতে এই অঞ্চললৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে দাসদেৱে।

জনসেৱাৰ মানসিকতা সত্যনাথ দাসদেৱৰ ব্যক্তিত্বত বিশেষভাৱে পৰিলক্ষিত হয় আৰু এই মানসিকতাৰ বাবেই তেওঁ বৰপেটাৰোড আৰু হাউলীৰ বিশিষ্ট ব্যক্তিসকলৰ সহমত, আগ্ৰহ আৰু পূৰ্ণ সহযোগিতাত বি. এইচ্. কলেজ স্থাপন কৰি এক শৈক্ষিক বিপ্লৱ গঢ়ি তোলে। অতন্দ্ৰ প্ৰহৰীৰ দৰে মহাবিদ্যালয়খনৰ অধ্যক্ষৰ ভুমিকা পালন কৰি আদৰ্শ প্ৰশাসক হিচাপে নিজৰ সবল স্থিতি ঘোষণা কৰে।

বি. এইচ্. কলেজ উন্নতিৰ চৰম শিখৰত উপনীত হওক— এয়াই আছিল দাসদেৱৰ সপোন। সেই সপোন বাস্তৱায়িত হোৱাত দাসদেৱৰ লগতে আমিও সুখী হৈছোঁ। এইগৰাকী শিক্ষাবিদ, বিচক্ষণ প্ৰশাসক আৰু সমাজ হিতৈষীৰ অৱদানক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

*(লেখক অৱসৰপ্ৰাপ্ত শিক্ষক আৰু বি. এইচ্. কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ)*

# ছাত্ৰ একতা সভা আৰু সত্যনাথ দাস

হিতেশ দাস

বৃহত্তৰ বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ একাংশ আলোকসন্ধানী বৰেণ্য ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত ১৯৬৬ চনত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে সুদীৰ্ঘ পঞ্চাশ বছৰীয়া পথ অতিক্ৰম কৰি 'সোণালী জয়ন্তী বৰ্ষ'ত উপনীত হ'ব পৰাটো বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ ৰাইজৰ বাবে সঁচাকৈয়ে গৌৰৱৰ বিষয়।

বি. এইচ্. কলেজৰ সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱৰ নামত এখনি 'অভিনন্দন গ্ৰন্থ' প্ৰকাশ কৰাৰ যো-জা কৰা বুলি জানি অত্যন্ত সুখী হৈছোঁ। বি. এইচ্. কলেজখন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আৰম্ভণিৰেপৰা যি কেইগৰাকী বিশিষ্ট ব্যক্তি জড়িত আছিল তাৰ ভিতৰত অন্যতম ব্যক্তি হ'ল শ্ৰীযুত সত্যনাথ দাস। এই গৰাকী ব্যক্তিৰ কেৱল বৰপেটাৰোড আৰু হাউলী অঞ্চলতে নহয় গোটেই অসমতে শিক্ষাৰ ক্ষেত্ৰত এগৰাকী সুদক্ষ প্ৰশাসক হিচাপে এটা সুকীয়া পৰিচয় আছে। সুদীৰ্ঘকাল ধৰি মহাবিদ্যালয়খনৰ লগত থাকি উচ্চ শিক্ষাৰ এই অনুষ্ঠানটোক এক মৰ্যাদাপূৰ্ণ পৰ্যায়লৈ উন্নীত কৰাত তেখেতৰ অৱদান বি. এইচ্. কলেজৰ ইতিহাসৰ পৃষ্ঠাত চিৰদিন সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব। এই গৰাকী ব্যক্তিয়ে শৈশৱৰ পৰাই সংগ্ৰাম কৰি আত্মপ্ৰতিষ্ঠিত হোৱাৰ চেষ্টা কৰিছিল। তেখেত সৰুৰেপৰা তীক্ষ্ণ বুদ্ধিৰ



ছাত্ৰ আছিল। তেখেতৰ ঘৰৰ আৰ্থিক অৱস্থা যথেষ্ট বেয়া আছিল। আৰ্থিক অনাটনৰ বাবে তেখেতৰ পঢ়া-শুনা কৰাত ভীষণ কষ্ট হৈছিল যদিও আৰ্থিক অসুবিধাই তেখেতক লক্ষ্যৰপৰা বিচলিত কৰিবপৰা নাছিল। তেখেতৰ ব্যক্তিত্ব আৰু অদম্য সাহসে তেখেতক প্ৰতিকূল অৱস্থাৰ সতে মুখামুখি হ'বলৈ প্ৰেৰণা যোগাইছিল। তেখেতে প্ৰমাণ কৰি দেখুৱাইছিল যে আৰ্থিক অভাৱে পঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বাধা হ'ব নোৱাৰে। তেখেতৰ জ্ঞানৰ প্ৰতি আছিল অপৰিসীম আগ্ৰহ। মেধাৰ প্ৰতি আছিল পৰম শ্ৰদ্ধা। দুখীয়া মেধাৱী ছাত্ৰ আৰু গুণী শিক্ষকক তেখেতে সমাদাৰ কৰিছিল। শিক্ষকতাকে ব্ৰত হিচাপে লৈ তেখেতে গোটেই জীৱন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানৰ পোহৰ বিলালে। শিক্ষকতাৰ ক্ষেত্ৰত তেখেতৰ সময়নিষ্ঠা, কৰ্তব্যনিষ্ঠা আৰু অনুশাসন প্ৰশংসনীয়। প্ৰকৃতাৰ্থত শ্ৰীদাসদেৱে নিজস্ব বুদ্ধি, সৎসাহস, অধ্যৱসায় আৰু সততাৰ কাৰণে সমাজত এগৰাকী গণ্যমান্য ব্যক্তি হিচাপে পৰিগণিত হ'বলৈ সক্ষম হৈছে।

বছৰৰ জোখেৰে মহাবিদ্যালয় এখনৰ উন্নতি-অৱনতি নিৰ্ণয় কৰিব নোৱাৰিলেও এই শিক্ষানুষ্ঠানটিয়ে আজিলৈকে যিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক যশস্বী কৰি গঢ়ি তোলাত সাৰ্থক হ'ল— তাৰ ওপৰত ভিত্তি কৰি উদ্যোক্তাসকলে যি উদ্দেশ্য আগত ৰাখি উচ্চ শিক্ষাৰ এই মহান অনুষ্ঠানটি জন্ম দিছিল আজি সেই আশা নিশ্চিতভাৱে সফল হৈছে বুলি ক'ব পাৰি। আজি বি. এইচ্. কলেজ কেৱল বৰপেটাৰোড আৰু হাউলী অঞ্চলতে নহয়, সমগ্ৰ অসমৰ ভিতৰতে এখন আগশাৰীৰ জাকত-জিলিকা মহাবিদ্যালয় বুলি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। অৱশ্যে এই সফলতাৰ আঁৰৰ মূল সেনাপতি হ'ল — শ্ৰীযুত সত্যনাথ দাসদেৱ।

এনে এগৰাকী ব্যক্তিৰ সান্নিধ্য নিচেই ওচৰৰ পৰা পোৱাৰ সৌভাগ্য মোৰ হৈছিল। সেয়া আছিল সুদীৰ্ঘ ছয় বছৰে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত

চলা অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পৰিসমাপ্তি। অসমৰ ইতিহাসৰ পৃষ্ঠাৰ এটা উল্লেখনীয় দিন ১৯৮৫ চনৰ ১৫ আগষ্ট। বিদেশী নাগৰিক সমস্যা সমাধান সম্পৰ্কত সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰিত হ'ল। সেই সময়ছোৱাত অসমৰ ৰাজনৈতিক পৰিস্থিতি আছিল অতি ভয়াবহ। চাৰিওফালে মৃত্যুৰ বিভীষিকা, চৌদিশে সন্ত্ৰাস, সামৰিক আৰু অৰ্দ্ধ-সামৰিক বাহিনীৰ অত্যাচাৰ, উৎপীড়নে চৰম সীমা পাইছিলগৈ।

ঠিক তেনে এক জটিল সন্ধিক্ষণত সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী কৰ্মী হিচাপে বি. এইচ্. কলেজ ছাত্ৰ একতা সভাৰ ১৯৮৫-৮৬ বৰ্ষৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব মোৰ ওপৰত আহি পৰে। বি. এইচ্. কলেজৰ অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে মোক শপত বাক্য পাঠ কৰোৱাৰ সময়ত সংবিধানৰ নীতি অনুযায়ী ধৰ্মনিৰপেক্ষতা অটুট ৰাখি মহাবিদ্যালয় খনৰ সৰ্বাংগীন উন্নতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মিলা-প্ৰীতি আৰু ভাতৃত্ববোধেৰে কাম কৰি যোৱা বাক্যকেইটাই মোক মোৰ দায়িত্বৰ প্ৰতি বেছি সজাগ কৰিছিল। সেয়ে সুখী হৈছিলো ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে তেখেতক পোৱাৰ বাবে। শপত গ্ৰহণ অনুষ্ঠানৰ পিছত দায়িত্বভাৰ গ্ৰহণ কৰাৰ প্ৰথম সভাখনত শ্ৰীদাসদেৱে প্ৰতিগৰাকী বিভাগীয় সম্পাদক আৰু ছাত্ৰ একতা সভাৰ সদস্যসকলক সোঁৱৰাই দিছিল নিজ নিজ দায়িত্ব আৰু কৰ্তব্যৰ কথা। তেখেতে আমাক প্ৰতিগৰাকী ছাত্ৰ একতা সভাৰ সদস্যকে একেটা পৰিয়ালৰ সদস্য হিচাপে অনুষ্ঠানটোৰ বৃহৎ স্বাৰ্থত কাম কৰি যোৱাৰ বাবে আহ্বান জনাইছিল। আমি ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সদস্যই তেখেতৰ সেই কথাখিনিকে মূলধন হিচাপে লৈ আমাৰ কৰ্ম ক্ষেত্ৰত আগবাঢ়ি গৈছিলোঁ।

মহাবিদ্যালয় সপ্তাহৰ প্ৰাক্‌মুহূৰ্তত ছাত্ৰ একতা সভাৰ এখন সভাত শ্ৰীদাসদেৱে কৈছিল— 'শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ সম্পৰ্ক



কেৱল পাঠ্যক্ৰমৰ গণ্ডীৰ ভিতৰত, শ্ৰেণীকক্ষৰ চাৰিবেৰৰ মাজতেই পৰিসীমিত নহয়। খেলপথাৰৰ বিভিন্ন খেল-ধেমালিৰ পয়োভৰৰ মাজত, শৰীৰ চৰ্চা, তৰ্ক, আলোচনা চক্ৰ, সাহিত্য আৰু সাংস্কৃতিক কাৰ্যসূচীত যোগদানৰ মাজেৰে পৰস্পৰৰ লগত হোৱা বিনিময়তহে প্ৰকৃততে পাৰস্পৰিক সম্পৰ্ক, এটা উপযুক্ত বাতাবৰণ সৃষ্টি হয়।' এই ক্ষেত্ৰত মহাবিদ্যালয় সপ্তাহৰ এটা মহত্ব আছে। তেখেতে ইয়াকো কৈছিল যে, মহাবিদ্যালয় সপ্তাহ কেৱল সীমিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ স্থল নহয়, বৰং সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকৰ আত্মিক মিলনৰ পৃষ্ঠভূমি।

ছাত্ৰ একতা সভাৰ দায়িত্বত থকা সময়ছোৱাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধাসমূহ দূৰ কৰাৰ লগতে অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নয়ন কৰাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ আবেদনৰ প্ৰতি গুৰুত্ব দি, আলোচনা আৰু সহযোগিতাৰ মাধ্যমেৰে সমস্যাসমূহ দূৰ কৰাৰ প্ৰয়াস কৰিছিল। এই মহান গুণখিনিৰ বাবে তেখেত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰিয়পাত্ৰ আছিল।

মহাবিদ্যালয়ৰ পুথিভঁৰালটো আধুনিক কৰাৰ ক্ষেত্ৰত তেখেতে গুৰুত্ব আৰোপ কৰিছিল। পুথিভঁৰালটো ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে যাতে পৰ্যাপ্ত হয় তাৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ পোৱাৰ ব্যৱস্থা কৰিছিল। তেখেতে লক্ষ্য ৰাখিছিল, আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীয়ে গ্ৰন্থাগাৰটোকেই একমাত্ৰ সম্বল হিচাপে লৈ পঢ়িবলৈ আহে। গতিকে তেওঁলোকে যাতে কিতাপৰ অভাৱত হতাশ হ'ব নালাগে। লগতে মূল পাঠ্যপুথিৰ লগতে প্ৰসংগ পুথিৰ সমুচিত যোগান ধৰাৰ চেষ্টা কৰিছিল।

বি. এইচ্. কলেজৰ এটা বিশেষত্ব হ'ল— এই অনুষ্ঠানটি যি টুকুৰা ঠাইত অৱস্থিত সেই ঠাই টুকুৰা হ'ল ইতিহাস প্ৰসিদ্ধ আৰু প্ৰকৃতিৰ দানেৰে পৰিপুষ্ট। কম সংখ্যক মহাবিদ্যালয়তহে এনেকুৱা ঐশ্বৰ্যমণ্ডিত ঠাই বিচাৰি পোৱা যায়। অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে মহাবিদ্যালয়খনৰ চৌহদটোৰ

পূৰ্বৰ শোভা যাতে ম্লান হৈ নাযায় তাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু কলেজ কৰ্তৃপক্ষ আৰু বি. এইচ্. কলেজ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ছাত্ৰ-ছাত্ৰীসকলৰ মিলিত প্ৰচেষ্টাত চৌহদটো চাফ-চিকুণ আৰু সৌন্দৰ্যবৰ্দ্ধন কৰি ৰাখিছিল। আনহাতে মহাবিদ্যালয়খনৰ সম্পদৰ অপচয় ৰোধ কৰাৰ লগতে চৌহদৰ নিৰাপত্তাৰ বাবে চৌহদৰ চাৰিওফালে পকীবেৰ দিয়াৰ উদ্যোগ লৈছিল।

মহাবিদ্যালয়খনত তেখেতে ছাত্ৰ-ছাত্ৰীসকলক খেলা-ধূলা আৰু সাংস্কৃতিক দিশৰ চিন্তাচৰ্চা আৰু পৰিধি বঢ়াবলৈ মাজে-সময়ে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। অধ্যয়নৰ লগতে যাতে বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে তাৰ ওপৰত গুৰুত্ব দিছিল। এই ক্ষেত্ৰত তেখেতে নতুন নতুন আঁচনি গ্ৰহণ কৰিছিল। বিজ্ঞান ভিত্তিক সা-সৰঞ্জাম যোগান আৰু উপযুক্ত প্ৰশিক্ষণৰ দ্বাৰাহে যে বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ কৰাটো সহজ তাক তেখেতে বাৰুকৈয়ে অনুভৱ কৰিছিল।

বি. এইচ্. কলেজৰ বিগত দিনৰ ইতিহাস বিচাৰিলে দেখা যায় যে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাত কলেজখনে অংশ গ্ৰহণ কৰি একাধিকবাৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। আনহাতে শ্ৰীৰাধাচৰণ ৰাভাদেৱ বি. এইচ্. কলেজ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ভাৰপ্ৰাপ্ত অধ্যাপক হৈ থকা সময়ছোৱাত শ্ৰীসত্যনাথ দাসদেৱে, তেখেতৰ আগ্ৰহ দেখি ৰাভাদেৱক বাৰুকৈয়ে উৎসাহিত কৰিছিল। সঘনাই মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়ে সম্যক জ্ঞান দিয়া হৈছিল। অসমৰ বিভিন্ন মহাবিদ্যালয়ত প্ৰতি বছৰে অনুষ্ঠিত হোৱা সেৱা আঁচনিৰ শিবিৰত বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ-গ্ৰহণ



কৰি শিক্ষা আৰু অভিজ্ঞতা লাভ কৰাৰ লগতে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল।

সেয়া আছিল ১৯৮৯ চনৰ কথা। শ্ৰীসত্যনাথ দাসদেৱৰ বিশেষ তৎপৰতাৰ বাবে কেৰেলাৰ মিত্ৰ নিকেতনত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত শ্ৰীৰাধাচৰণ ৰাভাদেৱৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দলটোৱে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰি কেৱল বি. এইচ্. কলেজৰে নহয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰো গৌৰৱ বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। এই সফলতাৰ বাবে পিছলৈ এই মহাবিদ্যালয়খনত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ অনুষ্ঠিত কৰাৰ সৌভাগ্য হৈছিল। এই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত ভাৰতবৰ্ষৰ বিভিন্ন কলেজ তথা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে অংশ গ্ৰহণ কৰিছিল।

প্ৰতিবছৰে মহাবিদ্যালয়ত অনুষ্ঠিত কৰা পৰীক্ষাসমূহ নিৰ্দ্ধাৰিত সময়ত অনুষ্ঠিত কৰাত তেখেতে জোৰ দিছিল। পূৰ্বৰেপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চলি থকা পৰীক্ষা পিছুৱাৰ ধাৰণাটো সংশোধন ঘটোৱাৰ চেষ্টা চলোৱা হৈছিল আৰু তেখেত সফলো হৈছিল। উদাহৰণস্বৰূপে ১৯৮৬ চনৰ মোৰ কাৰ্যকালৰ এটি ঘটনা উল্লেখ কৰিব পাৰি। ছবছৰীয়া দীঘলীয়া আন্দোলনৰ পিছত, সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত গঠন হোৱা আঞ্চলিকতাবাদী দলটোৱে অসম বিধান সভাৰ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিলে। ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে আশা কৰিছিল, নৱগঠিত এই চৰকাৰখনে অসমৰ মূল সমস্যাসমূহ দূৰ কৰাৰ কাৰণে সক্ষম হ'ব। নিৰ্বাচনৰ ঠিক কেইদিনমান পিছতেই বি. এইচ্. কলেজ কৰ্তৃপক্ষই উচ্চতৰ মাধ্যমিক শাখাৰ বাছনি পৰীক্ষাৰ দিন ঘোষণা কৰিলে। এই ঘোষণাৰ পিছতেই একাংশ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্বত পৰীক্ষা পিছুৱাই দিয়াৰ বাবে আন্দোলন আৰম্ভ হ'ল। ছাত্ৰ একতা সভাৰ তৰফৰপৰা কলেজ কৰ্তৃপক্ষৰ

সিদ্ধান্তক আদৰণি জনাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ অভিভাৱকক লগ ধৰি ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাত বহাৰ বাবে অনুৰোধ জনোৱা হ'ল। সময়ত দেখা গ'ল, প্ৰথম দিনাখন আগবেলাৰ পৰীক্ষাত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত বহিল। পিছত পৰীক্ষাত নবহা বাকী কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়েও বি. এইচ্. কলেজ ছাত্ৰ একতা সভা আৰু অধ্যক্ষৰ লগত আলোচনা কৰি পৰীক্ষাত অৱতীৰ্ণ হ'ল। শ্ৰীযুত দাসদেৱৰ এটাই কথা— 'নিৰ্ব্যাচনৰ লগত ছাত্ৰ-ছাত্ৰীৰ কিহৰ সম্পৰ্ক?' ইয়াৰ পিছত হয়তো বি. এইচ্. কলেজত পৰীক্ষা পিছুওৱাক লৈ কোনো ধৰণৰ আন্দোলন হোৱা নাই।

শ্ৰীযুত দাসদেৱে ছাত্ৰ-ছাত্ৰীসকলৰ শৰীৰ চৰ্চাৰ এটা পৰিৱেশ গঢ়ি তোলাৰ ইচ্ছা প্ৰকাশ কৰি মহাবিদ্যালয়খনত এটা আধুনিক 'ব্যায়ামগাৰ' স্থাপনৰ চিন্তা-চৰ্চা কৰিছিল। মহাবিদ্যালয়খনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো আছিল ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস। তেখেতে নতুন ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস নিৰ্মাণৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছিল। মহাবিদ্যালয়ৰ লগতে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বিষয়েও তেখেতে প্ৰচেষ্টা চলাইছিল।

বি. এইচ্. কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ নিচিনা এটা দায়িত্বপূৰ্ণ পদবীত সেৱা কৰাৰ সুবিধা নাপালে মই হয়তো শ্ৰীদাসদেৱক নিচেই ওচৰৰ পৰা পোৱাৰ সৌভাগ্য নহ'লহেঁতেন। লগতে তেখেতৰ উৎসাহ আৰু পৰামৰ্শ নহ'লে হয়তো আমাৰ দৈনন্দিন জীৱনৰ কামবোৰ নিয়াৰিকৈ কৰাত যথেষ্ট অসুবিধা হ'লহেঁতেন। শ্ৰীদাসদেৱৰ প্ৰেৰণাৰ বাবেই বি. এইচ্. কলেজ ছাত্ৰ একতা সভাৰ প্ৰতিটো সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ আৰু বিভিন্ন উৎসৱ আদি পালন কৰাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সদস্যই একান্তভাৱে জড়িত হৈ পৰিছিল। আমি ছাত্ৰ-ছাত্ৰীসকলক মূল শক্তি হিচাপে লৈ আৰু তেওঁলোকৰ সুবিধা-অসুবিধাৰ প্ৰতি সজাগ



দৃষ্টি ৰাখি আমি আমাৰ কাৰ্যভাৰ চলাই গৈছিলোঁ। সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি আমি কিছু কাম নতুন চিন্তাৰে কৰিবলৈ চেষ্টা কৰিছিলোঁ। অভাৱ-অনাটনৰ মাজতো প্ৰত্যাহ্বান গ্ৰহণ কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে অধ্যক্ষ শ্ৰীসত্যনাথ দাসদেৱৰ সান্নিধ্য লাভ কৰি আমি ছাত্ৰ একতা সভাৰ প্ৰকৃত উদ্দেশ্য আৰু ইয়াৰ তাৎপৰ্য গভীৰভাৱে উপলব্ধি কৰিবলৈ সক্ষম হৈছিলোঁ।

শ্ৰীযুত সত্যনাথ দাসদেৱে ছাত্ৰ একতা সভাৰ গঠনমূলক কাম-কাজত পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। এই সময়ত বহু কথাই মনলৈ আহিছে, তাৰে দুটামানহে উদাহৰণ দাঙি ধৰিব বিচাৰিছোঁ।

আমি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৫৫ গৰাকী জ্ঞাত-অজ্ঞাত বীৰ ছহীদৰ স্মৃতিত নিৰ্মাণ কৰা ছহীদ বেদীটোৰ কাম যিকোনো প্ৰকাৰে সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লৈছিলোঁ। ছাৰক আমি আমাৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰাত তেখেতে আমাক সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। ছাৰৰ পৰামৰ্শৰ বাবে আমি এই মহান কামটো সম্পূৰ্ণ কৰাত মহাবিদ্যালয় খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী লগতে বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ ৰাইজৰ সকলো ক্ষেত্ৰতে সহযোগিতা পাইছিলোঁ।

দ্বিতীয়তে, সেয়া আছিল ১৯৮৬ চনৰ ২৫ চেপ্তেম্বৰৰ কথা। আমি কেইজনমান বন্ধুৱে আলোচনা কৰি অনুভৱ কৰিলো যে, মহাবিদ্যালয়ৰ সাহিত্য-চৰ্চাৰ কাৰণে এটা অনুষ্ঠানৰ খুবেই প্ৰয়োজন। কিয়নো মহাবিদ্যালয়ৰ একমাত্ৰ বছৰেকীয়া আলোচনীখনেই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট নহয়। লগে লগে আমি অধ্যক্ষ মহোদয়ৰ কক্ষলৈ গৈ কথাখিনি ব্যক্ত কৰিলোঁ। তেখেতে আমাৰ উদ্দেশ্য জানি যথেষ্ট আনন্দিত হ'ল আৰু অতি শীঘ্ৰে এখন সভা আহ্বান কৰিবলৈ ক'লে। সেইমতে

২৭ চেপ্তেম্বৰ শনিবাৰে শ্ৰীদাসদেৱৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হ'ল। সভাখনত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনা দেখি আমি অভিভূত হৈ পৰিলো। অধ্যাপক শ্ৰীযুত ৰবীন্দ্ৰ ভট্টাচাৰ্যক সভাপতি আৰু ধ্ৰুৱ কুমাৰ তালুকদাৰক সম্পাদক হিচাপে লৈ 'বি. এইচ্. কলেজ সাহিত্য চ'ৰা' নাম দি ২৫ জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হ'ল। সাহিত্য চ'ৰাৰ পৰা 'আজিৰ সাহিত্য' নাম দি এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগে লগে আৰম্ভ হয় কৰ্মব্যস্ততা। ছাত্ৰ-ছাত্ৰীসকলৰ লিখাৰ মানসিকতা ইমানেই বৃদ্ধি হ'ল যে, পৰৱৰ্তী সময়ত প্ৰাচীৰ পত্ৰিকাখন সাপ্তাহিকৰ পৰিবৰ্তে অৰ্দ্ধ সাপ্তাহিক কৰিবলৈ বাধ্য হলোঁ। সুখী হৈছো যে, 'বি. এইচ্. সাহিত্য চ'ৰা' বৰ্তমানেও সক্ৰিয়। এতিয়াও প্ৰতিবছৰে সাহিত্য চ'ৰাৰ এখনি আলোচনী প্ৰকাশ হৈ থকাটো সঁচাকৈয়ে আনন্দৰ কথা।

এই সাহিত্য চ'ৰাৰ পৰাই লিখা-মিলা আৰম্ভ কৰা বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰী অসমৰ তথা ভাৰতবৰ্ষৰ আগশাৰীৰ আলোচনী, বাতৰিকাকতত প্ৰতিষ্ঠিত লেখক-লেখিকা হিচাপে সন্মান অৰ্জন কৰিব পৰাটো মহাবিদ্যালয় খনৰ বাবে সঁচাকৈয়ে গৌৰৱৰ বিষয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ শ্ৰীসত্যনাথ দাসদেৱৰ উৎসাহত গঠিত সাহিত্য চ'ৰাৰ ঐতিহাসিক দিনটোৰ কথা মনলৈ আহিলে মনটো ভাল লাগি যায়। ছাত্ৰ-ছাত্ৰী সকলক বহিৰ্বিশ্বৰ জ্ঞান দিবৰ বাবে তেখেতৰ ঐকান্তিক আগ্ৰহৰ কথা কেতিয়াও পাহৰিব নোৱাৰি। কলেজৰ ত্ৰিশজন ছাত্ৰ আৰু দুজন তদাৰকী শিক্ষক শ্ৰদ্ধেয় নৰেশ চন্দ্ৰ গোস্বামী আৰু ৰবীন ভট্ট ছাৰক দায়িত্ব দি ভাৰত ভ্ৰমণৰ সুবিধা কৰি দিয়াৰ কথা কেতিয়াও পাহৰিব নোৱাৰিম।

প্ৰকৃতাৰ্থত সত্যনাথ দাসদেৱৰ অক্লান্ত শ্ৰম আৰু চেষ্টাৰ ফলত মহাবিদ্যালয়খনে অতি কম সময়ৰ ভিতৰতে দোপতদোপে উন্নতিৰ জখলাত



আগবাঢ়ি অসমৰ ভিতৰত এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াত কোনো সন্দেহ নাই।

ছাত্ৰ একতা সভাত তেখেতৰ এটা কথা আমি বিশেষভাৱে লক্ষ্য কৰিছিলোঁ যে, তেখেত মহাবিদ্যালয়খনৰ শ্ৰেণীসমূহ নিয়মিতভাৱে যাতে হয়, তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিছিল। লগতে মহাবিদ্যালয়খনৰ যিকোনো অনুষ্ঠান বা সভা-সমিতি কেনেকৈ ক্লাছ ক্ষতি নকৰাকৈ কৰিব পৰা যায়, তেনেধৰণেৰে কাৰ্যসূচীবিলাক গ্ৰহণ কৰাৰ বাবে ছাত্ৰ একতা সভাক পৰামৰ্শ আগবঢ়াইছিল।

তেখেতে ছাত্ৰ-ছাত্ৰীসকলক লিখা-পঢ়া শিকাৰ লগতে প্ৰত্যেককে সমাজত একো একোজন ভাল মানুহ হোৱাটো বিচাৰিছিল। শ্ৰীদাসদেৱে এটা কথা দৃঢ়তাৰে ছাত্ৰ-ছাত্ৰীসকলক কৈছিল— 'কেৱল পুথিগত বিদ্যাই সামাজিক স্থান নিৰ্ণয়ত যোগ্যতাৰ মাপকাঠি হ'ব নোৱাৰে। পুথিগত বিদ্যাৰ লগত জ্ঞানৰ সফল সংযোজনেহে শিক্ষাক মহত্ব প্ৰদান কৰে।'

সঁচা অৰ্থত শ্ৰীযুত সত্যনাথ দাস এগৰাকী দক্ষ, আদৰ্শৱান আৰু নীতিনিষ্ঠ ব্যক্তি। তেখেতে নিজৰ বুদ্ধিমত্তা আৰু বাক্ পটুতাৰে উচ্চ পদাধিকাৰী বিষয়াসকলৰ মন জয় কৰিব পাৰিছিল আৰু যিকোনো কাম বুদ্ধিৰে সমাধা কৰিব পাৰিছিল।

সমস্যা বহুল মহাবিদ্যালয়খনক আগশাৰীৰ মহাবিদ্যালয় হিচাপে আগবঢ়াই নিয়াত সফল হোৱাৰ ক্ষেত্ৰত তেখেতৰ এটা মহান গুণ হ'ল— মহাবিদ্যালয়ৰ পৰিয়ালটোক ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবঢ়াই নিব পৰাটো।

বি. এইচ্. কলেজ— জ্ঞান সাধনাৰ সুউচ্চ মন্দিৰ। এই শিক্ষানুষ্ঠানটিয়ে ছাত্ৰ-ছাত্ৰীসকলক পূৰ্ণতা দিছে, প্ৰজ্ঞা দিছে। এই বৃহৎ অঞ্চলৰ ৰাইজৰ একমাত্ৰ আশা-ভৰসাৰ থলী হ'ল এই শিক্ষানুষ্ঠানটি। সুস্থ-সবল সমাজ গঠন আৰু মানৱ সম্পদ গঢ় দিয়াত মহাবিদ্যালয়খনৰ দায়িত্ব অপৰিসীম।

বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ জনসাধাৰণৰ আবেগ, অনুভূতি, শ্ৰম, ত্যাগ আদিকে ধৰি বৰেণ্য ব্যক্তিসকলৰ শাৰীৰিক, আৰ্থিক আৰু মানসিক শ্ৰমক সন্মান জনাই ওৰে জীৱন অনুষ্ঠানটোৰ উন্নতিৰ বাবে শ্ৰী সত্যনাথ দাসদেৱে যি অৱদান আগবঢ়ালে— সেই ত্যাগৰ স্বীকৃতি বি. এইচ্. কলেজৰ ইতিহাসত সদায় সোণালী আখৰেৰে জিলিকি থাকক।

শেষত ইয়াকে ক'ব বিচাৰিছো যে, ছাত্ৰ একতা সভাত থকা সময়ছোৱাত তেখেতৰ পৰা পোৱা পৰামৰ্শ, সহযোগিতা, আন্তৰিকতা আৰু মহানুভৱতাক কেতিয়াও পাহৰিব নোৱাৰিম, তেখেতৰ পৰা পোৱা মৰম আৰু আশীৰ্বাদখিনি চিৰদিন শ্ৰদ্ধাৰে স্মৰণ কৰিম।

জয়তু বি. এইচ্. কলেজ

*(লেখক প্ৰাক্তন বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা সমবায় বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক)*



# সত্যনাথ দাস ছাৰৰ সান্নিধ্যত

**মানস প্ৰতীম শৰ্মা**

বি. এইচ্. কলেজৰ সৈতে সংযুক্ত হৈ থকা নামটো হ'ল সত্যনাথ ছাৰ। এইখন কলেজত অধ্যয়ন কৰা অথবা শিক্ষকতা কৰা ছাত্ৰ-ছাত্ৰী, প্ৰবক্তা আৰু কৰ্মচাৰীৰ বাবে ছাৰৰ নামটো কেতিয়াও পাহৰিব নোৱাৰা। ঠিক একেদৰে যেনেকৈ বৰপেটাৰোড আৰু হাউলীবাসীৰ বাবে।

শ্ৰীযুত দাস ছাৰক স্কুলীয়া অৱস্থাৰ পৰাই লগ পাইছিলো। দেউতা একেখন কলেজতে কৰ্মৰত হোৱা হেতুকে ছাৰৰ ঘৰখনৰ সৈতে পৰিচয় আছিল। ছাৰ একেধাৰে শিক্ষাবিদ, লেখক, সু-বক্তা আৰু সুপ্ৰশাসক আছিল। ছাৰৰ ব্যক্তিত্বত এনে কিবা এটা গুণ আছিল যাক আমি এক্স-ফেক্টৰ বুলি ক'ব পাৰো, যাৰ দ্বাৰা তেখেতে সকলোকে আকৃষ্ট কৰিব পাৰিছিল। ইয়াৰ উপৰি মোৰ দৃষ্টিত ছাৰ এগৰাকী খাদ্যৰসিকো। তেখেতে সু-স্বাদু ব্যঞ্জন নিজে খোৱাৰ লগতে আনকো খুৱাই ভাল পাইছিল।

কলেজীয়া অৱস্থাত ছাত্ৰ হিচাপে তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হিচাপে তেখেতক অতি কাষৰ পৰা পাইছিলোঁ। সন্তৰ সহকৰ্মীৰ পুত্ৰ হিচাপে ছাৰে আমাক কিছু বেছিকৈ মৰম কৰিছিল। অৱশ্যে ইয়াৰ অৰ্থ এইটো নাছিল যে ছাৰৰ কাঢ়া শাসনৰ পৰা আমি মুক্ত আছিলোঁ। পাঁচ-বছৰীয়া কলেজ জীৱনত দেখিছিলোঁ ছাৰে নিয়মৰ মাজেৰে অতি পৰিপাটিকৈ মহাবিদ্যালয়খন পৰিচালনা কৰাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰে

শ্ৰদ্ধা আদায় কৰিবলৈ সক্ষম হৈছিল। কলেজীয়া শিক্ষা শেষ হোৱাৰ পাছত তেখেতৰ সৈতে সম্পৰ্ক ছিন্ন হোৱা নাছিল। বোধহয় তেখেতৰ ব্যক্তিত্বই কোনো ছাত্ৰ-ছাত্ৰীকে ইয়াৰ অনুমতি নিদিয়ে।

কৰ্মসূত্ৰে আকাশবাণীৰ সৈতে জড়িত হোৱাৰ ফলত আমি প্ৰেৰণ কৰা বিভিন্ন বা-বাতৰি আদি প্ৰচাৰিত হয়। বহু চিনাকি-অচিনাকি ব্যক্তিৰ পৰা ইয়াৰ বাবে প্ৰেৰণাদায়ক বাৰ্তা লাভ কৰোঁ। কিন্তু এই বাৰ্তা প্ৰেৰকৰ তালিকাত যদি সত্যনাথ দাস ছাৰৰ দৰে ব্যক্তিও থাকে, তেন্তে এনে লাগে যেন আমাৰ চেষ্টা কিছু হ'লেও সফলতা লাভ কৰিছে। মই দেউতাৰ মুখত প্ৰায়ে শুনো যে ছাৰে মোৰ বাতৰি শুনি শলাগিছে। কিছুদিন পূৰ্বে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাবে মই ছাৰৰ এটি সাক্ষাৎকাৰ গ্ৰহণৰ সুযোগ লাভ কৰিছিলোঁ। আচৰিত হ'লো যে বি. এইচ্. কলেজৰ সৈতে জড়িত ৪০-৫০ বছৰ পুৰণি ঘটনাও ছাৰৰ মানসপটত প্ৰাণ পাই উঠিল। দ্বিতীয়তে, তেখেতে নিজৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলৰ সকলো কথা মনত ৰখাই নহয় তেওঁলোকৰ কৃতিৰ বিষয়ে প্ৰকাশ কৰি অত্যন্ত গৌৰৱবোধো কৰে। বি. এইচ্. কলেজে সোণালী জয়ন্তী বৰ্ষত ভৰি দিছে। যিসকল ব্যক্তিৰ প্ৰচেষ্টাত কলেজখনে এই দীঘলীয়া পৰিক্ৰমা সম্পূৰ্ণ কৰিলে তাৰ ভিতৰত সত্যনাথ দাস ছাৰৰ নাম প্ৰথমে আহিব। ছাৰৰ স্বাস্থ্য এতিয়াও পূৰ্বৰ দৰেই আছে। তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰণাম যাচিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ তথা আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক)*



# 'হাউলী বঁটা' প্ৰাপক সত্যনাথ দাস

**মেছেৰ আলী আহমেদ**

যি জনা ব্যক্তিৰ জ্ঞান, বুদ্ধি আৰু কৰ্মই জন্ম স্থানলৈ সুনাম কঢ়িয়াই আনে তেনে ব্যক্তিক সমাজে কিবা নহয় কিবা সন্মান জনোৱা প্ৰয়োজন। অৱশ্যে বঁটা-বাহনেৰে তেনে বুদ্ধিমন্ত ব্যক্তিৰ অৱদানক জুখিব নোৱাৰি। তথাপিও সামান্যতম স্বীকৃতি হিচাপে বঁটা দিয়াটো সমাজৰ অৱশ্য কৰ্তব্য বুলি ভাবিব পৰা যায়। অসমৰ সাহিত্য,সংস্কৃতি, শিক্ষা, সমাজসেৱা আদি বিভিন্ন ক্ষেত্ৰত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা মহৎ ব্যক্তি সকলক সন্মান প্ৰদৰ্শন কৰাৰ কাৰণে ১৯২৮ চনত প্ৰতিষ্ঠিত হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে 'হাউলী বঁটা' প্ৰদান কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্ত মৰ্মে ২০০৮ চনৰ পৰা 'হাউলী বঁটা' প্ৰদান কৰা হয়। হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে নিজাববৰীয়াকৈ বাছনি কৰি বিশ্বৰত্ন ড° ভূপেন হাজৰিকাক ২০০৮ বৰ্ষৰ 'হাউলী বঁটা', গণশিল্পী গোকুল পাঠকক ২০০৯ বৰ্ষৰ 'হাউলী বঁটা', বিশিষ্ট সাহিত্যিক-সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিক ২০১০ বৰ্ষৰ 'হাউলী বঁটা' প্ৰদান কৰে। পৰৱৰ্তী সময়ত বিশিষ্ট সাংবাদিক-সাহিত্যিক কমল চন্দ্ৰ বায়নক সভাপতি, কবি মনহৰি বায়নক সম্পাদক, অধ্যাপক ড° ভগীৰথ নাথ, অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ সাহা, অসম অসামৰিক সেৱাৰ বিষয়া হেমেন

দাস, অধ্যাপক মহানন্দ পাঠক আৰু যুব সাংবাদিক-নিবন্ধকাৰ মেছেৰ আলী আহমেদক সদস্য হিচাপে লৈ 'হাউলী বঁটা' বাছনি সমিতি গঠন কৰি দিয়ে হাউলী ৰাস মহোৎসৱৰ উদ্যাপন সমিতিয়ে। হাউলী ৰাসমহোৎসৱৰ উদ্যাপন সমিতিৰ সাধাৰণ সভাই গঠন কৰি দিয়া 'হাউলী বঁটা' বাছনি সমিতিয়ে অসমৰ ভ্ৰাম্যমান নাট্যজগতৰ মহীৰূহ অচ্যুত লহকৰক ২০১১ বৰ্ষৰ 'হাউলী বঁটা', ২০১২ বৰ্ষত ড° বীৰেন্দ্ৰনাথ দত্তক 'হাউলী বঁটা' প্ৰদান কৰা হয়। একেখন 'হাউলী বঁটা' বাছনি সমিতিয়ে ২০১৩ বৰ্ষত ঐতিহাসিক চণ্ডীবৰুৱা স্মৃতি ভৱনত থকা মনোমতী পুথিভড়ালত অনুষ্ঠিত হোৱা এখন সভাত নামনি অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসক ২০১৩ বৰ্ষৰ 'হাউলী বঁটা' প্ৰদান কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ বৌদ্ধিক জগতৰ পৰিচিত নাম সত্যনাথ দাস যথাৰ্থতে এটি অনুষ্ঠান সদৃশ। বিভিন্ন প্ৰতিভাৰ অধিকাৰী সত্যনাথ দাসক ৮৬ সংখ্যক হাউলী ৰাস মহোৎসৱৰ ৩০ নৱেম্বৰত অনুষ্ঠিত মুকলি সভাত ২০১৩ বৰ্ষৰ সন্মানীয় 'হাউলী বঁটা' প্ৰদান কৰে কেবা লক্ষাধিক লোকৰ উপস্থিতিত। বঁটাৰ স্মাৰক, অংগ বস্ত্ৰ, মানপত্ৰ,জাপি, গামোচা আৰু পঁচিশ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয় 'হাউলী বঁটা'ৰ উপহাৰ হিচাপে। অধ্যক্ষ সত্যনাথ দাসৰ দৰে এগৰাকী গুণী-জ্ঞানী ব্যক্তিক ২০১৩ বৰ্ষৰ 'হাউলী বঁটা' প্ৰদান কৰাত সমগ্ৰ হাউলীবাসীৰ লগতে বিদ্বৎ সমাজে গভীৰ সন্তুষ্টি প্ৰকাশ কৰে। 'হাউলী বঁটা' গ্ৰহণ কৰি সত্যনাথ দাসেও অভিভূত হৈ পৰে আৰু তেওঁৰ চমু ভাষণৰ জৰিয়তে হাউলী ৰাস মহোৎসৱ সমিতি আৰু 'হাউলী বঁটা' বাছনি সমিতিক কৃতজ্ঞতা জনায়। সত্যনাথ দাসৰ পিছত ২০১৪ বৰ্ষত অসমীয়া চলচিত্ৰ নিৰ্মাতা তথা অভিনেতা আব্দুল মজিদক আৰু ২০১৫ বৰ্ষত গীতিকাৰ ড° লক্ষ্যহীৰা দাসক 'হাউলী বঁটা' প্ৰদান কৰা হয়। শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সত্যনাথ দাসদেৱৰ বিশেষ অৱদান থকাৰ



বাবে তেওঁক 'হাউলী বঁটা' প্ৰদান কৰা হয়। হাউলী বঁটা প্ৰাপ্তি তেওঁ শিক্ষাৰ ক্ষেত্ৰত কৰি অহা পৰিশ্ৰমৰ ভুল বুলি অনুভৱ কৰে। এই বঁটা পাই তেওঁ অতি সুখ অনুভৱ কৰে।

বি. এইচ্.কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্যনাথ দাসদেৱৰ জীৱন আৰু কৃতি সম্পৰ্কে কিছু আলোকপাত কৰিবলৈ আমি উভতি যাব লাগিব ১৯৩৬ চনলৈ। ১৯৩৬ চনৰ ৯ জুলাই বৃহস্পতিবাৰে অবিভক্ত কামৰূপ জিলাৰ বৰপেটা মহকুমা তথা বৰ্তমান বৰপেটা জিলাৰ বৰনগৰ ৰাজহচক্ৰৰ অন্তৰ্গত হাউলী মৌজাৰ মৌটুপুৰী গাঁওৰ প্ৰয়াত উপেন্দ্ৰনাথ দাসৰ ঔৰসত আৰু প্ৰয়াত পুণ্যদাবালা দাসৰ গৰ্ভত সত্যনাথ দাসৰ জন্ম হয়। সত্যনাথ দাসে মৌটুপুৰী প্ৰাথমিক বিদ্যালয়ত জীৱনৰ প্ৰথম শিক্ষাজীৱন আৰম্ভ কৰে। ১৯৫৫ চনত তেওঁ হাউলী হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয় (এম. চি. কলেজ)ত নাম ভৰ্ত্তি কৰি কলেজীয়া শিক্ষাজীৱন আৰম্ভ কৰে। ১৯৫৭ চনত একেখন মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত আই. এ. পৰীক্ষাত উত্তীৰ্ণ আৰু ১৯৫৯ চনত অৰ্থনীতি বিভাগত স্নাতক ডিগ্ৰী লাভ কৰে। এম. চি. কলেজত পঢ়ি থকা সময়ত তেওঁ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত দ্বিতীয় শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে সত্যনাথ দাসেদেৱে। আৰ্থিক দৈন্যৰ বাবেই পঢ়ি থকা সময়তে তেওঁ ১৯৫৭ চনত ধুপগুৰি এম. ভি. স্কুল আৰু ১৯৫৯ চনত হাউলী হাইস্কুলত অস্থায়ী পদত শিক্ষকতা কৰিছিল। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পিছতে তেওঁ পাঠশালাৰ বজালী কলেজত অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰি চাৰি বছৰ অধ্যাপনা কৰিছিল। অধ্যাপনাৰ মাজতে তেওঁ ১৯৬৩ চনত এন. চি. চি. বিষয়াৰ প্ৰশিক্ষণ লয়। ১৯৬৬ চনৰ ৯ জুলাইত বজালী কলেজৰ স্থায়ী

চাকৰি এৰি বৰপেটাৰোড আৰু হাউলীৰ সোঁমাজত বৰবাৰীঝাৰত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত স্থাপিত বৰপেটাৰোড-হাউলী মহাবিদ্যালয় চমুকৈ বি. এইচ্. কলেজ স্থাপন কৰি অধ্যক্ষ পদত যোগদান কৰে। নতুনকৈ স্থাপন কৰা বি. এইচ্. কলেজৰ অধ্যক্ষ পদত যোগদান কৰি কলেজখনৰ উন্নতিৰ কাৰণে তেওঁ কঠোৰ পৰিশ্ৰম কৰিছিল। তেওঁৰ বলিষ্ঠ প্ৰশাসনিক দক্ষতাৰ কাৰণেই কলা, বাণিজ্য, বিজ্ঞান শাখাৰ লগতে বাণিজ্য শাখাৰ স্নাতকোত্তৰ শ্ৰেণীসহ অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানৰ স্বীকৃতি লাভ কৰিছে বি. এইচ্. কলেজে। ২০১৬ চনৰ ২৫ মে'ত নাকৰ 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে সত্যনাথ দাসৰ সপোনৰ বি. এইচ্.কলেজে। ১৯৯৯ চনৰ ১ মাৰ্চত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। উপযুক্ত বয়সত বৰপেটা নিবাসী প্ৰয়াত অচ্যুতানন্দ দাসৰ জীয়ৰী বীণাপাণি দাসক সত্যনাথ দাসে বিয়া কৰায়। বৰ্তমান এজন ল'ৰা, ছয় গৰাকী জী-জোঁৱাই সহ নাতি-নাতিনীৰ সৈতে তেওঁৰ এখন সুখৰ সংসাৰ আছে।

সত্যনাথ দাসদেৱে এগৰাকী সাহিত্যিক হিচাপেও সুনাম অৰ্জন কৰিছে। অৰ্থনীতি বিষয়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় গ্ৰন্থ ৰচনা কৰাৰ লগতে এসময়ত তেওঁ অসমৰ বিভিন্ন কাকত-আলোচনীত লেখা-মেলা কৰি পাঠকৰ সমাদৰ লাভ কৰিছিল। সত্যনাথ দাসদেৱ প্ৰকৃতাৰ্থত এগৰাকী সমাজ সংগঠক ব্যক্তি। তেওঁ মৌটুপুৰী মুক্তি ক্লাব এণ্ড লাইব্ৰেৰীৰ প্ৰতিষ্ঠাতা, বৰবাৰীঝাৰ পৰন চন্দ্ৰ এম. ই. স্কুল আৰু বৰবাৰীঝাৰ হাইস্কুল প্ৰতিষ্ঠাৰ সক্ৰিয় সহযোগী, হাউলী সাহিত্য সভাৰ সভাপতি, হাউলী হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি, হাউলী হাইস্কুল সোণালী জয়ন্তী স্মাৰক নিধিৰ প্ৰতিষ্ঠাপক সভাপতি, বৃহত্তৰ হাউলী উন্নয়ন পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি, হাউলী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি, বাসনা সাহিত্য গোষ্ঠীৰ উপদেষ্টা, হাউলী ৰাস মহোৎসৱ আৰু



সদৌ হাউলী ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পৃষ্ঠপোষক, বৰপেটাৰোড ক্লাবৰ সভাপতি আৰু একেৰাহে তিনি বছৰ অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি হিচাপে সমাজ সেৱা কৰে। তেওঁ স্বামী কৃষ্ণানন্দ ব্ৰহ্মাচাৰীৰ ভক্ত। এগৰাকী সু-বক্তা হিচাপে পৰিচিত সত্যনাথ দাসদেৱে অসমৰ বিভিন্ন প্ৰান্তত শিক্ষা আৰু সাহিত্যৰ ওপৰত বক্তৃতা প্ৰদান কৰিবলৈ আমন্ত্ৰণ পাইছিল। এসময়ত সংযুক্ত মুক্তি বাহিনী, অসমৰ কিছু সদস্যই বৰপেটাৰোডৰ কেইগৰাকীমান প্ৰতিষ্ঠিত ব্যৱসায়ীক অসুবিধা কৰাত সমাজৰ মুখিয়াল হিচাপে সংযুক্ত মুক্তি বাহিনীৰ সদস্যসকলৰ লগত আলোচনা কৰাৰ কাৰণেই সেনা-বাহিনীয়ে তেওঁক হাৰাশাস্তি কৰিছিল। ২০০১ চনৰ এপ্ৰিল মাহত প্ৰাক্তন সাংস্কৃতিক মন্ত্ৰী কুমাৰ দীপক দাস, হাউলী নগৰ সমিতিৰ প্ৰাক্তন সভাপতি পৰমানন্দ দাসৰ সৈতে গুৱাগাছাৰ এক সাংস্কৃতিক অনুষ্ঠানৰ পৰা উভতি আহোতে গ্ৰেণেড বিস্ফোৰণত সত্যনাথ দাসে ভৰি দুখনত আঘাত পাই দীৰ্ঘদিন চিকিৎসাধীন হ'ব লগা হয়। ২০০৮ চনত তেওঁৰ হাৰ্টৰ অসুখৰ বাবে পেচমেকাৰ লগাবলগীয়া হয়। সম্প্ৰতি তেওঁৰ দুয়োটা চকুৰ অস্ত্ৰোপচাৰ কৰিব লগা হোৱাত ঘৰতে বহি থাকিবলগীয়া অৱস্থা হৈছে।

বি. এইচ্. কলেজৰ পিতৃ তথা প্ৰাণ আৰু আমাৰ সকলোৰে অতি শ্ৰদ্ধাৰ সত্যনাথ দাসদেৱৰ কুশল কামনা কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ কনিষ্ঠ সহায়ক)*

# আপোনাৰ ভাল হওক ....প্ৰসংগ ঃ এচ. এন. দাস ছাৰ

বোধেন কুমাৰ শইকীয়া

এজন ব্যক্তি কেতিয়াবা হৈ পৰে এক বৃহৎ অনুষ্ঠান, তেতিয়া সেই ব্যক্তিজনৰ সুবিশাল ব্যক্তিত্বৰ পৰিধিত অন্তঃস্থিত হৈ সুন্দৰভাৱে অৱলোকন কৰিব পাৰি মানুহৰ সামাজিক দায়বদ্ধতা আৰু সামগ্ৰিক উন্নয়নৰ লেখ। ব্যক্তিত্বৰ আকাশলংঘী উচ্চতাই তেনে ব্যক্তিক প্ৰদান কৰে অফুৰন্ত কৰ্মপ্ৰেৰণা আৰু সেই কৰ্মপ্ৰেৰণাই ভাস্বৰ কৰি তোলে সামূহিক উন্নয়নৰ পৰিকাঠামো। ক্ৰমে কৃতকাৰ্য্যতাৰ প্ৰশান্তিৰ প্ৰচ্ছায়াত জিৰণি ল'ব পৰা হয় সমাজৰ অন্যান্য ব্যক্তি। ঠিক তেনে ব্যক্তিত্বৰ অধিকাৰীৰ সংখ্যা যে নিচেই তাকৰ ই সত্য।

তথাপিও আমি জীৱনৰ বাটত লগ পাওঁ তেনে ব্যক্তিসকলক। লগ পাওঁ মানে দেখা-দেখি হয়, কুশল মংগল বাৰ্তা দিয়া-লোৱা হয়, উপদেশ গ্ৰহণ কৰা হয় আৰু শ্ৰদ্ধাত অন্তৰৰ শক্তিক উজ্জীৱিত কৰি পুনৰ কৰ্তব্যৰ পথত আগবাঢ়ি যোৱা হয়। তেনে এজন ব্যক্তি হ'ল বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস ছাৰ, চমুকৈ এচ. এন. দাস ছাৰ। এক বিশাল অনুষ্ঠান সদৃশ এইজনা ব্যক্তিৰ নিৰলস কৰ্তব্যনিষ্ঠা আৰু গভীৰ দায়িত্বশীলতাই অঞ্চলৰ (বৰপেটাৰোড আৰু হাউলী) ৰাইজৰ প্ৰশংসনীয় প্ৰচেষ্টাৰ লগ হৈ এখনি উল্লেখনীয় কলেজৰ বৰভেঁটি নিৰ্মাণত সফল হয়। ১৯৬৫-৬৬ চনৰ সময়ছোৱাত বজালী মহাবিদ্যালয়ৰ পৰা



শিক্ষকতাৰ কাম বাদ দি তেখেতে বৰপেটা জিলাৰ বৰ্তমানৰ বেছ আগবঢ়া দুটা অঞ্চলক সামৰি বৰপেটাৰোড নগৰ আৰু হাউলী নগৰৰ ঠিক মাজৰ প্ৰকৃতিৰ কৃপাধন্য এক অঞ্চলত উচ্চ শিক্ষাৰ উত্তৰণৰ বাবে এক বিশ্বাসযোগ্য আৰু সবল তথা সফল অনুষ্ঠান বি. এইচ. কলেজ স্থাপন কৰে। ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত চালে চকুৰোৱা এক মনোৰম বিদ্যামন্দিৰ বি. এইচ. কলেজক দেখি দূৰণিলৈ যোৱা অচিন বাটৰুৱাৰ অন্তৰতো কণমান হ'লেও শ্ৰদ্ধাৰ ভাৱ উদ্ৰেক কৰে সেই সকল ব্যক্তিৰ জীৱন দৰ্শনৰ ওপৰত, যিসকলে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি প্ৰতিষ্ঠা কৰি গ'ল বি. এইচ. কলেজ। অৱশ্যে সেইসকল বিশাল অন্তৰৰ ব্যক্তিৰ ভিতৰত শ্ৰীযুত এচ. এন. দাস যে আছিল— the first among the equal (সমান সকলৰ মাজত প্ৰথম, ই সত্য)।

দিনচেৰেকৰ আগতে এচ. এন. দাস ছাৰৰ ঘৰত এক বিবাহ অনুষ্ঠানলৈ গৈ গম পাইছিলোঁ যে ছাৰৰ গাটো আগৰাতিৰ পৰা বেয়া হোৱাত গুৱাহাটীৰ ডাউন-টাউন হস্পিটেলত ভৰ্ত্তি কৰা হ'ল। কথাটো শুনি অন্তৰখন বিষাদগ্ৰস্ততাৰে ভৰি গৈছিল। ঈশ্বৰৰ ওচৰত ছাৰৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিছিলোঁ। অন্তৰতে প্ৰবোধ লৈছিলোঁ যে ছাৰৰ ভাল হ'ব। খবৰটো মই ছাৰৰ বহুকেইজন শুভাকাংক্ষীক দিছিলোঁ আৰু প্ৰতিজন শুভাকাংক্ষীয়েই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছিল যে ছাৰৰ ভাল হওক। সঁচাই, পৰমেশ্বৰৰ কৃপাদৃষ্টিত ছাৰ লাহে-লাহে ভাল হৈ আহিল। এক তীব্ৰ আশাবাদেৰে মনটো ভৰাই পেলালে এইবাবেই যে এচ. এন. দাস ছাৰক আকৌ আগৰদৰে দেখা পাম তেখেতৰ ঘৰৰ বহল বাৰাণ্ডাৰ সন্মুখত এখন কাকত আলোচনী বা কিতাপ লৈ তামোল চোবাই ৰসাস্বাদন কৰি গৈছে জীৱন আৰু জগত সম্পৰ্কে ইটো সিটো বহুতো কথা।

এচ. এন. দাস ছাৰৰ গতিশীল আৰু শাৰীৰিক অৱয়ব দেখিলে কোনেও বিশ্বাস নকৰিব যে তেখেত এজন বয়সীয়া মানুহ। পকা চুলি

আৰু সুন্দৰ শাৰীৰিক গাঁথনিৰে পৰিপাট্য স্বভাৱৰ এজন ভদ্ৰলোক হিচাপে দাস ছাৰৰ আচৰণ আৰু কথা কোৱাৰ ধৰণটো সঁচাই মনোগ্ৰাহী। অৰ্থবিজ্ঞানৰ এজন আগ্ৰহী ছাত্ৰ হিচাপে আৰু এসময়ত আকৰ্ষণীয় শিক্ষক হিচাপে দাস ছাৰৰ সুনাম আছে। অৰ্থবিজ্ঞানৰ এখনি গ্ৰন্থ লিখি ছাত্ৰ-ছাত্ৰীৰ বাবে উপকাৰ কৰি গৈছে। সুনিপুণ কৰ্মদক্ষতা আৰু প্ৰস্তুত তাই দাস ছাৰক এসময়ত অসমৰ এজন নামজ্বলা অধ্যক্ষ হোৱাত সহায় কৰিছিল। প্ৰিন্সিপাল এচ. এন. দাস আছিল অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে এক জনপ্ৰিয় নাম। এটা সময় আছিল যি সময়ত এজন অধ্যক্ষৰ কৰ্তব্যপৰায়ণতাই এখন শিক্ষানুষ্ঠানক প্ৰগতিৰ শিখৰলৈ লৈ যাব পাৰে যেনে বিপিনপাল দাসৰ দৰং কলেজ, ভগৱান লহকৰৰ গুৱাহাটী কমাৰ্চ কলেজ, যজ্ঞেশ্বৰ শৰ্মাৰ নগাঁও কলেজ, প্ৰবীন শৰ্মাৰ পাণ্ডু কলেজ। ঠিক তেনেদৰে এচ. এন. দাসৰ বি. এইচ. কলেজ।

নক'লেও হ'ব এচ. এন. দাসৰ পৰিচালনা সম্পৰ্কীয় দক্ষতাৰ কথা। এশৰো অধিক শিক্ষক আৰু কৰ্মচাৰী, প্ৰায় আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ এখনি কলেজ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ যি পৰিচালনা দক্ষতাৰ প্ৰয়োজন তাৰ যোল্ল অনাই আছিল এচ. এন. দাসৰ। তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল দলবদ্ধ কৰ্মৰ গুৰুত্ব আৰু কৃতকাৰ্য্যতা। তেখেতৰ সৰ্বগুণ পৰিচালনা (Total Quality Management) যে সৰ্বগুণ মানসিকতাৰ (Total Quality Mind) দ্বাৰা লাভ হৈছিল সেয়া নিখুঁত পৰিচালনা দক্ষতাৰ পৰাই পৰিষ্কাৰ হয়। যিদৰে ছাৰ চন্দ্ৰশেখৰ ভেংকটৰমণ অথবা সত্যেন বোসে কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষাগাৰতেই বিশ্বৰ চমকপ্ৰদ বৈজ্ঞানিক আৱিষ্কাৰসমূহ কৰিব পাৰিছিল, ঠিক তেনেদৰেই এচ. এন. দাসেও আমাৰ গতানুগতিক সমাজখনৰ মাজতে থাকিয়েই উজ্জ্বল কৰ্মৰাজিৰে সমাজৰ বাবে যে ভাল কাম কৰিব পাৰি তাৰ সুন্দৰ নিদৰ্শন দেখুৱাই দিছে। সঁচা অৰ্থত কৰ্মোদ্যমী



আছিল এচ.এন. দাস। গীতাৰ অমূল্য বাণী, "স্বধৰ্ম নিধনং শ্ৰেয়ঃ পৰধৰ্ম ভয়াবহঃ" কথাষাৰি দাস ছাৰে অনুধাৱন কৰিছিল, যাৰ জৰিয়তে তেখেতৰ কৰ্মৰাজিত আমি বিচাৰি পাও— Fairness with firmness.

ত্যাগৰ মনোবৃত্তি অন্তৰত নিমজ্জিত হৈ নাথাকিলে সমাজত ভাল কাম নহয়। বৰ্তমানৰ জটিল সমাজ ব্যৱস্থাত আমাৰ সবাতোকৈ ডাঙৰ অভাৱ হৈছে সদালাপী আৰু ত্যাগী তথা দূৰদৃষ্টি সম্পন্ন মানুহৰ। এনে এক অভাৱগ্ৰস্ত সময়ত শ্ৰীযুত এচ.এন. দাসৰ দৰে ব্যক্তিসকল যে আমাৰ বাবে 'সম্পদ'ই নিঃসন্দেহে সঁচা। তেখেতে নিজেও উপলব্ধি কৰে যে "Society has given us much, but we have not returned that much."। সেই উপলব্ধিৰেই আজিও সচেতন নাগৰিক হিচাপে পৰিচয় দিছে শ্ৰীযুত এচ. এন. দাসে। তৰাং মস্তিষ্কৰ, কামত ফাঁকি দিয়া মানুহে যে তেখেতৰ মুখামুখি হ'বলৈ ভয় কৰে সেয়াও তেখেতৰ সবল ব্যক্তিত্বৰেই ফচল। বৰ্তমান তেখেতৰ যে প্ৰিয় সংগী কিতাপ সেয়া তেখেতৰ অধ্যয়নপুষ্ট মনটোৰ পৰাই বুজিব পাৰি।

<u>অন্য কিছু উপলব্ধি ঃ</u>

**এক ঃ অসমৰ সৌৰভ এচ. এন. দাস**

বৰপেটাৰোডৰ পৰা প্ৰকাশিত সপ্তাহিক কাকত 'সাম্প্ৰতিক'ৰ সম্পাদনা কক্ষত এদিন আমি কৈছিলোঁ যে আপোনাসৰে যি 'নামনিৰ সৌৰভ' নামৰ এটি শিতানৰ যোগেদি নামনি অসমৰ উজ্জ্বল ব্যক্তি একাংশৰ ফটো প্ৰকাশ কৰিছিল সেয়া প্ৰশংসনীয় পদক্ষেপ। চীনা প্ৰবাদ এটি আছে যে এখন ছবি এহেজাৰ শব্দতকৈয়ো বেছি অৰ্থবহ।

আমাৰ বোধেৰে নামনিৰ কিয়, অসমৰেই সৌৰভ শ্ৰীযুত সত্যনাথ দাস। গতিকে এখন ছবি দাঙি ধৰিব পাৰি। অৱশ্যে ছবিখন আঁকিবলৈ

চেষ্টা কৰা হ'ল শব্দেৰে আৰু সংযোজনেৰে ছবিখন আৰু বেছি উজ্জ্বল যে কৰিব পাৰি, ই নিঃসন্দেহে সত্য।

**দুই ঃ এজন পৰিচিত ব্যক্তি এচ. এন. দাস**

বাৰ্তালাপত এদিনাখন প্ৰসিদ্ধ সাহিত্যিক হোমেন বৰগোহাঞিদেৱে বৰপেটাৰ কথা ওলাওতে আমাক সুধিলে "দাসৰ বা খবৰ কি?" মাজে মাজে অন্যান্য দিগ্‌গজ ব্যক্তিৰ মুখতো শুনিবলৈ পাওঁ শ্ৰীযুত এচ. এন. দাসৰ কথা।

এই যে পৰিচিত, জনপ্ৰিয় এইবোৰ যে তেখেতৰ নিৰলস কৰ্মকুশলতাৰ উপ-উৎপাদন ই সঁচা।

**তিনি ঃ ছাৰ আপোনাৰ ভাল হওঁক**

অসমীয়া মানুহৰ এটা বদনামৰ কথা সততে শুনিবলৈ পোৱা যায় যে গুণীক বাদ দি নিৰ্গুণা, জ্ঞানীক বাদ দি মূৰ্খক, জীৱিতক বাদ দি মৃতক সন্মান কৰি ভাল পায়। ধাৰাটো যদি মানি থকা যায় বৰ ভুল কৰা হ'ব। শ্ৰীযুত এচ.এন. দাস সমাজৰ বাবে এক উজ্জ্বল আদৰ্শ। তেখেতৰ ভাল হওক— এয়া আমাৰ কামনা।

*(লেখক বি. এইচ্. কলেজৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন সহকাৰী অধ্যাপক তথা মৰিগাঁও কলেজৰ সহকাৰী অধ্যাপক)*



# যাৰ কথা লিখিবলৈ ভয় লাগে

ড° চুলতান আলী আহমেদ

সত্যনাথ দাস ছাৰৰ বিষয়ে আমি কিবা লিখিব খোজাটো আমাৰ বাবে এক প্ৰকাৰ ধৃষ্টতাস্বৰূপ। তেখেতৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ বিশ্লেষণ কৰিব পৰাকৈ যিখিনি মেধা আৰু যোগ্যতাৰ আৱশ্যক সেইখিনিয়ে মোৰ মাজত একেবাৰেই নাই সেই সম্পৰ্কে মই এশ শতাংশ নিশ্চিত। তথাপিও ছাৰৰ বিষয়ে প্ৰকাশ পাবলগীয়া অভিনন্দন গ্ৰন্থখনৰ বাবে কিবা অলপ লিখিবলৈ সুযোগ পোৱাটোক মই মোৰ সৌভাগ্য বুলিয়েই গণ্য কৰোঁ। একেবাৰে সৰুৰে পৰা তেখেতৰ ব্যক্তিত্ব আৰু গুণাৱলীয়ে মোক মোহাৱিষ্ট কৰি ৰাখিছে। অথচ সেই ব্যক্তিত্বৰ প্ৰখৰতাৰ বাবে মই তেখেতৰ খুব ঘনিষ্ঠ সংস্পৰ্শলৈ আহিবলৈ কেতিয়াও সাহস গোটাব পৰা নাই। এদিনাখন ছাৰৰ ওচৰলৈ যাওঁতে ছাৰে কৈছিল— গাঁওৰ ল'ৰাবোৰো মোৰ ওচৰত বৰকৈ নাহে, মোক কিবা ভয় কৰে নেকি? আচলতে ভয় নহয়— এয়া হৈছে তেখেতৰ ব্যক্তিত্বৰ প্ৰতি সকলোৰে সমীহ আৰু সম্ভ্ৰম।

(২)

বি. এইচ. কলেজখন আমাৰ ঘৰৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দূৰত। সেয়েহে খুব সৰুতেই সত্যনাথ দাস ছাৰক দূৰৰ পৰা দেখাৰ সৌভাগ্য আমাৰ হৈছিল। আমি যেতিয়া এল. পি. স্কুলৰ তৃতীয় বা চতুৰ্থ শ্ৰেণীত

পঢ়িছিলোঁ তেতিয়াৰ পৰা বি. এইচ. কলেজলৈ আমাৰ আহ্-যাহ আৰম্ভ হৈছিল। কলেজৰ বাৰ্ষিক নৱাগত আদৰণী সভা, কলেজ সপ্তাহৰ বঁটা বিতৰণী সভা আৰু ফাতেহা-ই-দোৱাজ-দহমৰ অনুষ্ঠানসমূহ আমি প্ৰায় নিয়মীয়াকৈ চাবলৈ আহিছিলোঁ। আমাৰ বাবে তেতিয়া মূল আকৰ্ষণ আছিল 'টোপোলা' বা 'পেকেট'। অৰ্থাৎ এই অনুষ্ঠানবোৰত সকলোকে লঘু আহাৰৰ টোপোলা এটা প্ৰদান কৰা হৈছিল। মূলতঃ সেই টোপোলা পোৱাৰ আনন্দত আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ উপভোগ কৰাৰ আনন্দত আমি কলেজলৈ আহিছিলোঁ। অকল আমিয়েই নহয়— সেই সময়ৰ ওচৰ-চুবুৰীয়া সকলো গাঁওৰ মানুহেই বি. এইচ. কলেজৰ অনুষ্ঠানসমূহ উপভোগ কৰিছিল।

সি যি কি নহওঁক তেতিয়াই আমি বি. এইচ. কলেজৰ অধ্যক্ষ সত্যনাথ দাস ছাৰৰ কথা-বতৰা, খোজ-কাটল, দেহ-ভংগিমা আদি দেখি মুগ্ধ হৈছিলোঁ। ছাৰৰ কথা-বতৰাবোৰ শুনিবলৈ অতি শুৱলা আৰু সুমধুৰ আছিল। তদুপৰি ছাৰ আছিল অতি দেখনিয়াৰ মানুহ। স্বাভাৱিকতকৈ সামান্য ওখ, আটিল দেহৰ সুদৰ্শন চেহেৰাৰ মানুহ আছিল তেখেত। সদায়ে তামোল খাই থাকিছিল যদিও সেই তামোল খোৱাৰ মাজেদিও এক সৌন্দৰ্য ফুটি উঠিছিল।

বি. এইচ. কলেজৰ কাষৰে বৰবাৰীঝাৰ হাইস্কুল আৰু কবিৰাজ পি. চি. পাঠক এম. ই. স্কুলত মই পঢ়িছিলোঁ। পঞ্চম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ সুদীৰ্ঘ ছয় বছৰ মই এই স্কুলত পঢ়িছিলোঁ। সেই সময়ত স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি আছিল সত্যনাথ দাস ছাৰ। গতিকে স্কুলৰ বছৰেকীয়া বঁটা বিতৰণী সভাত সদায় সত্যনাথ দাস ছাৰে সভাপতিত্ব কৰিছিল। মই আন কোনো বঁটা পোৱা নাছিলো যদিও শ্ৰেণীত প্ৰথম হোৱাৰ বঁটা লাভ কৰিছিলোঁ আৰু সেই বঁটা দাস ছাৰৰ পৰা গ্ৰহণ কৰিছিলোঁ। তেতিয়াও স্কুলৰ বঁটা বিতৰণী সভাৰ মুখ্য আকৰ্ষণ আছিল সত্যনাথ দাস



ছাৰৰ সাৰুৱা পৰামৰ্শখিনি। যদিও সভাপতি হিচাপে ছাৰে একেবাৰে শেষতহে কথাখিনি ক'ব পাৰিছিল তথাপিও তেখেতৰ কথাখিনি শুনিবলৈ পৰম আগ্ৰহেৰে আমি সভাৰ শেষলৈকে ৰৈ আছিলোঁ। ১৯৯১ চনৰ বৰবাৰীঝাৰ হাইস্কুলৰ পৰা ষ্টাৰ নম্বৰ লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লো। উক্ত স্কুলৰ পৰা ষ্টাৰ নম্বৰ লাভ কৰাময়েই প্ৰথম ছাত্ৰ। বঁটা বিতৰণী সভাত সত্যনাথ দাস ছাৰ নিজে উপস্থিত থাকি মোক বঁটা প্ৰদান কৰিলে।

(৩)

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিম বুলি ভাৱিছিলোঁ। এই লৈ ঘৰত বহুতো আলাপ-আলোচনা হ'ল। কিন্তু শেষত সিদ্ধান্ত হ'ল যে বি. এইচ. কলেজতে কলা শাখাত নামভৰ্তি কৰিম। সেইমতে নামভৰ্তি কৰিলোঁ। সত্যনাথ দাস ছাৰক সদায় দেখি থাকো যদিও ছাৰৰ ওচৰ চাপিবলৈ সাহস নহয়। ছাৰৰ কোঠাৰ সন্মুখৰ কৰিডৰেদি যাবলৈয়ে ভয় লাগে। কেতিয়াবা দূৰৈৰ পৰা ছাৰক এফালেদি আহি থকা দেখিলে আমি সেই মুৱা নহৈছিলোঁ। এদিন ১০ নম্বৰ কোঠাৰ সন্মুখৰ বাৰাণ্ডাত ছাৰ বহি আছিল আৰু আৰবী বিভাগৰ দেৱান আব্দুল কাদিৰ ছাৰৰ লগত কিবা কথা পাতি আছিল। সেই পিনেদি কিবা কাৰণত পাৰ হৈ যাব লগীয়া হ'ল। খুব সংকোচ ভাৱেৰে তলমুৱা হৈ পাৰ হৈ যাবলৈ চেষ্টা কৰিলো। কিন্তু ছাৰে নিজেই মাত লগালে। 'কি খবৰ, পঢ়া-শুনা কেনে?'— মাত্ৰ এইখিনিয়েই। কিন্তু ছাৰৰ সেই কথাখিনিয়ে মনত প্ৰেৰণা দিয়াৰ কাৰণে যথেষ্ট আছিল।

মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত পঢ়ি থাকোতেই কলেজৰ ৰূপালী জয়ন্তী হৈছিল। তাৰিখকেইটা আছিল ৮, ৯ আৰু ১০ ডিচেম্বৰ। সেই ৰূপালী জয়ন্তী আমি খুব আনন্দেৰে উপভোগ কৰিছিলো। কুইজ

প্ৰতিযোগিতাত আমাৰ দলটো প্ৰথম হৈছিল। মোৰ লগত আছিল দেৱিকা দত্ত বাইদেউ আৰু বন্ধু ফাৰুক আব্দুল্লাহ। সেইটোৱে মনৰ আনন্দ আৰু অধিক বৃদ্ধি কৰিলে। সেই ৰূপালী জয়ন্তীৰ 'স্মৃতিগ্ৰন্থ'ৰ এটা লেখা পঢ়ি সত্যনাথ দাস ছাৰৰ প্ৰতি শ্ৰদ্ধা আৰু বাঢ়ি গ'ল। লেখাটো লিখিছিল অসম অসামৰিক সেৱাৰ বিষয়া হেমেন দাসে। তেখেত এতিয়া মৰিগাঁও জিলাৰ উপায়ুক্ত। তাত লিখিছিল যে সত্যনাথ দাস ছাৰৰ মেট্ৰিক পৰীক্ষা দিবৰ সময়ত দেউতাকৰ অসুখ হোৱা বাবে পথাৰত হাল বাব লগা হৈছিল। কিয়নো সময়ত খেতি নকৰিলে গোটেই পৰিয়ালটো পিছলৈ লঘোনে থাকিব লাগিব। কিন্তু এনেদৰে খেতিৰ কাম কৰি মেট্ৰিক পৰীক্ষা দিও তেখেত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছিল ১৯৫৫ চনত। সেই সময়ত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা আজিকালিৰ 'ষ্টেণ্ড' কৰাতকৈও ওপৰত। তেতিয়াই ভাবিছিলোঁ মানুহজনে ইচ্ছা কৰা হ'লে বহু বেছি ওপৰলৈ যাব পাৰিলেহেঁতেন। কিন্তু বি. এইচ. কলেজখনক এখন আদৰ্শ অনুষ্ঠান হিচাপে গঢ়ি তোলাকে তেখেতে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিলে। সেইবাবেই তেখেতৰ প্ৰতি অধিক শ্ৰদ্ধা অনুভৱ কৰিবলৈ ধৰিলোঁ।

(৪)

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত পঢ়ি থাকোতে এদিনাখন মহন্ত ছাৰে (দৰ্শন বিভাগৰ অধ্যাপক স্বৰ্গীয় কৃষ্ণ কিংকৰ মহন্ত) মোক বাৰাণ্ডাত দেখা পাই ক'লে, 'তোক প্ৰিন্সিপালে মাতিছে।' ভয়ত মোৰ বুকু কঁপি উঠিল। ক'ৰবাত কিবা জগৰ লগাইছোঁ নেকি মনত পেলাবলৈ চেষ্টা কৰিলোঁ। মহন্ত ছাৰৰ অতি প্ৰিয় ছাত্ৰ আছিল মোৰ দেউতা (মধ্য কামৰূপ কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক আব্দুল ওৱাৰেছ।) মোৰ দেউতা যিহেতু দৰ্শনৰ ছাত্ৰ আছিল আৰু মহন্ত ছাৰৰ প্ৰথম বেটছ (Batch)ৰ ছাত্ৰ আছিল সেইবাবে দেউতাৰ প্ৰতি ছাৰৰ বিশেষ মৰম আছিল আৰু সেই সূত্ৰে



ছাৰে মোকো যথেষ্ট মৰম আৰু শাসন কৰিছিল। মহন্ত ছাৰৰ কথা অনুসৰি মই পিছদিনা সত্যনাথ দাস ছাৰক তেখেতৰ অধ্যক্ষৰ কোঠাত লগ ধৰিলো। মোক ছাৰে মোৰ পঢ়া-শুনাৰ খবৰ সুধিলে। তেখেতক মাজে মাজে লগ কৰিবলৈ পৰামৰ্শ দিলে। ছাৰে ক'লে যে, "ইকনমিক্সৰ কিবা বুজিব লগা থাকিলে মোৰ ওচৰলৈ আহিবা। আবেলি সময়ত মোৰ চেম্বাৰত।" ছাৰ অৰ্থনীতি বিষয়ৰ অতি ভাল শিক্ষক আছিল বুলি শুনিছিলোঁ। অৰ্থনীতিৰ কিতাপো লিখিছিল। এদিনাখন ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ড° ৰমেন্দ্ৰ কুমাৰ দাস ছাৰে সত্যনাথ দাস ছাৰৰ অৰ্থনীতিৰ কিতাপখন ক্লাছলৈ লৈ গৈ আমাক দেখুৱাইছিল আৰু আমাক সেইখন পঢ়িবলৈ পৰামৰ্শ দিছিল। মই কিতাপখন কলেজৰ লাইব্ৰেৰীৰ পৰা সংগ্ৰহ কৰি পঢ়িছিলোঁ। সত্যনাথ দাস ছাৰে হয়তো মোৰ পৰা খুব ভাল ৰিজাল্ট এটা আশা কৰি মোৰ খা-খবৰ ৰাখিছিল। মোক 'ষ্টেণ্ড' কৰাৰ সম্ভাৱনা থকা ছাত্ৰ বুলি ভাবিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ মই অলপ নম্বৰৰ কাৰণে 'ষ্টেণ্ড' কৰিব নোৱাৰিলো। দুটামান বিষয়ত আশা কৰাতকৈ বহুত কম নম্বৰ পালোঁ। ৰিজাল্টৰ পিছত দেউতা আৰু মই গৈ ছাৰক লগ কৰিলো। ছাৰে Rechecking কৰিবলৈ পৰামৰ্শ দিলে— কিন্তু ক'লে যে Rechecking মানে তেওঁলোকে বহীখন পুনৰ Examine কৰি নম্বৰ বঢ়াই নিদিয়ে। যদি নম্বৰ যোগ কৰোঁতে কিবা ভুল হৈছে বা নম্বৰ বাদ পৰিছে সেইটোহে চাব। তথাপিও Rechecking কৰিলোঁ। কিন্তু কোনো লাভ নহ'ল।

(৫)

২০০২ চনৰ ৬ আগষ্ট তাৰিখে 'আচাম ট্ৰিবিউন' কাকতত এটা বিজ্ঞাপন ওলাল। বি. এইচ. কলেজত ইংৰাজী বিভাগত অমঞ্জুৰীকৃত পদত এজন প্ৰবক্তা নিযুক্তি দিয়া হ'ব। গতিকে পৰিয়ালৰ পৰা হেঁচা আহিল মই আবেদন কৰিব লাগে। মই নিজে কিবা-কিবি প্ৰতিযোগিতামুলক পৰীক্ষাৰ

প্ৰস্তুতি চলাই আছিলো আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত পি এইচ. ডি.ত নামভৰ্তি কৰিছিলোঁ। গতিকে কি কৰিম নকৰিম ভাবি আছোঁ। ইতিমধ্যে এটা কথা গম পাইছিলোঁ যে সত্যনাথ দাস ছাৰৰ এজনী ছোৱালী ইংৰাজী বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু উক্ত প্ৰবক্তা পদৰ বাবে সম্পূৰ্ণ অৰ্হতাসম্পন্ন। সত্যনাথ দাস ছাৰে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে। কিন্তু বি. এইচ্. কলেজৰ প্ৰতি তেখেতৰ ইমানখিনি অৱদান থকাৰ পিছতো তেখেতৰ পৰিয়ালৰ কোনো সদস্য কলেজত চাকৰি কৰি থকা নাই। মই অনুমান কৰিলোঁ যে সকলোখিনি যোগ্যতা আছে যিহেতু সত্যনাথ দাস ছাৰৰ ছোৱালীক ইংৰাজী বিভাগৰ অমঞ্জুৰীকৃত পদটোত নিযুক্তি দিয়াৰ সম্ভাৱনা আছে। সেয়েহে মই আবেদন কৰিও কিবা লাভ হ'ব জানো? সেই সময়ৰ অধ্যক্ষ ড° ৰমেন্দ্ৰ কুমাৰ দাস ছাৰক দেখা কৰাত ছাৰে মোক আবেদন কৰিবলৈ ক'লে। আমাৰ চিনাকি পৰিচালনা সমিতিৰ সদস্য দুগৰাকীমানেও আবেদন কৰিবলৈ ক'লে। সেইমতে আবেদন কৰিলোঁ। অমঞ্জুৰীকৃত পদত মুঠ ২৪ গৰাকী প্ৰাৰ্থী আছিল। যিকেইগৰাকী ব্যক্তিৰে ইন্টাৰভিউ বোৰ্ডখন গঠন কৰা হৈছিল তাৰ ভিতৰত সত্যনাথ দাস ছাৰো আছিল। আৰু ইংৰাজী বিষয়ৰ প্ৰবক্তাৰ সাক্ষাৎকাৰৰ দিনাখন বড়ো আৰু অংক বিষয়ৰ প্ৰবক্তাৰ পদৰ বাবেও সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। আগবেলা বড়ো আৰু অংকৰ প্ৰবক্তাৰ বাবে সাক্ষাৎকাৰ আৰু পিছবেলা ইংৰাজী প্ৰবক্তাৰ বাবে সাক্ষাৎকাৰ আছিল। আগবেলাৰ সাক্ষাৎকাৰত সত্যনাথ দাস ছাৰ ইন্টাৰভিউ বোৰ্ডত উপস্থিত থাকিল যদিও পিছবেলা ইংৰাজী বিভাগৰ সাক্ষাৎকাৰৰ সময়ত তেখেতে বেলেগ এটা কোঠাত অকলে বহি থাকিল। নিজৰ জীয়ৰী চাকৰিপ্ৰাৰ্থী হোৱা বাবেই তেখেত ইন্টাৰভিউ বোৰ্ডৰ মেম্বাৰ হৈও ইন্টাৰভিউত উপস্থিত নাথাকিল। এই কাৰ্যই তেখেতৰ নীতিনিষ্ঠতা আৰু মহানুভৱতাক প্ৰতিপন্ন কৰিলে। ইন্টাৰভিউৰ জৰিয়তে বাছনি কৰি উক্ত প্ৰবক্তা পদত



মোক নিযুক্তি দিয়া হ'ল। অথচ উক্ত পদত সত্যনাথ দাস ছাৰৰ ছোৱালীক নিযুক্তি দিলেও মোৰ ফালৰ পৰা আপত্তি কৰিবলগীয়া কথা একো নাছিল। কিন্তু বি. এইচ. কলেজত শিক্ষক নিযুক্তিত এটা স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়া তেখেতেই প্ৰতিষ্ঠা কৰি থৈ গৈছে আৰু সেই পৰম্পৰাৰ সৈতে তেখেতে আপোচ কৰিবলৈ প্ৰস্তুত নাছিল। এই ঘটনাৰ পিছত সত্যনাথ দাস ছাৰৰ প্ৰতি মোৰ শ্ৰদ্ধা পূৰ্বতকৈ বৃদ্ধি পালে।

(৬)

বি. এইচ. কলেজত প্ৰবক্তা হিচাপে যোগদান কৰাৰ পিছত প্ৰায়েই অসমৰ বিভিন্ন ঠাইলৈ যাব লগা হয়। তেতিয়া বি. এইচ. কলেজ বুলি শুনিলে সকলোৱে 'সত্য দাসৰ কলেজ' বুলি কয় এতিয়াও। তেখেতে কলেজখনক যি প্ৰতিষ্ঠা দি থৈ গ'ল সেইটো তাৰেই চিৰস্থায়ী প্ৰভাৱ বুলি মই ভাৱো। নগাঁও কলেজ বুলি ক'লে যেনেদৰে যজ্ঞেশ্বৰ শৰ্মা, দৰং কলেজ মানে বিপিনপাল দাস, নগাঁও ছোৱালী কলেজ মানে মহেশ চন্দ্ৰ দেৱগোস্বামী, শিৱসাগৰ কলেজ মানে পৰাগধৰ চলিহা তেনেদৰে বি. এইচ. কলেজ মানে সত্যনাথ দাস। তেখেতো উক্ত ব্যক্তিসকলৰ সমপৰ্য্যায়ৰ আৰু সমপ্ৰতিভা সম্পন্ন ব্যক্তি বুলি মই ভাৱো।

(৭)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক আৰু বৰ্তমানে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ শংকৰদেৱ আসনৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী ছাৰক মই যেতিয়াই কিবা কাৰণত ফোন কৰোঁ ছাৰে মোক সত্যনাথ দাস ছাৰৰ বিষয়ে সোধে। দেৱগোস্বামী ছাৰ ১৯৯২ চনত বি. এইচ. কলেজলৈ আহিছিল বাৰ্ষিক বঁটা বিতৰণী সভাত আৰু তাতেই সত্যনাথ দাস ছাৰক লগ পাইছিল। সেই এবাৰেই লগ পাইছিল কিন্তু এতিয়াও দেৱগোস্বামী ছাৰে সত্যনাথ দাস ছাৰৰ স্মৃতিক পাহৰিব

পৰা নাই আৰু মই ফোন কৰিলেই ছাৰৰ খবৰ লয়। ইয়াকে কয় মানুহৰ ব্যক্তিত্বৰ অমোচনীয় ছাপ। কিছুমান মানুহক জীৱনত এবাৰ লগ পালেও পাহৰিব পৰা নাযায় আৰু আন কিছুমান মানুহক বহুবাৰ লগ পোৱাৰ পিছতো পাহৰি যোৱা যায়। সত্যনাথ দাস ছাৰক এবাৰ ভালকৈ লগ পোৱা মানুহেও তেওঁৰ ব্যক্তিত্বৰ প্ৰভাৱ কেতিয়াও পাহৰিব নোৱাৰে। সত্যনাথ দাস ছাৰক মই হাউলী বৰপেটাৰোড অঞ্চলত জন্ম গ্ৰহণ কৰা অসমৰ এক বিৰল প্ৰতিভা বুলি ভাবোঁ। লগতে এই বুলিও গৌৰৱ অনুভৱ কৰোঁ যে তেখেতৰ ঘৰৰ পৰা মাত্ৰ ২ কিলোমিটাৰ আঁতৰৰ চুবুৰীয়া গাঁওখনতে মোৰ জন্ম। সৰুৰে পৰা তেখেতক দেখা আৰু জনাৰ সৌভাগ্য মোৰ হৈছে। তেখেতৰ ব্যক্তিত্বৰ প্ৰভাৱ আৰু সান্নিধ্যই মোকো মোৰ দুৰ্বলখিনি অতিক্ৰম কৰি জীৱন বাটত আগুৱাই যাবলৈ উৎসাহিত কৰিব বুলি মই সদায় আশা কৰোঁ।

সদৌ শেষত তেখেতৰ দীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য কামনা কৰিলোঁ। তেখেতৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰিলোঁ।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ*
*তথা ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক)*



# সত্যনাথ দাস ছাৰৰ প্ৰবন্ধসমূহৰ ওপৰত এক চমু আলোকপাত

**মনহৰি বায়ন**

সত্যনাথ দাস ছাৰৰ বিষয়ে কিবা কোৱাৰ বা লেখাৰ সুযোগ আহিলে সততে আমাৰ মনত ভাহি উঠে এখন ছবি— য'ত তেখেতক দেখা পোৱা যায় এজন গম্ভীৰ, দৃঢ়মনা আৰু মৃদুভাষী ব্যক্তিত্বৰ অধিকাৰীৰ ৰূপত। সাধাৰণতে দৃঢ়মনা লোকসকলৰ মাজত লুকাই থকা সৰলতা আৰু মৃদুভাষী লোক সকলৰ অফুৰন্ত কৰ্মস্পৃহা এক ব্যতিক্ৰমী আৰু বিৰল ব্যক্তিত্বৰ চানেকি। এনেবোৰ গুণেৰে সমৃদ্ধ বাবেই সত্যনাথ দাস ছাৰ আমাৰ বাবে বৰণীয় আৰু অনুকৰণীয়। অথচ অনুসন্ধিৎসু সকলে তেখেতৰ স্বভাৱগত অল্পভাষিতাৰ বাবে তেওঁৰ বিষয়ে জানিবলৈ বা বুজিবলৈ তেওঁৰ লেখা সমূহৰ বাহিৰে অন্য বিকল্প বিচাৰি নাপায়।

কিন্তু সত্যনাথ দাস ছাৰৰ ক্ষেত্ৰত সমস্যাটো হ'ল-- আপাত দৃষ্টিত তেওঁ যিদৰে অল্পভাষী, তেওঁৰ লেখা সমূহো তেনে এক গণ্ডীৰ ভিতৰতে বন্দী-- য'ৰ পৰা তেখেতক আৱিষ্কাৰ কৰাটো সহজসাধ্য নহয়। তথাপি এনেহেন ব্যতিক্ৰমী ব্যক্তিত্বৰ বিষয়ে জানিবলৈ তেখেতৰ লেখা-মেলা সমূহত চকু ফুৰাওতে আৱিষ্কৃত হ'ল অন্য এজন সত্যনাথ দাস ছাৰ যাৰ গদ্য অতি শক্তিশালী, শব্দ চয়ন, বাক্য-গাঁথনি আৰু লেখাৰু হিচাপে

থাকিবলগীয়া সামাজিক দায়বদ্ধতাৰে সমৃদ্ধ এজন দায়িত্বশীল লেখক।

তেখেতৰ সৰহসংখ্যক প্ৰবন্ধ অঞ্চলটোৰ বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ আদিত সিঁচৰতি হৈ আছে। কেইটামান প্ৰবন্ধ বাতৰি কাকততো প্ৰকাশ পাইছে। ইয়াৰোপৰি বি. এইচ্. কলেজৰ বাৰ্ষিক আলোচনী সমূহৰ অধ্যক্ষৰ কলমত তেওঁ উন্মোচিত হৈছে এগৰাকী দিক্‌দৰ্শী লেখক হিচাপে। লেখক হিচাপে আলোচনা কৰিবলৈ গ'লে বিভিন্ন অনুষ্ঠানত তেওঁ পাঠ কৰা অভিভাষণসমূহো তেওঁৰ চিন্তা আৰু চেতনাৰ অন্যতম বাহকস্বৰূপ।

সত্যনাথ দাস ছাৰৰ বিভিন্ন লেখাসমূহৰ ওপৰত আলোকপাত কৰিলে তেখেতক এগৰাকী সমাজ দায়বদ্ধ লেখক হিচাপে অভিহিত কৰিব পাৰি। আমি জানো যে তেওঁ আছিল অৰ্থনীতিৰ ছাত্ৰ আৰু সেই সুবাদতে অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা অঞ্চলটোৰ সম্ভাৱনাপূৰ্ণ দিশসমূহ উন্মোচন কৰি ইয়াৰ ফলপ্ৰসু ৰূপায়ণৰ ওপৰত গুৰুত্ব দি প্ৰকাশ কৰা এটা অন্যতম লেখা হ'ল 'হাউলী অঞ্চলৰ অৰ্থনৈতিক উন্নতিৰ সম্ভাৱনা'। লেখাটোত তেখেতে জন্মকালৰে পৰা দেখি অহা এই অঞ্চলটোত উৎপাদিত কৃষিজাত কেঁচা সামগ্ৰীসমূহৰ সঠিক ব্যৱহাৰ কৰি কিদৰে স্বাৱলম্বী হ'ব পাৰি তাৰ ব্যাখ্যা বিতংভাবে আগবঢ়াইছে। তেওঁ অঞ্চলটোত সম্ভাৱনা থকা সোতৰটা কৃষিভিত্তিক উদ্যোগৰ কথা উল্লেখ কৰি সমাজৰ উঠি অহা ডেকা সকলক আহ্বান জনাইছে এইদৰে— "অতি সম্প্ৰতি নিজৰ ভৰিত নিজে থিয় দি আত্মনিৰ্ভৰশীল হৈ জীৱিকা নিৰ্বাহৰ পথ বাচি উলিয়াব নোৱৰিলে গত্যন্তৰ নাই..."। লেখাটোৰ আৰম্ভণিতে তেওঁৰ অকপট স্বীকাৰোক্তি "হাউলীবাসী ৰাইজৰ, বিশেষকৈ উঠি অহা শিক্ষিত, উদ্যমী ডেকাচামৰ দৃষ্টি আকৰ্ষণ কৰাই হ'ল এই নিবন্ধৰ মূল লক্ষ্য।" সন্দেহ নাই এই লেখাই অকল হাউলী অঞ্চলৰেই নহয় অসমৰ প্ৰতিজন নতুন প্ৰজন্মকে উৎসাহিত কৰিব। জন্মস্থানৰ প্ৰতি থকা এনে দায়বদ্ধতা তেখেতৰ ব্যতিক্ৰমী চিন্তাৰ গুৰুত্বপূৰ্ণ দিশ।



সত্যনাথ দাস ছাৰৰ দক্ষতা কেবলমাত্ৰ মহাবিদ্যালয় এখনৰ উন্নতি বা বিদ্যায়তনিক পৰিমণ্ডল সৃষ্টিৰ ক্ষেত্ৰতে সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি। মাতৃভূমিৰ প্ৰতি তেওঁ যথেষ্ট শ্ৰদ্ধাশীল আছিল। সেইবাবেই তেওঁ অসমীয়া ভাষা আৰু অসমৰ মাটি-পানীৰে গঢ় লোৱা আঞ্চলিক দলৰ অন্যতম পৃষ্ঠপোষক আছিল। বৰপেটা জিলা অধিবিদ্যা পৰিষদৰ একাদশ দ্বি-বাৰ্ষিক কয়াকুছি অধিৱেশনত পাঠ কৰা এক লিখিত ভাষণত আধুনিকতাৰ ধামখুমীয়াত উটি-ভাহি যাব খোজা শিক্ষক-অভিভাৱক সকলৰ প্ৰতি জনোৱা আহ্বানত অসমীয়া মাধ্যমৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধাশীলতাৰ উমান ল'ব পাৰি। ভাষণ প্ৰসঙ্গত তেওঁ উদ্বিগ্নতা প্ৰকাশ কৰি লিখিছিল— '...অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানবোৰৰ প্ৰতি, মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত শ্ৰেণীৰ ৰাইজৰ এক নিস্পৃহ, আবেগ মিশ্ৰিত অনীহা আৰু অমনোযোগিতা গা-কৰি উঠিছে। এই চিন্তা সঁচাকে সৰ্বনশীয়া। দেশৰ বাবে, মাটিৰ বাবে ই অত্যন্ত অহিতকাৰী।" অসমীয়া জাতীয় জীৱনৰ সংকটকালীন সময়ছোৱাত আৰু ইয়াক কেন্দ্ৰ কৰি সংঘটিত অনেক ঘটনা-পৰিঘটনাৰ তেওঁ আছিল নিচেই সমীপৰ সাক্ষী। সম্ভৱতঃ সেই বাবেই তেওঁ অসমত ছবছৰীয়া বিদেশী বিতাৰণ আন্দোলনৰ পটভূমিত গঠিত আঞ্চলিক দলৰ চিন্তাধাৰাৰ অন্যতম প্ৰবক্তা। আঞ্চলিক ৰাজনৈতিক দলৰ কৰ্তব্য সম্পৰ্কে লিখা প্ৰবন্ধ সমূহ এনে চিন্তা-চেতনাৰ অন্যতম সাক্ষী। আমাৰ আলোচনাৰ ৰাজনৈতিক বিষয়টোক সামৰি নোলোৱাৰ বাবে এই দিশটো ইয়াৰ পৰা নিলগাই ৰখা হ'ল।

প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ওপৰত সুতীক্ষ্ণ দৃষ্টিপাত তেওঁৰ লেখা সমূহৰ অন্য এক বিশেষত্ব। আমি দেখিছিলো যে, তেওঁ অন্য সকলৰ দৰে কেবল মাত্ৰ অধ্যক্ষৰ দায়িত্ব পালন কৰা মহাবিদ্যালয়ৰ এগৰাকী দক্ষ প্ৰশাসকেই নাছিল, তেওঁ আছিল শিক্ষক, মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা নিয়াৰিকৈ চলাই নিয়া ব্যৱস্থাৰ সৈতে ওতঃপ্ৰোতভাবে জড়িত এগৰাকী

নিয়ন্ত্ৰকো। অৰ্থাৎ অধ্যক্ষৰ দায়িত্ব পালন কৰাৰ উপৰিও তেওঁ শ্ৰেণীত শিক্ষাদানো কৰিছিল, সকলো ধৰণৰ পৰীক্ষা ব্যৱস্থা নিজস্বভাবে পৰিচালনাও কৰিছিল। যাৰ বাবেই নেকি তেওঁ প্ৰচলিত শিক্ষা পদ্ধতি, পৰীক্ষা ব্যৱস্থাৰ দোষ-ত্ৰুটিসমূহ পুংখানুপুংখভাবে অনুধাৱন কৰি ইয়াৰ পৰ্যালোচনা কৰাৰ সুযোগ পাইছিল। তেওঁৰ কেইটামান লেখাত তেনে নেতিবাচক দিশ সমূহৰ সুন্দৰ পৰ্যালোচনা কৰি ইয়াৰ ফলপ্ৰসু সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়। তেওঁৰ 'পৰীক্ষাৰ ফলাফল বনাম শিক্ষানুষ্ঠানৰ কৰ্মদিন' আৰু 'আমাৰ অসম' কাকতত প্ৰকাশিত 'পৰীক্ষাৰ ফলাফল বনাম পাঠ্যক্ৰম' শীৰ্ষক প্ৰবন্ধলানিত তেওঁৰ এনে ধৰণৰ শিক্ষা ব্যৱস্থাৰ ওপৰত কৰা মন্তব্য— 'আংশিক পাঠ্যক্ৰম শিকি সম্পূৰ্ণ পাঠ্যক্ৰমৰ ভিত্তিত যুগুত কৰা প্ৰশ্নকাকতৰ উত্তৰ লিখিব লগা হ'লে পৰীক্ষাৰ ফলাফল নিশ্চিতভাবে হতাশজনক হ'বই, ই স্বতঃসিদ্ধ কথা।" এই প্ৰবন্ধ সমূহত তেওঁ কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াই থৈ গৈছে। প্ৰায় দুই দশক পূৰ্বে আঙুলিয়াই দিয়া যিবোৰ পৰামৰ্শ এতিয়া চৰকাৰে কাৰ্যকৰী কৰাৰ বাবে প্ৰায় উঠি-পৰি লাগিছে। এই পৰামৰ্শ সমূহৰ ভিতৰত অনাৱশ্যকীয় বন্ধৰ দিন কৰ্তন কৰি পাঠদানৰ কৰ্মদিন বৃদ্ধি কৰা, শিক্ষানুষ্ঠানত অৰ্দ্ধছুটী বা সভা-সমিতি ডেৰ বা দুই বজাৰ আগতে অনুষ্ঠিত হ'ব দিব নালাগে, শৈক্ষিক কেলেণ্ডাৰ আগতীয়াকৈ উলিয়াব লাগে, দুৰ্বল বা ইচ্ছুক ছাত্ৰ-ছাত্ৰীক বন্ধ দিনত ওপৰঞ্চি পাঠদানৰ ব্যৱস্থা কৰিব লাগে আদি। পৰীক্ষাৰ ফলাফল বিলম্ব নোহোৱাৰ কাৰণে তেওঁ উল্লেখ কৰা পূৰ্বচৰ্ত্ত সমূহৰ ভিতৰত প্ৰবীন আৰু অভিজ্ঞ শিক্ষকক সামৰি পৰীক্ষাৰ বহীৰ মূল্যায়ন বাধ্যতামূলক কৰা, পৰীক্ষা আৰম্ভ হোৱাৰ পূৰ্বে নিয়ন্ত্ৰকে পৰীক্ষকৰ তালিকা অগ্ৰাধিকাৰ ভিত্তিত প্ৰস্তুত কৰা আদি যথেষ্ট গুৰুত্বপূৰ্ণ।

"শিক্ষক হিচাপে যিজন প্ৰকৃতাৰ্থত নিষ্ঠাবান, তেওঁ পিতৃ হিচাপে,



স্বামী হিচাপে, ভাতৃ হিচাপে, সমাজকৰ্মী হিচাপে বা বন্ধু হিচাপে কেতিয়াও ব্যভিচাৰী আৰু স্বাৰ্থপৰ হ'ব নোৱাৰে; ই স্বভাৱ বিৰোধী"— এই বাক্যশাৰী কোনো বিখ্যাত দাৰ্শনিকৰ নহয়। সত্যনাথ দাস ছাৰৰ 'জীৱনত কি শিকিলো' শীৰ্ষক লেখাত প্ৰকাশিত এই বাক্যশাৰীৰ মাজত দাস ছাৰ নিজে প্ৰতিবিম্বিত হোৱা দেখা গ'ল। মই ভাবো এয়া যেন তেওঁৰ জীৱন দৰ্শন। কাৰণ প্ৰবন্ধটোত তেওঁ জীৱনৰ কৃতকাৰ্যতা আৰু আনন্দৰ মূল চাবি-কাঠি বুলি যি নিষ্ঠা আৰু আন্তৰিকতাৰ কথা কৈছে— সেয়া আমি তেওঁৰ কৰ্মক্ষেত্ৰত নিচেই ওচৰৰ পৰা দেখিছো। তেওঁ বিশ্বাস কৰে—

Do all the good you can
In all the way you can
In all the places you can
At all the times you can
To all the people you can
As long as ever you can

আমি ভাবো এনে চিন্তা সেইসকল লোকেহে কৰিব পাৰে; যাৰ আছে কৰ্মৰ ওপৰত প্ৰবল বিশ্বাস, যি হ'ব পাৰে নিষ্ঠাবান। এয়া সুন্দৰতাৰ মন্ত্ৰ, যিয়ে জগত সুন্দৰ কৰে— জীৱন কৰে ধন্য। এনে জীৱনবোধ সম্পন্ন ব্যক্তিয়ে আকাশ চুব পাৰে— আনৰ কাৰণে হ'ব পাৰে বৰণীয় আৰু অনুকৰণীয়। মানুহে প্ৰকৃত সুখ বা আনন্দ লভিবৰ এয়াই মূলমন্ত্ৰ। 'জীৱনত কেনেকৈ সুখী হ'ব পাৰি' শীৰ্ষক প্ৰবন্ধটোত তেওঁ সুখ বা শান্তি লভিবৰ বাবে গৌতম বুদ্ধই নিৰ্দেশনা কৰা সম্যক দৃষ্টি, সজ কৰ্ম, সজ কাম্য, সজ মৰ্ম, সজ জীৱিকা, ব্যায়াম, সজ চিন্তা আৰু সমাধি— এই অষ্টমাৰ্গ বা পথ অনুসৰণ কৰিবলৈ সকলোকে আহ্বান জনাইছে। তেওঁৰ মতে— 'দুখৰ বিভিন্ন কাৰণবোৰ সাধাৰণীকৰণ কৰিলে দেখা যায় যে, ইয়াৰে মুখ্যতম

কাৰণ এটা হ'ল আমাৰ দুৰ্বাৰ লোভ বা সীমাহীন আকাংক্ষা। তেওঁৰ জীৱন দৰ্শনৰ বিষয়ে জানিবলৈ এই মননশীল প্ৰবন্ধ দুটি পঢ়াতো নিতান্তই জৰুৰী।

মাহাত্মা গান্ধীয়ে 'মোৰ জীৱনেই মোৰ বাণী' বোলা কথাষাৰৰ বহুখিনি সাদৃশ্য সত্যনাথ দাস ছাৰৰ জীৱনত দেখিবলৈ পোৱা যায়। কাৰণ তেওঁৰ শৈশব-যৌৱন বহু বেছি সংঘাতপূৰ্ণ। এফালে আৰ্থিক দৈন্যতা আনফালে পঢ়াৰ প্ৰতি আগ্ৰহ, এফালে প্ৰাপ্তি আৰু যশস্যা আনফালে কষ্ট সাধ্য জীৱন-যাপন— এই সকলোবোৰ তেওঁৰ ব্যক্তিগত জীৱনত আমি দেখিছো। তেওঁৰ নিজৰ ভাষাৰে— "....আমাৰ সেই গাঁওলীয়া জীৱনৰ কথাবোৰ জানিব পাৰি বহুতে পুতৌ কৰিব, বহুতে হয়তো হাঁহিব বিশ্বাসযোগ্য নহয় বুলি ভাবিব।" কিন্তু 'ল'ৰালিৰ ডুখৰীয়া স্মৃতি', 'মিঠা সোঁৱৰণী', 'নষ্টালজিক অনুভূতি ঃ সোঁৱৰণিৰ এখিলা পাত' আদি বিভিন্ন আলোচনীত প্ৰকাশিত লেখাসমূহ পঢ়িলে কষ্টসাধ্য জীৱন পৰিক্ৰমা অতিক্ৰম কৰি সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হোৱা সত্যনাথ দাস ছাৰৰ জীৱনৰ সেই অমোঘ মন্ত্ৰ— নিষ্ঠা, সততা আৰু একাগ্ৰতাৰ ছবিখন মানসপটত উজলি উঠে।

সত্যনাথ দাস বুলি ক'লে এগৰাকী আদৰ্শ প্ৰশাসক, নিষ্ঠাবান শিক্ষকৰ ছবি মনলৈ আহে। যি সময়ত হৈ পৰে কঠোৰ আৰু কোনো সময়ত মৰমেৰে সিক্ত। বি. এইচ্. কলেজৰ আলোচনী সমূহত 'অধ্যক্ষৰ কলম' শিতানত প্ৰকাশিত তেওঁৰ লেখাসমূহ যথেষ্ট বুদ্ধিদীপ্ত আৰু সুস্থ চিন্তা-চেতনাৰে সমৃদ্ধ। ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-অভিভাৱক সকলৰ বাবে তেওঁৰ এইবোৰ উপাদেয় সৃষ্টি।

বাহিৰৰ পৰা মানুহজনক যিমানেই কঠোৰ যেন নালাগক কিয় তেওঁ যে ভিতৰি এজন অনুভূতিপ্ৰৱণ সৰল ব্যক্তিত্বৰ অধিকাৰী সেয়া তেওঁৰ লেখাসমূহৰ মাজত ধৰা পৰি যায়। তেওঁৰ বাক্য-গাঁথনি আৰু শব্দৰ লালিত্য



অতি মনোৰম। 'নষ্টালজিক অনুভূতি ঃ সোঁৱৰণীৰ এখিলা পাত' শীৰ্ষক প্ৰবন্ধটোত তেওঁৰ কাব্য-সত্তা অনুভৱ কৰা যায় ইয়াৰ মাজেৰে— "স্মৃতিৰ পট খুলি ল'লেই মানুহ পুলকিত হৈ পৰে, অজান উত্তেজনাত শিহৰিত হৈ অৱগাহন কৰে এৰি থৈ অহা মধুময় দিনৰ স্মৃতিৰ শীতল পুখুৰীত...." — এনে আবেগ সঞ্চাৰী ভাষা তেওঁৰ প্ৰবন্ধসমূহৰ অন্যতম বিশেষত্ব।

তেওঁৰ বাক্য-গাঁথনি যথেষ্ট শক্তিশালী। য'তেই তেওঁ জীৱনৰ বিষয়ে উল্লেখ কৰে, ত'তেই আবেগে ভুমুকি মাৰে আৰু ভাষা হৈ পৰে লালিত্যময়। ভাষাৰ লালিত্যই তেওঁৰ লেখাসমূহক পঢ়ুৱৈৰ ওচৰ চপাই নিয়াত যথেষ্ট সহায়ক হৈছে। অভিজ্ঞতা সঞ্চয়ী লেখা সমূহত তেওঁক এজন মননশীল লেখকৰ ৰূপত আৱিষ্কাৰ কৰা যায়। সুবিধা পালেই অসমীয়া বচন বা প্ৰবচন যেনে- হস্তীৰো পিচলে পাৰ, সজ্জনৰো বুৰে নাও, পানীত হাঁহ নচৰা, মকৰধ্বজী শিক্ষা, সৰিয়হ ডুলিতে ভূত আদিৰ ব্যৱহাৰ; কেতিয়াবা সংস্কৃত শ্লোকৰ ব্যৱহাৰ- গতস্য শোচনা নাস্তি আদি ব্যৱহাৰ কৰা দেখা যায়। অৰ্থঘনত্ব তেওঁৰ গদ্যৰ অন্যতম বিশেষত্ব। যথা— 'শৈক্ষিক, বৌদ্ধিক, নেতৃত্ব প্ৰদানৰ কাৰণে নিজে প্ৰথমতে সাজু হওক। আপোনাৰ বৌদ্ধিক, জ্ঞান উজ্জ্বলতা, চাৰিত্ৰিক শুচিতাৰ চমৎকাৰিত্ব, কৰ্তব্যনিষ্ঠা আৰু সময়নিষ্ঠাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ যদি নেতৃত্ব প্ৰদান কৰিবলৈ আগবাঢ়ি আহে, ফলাফল নিশ্চিত শুভ হ'বই।' আমিও বাঞ্ছা কৰোঁ স্ব-জ্ঞানেৰে মহিমামণ্ডিত সত্যনাথ দাস ছাৰৰ এই কথাবোৰ জীৱনৰ বাণী হৈ আমাৰ চুবুৰিয়ে চুবুৰিয়ে বিয়পি পৰক....

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ আৰু বিশিষ্ট কবি)*

# মোৰ চিৰপূজ্য অন্তৰৰ মৰমৰ মানুহজন

## বীণাপাণি দাস

১৯৬৭ চনৰ নৱেম্বৰ মাহত (১ আঘোণ) শ্ৰীযুত সত্যনাথ দাসদেৱৰ লগত মই বিৱাহপাশত আবদ্ধ হৈ, শহুৰ দেউতা, শাহু আই, চাৰিজন দেওৰ, পাঁচগৰাকী ননদৰে (দুজনীৰ বিয়া হৈ গৈছিল আগতে) ভৰা ঘৰ এখনলৈ প্ৰথম বোৱাৰী হৈ আহিছিলোঁ। শহুৰ দেউতা-শাহু আই প্ৰমুখ্যে সকলোবিলাকে মোক মৰমেৰে আঁকোৱালি লৈছিল। লগতে দেওৰ, ননদ সকলেও সন্মান সহকাৰে সমীহ কৰি চলিছিল। এতিয়ালৈকে তেওঁলোকে সেইখিনি মানি আহিছে। ময়ো যিমানদূৰ সম্ভৱ শহুৰ দেউতা-শাহু আইক সন্মান কৰি, সমীহ কৰি চলিছিলোঁ আৰু সৰু সকলক মৰমৰ বান্ধোনেৰে বান্ধি ৰাখি পৰিয়ালটো সুপথেৰে চলাই নিছিলোঁ।

শ্ৰীযুত দাসদেৱৰ লগত বিৱাহ হোৱাৰ আজি প্ৰায় পঞ্চাশ বছৰতে সোমাবৰ হ'ল। ইমান বছৰে মই তেখেতৰ লগত প্ৰায় ছাঁৰ দৰে লাগি থাকি চলি আহিছোঁ। মোৰ লগতে আমাৰ ল'ৰা-ছোৱালীকেইটিয়ো তেখেতক সন্মান সহকাৰে মানি চলি আহিছে। নক'লে ভাল নহ'ব যে, তেখেতক তেওঁৰ ভায়েক-ভনীয়েক, ভতিজাকসকলেও আজিলৈকে সন্মান কৰি মানি চলি আহিছে।

শ্ৰীদাসদেৱৰ লগত কটোৱা ইমান বছৰৰ অভিজ্ঞতাৰ ফালৰ পৰা তেখেতৰ বিষয়ে ক'বলৈ হ'লে, ক'ব লাগিব যে, তেওঁ এজন ৰসাল, বিশাল



অন্তৰৰ মৰমিয়াল, দায়িত্বশীল, কৰ্তব্যপৰায়ণ, সত্যত থকা ব্যক্তি। সততা তেওঁৰ জীৱনৰ এটা বিশেষ গুণ। মিছা কথা কোৱা মানুহক তেওঁ সহ্য কৰিব নোৱাৰে। তেখেতে পত্নী, ল'ৰা-ছোৱালী, মাক-দেউতাক, ভায়েক-ভনীয়েকহঁতৰ প্ৰতি যি দায়িত্ব, কৰ্তব্য, সকলোখিনি নিষ্ঠাৰে পালন কৰি আহিছে। ল'ৰা-ছোৱালীৰ প্ৰতি যিটো শাসন সেইখিনিও তেখেতে মৰমেৰে কৰিছিল।

শ্ৰীদাসদেৱৰ দৈনন্দিন জীৱন আৰম্ভ হয় ৰাতিপুৱা পাঁচ বজা বা চাৰে চাৰি বজাত প্ৰাতঃভ্ৰমণেৰে। ফুৰি আহি তেখেতে অলপ জিৰাই লৈ, গজালি ওলোৱা অলপ মগু আৰু কল এটা খাই লৈ একাপ চাহ খায়। কিছু সময় ধৰি পঢ়া টেবুলত বহি বিভিন্ন বিষয়ৰ কিতাপ পঢ়ে। পঢ়া কামটো তেখেতৰ দুৰ্বলতা আৰু নিচা। কিন্তু এতিয়া চকুৰে কম দেখাৰ কাৰণে বেছি পঢ়ি থাকিব নোৱাৰে। সেইটোক লৈয়ে তেখেতে চিন্তা আৰু দুখ কৰি থাকে।

শ্ৰীদাসদেৱৰ চাহ আৰু তামোল খোৱাৰ প্ৰতি বৰ নিচা, আৰু প্ৰিয় খাদ্য। ৰাতিপুৱাৰ পৰা তেওঁৰ চাহ আৰু তামোল খোৱা কেইবাবাৰো হয়, বাধা কৰিলে বেয়া পায়, খং কৰে মোৰ ওপৰত। তেখেতৰ খোৱা-লোৱা বা পিন্ধন উৰণত কোনো চখ নাই। প্ৰকৃতিয়ে দিয়া ঢেঁকীয়া শাক, কঁচুঠাৰি, কলডিল, সাধাৰণ শাক পাত খাবলৈ পালে তৃপ্তিৰে খায়। দৈ-কল-গুৰ তেখেতৰ প্ৰিয় খাদ্য, সেইখিনি বস্তু দিনৰ আহাৰ গ্ৰহণত সদায় থাকিব লাগিব। দাসে অৱসৰৰ পিছত ঘৰত থাকি নানাবিধ শাক-পাচলিৰ খেতি কৰি ঘৰখনকো খুৱাইছিল আৰু ওচৰ চুবুৰীয়াকো ভগাই দিছিল। খেতি-বাতিৰ কাম তেখেতে কলেজ কোৱাৰ্টাৰত থাকি কৰিও ভাল পাইছিল। কিন্তু এতিয়া বয়সৰ লগতে নানা অসুখত ভুগি থাকি বেছি কৰিব নোৱাৰিলেও মনৰ বলত কিছু শাক-পাচলিৰ খেতি কৰি আছে। পৰিষ্কাৰ, পৰিচ্ছন্নতাৰে ঘৰৰ চাৰিওফাল ৰাখিবলৈ এই বয়সতো তেখেতে হাতত

দা, কোৰ লৈ, বন-জঙ্গল কাটি চাৰিওফাল চাফ-চিকুণকৈ ৰাখিবলৈ চেষ্টা কৰে। আমি বা আমাৰ ল'ৰা-ছোৱালীয়ে বাধা দিলে নুশুনে, বৰঞ্চ আমাৰ ওপৰত খং কৰে। ফুল তেওঁ খুব ভাল পায় আৰু এতিয়াও ফুল পুলি আনি ঘৰৰ চাৰিওফালে ৰুই, ফুল পুলিবিলাকক পানী-দুনি দি সজীৱ কৰি ৰাখে।

শ্ৰীদাসদেৱ যে এজন ৰসিক ব্যক্তি, সেইটো ল'ৰা-ছোৱালী আৰু আমাৰ মাজত হোৱা স্ফূৰ্তি-তামচাৰ কথাৰ পৰাই ধৰিব পাৰি। মোৰ খং উঠাবলৈ তেখেতে মোৰ লগত এনেয়ে কাজিয়া কৰি কেতিয়াবা মাত-বোল নকৰে। কিন্তু পিছ মুহূৰ্ততে হাঁহি উঠাই লৈ মাত-বোল কৰে।

দাস ডাঙৰীয়াদেৱ ভগৱানৰ পৰম ভক্ত, যিকোনো কাম কৰাৰ আগতে তেওঁ প্ৰভুৰ নাম লৈহে কাম আৰম্ভ কৰে। খোৱা-লোৱা, শোৱা, আনকি খেতিৰ পৰা কিবা বস্তু চিঙি আনি মোৰ হাতত দি ক'ব, "হেৰা লোৱা ভগৱানৰ দান, প্ৰভুই নিদিলে আমি ক'ত পামহে।" তেখেতে সদায় মনটো প্ৰফুল্ল ৰাখিবলৈ কয়। মনটো বেয়া কৰি থাকিলে কয়, মনৰ সকলো দুখ-ক্ষোভ প্ৰভুৰ ওচৰত এৰি দিয়া, তেওঁ সকলো বিচাৰ কৰিব।

ব্যক্তি মানেই দোষ-গুণৰ সমষ্টিৰে ভৰা। দাসদেৱ মৰমিয়াল যদিও খঙাল স্বভাৱৰ আৰু স্বাভিমানী। পৰিপাটিতা তেওঁৰ এটা গুণ। য'ৰ বস্তু ত'তে থাকিব লাগিব, তাৰ ব্যতিক্ৰম হ'লেই মোক আৰু ল'ৰা-ছোৱালীক খং কৰি গালি পাৰে; কিন্তু অলপ পিছতেই পৰিপাটিতাৰ বিষয়ে মৰমেৰে বুজাই দিয়ে। তেখেত এজন মিতব্যয়ী ব্যক্তি, কোনো বস্তুৰে অপব্যয় হোৱাটো নিবিচাৰে। তেওঁ এজন নীতি আৰু আদৰ্শত থকা ব্যক্তি। নীতিত তেওঁ কঠোৰ। তেওঁ সমাজ সচেতন। সমাজৰ, ৰাইজৰ প্ৰতিও কৰ্তব্যপৰায়ণ, দায়বদ্ধশীল। সমাজ আৰু ৰাইজৰ প্ৰতি থকা কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈকে তেখেতে বজালী কলেজৰ পাঁচ বছৰীয়া স্থায়ী চাকৰি বাদ দি গুচি আহি হাউলী আৰু বৰপেটাৰোডৰ ৰাইজৰ লগ লাগি অশেষ কষ্ট



স্বীকাৰ কৰি 'বৰপেটাৰোড-হাউলী কলেজ'ৰ জন্ম দিয়ে। কলেজখন তেখেতৰ মনত মানসপুত্ৰ আৰু প্ৰাণস্বৰূপ। এই ধাৰণা এতিয়াও বৰ্তি আছে। কলেজখনৰ উন্নতিৰ কাৰণে নানান ধৰণৰ কামত তেওঁ সদায় ব্যস্ত হৈ থাকিব লাগিছিল। সেইকাৰণে তেখেতে পৰিয়াল আৰু ল'ৰা-ছোৱালীৰ প্ৰতি বেছি সময় দিব নোৱাৰিছিল। গতিকে মই তেখেতৰ সহধৰ্মিনী হিচাপে সেইখিনি দায়িত্ব পালন কৰিছিলোঁ। কৰ্মৰত জীৱনত তেখেতে বৰ ব্যস্ততাৰে ভৰা জীৱন কটাব লগীয়া হৈছিল। ইমানেই দিন-ৰাতি ব্যস্ত আছিল যে কেতিয়াবা দোভাগ ৰাতি ঘৰ সোমাইছিল। সেই সময়ত তেখেতৰ বহুত মানুহৰ লগত মিলামিচা হৈছিল। এতিয়া ব্যস্ততাও নাই, লগ সঙ্গও নোহোৱা হৈ এক নিসঙ্গ জীৱন কটাবলগীয়া হোৱাত তেখেতৰ কাৰণে এই জীৱন বৰ অসহ্যকৰ হৈছে। উপায়তো নাই, এতিয়া ভগৱানেই একমাত্ৰ লগ।

কৰ্মৰত কালত তেখেতৰ কলেজখনৰ সতীৰ্থ শিক্ষক, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অফিচৰ কৰ্মচাৰী সকলোৰে প্ৰতি থকা যি কৰ্তব্য, দায়বদ্ধতা সেয়া কলেজত কাম কৰা শেষ দিনটোলৈ অব্যাহত আছিল। পৰিয়ালটোৰ হ'ব পৰা সকলো ধৰণৰ বিপদ-আপদ বা কোনো সমস্যা হ'লে তাৰ সমাধানৰ উপায় দিবলৈ তেওঁ আমাৰ মাজত ওখ গছ এডালৰ দৰে হৈ আছে। তেখেত আমাৰ গোটেইবিলাকৰ কাৰণে সাহসৰ প্ৰতীক। শিক্ষাদান আৰু শিক্ষা প্ৰসাৰক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু ইয়াৰ সুদক্ষ প্ৰশাসক স্বৰূপে এইবৃহত্তৰ অঞ্চলটোত উচ্চ মানবিশিষ্ট শিক্ষায়তনিক পৰিমণ্ডল গঢ় দি মহৎ সামাজিক দায়বদ্ধতা পালন কৰিছিল।

বিশিষ্ট শিক্ষাবিদ, শিক্ষা সংগঠক, সমাজকৰ্মী আৰু সাহিত্যসেৱী হিচাপে শ্ৰীযুত সত্যনাথ দাসদেৱলৈ হাউলীৰ ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে ২০১৩ চনৰ ৩০ নৱেম্বৰ তাৰিখে 'হাউলী বঁটা' আগবঢ়াই শ্ৰীযুত দাসদেৱৰ প্ৰতি তেওঁলোকৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতাৰ চিন হিচাপে

যি নিদৰ্শন দেখুৱালে সেইটোক লৈ মই অন্তৰৰ পৰা নথৈ আনন্দিত আৰু সুখী হৈছোঁ।

শ্ৰীযুত দাসদেৱৰ জীৱনশৈলী, চিন্তাশীলতা, ব্যক্তিত্বৰ আৰ্হি অনুকৰণীয়। অইনৰ ব্যক্তিত্বকো তেওঁ সন্মান জনাব জানে। সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতা তেখেতৰ জীৱনৰ ডাঙৰ গুণ। নিজেও আজিলৈকে সেইবিলাক নিষ্ঠাৰে পালন কৰি আহিছে, অইনেও সেইবিলাক পালন কৰি চলাটো অন্তৰৰ পৰা বিচাৰে। এটা কথা ক'ব লাগিব যে, কোনোবাই যদি তেখেতক এক বজাৰ মিটিঙলৈ মাতি থৈ গৈ, ডেৰ বজাত নিবলৈ আহে, তেতিয়া তেখেত সেইখন মিটিঙলৈ কেতিয়াও নগৈছিল, বৰঞ্চ তেওঁলোকক খং কৰি পঠিয়াই দিছিল। তেখেত ধৈৰ্য্য আৰু দৃঢ় মনোবলৰ অধিকাৰী, কোনো বিপদে তেওঁক তৎক্ষণাত টলাব পৰা নাছিল।

শিক্ষিত, শিক্ষাৰ মোল বুজা, ইমানখিনি গুণৰ, জ্ঞানৰ অধিকাৰী মানুহজনক স্বামী হিচাপে পাই মই নিজকে ভাগ্যৱতী বুলি ভাবো আৰু গৌৰৱ অনুভৱ কৰোঁ।

শেষত ক'ব লাগিব আজি আমাৰ বিয়া হোৱাৰ পঞ্চাশ বছৰে হ'বৰ হ'ল। আজিলৈকে আমাৰ দুয়োৰে মাজত কোনো কথাত মনোমালিন্য বা কাজিয়া-পেচাল নাই। দুয়োজন সুখে-দুখে পৰম বন্ধুৰ নিচিনা চলি আছোঁ। ভগৱানৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ যাতে জীয়াই থকা দিনকেইটা প্ৰভুই দুয়োকে এনেকৈয়ে চলাই ৰাখে। শ্ৰীদাসদেৱ আগন্তুক দিনবিলাকত যাতে মানসিক শান্তি আৰু সুস্বাস্থ্যৰে জীয়াই থাকে, সেইটোকে ভগৱানৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ।

*(লেখিকা শ্ৰীযুত সত্যনাথ দাসদেৱৰ পত্নী)*



# সত্যনাথ দাস- নামেই যাৰ পৰিচয়

**ৰেণু দাস**

মৌটুপুৰী গাঁওৰ 'মদাহী গাঁওবুঢ়া' (আমাৰ আতা) পৰিয়ালৰ ষষ্ঠ সন্তান প্ৰয়াত উপেন্দ্ৰ নাথ দাস আৰু প্ৰয়াত পুণ্যবালা দাসৰ ঔৰসত বোধহয় এক শুভ ক্ষণত, পিতৃ-মাতৃৰ কোনোবা জনমত কৰা পুণ্যৰ ফলত এই সন্তান জন্ম হয়, পৰিয়ালৰ প্ৰথম সন্তান। পাছত আমি কেইবাজনো ভাই-ভনীৰে এটা ডাঙৰ পৰিয়াল। পিতা এজন সাধাৰণ কৃষক আছিল।

আমি আটাইবিলাক সৰু যিহেতু ককাইদেউ (কাকা)ৰ চাল-চলন, কথা-বতৰা, ব্যৱহাৰ-পাতি, পিন্ধা-উৰা, খোৱা-লোৱা কাকাই আনকি স্কুলীয়া জীৱন, কলেজীয়া জীৱন কেনেকৈ আৰম্ভ কৰি কেনেকৈ শেষ কৰিছিল সকলো কথা পিতাই আমাক সাধুকথা কোৱাৰ দৰে কঠীয়া তোলাৰ সময়ত, মাহ-মুগ তোলাৰ সময়ত কৈছিল। আমি আটাইবোৰে পিতাক কৃষি কৰ্মত যিখিনি পাৰো সহায় কৰি দিছিলোঁ। কাকাই হাল পৰ্যন্ত বাই দি পিতাক সহায় কৰিছিল (বন্ধৰ দিনত)। পিতাই কৈছিল, 'তইঁতে বহুত সুবিধা পাইছা। কাকে (ককায়েৰাই) কি কষ্ট কৰি পঢ়িছিল, টেবুল নাই, চিয়াৰ নাই, লেম নাই, উৰালত বহি বিচনাক টেবুল কৰি লাল কেৰাচিন তেলৰ চাকিৰে কিতাপ পঢ়িছিল। মেট্ৰিক দিয়াৰ সময়ত প্ৰ-পত্ৰ পূৰণৰ বাবে পইচা নাই, উপায় নাই, গোলিৰ এটা দমৰা বেচি তাক পইচা দিছিলোঁ।' সেই সময়ত আজিৰ দৰে লংপেন্ট-চাৰ্টৰ বহুল ব্যৱহাৰ নাছিল বাবে কাকাইও ধুতি-চোলা সদায় ব্যৱহাৰ কৰিছিল। ধুতি-চোলা পিন্ধি বি. এ. পাছ কৰিলে এম. চি. কলেজৰ পৰা। তেওঁ এম. চি. কলেজত দুবাৰকৈ সাধাৰণ সম্পাদক

হৈছিল। সেই সময়ছোৱাত কাকাক আৰ্থিকভাবে সহায় কৰিছিল বৰপেটাৰ প্ৰয়াত ধনঞ্জয় দাস দাদাই। পিছত এম. এ. পাছ কৰিলে গৌহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত। তেতিয়াও তেওঁ ধুতি-চোলাই পৰিধান কৰি আছিল। এইদৰে কষ্ট কৰি শিক্ষা লাভ কৰি পৰৱৰ্তী সময়ত বজালী কলেজত অধ্যাপক হিচাপে নিযুক্তি লাভ কৰিছিল। ঘৰখনলৈ অলপ সকাহ আহিল।

বজালী কলেজত যোগদান কৰি তেওঁ (কাকাই) আমাৰ এই অঞ্চলৰ অৰ্থনৈতিকভাৱে দুৰ্বল আৰু দৰিদ্ৰ পৰিয়ালৰ কোনোবা মেধাবী ছাত্ৰ থাকিলে উচ্চ শিক্ষাগ্ৰহণ কৰাটো সম্ভৱ নহ'ব বুলি ভাবিয়ে হ'বলা বৰপেটাৰোড আৰু হাউলী অঞ্চলৰ শিক্ষাপ্ৰেমী বিশিষ্ট ব্যক্তিসকলৰ লগত কলেজ এখন প্ৰতিষ্ঠা কৰাৰ বাবে আলোচনা-বিলোচনা কৰিলে। দুয়োখন চহৰৰ শিক্ষাপ্ৰেমী ৰাইজৰ বিপুল সঁহাৰি, অক্লান্ত শ্ৰম, আপ্ৰাণ চেষ্টাৰ বলত কলেজ এখন পতাৰ সিদ্ধান্ত হ'ল ১৯৬৬ চনত। কলেজৰ স্থায়ী গৃহৰ অভাৱত প্ৰথম ক্লাছ আৰম্ভ হয় বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুল আৰু ৰজতৰাম এল. পি. স্কুলত। অধ্যক্ষ সত্যনাথ দাস। চাইকেলেৰেই কলেজলৈ অহা-যোৱা কৰিছিল তেওঁ। এইদৰে ৰাইজ তথা কলেজ কৰ্তৃপক্ষৰ আপ্ৰাণ চেষ্টাৰ ফলত কলেজৰ 'লাইখুঁটা' পোতা হ'ল বৰ্তমান য'ত বি. এইচ্. কলেজ অৱস্থিত। এটা অতি আনন্দৰ কথা হ'ল যে য'ত বি. এইচ্. কলেজ স্থাপন কৰা হ'ল সেই মাটিৰ গৰাকীও অধ্যক্ষৰ আতা, পিতা, খুৰা আৰু মৌটুপুৰী গাঁওৰ কিছু ৰাইজৰ। কলেজ হোৱাৰ আনন্দত মাটি এৰি দিলে যদিও পিছলৈ ইয়াৰ ক্ষতিপূৰণ হিচাপে কলেজৰ পিছৰ ৰিজাৰ্ভৰ মাটি ৰাইজক ওভতাই দিয়া হয়।

যি কি নহওক, আজি বি. এইচ্. কলেজ (বৰপেটাৰোড-হাউলী কলেজ) যদি স্থাপন নহ'লহেঁতেন আমাৰ দৰে দুখীয়া গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলেহেঁতেন। তেওঁ বোধহয় ভাবিলে এই অঞ্চলত এখন কলেজ হ'লে আমাৰ গ্ৰামাঞ্চলৰ অৰ্থনৈতিকভাবে দুৰ্বল



ছাত্ৰ-ছাত্ৰীৰ বাবে এটা মহান উপকাৰ কৰা হ'ব। সেয়ে তেওঁৰ তৎপৰতাত আৰু সু-পৰিচালনাত কলেজখন দোপতদোপে আগবাঢ়িব ধৰিলে সকলো দিশতে। এইদৰে তেওঁৰ কাৰ্যকালতে বি. এইচ্. কলেজ পূৰ্ণতাপ্ৰাপ্ত আৰু জাকত জিলিকা হৈ সকলো দিশতে এনেদৰে আগবাঢ়িল যে তাৰ ফলত অসমৰ এখন আগশাৰীৰ কলেজ ৰূপে পৰিগণিত হ'বলৈ সক্ষম হ'ল।

পুনৰ এটা কথা মনত পৰিল— তেওঁ বজালী কলেজৰ পৰা চাকৰি ইস্তফা দি বি. এইচ্. কলেজৰ অধ্যক্ষ হয়। এবাৰ তেওঁ কলেজৰ এন.চি.চি.ৰ ইনচাৰ্জ হৈ থাকোতে ট্ৰেইনিঙলৈ যাব লগা হোৱাত লংপেণ্ট-চাৰ্ট পিন্ধিব লগা হ'ল আৰু তেতিয়াৰ পৰাহে তেওঁ পেণ্ট-চাৰ্ট পিন্ধা হয়।

পিতৃৰ বিয়োগৰ পিছত তেওঁ আমাৰ পিতৃ সদৃশ। তেওঁৰ ব্যক্তিত্ব অসাধাৰণ। এজন সু-ব্যক্তিৰ গাত যিবোৰ গুণৰ প্ৰয়োজন আটাইবোৰ গুণ তেওঁৰ গাত বিদ্যমান। স্থিতপ্ৰজ্ঞ বুলি ক'লে ভুল কোৱা নহ'ব। তদুপৰি তেওঁৰ এটা বিশেষ গুণ থকা যেন মোৰ অনুভৱ হয়, সেয়া হ'ল তেওঁৰ পিছত যিয়ে যিমানে লম্ফ-জম্ফ নামাৰক কিয়, তেওঁৰ আগত আহি উপস্থিত হোৱা মাত্ৰকে মন্ত্ৰমুগ্ধ সাপৰ দৰে শিৰ নত হয়। সেয়ে নেকি আমি আজিও তেওঁৰ সন্মুখত মূৰ দাঙি কথা কোৱাৰ সাহস নহয়।

যি কি নহওক... বিস্মৃতিৰ গৰ্ভত থকা কিছু কথা ইয়াত লিপিবদ্ধ কৰিলোঁ, ভুল-ক্ৰটি মাৰ্জনীয়। সদৌ শেষত কলেজ কৰ্তৃপক্ষক আৰু সদৌ বৰপেটাৰোড আৰু হাউলীবাসী ৰাইজক বিনম্ৰ অনুৰোধ— তেওঁৰ কৰ্মৰাজি আৰু অসাধাৰণ ব্যক্তিত্ব নৱ প্ৰজন্মৰ বাবে আদৰ্শ আৰু স্মৰণীয় কৰি ৰখাৰ যাতে কিবা ব্যৱস্থা কৰা হয় তাৰ বাবে মই পুনৰ অনুৰোধ জনাই লিখনিৰ সামৰণি মাৰিলোঁ। মূৰৰ চুলিৰ সমান তেওঁৰ আয়ুস হওক— তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

*(লেখিকা শ্ৰীযুত সত্যনাথ দাসৰ ভগ্নী তথা বৰবাৰীঝাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী)*

# মোৰ দৃষ্টিত ঃ সত্যনাথ দাস ছাৰ

**ৰাঘৱ দাস**

১৯৬৯ ইং চন। মেট্রিকৰ দেওনা পাৰ হৈ ১৯৬৬ ইং চনত স্থাপন হোৱা হাউলীৰ তথা অসমৰ এখন উৎকৃষ্ট উচ্চ শিক্ষাৰ অনুষ্ঠান বি. এইচ্. কলেজত নাম ভৰ্তি কৰি এই কলেজখনৰ প্রতিষ্ঠাপক অধ্যক্ষ শ্রদ্ধাৰ সত্যনাথ দাস ছাৰৰ সান্নিধ্য লাভ কৰিলোঁ। অষ্টম শ্রেণীত পঢ়ি থাকোতেই মনতে বি. এইচ্. কলেজত পঢ়াৰ এটা তীব্র আকাংক্ষা জাগি উঠিছিল। লগতে মাননীয় দাস ছাৰৰ নিজ গাঁওখন আৰু মোৰ জন্ম গাঁও ওচৰৰে হালাপাকুৰী গাঁও হোৱা বাবে তেখেতৰ বিভিন্ন কৰ্মদক্ষতাৰ কথাও জানিছিলোঁ।

ছাৰৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰ বিষয়ে লিখাৰ ধৃষ্টতা মোৰ নাই। তথাপিও সৰু কালৰ পৰাই যিখিনি জানিছিলোঁ, যিখিনি শুনিছিলো তাৰ ওপৰত ভিত্তি কৰি তেখেতৰ বিষয়ে কোৱাৰ বাবে সামান্য প্রয়াস কৰিছোঁ। মৌটুপুৰী গাঁওৰ বিখ্যাত পবন পাঠক কবিৰাজ আৰু গাঁওবুঢ়া বংশৰ প্রয়াত উপেন্দ্র নাথ দাস আৰু মাতৃ পুণ্যদা দাসৰ জ্যেষ্ঠ পুত্র সত্যনাথ দাস ছাৰ। সেই গাঁওবুঢ়া বংশৰে ছাৰৰ বৰদেউতাক স্বাধীনতা সংগ্রামী গৰ্জন সৰকাৰৰ পুত্র ডাঃ ৰজনী কান্ত দাস। আমি জনাত সেই সময়ত শ্রদ্ধাৰ দাস ছাৰ আৰু সু-চিকিৎসক লণ্ডনত পাছ কৰা, ডাঃ ৰজনী কান্ত দাস গোটেই হাউলী অঞ্চলৰ শিক্ষিত ব্যক্তি হিচাপে জনাজাত আছিল। সৰুৰে পৰা প্রচুৰ মেধা



সম্পন্ন দাস ছাৰে খেতিয়কৰ ঘৰত জন্ম লাভ কৰিও অশেষ কষ্ট আৰু অধ্যৱসায়ৰ জৰিয়তে উচ্চ শিক্ষা লাভ কৰি বৃহত্তৰ হাউলীত কলেজ স্থাপন কৰি গোটেই অসমৰ ভিতৰতে বি. এইচ্. কলেজখনক যি এক উন্নত পৰ্যায়ৰ কলেজলৈ উন্নীত কৰিলে ই ভগৱানৰেই বৰদান বুলি আমি অনুভৱ কৰোঁ। আৰ্থিক দৈন্যত ভোগা স্বত্বেও তেখেতে হাউলী হাইস্কুলৰ পৰা সুখ্যাতিৰে মেট্রিক পাছ কৰি বৰপেটাৰ এম. চি. কলেজৰ পৰা স্নাতক ডিগ্রী লাভ কৰে। পঢ়াৰ ক্ষেত্রত তেখেতক আৰ্থিকভাৱে উৎসাহ-উদ্দীপনা যোগোৱাত বিশেষভাৱে সহায় কৰিছিল বৰপেটাৰ প্রয়াত ধনঞ্জয় দাস আৰু হাউলীৰ তেখেতৰ পৰম বন্ধু শ্রীযুত পৰমানন্দ দাসদেৱে। স্নাতক ডিগ্রী লাভ কৰাৰ পিছত তেখেতে অশেষ কষ্টেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্রী লাভ কৰি পাঠশালাৰ বজালী কলেজত অধ্যাপক হিচাপে যোগদান কৰে।

কিছু বছৰ অধ্যাপক হিচাপে কাম কৰাৰ পিছত তেখেতৰ বিবেকৰ সিদ্ধান্ত মৰ্মে হাউলীত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপন কৰাৰ কথা মনতে ভাবি হাউলী আৰু বৰপেটাৰোডৰ কিছু শিক্ষানুৰাগী আৰু চিন্তাশীল ব্যক্তিৰ সহযোগত বহু বাক্-বিতণ্ডা আৰু ঘাত-প্রতিঘাতৰ অন্তত মৌটুপুৰী গাঁওৰ তেখেতৰেই বংশধৰ কিছুমান ব্যক্তি আৰু অইন কিছু শুভাকাংক্ষীৰ মাটি দান হিচাপে লৈ এই কলেজখন স্থাপন কৰিবলৈ সিদ্ধান্ত লয় আৰু ৰাইজৰ দ্বাৰা গঠিত কলেজ পৰিচালনা সমিতিয়ে তেখেতক কলেজখনৰ প্রতিষ্ঠাপক অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। তেখেতৰ প্রশাসনিক দক্ষতা আৰু সুদক্ষ পৰিচালনাৰ ফলতেই আজি এই কলেজখনে কেৱল অসমৰেই নহয় ভাৰতবৰ্ষৰ ভিতৰতেই এখন সুপ্রতিষ্ঠিত উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে পৰিচিতি লাভ কৰিছে। অৱশ্যে এই ক্ষেত্রত হাউলী আৰু বৰপেটাৰোড নিবাসী ৰাইজৰ অকুণ্ঠ সহযোগ আৰু অনুপ্রেৰণা থকা বুলি আমি জানিবলৈ

পাওঁ। তেখেতে এই অনুষ্ঠানটোক নিজৰ প্ৰাণতকৈও অধিক আপোন বুলি গণ্য কৰিছিল। অনুষ্ঠানটোৰ মৰ্যাদা ভৱিষ্যতেও যাতে অক্ষুণ্ণ থাকে সেইটোৱে তেখেতে মনে-প্ৰাণে কামনা কৰে। তেখেতৰ কথা-বতৰাই, চিন্তাই, কাম-কাজৰ নমুনাই এই কথাৰ প্ৰমাণ দিছে।

এনেহেন এখনি দায়িত্ব গধুৰ শিক্ষানুষ্ঠানৰ গুৰু দায়িত্ব পালন কৰাৰ উপৰিও তেখেতে বৃহত্তৰ হাউলী আৰু বৰপেটাৰোড অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল আৰু বৰ্তমানেও বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ আছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে তেখেতৰ নিজ গাঁওতেই প্ৰতিষ্ঠিত বৰবাৰীঝাৰ পি. চি. পাঠক এম. ই. আৰু বৰবাৰীঝাৰ হাইস্কুল তেওঁৰ পৃষ্ঠপোষকতাতেই গঢ়ি উঠিছে। এই দুয়োটি শিক্ষানুষ্ঠানৰেই তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। তদুপৰি হাউলীৰ মনোমতী পুথিভঁৰাল, চণ্ডী বৰুৱা স্মৃতি ভৱন, হাউলী নাট্য সংঘ, বিভিন্ন শিক্ষানুষ্ঠান, ৰাস মহোৎসৱ আদি বিভিন্ন অনুষ্ঠানলৈ তেখেতৰ অৱদান শলাগিবলগীয়া। যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত বুদ্ধিদীপ্ত কৌশল আজিও আমাৰ মাজত চৰ্চিত। উল্লেখনীয় যে হাউলী অঞ্চলৰ উন্নয়নৰ আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা আগবঢ়োৱা হাউলী উন্নয়ন পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতিৰ আসনো তেখেতে শুৱনি কৰিছিল। তদুপৰি জ্যেষ্ঠ নাগৰিকৰ অভাৱ-অভিযোগ দূৰীকৰণৰ ক্ষেত্ৰত গঢ়ি উঠা 'হাউলী জ্যেষ্ঠ নাগৰিক সন্মিলনী'ৰো তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। মুঠৰ ওপৰত হাউলী অঞ্চলৰ সকলো দিশৰে উন্নতিত তেখেতৰ অৱদান চিৰ যুগমীয়া হৈ থাকিব।

১৯৭৯ চনত আৰম্ভ হোৱা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনতো তেখেতৰ সহায় আৰু পৰামৰ্শই আন্দোলনটোক এক নতুন গতি প্ৰদান কৰাত বিশেষ সহযোগিতা আগবঢ়াইছিল। তেখেতৰ পৰামৰ্শ মতেই হাউলী



অঞ্চলৰ আন্দোলনকাৰী নেতাসকলে আন্দোলনটিক আৰু এখোজ আগুৱাই লৈ গৈছিল। ১৯৮০ চনত ৩০ অক্টোবৰত যেতিয়া কালঝাৰ গাঁওত মধু বৈশ্যক দুবৃৰ্ত্তৰ দ্বাৰা হত্যা কৰা হৈছিল সেই সময়ত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ অজুহাতত চৰকাৰে তেখেতৰ লগতে হাউলী নেতৃস্থানীয় ব্যক্তি যেনে, পৰমানন্দ দাস, গিৰীন্দ্ৰ কুমাৰ দাস, গুণীন্দ্ৰ নাথ চৌধুৰী আদিক গ্ৰেপ্তাৰ কৰি নিয়া কথাটো আমাৰ জ্ঞাত। ইয়াৰ উপৰিও কিছুদিন পিছত ষড়যন্ত্ৰ কৰি তেখেতক ভাৰতীয় সৈন্যই 'আলফা' সংক্ৰান্তীয় বিষয়ত গ্ৰেপ্তাৰ কৰি কেবাদিনো বন্দী কৰি ৰাখিছিল। অৱশ্যে পিছত কোনো ধৰণৰ প্ৰমাণৰ অভাৱত সসন্মানে বিনাচৰ্তে মুকলি কৰি দিয়ে। বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলস্বৰূপে গঠিত হ'বলগীয়া নতুন আঞ্চলিক দল গঠনৰ বাবে তেখেতৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি তেখেতক গোলাঘাটৰ বিশেষ অধিৱেশনলৈ আমন্ত্ৰণ কৰিছিল। দলটিৰ প্ৰতি থকা আনুগত্যৰ ফলস্বৰূপেই ২০০১ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত বৰপেটা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী কুমাৰ দীপক দাসৰ লগত নিৰ্বাচনী প্ৰচাৰৰ বাবে যাওঁতে গুৱাগাছাত তেখেত দুৰ্বৃত্তৰ বোমা আক্ৰমণত আহত হৈছিল। এই আক্ৰমণত তেখেতৰ লগতে পৰম বন্ধু পৰমানন্দ দাস আৰু অগপ দলৰ কৰ্মকৰ্তা উপেন দাসকে আদি কৰি বহুতো লোক আহত হৈছিল। উল্লেখ্যযোগ্য যে এই আক্ৰমণতেই কুমাৰ দীপক দাসে চিৰদিনৰ বাবে তেওঁৰ দুয়োখন ভৰিয়েই হেৰুৱাবলগীয়া হৈছিল। এই ক্ষেত্ৰত তেখেতক হাউলীৰ যুৱ সমাজে যথেষ্ট সহায়-সহযোগিতা কৰা আমাৰ মনত পৰে।

এনেদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজত নিজৰ জীৱন পৰিক্ৰমাৰ প্ৰতিটো মুহূৰ্ততে তেখেত ৰাইজৰ সেৱাত ব্ৰতী হৈ আছিল। তেখেতৰ এনে অৱদানৰ স্বীকৃতি স্বৰূপেই হাউলী ৰাস মহোৎসৱে তেখেতক 'হাউলী বঁটা' প্ৰদান কৰি সন্মানিত কৰিছে।

প্ৰথম অৱস্থাত যদিও তেখেত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আছিল, পিছলৈ বৈবাহিক সূত্ৰে মই তেখেতৰ ভনী জোঁৱাই হিচাপে পৰিচিতি লাভ কৰোঁ আৰু তেখেতৰ লগত ঘৰুৱাভাৱেও আপোন হৈ পৰোঁ। শাৰীৰিক অসুস্থতাৰ বাবে নিজে যাব নোৱাৰাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আগবঢ়োৱা দিহা-পৰামৰ্শ মোৰ জৰিয়তে আগবঢ়াই বৰ্তমানেও তেখেতে বিভিন্ন উন্নয়নমূলক কামত জড়িত হৈ আছে। গতিকে এনেহেন কৰ্মোদীপ্ত, উৎসাহী, শিক্ষাপ্ৰেমী গুণী ব্যক্তিৰ সান্নিধ্য পাই মইয়ো নিজকে ধন্য মানিছো।

তেখেতৰ দৰে ত্যাগী, কৰ্মবীৰ ব্যক্তি এগৰাকীয়ে প্ৰতিষ্ঠা কৰা এখন অগ্ৰণী শিক্ষানুষ্ঠান বি. এইচ্. কলেজ পৰিয়ালে যাতে তেখেতৰ কৰ্মৰাজিৰ চিন স্বৰূপে কিবা এটা কৰি ভৱিষ্যত প্ৰজন্মক উদ্বুদ্ধ কৰে তাৰ বাবে অনুৰোধ জনাই তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি সামৰিছোঁ।

*(লেখক বি. এইচ্. কলেজৰ প্ৰাক্তন ছাত্ৰ, শ্ৰীযুত সত্যনাথ দাসদেৱৰ ভনী জোঁৱাই তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া)*



# সত্যনাথ দাস ঃ মানুহজনৰ বিষয়ে যৎকিঞ্চিত

**কৰুণা চহৰীয়া**

বৈবাহিক সূত্ৰে মানুহজনক প্ৰথম লগ পাইছিলো ১৯৯৯ চনৰ শেষৰফালে। এক কথাত ক'বলৈ গ'লে এজন উৎসৰ্গিত ব্যক্তি। অগাধ তবধ মানিবলগীয়া প্ৰশাসনীয় দক্ষতাৰ অধিকাৰী মানুহজনে কিন্তু নিজকে শিক্ষক বুলি কৈ ভাল পায়। অৰ্থনীতিৰ পণ্ডিত এই মানুহজনৰ আকৰ্ষণীয় বিশাল ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ বাবে যিকোনো মানুহৰে তেওঁৰ লগত পৰিচয় হোৱাৰ পিচত স্বতঃস্ফূৰ্তভাৱে তেওঁৰ প্ৰতি সন্মান আৰু ভক্তি ভাৱত মূৰ দো খাই যায়। মানুহজনৰ মাজত বহুতো গুণৰ সমাহাৰ ঘটিছে। অতি সৎ আৰু নীতিনিষ্ঠ এনেকুৱা মানুহ মই মোৰ জীৱন কালত কতো লগ পোৱা নাই বুলি ক'লেও বঢ়াই কোৱা নহয়। Highly punctual টকা-পইচাৰ প্ৰতি তিল মাত্ৰেও লোভ নোহোৱা এই মানুহজনে ইচ্ছা কৰিলে নিজকে বহুতো লোভনীয় পদত নিয়োগ কৰিব পাৰিলেহেঁতেন। এম.এ. ডিগ্ৰী লোৱাৰ পিচত (অৰ্থনীতি বিজ্ঞানত) প্ৰথমে তেওঁ বজালী কলেজত কিছুদিন অৰ্থনীতিৰ লেক্‌চাৰাৰ হিচাপে কাম কৰিছিল। কিন্তু তেওঁৰ চিন্তা কলেজৰ লেক্‌চাৰৰে চাকৰি কৰি থকাতেই সীমাবদ্ধ নাছিল। তেওঁৰ মনত তেতিয়াৰ পৰাই দহৰ বাবে ৰাইজৰ বাবে কিবা এটা কৰাৰ অদম্য হেঁপাহ লুকাই আছিল। বিশেষকৈ নিজৰ অঞ্চলৰ ৰাইজৰ শিক্ষা-দীক্ষাৰ উন্নতিৰ কাৰণে বিশেষভাৱে

উচ্চ শিক্ষাৰ কাৰণে এখন জাকত-জিলিকা, উৎকৃষ্ট, সৰ্বাঙ্গসুন্দৰ কলেজ প্ৰতিষ্ঠা কৰাৰ প্ৰবল ইচ্ছা আছিল। ভাল মানুহক ভগৱানেও সহায় কৰে। তেওঁৰ এই সুপ্ত মনৰ ইচ্ছা পূৰণ কৰাৰ কাৰণে তেওঁ এটা সুযোগ লাভ কৰিলে। সময়ৰ সোঁতত তেওঁৰ নিৰন্তৰ প্ৰচেষ্টাত বৰপেটাৰোড-হাউলী কলেজ নামনি অসমৰ নামজ্বলা কলেজৰূপে পৰিগণিত হ'বলৈ সক্ষম হ'ল।

মই তেওঁৰ নিচিনা অধ্যক্ষ আজিলৈকে লগ পোৱা নাই। তেওঁৰ মনত সকলো সময়তে কলেজৰ চিন্তাই থিতাপি লৈ থাকে। ঘৰ-সংসাৰ, পৰিয়ালৰ সদস্যৰ সুখ-শান্তিৰ কথালৈ পিঠি দি হ'লেও দিনে-নিশাই কলেজখনক ক্ৰমান্বয়ে উন্নতিৰ জখলাত লৈ যাবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

অতিশয় সৎ, স্পষ্টবাদী আৰু অন্যায়-অনাচাৰৰ ক্ষেত্ৰত আপোচবিহীন, দেখিবলৈ ধুনীয়া আৰু মধুৰ ব্যক্তিত্বৰ গৰাকী মানুহজন Highly innocent আৰু কোনো কথাতে কোনো ধৰণৰ Double Standard নাই। আঞ্চলিকতাবাদৰ অগ্ৰণী হোতা মানুহজনৰ দেশপ্ৰেমবোধ শলাগ ল'বলগীয়া। বিশেষকৈ অসম গণ পৰিষদ দল গঠন কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান উল্লেখযোগ্য।

খুব লাহে লাহে কথা কোৱা মানুহজনে তেওঁৰ সততা আৰু মধুৰ ব্যক্তিত্বৰ বলত ৰাজনৈতিক ব্যক্তি, মন্ত্ৰী আৰু উচ্চ পদবীধাৰী লোকসকলৰ সহজে আস্থা-ভাজন হ'ব পাৰিছিল। ইয়াৰ ফলত কলেজৰ বিভিন্ন ধৰণৰ Grant আদি অনাত তেওঁৰ সহায় হৈছিল। কিন্তু তেওঁ কোনো দিনে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ কৰাৰ কাৰণে এই সুবিধাটো কামত লগোৱা নাছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতেও তেওঁৰ সুসম্পৰ্ক আছিল। তেওঁৰ প্ৰশাসনীয় দক্ষতা, সততা আৰু আপোচবিহীন স্বভাৱৰ কাৰণে সময়ে সময়ে বিশ্ববিদ্যালয়ৰ বহুতো Confidential কাম সমাধা কৰাৰ কাৰণে তেওঁক দায়িত্ব অৰ্পণ কৰিছিল। মাজতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদৰ



বাবে তেওঁৰ নামটো কোনোবা কোনোবা মহলত উচ্চাৰিত হোৱা বুলি অহুকাণে-পহুকাণে শুনিবলৈ পাইছিলো।

সি যি কি নহওঁক মই ভাবো হাউলী মানুহৰো ভাগ্য ভাল যে এনেহেন গুণী মানুহ এজন তেওঁলোকে নিজৰ মাজত লাভ কৰিছে। হাউলী আৰু ইয়াৰ আশে-পাশে থকা বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ পৰা সৎ পৰামৰ্শ লাভ কৰাৰ কাৰণে তেওঁৰ ওচৰ চাপিছো আৰু তেওঁ কোনো দিনে এই অনুষ্ঠান-প্ৰতিষ্ঠানবিলাকক নিজৰ ফালৰ পৰা যৎ পৰোনাস্তি সহায়-সহযোগ আগবঢ়োৱাৰ কাৰণে কৃপণালি কৰা পৰিলক্ষিত হোৱা নাই। হাউলী ৰাস কমিটীৰ সৈতেও তেওঁ ওতঃপ্ৰোতভাৱে জড়িত। সুদক্ষ প্ৰশাসক স্বৰূপে এই বৃহত্তৰ অঞ্চলটোত উচ্চ মানবিশিষ্ট শিক্ষায়তনিক পৰিমণ্ডল গঢ় দি মহৎ সামাজিক দায়বদ্ধতা পালন কৰা বাবে হাউলী ৰাস কমিটীয়ে ২০১৩ চনৰ হাউলী বঁটাৰে তেওঁক সন্মানিত কৰে। শেষত এই আশাতে মই তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

*(লেখক এগৰাকী বিষয় শিক্ষক আৰু সত্যনাথ দাসদেৱৰ জোঁৱাই)*

# সত্যনাথ দাস ঃ
# এজন মহীৰুহৰ সৈতে কিছু আলাপ

**অভিজ্ঞান অনুৰাগ**
**মানসী ডেকা**

*(সত্যনাথ দাস। তেওঁৰ জীৱন-প্ৰক্ৰিয়া আৰু কৰ্মৰ প্ৰতি নজৰ ৰাখিলে সমাজৰ একোজন সাধাৰণ মানুহেই ক'ব পাৰিব যে সঁচাকৈয়ে তেওঁ এজন মহীৰুহ; ইয়াত অলপো অত্যুক্তি নাই। সাধাৰণ জীৱন-প্ৰণালী, আৰ্থিক দীনতা, এটা স্থিৰ অথচ উজ্জ্বল শিক্ষা-জীৱন, জীৱন সম্পৰ্কে স্বচ্ছ ধাৰণা, ত্যাগ স্বীকাৰ, অশুভ শক্তি বা পথৰ বাবে সহজাত অনীহা, বিষয়-বৈভৱৰ প্ৰতি নিম্নতম অগ্ৰাধিকাৰ, নিয়মত কঠোৰ আৰু সহানুভূতিশীল আদি অজস্ৰ গুণৰ অধিকাৰী সত্যনাথ দাস অকল বৰপেটা জিলাৰ হাউলী মৌজাৰ অন্তৰ্গত মৌটুপুৰী গাঁৱৰে এগৰাকী ব্যক্তি নহয়, তেওঁ অসমৰ বাবে এটা অনুষ্ঠান। বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় দাসে অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত এনে এটি অমোচনীয় দাগ ৰাখিব পাৰিছে যাৰ বাবে তেওঁ চিৰদিন সকলোৰে আদৰণীয় হৈ ৰ'ব।*

*এই গৰাকী ব্যক্তিৰ সৈতে কেইদিনমানৰ আগেয়ে কিছু কথাৰ বিনিময় কৰিছিলোঁ। আচলতে বাৰ্দ্ধক্যৰ এটি প্ৰায় আমনিদায়ক বয়সত ৰোগ-দুচিন্তাৰ বাবে অনবৰত দুৰ্বলমনা হৈ থকা এই গৰাকী ব্যক্তিৰ মনৰ খবৰ লোৱাও এই আলাপৰ অইন এটি উদ্দেশ্য। তেওঁৰ সৈতে বিনিময় কৰা জীৱনৰ বিভিন্ন পৰ্যায়ৰ কথা আৰু ঘটনা-পৰিঘটনাসমূহ এই লেখাত হুবহু ৰাখি*



*থোৱা হ'ল যাতে তেওঁৰ জীৱনৰ আৰ্হিয়ে সমাজৰ সকলো শ্ৰেণীৰ লোকক উৎসাহিত কৰি তোলে আৰু তেওঁৰ কৰ্ম আৰু আৰ্হি আটাইৰে পাথেয় হৈ থাকে।)*

**প্ৰশ্নঃ** আপোনাৰ জন্ম সম্পৰ্কত কিছু কথা কওঁকচোন?

**উত্তৰঃ** মই ১৯৩৬ চনৰ ৯ জুলাই তাৰিখ বৃহস্পতিবাৰে স্বৰ্গীয় উপেন্দ্ৰনাথ দাসৰ ঔৰসত আৰু স্বৰ্গীয় পুণ্যদাবালা দাসৰ গৰ্ভত বৰপেটা জিলাৰ বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত হাউলী মৌজাৰ মৌটুপুৰী গাঁৱত জন্ম লাভ কৰোঁ।

**প্ৰশ্নঃ** **আপোনাৰ শিক্ষা জীৱনৰ সকলো কথা মনত আছেনে বাৰু?**

**উত্তৰঃ** আচলতে শিশুকালৰ বা তাৰ কিছু বাঢ়ন বয়সৰ সকলো কথা কোনো মানুহৰে স্পষ্টকৈ মনত নাথাকে। সেইবোৰৰ কিছুমান কেতিয়াবা কোনোবাটো মুহূৰ্তত মনত পৰে। অৱশ্যে দিন যোৱাৰ লগে লগে সেইবোৰো আকৌ পাহৰণিৰ গৰ্ভত হেৰাই যায়। কিন্তু প্ৰধান প্ৰধান কথাবোৰ হ'লে ভালকৈ মনত থাকে।

মই প্ৰাথমিক শিক্ষাৰ বাবে মৌটুপুৰী প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰিছিলোঁ। তাৰ পিছত হাউলী হাইস্কুলৰ পৰা মাধ্যমিক শিক্ষা সমাপ্ত কৰোঁ। এই শিক্ষানুষ্ঠানৰ পৰা ১৯৫৫ চনত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে বৰপেটাৰ মাধৱ চন্দ্ৰ চৌধুৰী মহাবিদ্যালয়ত আই.এ. শাখাত নামভৰ্তি কৰোঁ। ১৯৫৭ চনত এই মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত আই.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ সেই শিক্ষানুষ্ঠানৰ পৰাই ১৯৫৯ চনত স্নাতক ডিগ্ৰী লাভ কৰোঁ অৰ্থনীতি বিভাগত। ফলাফল মতে মই প্ৰথম সন্মানসহ দ্বিতীয় শ্ৰেণী লাভ কৰিছিলোঁ। তাৰ পাছত ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত দ্বিতীয় শ্ৰেণী লাভ কৰোঁ।

মোৰ শিক্ষা-জীৱনটো আচলতে একেধৰণৰ ধুমুহাহে। As if in student life, I boarded on a boat in a perilous river. জ্ঞান-প্ৰজ্ঞাৰ

নামত মই মনত যিমান স্বপ্ন লালন-পালন কৰি ৰাখিছিলোঁ সেই অনুসাৰে সকলো সময়তে বা পৰ্যায়তে মানসিক সুখ-সন্তুষ্টি লাভ কৰিবলৈ সক্ষম হোৱা নাছিলোঁ। ইয়াৰ মূল কাৰণ আছিল মোৰ আৰ্থিক দীনতা। অৰ্থাৎ সঁচা কথা ক'বলৈ গ'লে এই দীনতা আৰু মোৰ বিদ্যায়তনিক হাবিয়াসৰ মাজত এক সংগ্ৰাম চলিছিল। তথাপি মই কেতিয়াও মানসিকভাৱে ভাগি পৰা নাছিলো; কাৰণ মই জানো বা বুজো যে-- There is no shortcut to success. One must rely on his self-confidence as survival tool in the days of crisis and distress.

**প্ৰশ্ন ঃ মনত বৰ আনন্দ আৰু সাহস পালো আপোনাৰ কথা শুনি। এতিয়া অলপ আপোনাৰ চাকৰি জীৱনৰ বিষয়ে কওঁকচোন?**

**উত্তৰ ঃ** পঢ়াৰ মাজে মাজে ১৯৫৭ চনত হাউলীৰ ধূপগুৰী এম. ভি. স্কুল আৰু ১৯৫৯ চনত হাউলী হাইস্কুলত অস্থায়ী পদত সেৱা আগবঢ়াও। এম. এ. পৰীক্ষাৰ পিছত প্ৰথমতে পাঠশালাৰ বজালী মহাবিদ্যালয়ত প্ৰায় চাৰে চাৰি বছৰকাল অৰ্থনীতি বিভাগত অধ্যাপনা কৰো। ইয়াৰ মাজতে ১৯৬৩ চনত NCC Officers' Training লৈ ১৯৭১ চন পৰ্যন্ত NCCৰ Company Commander হিচাপে কাৰ্যনিৰ্বাহ কৰোঁ। উল্লেখযোগ্য যে এই বিষয়ত প্ৰথম প্ৰশিক্ষণ হৈছিল পঞ্জাৱৰ পাটিয়ালা চহৰৰ মতিবাগ পেলেচত ১৯৬৩ চনত আৰু দ্বিতীয় প্ৰশিক্ষণ 'কামটি প্ৰশিক্ষণ কেন্দ্ৰ'ত (মহাৰাষ্ট্ৰ) ১৯৬৫ চনত।

সঁচা কথা ক'বলৈ গ'লে, জীৱনৰ শেষ ভাগৰ চাকৰিটো (বি. এইচ. মহাবিদ্যালয়ত) কৰাৰ আগেয়ে বিভিন্ন শিক্ষানুষ্ঠান, বিভাগত যি সেৱা আগবঢ়াইছিলো তাৰ পৰা মোৰ ঘাইকৈ দুটা লাভ হৈছিল। এটা মোৰ মানসিক আৰু আৰ্থিক ভৰণ-পোষণ আৰু আনটো আমাৰ সমাজ-জীৱনত মোৰ বৰ্ণিল (multihued) অভিজ্ঞতা অৰ্জন। মই এতিয়া মাজে মাজে ভাবো



কোনো মানুহেই নিজৰ জীৱনলৈ কিছু আত্মবিশ্বাস আৰু পৰোপকাৰৰ পাঠ সম্পূৰ্ণকৈ আহৰণ কৰিব নোৱাৰে যদি তেওঁ সমাজ-জীৱনৰ বা তাৰ ধাৰাৰ সৈতে নিজক এক শৃংখলাৰ মাজত সংপৃক্ত কৰি ৰাখিবলৈ জীৱনত সুযোগ নাপায়। গতিকে মই এতিয়া ক'ম— মোৰ বিভিন্ন সেৱা বা বৃত্তি মোৰ বাবে সাহস অৰ্জনৰ একোটা উত্তম উৎসহে আছিল।

বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ত অধ্যক্ষতাৰ কালছোৱাত আগ-পিছ ভাবি সমাজৰ স্বাৰ্থত মই বহুতো সিদ্ধান্তত 'no' কৈছিলো; 'yes' বুলি ক'বলৈ মোক বিবেকে নিৰ্দেশ দিয়া নাছিল। কাৰণ, 'yes' বুলি ক'লে সেই সিদ্ধান্তই যে সমাজ বা ব্যক্তি বিশেষৰ অপকাৰ কৰিব মই আগেয়ে বুজি পাইছিলোঁ। কিন্তু এই পদক্ষেপৰ বাবে মই হয়তো বহুতোৰে অপ্ৰিয় হৈ পৰিছিলোঁ। কিন্তু মোৰ সন্তুষ্টি এয়ে যে মই হানিকৰ সিদ্ধান্তত বিবেকক প্ৰৰোচিত কৰা নাছিলো। মই বিশ্বাস কৰিছিলো যে-- The art of leadership is saying no, not yes. It is easy to say yes.

**প্ৰশ্ন ঃ বৰপেটাৰোড-হাউলী মহাবিদ্যালয়লৈ আপোনাৰ যাত্ৰা সম্পৰ্কত কওঁকচোন?**

**উত্তৰ ঃ** ১৯৬৪ চনৰ এপ্ৰিল মাহত হাউলী আৰু বৰপেটাৰোড— এই বৃহত্তৰ অঞ্চলৰ ৰাইজৰ অভাৱনীয় উৎসাহ আৰু আন্তৰিক প্ৰচেষ্টাৰ ফলত দুই ঠাইৰ যুটীয়া প্ৰচেষ্টাত এটি আদৰ্শ উচ্চ শিক্ষানুষ্ঠান দুই চহৰৰ মধ্য স্থানত স্থাপনৰ বাবে ৰাজহুৱা সাধাৰণ সভা আহ্বান কৰাৰ গুৰু দায়িত্ব বহন কৰিবলগীয়া হ'ল। সভাখন অনুষ্ঠিত হয় সেই বছৰৰে ২৪ জুনত বৰপেটাৰোডত। সভাখনত সভাপতিৰ আসন শুৱনি কৰিছিল মহকুমাধিপতি প্ৰয়াত কমল চন্দ্ৰ মজুমদাৰে। হাউলী আৰু বৰপেটাৰোড চহৰৰ সোঁমাজত বৰবাৰীঝাৰত বৰপেটাৰোড-হাউলী মহাবিদ্যালয় নামেৰে

শিক্ষানুষ্ঠানটি স্থাপনৰ সিদ্ধান্ত লোৱা হয়। ইতিমধ্যে বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ত শিক্ষক নিযুক্তি প্ৰক্ৰিয়া শেষ হয় আৰু কলেজ পৰিচালনা সমিতিয়ে মোৰ ওপৰত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। ১৯৬৬ চনৰ ১২ জুলাইত বজালী কলেজৰ স্থায়ী চাকৰি বাদ দি অধ্যক্ষ পদত যোগদান কৰোঁ। তেতিয়াৰ পৰা ১৯৯৯ চনৰ ১ মাৰ্চলৈ এই মহাবিদ্যালয়তে থাকো। ১৯৬৬ চনৰ ২৪ জুনত প্ৰাক্ বিশ্ববিদ্যালয়ৰ অনুমতি পাওঁ। ইয়াৰ আগেয়ে অৱশ্যে বিভিন্নজনৰ প্ৰচেষ্টাত অৰ্থ সংগ্ৰহ চলি থাকে। সেই কাৰণে উক্ত চনটোৱেই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস হিচাপে পৰিগণিত হয়। প্ৰথমতে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ অনুষ্ঠিত হয় বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুলৰ চৌহদত। পাছত ১৯৬৬ চনৰ ১০ ডিচেম্বৰত ইয়াৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়।

**প্ৰশ্ন ঃ আমি জানো যে আপুনি সেই সময়ত বজালী মহাবিদ্যালয়তো অধ্যাপনা কৰি আছিল। একেলগে দুখন অনুষ্ঠানৰ বাবে কেনেকৈ মনোযোগ দিব পাৰিছিল ?**

**উত্তৰ ঃ** দিনত বজালীত, ৰাতি মাজনিশালৈ মহাবিদ্যালয়ত। তাৰ মাজতে বজালীত এন.চি.চি.ৰ প্ৰশিক্ষণো চলিছিল। জাতি-ধৰ্ম নিৰ্বিশেষে দিয়া দান-বৰঙণি চিৰস্মৰণীয়। এইটো সকলোৰে অনুমানৰ বিষয় যে এজন ব্যক্তিয়ে একে সময়তে দুটা গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াব লাগিলে অশেষ পৰিশ্ৰম কৰিবলগীয়া হয়। মই সেই সময়ত বুজি পাইছিলো যে মোৰ বাবে দুয়োটা কামেই গুৰুত্বপূৰ্ণ আৰু সেয়েহে অফুৰন্ত পৰিশ্ৰমেৰে কামত মনোনিৱেশ কৰিছিলোঁ। শৰীৰৰ প্ৰতি নজৰ আৰু জীৱনত অন্যান্য কিছুমান প্ৰয়োজনৰ নামত অইনৰ দৰে বিশেষভাৱে মনোযোগ নিদি কেৱল কাম কৰিছিলোঁ। তেতিয়া মোৰ বাবে ঘড়ীটো এক নিষ্ঠুৰ শক্তি হিচাপে পৰিগণিত হৈছিল। ঘড়ীয়ে মোৰ ফালে যেন খঙেৰে চাই চাই মোৰ পৰা সময়বোৰ কাঢ়ি লৈ গৈছিল।



**প্ৰশ্ন ঃ বি. এইচ. মহাবিদ্যালয়ৰ প্ৰতি জীৱনত আপোনাৰ কি ধাৰণা থাকি গ'ল ? এই অনুষ্ঠানৰ প্ৰতি আপোনাৰ আশা ?**

**উত্তৰ ঃ** (চকু দুটা গামোচা এখনেৰে সামান্য মোহাৰি লৈ) মোৰ প্ৰাণ এই অনুষ্ঠান। এটা শিশুক প্ৰাপ্তবয়স্ক হোৱালৈ দেখিলে মনত যি আনন্দৰ জোৱাৰ উঠে সেই জোৱাৰ মোৰ মনস্তত্ত্বত থাকি গ'ল। ইয়াৰ প্ৰতিটো কোঠা, প্ৰতিখন দুৱাৰ-খিড়িকী, প্ৰতিজন কৰ্মচাৰী, ইয়াৰ সৈতে জড়িত প্ৰতি ব্যক্তিবিশেষ, প্ৰতিটো ঋতু, ধুমুহা, প্ৰতিটো চিঞৰ মোৰ বুকুত ৰৈ গৈছে। ইয়াৰ উত্তৰণত মই অকলে কৃতিত্ব নলওঁ; ই এক অনুষ্ঠান যিয়ে অদূৰ ভৱিষ্যতলৈ শিক্ষাৰ এখন ধ্বজা উৰুৱাই লৈ গৈ থাকিব।

বি. এইচ. মহাবিদ্যালয় নামৰ এই শিশুটোক মই আৰু মোৰ দৰে অজস্ৰজনে যেনেকৈ লালন কৰিছিলোঁ, আহাৰ-পোচাক দিছিলো তেনেকৈ যেন এতিয়াৰ আৰু ভৱিষ্যতৰ সাধকসকলে এই কামত কোনো কৃপণালি নকৰে। এই অনুষ্ঠানৰ মৰ্যাদা অৱনমিত হ'লে বৰপেটাৰোড-হাউলী আৰু ইয়াৰ দাঁতি-কাষৰীয়া সকলো অঞ্চলৰে মৰ্যাদা অৱনমিত হ'ব; কাৰণ ই আমাৰ আত্মা ব্যাখ্যা কৰি থকা এটা স্বৰ (A soul interpreting voice)।

**প্ৰশ্ন ঃ মহৎ ব্যক্তিৰ লগত আপোনাৰ সম্বন্ধ ?**

**উত্তৰ ঃ** প্ৰয়াত অক্ষয় কুমাৰ দাস, অধ্যক্ষ ৰাধাকান্ত দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক চিদানন্দ দাস, উপাচাৰ্য ড° মথুৰানাথ গোস্বামী, সুৰেশ ৰাজখোৱা, ড° নিৰ্মল কুমাৰ চৌধুৰী, কুমুদ নাথ শৰ্মা, মাধৱ চন্দ্ৰ শৰ্মা, ড° খুৰছেদ আলম, ড° দেৱপ্ৰসাদ বৰুৱা (ৰাজনীতি), মহেন্দ্ৰ মোহন চৌধুৰী, হিতেশ্বৰ শইকীয়া, হৰেন্দ্ৰনাথ তালুকদাৰ, শৰৎ চন্দ্ৰ সিংহ, ড° হীৰেন গোহাঁই (শিক্ষা), অশোক শইকীয়া, প্ৰফুল্ল চন্দ্ৰ শৰ্মা, ড° গজেন্দ্ৰনাথ তালুকদাৰ, কৃষ্ণ কুমাৰ বৰা, হোমেন বৰগোহাঞি, জি.এল. আগৰৱালা, লক্ষ্মীনন্দন বৰা, প্ৰয়াত ডাঃ সুৰেন্দ্ৰনাথ দাস আৰু অন্যান্য অজস্ৰজনৰ

সৈতে মোৰ সান্নিধ্য ঘটিছিল। বহুতৰ নাম এই মুহূৰ্তত মোৰ মনলৈ অহা নাই।

আচলতে ভাল মানুহৰ সৈতে সম্বন্ধ হ'ল প্ৰত্যেক মানুহৰে জীৱনৰ এটা স্তৰ; এই সম্বন্ধই মানুহক সম্পূৰ্ণ মানুহ হ'বলৈ সুযোগ প্ৰদান কৰে। মই অৱশ্যে এটা সীমাৰ মাজত থাকি ভাল পোৱা মানুহ কাৰণে, হাউলী-বৰপেটাৰোডৰ প্ৰতি এটা টান সদায় অনুভৱ কৰি থকা কাৰণে এই ঠাইতে থাকি গ'লো। চিন্তাৰ পৰিসৰ বৃদ্ধি কৰাত বিশিষ্ট ব্যক্তিৰ সংস্পৰ্শ পাইছিলো যদিও সকলো সময়তে অগ্ৰসৰ হোৱা নাছিলো।

**প্ৰশ্ন ঃ সাংসাৰিক জীৱন? পত্নীৰ নামত এষাৰ?**

**উত্তৰ ঃ** অপৰিকল্পিত। সাংসাৰিক জীৱনত চকু দিয়া সময় নহ'ল বুলিয়ে ক'ব পাৰি। মোৰ ছয়জনী জী আৰু পুত্ৰ এটা। বৰপেটা নিবাসী প্ৰয়াত অচ্যুতানন্দ দাসৰ জীয়ৰী বীণাপাণি দাস মোৰ সহধৰ্মিনী (better half)। ছোৱালী কেইজনী সুশিক্ষিতা আৰু সুপাত্ৰত আটাইকেইজনীৰে বিয়া হৈ গৈছে। ল'ৰা এজন। সি আইন বিভাগৰ অৰ্হতা লৈছে।

পত্নীৰ সহযোগিতা, আস্থা, এটা বহল মনৰ পৰিচয় আৰু প্ৰায় সকলো সময়তে মোৰ সংস্পৰ্শত থকা কথাবোৰ মোৰ বৈবাহিক জীৱনৰ এটা অমোচনীয় স্মৃতি।

**প্ৰশ্ন ঃ সামাজিক জীৱন?**

**উত্তৰ ঃ** সৰুৰে পৰা মোৰ নিচা সামাজিক কামত। মই আগেয়ে কৈছো সমাজ-জীৱনো মোৰ এক প্ৰাণ। বিভিন্ন ব্যস্ততাৰ মাজতো মই বহুতো অনুষ্ঠানৰ সৈতে জড়িত হৈছো। নিম্নলিখিত ধৰণেৰে মই জড়িত।

ক) মুক্তি ক্লাব এণ্ড লাইব্ৰেৰী প্ৰতিষ্ঠা

খ) পৱন চন্দ্ৰ পাঠক এম. ই. স্কুল আৰু বৰবাৰীঝাৰ হাইস্কুল প্ৰতিষ্ঠাত সক্ৰিয় সহযোগ



গ) হাউলী শাখা সাহিত্য সভাৰ সভাপতি

ঘ) হাউলী হাইস্কুল সোণালী জয়ন্তী স্মাৰক নিধিৰ প্ৰতিষ্ঠাপক সভাপতি

ঙ) হাউলী হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি

চ) বৃহত্তৰ হাউলী উন্নয়ন পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি

ছ) বৃহত্তৰ হাউলী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি

জ) অসম কলেজ অধ্যক্ষ পৰিষদৰ তিনি বছৰ সভাপতি (১৯৯৫-৯৭)।

**প্ৰশ্ন ঃ আপোনাৰ অৱসৰ? এতিয়া কি কৰি সময় অতিবাহিত কৰে?**

**উত্তৰ ঃ** ১৯৯৯ চনৰ ১ মাৰ্চত মই অৱসৰ গ্ৰহণ কৰো। সম্পূৰ্ণ তেত্ৰিশ বছৰ কাল মই এই মহাবিদ্যালয়ত আছিলো।

বৰ্তমান মই চকুৰ অসুখত ভুগি আছো। পঢ়া-শুনা কৰিব নোৱাৰো। মই বৰ্তমান বিভিন্ন অসুখৰ সৈতেই মিতিৰালি পাতি থকাৰ নিচিনা হৈছে। নিঃসঙ্গ হোৱা যেন লাগিছে। W.B. Yeats য়ে কৈছিল নহয় An old age is a tattered coat upon a stick, ময়ো এতিয়া এটা tattered coat.

**প্ৰশ্ন ঃ আমি শুনিছো আপুনি হেনো চাকৰি জীৱনত একেবাৰে ছুটি নল'লে? হয় নেকি বাৰু?**

**উত্তৰ ঃ** একেবাৰে ছুটি শূন্য নহয়, বিয়াৰ দিনা মাথোঁ কেজুৱেল ছুটি লৈছিলো। ১৯৬৭ চনৰ ১৮ নৱেম্বৰত।

**প্ৰশ্ন ঃ আপুনি হাউলী বঁটা লাভ কৰিছে?**

**উত্তৰ ঃ** হয়। ২০১৩ চনত বৃহত্তৰ হাউলী ৰাস মহোৎসৱ সমিতিয়ে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত মোৰ বৰঙণি থকা বুলি ঘোষণা কৰি এই বঁটাটো দিছে। অৱশ্যে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত অকল ময়েই নহয় এই অঞ্চলত আৰু বহুতো ব্যক্তি আছে।

**প্ৰশ্ন ঃ আপুনি অসমৰ দুটা বৃহৎ আন্দোলন— ভাষা আন্দোলন আৰু**

**বিদেশী বহিষ্কাৰ আন্দোলন নিজ চকুৰে দেখিছে। কিবা অনুভৱ?**

**উত্তৰঃ** হয়। ভাষা আন্দোলন চলোতে মই বিশ্ববিদ্যালয়ত এম. এ. পঢ়ি আছিলো আৰু বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত বি. এইচ. মহাবিদ্যালয়তে আছিলো।

মই ভাৱো, এই দুয়োটা আন্দোলনৰে ন্যায্যতা আছে। দুয়োটাই অসমীয়া জাতিৰ অস্তিত্বৰ সংকট মুকলিকৈ প্ৰকাশ কৰিছে। কিন্তু দুয়োটা আন্দোলনৰ পৰৱৰ্তী কালছোৱাত অসমত ৰাজনীতিৰ বীজাণু ইমানকৈ বিয়পিল যে আচল আদৰ্শৰ পৰা নেতাবোৰক বিচলিত হোৱা দেখিলোঁ। এই ঘটনাই মোক মৰ্মাহত কৰিছে। আনকি ইয়াৰ পিছৰ পৰ্যায়তো অসমত আৰম্ভ হোৱা বহুতো আন্দোলনত (সশস্ত্ৰ জাগৰণেই হওক বা অহিংস জাগৰণেই হওক) সেই একেই আদৰ্শৰ সংকট আৰু অন্তঃসাৰশূন্যতা লক্ষ্য কৰিছো। এইবোৰ দেখি শুনি অতি বেছি বেয়া লাগিছে এই কাৰণেই যে এই আন্দোলনবোৰত মই নিজেও কাৰাবাস খাটিছিলোঁ। গতিকে কথাবোৰ এনেকুৱা নেকি যে সেই সময়ত আন্দোলনবোৰত নিজৰ সমৰ্থন আগবঢ়াইছিলোঁ কেৱল কিছুমান মানুহৰ ছলনাত পৰি? এতিয়াতো অভিজ্ঞতাই কৈছে এয়া সম্পূৰ্ণ সঁচা কথা। জ্ঞান, মানৱতাবোধ বিবৰ্জিত কোনো জাগৰণত মই এই জীৱনত সমৰ্থন জনাব নোৱাৰি দুঃখিত।

**প্ৰশ্নঃ বি. এইচ. মহাবিদ্যালয়ত থাকোতে সেনাবাহিনীৰলোকে আপোনাক গ্ৰেপ্তাৰ কৰিছিল আলফাৰ সৈতে সম্পৰ্ক থকাৰ সন্দেহত। সেই সময়ত আপোনাৰ নাম সংবাদপত্ৰবোৰতো প্ৰকাশ পাইছিল? আচলতে কথাবোৰনো কি? মুকলিকৈ ক'বনে?**

**উত্তৰঃ** বৰপেটাৰোডৰ কেইগৰাকীমান ব্যৱসায়ীয়ে আলফাৰ পৰা কিছু অসুবিধা পাই মোক জনাইছিল আৰু মোৰ সহায় বিচাৰিছিল। তেওঁলোকে মোৰ সহায় বিচৰাৰ এটাই কাৰণ আছিল— মই সেই সময়ত এই বৃহত্তৰ



অঞ্চলটিৰ এজন মুখিয়াল মানুহ হিচাপে বিভিন্ন সমস্যাৰ ওৰ পেলাবলৈ অঘোষিত আৰু স্বতঃস্ফূৰ্তভাৱে এটা দায়িত্ব পালন কৰি থাকিবলগীয়া হৈছিল। কিছুমান কথাৰ পৰা ব্যক্তিগত কাৰণত আঁতৰি থাকিবলৈ বিচাৰিছিলোঁ যদিও সকলো শ্ৰেণীৰ মানুহে মোৰ ওপৰত ভৰসা কৰি মোৰ ওচৰলৈ আহিছিল। বন্ধুসম এই ব্যৱসায়ী কেইজনৰ সমস্যাৰ প্ৰসংগত মই আলফাৰ ল'ৰা কেইটাৰ লগত মৰমেৰে আলোচনা কৰি বহু কথা বুজাইছিলো আৰু সমস্যা যাতে অনাহকত বাঢ়ি নাযায় তাৰ কাৰণে আপ্ৰাণ চেষ্টা চলাইছিলোঁ। কিন্তু এই কাৰণতে সেনাবাহিনীৰ লোকৰ চকু মোৰ ওপৰত পৰিল আৰু তেওঁলোকে সন্দেহৰ বশৱৰ্তী হৈ মোক নানান জুলুম কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে বুজি পালে যে মই কোনো ধৰণৰ অপকৰ্মত জড়িত নহয় বা সমাজত মোৰ কোনো কুপ্ৰভাৱ নাই তেতিয়া স্বজ্ঞানে তেওঁলোকে মোক পুনৰ জুলুম নকৰিবলৈ সিদ্ধান্ত লৈছিল। সেয়াই আচল কথা।

**প্ৰশ্নঃ আপুনি এতিয়া প্ৰায়ে অসুখীয়া হৈ থাকে নহয় জানো?**

**উত্তৰঃ** মোৰ বয়স এতিয়া ৮১ বছৰ। এই বয়সত অসুখেই হল প্ৰত্যেক মানুহৰ পৰম বন্ধু। লাহে লাহে দেহৰ অংগ-প্ৰত্যংগ নিষ্ক্ৰিয় হৈ আহিছে। ২০০১ চনৰ এপ্ৰিল মাহত বিধায়ক কুমাৰ দীপক দাসৰ সৈতে এক সাংস্কৃতিক অনুষ্ঠানৰ পৰা উভতি অহাৰ পৰত গ্ৰেণেড বিস্ফোৰণত মোৰ ভৰি দুখনত যি আঘাত পাইছিলো সেই আঘাতে মোক আজিও কোঙা কৰি ৰাখিছে। তাৰ পাছত ২০০৮ চনত হাৰ্টৰ অসুখৰ বাবে পেচমেকাৰ লগাবলগীয়া হ'ল। অকল সেয়াই নহয় চকুৰো অস্ত্ৰোপচাৰ কৰালোঁ। এতিয়া মই এক দৃষ্টিহীন অৱয়ব মাথোঁ। পঢ়া-শুনা চিৰদিনৰ বাবে ত্যাগ কৰিলগীয়া হ'ল। দৃষ্টিহীনভাৱে এতিয়া মই যিখন পৃথিৱীৰ সৈতে বা মোৰ চিনাকি প্ৰতিজন মানুহৰ সৈতে সংস্পৰ্শ কৰি থাকিবলগীয়া হৈছে সেয়া এক

কল্পনাৰহে জগত। দৃষ্টিসম্পন্ন আগৰ চকুৰে দেখা জগতখনকে এতিয়া কল্পনাৰে সজাই বাচি আছো। এই জীৱন প্ৰক্ৰিয়া বৰ আমনিদায়ক, স্পন্দনহীন। আচলতে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কথাই সঁচা— শুধু দিন যাপনের, শুধু প্ৰাণ ধারণের গ্লানি।

সঁচা কথা, মই নজনাকৈয়ে, সঘনাই উপলব্ধি নকৰাকৈয়ে মোৰ আপোন সত্তা এতিয়া অধীৰ অপেক্ষাত আছে এক অমৃত পানৰ বাবে। সেই অমৃত দান কৰে প্ৰতিজন মানুহক কেৱল মৃত্যুয়ে।

**প্ৰশ্ন ঃ আপোনাৰ কৰ্মবহুল আৰু ত্যাগী জীৱনৰ বাবে আমি আমাৰ অন্তৰৰ পৰা অশেষ শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জনালোঁ আৰু কামনা কৰিলোঁ আপুনি ভালে-কুশলে থাকক। আমি কথা দিলো, — আপোনাৰ কৰ্ম-চিহ্ন, ত্যাগৰ স্বাক্ষৰ আৰু অমল প্ৰতীতি ভৱিষ্যত প্ৰজন্মৰ বাবে আৰ্হি হিচাপে আগবঢ়াবলৈ চেষ্টা অব্যাহত ৰাখিম। ধন্যবাদ।**

**উত্তৰ ঃ** ধন্যবাদ।

*(লেখক-লেখিকাদ্বয় শ্ৰীযুত সত্যনাথ দাসদেৱৰ জোঁৱাই আৰু দ্বিতীয়া জী)*



# মোৰ জীৱনৰ আদৰ্শৱান ব্যক্তিজন

**অনামিকা দাস**

তেখেতৰ ব্যক্তিত্ব, সত্যনিষ্ঠা, কৰ্তব্যপৰায়ণতা আৰু আদৰ্শৰ দ্বাৰা মোহিত হৈছিলোঁ আৰু নিজকে তেখেতৰ আদৰ্শৰে গঢ়িবলৈ চেষ্টা কৰি আছোঁ। তেখেতে মোৰ অন্তৰত যি স্থান পাইছে আন কোনেও সেই স্থান পাব নোৱাৰে। সেই মহান ব্যক্তিজনেই হৈছে শ্ৰীযুত সত্যনাথ দাস, প্ৰতিষ্ঠাপক অধ্যক্ষ, বৰপেটাৰোড-হাউলী মহাবিদ্যালয় আৰু তেখেত ভাগ্যক্ৰমে মোৰ পিতৃ। সৰুৰে পৰা তেখেতৰ ব্যক্তিত্বৰ দ্বাৰা আপ্লুত হৈছিলোঁ আৰু জীৱনত বহু কথা তেখেতৰ পৰা শিকিছিলোঁ। আজৰি সময়ত বাৰাণ্ডাত বহি থাকোতে বা প্ৰাতঃভ্ৰমণ কৰিবলৈ যাওঁতে (ময়ো তেখেতৰ লগত গৈছিলোঁ) তেখেতে কোৱা বহু মূল্যৱান তথা জ্ঞানভৰা কথা আজিও পাহৰিব পৰা নাই। সৰুৰে পৰা মই তেখেতৰ বেছি ওচৰ চাপিছিলো পঢ়াৰ ছলেৰে হওক বা কথাৰ ছলেৰে। বহু কথা মই তেখেতৰ লগত পাতিছিলোঁ আনকি আজিও মোৰ দুখ, সুখ আদি সকলো কথা তেখেতৰ আগত কওঁ আৰু পৰামৰ্শ বিচাৰোঁ। কেতিয়াবা কিবা কথাত তেখেতে খং কৰিলেও অলপ পিছতে নিজে আহি বিভিন্ন কথাৰে পৰিৱেশটো সহজ কৰি দিয়ে। সত্যনিষ্ঠাৰে তেখেতে কৰ্তব্য পালন কৰি থকাৰ বাবে কেতিয়াবা আমাক অৰ্থাৎ মোক আৰু মোৰ বাই-ভনীসকলক চাবলৈ সময় নাপাইছিল, তেতিয়া আমি তেখেতৰ ওপৰত খং কৰিছিলোঁ কিন্তু আজি উপলব্ধি কৰিছোঁ যে সেই কৰ্তব্যনিষ্ঠাৰ বাবে আজি তেখেত সকলোৰে পৰিচিত। তেখেতৰ আদৰ্শৰে জীৱনটো পাৰ কৰিম বুলি মনতে প্ৰতিজ্ঞাবদ্ধ হৈছোঁ।

*(লেখিকা শ্ৰীযুত সত্যনাথ দাসদেৱৰ তৃতীয়া জী তথা মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা)*

# মোৰ পূজনীয় বাবা (দেউতা) মানুহজন

সংগীতা দাস

মোৰ বাবাৰ বিষয়ে লিখিবলৈ হ'লে বহুত কথাই লিখিব লাগে। মই তেওঁৰ বিষয়ে বেছি বহলাই নিলিখো। মোৰ বাবা শ্ৰীযুত সত্যনাথ দাসদেৱ পৰম কৰ্তব্য পৰায়ণ, দায়িত্বশীল, সকলো কামকে নিষ্ঠা সহকাৰে পালন কৰি অহা এজন অতুলনীয় গুণৰ ব্যক্তি। সৰুৰে পৰা মই আমাৰ বাইদেউ সকলোৱে তেখেতৰ আদৰ্শৰে ডাঙৰ হৈছো। আমাক তেখেতে কোনো কামতে নিৰাশ নকৰিছিল। ভুল কাম কৰিলে কামটো যে বেয়া তাক বুজাই ভাল কাম কৰিবলৈ উৎসাহ দিছিল। সৰুৰে পৰা মোক তেখেতে সদায় বুজাইছিল যে মা কোনো সমস্যা হ'লে তাক সদায় 'Positively' ভাবিবি। তেখেতে মোক বা বাইদেউহঁতক সদায় কৈছিল, 'আইহঁত কৰ্মই ধৰ্ম'। ইংৰাজীত এযাৰ বাক্য আছে 'Simple Living High Thinking'। এই কথাষাৰৰ বাস্তৱ ৰূপটো বা ছবিটো মই বাবাৰ জীৱনৰ মাজত দেখা পাইছো। এই চিন্তাধাৰাৰ বাবে বাবাই সৰুৰে পৰাই বহুত আৰ্থিক অনাটন আৰু অশেষ কষ্টতো হাৰ নামানি দৃঢ় মনোবলেৰে সমাজত এজন সফল ব্যক্তি বা সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত হ'ব পাৰিছে। তেখেতৰ এই আদৰ্শবোৰে মোৰ ব্যক্তিগত জীৱনত মোক বহুত প্ৰভাৱান্বিত কৰিছে। তেখেতৰ জীয়ৰী হিচাপে মই তেখেতক লৈ সদায় গৌৰৱান্বিত আৰু চিৰদিন গৌৰৱ কৰি থাকিম। আশা কৰিছো, বাবাৰ এই আদৰ্শবোৰ অনুকৰণ কৰি মইও যেন মোৰ একমাত্ৰ ছোৱালীজনীক সমাজত নাম উজ্বলাব পৰা সুসন্তান কৰি গঢ়ি তুলিব পাৰো, তাকেহে ভগৱানৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ।

শেষত বাবাই আগন্তুক দিনবিলাকত যাতে মানসিক শান্তি আৰু সুস্বাস্থ্যৰে জীয়াই থাকে, সেইটোকে মই ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাই সামৰিলোঁ।

*(লেখিকা শ্ৰীযুত সত্যনাথ দাসদেৱৰ কনিষ্ঠা জী)*



# A Letter To My Grandpa..... "আতা"

**Madhurima Das**

Well! We have all known this man as a Teacher, a renowned personality, more or less a social worker, a Principal but this article is intended to focus the fact that this man has been a great family person. Moreover he has been a grandparent to 11 kids till date.

Yes, this is a letter from a grandchild to the best grandpa one can ever have.

Dear Aata,

With lots of love and respect.

I barely remember my childhood days spent on your lap or playing with you just like other grand children do. All I remember is I spent most of my childhood days there, in the Principal's Quarter. I was too young to realise the worth of being your grand child then. I often wondered why you were the Guest of Honour at my school functions or why many a

times when I was introduced to any unknown person. I was called "প্ৰিন্সিপাল ছাৰৰ ডাঙৰ নাতিনী।" Never did I hate that because it made me enjoy a lot of priviledges but I never understood the reason behind as I was too young.

Gradually, I started growing up and I got to learn a lot about you. How you accepted everything that came your way and the journey from NCC Officer to the founder Principal of a College – The B.H. College. Never did I hear you complain anything about all these happenings.

Aata, I have heard everyone saying "সত্য দাস ছাৰ বহুত খঙাল, বহুত কাঢ়া" but I never saw you outraged, no! not even for a while. By far, I have always seen you calm and patient. The way you pamper us whenever we go to your place, you make me sit near you and the discussions we have. These are no ordinary talk. Unlike other grand children who get to listen to the 'সাধু's and pranks of their grandpa, we (me, Raja, Bubu, Babi, Krishnav, Riya, Hrishi, Pakhi, Raunak, Jumi, Sunny) get to know many more things from you.

I remember you once telling me how to prepare for an interview when I was about 10-14 years old and believe me, when I had my first campus interview I prepared myself recollecting all your tips.

Aata, you're a brave man and I've learnt how to survive the worst from you. I remember the only time I saw you broken



after the bomb blast but you always stood up brave. Salute to you Aata.

And how can someone be so hard working? you never spend an idle minute, you are always upto something 'বাৰীখন খুচৰি থাকা" specially!

Do you remember how 'মূৰ্খ' I was with Maths? You were the one who made me do a lot of Maths. Oh! I hated that.

I appreciate how you and Aita always show up whenever we have any important event of your life be it a birthday or the board exams or the result day. I remember a time during my HS exams when you did not find me at home and left me a note that said "আগন্তুক পৰীক্ষালৈ শুভেচ্ছা জনালোঁ — আতা।"

You and aita always find time to be with us. A page or two is too less to express how great a person you are, you were and you will be.

Lastly I would like to say you three things what I may fail to express how deep they are.

"Sorry Aata" for the times I failed to meet your expectations. I failed to respect your ideals and values. Sorry for the times I didn't value that I am the grand-daughter of such a strong personality. Sorry for the time I failed to accept my failure and just broke down and sorry for the time I hurt you.

I 'Promise' you Aata.... now that I have stepped into this phase of life where I have to mould my future all by myself. I shall abide by all your ideals and your values and principles and that how hard the challanges be I shall try to get the most of it and give my 100%. I promise never let you down and whenever I feel lost or broken, I shall tell myself that "I am the grand-daughter of Mr. Satya Nath Das."

'Thank You Aata' for always being a source of inspiration, for always motivating me for always appreciating my good deeds, for encouraging me to stand for good for always being proud of me, no matter, how harsh or rude or selfish or bad has been, for bearing my tantrums, for your words and blessings. Thank You for the kiss you always put on my forehead before leaving.

Thank you for being such a wonderful grandfather.

Today, on your big day, as your dream 'The B.H. College' is about to complete 50 years of excellence, I, Madhurima would like to congratulate you, Mr. Satya Nath Das, for being a dedicated and far sighted worker; for being the best Principal, for being a wonderful grandfather and above all for being 'The Best Teacher'.

*(Writer is Grand-daughter of Sri Satya Nath Das)*



# The Most Ideal Person of My Life

**Riya Saikia**

According to me, the most ideal person of my life is my honourable, lovely and amible, grandfather – Sri Satya Nath Das (Founder Principal of B.H.College). He has always been my strategy wall. He always encourages me in each and every step of my life. He always cares about me and gives me enough love. Still I can remember, one incident that happened in my life regarding my grandpa.

In the year 2014, I secured 87% and it was in class V. As he got news from my mom, he become angry. He immediately told my mom to give the phone to him and he talked with me. He told me in an angry voice that I had really hurt his sentiments by securing so less marks. But at the same moment, I knew that he was somehow feeling sad for that. Though his voice was filled with anger, still I could understand his sorrow for scolding his own grand-daughter. Although he scolded me,

he also encouraged me. And I was very happy because I could keep his words. In the year 2015 I secured 89%. I know its not more than 90% but still, I kept his words by increasing my percentage than that of the earlier year. I could only secure this more for his encouragement. Just for his conversation with me, I could achieve this success. I can never think to succeed in my life without my grandpa's blessings and his encouragement. My grandpa can understand me much better than even my mother. He also understands the reason behind my happiness or sadness without hearing from anyone. As my paternal grand-parents left me alone and had gone before my birth, so I respect and love my maternal grand-father to a great extent.

I promise my loving grand-father that for all sorts of success and achievements in my life, all credit will go to him even if he does not remain with me for ever.

*(Writer is Grand-daughter of Sri Satya Nath Das)*



# বিষয় ঃ সত্যনাথ দাস

## দীনেশ চন্দ্ৰ বৰুৱাৰ সৈতে আলাপ

*সত্যনাথ দাসদেৱৰ বিশাল ব্যক্তিত্বই অসমৰ বিভিন্ন প্ৰান্তৰ বহু বিশিষ্ট ব্যক্তিক আকৰ্ষণ কৰিছিল। দাসদেৱ সম্পৰ্কে কিছুকথা জনাৰ উদ্দেশ্যে আমি ওচৰ চাপিছিলোঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন অধ্যক্ষ দীনেশ চন্দ্ৰ বৰুৱাৰ। বৰুৱাদেৱৰ দৃষ্টিত সত্যনাথ দাস এনেদৰে উদ্ভাসিত হৈ উঠিছে–*

**১) সত্যনাথ দাসদেৱৰ লগত আপোনাৰ চিনাকি কেতিয়াৰ পৰা ?**

উত্তৰ ঃ ১৯৭৪-৭৫ চনত অসম শিক্ষক সংস্থাৰ ('এক্টা') আহ্বানত আমাৰ শিক্ষক সমাজে বিশ্ববিদ্যালয়ৰ আগন্তুক চূড়ান্ত পৰীক্ষাসমূহ বৰ্জন কৰাৰ এক সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুমোদিত নতুন বেতনৰ নিৰিখ তদানীন্তন অসম চৰকাৰে গ্ৰহণ কৰি কলেজ শিক্ষকসকলক আগবঢ়োৱাৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰাৰ অৰ্থে এই আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ 'এক্টা' বাধ্য হৈছিল। আন্দোলনৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ 'এক্টা'ই লগতে এইটো সিদ্ধান্ত লৈছিল যে— 'এক্টা'ৰ বিভিন্ন প্ৰতিনিধি দলে অসমৰ বিভিন্ন ঠাইলৈ গৈ সেই অঞ্চলৰ মুখ্য কলেজসমূহৰ অধ্যক্ষসকলক লগ ধৰি 'এক্টা'ৰ আন্দোলনৰ যথাৰ্থতা

আৰু পৰীক্ষা বৰ্জনৰ দাবীৰ প্ৰতি সমৰ্থন আদায় কৰাৰ বাবে যাব লাগে। এই সিদ্ধান্ত মৰ্মে 'এক্টা'ই বি.এইচ. কলেজ, হাউলীলৈ যাবৰ বাবে আৰু অধ্যক্ষ শ্ৰীসত্যনাথ দাসদেৱৰ পৰা 'এক্টা'ৰ দাবীৰ প্ৰতি সমৰ্থন আদায় কৰিবলৈ এই লেখকক ধৰি শ্ৰীৰঞ্জিৎ নাৰায়ণ ডেকা, ঁধীৰেন্দ্ৰ মোহন দাস আৰু ঁসতীশ ভট্টাচাৰ্যক লৈ এটা প্ৰতিনিধি দ'ল গঠন কৰি হাউলীলৈ যোৱাৰ নিৰ্দেশ দিয়ে। উক্ত নিৰ্দেশৰ আধাৰত প্ৰতিনিধি দ'লে যথা সময়ত হাউলীলৈ যাত্ৰা কৰে। (চন, তাৰিখ মনত নাই। ১৯৭৫ চনৰ প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষা আৰম্ভ হোৱাৰ আগৰ ঘটনা)

প্ৰতিনিধি দ'ল হাউলী গৈ উপস্থিত হয় আৰু শ্ৰীসত্যনাথ দাসদেৱৰ সন্ধানত ব্ৰতী হয়। কলেজত আৰু বাসগৃহত তেখেতক লগ নাপাই হাউলী বজাৰ চ'কলৈ গৈ কোনোবা এখন দোকানত তেখেতক বহি থকা পাই আমাৰ চিনাকি দি তেখেতৰ লগত বিশেষ জৰুৰী কথা আলোচনা কৰিব লগীয়া আছে বুলি কৈ তেখেতক বাহিৰলৈ মাতি আনিলো। তেখেতৰ বাসগৃহ অথবা কলেজলৈ নগৈ কাষৰ এখন দোকানত বহাৰ সুবিধা কৰি লৈ আমাৰ আলোচনাৰ পাতনি মেলিলো। শ্ৰীসত্যনাথ দাসদেৱৰ লগত এয়াই মোৰ প্ৰথম সাক্ষাৎ। চন, তাৰিখ মনত থকাহেঁতেন ভাল আছিল, কিন্তু বয়সে সেইটো হ'বলৈ নিদিয়ে।

আলোচনা বাৰুকৈয়ে উত্তপ্ত হৈছিল — দাসদেৱ তেখেতৰ যুক্তিৰ সমৰ্থনত নাচোৰ বান্দা। কলেজ শিক্ষকসকলৰ বাবে অনুদান আয়োগৰ বেতনৰ নিৰিখ উপলব্ধ হোৱাত তেখেতৰ সম্পূৰ্ণ সমৰ্থন আছে, কিন্তু তাৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীসকলৰ এটা বহুমূলীয়া শিক্ষাবৰ্ষ অথলে যোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি আন্দোলনটোত সমৰ্থন দিব খোজা নাছিল। আমি বিফল মনোৰথ হৈ ঘূৰি আহিছিলোঁ।

ওপৰত কোৱা কথাখিনিৰ পৰা দাসদেৱৰ ব্যক্তিত্বৰ এটা দিশ



স্পষ্টভাৱে ফুটি উঠিছে। তেখেতে 'এক্টা'ৰ আন্দোলনৰ প্ৰতি সহানুভূতিশীল কিন্তু লক্ষ্যত উপনীত হোৱাৰ বাবে পৰীক্ষা বৰ্জনৰ দৰে সিদ্ধান্তৰ বিৰোধী। নিজৰ যুক্তিত অলৰ-অচৰ হৈ থাকি এটা নীতিৰ সপক্ষে তেখেতে নিৰ্ভয়ে মত প্ৰকাশ কৰিছিল। দাসদেৱৰ ব্যক্তিত্বৰ এইটো দিশে মোক বৰকৈ আকৰ্ষণ কৰিছিল। পিছৰ কালত দাসদেৱৰ লগত যেতিয়া ঘনিষ্ঠ হৈ পৰোঁ, তেতিয়াও মই লক্ষ্য কৰিছিলোঁ তেখেত সদায় সকলো কথাতে যুক্তি-নিষ্ঠ আছিল। Wave বা Pressure ৰেও তেখেতক সহজতে উটুৱাই নিব নোৱাৰিছিল।

কলেজ পৰিচালনাৰ ক্ষেত্ৰতো লক্ষ্য কৰিছিলোঁ যে তেখেতে সদায় নিয়মানুবৰ্তী, স্বচ্ছ (Transparent) আৰু কলেজখনৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিছিল। কলেজখন তেখেতৰ বাবে সৰ্বস্ব আছিল। দায়িত্বশীল পিতৃ এজনে নিজৰ ল'ৰা-ছোৱালী প্ৰতিপালন কৰাৰ নিচিনাকৈ কলেজখনৰ প্ৰতিটো দিশতে তেখেতে চকু ৰাখিছিল। তেখেতৰ এই গুণৰাজিয়ে মোক — মই চাকৰি কৰা কলেজখনৰ অধ্যক্ষ ঁগিৰিধৰ শৰ্মালৈ বাৰে বাৰে সোঁৱৰাই দিছিল। কেতিয়াবা ভাৱিবলৈ মন যায়, ঁগিৰিধৰ শৰ্মা, শ্ৰীদাসদেৱৰ Role-Model আছিল নেকি?

**২) অধ্যক্ষ হিচাপে সত্যনাথ দাসৰ ভূমিকাৰ মূল্যায়ন আপুনি কেনেধৰণে কৰিব?**

**উত্তৰঃ** অধ্যক্ষ হিচাপে দাসদেৱৰ ভূমিকাৰ মূল্যায়ন কৰিবলৈ হ'লে এক আষাৰতে ক'ব লাগিব যে— He was a successful Principal. মই কেতিয়াও অধ্যক্ষ হৈ পোৱা নাই। কিন্তু বহুতো অধ্যক্ষৰ কৰ্মপদ্ধতি ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ সুবিধা পাইছিলোঁ আৰু সেই সুবিধাৰ সুৰুঙাইদি মই দেখিছিলোঁ সত্যনাথ দাস এজন প্ৰকৃত নায়ক আছিল, তেখেতে সহকৰ্মী সকলক লগত লৈ সকলো কাম সম্পাদন কৰিছিল। ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সকলোৰে বিশ্বাস আদায় কৰি কাম কৰিব পৰা গুণটো এজন অধ্যক্ষৰ

বাবে অতি প্ৰয়োজন আৰু সেই গুণ শ্ৰীদাসৰ ক্ষেত্ৰত প্ৰত্যক্ষ কৰিছিলোঁ। কলেজ পৰিচালনা তেখেতৰ বাবে সদায় মসৃণ আছিল এনে নহয়, প্ৰতিকূল পৰিস্থিতিৰ প্ৰত্যাহ্বানসমূহো তেখেতে মাজে মাজে মোকাবিলা কৰিবলগীয়া হৈছিল। এনেবোৰ সময়ত কিন্তু তেখেতক বিচলিত হোৱা দেখা নাছিলোঁ। মোৰ বাবে শৈক্ষিক প্ৰশাসনৰ কৃতকাৰ্যতাৰ প্ৰথম চৰ্তটোৱেই হৈছে— The administration of a college should be an 'Open Book'. Everything should be transparent and the Principal should follow neutral course. He should not be partisan to anybody. শ্ৰীদাসদেৱৰ ক্ষেত্ৰত এই গুণসমূহৰ সমাহাৰ ঘটিছিল যেন মোৰ অনুভৱ হয়।

**৩) উচ্চ শিক্ষাৰ অনুষ্ঠানৰ প্ৰশাসকৰ কি কি গুণ থকাটো প্ৰয়োজনীয়? দাসদেৱৰ ক্ষেত্ৰত কি কি গুণ পৰিলক্ষিত হয়?**

উত্তৰঃ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ প্ৰশাসক এজনৰ থাকিবলগীয়া গুণবোৰ কি কি আৰু এই গুণবোৰৰ কিমানখিনি শ্ৰীদাসদেৱৰ ব্যক্তিত্বত প্ৰতিফলিত হৈছিল মোৰ পৰা জানিব খুজিছে। প্ৰশাসক এজনৰ থাকিবলগীয়া গুণবোৰ অনুষ্ঠানে প্ৰতি পৃথক পৃথক হ'ব। অনুষ্ঠান এটিৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ ভিত্তিত অধ্যক্ষ এজনে প্ৰয়োজনীয় গুণবোৰ নিৰ্দ্ধাৰণ কৰি ল'ব লাগিব আৰু নিজৰ কাৰ্য পৰিচালনা কৰিব লাগিব।

অনুষ্ঠানে প্ৰতি প্ৰশাসকজনৰ বিভিন্ন গুণ বা দক্ষতাৰ প্ৰয়োজন হ'লেও আশীৰ দশকতেই NIEPA (বৰ্তমান NUEPA) ই এটা জৰীপৰ ভিত্তিত শিক্ষা অনুষ্ঠানৰ মুৰব্বী এজনে দহটা বিভিন্ন ভূমিকা পালন কৰিব লাগে। এই ভূমিকাকেইটা মই পাঠকসকলক অৱগত কৰিব বিচাৰিছোঁ। সেই বিভিন্ন দহটা ভূমিকা হ'ল —

- Planner and Innovator.
- Office Manager.



- Resource Facilitator.
- Supervisor of the Institutional Programme.
- Promoter of Co-curricular Activities.
- Staff Evaluator and Motivator.
- Mentor and Reconciliator.
- Academician and Teacher.
- Representative of the College, and
- Bridge Builder with the Community.

মোৰ বোধেৰে অধ্যক্ষ এজনৰ এই দহটা ভূমিকা সৰ্বজন গৃহীত হ'ব পাৰে। শ্ৰীসত্যনাথ দাসৰ ক্ষেত্ৰত এই দহটা ভূমিকাৰ দহোটাই তেখেতে পালন কৰিছিল বুলি ক'ব পাৰি।

**৪) বি. এইচ. কলেজলৈ আপুনি কেতিয়া আহিছিল?**

উত্তৰঃ বি.এইচ. কলেজলৈ মই প্ৰথম কেতিয়া গৈছিলো মনত নাই, কিন্তু এটা কথা মোৰ মনত আছে ১৯৮১ চনৰ অসম আন্দোলনৰ অংশ হিচাপে যিদিনাখন জোঁৰ সমদলৰ আয়োজন কৰা হৈছিল; সেইদিনা মই হাউলীত আছিলো আৰু শ্ৰীদাসদেৱৰ লগত সেই সমদলত অংশ গ্ৰহণ কৰিছিলোঁ। হাউলীলৈ যোৱাৰ উদ্দেশ্য আছিল— ১৯৮১ চনৰ 'এক্টা'ৰ বাৰ্ষিক অধিৱেশনখনি হাউলীত অনুষ্ঠিত কৰাৰ বাবে শ্ৰীদাসদেৱক অনুৰোধ কৰা। আমাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই শ্ৰীদাসদেৱে অধিৱেশন অনুষ্ঠিত কৰাত সহায়ৰ হাত আগবঢ়াবলৈ আশ্বাস দিছিল। বি. এইচ. কলেজলৈ মই যিমান বাৰ গৈছো তাতোকৈ বেছিবাৰ মই হাউলীলৈ গৈছো আৰু শ্ৰীদাসদেৱক লগ পাইছোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ৰূপে (১৯৮৬-৯১) আৰু তাৰ পিছত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰূপে (১৯৯৭-২০০২) কাৰ্যনিৰ্বাহ কৰাৰ সময় ছোৱাত প্ৰায়েই পদ-সংক্ৰান্তীয়

কামৰ বাবে হাউলী পাৰ হৈ আগলৈ যাবলগীয়া হৈছিল। এনেবোৰ যাত্ৰাৰ সময়ত শ্ৰীদাসদেৱক কলেজতে হওক বা ঘৰতে হওক এবাৰ দেখা কৰি যোৱাটো মোৰ অভ্যাস হৈ পৰিছিল। কলেজৰ কাৰ্যালয়ত দেখা হ'লে চাহ-মিঠাই আৰু ঘৰত দেখা হ'লে ভাত নোখোৱাকৈ কেতিয়াও তেখেতে যাব দিয়া নাছিল। কালক্ৰমত শ্ৰীসত্যনাথ দাসৰ ঘৰখন মোৰ ভাত ঘৰ হৈ পৰিছিল। আমাৰ দুয়োৰে মাজত এটা আত্মিক সম্বন্ধ নাথাকিলে কেতিয়াও এনে নহ'লহেঁতেন বুলি মোৰ অনুভৱ হয় আজি।

(৫) **'জীৱনপ্ৰভা' সম্পৰ্কত আলোচনাৰ ধাৰণা?**

উত্তৰঃ শ্ৰীসত্যনাথ দাসদেৱৰ জীৱন আৰু কৃতি বিষয়ক জীৱন-প্ৰভা নামেৰে এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি প্ৰশংসনীয়। ব্যক্তি এজনৰ জীৱন কালতে তেওঁৰ কৰ্মৰাজিৰ মূল্যায়ন হোৱাতো বাঞ্ছনীয়। কিন্তু এই মূল্যায়ন Subjective নহৈ সম্পূৰ্ণৰূপে Objective হোৱাতো তাতোকৈ অধিক বাঞ্ছনীয়। আশাকৰোঁ সম্পাদনা সমিতিয়ে এই দিশবোৰৰ প্ৰতি চকু ৰাখিব আৰু এখন সৰ্বাঙ্গ সুন্দৰ সুখপাঠ্য গ্ৰন্থ আমাৰ হাতত তুলি দিব।



# সত্যনাথ দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ

**আগকথা ঃ** *সত্যনাথ দাস ছাৰৰ বিষয়ে প্ৰকাশ পাবলগীয়া কিতাপখন অসম্পূৰ্ণ হৈ থাকিব যদিহে তাত দাস ছাৰৰ জীৱনৰ আৰু কৰ্মক সাঙোৰাকৈ এটা দীঘলীয়া সাক্ষাৎকাৰ সন্নিৱিষ্ট নহয়— এই উপলব্ধি যেতিয়া কিতাপখনৰ সৈতে জড়িত মানুহখিনিয়ে অনুভৱ কৰিলে তেতিয়া সাক্ষাৎকাৰ গ্ৰহণৰ দায়িত্ব পৰিল অধ্যাপিকা ঊষা দাস আৰু অধ্যাপক ড° চুলতান আলী আহমেদৰ ওপৰত। সেই মতে আমি দুজনে ছাৰক সুধিব লগীয়া প্ৰশ্নবোৰৰ আগতীয়াকৈ প্ৰস্তুত কৰিলোঁ। কিতাপখনৰ সম্পাদক অধ্যাপক ৰবীন্দ্ৰ ভট্টাচাৰ্য ছাৰক এবাৰ প্ৰশ্নখিনি দেখুৱাই ল'লো। তাৰ পিছত এদিনাখন সত্যনাথ দাস ছাৰৰ ঘৰলৈ আগতীয়াকৈ গৈ পিছদিনাখন আবেলি চাৰি বজাত ছাৰৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিবলৈ যাম বুলি তেখেতক জনাই থৈ আহিলোঁ। সেই মতে নিৰ্দিষ্ট দিনটোত আমি তিনিজন (আমাৰ সংগী হৈছিল— 'অসমীয়া প্ৰতিদিন' কাকতৰ বৰপেটাৰোডৰ সংবাদদাতা ধ্ৰুৱজ্যোতি নাথ) তেখেতৰ ঘৰত উপস্থিত হ'লো। গৈ দেখো যে ছাৰে সুন্দৰকৈ চোলা পেণ্ট পিন্ধি চ'ৰা ঘৰত বহি আছে। ছাৰে তেওঁৰ স্বভাৱজাত মিঠা হাঁহিৰে আমাক আদৰিলে আৰু ভিতৰত বহিবলৈ ক'লে। ছাৰে প্ৰথমতেই ক'লে, "চুলতান মোক যোৱাকালি কৈ গৈছিলা চাৰিটা বজাত তোমালোক আহিবা বুলি। মই সেই কাৰণে চাৰিটা বজাতে ৰেডি হৈ আছোঁ। মোৰ কাৰণে চাৰিটা মানে চাৰিটাই — এক মিনিট ইফালে সিফালে নহয়।"*

*বুজিলো গোটেই জীৱন ছাৰ এক নিয়মানুৱৰ্তিতাৰ মাজেৰে চলি আছে। শুনিছিলো ছাৰে কলেজৰ অধ্যক্ষ হৈ থাকোতে সদায় ন বজাত আহি নিজৰ কাৰ্যালয়ত সোমাইছিলহি। ছাৰে যিহেতু সোনকালে কলেজ সোমাইছিল গতিকে অন্যান্য শিক্ষক-কৰ্মচাৰীসকলেও পলমকৈ আহিবলৈ দিগদাৰী পাইছিল।*

*সি যি কি নহওক, আমি তিনিওজনে ছাৰৰ খুব কাষ চাপি বহিলো। কাৰণ ছাৰে কথাবোৰ ডাঙৰ ডাঙৰকৈ ক'ব নোৱাৰে— হাৰ্টৰ অসুখ। খুব লাহে লাহে কয়। আমি তিনিও আমাৰ মোবাইল ফোনৰ 'ভইচ ৰেকৰ্ডিং' অন কৰি ল'লো। ছাৰে আগ্ৰহেৰে সুধিলে— "সোধা, কি সুধিবা।" আমি এটা এটাকৈ তলত দিয়া প্ৰশ্নবোৰ সুধি গ'লো।*

***প্ৰশ্ন -১ ঃ* এতিয়া ছাৰ, আপোনাৰ ওপজা গাঁওখনৰ বিষয়ে অলপমান জানিবৰ মন গৈছে। আপুনি যি পৰিয়ালত উপজিছিল, সেই পৰিয়ালৰ বিষয়ে।**

**উত্তৰ ঃ** আমাৰ গাঁওখনৰ নাম মৌটুপুৰী। গাঁওখনৰ প্ৰতিষ্ঠাপক মদাহীৰাম গাঁওবুঢ়া আছিল মোৰ আতা। ১৮৯৭ চনৰ বৰ ভুঁইকপত আতা আত্মীয়-স্বজনেৰে সৈতে শিমলাগুৰি গাঁওৰ পৰা মৌটুপুৰীলৈ উঠি আহে। বহৰি আদি ঠাইৰ পৰাও মানুহ আনি মাটি-বৃত্তি দি বহুৱায়। গোটেই গাঁওখনৰ মানুহ আমাৰ ঘৰৰে। আতা বৰ অৱস্থাপন্ন মানুহ আছিল। গৰু-গাই, ম'হৰ বাথান, মাছৰ পুখুৰী আদিৰে তেখেত বেচ স্বচ্ছল মানুহ আছিল। তেখেতৰ অন্তৰখনো আছিল বিশাল। গাঁওৰ কোনোবাই যদি লঘোণে আছে, তেখেতে লাঠি জোকাৰি জোকাৰি ধমকি দি ভঁৰালৰ পৰা ধান-চাউল উলিয়াই দিছিল।

গাঁওখনৰ নাম মৌটুপুৰী কিয় হ'ল সেই সম্পৰ্কে মোৰ ধাৰণা হ'ল গাঁওখনত যথেষ্ট পৰিমাণে মৌ পোৱা গৈছিল। টুপ মানে হৈছে ওখ



ঠাই। মৰা মানাহ গাঁওখনৰ চৌদিশে বৈ আছিল। মৰা মানাহৰ মাজৰ ওখ ঠাইত গাঁওখন স্থাপিত হোৱা বাবে সম্ভৱ মৌটুপুৰী হ'ল। পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰধান শিক্ষক হৰেন শৰ্মা নামৰ পণ্ডিত ব্যক্তিগৰাকীয়ে মোক গাঁওখনৰ নাম সম্পৰ্কে এটা বেলেগ ব্যাখ্যা দিছিল। তেওঁৰ মতে যিবিলাক গাইৰ ওহাৰ সৰু, অথচ গাখীৰ বেছিকৈ দিয়ে, সেইবিলাক গাই থকা ঠাইকে মৌটুপুৰী বোলে। অৱশ্যে মই এই কথা মানি নলওঁ।

আগতেই কৈছো আতা মদাহীৰাম গাঁওবুঢ়া বেচ অৱস্থাপন্ন মানুহ আছিল। তেওঁৰ ল'ৰা আছিল সাতজন। আমাৰ পিতা ছয় নম্বৰ আছিল। পিতাৰ ককায়েক গৰ্জন সৰকাৰ এজন স্বাধীনতা সংগ্ৰামী আছিল। এজন বিখ্যাত কবিৰাজ আছিল। তেওঁৰ নাম পৱন চন্দ্ৰ দাস। এজন মাষ্টৰ যোগেন দাস। এজন গাঁওবুঢ়া, তেওঁৰ নাম ভুবন চন্দ্ৰ দাস। পিতাই মাটি-বাৰী চম্ভালিছিল। পিতাৰ ল'ৰা-ছোৱালী আছিল দহজন-- পাঁচজন ল'ৰা আৰু পাঁচগৰাকী ছোৱালী। মই আছিলো ঘৰৰ ডাঙৰ। পৰিয়ালবোৰ বেলেগ হোৱাৰ ফলত ঘৰৰ অৱস্থা লাহে লাহে পৰি আহিছিল। দহটাকৈ ল'ৰা-ছোৱালীৰ লগতে খেতি-বাতিত সহায় কৰা মানুহকে ধৰি বৃহৎ পৰিয়ালটো পোহপাল দিয়াতো পিতাৰ বাবে সহজ কথা নাছিল। অৰ্থাভাৱৰ মাজেৰে পঢ়া জীৱন পাৰ কৰিবলগীয়া হৈছিল। মেট্ৰিক পৰীক্ষা দিয়াৰ পাছত কলেজত পঢ়িবৰ বাবে সৰু ভাইটোৰ লগত লগ লাগি ভলুকা বাঁহ কাটি ১০ অনাৰ পেকেট কৰি বেচিছিলোঁ।

***প্ৰশ্ন -২ ঃ* ছাৰ, আপোনাৰ পৰিয়ালৰ মানুহৰ কাৰোবাৰ বিষয়ে, অথবা সেই সৰু কালৰ বন্ধু-বান্ধৱৰ কথা, এতিয়াও কাৰোবাৰ কথা মনত পৰে নেকি?**

**উত্তৰ ঃ** মোক পঢ়া-শুনাৰ ক্ষেত্ৰত কেবাজনো ব্যক্তিয়ে সহায় কৰিছিল। তাৰ ভিতৰত বৰপেটাৰ ধনঞ্জয় দাস আছিল অন্যতম। তেওঁ নহ'লে মোৰ

কলেজত পঢ়া নহ'লহেঁতেন। কলেজীয়া জীৱনৰ শেষ পৰ্যন্ত তেওঁ মোক সহায় কৰিছিল। মই নজনাকৈ টেবুল ক্লথৰ তলত পইচা থৈ আহে। মই ঘৰলৈ আহিলে মটৰত তুলি দি মোৰ ভাড়া দি দিয়ে। সেই সময়ত বাছ ভাড়া আছিল ছ আনা। সেই সময়ত বাছবিলাকৰ মাজত এখন বেৰ দি দুটা শ্ৰেণী কৰা হৈছিল। আগফালৰ ছীটত ভাড়া বেছি। মই সদায় পিছ ফালৰ কম ভাড়াৰ ছীটত বহিছিলো। কিন্তু সেইখিনি ভাড়াও মোৰ নাছিল। আমি যে দুখীয়া আছিলো সেইটো নহয় কিন্তু নগদ পইচাৰ অভাৱ আছিল।

***প্ৰশ্ন -৩ ঃ* ছাৰ, আপোনাৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা ক'ত ক'ত হৈছিল ? সেই সময়ৰ শিক্ষক আৰু সহপাঠীসকলৰ বিষয়ে অলপ ক'বনে ?**

**উত্তৰ ঃ** প্ৰাথমিক শিক্ষা হৈছিল মৌটুপুৰী প্ৰাইমাৰী স্কুলত। মাধ্যমিক শিক্ষা হাউলী হাইস্কুলত। সৰু কালৰ বন্ধুৰ ভিতৰত প্ৰিয় বন্ধু আছিল পৰমানন্দ দাস। আমি ক্লাছ থ্ৰিৰ পৰা একেলগে পঢ়িছিলোঁ। বছৰটো আছিল ১৯৪৭ চন। সেই তেতিয়াৰ পৰা দুয়োজনৰ মাজত যি অন্তৰঙ্গতা গঢ়ি উঠিছিল, সি আজিলৈকে অটুট হৈ আছে। মই তেওঁৰ আটাইতকৈ বিশ্বাসী বন্ধু আৰু মোৰ বাবেও তেওঁ আটাইতকৈ বিশ্বাসী বন্ধু। পিছলৈ পৰমানন্দ দাস যেতিয়া হাউলী নগৰ সমিতিৰ সভাপতি হৈছিল তেতিয়াও মোক যথেষ্ট বিশ্বাস কৰিছিল। কিবা দৰকাৰী কাগজ লিখিব লগা থাকিলে তেওঁ চেয়াৰমেনৰ লেটাৰহেডৰ তলত চহী-ছীল মাৰি মোৰ ওচৰলৈ পঠিয়াই দিছিল আৰু সংশ্লিষ্ট ব্যক্তিজনক কৈ পঠিয়াইছিল যে সত্য দাসে যি লিখি দিব সেইটোতে হ'ব। মোৰ ওপৰত তেওঁৰ ইমান বিশ্বাস। আগতেও আছিল এতিয়াও আছে। আমাৰ স্কুলীয়া জীৱনত যিসকল শিক্ষকক পাইছিলোঁ, তেওঁলোক অতি নিষ্ঠাৱান আছিল। মৌটুপুৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষকজনো বৰ নিষ্ঠাৱান আছিল।

***প্ৰশ্ন -৪ ঃ* আমি জনাত আপুনি হাউলী হাইস্কুলত পঢ়িছিল। সেই সময়ৰ**



**শিক্ষক আৰু সহপাঠীসকলৰ বিষয়ে অলপ ক'বনে ?**

**উত্তৰ ঃ** হাউলী হাইস্কুলৰ সেই সময়ৰ হেডমাষ্টৰ আছিল গৌৰীকান্ত শৰ্মা। তেওঁৰ গাত এজন প্ৰশাসকৰ আটাইবোৰ গুণেই আছিল। তেওঁৰ ঘৰ আছিল পাঠশালাৰ মুগুৰীয়াত। নিৰ্দিষ্ট সময়ৰ আগতে তেওঁ স্কুলত উপস্থিত হয়। প্ৰাৰ্থনাৰ সময়ত বাৰান্দাত বহি থাকে। কোনোবা শিক্ষক সময়মতে নাহিলে নিজে শ্ৰেণী কোঠালৈ সোমাই গৈ ক্লাছৰ তদাৰক কৰে। প্ৰশাসকৰ গুণ তেওঁৰ পৰাই মই শিকিছিলো। আমি ক্লাছ নাইনত থাকোতে Rural Development ৰ অফিচাৰ হৈ তেওঁ গুছি গ'ল। তাৰ পিছত পৱন শৰ্মা, পৰেশ চন্দ্ৰ উজীৰ, কালিৰাম কাকতি, ৰাজেন ভুঞা (ডাঃ মিহিৰ কুমাৰ ভুঞাৰ পিতৃ) -- এইবোৰ বৰ আদৰ্শবান, নিষ্ঠাবান শিক্ষক আছিল। কামত কোনো ফাকি-ফুকা নাছিল। মোৰ কৰ্মজীৱনত এই শিক্ষকসকলে গভীৰ প্ৰভাৱ পেলাইছিল।

***প্ৰশ্ন -৫ ঃ* মেট্ৰিক পৰীক্ষা দি থকাৰ সময়ত আপুনি হেনো পথাৰত হাল মাৰিব লগা হৈছিল। তাৰ পিছতো আপুনি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল।**

**উত্তৰ ঃ** হয়, মেট্ৰিক পৰীক্ষাৰ সময়ত মই পথাৰত হাল মাৰিব লগা হৈছিল। পিতাৰ ভৰিৰ অসুখ হৈছিল। হাল বাব নোৱাৰা হ'ল। ঘৰখনত ডাঙৰ সমস্যাই দেখা দিলে। একো উপায় নেপাই ময়ে হালখন লৈ এস্কাৰে-পোহৰে পথাৰলৈ যাওঁ। চৰকাৰী আলিবাটৰ দাঁতিতে আমাৰ পথাৰ। মানুহৰ দৃষ্টিৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ মূৰত পাগুৰী এটা মাৰো। এদিন পৰেশ উজীৰ ছাৰৰ ওচৰত ধৰা পৰি গ'লো। ছাৰে বহু সময় মোৰ পিনে চাই আছিল। তাৰ পিছত ক'লে— "তুমি যি ভাল দেখা তাকে কৰা।" হাল বোৱাৰ বাবে ৰাতিপুৱাৰ যিখিনি সময় নষ্ট হ'ল, সেই সময়খিনিৰ প্ৰয়োজন পুৰাবলৈ ৰাতি দুটামান বজাতে উঠি কিতাপ পঢ়িছিলোঁ। সেই ফালৰ পৰা হাল বোৱাৰ বাবে মোৰ পঢ়া-শুনাৰ ক্ষতি হোৱা নাছিল। আজিও

দোকমোকালিতে মই শুৱাৰ পৰা উঠো। এই অভ্যাস সেই তাহানিতে গঢ় লৈছিল।

*প্ৰশ্ন -৬ ঃ* **আপুনি কলেজীয়া শিক্ষা গ্ৰহণ কৰে বৰপেটাৰ এম. চি. কলেজৰ পৰা। সেই সময়ৰ অভিজ্ঞতাৰ কথা জনাবনে? আপুনি এম. চি. কলেজৰ ইউনিয়ন চেক্ৰেটাৰীও হৈছিল।**

**উত্তৰঃ** কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ বৰপেটাৰ এম.চি. কলেজৰ পৰা। কলেজত এডমিচন ল'বলৈ টকা নাছিল। বাঁহ বেচি যি টকা সংগ্ৰহ কৰিছিলোঁ, সেয়া পিতাৰ অসুখৰ চিকিৎসাতে খৰচ হৈছিল। এড্‌মিচন ফিজ আছিল ৪৯ টকা। কোনোমতে পইচাখিনি সংগ্ৰহ কৰিলোঁ।

পিতাৰ অসুখৰ বাবে মই নিজে এড্‌মিচন ল'বলৈ যাব নোৱাৰিলোঁ। হাউলীৰ মানুহ এজনৰ হতুৱাই লৈছিলোঁ। মাচুল পাঁচ নে ছয় টকা আছিল। এইখিনি পইচা যোগাৰ কৰাটোও ডাঙৰ সমস্যা আছিল। এম. চি. কলেজত পঢ়োতে মামাৰ ঘৰত থকাৰ ব্যৱস্থা কৰি দিছিল। মামাহঁতৰ ঘৰত পঢ়া-শুনাৰ কাৰণে কোনো সুকীয়া কোঠা নাছিল বাবে ওচৰৰে এজন সম্বন্ধীয় মামাৰ ঘৰত পঢ়িছিলোঁ। তেওঁৰ ঘৰত পামৰ মানুহ আহিলে থকা-মেলাৰ বাবে এটি আছুতীয়া কোঠা আছিল। তাতে পঢ়িছিলোঁ। ধনঞ্জয় দাসৰ সহায়ৰ কথা মই ইতিমধ্যে উল্লেখ কৰিছোঁ। 1st year-ত লগৰ ল'ৰাবোৰে মোক Debate Secretary হোৱাৰ বাবে ধৰিলে। মোৰ আৰ্থিক অৱস্থাৰ বাবে মান্তি হোৱা নাছিলোঁ। কিন্তু ল'ৰাবোৰে নেৰে। তেওঁলোকেই যি খৰচ কৰিব লাগে কৰিছিল, মোৰ এক পইচাও খৰচ হোৱা নাছিল। 3rd year-ত Union Secretary হ'লো। ইয়াতো একেই অৱস্থা। ধনঞ্জয় দাস, মনোৰঞ্জন বৰুৱাকে ধৰি সহপাঠীসকলেই যি কৰিব লাগে কৰিছিল। মই যি দুই-চাৰিটা ল'ৰা লগ পাইছিলোঁ, সিহঁতক ভোটটো দিবলৈ অনুৰোধ কৰিছিলোঁ। মোৰ প্ৰতিদ্বন্দ্বী আছিল হৰেন দাস। তেওঁ আছিল টাউনৰ ল'ৰা আৰু মই আছিলো



গাঁৱৰ ল'ৰা। টাউনৰ ল'ৰাক হৰুৱাই গাঁৱৰ ল'ৰাই সাধাৰণ সম্পাদক হিচাপে জয়ী হোৱাত বিপক্ষৰ ল'ৰাবিলাকে কথাবোৰ সহজভাৱে ল'ব পৰা নাছিল। এদিন সন্ধিয়া অভাবব্ৰিজৰ ওচৰত ল'ৰা এটাই চোলাৰ কলাৰত ধৰি মোক থাপৰ মাৰিলে। ঘটনাটোত মই হতবাক হ'লো। এই লৈ কলেজত কিছু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হ'ল। উচিত তদন্ত দাবী কৰি ছাত্ৰবিলাকে কলেজ বৰ্জন কৰিলে। ময়ো ঘৰলৈ গুচি আহিলোঁ। অধ্যক্ষ ৰাধাকান্ত দাস বৰ সৎ মানুহ আছিল। তেওঁ আমাৰ ঘৰলৈ ল'ৰা এজনক পঠিয়াই দি মোক অতি সোনকালে কলেজলৈ যাব দিলে। তেওঁৰ কথামতে মই কলেজলৈ গ'লো। বিচাৰ হ'ল। প্ৰথমতে মোক সুধিলে মই কি পদক্ষেপ লোৱাটো বিচাৰো। মই বিপক্ষৰ ল'ৰাজনক ৰাজহুৱাভাৱে দোষ স্বীকাৰ কৰি ক্ষমা খোজাৰ কথা ক'লো। মোৰ কথা শুনি ৰাধাকান্ত দাস ছাৰে খুব ভাল পালে আৰু অনুষ্ঠানটোৰ বৃহৎ স্বাৰ্থত দুয়োপক্ষকে সংযত হ'বলৈ নিৰ্দেশ দিলে। মোৰ কাৰ্যকালত তেওঁ ইমান সুখী হৈছিল যে কাৰ্যকাল উকলি যোৱাৰ পিছতো তেওঁ নিৰ্বাচন পতা নাছিল। নিৰ্বাচন পতাৰ বাবে মইহে তেওঁক হেঁচা দিব লগা হৈছিল।

*প্ৰশ্ন -৭ ঃ* **সেই সময়ৰ আপোনাৰ শিক্ষক আৰু সহপাঠীসকলৰ বিষয়ে অলপ বহলাই কওঁক।**

**উত্তৰঃ** এম. চি. কলেজৰ মোৰ সহপাঠীবোৰৰ ভিতৰত আছিল হৰেন দাস, মনোৰঞ্জন বৰুৱা, ধনঞ্জয় দাস, প্ৰফুল্ল দাস, মনোৰঞ্জন ভূঞা, গদাধৰ কলিতা আদি।

অধ্যক্ষ ৰাধাকান্ত দাসে আমাক গণিত পঢ়ুৱাইছিল। ক্ষীৰেন দাস, সুধীৰ কুমাৰ অধিকাৰী, কৰুণা কান্ত শৰ্মা, হৰিনাথ শৰ্মা দলৈ, ৰামকৃষ্ণ ওজা, ৰমাপদ পাণিগ্ৰাহী, বিমান বিহাৰী মজুমদাৰ, কে. এন. দাসকে ধৰি অধ্যাপকসকলৰ মুখবোৰ আজিও মনত ভাহি উঠে। হৰিনাথ শৰ্মা দলৈয়ে

আমাক অসমীয়া পঢ়াইছিল। তেওঁ প্ৰকৃত অৰ্থত এজন পণ্ডিত ব্যক্তি আছিল। প্ৰচাৰ বিমুখ এই গৰাকী পণ্ডিত তেনেই সাধাৰণভাৱে জীৱন-যাপন কৰিছিল। হাৱাই চেণ্ডেল পিন্ধি তেওঁ কলেজলৈ আহিছিল। সস্তীয়া জনপ্ৰিয়তা তেওঁ নিবিচাৰিছিল।

*প্ৰশ্ন -৮ ঃ* **বি. এ. ক্লাছত হেনো আপুনি ইংলিছ অনাৰ্চ পঢ়িব খুজিছিল, কিন্তু এম. চি. কলেজত ইংলিছ অনাৰ্চ নাছিল বাবে ইকনমিক্সত অনাৰ্চ লৈ পঢ়িলে।**

**উত্তৰঃ** মই ইংৰাজীত অনাৰ্চ ল'ব বিচাৰিছিলোঁ। কাৰণ ইংৰাজী মোৰ প্ৰিয় বিষয় আছিল। ইংৰাজীৰ প্ৰতি এই অনুৰাগ জন্মিছিল ক্লাছ ফাইভৰ পৰা। ৰাজেন ভূঞা ছাৰে বোৰ্ডত জ্যামিতিও ইংৰাজীত বুজাবলৈ দিছিল। পদ্যৰ উপৰিও গদ্যও ইংৰাজীত মুখস্থ দিব লাগিছিল। নোৱাৰিলে বেতৰ কোব। কোব খোৱাৰ ভয়ত পুৱাৰাতি উঠি ইংৰাজী পঢ়িছিলোঁ। ক্লাচ চিক্সত কাশী পাঠক ছাৰে Grammar পঢুৱাই থাকোঁতে মোৰ মনত কিবা নতুন চিন্তাৰ উদয় হোৱা যেন লাগিল। বৰ ভালকৈ বুজি পোৱা যেন পালোঁ। এম. চি. কলেজত অনাৰ্চ ল'ম বুলি ভাবিলোঁ। কে. এন. দাস ছাৰে মোক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। কিন্তু প্ৰাইভেটকৈ ইংৰাজীত অনাৰ্চ পঢ়াৰ অনুমতি অধ্যক্ষই নিদিলে। ফলস্বৰূপে অৰ্থনীতিত অনাৰ্চ ল'ব লগা হ'ল। সুধীৰ অধিকাৰীয়ে ছাত্ৰ হিচাপে মোক পাই বৰ ভাল পালে। এম. চি. কলেজৰ মই প্ৰথম অনাৰ্চ গ্ৰেজুৱেট।

*প্ৰশ্ন -৯ ঃ* **আপুনি গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এ. পঢ়িলে। এম. এ. পঢ়াৰ কাৰণে কোনে বেছিকৈ উৎসাহ দিছিল ? সেই সময়ৰ এম. এ. ক্লাছৰ আপোনালোকৰ শিক্ষকসকল কেনে ধৰণৰ আছিল ? তেওঁলোকৰ পাণ্ডিত্য আৰু পাঠদান সম্পৰ্কে আপোনাৰ কেনে ধাৰণা হৈছিল ?**

**উত্তৰঃ** এম. এ. পঢ়াৰ বাবে উৎসাহ মোৰ মনৰ ভিতৰৰ পৰাই আহিছিল।



কিন্তু সমস্যা হ'ল ইমান পইচা ক'ত পাওঁ। বি. এ. পৰীক্ষা দি হাউলী হাইস্কুলত শিক্ষকতা কৰিছিলোঁ। এম. এ. পঢ়িব গ'লো। টিউচন যোগাৰ কৰিলোঁ। মনটোক কঠোৰভাৱে শাসন কৰিলোঁ। বনমালী কাকতিৰ কোৱাৰ্টাৰৰ এটা অংশত থাকো। তেওঁ প্ৰায় নাথাকিছিলেই। আমাৰ বিভাগত শিক্ষক হিচাপে পাইছিলোঁ ড° পি. চি. থমাচ, এচ শাৰংগপাণি, উপেন বৰদলৈ আদিক। এচ. শাৰংগপাণি ছাৰৰ লগত মোৰ অন্তৰংগতা গঢ়ি উঠিছিল। বনমালী কাকতিৰ কাষতে তেওঁৰ কোৱাৰ্টাৰ। মই প্ৰায়ে তেওঁৰ তালৈ যাওঁ। অগাধ পাণ্ডিত্য আছিল তেওঁৰ। ৮ খন পেপাৰেই তেওঁ পঢুৱাব পাৰিছিল। আমি ঘৰুৱা কথাও পাতিছিলোঁ। তেখেতৰো ঘৰুৱা অৱস্থা ভাল নাছিল। সেয়ে ছুটী লৈ পি. এইচ. ডি. কৰাৰ কথা তেখেতে ভাবিব পৰা নাছিল। অকল মোৰে নহয়, অন্য ল'ৰাসকলৰো ছাত্ৰৰ লগত সু-সম্পৰ্ক গঢ়ি উঠিছিল। মই তেখেতৰ দ্বাৰা অনুপ্ৰাণিত হৈছিলোঁ। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে হিৰণ্য কুমাৰ ভূঞা ছাৰক পাইছিলোঁ। তেখেতে নিজে গাড়ী চলাই আহিছিল। এজাপ কিতাপ বুকুত বান্ধি তেখেতে প্ৰতিদিনে লাইব্ৰেৰীলৈ গৈছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা আদি পণ্ডিতসকলক লগ পোৱাৰ সৌভাগ্য হৈছিল।

*প্ৰশ্ন -১০ ঃ* **বিশ্ববিদ্যালয়ৰ আপোনাৰ সহপাঠীসকলৰ বিষয়ে জানিবলৈ মন যায়।**

**উত্তৰঃ** বিশ্ববিদ্যালয়ৰ সহপাঠী বুলি ক'লে তিনিজনৰ কথাই বিশেষভাৱে ক'ব লাগিব। সেইকেইজন হ'ল— চন্দ্ৰকান্ত গগৈ, খুৰছেদ আলম, আয়েংগাৰ আও (এওঁ নগালেণ্ডৰ)। আমি চাৰিও খুব লগ আছিলো। চন্দ্ৰকান্ত গগৈ গোলাঘাট কমাৰ্চ কলেজৰ উপাধ্যক্ষ হৈছিল। আওৰ লগত পিছত একো যোগাযোগ নাথাকিল। এবাৰ ইউনিভাৰছিটিলৈ যাওঁতে নগালেণ্ডৰ

মানুহ এজনক লগ পাই তেওঁৰ কথা সুধিছিলোঁ। তেওঁৰ মুখৰ পৰা গম পাইছিলোঁ যে তেওঁ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক পদবীত অধিষ্ঠিত হৈ আছে। পিছত তেওঁক নগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত থকা বুলিও শুনিছিলো। কথাটোৱে মনত বৰ আনন্দ দিছিল। ড° খুৰছেদ আলমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপক হিচাপে অৱসৰ লৈছে।

***প্ৰশ্ন -১১ ঃ* এম. এ. পাচ কৰি আহি আপুনি বজালী কলেজৰ অধ্যাপনা আৰম্ভ কৰে। সেয়াই আপোনাৰ প্ৰথম শিক্ষকতা জীৱন নেকি?**

**উত্তৰ ঃ** মোৰ প্ৰথম শিক্ষকতা জীৱন আৰম্ভ হৈছিল ধূপগুৰি এম. ই. স্কুলত। আই. এ. পৰীক্ষা দি ধূপগুৰি এম. ই. স্কুলত সোমাইছিলোঁ। খুড়া এজনে সহায় কৰিছিল। বি. এ. পৰীক্ষা দি হাউলী হাইস্কুলত সোমালোঁ। এম. এ. পৰীক্ষা দি ক্ষেত্ৰীৰ ওচৰৰ ডিমৰীয়া হাইস্কুলত শিক্ষকতা কৰিছিলোঁ। পদাৰ্থ বিজ্ঞানৰ অধ্যাপক তিলক শৰ্মা নামৰ বন্ধু এজনে বিভিন্ন কলেজত আবেদন কৰিবলৈ দিছিল। ময়ো সেইমতে কৰিলোঁ। বিভিন্ন কলেজৰ পৰা নিযুক্তি পত্ৰ আহিল। তিলক শৰ্মাই কোৱা কথাযাৰলৈ মনত পৰিল — 'জইন কৰোঁতে সাৱধানে জইন কৰিবা।' মৌলৈ বজালী, এ.ডি.পি. কলেজ, শ্বিলঙৰ লেডী কীন কলেজ, তিতাবৰ কলেজ — আদি বিভিন্ন কলেজৰ পৰা নিযুক্তি পত্ৰ আহিল। ডিমৰীয়া হাইস্কুলৰ হেডমাষ্টৰজন আছিল পাঠশালাৰ। তেওঁ মোক বজালী কলেজত জইন কৰাৰ বাবে হেঁচা দি আছিল। মই কোনো সিদ্ধান্ত ল'ব পৰা নাছিলোঁ। আচৰিতভাৱে এক নাটকীয় যোগসূত্ৰ ঘটিল। বজালী কলেজৰ অধ্যক্ষই মোক মাতি পঠালে। মই গ'লো। অধ্যক্ষৰ কোঠাত বহি আছো। এনেতে পিয়নে এখন চিঠি অধ্যক্ষক দিলে। ঠিকনাটো এনেদৰে আছে— সত্যনাথ দাস, বজালী কলেজ। চিঠিখন পঠিয়াইছে মোৰ এজন শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰামাপদ পানিগ্ৰাহীয়ে। তেওঁ শ্বিলঙৰ লেডী কীন কলেজত আছিল। তেওঁৰ লগত মোৰ চিঠি-পত্ৰৰ



যোগাযোগ আছিল। তেওঁ এই বিষয়ত নিশ্চিত আছিল যে মই বজালী কলেজেই জইন কৰিম আৰু মোৰ বাবে বজালী কলেজেই উপযুক্ত হ'ব। পাণিগ্ৰাহীৰ তেনে চিঠি পাই মই সিদ্ধান্ত কৰি পেলালো যে মই বজালী কলেজতেই জইন কৰিম। বৰ ভাল সিদ্ধান্ত লৈছিলো সেইদিনা। কিয়নো বজালী নহৈ অন্য কলেজত থকা হ'লে মোৰ বাবে হয়তো বি. এইচ্. কলেজ প্ৰতিষ্ঠা কৰা কামটো সহজ নহ'লহেঁতেন।

***প্ৰশ্ন -১২ ঃ* বজালী কলেজত অধ্যাপনা কৰি থাকোতেই বি. এইচ্. কলেজ আপোনাৰ প্ৰচেষ্টাত আৰম্ভ কৰে। সেই সম্পৰ্কে কিছু কথা ক'ব নেকি**

**উত্তৰ ঃ** বজালী কলেজত কাম কৰি আছো। সন্ধিয়া হাউলীৰ পঞ্চৰতন ফাৰ্মত বহো। মনৰ মাজত এটি ভাবে অগা-ডেৰা কৰি থাকে-- মইতো ৰাইজক একো দিব পৰা নাই, ৰাইজে মোক বহু কিবাকিবি দিলে। ৰাইজক কিবা এটা দিয়াৰ কথা চিন্তা কৰোঁতেই কলেজৰ কথা মনলৈ আহে। ৰাজহুৱা সভাত হাউলীৰ ৰাইজে কথাটো সমৰ্থন কৰিলে। সেইখন সভাত বৰপেটাৰোডৰ ৰাইজকো এই মহান কৰ্মত অংশীদাৰ কৰাৰ বাবে প্ৰস্তাৱ লোৱা হ'ল। কথামতেই কাম আগবাঢ়িল। আমি বৰপেটাৰোড টাউন কমিটিৰ চেয়াৰমেন মোহনলাল চৌধুৰীক লগ ধৰিলোঁ। তেখেতে উৎফুল্লিত হৈ মোক সাৱটি ধৰিলে। নাটকীয় ভঙ্গীত তেখেতৰ কণ্ঠৰ পৰা নিনাদিত হ'ল এক উদাত্ত বাণী-- 'হাউলীৰ ব্ৰেইন আৰু বৰপেটাৰোডৰ টকা- এই দুটা সন্মিলিত প্ৰচেষ্টাত আমি এখন আদৰ্শ কলেজ স্থাপন কৰিম।' তেখেতৰ পৰামৰ্শ মতে আমি বৰপেটাৰোডৰ বিভিন্ন ভাষিক আৰু ধৰ্মীয় গোষ্ঠীৰ গণ্যমান্য ব্যক্তিসকলক লগ ধৰাৰ ফলত ১৯৬৪ চনৰ ২৪ জুনত গোপীনাথ বৰদলৈ হাইস্কুল প্ৰাঙ্গণত ৰাজহুৱা সভা হ'ল। এই সভাতে হাউলী আৰু বৰপেটাৰোডৰ কোনো এক মধ্যস্থ স্থানত, ৰাইজৰ পূৰ্ণ সহযোগত কলেজ পতাৰ সিদ্ধান্ত লোৱা হ'ল। ওখ ঠাই, যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ

কথা চিন্তা কৰি কোচৰজা ৰঘুদেৱৰ স্মৃতি বিজড়িত বৰবাৰীঝাৰ ৰিজাৰ্ভেই কলেজৰ বাবে উপযুক্ত স্থান হ'ব বুলি মই প্ৰস্তাৱ দাঙি ধৰিছিলোঁ। সেইমতে চৰকাৰৰ ওচৰত দৰ্খাস্ত দিয়া হ'ল। চৰকাৰে আমাক ৫০ বিঘা মাটি দিলে। মাটিখিনি বৰপেটাৰোড-হাউলী পথৰ পৰা ভালেখিনি আঁতৰত হোৱা বাবে গাঁৱৰ ৰাইজে সন্মুখৰ মাটিখিনি এৰি দিলে। মৰা নদী কলেজৰ সীমা হৈ থাকিল।

মই সেই সময়ত বজালী কলেজত কৰ্মৰত অৱস্থাত আছো। কলেজৰ ক্লাছ, N.C.C. ৰ ক্লাছ শেষ কৰি পাঁচ বজাৰ বাছত ঘৰলৈ আহো। ৰাতি দহ-এঘাৰ বজালৈ কলেজৰ কামত ঘূৰো। বিভিন্ন বাধা-বিঘিনি অতিক্ৰম কৰি ১৯৬৬ চনৰ ২৪ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰোঁ। ১৯৬৬ চনৰ ১১ জুলাইত মই বজালী কলেজৰ স্থায়ী চাকৰি এৰি বি. এইচ্. কলেজত যোগদান কৰোঁ।

***প্ৰশ্ন -১৩ঃ* বি. এইচ্. কলেজত সুদীৰ্ঘ ৩৩ বছৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিলে। সেই সময়ৰ কেইটামান মধুৰ অভিজ্ঞতা আৰু কেইটামান বেদনাদায়ক ঘটনাৰ বিষয়ে ক'ব নেকি?**

**উত্তৰঃ** বি. এইচ্. কলেজত সুদীৰ্ঘ ৩৩ বছৰ কাল অতিবাহিত কৰিলোঁ। ৰাইজৰ আস্থা, শিক্ষকসকলৰ সহযোগত কামবোৰ বৰ সুন্দৰকৈ সম্পন্ন কৰিলোঁ। সেইবোৰেই আছিল মোৰ সুখৰ স্মৃতি। এতিয়াও মনৰ মাজত সজীৱ হৈ আছে ১৯৬৬ চনৰ ১০ ডিচেম্বৰৰ সেই বিশেষ দিনটো— সিদিনা কলেজৰ মুল ভৱনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। আনন্দত উৎফুল্লিত হৈছিলোঁ ১৯৬৯ চনত দীপা লেজাৰে কলেজলৈ বিশেষ সন্মান কঢ়িয়াই অনাত। সোণালী জয়ন্তী দেখা নাপাম বুলি ৰূপালী জয়ন্তী বৰ উলহ-মালহেৰে পালন কৰিছিলোঁ। মনৰ মাজত ভুমুকি মাৰিছে সেই সোণালী ক্ষণবোৰ। পাঁচ মিনিট সময়ো অপব্যয় নকৰি ক্লাছৰুমত সোমোৱা শিক্ষকসকলৰ



স্মৃতিবোৰে বৰকৈ আমনি কৰিছে। দুখৰ অভিজ্ঞতা বুলি ক'লে পোনছাটেই মনলৈ আহে ১৯৯৮ চনত বনভোজ খাবলৈ গৈ সাতগৰাকী ছাত্ৰীৰ মৃত্যু হোৱা কৰুণ ঘটনাটোলৈ। সেই বেদনাদায়ক অভিজ্ঞতাই এতিয়াও মোক আমনি কৰে। তেতিয়াৰ পৰাই মোৰ হাইপাৰ টেনচন, হাৰ্টৰ অসুখ হ'ল।

***প্ৰশ্ন -১৪ঃ* আমি জনাত আপুনি অৰ্থনীতিৰ ছাত্ৰ হ'লেও বিভিন্ন ধৰণৰ কিতাপ পত্ৰ পঢ়ি ভাল পায়। আপুনি এগৰাকী সাহিত্যানুৰাগী ব্যক্তি বুলি আমি জানো।**

**উত্তৰঃ** হয়, অৰ্থনীতিৰ ছাত্ৰ হ'লেও মই বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ পঢ়ি ভাল পাওঁ। মই ভালেমান লেখকৰ অসমীয়া আৰু ইংৰাজী কিতাপ পঢ়িছো। আনকি বাংলা ভাষাৰ কিতাপ কিছুমান পঢ়িছো। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিৰিঞ্চি বৰুৱা, যোগেশ দাস, চৈয়দ আব্দুল মালিক, ড° ভবেন্দ্ৰ নাথ শইকীয়া, মামনি ৰয়ছম গোস্বামী, ড° লক্ষীনন্দন বৰা আদি লেখকসকলৰ কিতাপ মই পঢ়িছোঁ। মই ছাত্ৰ হৈ থাকোঁতে এখন কিতাপ পঢ়ি বৰ আপ্লুত হৈ আছিলো। অৰুণ কুমাৰ দাসৰ 'সপোন যেতিয়া ভাঙে' কিতাপখনৰ নামটো পঢ়িলে সস্তীয়া কিতাপ যেন লাগে। কিন্তু সস্তীয়া কিতাপ নহয়। আৰু এই লেখকজনৰ বিষয়েও বিশেষ একো জনা নাযায়। কিন্তু কিতাপখন খুব ভাল কিতাপ বুলি মই ভাৱো। শেষৰ পেৰাগ্ৰাফটো মোৰ এতিয়াও মনত আছে। ইউনিভাৰছিটিত পঢ়ি থাকোতে এদিনাখন এখন সভাত সেই সময়ৰ উপাচাৰ্য কৃষ্ণ কান্ত সন্দিকৈদেৱে কথা প্ৰসংগত অৰুণ কুমাৰ দাসৰ 'সপোন যেতিয়া ভাঙে' কিতাপখনৰ প্ৰশংসা কৰিলে আৰু সকলোকে কিতাপখন পঢ়িবলৈ ক'লে। তেতিয়া মই বুজিলো যে মোৰ ধাৰণাটো অশুদ্ধ নাছিল।

***প্ৰশ্ন -১৫ঃ* প্ৰত্যেক মানুহৰ জীৱনত নানা ঘাত-প্ৰতিঘাত আছে। আপোনাৰ জীৱনতো নিশ্চয় আহিছে। সেইবোৰৰ আপুনি কেনে ধৰণে মুখামুখি**

হৈছে? ঈশ্বৰ সম্পৰ্কে আপোনাৰ ধাৰণা কি?

**উত্তৰঃ** মই ঈশ্বৰত বিশ্বাস কৰোঁ। মোৰ জীৱনত যিবোৰ ঘাত-প্ৰতিঘাত আহিছে সেইবোৰ মই ঈশ্বৰ আছে কাৰণেই মোকাবিলা কৰিবলৈ সক্ষম হৈছিলোঁ।

মই যেতিয়া ইউনিভাৰ্ছিটিত এডমিচন ল'লো তাৰ পিছত পঢ়া-শুনা চলাই নিবলৈ মোৰ পইচা নাছিল। হোষ্টেল বা ভাড়াঘৰত থাকি খোৱা-লোৱা, কিতাপ-পত্ৰ সকলোখিনি ভালেখিনি খৰচ— ইমানখিনি টকা কেনেকৈ যোগাৰ কৰিম। বৰ চিন্তাত পৰিলো। প্ৰথমে মাহটো কেনেবাকৈ গ'ল। বিহুৰ বন্ধত ঘৰলৈ আহিলোঁ। হাতত এটিও পইচা নাই। কেনেকৈ ইউনিভাৰছিটিলৈ যাওঁ? টিউচনো যোগাৰ কৰিব পৰা নাই। ১৯৫৯ চনৰ কথা। মনলৈ এটি চিন্তা আহিল। ঁবিৰজা দাসৰ ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লো। ঁবিৰজা দাস সেই সময়ত ঘিলাজাৰী মৌজাৰ মৌজাদাৰ আৰু হাউলীৰ এগৰাকী বৰ ধনী মানুহ। তেওঁৰ পুত্ৰ ঁগুণীন্দ্ৰ নাথ চৌধুৰী বি. এইচ. কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে কাম কৰিছিল। তেওঁৰ ঘৰলৈ গৈ দেখো বহুত মানুহ। সিদিনা মাঘ বিহুৰ দোমাহীৰ দিন। গতিকে আলহী-অতিথি এনেয়েই বেছি। মই তেওঁলোকৰ ঘৰৰ এচুকত জুপুকা মাৰি বহি থাকিলোঁ। মনে মনে ভাবিলো মানুহখিনি আগতে আঁতৰ হওক। এনেদৰে সন্ধিয়া হৈ গ'ল। সকলো মানুহ যেতিয়া নিজ নিজ কাম শেষ কৰি গুচি গ'ল তেতিয়া ঘৰখনত মই অকলে। বিৰজা বাবুয়ে মোক সুধিলে — কি কথা, কি বাৰ্তা? মই কিছু সংকোচ কৰি ক'লো যে গুৱাহাটীলৈ পঢ়িবলৈ গৈছোঁ। কিন্তু এতিয়া হাতত টকা নাই বুলিয়েই ক'ব পাৰি। তেতিয়া লগে লগে তেওঁ ঘৰৰ ভিতৰলৈ বুলি বাট ল'লে। মই তেখেতক ৰ'বলৈ গৈ ক'লো যে আজি দোমাহীৰ দিনা মই আপোনাৰ পৰা টকা নলওঁ আৰু আপুনিও মোক দিব নালাগে। মই অহাকালি ৰাতিপুৱা গুৱাহাটীলৈ যোৱাৰ



মুহূৰ্তত আপোনাক লগ কৰি যাম। সেইমতে পিছদিনা ৰাতিপুৱা গ'লো। তেখেতে টকা, উলিয়াই থৈছিল — এশ টকা মোক দিলে। তেতিয়াৰ দিনত এশ টকা মানে বহুত টকা। টকাখিনি মোৰ হাতত দি ক'লে, "মোক ঘূৰাই দিব নালাগে। মই ধাৰ হিচাপে দিয়া নাই। তুমি গুৱাহাটীলৈ যোৱা। ভালদৰে পঢ়াশুনা কৰি জীৱনত সফল হোৱা। সেইটোৱেই মোৰ ইচ্ছা।" বিৰজা দাসৰ মৃত্যুৰ মুহূৰ্তটো এতিয়াও মোৰ দুচকুত সজীৱ হৈ আছে। কেবাদিনো ধৰি তেওঁৰ মাত-বোল নাই; চকু মেলা নাই। মই আহি মাত দিয়াৰ লগে লগে মোৰ পিনে এপলক চাই চিৰদিনৰ বাবে চকু মুদিলে।

এবাৰ মই তেনেদৰে গুৱাহাটীৰ পৰা পঢ়াশুনা বাদ দি ঘৰলৈ গুচি আহিব খুজিছিলো। টকা পইচাৰ অভাৱ। পল্টন বজাৰত ঘূৰি আছো। ঘৰলৈ আহিম বুলি বাছত উঠিমেই আৰু এনেতে মোৰ জেঠাৰ ল'ৰা এজনৰ লগত দেখা হ'ল। সি গোটেই কথা গম পাই মোক সহায় কৰিলে। মই গুৱাহাটীত থাকি এম.এ. পঢ়া সম্পূৰ্ণ কৰি গুচি আহিলোঁ।

তাকেই আজি ভাৱো ভগৱান নাথাকিলে সেই সময়ত মোৰ জেঠাৰ ল'ৰাজন আহি এনেদৰে ওলায়নে?

**প্ৰশ্ন-১৬ঃ ছাৰ আপোনাৰ গানত নিচা আছে নেকি?**

**উত্তৰঃ** সৰুৰে পৰা মই দিহা নাম গাইছিলোঁ। দিহা নাম গাই পুৰস্কাৰো পাইছিলোঁ। গান মই এতিয়াও ভাল পাওঁ। ড° ভূপেন হাজৰিকাৰ গান ভাল পাওঁ। হিন্দী গান সেই আগৰ যুগৰ গায়ক-গায়িকাসকলৰ গানবিলাক ভাল পাওঁ। আজিকালিৰ গানবোৰৰ প্ৰতি মোৰ আগ্ৰহ নাই।

**প্ৰশ্ন- ১৭ঃ আজিৰ প্ৰজন্মৰ যুৱক-যুৱতীৰ উচ্ছৃংখলতাই আপোনাক চিন্তিত কৰে নে?**

**উত্তৰঃ** হয় মই খুবেই চিন্তিত। সমাজখন কেনেকৈ শিথিল হৈ পৰিছে। নতুন প্ৰজন্মৰ মাজত উচ্ছৃংখলতা বৃদ্ধি পাইছে। কিছু ক্ষেত্ৰত আমাৰো ভুল আছে।

**প্ৰশ্ন- ১৮ ঃ এজন দক্ষ প্ৰশাসক হিচাপে আপুনি গোটেই অসমবাসীৰ মাজতে সুপৰিচিত। এই ক্ষেত্ৰত আপুনি প্ৰেৰণা ক'ৰ পৰা পাইছিল ?**

উত্তৰ ঃ প্ৰশাসকৰ গুণ মই আয়ত্ব কৰিছিলোঁ হাউলী হাইস্কুলৰ হেডমাষ্টৰ গৌৰীকান্ত শৰ্মা ছাৰৰ পৰা। তাৰ পিছত বজালী কলেজত থাকোঁতে পাতিয়ালাত N.C.C. Officer ৰ ট্ৰেইনিং কৰিছিলোঁ। সেই ট্ৰেইনিংটোৱে মোক বহু কথা শিকালে। আচলতে সেই ট্ৰেইনিংটো আছিল মোৰ জীৱনৰ বাবে এক ডাঙৰ টাৰ্ণিং পইণ্ট। মোৰ পোছাক-পাতিৰ পৰা আৰম্ভ কৰি ধ্যান-ধাৰণালৈকে সকলোৰে আমূল পৰিবৰ্তন ঘটালে এই ট্ৰেইনিংটোৱে।

**প্ৰশ্ন- ১৮ ঃ অধ্যক্ষ হৈ থকা কালছোৱাত আপুনি কেনেকৈ কলেজখন পৰিচালনা কৰিছিল ?**

**উত্তৰ ঃ** বৃহত্তৰ হাউলী বৰপেটাৰোড অঞ্চলৰ দুখীয়া, দৰিদ্ৰ, জ্ঞান-পিপাসু এচামক জীৱনৰ গতি দিবলৈ লগতে উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ সদাশয় ৰাইজৰ মৰম চেনেহ, দান, বৰঙণি, শ্ৰম আৰু ঐকান্তিকতা আৰু পৰমেশ্বৰৰ আশীৰ্বাদ আমাৰ বাবে আশিস্ নিৰ্মালি হৈ ৰ'ব। এই বি. এইচ্. কলেজৰ পৰা শিক্ষা লাভ কৰি শত সহস্ৰ জনে দেশে-বিদেশে সৰু-বৰ চাকৰি, ব্যৱসায় বাণিজ্যত সুনাম কঢ়িয়াই এই অনুষ্ঠানৰে জয়গাঁথা গাইছে। বি. এইচ্. কলেজৰ পৰীক্ষা পদ্ধতি সম্পূৰ্ণ নিষ্কলুষভাবে গঢ় দি অসৎ পন্থাৰে পৰীক্ষাত অৱত্তীৰ্ণ হোৱা চিন্তা পৰিহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকলৰ এক দৃঢ় আৰু সৎ মানসিকতা গঠন কৰাত আমি এক অতি সক্ৰিয় ভুমিকা গ্ৰহণ কৰিছিলোঁ। আপোচহীন ভাবেৰে দুষ্কাৰ্য ৰোধৰ ক্ষেত্ৰত শূন্য সহনশীল চিন্তাৰে আগবঢ়াৰ বাবেই কোনো শিক্ষাৰ্থীয়ে তেনে অসৎ পদক্ষেপ লোৱাৰ পৰা সদায় বিৰত হৈ আহিছে। এনে ক্ষেত্ৰত অধ্যক্ষ, অধ্যাপক বা সন্মানীয় কোনো ব্যক্তিৰে হস্তক্ষেপ কোনো কাৰণতে আৰু কেতিয়াও অগ্ৰাধিকাৰ দিয়া নহৈছিল। আমি অতি আনন্দিত যে এতিয়াও কলেজখনে সেই সুনাম কঢ়িয়াই নিব



পাৰিছে। বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰ সেয়েহে অধ্যায়নশীল হ'বলৈ বাধ্য আছিল আৰু তেওঁলোকে যতেই কৰ্মৰত হৈ আছে নিজৰ আৰু কলেজখনৰ এক উজ্জ্বল ভাবমূৰ্তি সৃষ্টি কৰিব পাৰিছে। পৰীক্ষা সংক্ৰান্তীয় পবিত্ৰতা ৰক্ষাৰ ক্ষেত্ৰত বি. এইচ্. কলেজ সমগ্ৰ অঞ্চলতেই জনাজাত। এয়াও আমাৰ বাবে সমাজ সেৱাৰ এটি ক্ষুদ্ৰ অৰিহণা হিচাপে গণ্য কৰো।

শিক্ষাদানৰ ক্ষেত্ৰত সকলো সময়তে সচেষ্ট থকা বাবে আমাৰ ক্লাছ নোহোৱা কথাটো এক অবিশ্বাস্য ঘটনা হিচাপে বিবেচিত হৈছিল। দুখীয়া, দৰিদ্ৰ তথা অনুন্নত অঞ্চলৰ বহুতো শিক্ষাৰ্থী পদব্ৰজে বা বহু কষ্ট কৰি কলেজলৈ আহিছিল। সেই সকল ছাত্ৰ-ছাত্ৰীক প্ৰতাৰণা কৰা কথাটো আমাৰ বাবে আছিল এক অপৰাধ। আমি নিজেও যেনেকৈ নিয়মানুৱৰ্ত্তী আছিলোঁ, ঠিক তেনেকৈ কলেজৰ প্ৰতি গৰাকী শিক্ষকেই অপৰিহাৰ্য কাৰণ অবিহনে কোনো এটা ক্লাছ নকৰাকৈ নাছিল। পৰীক্ষাৰ ফলাফল অত্যুৎকৃষ্ট হোৱাৰ ইও এটা প্ৰধান কাৰণ।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ আৱশ্যকতা অস্বীকাৰ্য। বি. এইচ্. কলেজৰ গ্ৰন্থাগাৰত যথেষ্ট পৰিমাণে গ্ৰন্থৰ আমদানি কৰা হৈছিল আৰু সেইবোৰৰ বেছিভাগেই আছিল দুষ্প্ৰাপ্য আৰু অতি দৰ্কাৰী। কলকাতা, গুৱাহাটী আদি বিভিন্ন স্থানৰ পৰা গ্ৰন্থ যোগাৰ কৰা হৈছিল। বিশ্ববিদ্যালয় গ্ৰন্থাগাৰতো কিছুমান গ্ৰন্থ দুষ্প্ৰাপ্য আছিল।

কলেজ চৌহদৰ ভিতৰৰ কাম-কাজৰ বাহিৰেও এটা সময়ৰ অশান্তি জৰ্জৰিত অঞ্চল সমূহত শান্তি স্থাপনৰ বাবে গঠন হোৱা 'শান্তি সমিতি'বোৰৰ লগত লাগি থাকি সমাজৰ ঐক্য, শান্তি আৰু ভাতৃত্ববোধৰ ভাব গঢ়ি তুলিবলৈ দৃঢ় পদক্ষেপ লোৱা হৈছিল। সামাজিক অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থাকি সমাজ গঠনত নিঃকিন ভাবেৰে গঠন মূলক চিন্তাক প্ৰাধান্য দিয়া আমাৰ ইয়াৰ এক আদৰ্শ আছিল।

# সত্যনাথ দাসদেৱৰ জীৱন পঞ্জী

| | | |
|---|---|---|
| সম্পূৰ্ণ নাম | ঃ | শ্ৰী সত্যনাথ দাস। |
| স্থায়ী ঠিকনা | ঃ | পোঃ অঃ আৰু গাঁও -মৌটুপুৰি, হাউলী,<br>জিলা - বৰপেটা (অসম)<br>পিন কোড্ - ৭৮১৩১৬ |
| বৰ্ত্তমান ঠিকনা | ঃ | ঐ |
| পদবী | ঃ | অধ্যক্ষ, বি. এইচ্. কলেজ, হাউলী<br>(বৰ্ত্তমান অৱসৰপ্ৰাপ্ত) |
| পিতৃৰ নাম আৰু ঠিকনা | ঃ | *উপেন্দ্ৰ নাথ দাস।<br>পোঃ অঃ আৰু গাঁও -মৌটুপুৰি, হাউলী,<br>জিলা - বৰপেটা (অসম)<br>পিন কোড্ - ৭৮১৩১৬ |
| জন্ম তাৰিখ | ঃ | ৯-৭-১৯৩৬ |
| নাগৰিকত্ব | ঃ | ভাৰতীয়। |
| জাতি | ঃ | অসমীয়া (সাউদ) |
| বৈবাহিক স্থিতি | ঃ | বিবাহিত। সাতটি সন্তানৰ পিতৃ।<br>ছয়জনী জীয়ৰী আৰু এজন পুত্ৰ। |
| পৰিবাৰৰ নাম | ঃ | শ্ৰীমতী বীণাপাণি দাস। |

**শিক্ষাগত অৰ্হতা—**

| | | |
|---|---|---|
| মেট্ৰিক | ঃ | ১৯৫৫ চনত হাউলী হাইস্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ। (প্ৰতিযোগিতা মূলক জলপানি লাভ) |



| | | |
|---|---|---|
| আই. এ. | ঃ | বৰপেটা এম.চি. কলেজৰ পৰা ১৯৫৭ চনত প্ৰথম বিভাগত উত্তীৰ্ণ।<br>(প্ৰতিযোগিতা মূলক জলপানি লাভ) |
| বি. এ. | ঃ | ১৯৫৯ চনত অৰ্থনীতিত সন্মান সহ দ্বিতীয় শ্ৰেণীত উত্তীৰ্ণ।<br>(এম.চি. কলেজৰ প্ৰথম সন্মান শিক্ষা বৰ্ষৰ ছাত্ৰ) |
| এম. এ. | ঃ | ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয় পৰা অৰ্থনীতিত দ্বিতীয় বিভাগত উত্তীৰ্ণ। |

**অন্যান্য অৰ্হতা —**

১) ১৯৬৩ চনত পাঞ্জাৱৰ পাটিয়ালা চহৰত অনুষ্ঠিত এন.চি.চিৰ প্ৰি-কমিচন অফিচাৰ প্ৰশিক্ষণ সমাপ্ত। বজালী কলেজত এন.চি.চিৰ কমাণ্ডিং অফিচাৰ হিচাপে আৰু বি. এইচ্. কলেজত ১৯৭১ চনলৈ একে মৰ্যাদাৰে কৰ্মৰত।

২) নতুন দিল্লীত ১৯৮১ চনত NIEPA দ্বাৰা আগবঢ়োৱা অৰিয়েণ্টেল কোৰ্চত যোগদান।

৩) ১৯৮৮ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে Administrative Staff College, খানাপাৰাত অনুষ্ঠিত কৰা Financial Planning & Management Orientation Course ত যোগদান।

৪) ১৯৭৩ চনত Staff Selection Board ৰ দ্বাৰা নিৰ্বাচিত অসমৰ কলেজ অধ্যক্ষ সকলৰ ভিতৰত কনিষ্ঠ অধ্যক্ষ হিচাপে নিৰ্বাচিত।

**প্ৰকাশিত গ্ৰন্থ আৰু অন্যান্য লিখনি —**

১)	A Text Book of Elements of Economics (প্ৰাক্ বিশ্ববিদ্যালয় মহলাৰ প্ৰাসঙ্গিক গ্ৰন্থ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত)

২)	প্ৰাথমিক অৰ্থ বিজ্ঞান, প্ৰথম খণ্ড।

৩)	প্ৰাথমিক অৰ্থ বিজ্ঞান, দ্বিতীয় খণ্ড।
(অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা দুয়োখন গ্ৰন্থ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰাসঙ্গিক গ্ৰন্থ হিচাপে অনুমোদিত)

৪)	বিভিন্ন আলোচনী, বাতৰি কাকত আদিত প্ৰকাশিত গৱেষণা মূলক প্ৰবন্ধসমূহ।

**বিভিন্ন বিষয় কাৰ্যনিৰ্বাহিত খতিয়ান—**

১)	গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্ট আৰু শৈক্ষিক পৰিষদৰ প্ৰাক্তন সদস্য।

২)	বৰপেটা মহকুমা প্ৰাক্ প্ৰাথমিক শিক্ষা বোৰ্ডৰ প্ৰাক্তন সদস্য।

৩)	গুৱাহাটী বিশ্ববিদ্যালয়ৰ College Developement Council প্ৰাক্তন সদস্য।

৪)	হাউলী হাইস্কুল পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি।

৫)	হাউলী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

৬)	অসম আন্দোলনৰ সময়ত হাউলী-গোবৰ্দ্ধনা শাখাৰ কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি।

৭)	অসম কলেজ অধ্যক্ষ পৰিষদৰ প্ৰাক্তন উপ-সভাপতি।

৮)	বৰবাৰীঝাৰ হাইস্কুলৰ প্ৰাক্তন সভাপতি।

৯)	দি বৰপেটাৰোড ক্লাৱৰ প্ৰাক্তন সভাপতি।

১০)	বৰপেটাৰোড জি. এল. চি. কলেজৰ প্ৰতিষ্ঠাপক কাৰ্যবাহী সভাপতি।



১১)	গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্ বিশ্ববিদ্যালয় স্তৰৰ Committee of Courses and Studies in Economics প্ৰাক্তন সদস্য।

১২)	অসম চৰকাৰৰ বন বিভাগৰ বন্য প্ৰাণী উপদেষ্টা বোৰ্ডৰ প্ৰাক্তন সদস্য।

১৩)	অসম চৰকাৰৰ সৈনিক বোৰ্ডৰ প্ৰাক্তন সদস্য।

১৪)	নতুন দিল্লীৰ A socialion of Indian Universities ৰ প্ৰাক্তন সদস্য।

১৫)	১৯৬৬ চনৰ পৰা ১৯৯৯ চনলৈ সুদীৰ্ঘ ৩২ বছৰ বি. এইচ্. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ।

১৬)	অসম কলেজ অধ্যক্ষ পৰিষদৰ একেধাৰে তিনিবছৰৰ প্ৰাক্তন সভাপতি।

১৭)	গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ক্ৰীড়াবোৰ্ডৰ প্ৰাক্তন সদস্য।

**শৈক্ষিক আৰু প্ৰশাসনিক অভিজ্ঞতা —**

১)	স্নাতকোত্তৰ হোৱাৰ আগত বিভিন্ন হাইস্কুলত শিক্ষকতা।

২)	বজালী কলেজৰ অৰ্থনীতি বিভাগত পূৰ্ণ পৰ্য্যায়িৰ স্থায়ী পদত প্ৰায় পাঁচ বছৰ প্ৰবক্তা হিচাপে কাৰ্যনিৰ্বাহ।

৩)	গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম উচ্চতম মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা কলেজ আৰু উচ্চতৰ মাধ্যমিক স্কুলবোৰৰ পৰিদৰ্শক হিচাপে সাময়িক নিযুক্তি। ১৯৭১ চনৰ পৰা HSLC পৰীক্ষাৰ Supervisor বিষয়া হিচাপে নিযুক্তি। সুদীৰ্ঘ বিশ বছৰ BA Part-I আৰু BA Part-II পৰীক্ষাৰ আৰু AHSEC দ্বাৰা অনুষ্ঠিত পৰীক্ষাৰ Zonal Officer হিচাপে গুৱাহাটী বিশ্ববিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ জৰিয়তে নিযুক্ত।

৪)	গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা স্নাতকৰ অৰ্থনীতি বিষয়ৰ সাধাৰণ আৰু সন্মান প্ৰশ্নকাকত প্ৰস্তুত কৰা আৰু পৰীক্ষক হিচাপে নিয়োজিত।

**বঁটা-বাহন**


১।	হাউলী সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে প্ৰদান কৰা 'হাউলী বঁটা'।

২।	বৰপেটাৰোড সাৰ্বজনীন ৰাস মহোৎসৱ উ দ্‌যাপন সমিতিয়ে প্ৰদান কৰা 'বৰপেটাৰোড সমন্বয় বঁটা'।







নৱনিৰ্মিত কলেজ প্ৰাঙ্গণত বিশিষ্ট ব্যক্তি আৰু শিক্ষক-কৰ্মচাৰীৰ সৈতে সত্যনাথ দাস



প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ সৈতে সত্যনাথ দাস



কলেজৰ ৰূপালী জয়ন্তী উপলক্ষে
তদানীন্তন ৰাজ্যপাল লোকনাথ মিশ্ৰৰ কলেজলৈ আগমন



কলেজৰ ৰূপালী জয়ন্তীত
প্ৰাক্তন সাংসদ অজিত কুমাৰ শৰ্মা সৈতে সত্যনাথ দাস




কলেজ প্ৰাঙ্গণত প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ সৈতে
সত্যনাথ দাস




কলেজ প্ৰাঙ্গণত ভাৰত ত্যাগ আন্দোলনৰ সোণালী জয়ন্তী উদ্‌যাপন
অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলৰ সৈতে সত্যনাথ দাস



ৰূপালী জয়ন্তী অনুষ্ঠানত ভাষণৰত বৰপেটা জিলাৰ তদানীন্তন
উপায়ুক্ত চি. কে. শৰ্মাৰ সৈতে সত্যনাথ দাস




কলেজত অনুষ্ঠিত অসম কলেজ অধ্যক্ষ পৰিষদৰ অধিৱেশনত
সত্যনাথ দাস



গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীৰ
কলেজলৈ আগমন




গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্গত ৰাষ্ট্ৰীয় সংহতি
শিবিৰৰ সভাত সত্যনাথ দাস




'নাক'ৰ প্ৰথম পৰিদৰ্শনৰ সামৰণী অনুষ্ঠানত
সত্যনাথ দাস



'হাউলী বঁটা' গ্ৰহণৰ সময়ত সত্যনাথ দাস




কলেজৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত বিদায় সম্বৰ্দ্ধনা
গ্ৰহণ কৰা মুহূৰ্তত সত্যনাথ দাস



মাতৃৰ বিয়োগৰ সময়ত সহধৰ্মিনীৰ সৈতে সত্যনাথ দাস



কন্যাদানৰ মুহূৰ্তত সত্যনাথ দাস



সহধৰ্মিনী আৰু একমাত্ৰ পুত্ৰৰ সৈতে সত্যনাথ দাস